এক ব্যতিক্ৰমী ব্যক্তি

সুচেন্দ্ৰ নাথ ভূএগ

॥ অভিনন্দন গ্ৰন্থ ॥

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ সৌজন্যত
ৰঞ্জনী প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত

উছর্গা

মা — ৰঞ্জনী ভূঞাৰ সোঁৱৰণত

কনিষ্ঠ পুত্ৰৰ শ্ৰদ্ধাৰ্ঘ

সুচেন্দ্ৰ নাথ ভূঞা

অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতি

সম্পাদক ঃ সত্যজিৎ ভূঞা

সদস্যসকল ঃ ড° লিলি ৰাজবংশী

কামেশ্বৰ লস্কৰ

দুলন নাথ

ডাঃ ভুবেনেশ্বৰ ভূঞা

দীপ ভূঞা

Ek Byetikromi Byekti — Suchendra Nath Bhuyan :
A Felicitation volume written by eminent personalities from various fields of Assam and published by Ranjani Prakashan Ambari, Guwahati- 781001.

Publisher :
Smti Subhadra Bhuyan

Cover Design :
Anupjyoti Choudhury

First Edition :
29th July, 2005

Price :
Rs 100.00 only

Printed at : Matri Offset press
Hedayetpur, Guwahati-3
Phone. (0361)2664899

শ্ৰদ্ধাঞ্জলি

প্ৰয়াত নন্দেশ্বৰ ভূঞা

(সুচেন্দ্ৰ নাথ ভূঞাৰ পিতৃ)

সম্পাদকীয়



ভিন্ন জনৰ দৃষ্টিত সুচেন্দ্ৰ নাথ ভূঞা

সত্যজিৎ ভূঞা

আত্মজীৱনীৰ পাতনিত ৰাছেলে উল্লেখ কৰিছিল যে, জীৱনটো তেওঁ উপযুক্তভাৱে যাপন কৰিলে বুলি পতিয়ন গৈছিল আৰু সুযোগ পালে সেই একেটা জীৱনকে যাপন কৰিবলৈ তেওঁ আগ্ৰহী আছিল। আশীৰ দেওনা পাৰ কৰি সুচেন্দ্ৰ নাথ ভূঞাৱো নিজৰ জীৱন সম্পৰ্কত তেনে ভাব প্ৰকাশৰ যোগ্য বুলি আমাৰ ধাৰণা।

পৃথিৱীত এনে কিছুমান বিৰল ব্যক্তিত্ব সম্পন্ন লোক থাকে যি সকলৰ বহুমুখী ব্যক্তিত্বই ভিন ভিন মানুহক ভিন ভিন ধৰণে আকৰ্ষণ কৰে। কামপুৰৰ ভিতৰুৱা গাঁও এখনৰ পৰা ওলাই আহি সুচেন্দ্ৰ নাথ ভূঞাৱো তেখেতৰ অনাবিল ব্যক্তিত্বৰে অসমৰ বিভিন্ন অঞ্চলৰ বিভিন্ন পেছা, নিচা আৰু সেৱাত উছৰ্গিত বিভিন্ন জনৰ মন চুই থাকিব পৰাটো নিশ্চিত ৰূপত উল্লেখনীয়। সুচেন্দ্ৰ নাথ ভূঞাই নানা ধৰণৰ ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি নিজকে যতদূৰ সম্ভৱ পূৰ্ণ মানৱৰ ৰূপত প্ৰতিষ্ঠা কৰাত যত্নপৰ হোৱা পৰিলক্ষিত হয়। অনেকেই হয়তো শুনি আচৰিত হ'ব যে ১৯ ৫১-৫২ চনত তেখেত ৰাজনৈতিক বন্দী আছিল আৰু আটকাধীন অৱস্থাৰ পৰাই স্নাতক পৰীক্ষা দিবলৈ সাজু হৈছিল। যোৱা কেইবাটাও

দশক জুৰি তেখেতে উচ্চ ৰক্তচাপ, বহুমূত্ৰ, ব্ৰংকিয়েল এজমা আদি ৰোগত ভুগি আছে। কিন্তু পৰিশীলিত আৰু শৃংখলিত জীৱন-যাপনৰ কলা-কৌশলত সিদ্ধহস্ত ভূএগ্রাদেৱে উপৰিউক্ত ৰোগ আৰু উপসৰ্গৰ নাতিশয্যাত নিজৰ কৰ্মময়তাক বাধাগ্ৰস্ত হ'বলৈ দিয়া নাই। মনোগ্ৰাহী পৰিমিত বাক্ , কঠোৰ শ্ৰম-শক্তি, লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ সাধনা, সৰলতা-মানৱীয়তা, খোলা মন, সামাজিক দায়বদ্ধতা, পাৰ্গত তথা গৰ্বহীনতা— শ্ৰীযুত ভূএগ্রাৰ চৰিত্ৰৰ উল্লেখনীয় দিশ নানা জনে বিভিন্ন সময়ত তেখেতৰ আকৰ্ষণীয় ব্যক্তিত্বৰ মধুৰ স্পৰ্শ লাভ কৰিছে। ভূএগ্রাদেৱৰ একাশীতম জন্মদিনৰ উপলক্ষ্যত অসমৰ প্ৰখ্যাত বুদ্ধিজীৱী, সাহিত্যিক, ৰাজনীতিবিদ, আইনজ্ঞ, চিকিৎসক, সমাজসেৱী আদিৰপৰা আৰম্ভ কৰি তেখেতৰ নিকটাত্মীয়লৈকে অনেকেই ভূএগ্রাদেৱৰ ব্যক্তিত্বৰ নানা দিশ ফঁহিয়াই তেখেতৰ প্ৰতি শুভেচ্ছা-মৰম আৰু শ্ৰদ্ধা-ভালপোৱা আৰু কৃতজ্ঞতা, মধুৰ সান্নিধ্যৰ সুবাসিত স্মৃতিৰ কথা প্ৰকাশ কৰিছে। বামপন্থী ৰাজনীতিত বিশ্বাসী ব্যক্তিৰূপে, সামজসেৱীৰূপে, সফল আইনজ্ঞৰূপে, আদৰ্শ ব্যক্তিৰূপে, মৰমিয়াল চুবুৰীয়াৰূপে, দায়িত্বশীল পিতৃৰূপে, মধুৰ হাঁহি আৰু বিনয় ভূষণৰ অধিকাৰীৰূপে অনেক সদাশয় লোকে ভূএগ্রাদেৱৰ বিষয়ে ইয়াত অনেক স্মৃতিচাৰণমূলক লেখাৰ সমাবেশ ঘটাইছে। সংকলনটোৰ এনে ধৰণৰ লেখা সমূহৰ নানা দিশৰ পৰা গুৰুত্ব আছে। ভৱিষ্যতলৈও থাকিব বুলি আমাৰ ধাৰণা। লিখা-পঢ়া সমাজখনে ভূএগ্রাদেৱৰ সময়ৰ অসমৰ সামাজিক, ৰাজনৈতিক, ন্যায়িক জগতৰ নানা তৰহৰ ছবি ইয়াৰ মাজত বিচাৰি পাব। পৰিৱৰ্তন আৰু পাৰ্থক্যৰ ৰূপ আদি বুজাত ইবোৰ সহায়ক হ'ব পাৰে বুলিও আমাৰ বিশ্বাস।

এই সুযোগতে সংকলনটোলৈ লেখা আগবঢ়াই আমাক বাধিত কৰা সদাশয় লেখক-লেখিকা সকললৈ আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। সংকলনটো যুগুতাই প্ৰকাশ কৰি উলিয়াওঁতে অনেকেই নানা ধৰণে দিহা-পৰামৰ্শ আগবঢ়াই সহায় কৰি আহিছে। সকলোলৈকে আমাৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়ালোঁ। বিশেষকৈ গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ কৰ্মকৰ্তাসকল যেনে — ড° লিলি ৰাজবংশী, কামেশ্বৰ

লস্কৰ, দুলাল নাথ, বিশ্ব ভূঞা, ড° ভুৱনেশ্বৰ ভূঞা প্ৰমুখ্যে ব্যক্তিসকলৰ নাম উল্লেখনীয়। এই গ্ৰন্থখনি এইভাৱে প্ৰকাশ কৰি উলিওৱাত শ্ৰীঅনুপজ্যোতি চৌধুৰীৰ নাম বিশেষভাৱে ল'ব লাগিব। তেওঁৰ সহায় অবিহনে এই গ্ৰন্থই এনেভাৱে আত্মপ্ৰকাশ কৰাটো সম্ভৱ নহ'লহেতেঁন। এই সুযোগতে আটাইলৈ ধন্যবাদ জনালোঁ।

আজি ২০০৫ চনৰ জুলাই মাহৰ ২৯ তাৰিখ। ১৯২৪ চনৰ এই দিনতে জন্ম হোৱা সুচেন্দ্ৰ নাথ ভূঞাই আজি একাশী বছৰত ভৰি দিলে। অনন্য ব্যক্তিত্বৰ ভূঞাদেৱক ওপজা দিনৰ ওলগ যাচিলোঁ। তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। লগতে এই সংকলনে ভিন্ন জনৰ দৃষ্টিৰে ভূঞাদেৱক চালিজাৰি চাবলৈ শ্ৰদ্ধেয় পঢ়া সমাজখনক সহজ সুযোগ দিব বুলি আশা কৰিলোঁ। অন্নদাশংকৰে কৈছিল— "নব্বৈ বছৰ পেৰিয়ে আমি এখন নিঃসঙ্গ", সুচেন্দ্ৰ নাথ ভূঞাই অৱশ্যে আশী বছৰ অতিক্ৰম কৰি ঈৰ্ষণীয় ব্যক্তি- সংগ সুখ লাভ কৰি আছে।

শ্ৰী ভূঞা অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ এজন জ্যেষ্ঠ প্ৰবক্তা

সম্পাদক প্ৰধানৰ দুআষাৰ

ইং ১৩/১১/২০০৪ তাৰিখে অনুস্থিত হোৱা গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা ডাঙৰীয়াৰ ২০০৫ চনৰ ইং ২৯ জুলাইত ৮১ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষ্যে তেখেতৰ ৮১তম জন্মদিনটো উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি এখন উদ্‌যাপন কমিটি গঠন কৰি সেই কমিটিৰ ওপৰতে জন্মদিন উদ্‌যাপন কৰাৰ ভাৰ ন্যস্ত কৰে। লগতে ভূঞা ডাঙৰীয়াৰ জীৱনী সম্বলিত এখন গ্ৰন্থ প্ৰকাশৰো সিদ্ধান্ত সভাই গ্ৰহণ কৰে।

সেই উদ্দেশ্য আগত ৰাখি শ্ৰীভূঞাদেৱৰ অতীত-বৰ্তমানৰ জীৱন বৃত্তান্ত মূলক প্ৰৱন্ধ যোগোতোৱাৰ কাৰণে সাহিত্যিক, বুদ্ধিজীৱী, আইনবিদ, তেখেতৰ বাল্যবন্ধু আদিৰ পৰা প্ৰবন্ধ সংগ্ৰহ কৰা হয়। সংগৃহীত প্ৰৱন্ধসমূহ সংকলন কৰি গ্ৰন্থ আকাৰত প্ৰকাশ কৰি শ্ৰী ভূঞাদেৱৰ বিপ্লৱী আৰু সংগ্ৰামী জীৱনৰ হেৰাই যাব খোজা অধ্যায় পোহৰলৈ অনাৰ চেষ্টা কৰা হৈছে।

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিখন তেখেতৰ মানস কন্যা। এই সমিতিৰ যোগে জননী জন্মভূমি কামপুৰ অঞ্চলৰ শিক্ষা, সংস্কৃতি, সামাজিক, আৰু সামগ্ৰিক উন্নতিৰ হকে কাম কৰি যোৱাৰ দৃঢ় সংকল্প গ্ৰহণ কৰে শ্ৰীভূঞাদেৱে। সেই উদ্দেশ্য আগত ৰাখি বিগত বছৰ কেইটাত কামপুৰ অঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে তেখেতে অহোপুৰুষাৰ্থ কৰি আহিছে। কামপুৰৰ শিক্ষা আৰু সামাজিক উন্নতিৰ হকে তেখেতৰ দান-বৰঙনি অতুলনীয়।

শ্ৰীভূঞাদেৱ হাড়ে-হিমজুৱে এগৰাকী জন্মভূমি প্ৰেমী ব্যক্তি। এই প্ৰেমত কোনো স্বাৰ্থ নাই, কৃত্ৰিমতা নাই, অভিলাস নাই। এই প্ৰেম নিভাঁজ আৰু নিঃস্বাৰ্থমূলক।

ভূঞাদেৱৰ এই সপোন কেতিয়া বাস্তৱত পৰিণত হয়, সেইটো সময়ে ক'ব। কিন্তু, এইটো ঠিক যে উন্নতিৰ জখলাটো তেখেতেই নিৰ্মাণ কৰিছে। এইটোও ঠিক যে কামপুৰৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে আমৰণলৈ কাম কৰি যোৱাৰ দৃঢ় সংকল্প গ্ৰহণ কৰিছে।

কামপুৰৰ এটি কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰি, শিক্ষা শেষ

নৌহওঁতেই ভাৰতৰ স্বাধীনতাৰ সপোনত মুক্তি যুঁজৰ পণ গ্ৰহণ কৰি, বিপ্লৱী জীৱনধাৰণ কৰি, পৰ্বতে-ভৈয়ামে আশ্ৰয় লৈ, ৰাজনৈতিক জীৱন যাপন কৰি, ভাৰত স্বাধীনতাৰ পাছত নতুন জীৱন যাপন কৰি, আধাডোখৰতে এৰি অহা শিক্ষা জীৱন পুনৰ আৰম্ভ কৰি, শিক্ষা সাং কৰি ওকালতি ব্যৱসায়ত নামি, আইনী ব্যৱসায়ত চূড়ান্ত শিখৰত আৰোহণ কৰা ভূঞা আজি ভাটী বয়সত জন্মভূমিৰ হকে চূড়ান্ত ত্যাগেৰে নিজকে উচৰ্গা কৰিছে। এনে এগৰাকী দেশপ্ৰেমী, দানী আজি এক বিৰল ব্যক্তিত পৰিণত হৈছে।

সেই কাৰণে তেখেতৰ হেৰাই যাব খোজা এক গৌৰৱ উজ্জ্বল অধ্যায় পোহৰলৈ আনি সমাজৰ এক আদৰ্শ পুৰুষ হিচাপে, যাৰ জীৱনৰ চনেকিৰে নতুন প্ৰজন্মক উৎসাহ উদ্দিপনাৰে জীৱন গঢ়াৰ পথত সহায়ক হোৱাৰ উদ্দেশ্যে জন্মদিন উদ্‌যাপনত জীবন বৃত্তান্ত সম্বলিত এখনি গ্ৰন্থ প্ৰকাশ কৰা হৈছে।

শ্ৰীভূঞাদেৱৰ জন্মদিন উদ্‌যাপনৰ কাৰণে আৰু গ্ৰন্থ প্ৰকাশৰ কাৰণে উদ্‌যাপন কমিটিয়ে যি কষ্ট কৰিব লগীয়া হৈছে তাৰ কাৰণে গুৱাহাটীবাসী কামপুৰ উন্নযন সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

জন্মদিন্‌টো সফলতাৰে উদ্‌যাপন কৰাত গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ সকলো সদস্য-সদস্যা তথা সমূহ শুভাকাঙ্খীলৈ গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

দুলন চন্দ্ৰ নাথ

সম্পাদক প্ৰধান

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি

সূচীপত্ৰ

আত্মকথা ঃ সুচেন্দ্ৰ নাথ ভূএগ্ৰা ১—৭৮

সুচেন্দ্ৰ নাথ ভূএগ্ৰা — এক বৰ্ণাঢ্য জীৱনৰ যৎ কিঞ্চিত বিশ্লেষণ ঃ
শৰৎ চন্দ্ৰ সিংহ ৭৯— ৮৩

শ্ৰদ্ধাৰে দুআষাৰ ঃ গোলাপ বৰবৰা ৮৪—৯২

আদৰ্শনিষ্ঠাৰে সমৃদ্ধ প্ৰাক্তন ছাত্ৰনেতা, বৰেণ্য ব্যক্তি
সুচেন্দ্ৰ নাথ ভূএগ্ৰা ঃ ড° দেৱ প্ৰসাদ বৰুৱা ৯৩—৯৮

সুচেন ভূএগ্ৰাদেৱৰ সান্নিধ্যত ঃ ড° হীৰেন গোহাঁই ৯৯—১০১

সুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ ব্যক্তিত্ব সম্পৰ্কে দু-এষাৰ ঃ প্ৰমোদ গগৈ ১০২

সাম্যবাদী সুচেন ভূএগ্ৰা ঃ বিষ্ণুপ্ৰসাদ ১০৩—১০৫

সুচেন ভূএগ্ৰাক লগ পোৱাৰ কথা ঃ কেশৱ মহন্ত ১০৬—১০৯

মোৰ ছাত্ৰ—সুচেন্দ্ৰ নাথ ভূএগ্ৰা ঃ অধ্যাপক আশ্ৰফ আলি ১১০—১১২

পুৰণি কথাৰে শুভেচ্ছা ঃ অৱনী বৰঠাকুৰ ১১৩—১১৮

সুচেন ভূএগ্ৰা ঃ হেমেন দাস ১১৯—১২২

মই সুচেন ভূএগ্ৰাক যিদৰে জানো ঃ নিৰুপমা বৰগোহাঞি ১২৩—১২৫

শ্ৰদ্ধাৰ অমিত যুৱকজন ঃ ড° লিলি ৰাজবংশী ১২৬—১২৮

আমাৰ-ওচৰ চুবুৰীয়া — ভূএগ্ৰা মহাদেউ ঃ গৌতম প্ৰসাদ বৰুৱা ১২৯—১৩৩

মহাদেউক আমি যিদৰে জানো ঃ দেৱব্ৰত দাস ১৩৪—১৩৬

সুচেন ভূএগ্ৰা সম্পৰ্কে দুআষাৰ ঃ তৰুণসেন ডেকা ১৩৭—১৪১

মই জীয়াই থাকি ভাল পাওঁ........ ঃ দিলীপ কুমাৰ হাজৰিকা ১৪২—১৪৮

হাৰ নমনা খুড়া ঃ ড° অমৰজ্যোতি চৌধুৰী ১৪৯—১৫১

সুচেন্দ্ৰ নাথ ভূএগ্ৰা—ব্যক্তিত্বৰ জিলিঙনি ঃ ড° যামিনী ফুকন ১৫২—১৫৮

শ্ৰদ্ধেয় সুচেন্দ্ৰ নাথ ভূএগ্ৰাদেৱলৈ সম্বৰ্দ্ধনা ঃ দুৰ্লভ চন্দ্ৰ মহন্ত ১৫৯—১৬১

শ্ৰদ্ধাৰ সুচেন্দ্ৰ নাথ ভূএগ্ৰা—মই যিমানলৈ জানো ঃ নীলমণিসেন ডেকা	১৬২—১৬৩
আমাৰ বিয়ৈ সুচেন্দ্ৰ নাথ ভূএগ্ৰা ঃ আৰতি দাস	১৬৪—১৬৫
মোৰ দৃষ্টিত আইনজীৱী সুচেন্দ্ৰ নাথ ভূএগ্ৰা ঃ তৰুলতা দাস	১৬৬—১৬৭
খুড়া ঃ ড° অৰূপজ্যোতি চৌধুৰী	১৬৮—১৭০
আমাৰ ভূএগ্ৰাদা ঃ শান্তা আগৰৱালা	১৭১—১৭২
কমৰেড্ সুচেন ভূএগ্ৰালৈ শুভেচ্ছা ঃ হেনা বৰা	১৭৩—১৭৬
মোৰ বন্ধু—সুচেন ভূএগ্ৰা ঃ পূৰ্ণ বৰা	১৭৭—১৭৮
এক ব্যতিক্ৰমী ব্যক্তিত্ব ঃ দুলন চন্দ্ৰ নাথ	১৭৯—১৮২
সুচেন ভূএগ্ৰাৰ জীৱনৰ কিছু আলোকপাত ঃ শৈলেন মেধি	১৮৩—১৮৪
কপিলীপৰীয়া দানবীৰলৈ শ্ৰদ্ধাৰে ঃ পুনিৰাম শইকীয়া	১৮৫—১৯৪
মই জনা শ্ৰদ্ধেয় সুচেন দাদা ঃ কামেশ্বৰ লস্কৰ	১৯৫—১৯৭
বাল্যবন্ধু ঃ বেণুধৰ কলিতা	১৯৮—২০০
প্ৰতিধ্বনি শুনো সেই তাহানিখনৰ (প্ৰসঙ্গ ঃ শ্ৰীসুচেন ভূএগ্ৰা) ঃ পোৱাল বৰুৱা	২০১—২০৭
ভূএগ্ৰাদেৱৰ জন্মদিন উপলক্ষে এআষাৰ ঃ সভাৰাম মজুমদাৰ	২০৮—২১০
দেউতাৰ আলহী ঃ মালতী শইকীয়া ঃ	২১১—২১৬
কামপুৰ বন্দনা ঃ বিশ্বনাথ ভূএগ্ৰা	২১৭—২১৯
কামপুৰ সঙ্গীত ঃ কল্পনা ভূএগ্ৰা	২২০—২২১
With Respect to Shri Suchen Bhuyan, Sr. Advocate, former Advocate General, Assam Gauhati High Court : K. N. Saikia	২২২
S.N. Bhuyan — As I know him : S.N. Phukan	২২৩—২২৪
Shri Suchendra Nath Bhuyan — As I know him : Dambarudhar Pathak	২২৫—২২৭

S.N. Bhuyan : A.B. Roy ২২৮

Suchendra Nath Bhuyan —
As I know him : Shaikh Chand Modhhmmad ২২৯—২৩১

My Friend Suchen Bhuyan : Dr. M.C. Bhuyan ২৩২—২৩৩

A Talent Indeed : G.C. Phukan ২৩৪—২৩৫

My walking companion : J.K. Barua ২৩৬—২৩৭

Suchendra Nath Bhuyan — A profile :
Dr. J.C Laskar ২৩৮—২৪৩

S.N. Bhuyan — As I know him : S.N. Phookun ২৪৪—২৪৮

Shri Suchendra Nath Bhuyan — Bijan Chandra Das ২৪৯—২৫১

S.N. Bhuyan — My Senior : D.P. Chaliha ২৫২—২৫৩

Deuta - We all love you : Dr. Subhash Khanna ২৫৪—২৫৬

Shri Suchendra Nath Bhuyan— A Tribute on his
81st Birthday : Dr. Bishnu Prasad Das ২৫৭—২৫৯

পৰিশিষ্ট ২৬০—৩২০

আত্মকথা

সুচেন্দ্ৰ নাথ ভূঞা

সাহিত্যত অসম উপত্যকা পুৰস্কাৰ ঘোষণা কৰা উইলিয়ামচন মেগৰে ১৯৯০ চনত যশস্বী গল্পকাৰ, খ্যাতনামা সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াক এই পুৰস্কাৰৰ বাবে বাছনি কৰিছিল। মেগৰৰ সেই পুৰস্কাৰ দিয়া অনুষ্ঠানটো গুৱাহাটী জিলা পুথিভঁৰালত আয়োজন কৰা হৈছিল। পুৰস্কাৰ প্ৰদানৰ কাৰণে প্ৰসিদ্ধ উপন্যাসিক মুলক্‌ৰাজ আনন্দক নিমন্ত্ৰণ কৰি অনা হৈছিল। ভবেনে মোক 'ককাইদেউ' বুলি সম্বোধন কৰিছিল আৰু তেওঁকো মই ভাতৃজ্ঞান কৰিছিলো। সম্বৰ্দ্ধনাৰ অন্তত —যেতিয়া তেওঁ ওলাই আহিছিল, মই তেওঁক লগ ধৰি তে ওঁৰ কৃতিত্বৰ কাৰণে অভিনন্দন জনালো। উত্তৰত ভবেনে ক'লে -- "ককাইদেউ, আপোনাৰ জীৱনতো আপুনি বহুতো উল্লেখনীয় কাম কৰিছে। আমি সেইবিলাক জানিব বিচাৰো। আপুনি আপোনাৰ জীৱনৰ কাহিনী লিখক।" এই বুলি তেওঁ নেৰানেপেৰাকৈ লাগিল। মোৰ ওচৰ-চুবুৰীয়া শ্ৰদ্ধেয় লক্ষ্যধৰ চৌধুৰী ডাঙৰীয়াইও বাৰে বাৰে মোক তাগিদা দিছিল যে মোৰ ওকালতি জীৱন আৰু পূৰ্বৰ সংগ্ৰামী জীৱনৰ কথা লিখিব লাগে। এইভাবে বিভিন্ন সময়ত বিভিন্নজনে মোক মোৰ বিষয়ে লিখিবলৈ সকীয়াই আছিল। সৰ্বশেষত -- গুৱাহাটীবাসী কামপুৰীয়াসকলৰ পৰাও এই দাবী প্ৰৱলভাৱে উত্থাপন হ'ল। বিশেষকৈ মোৰ ভগ্নীসমা ডাঃ লিলি ৰাজবংশী, ভাতৃ প্ৰতিম কামেশ্বৰ লস্কৰ, দুলন নাথ, ভতিজা বিশ্ব ভূঞা আৰু ড° ভুবনেশ্বৰ ভূঞাকে আদি কৰি বিভিন্নজনে মোক টানি অনুৰোধ কৰিবলৈ ধৰিলে। তেওঁলোকে লগতে প্ৰস্তাৱ দিলে যে —এইবাৰ তেওঁলোকে মোৰ জন্মদিন (৮১তম) পালন কৰিব আৰু এই প্ৰসঙ্গত এখন গ্ৰন্থও প্ৰকাশ কৰিব। সেই গ্ৰন্থত বিভিন্নজনে লিখাৰ উপৰিও মোৰ জীৱন সম্পৰ্কে মই নিজেও লিখিব লাগে। এনেবোৰ তাড়নাতে মোৰ 'আত্মকথা' লিখাৰ এটা

অনুভূতি জাগি উঠিল। মোৰ 'ডায়েৰী' লিখা কোনো দিনেই হোৱা নাছিল। বহুতো কথা পাহৰণিৰ গৰ্ভত লীন গ'ল। যি অলপ মনত পৰিছে, তাকে জুকিয়াই এই লেখা আৰম্ভ কৰিবলৈ প্ৰয়াস কৰিছো। মোৰ আত্মকথা যুগুত কৰাত বহুজনে নানাভাৱে সহায় কৰিছে। বিশেষকৈ মোৰ ভতিজা শ্ৰীমান বিশ্বই দেহে-কেহে লাগি এই কাৰ্য সম্পূৰ্ণ কৰাত সহায় কৰিছে। তেওঁলোক সকলোটিলৈকে মোৰ আন্তৰিক ধন্যবাদ জনাইছো।

(১)

শাওন মাহ—১৮৪৪ শক, ১৩৩১ চন, ১৩ শাওন, মঙ্গলবাৰ, ইং ১৯২৪ চন ২৯ জুলাই। ৰাতি ঘিট্‌মিটীয়া অন্ধকাৰ। বাহিৰত কিনকিনিয়া বৰষুণ। তেনেকুৱা এক পৰিৱেশত এটি শিশুৰ ভূমিষ্ঠ হোৱাৰ ক্ৰন্দন। পিছত জানিলো মোৰ পিতাদেউৱে এখন বহীত আমাৰ পৰিয়ালৰ ভাই-ককাই আৰু এগৰাকী বাইদেউৰ জন্মলগ্ন, তাৰিখ ইত্যাদি লিখি ৰাখিছিল। তাৰ পৰাই উপৰোক্ত কথাখিনি মই গম পাইছিলো। দুখৰ কথা ১৯৩৪ চনৰ কপিলীৰ বলিয়া বানত এই সকলোবোৰ মূল্যবান সম্পদ নষ্ট হৈ গ'ল।

এই নৱজাত শিশুটিক মৰমতে 'বাপু' বুলি মাতিছিল। পিছত গণনাত, কোষ্ঠীত নাম দিয়া হ'ল – শঙ্কৰ প্ৰসাদ ভূঞা। কিন্তু কি কাৰণত কেনেকৈ মোৰ সেই নামটো 'সুচেন্দ্ৰ নাথ' হ'লগৈ আজিলৈকে সাঁথৰ হৈয়ে ৰ'ল। যেতিয়া নিম্ন প্ৰাইমেৰি স্কুলত ৫ বছৰ বয়সত নাম লগাই দিয়ে তেতিয়াৰ পৰা মোৰ নাম সুচেন্দ্ৰ নাথ ভূঞা নামে সকলোৰে জ্ঞাত হৈ পৰিল আৰু পাছৰ জীৱনৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত মোৰ নাম সুচেন ভূঞা নামে জনাজাত হ'ল।

মোৰ পিতৃ নন্দেশ্বৰ ভূঞা আৰু মাতৃ ৰঞ্জনী ভূঞা। গাঁও – নিজনাৰিকলি। কিংবদন্তি মতে এই গাঁৱৰ মানুহে ৰজাক নাৰিকল যোগান দিব লগা হৈছিল কাৰণে গাঁওখনৰ নাম নাৰিকলি হ'ল। এই গাঁও কপিলী নৈৰ উত্তৰ পাৰে গাতে লগা। ইয়াৰ ভাগ দুটা, উজনিচুক আৰু

ভটিয়নিচুক। উজনিচুকৰ অধিকাংশ লোক ভূঞা বংশৰ। এওঁলোকক বাৰভূঞাৰ বংশধৰ বুলি কয়। মানৰ খেদাত বৰদোৱা, বেবেজীয়া আদি ঠাইৰ পৰা দক্ষিণফালে ভাগি আহি কপিলী পাৰৰ, তেতিয়াৰ জনাজাত কছাৰী-পাৰত বসতি কৰিলে। মোৰ মনতপৰা এই ভূঞাসকলৰে এজন বয়োজ্যেষ্ঠ ৰত্নকান্ত ভূঞা 'বিষয়া' আছিল। তেওঁৰ পদূলিত বাটচ'ৰা আছিল আৰু মেল-মিটিংবোৰত তেওঁৱেই সভপতিত্ব কৰিছিল।

মান ভগনত অহা এই গাঁৱৰ ভূঞাসকলৰ আদি পুৰুষ লেৰেলা ভূঞা। তেওঁৰ পুত্ৰ সঞ্জয়। সঞ্জয়ৰ এটি পুত্ৰ গাবোৰাম গাঁওবুঢ়া। তেওঁৰেই একমাত্ৰ পুত্ৰ নন্দেশ্বৰ। তেওঁ বিয়া কৰাইছিল সীমা-মূৰিয়লি হলিৰাম লস্কৰৰ একমাত্ৰ জীয়াৰী ৰঞ্জনীক। এই ৰঞ্জনীৰে চাৰিপুত্ৰ আৰু এগৰাকী কন্যাৰ ভিতৰত কনিষ্ঠ পুত্ৰ এই লেখক।

কপিলীৰ দক্ষিণপাৰে থকা আনখন নাৰিকলি গাঁও দেৱ-নাৰিকলি বুলি জনাজাত। সেই কাৰণে আমাৰ গাঁওখনৰ নাম নিজনাৰিকলি আৰু সংক্ষেপে নাৰিকলি গাঁও। এই গাঁওখনৰ পশ্চিমফালে নাৰিকলি বিল। বিহু-সংক্ৰান্তি আদিত এই নাৰিকলি বিলতেই ৰাইজে সমূহীয়াভাৱে মাছ মাৰে। মাঘৰ উৰুকাত ৰাইজৰ লগত মাছ মাৰি আনি ঘৰত উৰুকাৰ ভোজ খোৱা মোৰ মনত পৰে। তেতিয়া মই দহ-বাৰ বছৰীয়া ল'ৰা। ৰাইজৰ লগত পাল পাতি গৰু চৰোৱাৰ কথাও মনত পৰে। এইদৰে ল'ৰালি কালত লগৰীয়াৰ লগত একেলগে বিহুনাম-হুচৰি আদি গাই আনন্দেৰে দিন কটাইছিলো।

কেঁচুৱাৰ পৰা কেনেকৈ আঢ়ৈ বছৰীয়া শিশু হ'লো— সেই কথা মোৰ মনত নাই। কিন্তু মায়ে গৰ্ভধাৰণ কৰা এটি শিশুৰ জন্মৰ কথা মোৰ মনত পৰে। তেতিয়াও ৰাতি আছিল। ওচৰৰে বয়সস্থ গাঁও সমন্ধীয়া জেঠাই আৰু কেইগৰাকীমান গাঁৱৰ মহিলাই মাৰ প্ৰসৱৰ সময়ত সহায় কৰিছিল। মোৰ এটি ভাইৰ জন্ম হ'ল। কিন্তু গুৰুতৰ ৰক্তক্ষৰণত মাৰ দেহাৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফালে গতি কৰিলে। মোক টোপনিৰ পৰা জগাই মতাই আনি মায়ে এটি চুমা খাই শুৱাই থ'বলৈ ক'লে। সেয়ে মোৰ মাৰ লগত শেষ দেখা। তেওঁৰ সেই প্ৰসৱ যন্ত্ৰণাতে মৃত্যু হ'ল। তেতিয়া

জাৰকালি। মই সাৰ পাই বিচনাতে মা-মা বুলি কন্দাত পিতাদেউৱে আমাৰ ঘৰৰ খেতি পথাৰৰ সহায়ক পোনাই হীৰাক মোক লৈ গৈ মাৰ সৎকাৰ কৰা ঠাইডোখৰ দেখুৱাই দিবলৈ কোৱাত পোনায়ে মোৰ গাত এখন কাপোৰ বান্ধি কপিলীৰ ফালে নদীৰ পাৰৰ বাৰীলৈ লৈ যায়। মোৰ মনত পৰে— তেতিয়াও সৎকাৰ কৰা ঠাইত পোৰা বাঁহবিলাকৰপৰা ধোঁৱা ওলাই আছিল। পোনায়ে ক'লে— 'ইয়াতেই তোৰ মাৰক সৎকাৰ কৰা হ'ল।' শিশুকালৰ এইখিনি কথাই মোৰ মনত আছে আৰু সিয়েই মোক মাজে মাজে মাৰ স্মৃতি-জড়িত দিনবোৰৰ কথা সোঁৱৰাই দিয়ে। এতিয়াও মই মোৰ মাৰ সেই মৰমৰ চুমাটো অনুভৱ কৰোঁ—যেন মায়ে মোক সদায় মৰমেৰে আশীৰ্বাদ দি আছে।

(২)

মা ঢুকুৱাৰ পিছত আয়ে (মাৰ মা) মোক ডাঙৰ দীঘল কৰে। ক'বলৈ গ'লে আইৰ বুকুৰ উমতেই লালিত-পালিত হৈ ডাঙৰ হ'বলৈ ধৰো। মোৰ নৱজাত ভাইটিকো আয়ে নি লালন পালন কৰিছিল। কিন্তু জন্মৰ ছয় মাহমানৰ ভিতৰতে সি ঢুকাল। আই বৰ কৰ্মী আছিল। তেওঁ বাৰীখনত কোৰেৰে চহাই বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি কৰিছিল। বাৰীখনৰ ঢাপত কপাহৰ খেতি কৰিছিল আৰু পূৰঠ কপাহবোৰ আনি নেওঠনীত গুটি গুচাই ধুনি লেপ-তুলী বনাইছিল। আয়ে ডাঙৰ ডাঙৰ খনীয়া কাপোৰ আৰু এড়ীয়া কাপোৰ বব পাৰিছিল। আইৰ এই গুণটো মাৰো আছিল বুলি জানো। কিয়নো শীতকালত পিতাদেউ আৰু মই মায়ে বোৱা খনীয়া আৰু এড়ীয়া কাপোৰ লোৱা মনত পৰে।

১৯৩০ চনত ঘটা এটা ঘটনাই মোৰ মনত বৰকৈ সাঁচ বহুৱাইছিল। কংগ্ৰেছৰ ভলণ্টিয়াৰ সকলে বিলাতী কাপোৰ বৰ্জনৰ কাৰণে গাঁৱে গাঁৱে সমদল উলিয়াইছিল। আমাৰ গাঁৱতো নগাঁৱৰ পৰা অহা কংগ্ৰেছী ভলণ্টিয়াৰ ইছলাম আৰু কামপুৰৰ ৰবিৰাম বৰা, দ্যুতিৰাম শইকীয়া আদি কংগ্ৰেছীসকলে গাঁৱৰ ডেকা ল'ৰা সকলক লগত লৈ এটা সমদল উলিয়ালে আৰু 'সৌ যে উৰিছে স্বৰাজৰ নিচান' — আদি গীত গাই গাই

'বন্দে মাতৰম্' ধ্বনি দি আই— দেউতাৰ ঘৰত সোমাল। তেওঁলোকে দেউতাক ঘৰত বিদেশী বস্ত্ৰ থাকিলে উলিয়াই দিবলৈ আহ্বান জনালে। তেতিয়া আইৰ তাঁতশালত কাপোৰ আছিল। গাঁৱৰ এমূৰৰ পৰা অহা সেই ভলণ্টিয়াৰ সকলৰ ধ্বনি শুনি আইয়ে আগতীয়াকৈ কাপোৰৰে সৈতে তাঁতশালখন নি ভঁৰালৰ ভিতৰত সুমুৱাই ৰাখিছিল। কিন্তু ভলণ্টিয়াৰসকলৰ অনুৰোধত আই-দেউতাই পিছত তাঁতশালখন উলিয়াই আনি তেওঁলোকৰ হাতত দিলেহি। ভলণ্টিয়াৰসকলে শালখনৰ পৰা বোৱা কাপোৰ আৰু সূতাবোৰ উলিয়াই মই চাই থাকোতেই জুই জ্বলাই দিয়ে আৰু নিমিষতে সেইবোৰ ছাই হৈ যায়। আয়ে নিজহাতে বোৱা কাপোৰ তেনেকৈ জুয়ে পোৰা দেখি মনটো কান্দি উঠিছিল। কিন্তু দেশৰ কাৰণে এই ত্যাগ বুলি সান্ত্বনা লভিছিলো আৰু গৌৰৱবোধ কৰিছিলো।

মা ঢুকোৱাৰ কিছু বছৰৰ পাছত পিতাদেউৱে আন এগৰাকী বিয়া কৰাই আনে। তেওঁ চমুৱা গাঁৱৰ জীয়ৰী আছিল। মোৰ মনত আছে পিতাদেউৱে সেই বিয়ালৈ দৰা সাজি হাতীৰ ওপৰত গৈছিল আৰু তেওঁ বিবাহিতা ভাৰ্যাক দোলাত লৈ আহিছিল। মই তেতিয়াও শিশু আৰু তেওঁক মই মাহী বুলি মাতিছিলো। তেওঁ মোক তেওঁৰ পুত্ৰৰ দৰে মৰম কৰিছিল আৰু মই সাময়িকভাৱে হ'লেও মাৰ অভাৱ মাহীৰ মৰমত পাহৰি আছিলো।

মাহীৰ ফালৰ পৰা কোনো সন্তান-সন্ততি নহ'ল। গতিকে মাহীয়ে মোকে তেওঁ পুত্ৰ হিচাপে বুকুত সাৱটি লৈছিল। আমাৰ আই আৰু দেউতাৰ ঘৰ পিতাদেউৰ ঘৰৰ কাষতে হোৱাত মই দুয়োঘৰতে থাকি ডাঙৰ হ'বলৈ ধৰিলোঁ।

মোৰ শৈশৱ অৱস্থাতেই মনত পৰা উল্লেখনীয় এটা কথা হ'ল — আগৰণুৱা মহিলা কংগ্ৰেছ-নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আমাৰ ঘৰত পদাৰ্পণ। তেওঁ চাইকেল চলাই গাঁৱে গাঁৱে কংগ্ৰেছৰ বাণীবোৰ প্ৰচাৰ কৰি ফুৰিছিল। এদিন তেওঁ হঠাতে আমাৰ ঘৰত সোমালহি। মই তেতিয়া গামোছা পিন্ধা সৰু ল'ৰা। আমাৰ ঘৰত বেতৰে গোঁঠা এখন কাঠৰ চকী আছিল। পিতাদেউৱে তেওঁক তাতে বহিবলৈ দিলে। তেখেতে মোক

বাপু' বুলি মাতি ওচৰৰে কেইবাগৰাকীমান মহিলাক মাতি আনিবলৈ ক'লে। ছয়-সাত গৰাকীমান মহিলা আহি আমাৰ ঘৰতে বহি শইকীয়ানীৰ বক্তব্য শুনিলে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে গোট খোৱা সেই মহিলাসকলক ক'লে যে মহত্মা গান্ধীয়ে দেশ স্বাধীন কৰাৰ কাৰণে পুৰুষৰ লগতে মহিলাসকলকো স্বাধীনতা আন্দোলনত যোগ দিবলৈ আহ্বান জনাইছে। 'আপোনালোকে খদ্দৰৰ কাপোৰ বওঁক আৰু পুৰুষসকলৰ লগতে আপোনালোকেও দেশৰ কামত লাগক।' এইদৰে কিছু সময় মহিলাসকলৰ লগত কথা বতৰা পাতি চাহ-তামোল খাই তেওঁ কামপুৰৰ ফালে গুচি গ'ল। এই ঘটনাটোৱে সৰু কালত মোৰ মনত বিশেষ প্ৰভাৱ পেলাইছিল।

পাঁচ বছৰ উকলি যোৱাত পিতাদেউয়ে মোক গাঁৱৰে নিম্ন প্ৰাইমেৰি স্কুলত 'ক' শ্ৰেণীত নাম লগাই দিলে। বহিবলৈ এখন টাঁবি আৰু লিখিবৰ কাৰণে কলপাত, তেঁতেলি গুটি আৰু বালি, আখৰ জোঁটোৱাৰ কাৰণে নিব লগা হৈছিল। পিছলৈ চিলঠ-পেঞ্চিলো লগত নিব লাগিছিল। এনেকৈয়ে মোৰ বিদ্যা আৰম্ভ।

২য় শ্ৰেণীলৈ প্ৰমোচন পোৱাৰ পিছত ১৯৩৪ চনৰ কপিলীৰ বলিয়া বানে গোটেই অঞ্চলটোত প্ৰলয়ৰ সৃষ্টি কৰিছিল। ঘৰৰ মূধচলৈকে পানী উঠিছিল। গাঁৱৰ দুঘৰ মানুহ মাত্ৰ ঘৰতে থাকিল। মোৰ ডাঙৰ ককাইদেউ (স্বৰ্গীয় ক্ষীতেশ্বৰ ভূঞা) পৰিয়ালসহ ঘৰৰ টিনপাত খুলি চিলিঙৰ ওপৰতে থাকিল। মোৰ আই-দেউতা বোৱাৰীসহ এখন কলগছৰ ভূৰ বান্ধি বাৰান্দাতে থাকিল। পিতাদেউৱে এখন ভূৰ বান্ধি আমাক কামপুৰলৈ লৈ যাবলৈ চেষ্টা কৰিলে। কিন্তু প্ৰবল সোঁতত ভূৰ নিয়া সম্ভৱ নহ'ল। তেনেতে কপিলীৰ দক্ষিণ পাৰৰ পৰা এজন মাৰোৱাৰী ব্যৱসায়ী 'মকুঞ্জী' বাবুৱে এখন নাও লৈ আহি আমাক নাৱত উঠাই কামপুৰলৈ লৈ গ'ল। আমি ছয়দিনমান কামপুৰতে মৌজাদাৰ তৰুণ ভূঞাৰ আশ্ৰয়ত আছিলো। আমাৰ গাঁৱৰে দেবেন লস্কৰ মৌজাদাৰৰ এজন বিশ্বাসী কৰ্মচাৰী আছিল। তেওঁৱেই আমাক থকা-খোৱাৰ সুবিধা কৰি দিছিল। পানী শুকুৱাত আমি গাঁৱৰ ঘৰলৈ আহি দেখো যে ঘৰৰ

ভিতৰতে গৰু ছাগলী মৰি দুৰ্গন্ধ বাহিৰ হৈছে। মোৰ এতিয়াও মনতে পৰে কেনেকৈ সেইবোৰ পৰিস্কাৰ কৰি পুনৰ ঘৰত সোমাইছিলো।

মোৰ মাহীয়ে এই বানপানীৰ আগতেই মৃত্যুবৰণ কৰিছিল। মই আকৌ আই-দেউতাৰ আশ্ৰয়তে ডাঙৰ হ'বলৈ ধৰিলো। নিম্ন প্ৰাইমেৰী স্কুলত পঢ়ি থাকোতে দুটা ঘটনাই মোৰ মনত দকৈ ক্ৰিয়া কৰিছিল। প্ৰথমটো হ'ল— বানপানীৰ পিছত স্কুলত সাহায্য দিবলৈ দুগৰাকী ব্যক্তি আহিছিল। এজন বলিনাৰাযণ বৰুৱা আৰু আনজন তেওঁৰ ভাতৃ হৰিনাৰায়ণ বৰুৱা। বলি নাৰায়ণ অতি বলী আছিল। তেওঁ লোহাৰ শিকলি ছিঙিব পাৰিছিল আৰু গাড়ী চলিব নোৱাৰাকৈ ধৰি ৰাখিব পাৰিছিল। তেওঁলোকে বানপানীৰ ক্ষয়ক্ষতিৰ বুজ লৈ ল'ৰা-ছোৱালীৰ মাজত সাহায্য বিতৰণ কৰিছিল। মোকো এটা হাফ্‌পেণ্ট, এখন ফলি আৰু নেওঁতা কিতাপকে ধৰি আন কেইবাখনো পাঠ্যপুথি দিয়াৰ কথা মনত পৰে।

আমি দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোতে এদিনাখন স্কুল পৰিদৰ্শক আমাৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহিছিল। স্কুলত মাত্ৰ এজনহে শিক্ষক। নাম নৰেন বৰা। তেওঁ আছিল ভাল ফুটবল খেলুৱৈ, দৌৰবিদ নাৰায়ণ বৰাৰ পিতৃ। স্কুল পৰিদৰ্শকে ব'ৰ্ডত পাঁচশাৰীৰ এটা যোগ অঙ্ক লিখি সময়বান্ধি আমাক অঙ্কটো কৰিবলৈ দিলে। স্কুল পৰিদৰ্শক আহিলে আমি ভয়তে কঁপিবলৈ ধৰো। সহপাঠী ছাত্ৰী চম্পাৰ বাহিৰে আমাৰ কাৰো অঙ্কটো শুদ্ধ নহ'ল। পৰিদৰ্শকে খঙতে হুকুম দি থৈ গ'ল যে চম্পাৰ বাহিৰে বাকী সকলোকে তলৰ শ্ৰেণীলৈ, অৰ্থাৎ প্ৰথম শ্ৰেণীলৈ নমাই দিব লাগে। শিক্ষকে সেইমতেই চম্পাৰ বাহিৰে আমাক প্ৰথম শ্ৰেণীলৈ নমাই দি ক'লে যে পৰীক্ষালৈ আৰু তিনি মাহহে আছে; গতিকে তিনি মাহৰ পাছত তোমালোক সকলোকে দ্বিতীয় শ্ৰেণীলৈ পুনৰ প্ৰমোচন দিয়া হ'ব। আনহাতে চম্পাকো তৃতীয় শ্ৰেণীলৈ প্ৰমোচন নিদি দ্বিতীয় শ্ৰেণীতে ৰাখি যথাসময়ত আমাক প্ৰথম শ্ৰেণীৰ পৰা পুনৰ প্ৰমোচন দি একেলগ কৰিলে।

আমি আকৌ আগৰ সকলো একেলগ হ'লো। এনেয়ে বয়স বাঢ়ি

গৈছে তাতে আকৌ এবছৰ লোকচান হ'ল। এই দুখে বৰ আঘাত দিলে। সেইকাৰণেই মই দ্বিতীয় শ্ৰেণী পাছ কৰাৰ পিছতে সেই স্কুলত নপঢ়ি কামপুৰত কামেশ্বৰ বৰঠাকুৰে প্ৰতিষ্ঠা কৰা এম, ভি আৰু এম, ই স্কুলত তৃতীয় শ্ৰেণীত নাম লগাওঁ। নৰেণ বৰা চাৰে বৰ আশা কৰি মোক তৃতীয় শ্ৰেণীৰ বৃত্তি পৰীক্ষা দিবৰ কাৰণে জোৰ কৰিছিল। মই শ্ৰেণীত সদায় প্ৰথম হৈছিলো। এবছৰ লোকচান হোৱাৰ কাৰণেহে মই কামপুৰৰ এম. ভি আৰু এম.ই স্কুলত পঢ়িবলৈ গুছি গ'লো।

কামেশ্বৰ বৰঠাকুৰ ডাঙৰীয়া উক্ত স্কুলৰ প্ৰতিষ্ঠাপক হেড্‌পণ্ডিত আছিল। ১৮৯৬ চনত তেখেতে স্কুলখন প্ৰতিষ্ঠা কৰিছিল। সেই স্কুলতে এটা ইংৰাজী শাখা খুলি Class III ৰ পৰা Class VI লৈ যোগ দিয়া হ'ল। মোৰ ডাঙৰ ককাইদেউ ক্ষীতেশ্বৰ ভূঞা কটন কলেজৰ পৰা সেই সময়ত F.A (বৰ্তমান আই.এ) পৰীক্ষা দি ঘৰলৈ আহিছিল। তেওঁ এজন ভাল খেলুৱৈ আছিল। তেওঁৰ আখৰবিলাক বৰ ধুনীয়া। বৰঠাকুৰ চাৰে তেওঁক লৈয়ে সেই স্কুলত এম.ই. পৰ্যায়লৈ ইংৰাজী শাখাটো খুলিছিল। আগতেই কৈ অহা হৈছে যে মই ২য় শ্ৰেণী পাছ কৰাৰ পিছতে কামপুৰ এম,ভি আৰু এম, ই স্কুলত তৃতীয় শ্ৰেণীত নাম লগাওঁ। সেয়া ১৯৩৪ চনৰ বলিয়া বানৰ পিছৰ কথা। ক্ষীতেশ্বৰ ভূঞাই তৃতীয় শ্ৰেণীত (Class III) আমাক ইংৰাজী শিকাইছিল। এদিন তেওঁ শ্ৰেণীত পঢ়াই থাকোতে কিতাপৰ পৰা 'Roses are red' এই ইংৰাজী বাক্যটো মোৰ ফালে আঙুলি টোৱাই ক'বলৈ দিয়াত 'Rose are red' বুলি কৈছিলো। তেওঁ দুবাৰমান আকৌ 'Roses are red' বুলি ক'বলৈ দিয়াত মই একেটা ভুলকে পুনৰাবৃত্তি কৰিলো। ফলত মোৰ পিঠিত এছাৰিৰ কোব পৰিবলৈ ধৰিলে। মই চিঞৰাত আমাৰ হেড্ পণ্ডিত মহাশয়েহে মোক এই শাস্তিৰ পৰা ৰক্ষা কৰিলে।

কিন্তু হেড্ পণ্ডিত মহাশয়েও মাজে মাজে ছাত্ৰক এছাৰিৰে কোব দিছিল। তেওঁ 'ক' আৰু 'খ' শ্ৰেণী পঢ়াইছিল। অতিষ্ঠ হৈ তেওঁ মাজে মাজে কৈ উঠিছিল— 'এই সোপাক মোৰ ডিঙিত ভাল লগাই ল'লো।' 'চেকনিৰ আগতহে বিদ্যা।' এয়ে আছিল সেই দিনৰ শিক্ষাৰ মন্ত্ৰ।

ক্ষীতেশ্বৰ ভূএগ্ৰা বা কামেশ্বৰ বৰঠাকুৰ তাৰ ব্যতিক্ৰম নাছিল। 'খ' শ্ৰেণীৰ এজন ল'ৰা পঢ়াত বৰ ভাল নাছিল। বৰঠাকুৰ চাৰে তেওঁক প্ৰায়ে পিঠিত চাট্ দিছিল। ল'ৰাটোৱে এদিন পিঠিত চোলাৰ তলত কোনেও ধৰিব নোৱৰাকৈ ঢকুৱা লগাই আহিছিল। বৰঠাকুৰ চাৰে আগৰ দৰেই তেওঁৰ পিঠিত কোব দিয়াত ধপ্‌ধপ্‌কৈ উঠাত চাই দেখে যে ল'ৰাটোৰ পিঠিত এখন ঢকুৱা বন্ধা আছে। হেড্ পণ্ডিতে 'এই নিধক' বুলি এছাৰি দাঙোতেই ল'ৰাটোৱে দৌৰ মাৰি পলাই গ'ল।

মোৰ সহপাঠী আছিল ঘন লস্কৰ আৰু মহেন্দ্ৰ লস্কৰ। শ্ৰেণীত মই প্ৰথম আৰু ঘন দ্বিতীয়। দুয়োৰে ভিতৰতে বেছ প্ৰতিযোগিতা চালিছিল। আমাৰ শিক্ষাগুৰু সকলৰ ভিতৰত মণিৰাম কেঁওট, ভদ্ৰ বৰা আদি অসমীয়া বিভাগত আৰু ক্ষীতেশ্বৰ ভূএগ্ৰাৰ বাহিৰেও ৰঞ্জিত সিংহ বুলি আন এজন ইংৰাজী বিভাগত শিক্ষক আছিল। ৰঞ্জিত সিংহ চাৰ বৰ মৰমিয়াল আৰু ধাৰ্মিক আছিল। সময় পালেই তেওঁ টোপোলাৰ পৰা শাস্ত্ৰ উলিয়াই গুৰু নানকৰ বাণী পঢ়ি শুনাইছিল। ১৯৩৮ চনত নগাঁৱত এম্ ই পৰীক্ষাৰ ফাইনেল দিবলৈ মোৰ লগতে ঘন লস্কৰ, মহেন্দ্ৰ লস্কৰ আৰু নিহাং টিমুঙকো বাছনি কৰিছিল। আমি চাৰিওজনে নগাঁও গভৰ্ণমেণ্ট স্কুলত বৃত্তি পৰীক্ষা দিবলৈ যাওঁ। চাৰিওজনেই প্ৰথম বিভাগত উত্তীৰ্ণ হ'লো। তেতিয়া নগাঁও জিলাত এম্ ই স্কুলৰ বৃত্তি আছিল মাত্ৰ এটা।

মই দেউতা আৰু আইৰ তত্ত্বাৱধানত থাকি পঢ়া শুনা কৰিছিলো। দেউতাই পুৱতি নিশাৰ আগতেই নাম গাই মোক বিচনাৰ পৰা উঠাই সুবিধা কৰি দিছিল। মোৰ ডাঙৰ মোমাইদেউ নিৰ্মল লস্কৰে বৃত্তি পৰীক্ষা দিয়াৰ বাবে ক'ত থাকিম সেই বিষয়ে যত্ন লৈছিল। মহীচন্দ্ৰ বৰা সেই সময়ত নগাঁৱৰ এজন ভাল উকিল আছিল। তেওঁ আৰু তেওঁৰ ভায়েক খৰ্গেশ্বৰ বৰা মুগাচুঙীয়া গাঁৱৰপৰা গৈ নগাঁৱত স্থায়ীভাৱে ঘৰ-দুৱাৰ সাজি বসতি কৰিছিল। মোৰ আই তেওঁলোকৰ একে ঘৰৰে হোৱাত তেওঁলোকে আইক 'বাইটি' বুলি মাতিছিল। মোমাইদেউয়ে মোক তেওঁলোকৰ ল'ৰা-ছোৱালীৰ মাজত মোৰ পঢ়াত ব্যাঘাত জন্মিব বুলি ভাবি মহী বৰাৰ ঘৰত ৰখাটো পচন্দ নকৰি ফৌজদাৰি পট্টিৰ নৰ ভূএগ্ৰা নামৰ এজন লোকৰ

চৌহদত থকা সৰু জুপুৰী বৰ্ডিং ঘৰ এটিতে থকাৰ সুবিধা কৰি দিলে। নৰ ভূএগ্রা বোলা লোকজন কামপুৰৰ তেতেলিসৰাৰ পৰা গৈ নগাঁৱৰ ফৌজদাৰি পট্টিত স্থায়ীভাৱে পৰিয়ালসহ বসতি কৰি আছিল। পৰীক্ষা দিবলৈ যাওঁতে মই আই আৰু দেউতাক সেৱা কৰি তেওঁলোকৰ আশীৰ্বাদ লৈ গৈছিলো। দেউতাই তেওঁৰ মুগাৰ পাঞ্জাৰি চোলা এটা দি মোক কৈছিল— 'তই এই চোলাটো পিন্ধি পৰীক্ষা দিবি, তোৰ পৰীক্ষা ভাল হ'ব।' মই নৰ ভূএগ্রাৰ চৌহদত থকা সেই সৰু পঁজাটিত থাকিয়েই এম্ ই পৰীক্ষা দিলো। মোৰ এটাই ধ্যান আছিল যে মই বৃত্তিটো পাবই লাগিব। নহ'লে মোৰ পঢ়া ইমানতে শেষ। এম্ ই স্কুলৰ পিছত মই কামপুৰ হাইস্কুলত সপ্তম শ্ৰেণীত (Class VII) নাম লগাও আৰু এই স্কুলত অষ্টম শ্ৰেণীলৈকে পঢ়ো। যেতিয়া এম্ ই স্কুলৰ বৃত্তি পৰীক্ষাৰ ফলাফল ওলাল ডাঙৰ মোমাইদেউৱে নগাঁৱৰ পৰা ৰিজাল্টটো আনি ক'লে যে— মই বৃত্তি পাইছো। দেউতাৰ বৰ আনন্দ লাগিল আৰু মোৰো এটা বিশ্বাস হ'ল যে মই পঢ়িব পাৰিম।

(৩)

কামপুৰ বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ত মই ১৯৩৮ চনত সপ্তম শ্ৰেণীত নাম লগাওঁ। এই স্কুলত সপ্তম আৰু অষ্টম শ্ৰেণীলৈকে অৰ্থাৎ ১৯৩৮-৩৯,১৯৩৯-৪০ চনলৈকে পঢ়ো। বহুমুখী বিদ্যালয় নাম হোৱাৰ এটা কাৰণ হ'ল সেই স্কুলতে এটা বয়ন শাখা আছিল আৰু আমি তাত উৰা মাকোৰ তাঁতশালত কাপোৰ বোৱাও শিকিছিলো। এই স্কুল প্ৰতিষ্ঠাত কামপুৰীয়াবাসীৰ অৱদান যথেষ্ট। শিক্ষকসকলে বহাগ বিহুত হুঁচৰি গাই ধন তোলে আৰু সেই সময়ৰ চাব্ ডেপুটি কলেক্টৰ — কৃষ্ণ মেধিয়েও এই স্কুল প্ৰতিষ্ঠাত যথেষ্ট বৰঙণি আগবঢ়াছিল। সেই সময়ৰ শিক্ষক হৰকান্ত শৰ্মাৰ তত্ত্বাৱধানত আমি স্কুলত হাতে লিখা এখন আলোচনী প্ৰকাশ কৰিছিলো। হৰকান্ত শৰ্মাৰ আখৰ বিলাক বৰ ধুনীয়া আছিল। সেই কাৰণে আলোচনীখন তেওঁ হাতেৰেই লিখিছিল।

এই সময়ছোৱাত মোৰ এটি স্মৰণীয় ঘটনা ঘটিল। মই আই দেউতাৰ ঘৰত থাকিয়েই পঢ়িছিলো। তেওঁলোকৰ ঘৰত তৰাবৰিৰ (মৰিগাঁও) তিৱা সম্প্ৰদায়ৰ এজন লোক আছিল। তৰাবৰিৰ মানুহ কাৰণে আমি তেওঁক তৰাবৰীয়া বুলি মাতিছিলো। তেওঁ ঘৰখনৰ সকলোৰে আস্থাভাজন হোৱাত ঘৰখনত তেওঁ এজন মুখিয়াল মানুহৰ দৰে হৈ পৰিছিল। মই তেতিয়া হাইস্কুলৰ অষ্টম মান শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ হেড্ মাষ্টৰ আছিল ৰুচিনাথ বৰুৱা। তেওঁ ফিট-ফাট পোছাক পিন্ধি চাহাবৰ দৰে থাকে। তেওঁ স্কুলত নিয়মানুবৰ্তিতা পুৰামাত্ৰাই অক্ষুন্ন ৰাখিছিল।

তৰাবৰীয়াৰ 'নিউমোনিয়া' ৰোগত মৃত্যু হ'ল। গাঁৱৰ মানুহে মৃতকক সৎকাৰ কৰিববৈলে সংকোচবোধ কৰিলে। কিয়নো তেওঁক গাঁৱৰ মানুহে অস্পৃশ্য জ্ঞান কৰিছিল। এনে অৱস্থাত মোমাইদেউ নিৰ্মল লস্কৰে মোক হাইস্কুলৰ হেড্মাষ্টৰক লগ ধৰি কেইজনমান স্কাউটৰ সহায় বিচাৰিববৈলে পঠাই দিলে। আমাৰ ঘৰৰ পৰা হাইস্কুলখন দুমাইল মান দূৰত অৱস্থিত। মই উধাতু খাই চাইকেলেৰে গৈ হাইস্কুল পালোগৈ আৰু হেড্মাষ্টৰ মহাশয়ক পাছফালৰ পৰা মাত দি মোমাইদেউৰ অনুৰোধৰ কথাটো ক'লো। কিন্তু মহাশয়ে মোক ততালিকে 'গেট্ আউট' 'গেট্ আউট' বুলি কৈ খঙেৰে তেওঁৰ কোঠাৰ পৰা বাহিৰ কৰি দিলে। ইয়াৰ কাৰণটো অলপমান পিছতহে বুজিলো যে মই তেওঁক সন্মুখৰ ফালৰ পৰা নমস্কাৰ দি কথাটো নক'লো। তাতেই হয়তো তেওঁ অপমানবোধ কৰিছিল।

মই দুখে বেজাৰে লৰালৰিকৈ ঘূৰি আহি ঘৰ পাই মোমাইদেউক সকলো কথা বিৱৰি ক'লোহি। সেই সময়ত তাত গাঁৱৰ কেইবাজনো লোক উপস্থিত আছিল। তেওঁলোকৰ পৰামৰ্শ মতে এটা কাম কৰিলো। মোমাইদেউহঁতৰ ঘৰত গাঁৱৰে তনুৰাম বোলা এজন মানুহে লগুৱা হিচাবে কাম কৰিছিল। মই আৰু তনুৰামে মিলি তৰাবৰীয়াৰ মৃতদেহটো ঢাৰিৰে বান্ধি এডাল হোলোঙাৰে কঢ়িয়াই নি পিছফালে পথাৰত ৰাইজে খান্দি দিয়া এটা গাঁতত সমাধিষ্ঠ কৰিলোঁ। এয়ে মোৰ অস্পৃশ্যতাৰ বিৰুদ্ধে প্ৰথম বিক্ষোভ।

স্কুলৰ প্ৰধান শিক্ষক মোৰ ওপৰত ইমানেই ক্ষুণ্ণ হৈছিল যে তেওঁ পিছত মোক সেইকণ অশুভনীয় আচৰণৰ বাবে স্কুলৰ পৰাই বহিষ্কাৰ কৰিছিল আৰু হুকুম বহীত হুকুমটো লিখি শ্ৰেণীয়ে শ্ৰেণীয়ে পঢ়াই শুনাইছিল। মোৰ মোমাইদেউ নিৰ্মল লস্কৰ স্কুলৰ মেনেজিং কমিটিৰ এজন সদস্য আছিল। অৱশ্যে শেষত গৈ মেনেজিং কমিটিয়ে মোৰ ওপৰত প্ৰধান শিক্ষকে লোৱা বহিষ্কাৰৰ হুকুমটো বাতিল কৰিলে আৰু মই আগৰ দৰেই স্কুলত পঢ়িব পৰা হ'লো।

মোৰ আই সম্বন্ধত মহীচন্দ্ৰ বৰা আৰু খৰ্গেশ্বৰ বৰাৰ বায়েক। তেওঁলোকে আইক বাইটি আৰু দেউতাক ভিনিহি বুলি মাতিছিল। মই যেতিয়া অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা দি উত্তীৰ্ণ হৈছিলো তেতিয়া খৰ্গেশ্বৰ বৰাদেৱ সপৰিয়ালে আহি আই-দেউতাৰ ঘৰত এৰাতিৰ বাবে আলহী হৈছিল। তেওঁলোকৰ ডাঙৰ ছোৱালী জেলীও লগত আহিছিল। এই জেলীয়েই ছাত্ৰ ফেডাৰেচনৰ সক্ৰিয় কৰ্মী হিচাপে নগাঁৱত ছাত্ৰ আন্দোলনত জড়িত হৈছিল। পিছত তেওঁৰ অকাল মৃত্যু ঘটিল। খৰ্গেশ্বৰ বৰাই মোক লগ পাই মই কোন শ্ৰেণীত পঢ়ো, পঢ়াশুনাত কেনে ইত্যাদি খবৰ ল'লে। মই বৃত্তি পোৱা বুলি জানি তেওঁ মোক নগাঁৱৰ গভৰ্ণমেণ্ট হাইস্কুলত পঢ়োৱাৰ বাবে আই-দেউতাক পৰামৰ্শ দিলে। মই তেতিয়া পাঁচটকীয়া বৃত্তি পাওঁ। তেওঁ হিচাপ কৰিলে যে হোষ্টেলত থাকিলে পঞ্চাশ পইছা চিট্‌ৰেণ্ট আৰু তিনি টকা খোৱা খৰচ দি বাকী এটকা পঞ্চাশ পইছাৰে মই যাৱতীয় খৰচখিনি নিজেই বহন কৰিব পাৰিম। আই আৰু দেউতাই অনুমতি দিয়াত তেখেতসকলে মোক লগত লৈ আহি নগাঁও গভৰ্ণমেণ্ট হাইস্কুলত নাম লগাই দিলে। তেখেতসকলৰ ঘৰতে মহী বৰাৰ ডাঙৰ ল'ৰা মণিক লগ পাওঁ। মণি বৰা ছাত্ৰ ফেডাৰেচনৰ নেতৃস্থানীয় কৰ্মী হিচাবে নগাঁৱত ছাত্ৰ আন্দোলনৰ লগত জড়িত আছিল।

খৰ্গেশ্বৰ বৰা ডাঙৰীয়াই মোৰ প্ৰতি যি মৰম দেখুৱালে আৰু সহায় কৰিলে তাৰ বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞ। মোৰ অন্তৰত তেওঁৰ নাম চিৰস্মৰণীয় হৈ ৰ'ল। তেখেত মহী বৰাৰ সোঁহাত আছিল আৰু কংগ্ৰেছৰ জাতীয় আন্দোলনত তেখেতৰ ভূমিকাও আছিল গুৰুত্বপূৰ্ণ।

১৯৪১ চনত সত্যাগ্রহত মহীচন্দ্ৰ বৰাদেৱ জেলত সোমোৱাত খৰ্গেশ্বৰ বৰা ডাঙৰীয়াই মোক তেওঁৰ লগত জেললৈ লৈ গৈ মহীচন্দ্ৰ বৰাদেৱক দেখা কৰাৰ সুবিধা কৰি দিছিল। দেখা হোবাৰ পাছত তেখেতে মোক যি কেইষাৰ কথা কৈছিল— সেয়া মোৰ আজিও মনত আছে। তেখেতে কৈছিল— 'তোমালোকো প্ৰস্তুত হোৱা। দেশৰ স্বাধীনতাৰ স্বাৰ্থত তোমালোকো এদিন ইয়ালৈ আহিব লগা হ'ব পাৰে।' তেখেতৰ সেই কথাই মোৰ ছাত্ৰ অৱস্থাতেই মনত ভীষণ প্ৰভাৱ পেলাইছিল। মহীচন্দ্ৰ বৰা এজন ভাল খুহুটীয়া গল্প লেখক আৰু নগাঁৱৰ তথা অসমৰে এজন গণ্য মান্য লোক। তেওঁ পেছাত এজন উকীল আছিল। খৰ্গেশ্বৰ বৰাদেৱে তেখেতসকলৰ ঘৰ চলোৱাৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিছিল। মোৰ মনত পৰে— যেতিয়া হলধৰ ভূঞা, মহী বৰা, বিমলা বৰা আদি নগাঁৱৰ নেতাসকল জেলত আছিল তেতিয়া খৰ্গেশ্বৰ বৰাদেৱেই কংগ্ৰেছৰ সংগঠনমূলক কামবোৰৰ দায়িত্ব লৈছিল। এদিন এটা জাতীয় দিৱসত খৰ্গেশ্বৰ বৰা ডাঙৰীয়াই মোক লগত লৈ জুবিলি গ্ৰাউণ্ডত (বৰ্তমান নুৰুল আমিন ষ্টেডিয়াম) এডাল বাঁহৰ আগত ত্ৰিৰঙ্গা পতাকা লগাই লৈ সেইফালে অহা যোৱা কৰা মানুহ আৰু ছাত্ৰ-ছাত্ৰীসকলক গোটাই কংগ্ৰেছৰ স্বধীনতা আন্দোলন সম্পৰ্কে বক্তৃতা দিছিল। তেওঁৰ পিছত ময়ো দুই-চাৰি আষাৰ কৈছিলো। তেওঁ মোক কৈছিল— 'এয়া তোমালোকৰ ট্ৰেইনিং গ্ৰাউণ্ড'।

মই নগাঁও গভৰ্ণমেণ্ট হাইস্কুলত পঢ়া সময়ত প্ৰধান শিক্ষক আছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। বৰঠাকুৰ ডাঙৰীয়া আছিল এক বিশাল ব্যক্তিত্বৰ অধিকাৰী। তেখেত এজন সুদৰ্শন আৰু সুঠাম দেহৰ লোক আছিল। কথাবিলাক গল-গলীয়া। দেখিলে ভক্তি উপজে। তেখেতে মোক স্কুলত নাম লগোৱাৰ পিছতে স্কুলৰ ব'ৰ্ডিঙত থাকিবলৈ দিলে। তাতে মই পূৰ্ণ বৰা, স্বৰ্গীয় দীনেশ বৰা, ভাৰত বৰা, বলীন হাজৰিকা আদিক লগ পাওঁ আৰু একেলগে থাকো। এওঁলোক সকলো একোজন মেধাৱী ছাত্ৰ আছিল। বৰ্তমান আটাইকেইজনেই উকিল।

বৰঠাকুৰ ডাঙৰীয়াই চার্ট, কোট আৰু লংপেণ্ট পিন্ধি স্কুললৈ আহিছিল আৰু স্কুল আৰম্ভণীৰ সময়ত তেখেতক দেখিলেই সকলো ছাত্র-শিক্ষক নিজ নিজ শ্রেণীত সোমাই কামত ব্যস্ত হৈ পৰিছিল। তেখেতক মই কোনো দিনেই হাতত চেকনি লোৱা দেখা নাছিলো। তেখেতৰ সৌম্য মূর্তি আৰু গম্ভীৰ খোজ-কাটলেই স্কুলত এক গাম্ভীর্যপূর্ণ পৰিৱেশৰ সৃষ্টি কৰিছিল। তেখেত আমাৰ হোষ্টেলৰ অধীক্ষকো আছিল। প্রতি দেওবাৰে পুৱা ৮-৩০ বজাত হোষ্টেলৰ কমনৰুমত মাটিত কাপোৰ পাৰি বহি আমাক গীতা পঢ়ি ব্যাখ্যা কৰি শুনাইছিল। তেখেত এজন একেধাৰে নিপুণ শিল্পী, সাহিত্যিক আৰু নাট্যকাৰ আছিল। তেখেতে আমোলাপট্টি নাট্য-মন্দিৰত বসন্ত উৎসৱ সম্পৰ্কে দিয়া এটি মনোগ্রাহী গাম্ভীর্যপূর্ণ বক্তৃতা শুনাৰ আমাৰ সৌভাগ্য হৈছিল। সেই সভাত সকলোৱে একান্ত মনে তেওঁৰ বক্তৃতা শুনিছিল। এনেতে দর্শকৰ মাজৰ কোনো এজনে তললৈ মূৰটো কৰি বোধহয় চিগাৰেট হুপি থাকোতে ওপৰলৈ ধোঁৱা যোৱাত বৰঠাকুৰ ডাঙৰীয়াই বক্তৃতাৰ মাজতে কৈ উঠিল — 'যে ইয়াত আগ্নেয়গিৰিৰ ধোঁৱা ওলাব ধৰিছে।' তৎক্ষণাত সকলো নিজম পৰিল আৰু ধোঁৱাও নাইকিয়া হ'ল।

গুণী শিল্পী, খেলুৱৈ আৰু নাট্যকাৰ শিক্ষক যুগল দাসে বৰঠাকুৰ চাৰৰ সোঁহাতৰ দৰে কাম কৰিছিল। যুগল দাস চাৰকে লৈ তেওঁ হেষ্টেলৰ সৰস্বতী পূজাৰ প্রতিমা নির্মাণ কৰিছিল। তেখেতৰ জীৱন কালৰ দুটা স্মৰণীয় ঘটনাৰ কথা মোৰ আজিও মনত আছে। গভর্ণমেণ্ট হাইস্কুলৰ কাষতে কলং সুঁতি। কলঙত তেতিয়া পানী ভৰপূৰ। কলঙৰ উত্তৰপাৰে হয়বৰগাঁও; হাইস্কুলখনৰ মুখামুখি। সেই হয়বৰ গাঁৱৰে এঘৰলৈ মিতিৰ খাবলৈ অহা এটি ল'ৰা কলঙত গা ধুবলৈ আহি পানীত ডুব গ'ল। হেড্‌মাষ্টৰ বৰঠাকুৰ চাৰে ঘটনাটো গম পাই ততালিকে স্কুলৰ ঘণ্টা বজোৱাই সকলোকে স্কুলৰ খেল পথাৰত হাজিৰ কৰাই ক'লে যে, যি সকলে সাঁতুৰিব আৰু ডুব মাৰিব পাৰে সেইসকলক কলঙত ল'ৰাটিক বিচাৰিবলৈ দি নিজে পাৰত থিয় হৈ পৰিচালনা কৰিলে। শেষত ল'ৰাটি

বিচাৰি পোৱা হ'ল। নগাঁৱৰ বিশিষ্ট ডাক্তৰ আৰু সমাজসেৱক ডাঃ ললিত বৰুৱা আহি ল'ৰাটিক বচাবলৈ অশেষ চেষ্টা কৰিলে। কিন্তু সকলো বিফল হ'ল।

আন এটা কথাত বৰঠাকুৰ চাৰৰ কৃতিত্ব আৰু সাহসৰ পৰিচয় পাইছিলো। হয়বৰ গাঁৱৰ মাৰোৱাৰী পট্টিৰ 'টডী' নামৰ এজন ব্যৱসায়ীৰ মৰাপাটৰ গুদামত জুই লাগিল। খন্তেকৰ ভিতৰতে দপ্‌দপ্‌কৈ জ্বলি জুই ওপৰলৈ উঠি ভয়ঙ্কৰ ৰূপ ল'লে। বৰঠাকুৰ চাৰে ঘটনাটো দেখি তৎক্ষণাত স্কুল ছুটী দি সৰু বিলাকক ঘৰলৈ যাবলৈ দি ডাঙৰ ল'ৰাবিলাকক লগত লৈ নিজেই জুই নুমুৱাৰ কামত লাগি গ'ল। ল'ৰা বিলাকক লানি লগাই কলঙৰ পৰা বাল্টিৰে পানী কঢ়িয়াবলৈ লগাই দিলে। এইদৰে লেথেৰি নিছিগাকৈ ঢলা পানীৰ সহায়তেই প্ৰায় এঘণ্টামানৰ ভিতৰত জুই নিৰ্বাপিত কৰিলে। এনেবোৰ কামৰ মাজেদিয়েই তেখেতৰ ব্যক্তিত্ব আৰু কৃতিত্ব প্ৰকাশ পাইছিল।

এনে এজন পৰোপকাৰী কৃতী শিক্ষকৰ লগত মোৰ শেষ দেখা হয় যেতিয়া তেখেতে অৱসৰ লৈ যোৰহাটৰ তৰাজানত স্থায়ীভাৱে বসবাস কৰে। তেতিয়া মই কলেজৰ ছাত্ৰ। তেখেতৰ ৰুগ্ন অৱস্থাৰ কথা শুনি দেখা কৰিবলৈ গৈছিলো। আচৰিত হৈছিলো এনে এজন আঢ্যৱন্ত শিক্ষাবিদ অৱসৰপ্ৰাপ্ত শিক্ষকৰ ঘৰটো দেখি। ঘৰটো কাঠৰ কেঞ্চি বাটাম লগোৱা। ওপৰত খেৰৰ চালি। মজিয়াখন কেঁচা। দেখা কৰি সেৱা এটি জনোৱাত তেওঁৰ মুখত হাঁহি ফুটি উঠিছিল। যেতিয়া তেখেতে বল শক্তিহীন আৰু অসুখৰ কথা ক'লে মই তেখেতৰ লগত পাঞ্জা খেলি হাৰি যোৱা দেখুৱাই ক'লো— 'আপোনাৰ গাত এতিয়াও ভীমৰ দৰে বল আছে।' মোৰ কথা শুনি তেখেতে তৃপ্তিৰে এটি হাঁহি মাৰিলে। সেই হাঁহিটো মোৰ মনত সদায়ে সজীৱ হৈ ৰ'ল। তেখেতৰ পত্নীও আমাৰ মাতৃস্বৰূপা আছিল। হোষ্টেলত থাকোতে আমাক তেখেতে নিজে বনোৱা পিঠা-পনা, জেলি-জাম খুউৱাৰ কথা আজিও মনত পৰে। কিছুসময়ৰ পাছত দুয়োকে সেৱা জনাই উভতি আহিছিলো।

(৪)

এতিয়া আকৌ অলপমান স্কুলীয়া জীৱনৰ কথা কওঁ। নগাঁও গভৰ্ণমেণ্ট হাইস্কুলত পঢ়ি থাকোতে মই পদ্ম ভূঞা আৰু মনীষ ভূঞাক লগ পাওঁ। তেওঁলোক দুয়ো তীক্ষ্ণ আৰু মেধাবী ছাত্ৰ আছিল। কামপুৰত মোৰ লগত একেলগে পঢ়া মহেন্দ্ৰ লস্কৰ আৰু ঘন লস্কৰো নগাঁৱৰ গভৰ্ণমেণ্ট হাইস্কুলত একেলগে পঢ়িছিল। ঘনও পঢ়া-শুনাত চোকা আছিল। পৰীক্ষাবিলাকত পদ্ম ভূঞা, মনীষ ভূঞা আৰু মই সলনা-সলনিকৈ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পাইছিলো।

১৯৪১ চনৰ ৬ ডিচেম্বৰ। মই তেতিয়া নৱম মান শ্ৰেণীত। গুৱাহাটী কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে যুদ্ধ বিৰোধী ধ্বনি দি সমদল উলিয়াই তেতিয়াৰ 'কুলিডিপো' পাওঁতে কামৰূপৰ ডেপুটি কমিচনাৰ 'হামফ্রে' চাহাবে পুলিচ লগাই লাঠি চাৰ্জ কৰাই বহু ছাত্ৰক ঘুণীয়া কৰিলে। এই অত্যাচাৰৰ বিৰুদ্ধে সমগ্ৰ অসমতে ছাত্ৰ-বিক্ষোভ জ্বলি উঠিল। তেতিয়াই মই সেই সময়ৰ ছাত্ৰনেতা ফণী বৰাক লগ পাওঁ আৰু ১৯৪১ চনত ফণী বৰা, পদ্ম ভূঞা আৰু মই ছাত্ৰ আন্দোলনৰ নেতৃত্ব বহন কৰো। স্কুলে স্কুলে গৈ প্ৰতিবাদী সভা কৰো। এয়ে মোৰ ছাত্ৰ আন্দোলনত প্ৰথম প্ৰৱেশ আৰু অভিজ্ঞতা।

১৯৪২ চনৰ প্ৰথম ভাগতে আমোলাপট্টি নাট্য-মন্দিৰত অসম ছাত্ৰ সন্মিলনৰ এখন বাৰ্ষিক অধিৱেশন বহে। সংগতি ৰাখি ছাত্ৰ সন্মিলনৰ ঐতিহ্য বহন কৰি 'অসম ছাত্ৰ সন্মিলন' অসমীয়াতে সংগঠনটোৰ নামকৰণ চলিছিল আৰু ইংৰাজীত 'Assam Students Federation' নামে জনাজাত আছিল। সন্মিলনৰ সম্পাদক ৰমেশ শৰ্মা, নেতৃস্থানীয় ব্যক্তি হৰেশ্বৰ গোস্বামী, পুষ্পলতা দাস আদি সভাত উপস্থিত থাকি সভাৰ কাম পৰিচালনা কৰিছিল। আমি তেতিয়া কমিউনিষ্ট পাৰ্টিৰ নাম শুনিছিলো আৰু তেওঁলোকৰ আদৰ্শ আৰু কৰ্মপন্থা সম্পৰ্কেও সংক্ষেপে জ্ঞাত হৈছিলো। ১৯৪১ চনত বৃটিছে চলোৱা যুদ্ধত 'Not a

man-not a pie to the imperialist war' এই শ্লোগানেৰে দেশ ব্যাপি চলা আন্দোলনত আমিও যোগ দিছিলো। ১৯৪১ চনৰ ৬ ডিচেম্বৰত কটন কলেজৰ যুদ্ধ বিৰোধী প্ৰতিবাদী সমদলত 'হামফ্রে' চাহাবৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীৰ সমদলৰ ওপৰত লাঠী চালনা কৰাৰ কথা আগতেই উনুকিয়াই অহা হৈছে। ইয়াৰ পিছত 'হিটলাৰে' ছোভিয়েট ৰাছিয়া আক্ৰমণ কৰাত ছোভিয়েত ৰাছিয়াও এই যুদ্ধত জড়িত হৈ পৰিল। এটা কেম্পত ছোভিয়েট ৰাছিয়া, ব্ৰিটেইন আৰু আমেৰিকা যাক মিত্ৰ পক্ষ বুলি কোৱা হয় আৰু আনটো পক্ষ জাৰ্মানী, ইটালী আৰু জাপানক লৈ গঠিত যাক শত্ৰু পক্ষ বুলি কোৱা হয়।

ছোভিয়েট ৰাছিয়াই লেনিনৰ নেতৃত্বত পুঁজিবাদী সমাজ ব্যৱস্থাৰ অৱসান ঘটাই সমাজবাদী ৰাষ্ট্ৰ হিচাপে আত্ম-প্ৰকাশ কৰিছিল আৰু সেই সময়তে ইয়াৰ নেতৃত্বত আছিল ৰাছিয়াৰ কৰ্ণধাৰ ষ্টেলিন। স্বভাৱিকতে ছোভিয়েট ৰাছিয়া হিটলাৰ ফেচিষ্টসকলৰ হাতত পৰাজয় হ'লে সমাজবাদী ৰাষ্ট্ৰৰ পতন হ'ব। এই যুদ্ধই প্ৰকৃতি সলনি কৰিলে। মহাত্মা গান্ধী কবিগুৰু ৰবীন্দ্ৰনাথ আদি মহৰ্ষি সকলেও জাপান আৰু ইটালীৰ ফেচীবাদী শক্তিসমূহে ভাৰতৰ স্বাধীনতা অৰ্জনত সহায় নকৰে বুলি তেনে শক্তিক গৰিহণা দিছিল। কমিউনিষ্ট সকলে সেই সময়ত এই যুদ্ধক জন-যুদ্ধ (People's War) আখ্যা দিছিল। কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত আছিল সাধাৰণ সম্পাদক পি, চি, যোশী। ইয়াৰ প্ৰভাৱ ক'ত, কেনেকৈ আৰু কি ভাৱে পৰিছিল তেতিয়া আমি স্কুলীয়া অৱস্থাত সিমান অৱগত নাছিলো। কিন্তু নগাঁৱত আমি ব্ৰিটিছ সাম্ৰাজ্যবাদ আৰু জাপানী সাম্ৰাজ্যবাদ এই দুয়োটাৰে বিৰোধিতা কৰিছিলো। সেই সময়ত নগাঁৱত বহা ছাত্ৰ-সন্মিলনত ছাত্ৰ নেতা ফণী বৰাই বক্তৃতা দি কৈছিল যে আমাৰ সন্মুখত ব্ৰিটিছ সাম্ৰাজ্যবাদ আৰু জাপানী সাম্ৰাজ্যবাদ দুয়োটাই দুটা বলিয়া কুকুৰৰ দৰে আমাক আক্ৰমণ কৰিছে। আমি এই দুই শক্তিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু সংগ্ৰাম কৰিব লাগিব। এয়া আছিল নগাঁৱত ছাত্ৰ সন্মিলনৰ নীতি আৰু কৰ্মপন্থা।

১৯৪২ চন, মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে Quit India প্ৰস্তাৱ

গ্ৰহণ কৰিছিল। ফলত কংগ্ৰেছ নেতৃবৃন্দ কাৰাগাৰত বন্দী হ'ল। গোটেই দেশতে ১৯৪২ চনৰ ৯ আগষ্টৰ পৰা ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আন্দোলন বিয়পি পৰিল। অসমতো এই আন্দোলনৰ জুই দপদপাই জ্বলি উঠিল। নগাঁৱত জনসাধাৰণ এই আন্দোলনত জপিয়াই পৰিল। ইয়াৰ কংগ্ৰেছী নেতাসকল কাৰাগাৰত বন্দী হৈ ৰ'ল। কিছু নেতাই আত্মগোপন কৰি আন্দোলনক নেতৃত্ব দিলে। এই প্ৰসঙ্গতে লক্ষীপ্ৰসাদ গোস্বামী আৰু মহেন্দ্ৰ হাজৰিকাৰ নেতৃত্বত মৃত্যু বাহিনী গঠন কৰাৰ কথা উল্লেখনীয়।

এই দুয়োজন নেতাৰ সভা-সমিতিবোৰত মই সক্ৰিয়ভাৱে যোগদান কৰিছিলো। মোৰ মনত আছে এদিনাখন গধুলি মহেন্দ্ৰ হাজৰিকাই এজন দেহৰক্ষী লগত লৈ আন্দোলনৰ বাবে সংগঠন কৰা এখন গাঁৱৰ সভাত উপস্থিত হৈছিল। সেই সভাত ময়ো আছিলো। তেখেতে ভাৰতৰ স্বাধীনতাত ৰাইজৰ যোগদানৰ বিষয়ে জ্বালাময়ী বক্তৃতা দি কৈছিল যে আমাৰ পণ হৈছে 'কৰেঙ্গে য়া মৰেঙ্গে' (do or die)। পুলিচ মিলিটেৰী আহিলে নামঘৰত ডবা বজাই দিব আৰু ৰাইজ সন্থম হৈ ইয়াৰ প্ৰতিকাৰ কৰিব। সেই সভাত মই হাজৰিকাৰ দেহৰক্ষী হিচাবে যোৱা গোপাল লস্কৰক লগ পাওঁ। কামপুৰত তেওঁৰ ওপৰত ৰাইজৰ সিমান ভাল ভাব নাছিল। তেওঁ কামপুৰ বজাৰৰ সমীপত চোৰাংকৈ মদ বিক্ৰী কৰিছিল। দেখা পাই মই তেওঁক সুধিলো— 'গোপাল! তুমি ইয়াত?' গোপালে উত্তৰ দিছিল — 'ককাইদেউ! দেশৰ আহ্বানত ময়ো সেই কু-কৰ্ম ত্যাগ কৰি ওলাই আহিছো।' গোপালৰ দেশ প্ৰেম দেখি মোৰ চকু চলচলীয়া হৈ পৰিছিল। মোৰ ভাব হৈছিল— যেতিয়া সকলো ৰাইজে আত্মত্যাগ কৰি আন্দোলনত জপিয়াই পৰিছে, আমাৰ দেশ নিশ্চয় স্বাধীন হ'বই।

১৯৪২ চনত নগাঁৱত এই আন্দোলনত বহুতো শ্বহীদ হ'ল। স্কুলবিলাকো বন্ধ হৈ গ'ল আৰু ইয়াৰ ল'ৰা-ছোৱালীৰ অধিকাংশই আন্দোলনত জপিয়াই পৰিল। আমি নগাঁৱৰ আন্দোলনত যোগাযোগকাৰী হিচাবে 'কুৰিয়াৰ' বাহিনী গঠন কৰিলো। ফৌজদাৰী পট্টিত স্কুলত পঢ়া বহুতো ছাত্ৰৰ সৰু সৰু খেৰৰ ঘৰ আছিল। সেই

বিলাকতে আমি কেন্দ্ৰ কৰি তাৰ পৰাই সকলোলৈকে যোগাযোগ ৰাখিছিলো। তাৰে এটা ঘৰ আছিল তুলসী বৰাৰ। গাঁৱৰ ভলণ্টিয়াৰ সকলে চিঠি পত্ৰ আনি দিয়ে আৰু আমি সেইবোৰ যথাযথ ঠাইলৈ পঠিয়াই দিওঁ। মাজে মাজে গাঁৱৰ ভলণ্টিয়াৰসকলো আমাৰ সেই কেম্পবিলাকত আছিল। ১৯৪২ চনত যিদিনা বঢ়মপুৰৰত ভোগেশ্বৰী ফুকননীয়ে মৃত্যুবৰণ কৰি শ্বহীদ হ'ল, সেইদিনাই নগাঁও চহৰত জনসংঘৰ নেতা প্ৰতাপ শৰ্মাই জনসংঘ ত্যাগ কৰি কংগ্ৰেছত যোগদানৰ কথা প্ৰকাশ্যে ঘোষণা কৰিলে আৰু আন্দোলনত নামি পৰিল।

১৯৪২ চনত বাৰপুজীয়াত যিদিনা পুলিচ মিলিটেৰীৰ অত্যাচাৰ হয় তাৰ পিচদিনা পুৱাই তাত উপস্থিত হৈছিলো। ৰাতি পুলিচ মিলিটেৰী অহাৰ সম্ভেদ পাই তাৰ এজন ডেকা ল'ৰাই শিঙা বজাই দিয়াত পুলিচ মিলিটেৰীয়ে তেওঁক গুলীয়াই শ্বহীদ কৰিলে। গাঁৱৰ ৰাইজ যেনি তেনি পলাই সাৰিল। পুৱা গৈ আমি মহিলাসকলক লগ পাওঁ আৰু এই অত্যাচাৰত ভীতিগ্ৰস্ত নহৈ সাহসেৰে মাৰ বান্ধি থাকিবলৈ আমি বুজনি দিছিলো।

১৯৪২ চনত আন্দোলনত নগাঁৱত বহুতো শ্বহীদ হ'ল। এই কথা আগতেই উল্লেখ কৰা হৈছে। আমি গহপুৰত পতাকা উত্তোলন কৰিবলৈ গৈ শ্বহীদ হোৱা কনকলতাৰ কাহিনী শুনি গৌৰৱবোধ কৰিছিলো। ছাত্ৰ-সন্মিলনৰ পৰা আমি এটা দল গঠন কৰি নগাঁৱৰ কলিয়াবৰৰ পৰা আৰম্ভ কৰি ক্ষেত্ৰীলৈকে গাঁৱে গাঁৱে খোজ কাঢ়ি জনসাধাৰণৰ মনোবল অটুট ৰাখিবৰ কাৰণে আৰু এই আন্দোলনৰ পৰিসমাপ্তি স্বৰাজ লাভত হ'বগৈ বুলি সভা-সমিতি কৰি ৰাইজক বুজনি দি ফুৰিছিলো।

এই দলটোত মোৰ বাহিৰেও সেই সময়ৰ ছাত্ৰ নেতা জীৱন লস্কৰ (বৰ্তমান ডাক্তৰ) যোৰহাটৰ ছাত্ৰনেতা আনন্দেশ্বৰ শৰ্মা, ডিম্বেশ্বৰ বৰা আদিকে ধৰি আন কেইবাজনো আছিল। ৰাইজক হিংসাৰ পৰিৱৰ্তে শান্তিপূৰ্ণ আন্দোলনৰ কথা কৈছিলো। যেনেকৈ ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পৰা আমি মুক্তি পাব বিচাৰিছো আৰু তাৰ বাবে আন্দোলন কৰিছো তেনেকৈ জাপানী সাম্ৰাজ্যবাদৰো বিৰুদ্ধে আমি সাৱধান হ'ব লাগিব; কিয়নো

সিহঁতেও আমাক স্বধীনতা নিদিয়ে। আমি জখলাবন্ধা, কুঁৱৰীটোল আদি ঠাইৰ বিভিন্ন গাঁৱে গাঁৱে সভা-সমিতি কৰি ঘূৰি ফুৰিছিলো। আমি এবাৰ কলিয়াবৰত এঘৰ মানুহৰ ঘৰত আশ্রয় লৈছিলো। সেই সময়তে তাৰে কেইজনমান ডেকা ল'ৰাই কলঙৰ সিপাৰে এই উদ্দেশ্যে এখন সভা পাতি আমাক বিশেষকৈ মোক সেই সভালৈ নিমন্ত্রণ কৰিলে। সেই ঘৰৰে বুঢ়াজনে আমাক ক'লে যে 'ইহঁতৰ মতলব ভাল নহয়। তোমালোক পুৱাই আঁতৰি যাবা'। কথাটো শুনি আমাৰ মনত ধাৰণা হ'ল যে কোনো কোনোৱে ব্রিটিছ আৰু জাপানী সাম্রাজ্যবাদৰ বিৰুদ্ধে কোৱাত আমাক সন্দেহ কৰিছিল। কিন্তু আমি অহিংসা পথেৰে ব্রিটিছৰ বিৰুদ্ধে আন্দোলন আগবঢ়াই নিবলৈ আৰু জাপানী সাম্রাজ্যবাদৰ সম্পর্কে মোহ ত্যাগ কৰিবলৈহে কৈছিলো। বোধহয় তেওঁলোকৰ সন্দেহৰ কাৰণ সেয়েই আছিল।

যাহক, আমি পুৱাই সেই ঠাই এৰি পশ্চিমফালে বেলেগ ঠাইলৈ আহি ৰাইজৰ মনোভাব যাতে অটুট থাকে তাৰ বাবে চেষ্টা কৰিছিলো। জালুগুটি পাৰ হৈ এজন জনজাতীয় লোকৰ ঘৰত যেতিয়া উপস্থিত হ'লো তেওঁ আৰু তেওঁৰ পৰিয়ালে আমাক ঢকুৱা কাটি ভাত-পানী খুৱাইছিল।

১৯৪২ চনৰ আন্দোলনত মই যেতিয়া নগাঁৱত আন্দোলনৰ লগত জড়িত থাকো তেতিয়া নিকামূল সত্রৰ সত্রাধিকাৰ শ্রীগহন চন্দ্র গোস্বামীদেৱে আমোলাপট্টিত বাহৰ পাতিছিল। তেওঁ তেতিয়া আন্দোলনৰ এজন পুৰোধা ব্যক্তি আছিল। তেখেতে বিভিন্ন ঠাইৰ আন্দোলনৰ বা-বাতৰি আমাক দি আছিল আৰু আমাৰ কর্তব্য সম্পর্কে আলোচনা কৰিছিল। লক্ষীপ্রসাদ গোস্বামীয়ে তেখেতৰ ওচৰলৈ আহি বিভিন্ন বা-বাতৰি লৈছিল আৰু আন্দোলনৰ খা-খবৰ লৈছিল। সেই সময়তে সত্রাধিকাৰদেৱে মোক কৈছিল যে— জ্যোতিপ্রসাদ আগৰৱালাই ঢেকীয়াজুলিত আত্মগোপন কৰি আন্দোলন চলাই আছে। তাত কাম কৰিবলৈ মুছলমান কর্মীৰ প্রয়োজন। সেই কথা মোক কোৱাত মই নগাঁৱৰ 'তফু'ক চিঠি এখনেৰে সৈতে আগৰৱালা দেৱৰ ওচৰলৈ পঠাই দিওঁ।

তাত এসপ্তাহমান কাম কৰাৰ পিছত 'তফু' পুনৰ নগাঁও ওলালহি। লগত আগৰৱালাদেৱে মোলৈ লিখা এখন চিঠি। কিন্তু দুৰ্ভাগ্যবশতঃ পুলিচ মিলিটেৰীৰ ভয়ত আগৰৱালাদেৱৰ সেই অমূল্য চিঠিখন মই সংৰক্ষণ কৰি ৰাখিব নোৱাৰিলো।

লাহে লাহে আন্দোলন শাম কাটিব ধৰিলে। স্কুলবিলাকো খুলিবলৈ আৰম্ভ কৰিলে। মই তেতিয়া দশম মান শ্ৰেণীত। এই আন্দোলনত মোৰ সহপাঠী পদ্ম ভূঞাৰ নাম উল্লেখযোগ্য। আমি আকৌ পঢ়াশুনাত মন দিলো আৰু মেট্ৰিক পৰীক্ষাত বহিলো। আন্দোলনত জড়িত থকাত পঢ়াশুনাৰ প্ৰস্তুতিত যঁতি পৰিল। ১৯৪৩ চনত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত মই দুটা বিষয়ত লেটাৰ সহ (অসমীয়া আৰু ভূগোল) প্ৰথম বিভাগত পাছ কৰিলো।

যুদ্ধৰ সময়ত গভৰ্ণমেণ্ট হাইস্কুলৰ হোষ্টেলটো মিলিটেৰীয়ে দখল কৰাত আমি হোষ্টেল হিচাপে স্কুলৰ পূবফালে থকা প্ৰমোদ ভট্টাচাৰ্যৰ কলঙৰ পাৰত থকা এটি ভাৰা ঘৰত থাকিবলৈ লওঁ। ছাত্ৰ ফেডাৰেচনৰ সৰ্বভাৰতীয় নেতা নিতাই গাঙ্গুলী আহি মাজে মাজে আমাৰ হোষ্টেলত থাকে আৰু কমিউনিষ্টৰ দৰ্শন সম্পৰ্কে আৰু ছাত্ৰ আন্দোলনলটো আগবঢ়াই নিয়াৰ বাবে আমাক সচেতন কৰে। নিতাই গাঙ্গুলী বহুত দিন ধৰি অসমৰ ছাত্ৰ আন্দোলনৰ লগত জড়িত হৈ আছিল। পঢ়া অৱস্থাতেই ১৯৪২-৪৩ চনত জাৰকালি মই আৰু ফণী বৰাই (যাক মই ফণী বুলি মাতিছিলো আৰু মোকো তেওঁ সুচেন বুলি মাতিছিল) কমিউনিষ্ট পাৰ্টিৰ গঠন সম্পৰ্কে গোলাঘাটত হোৱা এখন সভালৈ নিমন্ত্ৰণ পাইছিলো। ফণী আগতে গ'ল আৰু মই পিছত ৰেলেৰে গৈ দোকমোকালিতে ফৰকাটিং জংচনত নামিছিলোগৈ। ৰেলৰ পৰা নমাৰ পিছতে দেখিলো দুজন মানুহ মোৰ ফালে আগবাঢ়ি আহিছে। তেওঁলোক আছিল এজন নন্দেশ্বৰ তালুকদাৰ আৰু আনজন গৌৰীশঙ্কৰ ভট্টাচাৰ্য। পৰিচয় হ'লো। তেওঁলোকো একেখন ৰেলতে গোলাঘাটৰ সভালৈ আহিছে।

আমি গোলাঘাট পালোগৈ। সভাখন বহিছিল গোলাঘাটৰ উকিল যদু শইকীয়াৰ বাসভৱনত। যদু শইকীয়াই বেনাৰসৰ পৰা কমিউনিষ্ট

মতাদৰ্শ গ্ৰহণ কৰি গোলাঘাটত ওকালতি আৰম্ভ কৰিছিল। সভালৈ কমিউনিষ্ট নেতা বীৰেশ মিশ্ৰও আহিছিল আৰু তেওঁৰ নেতৃত্বতেই সভাখন পৰিচালিত হৈছিল। এই সভাখনেই আছিল অসম উপত্যকাৰ কমিউনিষ্ট সংগঠন গঢ়াৰ প্ৰথম সভা। কিবা অসুবিধাত গৌৰীশঙ্কৰ ভট্টাচাৰ্যই এই সভাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে। সভাত যোগ দিয়া সকলো সদস্যৰ নাম মনত নাথাকিলেও কেইজনমানৰ নাম মনত পৰে। তেওঁলোক আছিল ক্ৰমে— ফণী বৰা, নন্দেশ্বৰ তালুকদাৰ, দধি মহন্ত, ধীৰেন দত্ত, বিষ্ণু বৰা আৰু চিদা শইকীয়া। এই সভালৈ ওৱেষ্ট বেঙ্গলৰ কমিউনিষ্ট পাৰ্টিৰ নেতা বিশ্বনাথ মুখাৰ্জী অহাৰ কথা আছিল যদিও তেওঁ আহিব নোৱাৰিলে। তাতে শুনিছিলো যে কমিউনিষ্ট পৰ্টিৰ নেতা জগন্নাথ ভট্টাচাৰ্যও অসমৰ পৰা বহিষ্কৃত হৈ আহিব নোৱাৰিলে। সভাৰ কাম পৰিচালনা কৰিছিল কম্‌ৰেড বীৰেশ মিশ্ৰই। এই সভাতে যদু শইকীয়া সেই কমিটিৰ সম্পাদক হিচাবে নিৰ্বাচিত হয়। এই কমিটিত বিষ্ণু বৰা, ফণী বৰা, নন্দেশ্বৰ তালুকদাৰ, চিদা শইকীয়া , ধীৰেন দত্ত, দধি মহন্ত আদি অৰ্ন্তভুক্ত হ'ল। সেইটোৱে আছিল অসম উপত্যকাত কমিউনিষ্ট পৰ্টিৰ সংগঠনৰ প্ৰথম পদক্ষেপ। বৰ্তমান এই সভাত যোগ দিয়া সভ্য সকলৰ ভিতৰত কেৱল ময়েই জীৱিত।

(৫)

১৯৪৩ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মই কটন কলেজত বিজ্ঞান শাখাত আই এচ চি ত নাম লগাবলৈ আহোঁ। ইতিমধ্যে মই ছাত্ৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আৰু নেতৃস্থানীয় পদলৈ উন্নীত হৈছিলো। কটন কলেজত মোক ফণী বৰা, বীৰেশ্বৰ কলিতা, নন্দেশ্বৰ তালুকদাৰ, লোহিত লহকৰ আদিয়ে আদৰণি জনাইছিল। কটন কলেজতো ছাত্ৰ আন্দোলনত জড়িত হৈ ছাত্ৰ আন্দোলনটো (A.I.S.F) শক্তিশালী কৰাত সহায় কৰিছিলো। কলেজত নামটোহে লগোৱা হ'ল। বেছিভাগ সময় আন্দোলনৰ কামতে খাটি আন্দোলনত ব্ৰতী হৈ পৰিলো।

দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াবহ পৰিণতি হিচাবে মান দেশৰ ভগনীয়াৰ সোঁত অসমলৈও ববলৈ ধৰে। গুৱাহাটী ৰেল ষ্টেচনটো অংসখ্য মান ভগনীয়া, ল'ৰা-ছোৱালী আৰু মতা-তিৰোতাৰে ভৰি পৰিল। আমি বিশেষকৈ ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ, নন্দেশ্বৰ তালুকদাৰ আৰু মই আন ভালেসংখ্যক ছাত্ৰ-কৰ্মীক লগত লৈ ভগনীয়াসকলৰ তৎকালিন থকা খোৱাৰ ব্যৱস্থা কৰাত লাগি গ'লো। গুৱাহাটীৰ তেতিয়াৰ 'কাৰ্জন' হলত ৰাজহুৱা সভা পাতি 'উদ্বাস্তু ত্ৰান সাহাৰ্য কমিটি' গঠন কৰা হ'ল। বিহগী-কবি ৰঘুনাথ চৌধাৰীৰ ভাতৃ—সঙ্গীতজ্ঞ আৰু সমাজৰ আগৰণুৱা নেতা উমেশ চন্দ্ৰ চৌধাৰীদেৱক সভাপতি, ধীৰেশ্বৰ কলিতাক সম্পাদক হিচাবে লৈ কমিটি গঠন কৰা হ'ল। সেই কমিটিত ময়ো আছিলো আৰু সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো। বস্ত্ৰ, চাউল, টকা-পইছা আদি সংগ্ৰহ কৰি কেম্প বিলাকত ভগনীয়া সকলৰ সেৱাত ব্যস্ত আছিলো। গুৱাহাটীৰ মৰাশালিত খেৰৰ চাৰিটা দীঘল দীঘল ঘৰ সাজি অস্থায়ী শিৱিৰ পাতি তাতে ভগনীয়া সকলৰ থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধই গোটেই পৃথিৱীত যি প্ৰলয়ৰ সৃষ্টি কৰিলে, ধন-জনৰ যি বিপুল ক্ষতি সাধন কৰিলে সি বৰ্ণনাতীত। বিশ্বৰ জনগণে স্থায়ী শান্তিৰ কাৰণে প্ৰবল জনমত আৰু আন্দোলন গঢ়ি তুলিলে। ছোভিয়েট ইউনিয়নে শান্তি আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিলে। ভাৰততো শান্তি আন্দোলনৰ কাৰণে সৰ্বভাৰতীয় শান্তি কমিটি গঠন হ'ল। ৰমেশ চন্দই ইয়াৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক হিচাবে শান্তি আন্দোলনৰ নেতৃত্ব ল'লে। শেষত ৰমেশ চন্দ আন্তৰ্জাতিক যুদ্ধ-বিৰোধী শান্তি কমিটিৰ চেক্ৰেটেৰি জেনেৰেল হয়।

অসমতো এই শান্তি আন্দোলন গঢ়ি উঠিল। গুৱাহাটীত আমি বিহগী-কবি ৰঘুনাথ চৌধাৰীদেৱক সভাপতি হিচবে লৈ শান্তি কমিটি গঠন কৰি আন্দোলন ব্যাপক কৰি তোলো। ককা চৌধাৰীদেৱৰ ঘৰতেই আমি আন্দোলন সম্পৰ্কে বিশদ আলোচনা কৰো। 'কাৰ্জন' হলৰ শান্তি সভালৈ তেওঁক শাৰীৰিক অক্ষমতাৰ কাৰণে দাঙি আনিবলগীয়া হৈছিল। তেওঁৰ যুক্তিপূৰ্ণ বলিষ্ঠ ভাষণে সকলোকে উদ্বুদ্ধ কৰিছিল। শান্তি আন্দোলনৰ

তেনে এজন বিশিষ্ট ব্যক্তি আছিল যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক তুলসী নাৰায়ণ শৰ্মাদেৱ। তেখেত এজন সংস্কৃত পণ্ডিত আছিল আৰু পিছলৈ কলেজৰ অধ্যক্ষৰ পদ অলংকৃত কৰিছিল। শান্তি আন্দোলনত তেওঁ অগ্ৰণী ভূমিকা লৈছিল আৰু মাদ্ৰাজত বহা সৰ্বভাৰতীয় শান্তি সন্মিলনত তেওঁ সভাপতিত্ব কৰিছিল।

১৯৪৪ চনৰ মানৰ কথা। আন্তৰ্জাতিক যুৱ ফেডাৰেচনৰ পৰা এটা সঁজাতি দল শান্তি আৰু সম্প্ৰীতিৰ বাৰ্ত্তা লৈ অসমলৈ আহিছিল। এই শুভেচ্ছামূলক দলটোত ডেনমাৰ্কৰ এজন যুৱ-নেতাই (উকীল) নেতৃত্ব লৈছিল। ইয়াৰ সদস্য-সদস্যাসকল আছিল ৰাছিয়াৰ এগৰাকী যুৱ-নেত্ৰী, ফ্ৰান্সৰ এজন যুৱ শ্ৰমিক নেতা, স্পেইন আৰু বৃটেইনৰ একোজনকৈ যুৱ নেতা। লুণ্ডনত থকা নুৰুল হুছেইন (মাখন) আৰু ছিলেটৰ ছাত্ৰনেতা টছদ্দুকে এই দলটোৰ তত্ত্বাৱধান লৈছিল। দলটোৱে গুৱাহাটী, নগাঁও, যোৰহাট, ডিব্ৰুগড়, শ্বিলং আদি ঠাই পৰিভ্ৰমণ কৰোতে বিপুল অভ্যৰ্থনা পাইছিল। অসম ভ্ৰমণত মই এই দলটোৰ লগত থাকি সকলোবিলাক ব্যৱস্থা কৰিছিলো আৰু স্থানীয় পৰিস্থিতিৰ বিষয়ে দলটোক অৱগত কৰাইছিলো।

কটন কলেজত আৰ চি পি আইৰ ঘাটি আছিল। তেওঁলোকৰ ছাত্ৰ সংগঠন এ পি এচ্ এফ্ (APSF) শক্তিশালী আছিল। আমি স্থিৰ কৰিলো যে আৰ চি পি আইক দুৰ্বল কৰি কলেজত ছাত্ৰ সন্মিলন শক্তিশালী কৰিবলৈ হ'লে বিভিন্ন সমস্যা আৰু বিষয়বোৰত ব্যাপক আন্দোলন সংগঠিত কৰিব লাগিব আৰু সংযুক্ত ফ্ৰণ্টৰ কৌশল ল'ব লাগিব। আমি তেতিয়া চুঙা ফুকি ছাত্ৰ-ছাত্ৰী সকলক সম্বোধন কৰি বিভিন্ন বিষয়ত তেওঁলোকক আন্দোলনত জড়িত কৰিবলৈ যত্ন কৰিছিলো। তাৰ ফলশ্ৰুতিত কটন কলেজত এক ব্যাপক আৰু তীব্ৰ ছাত্ৰ আন্দোলনে মূৰ দাঙি উঠিল। লগতে ইউনাইটেড্ ফ্ৰণ্টৰ নীতিও গ্ৰহণ কৰা হ'ল। এনেভাৱে খাদ্যৰ অনাটনত গোপনে খাদ্য সামগ্ৰী চোৰাংকৈ পঠোৱাৰ বিৰুদ্ধে আমি ৰাতি হ'লেও পহৰা দিছিলো, বিশেষকৈ ফাঁচি বজাৰ অঞ্চলত।

সম্প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈ আমি কলেজ হোষ্টেলৰ পৰা সমদল

উলিয়াইছিলো। ১৯৪৬চনত নৌ-বিদ্রোহৰ সমৰ্থনত আমি কটন কলেজৰ ছাত্র-ছাত্রীসকলে ধৰ্মঘট কৰি সেই বিদ্রোহৰ সমৰ্থনত শোভাযাত্রা কৰিছিলো। ১৯৪৩ চনৰ বঙ্গ দুৰ্ভিক্ষৰ সহায় আৰু সজাগতাৰ কাৰণে অহা 'আই পি টি এ' (IPTA) গ্ৰুপে অসমৰ বহু চহৰ, জিলা-সদৰ ঠাইত তেওঁলোকৰ সংস্কৃতি প্রদর্শন কৰোতে ছাত্র সন্মিলনে সহায়ৰ হাত আগবঢ়াইছিল। সেই সেই ঠাইত তেওঁলোকৰ সাংস্কৃতিক প্রদর্শনৰ কাৰণে যাৱতীয় আয়োজন কৰি দিছিল। 'আই পি-টি এ' অনুষ্ঠানটোৱে তেওঁলোকৰ প্রদর্শন বিলাকত ছায়া ছবি (Shadow Play) দেখুৱাই দর্শকক উদ্বুদ্ধ কৰিছিল। অসমত ছায়া ছবিৰ এয়ে আছিল প্রথম প্রদর্শন। 'আই পি-টি এ' গ্ৰুপৰ বঙ্গৰ দুৰ্ভিক্ষ আৰু নৌ-বিদ্রোহৰ ওপৰত দেখুওৱা সাংস্কৃতিক প্রদর্শনৰ দুফাঁকিমান গীত এতিয়াও মনত আছে। তেওঁলোকে গাইছিল—

'আমাদেৰ মা বোনেৰা
ক্ষুধাৰ জ্বালাই সৱ চাৰল.........'

নৌ বিদ্রোহৰ উদ্দাত্ত আহবান দি গাইছিল ঃ

'নীল সমুদ্র লাল কৰে গেল
নাবিকেৰ ৰক্ত ধাৰাই
তাৰাও যে শুনেছে আমাদেৰ ডাক
তাৰাও যে দিয়েছে সাৰা।'..........

নৃত্য-নাটিকা আৰু গানৰ মাজেদি এই বিলাক ঘটনা সজীৱ আৰু জ্বলন্তভাৱে প্রকাশ কৰিছিল। ছায়া ছবি প্রদর্শনত সর্ব-ভাৰতীয় আই পি টি এ ৰ চেক্রেটেৰি আছিল নিৰঞ্জন সেন। বাদ্যযন্ত্রত পানু পালকে ধৰি বহুতা শিল্পীয়ে আই পি টি এ ৰ এই প্রদর্শন বিলাকত অংশ লৈছিল। অসমত আই পি টি এৰ গঠন আৰু ইয়াৰ প্ৰসাৰৰ শুভক্ষণ এই সর্ব-ভাৰতীয় আই পি টি এৰ জয় যাত্রাৰেই ফল। অসমত ইয়াৰ গুৰি ধৰিছিল কিংবদন্তী শিল্পী হেমাঙ্গ বিশ্বাসে। হেমাঙ্গ বিশ্বাসে ৰুগ্ন শৰীৰ লৈ 'আই পি টি এ' ক এক গণভিত্তিত গঢ়ি তুলি শক্তিশালীৰূপে অসমত প্রতিষ্ঠিত কৰিছিল তেওঁৰ লগত আছিল নগেন কাকতি, শেষলৈ এই 'আই পি টি এ'

অনুষ্ঠানটোতেই জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা দুয়ো ক্ৰমাগতভাৱে প্ৰাদেশিক সংগঠনৰ সভাপতি হৈছিল। ভূপেন হাজৰিকাও ইয়াত সক্ৰিয়ভাৱে জড়িত হৈ পৰে। পিছলৈ ইয়াত দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা, কেশৱ মহন্ত, হেম শৰ্মা আদিয়েও সক্ৰিয় ভূমিকা পালন কৰিছিল। হেমাঙ্গ বিশ্বাসৰ এক বিস্ময়কৰ আৱিষ্কাৰ আছিল যোৰহাটৰ মঘাই ওজা। মঘাই ওজাই কেইবাটাও ঢোল একেলগে বজাই জনতাৰ সমস্যাবিলাক সুৰ দি ঢোলত ফুটাই তুলিছিল। সেই হেমাঙ্গ বিশ্বাস আৰু মঘাই ওজা বৰ্তমান ইহ জগতত নাই। কিন্তু তেওঁলোকে গঢ় দি যোৱা নতুন সাংস্কৃতিক ঢৌৱে অসমত চিৰস্থায়ীভাৱে আলোড়ণৰ সৃষ্টি কৰি থৈ গ'ল। ইয়াৰ পাছতো আই পি টি এ ৰ সুনাম অক্ষুণ্ণ আছে। অনিল দাস, বিভুৰঞ্জন চৌধুৰী আদি বিশিষ্ট ব্যক্তিসকল এই সংগঠন আৰু আন্দোলনৰ কৰ্ণধাৰ।

১৯৪৩ চনৰ পৰা ১৯৪৮ চনলৈ এই পাঁচ বছৰ মই কটন কলেজৰ ছাত্ৰ আছিলো। আন্দোলনত সময় দিব লগা হোৱাত আই এচ্ চি সাহিত্যত পাছ কৰি বি.এ. কলা শাখাত (3rd year) নাম লগালো। ১৯৪৩ চনত নলবাৰীৰ এজন ছাত্ৰৰ ওপৰত মিলিটেৰীয়ে অত্যাচাৰ কৰাত ছাত্ৰনেতাসকলে তালৈ পঠাই দিলে। মই সেই ছাত্ৰজনক লগ পাই ঘটনাৰ সবিশেষ বুজ ল'লো। তেওঁৰ নাম মোৰ যিমানদূৰ মনত পৰে কিশোৰী শৰ্মা আছিল। নলবাৰীৰ গৰ্ডন হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ সমাবেশত সামৰিক বাহিনীয়ে ছাত্ৰজনৰ ওপৰত কৰা অত্যাচাৰৰ নিন্দা আৰু প্ৰতিবাদ কৰা হয়। পিছত জনামতে সামৰিক বাহিনীৰ বিষয়াসকলে ইয়াৰ সন্তোষজনক প্ৰতিকাৰ কৰে।

কটন কলেজত থাকোতে ছাত্ৰ আন্দোলনৰ কেইবাটাও ঘটনা আজিও মোৰ মনত যুগমীয়া হৈ আছে। এবাৰ গুৱাহাটীত মিঠাতেলৰ নাটনি ঘটিল। গুৱাহাটীবাসী আৰু ছাত্ৰসকলে ছাত্ৰাবাসত মিঠাতেল তেনেকৈ পোৱা নাছিল। কিন্তু সেই সময়তে গুৱাহাটী ৰেলৱে ষ্টেচনত এটা ডবা ভৰ্তি মিঠাতেলৰ টিন্ বোজাই কৰি অসমৰ পৰা চালান দিয়াৰ কথা আমাক জনালে। আমি সকলো ছাত্ৰই বিশেষকৈ হোষ্টেলৰ ছাত্ৰসকলে ষ্টেচনলৈ গৈ ডবাটো ঘেৰাও কৰি ধৰিলো আৰু ডবাটো

যাবলৈ নিদি তাতে আৱদ্ধ কৰি ৰাখিলো। যোগান বিভাগৰ বিষয়া আৰু ডেপুটি কমিচনাৰক এই বিষয়ে খবৰ দিয়া হ'ল। তেওঁলোকে বিষয়া পঠাই ইয়াৰ যথাযথ ব্যৱস্থা কৰিবলৈ দিলে। আমি সেই মিঠাতেল টিন্‌বোৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে ছাত্ৰ আৰু জনসাধাৰণক দিবৰ কাৰণে দাবী তুলিলো। যোগান বিভাগৰ বিষয়াই টিন্‌বিলাক লৈ আৰু এটা টিন্ পৰীক্ষাৰ বাবে চিল (seal) মাৰি ৰাখিলে। অনাটনৰ দিনত ছাত্ৰ-ছাত্ৰী আৰু গুৱাহাটীবাসীয়ে সেইদিনা মিঠাতেল পালে। মোৰ মনত থকাৰ ভিতৰত কেশৱ মহন্ত, পোৱাল বৰুৱা আৰু কমলা বৰা আদি ভালে সংখ্যক ছাত্ৰই সেই আন্দোলনত জড়িত হৈছিল।

চতিয়াৰ পৰা ১৯৪২ চনত আন্দোলনত যোগ দিয়া এটা ছাত্ৰৰ দল গুৱাহাটীলৈ আহিছিল। তেওঁলোকৰ বেছিভাগেই ছাত্ৰ সন্মিলনৰ আগশাৰীৰ কৰ্মী। তেওঁলোকৰ ভিতৰত থকা কেশৱ মহন্ত, পোৱাল বৰুৱা, জীতেন বৰকটকী, কমলা বৰা আদিয়ে ছাত্ৰ আন্দোলনত আগভাগ লৈছিল। জামুগুৰিৰ মুক্তিযোদ্ধা গোলোক ৰাজবংশী আৰু বীৰেন বৰকটকীয়ে কংগ্ৰেছত জড়িত হৈ আন্দোলন কৰিছিল।

ছাত্ৰ সন্মিলন আৰু ছাত্ৰ কংগ্ৰেছৰ মাজত মত-পাৰ্থক্য থকাৰ বাবে কেতিয়াবা আমাৰ মাজত তৰ্ক যুদ্ধৰ অৱতাৰণা হয়। কিন্তু সেইবুলি আমাৰ মাজত কোনোদিনেই গাৰ বল প্ৰয়োগ কৰা হোৱা নাছিল। আমি যেতিয়া যুক্তফ্ৰণ্টৰ নীতি ল'লো আৰু আৰ চি পি আই (RCPI) ক পৰাস্ত কৰি ছাত্ৰ সন্মিলনক প্ৰতিষ্ঠা কৰাত অগ্ৰণী হ'লো তেতিয়া কলেজৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত (Gen.Secy) আৰ চি পি আইৰ প্ৰাৰ্থী ছত্ৰসিং টেৰণৰ বিৰুদ্ধে আমি ছাত্ৰ কংগ্ৰেছৰ প্ৰাৰ্থী সুৰেণ শৰ্মাক যুটীয়াভাৱে প্ৰাৰ্থী দি ভোট যুদ্ধত অৱতীৰ্ণ হওঁ। এই নিৰ্বাচনী প্ৰচাৰত আমি মাইক্ৰফোন ব্যৱহাৰ কৰিছিলো আৰু বি এন দে' ৰ সন্মুখত আমাৰ ছাত্ৰ সন্মিলনৰ শিৱিৰ পাতি আৰ চি পি আইৰ বিৰুদ্ধে কংগ্ৰেছৰ সৈতে প্ৰচাৰত নামো। আৰ চি পি আই ৰ সেই সময়ৰ নেতাসকলৰ ভিতৰত ইউনিয়ন চেক্ৰেটেৰী নাৰাযণ দাস, উপেন দাস, তৰুণসেন ডেকা, উমা শৰ্মা, হৰিদাস ডেকা আদি প্ৰসিদ্ধ নেতাসকল আছিল। নিৰ্বাচনৰ ফলাফলত দেখা গ'ল যে

কংগ্ৰেছ আৰু ছাত্ৰ ফেডাৰেচনৰ যুটীয়া প্ৰাৰ্থী সুৰেণ শৰ্মা বিপুল ভোটত জয়ী হ'ল আৰু আৰ চি পি আইৰ নেতা ছত্ৰসিং টেৰণ পৰাভূত হ'ল। সেয়ে কটন কলেজত আৰ চি পি আইৰ ক্ষমতা হ্ৰাস কৰি ছাত্ৰ ফেডাৰেচনৰ শক্তি বৃদ্ধি কৰিলে। শেষৰ কালত হৰিদাস ডেকা, উমা শৰ্মা, তৰুণসেন ডেকা, অৰবিন্দ ঘোষ, বিষ্ণু ৰাভা আদিয়ে কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে আৰু ইয়াৰ কেইবাজনেও বিধানসভা নিৰ্বাচনত জয়লাভ কৰে।

কটন কলেজৰ আৰু এটা উল্লেখযোগ্য আন্দোলন হৈছে গ্ৰুপ বিৰোধী আন্দোলন (Anti Groups Movement) আৰু এই আন্দোলনৰ নেতৃত্ব লৈছিল সেই সময়ৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ ডাঙৰীয়াই। ১৯৪৬ চনত ক্ৰিপছ মিচন্ (Cripps Mission) আহি প্ৰস্তাৱ দিলে যে ভাৰতৰ পূৰ্ব খণ্ড বৰ্তমানৰ পাকিস্তানৰ বাংলাদেশৰ লগত যুক্ত কৰি এখন কনফেডাৰেচন্ হ'ব লাগে। এই প্ৰস্তাৱত আনকি কংগ্ৰেছ ওৰ্কিং কমিটি (Congress Working Committee) ৰ প্ৰভাৱশালী নেতা জৱাহৰলাল নেহৰুৰো সমৰ্থন আছিল। গোপীনাথ বৰদলৈয়ে গান্ধীজীৰ সমৰ্থন আৰু আশীস বিচাৰি মহেন্দ্ৰমোহন চৌধুৰী আৰু বিজয় চন্দ্ৰ ভাগৱতীক গান্ধীজীৰ ওচৰলৈ প্ৰেৰণ কৰিলে। গান্ধীজীয়ে অসমবাসীক এক নিৰ্ভয়বাণী আৰু তেওঁৰ মতামত দি গ্ৰুপ বিৰোধী আন্দোলন শক্তিশালী কৰিলে আৰু অসম এই গ্ৰুপিঙৰ পৰা ৰক্ষা পালে। এই আন্দোলনতো ছাত্ৰ সন্মিলনে আগভাগ লৈছিল আৰু কটন কলেজত সভা-সমিতি পাতি সমদল আদি উলিয়াইছিল।

১৯৪৩ চনৰ পৰা ১৯৪৮ চনলৈ মই সেই সময়ৰ কলেজীয়া জীৱনত অধ্যয়নৰ কাৰণে খুব কম সময়হে পাইছিলো। বেছিভাগ সময়তেই ছাত্ৰ আন্দোলন আৰু কমিউনিষ্ট আন্দোলনত (Communist movement) সক্ৰিয়ভাৱে জড়িত আছিলো। কটন কলেজৰ ছাত্ৰাৱাসবোৰ মিলিটেৰীয়ে দখল কৰাত বাহিৰৰ পৰা পঢ়িবলৈ অহা ছাত্ৰসকলে বিচাৰি বিচাৰি ঘৰ ভাড়া লৈ থাকিব লগা হৈছিল। মই কিছুদিন তৰুণ কুটীৰত ফণী বৰাৰ আলহী হিচাবে থাকি পঞ্চৱতীৰ ওচৰত এটা

ভাড়া ঘৰ বিচাৰি লৈ 'আনন্দ ল'জ' নাম দি তাতে থাকিবলৈ ল'লো। মই সেই ল'জত থকা নামটোহে, আন্দোলনতে বেছিভাগ সময় কটাইছিলো। সেই ল'জটোত এটা নিয়ম কৰিলে যে প্ৰতিমাহত দিব লগা খোৱা খৰছ (Mess dues)ৰ টকাৰে প্ৰত্যেকজনেই এদিন বজাৰ কৰি মেচ চলাব লাগিব। সেইমতেই মাহৰ শেষত মোৰ ভাগত সেই পাল পৰিল। মই সংগঠন আৰু আন্দোলনৰ প্ৰচাৰত ব্যস্ত হৈ থকা বাবে কথাটো পাহৰি গ'লো। সন্ধিয়া মনত পৰাত দেখিলো যে সেই কামটোৰ বাবে বহুত পলম হৈ গ'ল। অৱশেষত কিংকৰ্তব্য বিমূঢ় হৈ এটি উপায় উলিয়ালো। পোলাও মাংস দি সকলোৰে মন শান্ত কৰিব লাগিব। ভবামতেই বজাৰ কৰি যেতিয়া ৮ বজা মানত গৈ ল'জ পালোগৈ— দেখিলো যে সকলোৱে মোৰ ফালে চাই এটা বিৰক্তিৰ ভাব প্ৰকাশ কৰিছে। মই যেতিয়া ৰাতি দহমান বজাত খানা তৈয়াৰ কৰি মাংস পোলাওৰে বন্ধুসকলক আপ্যায়িত কৰিলোঁ।, দেখিলো সকলোৰে মনত আনন্দ আৰু ময়ো সকলোৰে পৰা বাহ্ বাহ্ পালো। সেয়াই মোৰ ছাত্ৰাৱাসত মেনেজাৰ হোৱা বা এনে বাব্ লোৱাৰ শেষ অধ্যায়।

ছাত্ৰাৱাসত থাকোতে মোৰ আৰু এটা ঘটনা ঘটিছিল। ১৯৪৩ চনৰ পৰা ১৯৪৮ চনলৈকে প্ৰথম অৱস্থাত 'আনন্দ ল'জ'ৰ পৰা আৰম্ভ কৰি বিভিন্ন সময়ত বেলেগ বেলেগ হোষ্টেলত বাগৰিছিলো আৰু বেলেগ বেলেগ 'মেচ'ৰ জুতি লৈছিলো। মোৰ অৱশ্যে নিগাজী ছাত্ৰাবাস আছিল পুৰণা হোষ্টেল (বৰ্তমান কে, কে, সন্দিকৈ হোষ্টেল) আৰু 'প্ৰথম মেচ্' য'ত মই সৰ্বাধিক কাল অতিবাহিত কৰিছিলো।

পুৰণা হোষ্টেলৰ প্ৰথম মেচৰ কথা। আমি তেতিয়া ৪ৰ্থ বাৰ্ষিকৰ ছাত্ৰ। আমাৰ ১নং হোষ্টেলৰ পিছফালে মুছলিম হোষ্টেল। সেই মুছলিম হোষ্টেলত ৰন্ধা মুৰ্গী মাংসৰ গোন্ধত আমাৰ জিভাত পানী ওলাইছিল। আমাৰো তেনে সুখাদ্য খোৱাৰ মন গৈছিল। মুছলিম হোষ্টেলৰ 'বাবুচী' জনৰ নাম আছিল 'মাণিক'। মাণিকক মুৰ্গীৰ 'চুৰহা' আৰু 'ৰষ্ট' বনাবৰ কাৰণে প্ৰস্তাৱ দিয়া হ'ল। উপযুক্ত 'বক্‌চিছ'ত মাণিক ৰাজী হ'ল। আমি ১নং মেচৰ লগুৱা ধনেশ্বৰক (বিহাৰী লোক) আমাৰ ৪/৫জন মানৰ

ভাতৰ থাল ৰুমত আনি টেবুলত দি যাবলৈ কোৱা হ'ল। ধনেশ্বৰে সেইমতে ৰাতিৰ আহাৰ দি গ'লহি। আমি অতি তৃপ্তিৰে ৰাতিৰ আহাৰ মাণিকে বনোৱা মুৰ্গীৰ মাংসৰে সৈতে হেঁপাহ পলুৱাই খালো। খোৱা থাল-বাচনবোৰ খাটৰ তলত পুৱা পৰিস্কাৰ কৰিবৰ কাৰণে থৈ দিলো।

বিপদ সেইখিনিতে। পুৱা ধনেশ্বৰে থাল-বাচন বিলাক মুৰ্গী মাংসৰ স্পৰ্শত অপবিত্ৰ হোৱা বুলি কৈ সেইবিলাক নি ধুবলৈ অমান্তি হ'ল। ধনেশ্বৰে কথাটো আমাৰ 'চুপাৰ' চন্দ্ৰ দাস চাৰক লগাই (তেওঁ পদাৰ্থ বিভাগৰ প্ৰবক্তা আছিল) সেই ৰাতি আমি সেই অখাদ্য ভক্ষণ কৰি বাচন-বৰ্তন বিলাক অপবিত্ৰ কৰিলো বুলি আপত্তি দিলেগৈ। কথাটো শুনি চুপাৰ চাৰে জয়ন্ত মাধৱক মাতি নি বহুতো কিবা-কিবি ক'লে। তেওঁ সাত্ত্বিক ব্ৰাহ্মণৰ ল'ৰা হৈ 'ম্লেশ' বিলাকৰ লগত এনে অখাদ্য ভক্ষণ কৰি জাত-কুল-নাশ হোৱাৰ কথা কৈ পা-পৰাচিত হৈ ভৱিষ্যতে তেনে কু-কাৰ্যৰ পৰা বিৰত হৈ থাকিবলৈ পৰামৰ্শ দিলে।

ধনেশ্বৰে বাচন-বৰ্তন বিলাকত শান্তি-পানী চটিয়াই বিশুদ্ধ কৰি শেষত পৰিষ্কাৰ কৰিলে। এনেভাবেই আমি মুৰ্গী খোৱা পৰ্ব সমাধা কৰিলো।

কলেজত পঢ়ি থকা অৱস্থাতে সমাজসেৱাৰ প্ৰতিও ধাউতি আছিল। পাণবজাৰৰ কনকনাথ নামৰ এজন সদাশয় ব্যক্তিৰ নেতৃত্বত 'সংকট সহায় সমিতি' নামে এটি অনুষ্ঠান আছিল। তেওঁলোকে উৎসৱ পাৰ্বণ আদিত ভলণ্টিয়াৰ হৈ ৰাইজৰ সেৱা কৰিছিল। কামাখ্যাৰ 'অম্বুবাচী'ৰ যাত্ৰীসকলক দৰ্শনত সহায় কৰাত, চিকিৎসা আদি আগবঢ়োৱাত, পানী, বিশ্ৰাম আদিৰ ক্ষেত্ৰত 'সংকট সহায় সমিতি'ৰ ভলণ্টিয়াৰ সকলে যত্ন লৈছিল। ময়ো এই 'সংকট সহায় সমিতি'ত প্ৰায় দুবছৰ কাল ভলণ্টিয়াৰ হিচাবে থাকি সমাজসেৱাৰ কামত আত্মনিয়োগ কৰিছিলো। ইয়াৰ বাহিৰেও কলেজত এটি 'আৰ্ত্ত সাহায্য সমি⁻' আছিল। ইয়াৰ নেতৃত্ব লৈছিল সেই সময়ৰ গণেশ শৰ্মাই, যাক আমি 'চুলু' বুলি মাতিছিলো। আমি কেইবাজনো নিঃসহায় মানুহক সৎকাৰ কৰিছিলো।

যুদ্ধ শাম কটাত মিলিটেৰীয়ে কটন কলেজৰ ছাত্ৰাৱাস বিলাক

খালি কৰি দিয়াত ছাত্ৰসকল পুনৰ ছাত্ৰাবাসবোৰত থাকিবলৈ লয়। সেই সময়ত কটন কলেজৰ অধ্যক্ষৰ য'ত কাৰ্যালয় আছিল তাৰ দুয়োকাষে 'ওৱেষ্টাৰ্ণ ব্লক' আৰু 'ইষ্টাৰ্ণ' ব্লক নামে দুটা ডাঙৰ আছিল আৰু তাতে ছাত্ৰসকলৰ দুটা ডাঙৰ শ্ৰেণী কোঠা আছিল। সেই ঘৰৰ পিছফালেই মিলিটেৰীয়ে সাজি লোৱা অস্থায়ী বাহৰ আছিল। মিলিটেৰীয়ে সেই ঠাই খালি কৰাৰ পিছত তাতো ছাত্ৰসকল থাকিবলৈ লয়। কিন্তু ঘৰটোৰ অৱস্থা সিমান ভাল নাছিল। সেই ঘৰত থকা সকলৰ ভিতৰত তিলক গগৈও এজন বাসিন্দা আছিল। এদিনাখন গধূলি ধাৰাসাৰ বৰষুণ হোৱাত সেই ঘৰৰ চালৰ মাজেদি পানী সোমাই গোটেই ঘৰটো জলাশয় কৰি তুলিলে। তেনে অৱস্থাত তাত থকা ছাত্ৰ সকলে উপায়হীন হৈ আমাৰ সহায় বিচাৰিলে। আমি দলেবলে গৈ তেওঁলোকক কটন কলেজৰ দুয়োটা ব্লকেই দখল কৰি বিচনা-পত্ৰ লৈ থকিবলৈ ক'লো আৰু সেইমতেই তেওঁলোকে দুয়োটা ব্লক দখল কৰিলে। পিছদিনা কলেজ খোলাত অধ্যক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৱে সেই কাণ্ড দেখি বিচুৰ্তি খালে। অধ্যক্ষই সকলো কথা টেলিফোনযোগে ডি পি আই চাহাবক অৱগত কৰিলে। পিছদিনা একমান বজাত প্ৰধান মন্ত্ৰী বৰদলৈ ডাঙৰীয়া তেওঁৰ বিষয়াসকলৰ সৈতে আহি কলেজৰ সেই ঠাইত উপস্থিত হ'লহি। ছাত্ৰসকলেও তেতিয়া সমদল কৰি আছিল আৰু প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ইয়াৰ সমাধান দাবী কৰিলে। নহ'লে উভতি যাবলৈ ধ্বনি দিলে। 'Go back Bardoloi' এই আৱাজটো সেই সময়ৰ অগ্ৰণী ছাত্ৰ-কৰ্মী কেশৱ মহন্তই দিয়া মনত পৰে। বৰদলৈ ডাঙৰীয়াই অৱস্থা বুজি অধ্যক্ষ আৰু শিক্ষকসকলৰ লগত আলোচনা কৰি শ্বিলঙলৈ উভতি গ'ল। ইয়াৰ পিছতেই শ্বিলঙৰ পৰা খবৰ আহিল যে দীঘলী পুখুৰীৰ পূবফালে ড° জগদীশ মেধিৰ কাষত সৈন্যৰ দখলত থকা আৰু সৈন্য-বাহিনীয়ে এৰি দিয়া ঠাইত এটা ছাত্ৰাৱাস নিৰ্মাণ কৰাৰ হুকুম আহিল। এই কাৰ্য্য যুদ্ধকালীন তৎপৰতাৰে কৰা হ'ল আৰু সেই ঠাইত চাৰিটা বেৰেক গঢ়ি উঠিল। ওপৰত টিনৰ চালি দি তৰ্জাৰ বেৰা দি অতি ক্ষীপ্ৰ গতিৰে এইদৰে অস্থায়ী ঘৰ নিৰ্মাণ কৰা হ'ল। ইয়াৰে এটাত ময়ো আছিলো আৰু তাত থকা সকলৰ ভিতৰত প্ৰশান্ত বৰুৱা, যোগেশ দাস

আদিও আছিল।

এবাৰ স্বাধীনতা দিৱসত তাতে আমি গোট খাই পতাকা উত্তোলন কৰিছিলো। সেই পতাকা উত্তোলন কৰা হৈছিল প্ৰশান্ত বৰুৱাৰ দ্বাৰা। ছাত্ৰাৱাস বিলাকত মাজে মাজে সাংস্কৃতিক অনুষ্ঠান, নাট্যাভিনয় আদি অনুষ্ঠিত হৈছিল। সৰস্বতী পূজাত আমি কলা-শিল্পৰ প্ৰদৰ্শনী পাতিছিলো। হোষ্টেল বিলাকত তোৰণ সমূহৰ কলা-সংস্কৃতিৰ নিদৰ্শনৰ ভিত্তিত প্ৰতিযোগিতা চলিছিল। সৰস্বতী পূজাৰ বিসৰ্জনৰ দিনা আমাৰ হোষ্টেলৰ অধীক্ষকসকলৰ আৰু অধ্যাপকপাৰাৰ অধ্যাপক সকলৰ ঘৰলৈ নাম-গুণ গাই যাওঁ আৰু তেখেতসকলেও ছাত্ৰসকলক কমলা আদি দি সন্তোষ দিছিল। মোৰ জীৱনত কটন কলেজৰ সেই স্মৃতি আজিও আছে আৰু ইয়াতেই মই শিক্ষাৰ সৰ্বোচ্চ সময় খৰছ কৰিছিলো।

কটন কলেজত পঢ়ি থকা অৱস্থাতেই ১৯৪৩ চনত মই কমিউনিষ্ট পাৰ্টিৰ সদস্য পদ পাওঁ আৰু মাৰ্ক্সীয় দৰ্শন গ্ৰহণ কৰি কমিউনিষ্ট আন্দোলনত ব্ৰতী হওঁ। সেই সময়ত বৰ্তমান 'টিৰুপতি ট্ৰেৰ্ডাচ' দোকানৰ পিছফালে থকা অসম আৰ্হিৰ এটা সৰু ঘৰত কমিউনিষ্ট পাৰ্টিৰ কাৰ্যালয় আছিল। তাতেই কমিউনিষ্ট পাৰ্টিৰ নেতৃবৃন্দই সদৰ কাৰ্যালয় পাতি কাম চলাইছিল। বীৰেশ মিশ্ৰ, হেমাঙ্গ বিশ্বাস, অচিন্ত্য ভট্টাচাৰ্য, নন্দেশ্বৰ তালুকদাৰ, লোহিত লহকৰ, ফণী বৰা আদি নেতৃবৃন্দই তাতেই পাৰ্টিৰ কৰ্ম-পন্থা আদি পৰিকল্পনা কৰিছিল। মোৰ মনত আছে তাতেই ভবানন্দ দত্ত আৰু দধি মহন্তই যুটীয়াভাৱে সাম্যবাদী ঘোষণা পত্ৰখন ভাঙনি কৰি অসমীয়া ভাষাত প্ৰকাশ কৰিছিল। সেইখন অসমীয়া ভাষাত প্ৰকাশ কৰা দ্বিতীয় সাম্যবাদী ঘোষণা-পত্ৰ।

প্ৰথমখন বিখ্যাত সাংবাদিক আৰ চি পি আইৰ নেতা কেদাৰ গোস্বামীয়ে ভাঙনি কৰি প্ৰকাশ কৰিছিল। ভৱানন্দ দত্ত আৰু দধী মহন্তই যুটীয়াভাৱে অসমীয়াত প্ৰস্তুত কৰা 'সাম্যবাদী ঘোষণা-পত্ৰখন' প্ৰকাশৰ কাৰণে টকাৰ নাটনি হোৱাত ভৱানন্দ দত্তই কলিকতা বিশ্ববিদ্যালয়ত কৃতিত্বৰ কাৰণে পোৱা সোণৰ পদক বিক্ৰী কৰিছিল।

১৯৪৭ চনত স্বাধীনতাৰ পিছত অসম ছাত্ৰ সন্মিলনৰ

অধিৱেশনখন বিৰাট আয়োজনেৰে তেতিয়া ডাকঘৰৰ সন্মুখত থকা চাৰ্চ খেলপথাৰত ২৭ নৱেম্বৰৰ দিনা বহিছিল। এই সভাৰ মুকলি অধিৱেশনত তেতিয়াৰ কংগ্ৰেছ সভাপতি মঃ তৈয়বুল্লাই পৌৰহিত্য কৰিছিল আৰু সৰ্বভাৰতীয় ছাত্ৰনেতা এ, বি, বৰ্দ্ধনে উদ্বোধন কৰিছিল। সন্ধিয়া সাংস্কৃতিক অধিৱেশন। সেই অধিৱেশনত জ্যোতিপ্ৰসাদ আগৰৱালাই সভাপতিত্ব কৰিছিল। সেই অধিৱেশনত দিয়া ভাষণ 'পোহৰলৈ' নাম দি ছপা কৰা হৈছিল। সেই ভাষণ অসমীয়া সাহিত্যৰ এটি অমূল্য ৰত্ন হিচাবে গ্ৰন্থিত হৈ গ'ল। জ্যোতিপ্ৰসাদৰ গা সিমান ভাল নাছিল আৰু তেওঁ গুৱাহাটীত চন্দ্ৰকুমাৰ আগৰৱালা পথত থকা তেওঁলোকৰ নিজা ঘৰত আছিল। আমি বিশেষকৈ ধীৰেশ্বৰ কলিতা আৰু মই তেখেতক তাতে লগ ধৰি বহুতো কথা আলোচনা কৰো। জ্যোতিপ্ৰসাদৰ মন তেতিয়া দুদুল্যমান। বাওঁপন্থী আদৰ্শৰ প্ৰতি তেওঁ আকৃষ্ট হৈছিল আৰু বিশেষকৈ 'আই পি টি এ'ৰ হেমাঙ্গ বিশ্বাস, নগেন কাকতি আৰু পাৰ্টিৰ অন্যান্য নেতৃবৃন্দ বীৰেশ্বৰ কলিতা আৰু আমাৰ লগত তেওঁ তত্ত্বগধুৰ আলোচনা কৰিছিল। শেষত তেওঁ কমিউনিষ্ট পাৰ্টিৰ সভ্য নহ'লেও কমিউনিষ্ট মতাদৰ্শ গ্ৰহণ কৰিছিল। নালিয়াপুলৰ পুলিচী অত্যাচাৰৰ বিৰুদ্ধে তেওঁ কলম তুলি লৈছিল। 'আই পি টি এ'ৰ যোগেদি তেওঁ প্ৰগতিশীল চিন্তাধাৰাৰ আন্দোলনত উল্লেখযোগ্য বৰঙণি যোগাই গ'ল।

জ্যোতিপ্ৰসাদৰ এই উত্তৰণৰ কাৰণে প্ৰবাদপুৰুষ হেমাঙ্গ বিশ্বাসৰ নাম অবিস্মৰণীয়। জ্যোতিপ্ৰসাদে সাংস্কৃতিক সন্ধিয়াত ড° ভূপেন হাজৰিকাকো লগত আনিছিল আৰু সমবেত ছাত্ৰ-ছাত্ৰী আৰু দৰ্শকক কৈছিল— 'মই এইজন ডেকা শিল্পীক তোমালোকৰ আগত হাজিৰ কৰিছো। তেওঁ তোমালোকৰ লগত থাকিব আৰু তোমালোকে তেওঁৰ গান উপভোগ কৰিবা।' ছাত্ৰ সন্মিলনৰ সেই অধিৱেশনত মই অসম ছাত্ৰ সন্মিলনৰ (Assam Students' Federation) সাধাৰণ সম্পাদক নিৰ্বাচিত হওঁ। এফালে কটন কলেজৰ ছাত্ৰ সন্মিলনৰ নেতৃত্বত বিভিন্ন ছাত্ৰ আৰু জন আন্দোলনত জড়িত হৈ পৰো আৰু আনফালে অসমৰ ছাত্ৰ আন্দোলনত গোটেই ৰাজ্যতে বিশেষকৈ ডিব্ৰুগড়ৰৰ পৰা নলবাৰীলৈকে

বিভিন্ন আন্দোলনত জড়িত হওঁ। এই সময়ত ছাত্র আন্দোলনৰ মুখ্য লক্ষ্য আছিল— স্বাধীনতা লাভ হোৱাৰ আগলৈকে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সক্ৰিয় আন্দোলন তথা সভা, শোভাযাত্ৰা, ধৰ্মঘট আদি আৰু অন্যফালে ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগ যেনে স্কুল কলেজত থকা ঠাই হোষ্টেলৰ অৱস্থান আৰু সা-সৰঞ্জাম আদিৰ উন্নতিকৰণৰ ব্যৱস্থা আৰু এক শৈক্ষিক পৰিৱেশ গঢ়ি তুলি ছাত্ৰ-ছাত্ৰীসকলৰ মেধাৰ বিকাশ ঘটাই ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক আদি বিভিন্ন প্ৰকাৰে আত্মপ্ৰকাশ কৰি সমাজক আগবঢ়াই নিয়াত অৰিহণা যোগোৱা আৰু লগে লগে সমাজৰ বিভিন্ন অংশ যেনে শ্ৰমিক, কৃষক মধ্যবিত্তৰ লগত আন্দোলনত সংযুক্ত হোৱা আদি বিভিন্ন আন্দোলনত জড়িত হওঁ। কটন কলেজৰ ছাত্ৰাৱাস বিলাকত ছাত্ৰ ফেডাৰেচনৰ প্ৰভাৱ যথেষ্ট পৰে আৰু গুৱাহাটীত থকা ফণী বৰা, ধীৰেশ্বৰ কঁলিতা, নন্দেশ্বৰ তালুকদাৰ, লোহিত লহকৰ, পোৱাল বৰুৱা, কেশৱ মহন্ত, জীতেন বৰকটকী, চন্দ্ৰ বৰা, কমলা বৰা, নলিনী গগৈ আৰু পিছত লগ লাগে হেনা বৰা, বীণা দাস, কমলা বৰঠাকুৰ, সৌৰেণ মুৰ্খাৰ্জ্জী, দেৱপ্ৰসাদ বৰুৱা, অৱনী বৰঠাকুৰ, দুলাল খাউণ্ড, জয়ন্ত মাধৱ আদি অনেক ছাত্ৰ-নেতাই গুৱাহাটীত এই ছাত্ৰ আন্দোলনত আমাৰ লগতে গুৰি ধৰিছিল।

সেই সময়তে ৰংপুৰত বঙ্গীয় প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ অধিৱেশনলৈ নিমন্ত্ৰিত হৈ মই অসম ছাত্ৰ সন্মিলনৰ সম্পাদকৰ ভাতৃত্বমূলক প্ৰতিনিধি হিচাবে যোগদান কৰিছিলো। সেই সময়ত ৰংপুৰ কলেজত ভালেমান অসমীয়া ছাত্ৰ আছিল ৰাতি ছাত্ৰাৱাসত অসমীয়া ছাত্ৰসকলৰ আলহী হিচাবে থাকি পিছদিনা গুৱাহাটীলৈ উভতি আহো। সেই ছাত্ৰসকলৰ ভিতৰত ধিঙৰ দেবেন হাজৰিকাৰ কথা এতিয়াও মনত পৰে।

ছাত্ৰ আন্দোলনৰ দুটা মুখ্য আৰু প্ৰবল ঘাটি আছিল শিৱসাগৰ আৰু নগাঁও জিলা। ছাত্ৰ সন্মিলনৰ অধিৱেশন আৰু সভাবিলাকত জিলা দুখনৰ পৰা বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। ৰেল গাড়ীৰ কেইবাটাও ডবা ভৰ্তি হৈ ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ ফেডাৰেচনৰ পতাকা উৰুৱাই

গুৱাহাটী অধিৱেশনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। নগাঁৱত কেহু হাজৰিকা, পদ্ম শইকীয়া, বনলতা গোহাঁই , ৰবীন সৰকাৰ, কমলা গোহাঁই. মণি বৰা, ভবেন শইকীয়া, নিকুঞ্জ মহন্ত, ভূপেন বৰকটকী, সুভদ্ৰা শইকীয়া, নলিনী শইকীয়া ইত্যাদি বহুতো ছাত্ৰ-নেতা আৰু কৰ্মীয়ে সমগ্ৰ নগাঁৱতে তীব্ৰ ছাত্ৰ আন্দোলন গঢ়ি তুলিছিল। সেইদৰে শিৱসাগৰ জিলাত প্ৰমোদ গগৈ আমগুৰি হাইস্কুলৰ পৰা ছাত্ৰনেতা হিচাবে আত্মপ্ৰকাশ কৰি সমগ্ৰ শিৱসাগৰ জিলাতে ছাত্ৰ আন্দোলন সংগঠিত কৰিছিল। অৱনী বৰঠাকুৰ, কমল গগৈ, জিতেন নেওগ, নোমল গগৈ, উপেন শৰ্মা আদি বহুতো ছাত্ৰ-কৰ্মী আৰু নেতাই শিৱসাগৰতো ছাত্ৰ আন্দোলন গঢ়ি তুলিছিল। এই ছাত্ৰ আন্দোলনৰ শক্তিশালী ঘাটি গঢ়ি উঠাত নাজিৰা, আমগুৰি, জাঁজী. বকতা, নেমুগুৰি আদি ঠাই ছাত্ৰ আন্দোলনৰ শক্তিশালী কেন্দ্ৰ হৈ পৰিছিল। ডিব্ৰুগড়ত মদন বৰপূজাৰী, নগেন কাকতি, ঈশ্বান ফুকন আদি ছাত্ৰ-নেতা সকলে ছাত্ৰ আন্দোলন গঢ়ি তোলাত আগভাগ লৈছিল। যোৰহাটত আনন্দ শৰ্মা, অনিল শৰ্মা আদি ছাত্ৰ-নেতাসকলে ছাত্ৰ আন্দোলন গঢ়ি তুলিছিল। গোলাঘাটৰ চিদা শইকীয়া, ছাত্ৰ-নেতা ফণী বৰাৰ আগতে ছাত্ৰ সন্মিলনত প্ৰধান সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰি সন্মিলনত ব্যাপক প্ৰচাৰ আৰু আন্দোলন চলাইছিল। তেখেতৰ পিছতে হৰেণ দুৱৰা কম সময়ৰ কাৰণে সন্মিলনৰ প্ৰধান সম্পাদক হৈ কাৰ্যকাল চলাইছিল। তেজপুৰৰ ৰমেশ শৰ্মা, মহেন্দ্ৰ শৰ্মা ইত্যাদি ছাত্ৰ আৰু জননেতা সকলে সমগ্ৰ অসমতে ছাত্ৰ আন্দোলন বিয়পাই তোলাত সহায় কৰিছিল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ যেতিয়া স্বাধীন হ'ল সমগ্ৰ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে বিশাল সমদল কৰি জয়উল্লাস কৰিছিল। ভাৰতৰ স্বধীনতাত সকলো জনসাধাৰণৰে অৱস্থা উন্নত হ'ব বুলি আমি সকলো আনন্দত আত্মহাৰা হৈছিলো। কিন্তু ১৯৪৭ চনৰ স্বাধীনতাৰ পিছত জনসাধাৰণৰ আৰ্থিক অৱস্থা আৰু সমাজৰ অৰ্থনৈতিক অৱস্থাৰ বিশেষ কোনো পৰিবৰ্তন নোহোৱাত লাহে লাহে জনসাধাৰণৰ সন্মুখত স্বাধীনতা সম্পৰ্কে প্ৰশ্ন উদয় হ'ব ধৰিলে। ১৯৪৭ চনৰ ১৫ আগষ্টত

ভাৰতে যি স্বাধীনতা পালে ই ক্ষমতা হস্তান্তৰৰ ৰাজনৈতিক স্বাধীনতাহে বুলি কমিউনিষ্ট পার্টিয়ে জনতাৰ আগত দাঙি ধৰিলে যে 'ইয়ে আজাদী ঝুঠা হেই। কিন্তু এই শ্লোগান সঠিক নাছিল। কিয়নো ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাটো মিছা নাছিল। অথচ অর্থনৈতিক সমাজব্যৱস্থাৰ কোনো পৰিবর্তন হোৱা নছিল। সাম্ৰাজ্যবাদী আৰু বৃহৎ পুঁজিবাদী কবলৰ শোষণৰ পৰা কৃষক, মজদুৰ, মধ্যবিত্ত জনগণে সকাহ পোৱা নাছিল। সেইকাৰণে কমিউনিষ্ট পার্টিয়ে জনসাধাৰণৰ আগত জমিদাৰ, পুঁজিপতিৰ শাসন আৰু শোষণৰ বিৰুদ্ধে আৰু শাসনত থকা সেই শক্তিবিলাকৰ প্ৰতিনিধিত্ব কৰা চৰকাৰৰ বিৰুদ্ধে জঙ্গী আন্দোলন গঢ়ি তোলে। কমিউনিষ্ট কর্মী হিচাপে মই এই জঙ্গী আন্দোলন বিলাকত সক্ৰিয় অংশগ্ৰহণ কৰো। এই আন্দোলন বিলাকত নিজকে সর্বক্ষণৰ কৰ্মী হিচাপে জড়িত হৈ পৰাত পঢ়া-শুনাত মন দিব পৰা নগ'ল। ডেকা বয়সত এনে এটা বিশ্বাস হৈছিল যে ভাৰতবৰ্ষত অতি শীঘ্ৰে সমাজবাদ (Socialism) গঢ়ি উঠিব আৰু জনসাধাৰণ শোষণমুক্ত হৈ এখন সাম্যবাদী সামাজত বাস কৰিবলৈ সক্ষম হ'ব। ইয়াৰ প্ৰেৰণা আছিল ছোভিয়েট ৰাছিয়াত লেনিনৰ নেতৃত্বত সমাজতন্ত্ৰ প্ৰতিষ্ঠা হোৱা আৰু চীনত মাও-চে-তুঙৰ নেতৃত্বত সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ কাৰণে উত্থান। এইবিলাকেই আমাক অনুপ্ৰাণিত আৰু আলোড়িত কৰিছিল।

১৯৪৪ চনত কলিকতাত দুখন অধিৱেশন হৈছিল। এখন বঙ্গীয় প্ৰাদেশিক কমিউনিষ্ট পার্টিৰ বাৰ্ষিক সন্মিলন আৰু আনখন সৰ্ব-ভাৰতীয় 'ছাত্ৰ ফেডাৰেচন'ৰ বাৰ্ষিক সন্মিলন। এই দুয়োখন সন্মিলনলৈ মই প্ৰতিনিধি হিচাবে যাওঁ। সেই সন্মিলনলৈ অসমৰপৰা কমিউনিষ্ট নেতা বীৰেশ মিশ্ৰৰ নেতৃত্বত জ্যোতিৰ্ময় নন্দী, অচিন্ত্য ভট্টাচাৰ্য আৰু মই গৈছিলো। মই কমিউনিষ্ট পাৰ্টিৰ এজন প্ৰতিষ্ঠাপক নেতা কমৰেড্ মুজাফৰ আহমেদৰ (যাক সকলোৱে শ্ৰদ্ধা কৰিছিল আৰু কাকা বাবু বুলি মাতিছিল) নেতৃত্বত থকা এটা মেচত আছিলো। সেই সন্মিলনত কাকা বাবুৱে 'নেচনেল বুক ডিপো'ৰ প্ৰতিষ্ঠাপক হিচাবে 'হিচাপ-পত্ৰ' দাঙি ধৰাৰ কথা মনত আছে। কাকা বাবুৱে কোট-লংপেণ্ট আৰু ডিঙিলৈকে

বুটাম মৰা চাৰ্ট পিন্ধিছিল। ড° হীৰেণ মুখাৰ্জী 'ৰুশ ভাৰত মৈত্ৰী সংঘৰ' সভাপতি হিচাবে তাৰ এটা বিৱৰণ সন্মিলনত দাঙি ধৰে। সেই সন্মিলনলৈ অন্ধ্ৰপ্ৰদেশ, কেৰেলা আদিৰ পৰা কমিউনিষ্ট পাৰ্টিৰ ভাতৃমূলক প্ৰতিনিধি দল আহিছিল। সন্মিলনৰ অৱসৰৰ সময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ প্ৰধান সম্পাদক পি, চি, যোশীয়ে আমাৰ অসমৰপৰা যোৱা দলক বেলেগে লগ ধৰে আৰু মোলৈ আঙুলিয়াই দি কয় যে অসমত কমিউনিষ্ট পাৰ্টি গঢ়ি উঠিবলৈ হ'লে অসমীয়া মানুহৰ নেতৃত্বৰ প্ৰয়োজন। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ নীতি আছিল 'জাতীয় ঐক্য ফ্ৰন্ট'ত কংগ্ৰেছৰ লগত একেলগে কাম কৰা। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ মুখপত্ৰখনৰ নাম আছিল 'People's war' পিছলৈ 'People's war' নামটো সলাই মুখপত্ৰখনৰ নাম 'New Age' কৰা হয়।

মোৰ মনত আছে ১৯৪৪ চনত কমিউনিষ্ট পাৰ্টিৰ নেতৃস্থানীয় কমৰেড্ আৰু মুখপত্ৰখনৰ সম্পাদক মণ্ডলীৰ এজন — নিখিল চক্ৰৱৰ্তীৰে মোক লগত লৈ সেই সময়ৰ প্ৰধান মন্ত্ৰী গোপানীথ বৰদলৈৰ শিলপুখুৰীত থকা তেখেতৰ নিজা বাসগৃহত লগ ধৰি কেইবাদিনো সাংবাদিক হিচাবে তেখেতৰ উক্তি আৰু বক্তব্য লিপিবদ্ধ কৰি মুখপত্ৰ (Peoples war) খনত প্ৰকাশ কৰিছিল। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আৰু জাপানী আগ্ৰাসনৰ বিৰুদ্ধে বৰদলৈ ডাঙৰীয়াই — ৰাজনৈতিক জীৱনৰ প্ৰাক্ক্ষণত তৰুণৰাম ফুকন, নবীন বৰদলৈ আদিৰ লগত একেলগে কাম কৰিছিল। বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বতেই 'গ্ৰুপ বিৰোধী আন্দোলন' (Anti group movement) ত বিপুলসংখ্যক জনসাধাৰণে অংশ গ্ৰহণ কৰিছিল। ক্ৰিপ্ছ্ মিচনে (Cripps mission) অসমক পূব বঙ্গৰ লগত চামিল কৰি 'চি গ্ৰুপ' (C. group) কৰাৰ যি পৰিকল্পনা কৰিছিল সি ব্যৰ্থ হৈছিল। বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বতেই গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে জনসাধাৰণক জড়িত কৰি আন্দোলন গঢ়ি তুলিছিল আৰু অসমৰ ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰা হৈছিল। ফণী বৰা, বিশ্ব গোস্বামী আৰু মই নগাঁৱত বাহৰ পাতি ৰাইজৰ পৰা অৰ্থ সংগ্ৰহ কৰিছিলো। কংগ্ৰেছ নেতা ক্ষীৰোদ বৰুৱা ডাঙৰীয়াৰ ঘৰত আমাৰ থকা খোৱাৰ ব্যৱস্থা

হৈছিল। সেই অর্থ অভিযানত দেৱকান্ত বৰুৱা আৰু বিৰিঞ্চি কুমাৰ বৰুৱাই আমাক অনুপ্ৰেৰণা দি এই অৰ্থ সংগ্ৰহত অংশ গ্ৰহণ কৰিছিল। মাজতে গোপীনাথ বৰদলৈ ডাঙৰীয়াইয়ো বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে নগাঁৱতো বহু সভা-সমিতি কৰিছিল। সমগ্ৰ অসমৰ পৰাই জনসাধাৰণৰ বিপুল উৎসাহ উদ্দীপনা আৰু আৰ্থিক সাহায্যৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত বৰঙণি যোগাইছিল। এইভাৱে বৰদলৈ ডাঙৰীয়াই অসমত উন্নতিৰ বিভিন্ন ক্ষেত্ৰত আজীৱন বৰঙণি যোগাই গ'ল। এই বিশাল আন্দোলনত ময়ো সক্ৰিয়ভাৱে জড়িত হৈ আছিলো।

(৬)

১৯৪৪ চনত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ বাৰ্ষিক অধিৱেশনখন কলিকতাত অনুষ্ঠিত হৈছিল। মুকলি অধিৱেশনখন মহম্মদ আলী পাৰ্কত বিৰাট ছাত্ৰ সমাবেশেৰে আয়োযিত হৈছিল। এই সভাত ধূৰ্জতিপ্ৰসাদ মুখাৰ্জীয়ে সভাপতিত্ব কৰিছিল। তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক আছিল। সেই সভাত সৰোজিনী নাইডুৱে সন্মানিত মুখ্য অতিথি হিচাবে ভাষণ দিছিল। তেওঁ উদ্দাত্ত কণ্ঠেৰে ছাত্ৰসকলক উদ্দেশ্য কৰি কৈছিল — "I am your eternal mother"। সেই অধিৱেশনত 'স্কটিচ্ চাৰ্চ'ৰ (Scottish Church) ছাত্ৰ সকলে একে ধৰণৰ পোছাক (Uniform) পিন্ধি শোভাযাত্ৰাত 'বেণ্ড' বজাইছিল। অসমৰ পৰাও ৰেলযোগে সেই অধিৱেশনলৈ এটা শকত দল গৈছিল। মোৰ মনত থকা মতে — সেই দলত মোৰ বাহিৰেও আনন্দ শৰ্মা অঞ্জলি দাস, বীণা ৰয় প্ৰভৃতি অনেক ছাত্ৰ আন্দোলনৰ নেতা-নেত্ৰী গৈছিল। আমাক ৰেলৰ যাত্ৰীবাহী ডবা দিব নোৱাৰি এটা মাল নিয়া ডবাৰ আধা অংশত যাবলৈ দিয়া হৈছিল। মাজতে লোহাৰ ৰেলিং দি সিফালে বহুতো কণী ৰখা হৈছিল। পাৰ্বতীপুৰত এজন ৰেলৰ টিকেট পৰীক্ষক (T.T.E.) সোমাই ডবাটোৰ পৰা বহুতো কণী বেগত ভৰাই লৈ গুচি গ'ল। আমি দৰ্শক হিচাবে সেই দৃশ্য কেৱল উপভোগহে কৰিছিলো।

১৯৪৫-৪৬ চনৰ কথা। মণিপুৰত তেতিয়া পাৰ্টিৰ নেতৃত্বত জোৰদাৰ কৃষক আন্দোলন হৈছিল। এই আন্দোলনৰ নেতৃত্বত কিংবদন্তি পুৰুষ পাৰ্টি নেতা ইৰাৱত সিং আছিল। অসমৰ পৰা পাৰ্টি নেতৃত্বই মোক ইম্ফললৈ গৈ মণিপুৰৰ কৃষক আন্দোলন স্বজমিন তদন্ত কৰি এটি প্ৰতিবেদন আনিবলৈ ক'লে আৰু ইৰাৱত সিঙকো সাক্ষাৎ কৰি তেওঁৰ মতামত আৰু বক্তব্য লিপিৱদ্ধ কৰি আনিবলৈ দিলে। গুৱাহাটীত থকা মোৰ বন্ধু বিনয় সিঙৰ লগত আলোচনা কৰি আমি দুয়ো ইম্ফললৈ যোৱা ঠিক কৰিলো। বিনয় সিঙে মোক বাহিৰত মুকলিভাৱে (Over ground) থাকি সহায় কৰিব আৰু মই আত্মগোপন কৰিয়েই যাব লাগিব। ইম্ফললৈ যোৱা আলুৰ বস্তা কঢ়িয়াই নিয়া এখন ট্ৰাকত উঠি আমি দুয়ো ইম্ফললৈ যাত্ৰা কৰিলো।

তেতিয়া ইম্ফললৈ-নগালেণ্ডৰ মাজেৰে যাব লাগে। তালাছী চকী বিলাকত আমি যিহেতু আলুৰ বস্তাৰ লগতে গৈছিলো আমাৰ কোনো অসুবিধা নহ'ল। এইদৰে গৈ আবেলি সময়ত 'মাও' পালোগৈ। ক্ষুধা নিবাৰণৰ বাবে আমি তাতে কিছু সময়ৰ বাবে নামিলো। দেখিলো — দোকানবিলাকত সিজোৱা কুকুৰ আৰু সিজোৱা বন্ধা কবি ওলোমাই থোৱা আছে। সিজোৱা কবিৰেই পেট ভৰোৱা হ'ল।

'মাও'ৰ পৰা গৈ ৰাতি ইম্ফলত নামিলোগৈ। সেই সময়ত ইম্ফলত বস্তু কঢ়িওৱা কুলী নাছিল। নিজেই কান্ধত চুটকেছটো লৈ বিনয় সিঙৰ লগত এজন কম্ৰেডৰ ঘৰত সোমালোগৈ। এইদৰে প্ৰায় এসপ্তাহ কাল ইঘৰ-সিঘৰত থাকি কৃষক আন্দোলনৰ ঠাই বিলাকলৈ গৈ আন্দোলনৰ বুজ লৈছিলো আৰু ইৰাৱত সিঙক ঘৰত গৈ কেইবাবাৰো লগ ধৰিছিলো। ইৰাৱত সিঙে চোতালত খেৰৰ এখন চালিৰ দৰে ঘৰ সাজি তাতে কাৰ্যালয়ৰ কাম চলাইছিল। তেওঁৰ এটা লিথু মেচিন আছিল আৰু সেই মেচিন নিজে চলাই কৃষক আন্দোলন, পাৰ্টি আন্দোলনৰ খবৰ, তেওঁৰ পৰামৰ্শ আৰু বক্তব্যবোৰ লিথু কৰি প্ৰকাশ কৰিছিল। কৃষক কৰ্মীসকলে তেওঁৰ ঘৰৰপৰা সেইবোৰ নি গাঁৱে গাঁৱে প্ৰচাৰ কৰিছিল। তেওঁৰ পৰিবাৰে মণিপুৰী খাদ্য প্ৰস্তুত কৰি সকলোকে খুৱাইছিল।

এইদৰে প্ৰায় এসপ্তাহ কাল আন্দোলনৰ ঠাইবোৰ ঘূৰি ফুৰি আৰু ইৰাৱত সিঙৰো সাক্ষাৎ লৈ গুৱাহাটীলৈ ঘূৰি আহোঁ আৰু ইয়াত পাৰ্টি নেতৃত্বৰ ওচৰত মোৰ অভিজ্ঞতা আৰু পৰামৰ্শ সহ এখন বিশদ প্ৰতিবেদন দাখিল কৰোঁ। জ্যোতিৰ্ময় নন্দীয়ে সেইখন বঙালী ভাষালৈ অনুবাদ কৰি বঙ্গীয় প্ৰাদেশিক কমিউনিষ্ট পাৰ্টিৰ মুখপত্ৰ 'স্বাধীনতা'ত বহলভাৱে প্ৰকাশ কৰিছিল। ই সেই সময়ত মণিপুৰৰ আন্দোলন সম্পৰ্কে এটি আলোড়নৰ সৃষ্টি কৰিছিল।

ইম্ফলত থকা সময়তে মই মণিপুৰী ডেকা-গাভৰু সকলৰ সামাজিক এটি প্ৰথা প্ৰত্যক্ষ কৰিছিলো। তেতিয়া দৌলৰ পূৰ্ণিমা আছিল। মণিপুৰী ডেকা-গাভৰুৱে গধূলি জাক পাতি ঘূৰণীয়াকৈ বহি কড়ি খেল পাতে। এজন ডেকা আৰু এজনী গাভৰুৱে একেলগে বহে। কড়ি খেলত ডেকা-গাভৰুৰ মনৰ মিল হ'লে তেওঁলোকে যৌথ জীৱন পাতে। বিনয় সিঙে মোক তেনে এক অনুষ্ঠানলৈকো লৈ গৈছিল। ইয়াৰ বাহিৰেও মণিপুৰী সকলৰ খোল-বাদন, নৃত্য-গীত আদি উল্লেখনীয় সাংস্কৃতিক অনুষ্ঠানবোৰো উপভোগ কৰিছিলোঁ।

(৭)

কমিউনিষ্ট সকলে কংগ্ৰেছৰ ভিতৰতে থাকি কাম কৰিছিল। পিছত তেওঁলোকে কমিউনিষ্ট পাৰ্টি গঠন কৰি আত্মপ্ৰকাশ কৰে। ১৯৪৭ চনলৈকে কমিউনিষ্ট পাৰ্টিৰ নীতি আছিল কংগ্ৰেছৰ লগত একেলগে মিলিজুলি কাম কৰা। দেশত মহম্মদ আলী জিন্নাৰ নেতৃত্বত মুছলিম লীগ গঠন হোৱাত অসমতো ইয়াৰ প্ৰভাৱ পৰিছিল। 'ছাত্ৰ ফেডাৰেচন' আৰু কমিউনিষ্টসকলৰ নীতি আছিল — হিন্দু-মুছলিম ঐক্যৰ যোগেদি ভাৰতবৰ্ষৰ অখণ্ডতা বজাই ৰাখি স্বাধীনতা অৰ্জন কৰাটো। গান্ধী-জিন্না একেলগে বহি মতানৈক্য দূৰ কৰি সমূহীয়া নেতৃত্বত হিন্দু মুছলমান ঐক্য গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। সেই সময়ত আশ্ৰফ আলী

ডাঙৰীয়া আলিগড় বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি আৰু ৰাজনীতি বিভাগত সুখ্যাতিৰে স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈ আহি গুৱাহাটীত আমাৰ লগত গাঁৱে গাঁৱে হিন্দু-মুছলিম ঐক্যৰ কাৰণে সভা পাতি এই কামত আগভাগ লৈছিল। কামৰূপ আৰু নলবাৰীৰ বিভিন্ন ঠাইত বিশ্ব গোস্বামী, আশ্ৰফ আলী, মই আৰু ফণী বৰা আদি কৰ্মীসকলে এই প্ৰচাৰত অংশ লৈছিল। জেলৰ পৰা ওলাই ১৯৫৩ চনত প্ৰফেছাৰ আশ্ৰফ আলী ডাঙৰীয়াই মোক বি এ ক্লাচত ৰাজনীতি বিজ্ঞান বিষয় (Policital Science) পঢ়াইছিল।

ভাৰতবৰ্ষত বিশেষকৈ কলিকতাত হিন্দু-মুছলিম সাম্প্ৰদায়িক সংঘৰ্ষই পৰিস্থিতিয়ে দেশ বিভাজনৰ বিপদ মাতি আনিলে আৰ এই সংঘৰ্ষই ঠাই বিশেষে ৰুদ্ৰৰূপ ধাৰণ কৰিলে। আমি গুৱাহাটীত ছাত্ৰসকলে - ডাঙ্গাৰ বিৰুদ্ধে হিন্দু-মুছলমান সম্প্ৰীতিৰ পক্ষে শোভাযাত্ৰা, সমদল বাহিৰ কৰিছিলো। সেই সমদলত মূলতঃ কটন কলেজ হোষ্টেলৰ ছাত্ৰ-ছাত্ৰী সকলেই আগভাগ লৈছিল। অতি সুখৰ কথা যে অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতিত কিছু পৰিমাণে ফাটল ধৰিছিল যদিও তেনে কোনো সাম্প্ৰদায়িক ডাঙ্গা হব'লৈ নাপালে।

১৯৪৫ চনত কটন কলেজত ছাত্ৰ-ছাত্ৰীসকলৰ 'ইউনিয়ন চচাইটি' (Union Society)ৰ নিৰ্বাচন নহ'ল। ইয়াৰ কাৰণ হিচাবে মুছলমান ছাত্ৰ সকলে 'ইউনিয়ন চ'চাইটি'ত তেওঁলোকৰ প্ৰতিনিধি থকাটো বিচাৰিছিল। তেতিয়া এখন অস্থায়ী এড্হক্ কমিতি গঠিত হৈছিল আৰু তাত ময়ো আছিলো। পিছত সমাধান সূত্ৰ হিচাবে ইউনিয়ন চচাইটিৰ Proportional representation with single transferable vote– এই পদ্ধতিত হৈছিল।

১৯৪৭ চনতেই মোৰ কটন কলেজত কলেজীয়া জীৱন অৱসান হোৱাৰ কথা। কিন্তু বিভিন্ন আন্দোলনত পাৰ্টিৰ সৰ্বক্ষণৰ কৰ্মী হিচাবে থাকি কাম কৰিব লগা হোৱাত বি-এ পৰীক্ষা সম্পূৰ্ণ কৰা নহ'ল। পাৰ্টিৰ নিৰ্দেশত ১৯৪৮ চনৰ বছৰটো কটন কলেজতে সংগঠনৰ স্বাৰ্থত থাকিব লগা হ'ল।

(৮)

১৯৪৮ চনৰ পৰাই কমিউনিষ্ট পাৰ্টিৰ নীতি জঙ্গী আন্দোলনমুখী হৈ বিপ্লৱ গঢ়ি তোলাৰ সংগ্ৰামী কাৰ্যপন্থা হাতত লোৱা হৈছিল। শ্ৰমিকৰ ধৰ্মঘট, কৃষকৰ আন্দোলন আদি সংগঠিত হৈছিল। চৰকাৰী আইন অমান্য, শ্ৰমিকৰ ধৰ্মঘট, কৃষকৰ বিদ্ৰোহ আদিৰ দৰেই 'জঙ্গী' আন্দোলন গঢ়ি তোলাত কমিউনিষ্ট সকলে সক্ৰিয়ভাৱে আত্মনিয়োগ কৰিছিল। কেন্দ্ৰত আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে আৰু তাৰ অৱসান ঘটাবৰ কাৰণে আন্দোলনৰ ডাক দিছিল। ১৯৪৮ চনত বম্বেত নিখিল ভাৰত 'ছাত্ৰ ফেডাৰেচনৰ' কামগাৰ ময়দানত সমাবেশেৰে সভা পাতিছিল। প্ৰথমদিনাৰ সভাত চৰকাৰৰ বিৰুদ্ধে আৰু এই চৰকাৰৰ অৱসানৰ কাৰণে জনসাধাৰণৰ লগতে ছাত্ৰ আন্দোলন গঢ়ি তুলিবলৈ ছাত্ৰ নেতাসকলে উদাত্ত আহ্বান জনাইছিল। সেই সভাত 'ছাত্ৰ ফেডাৰেচনৰ' নেতা অন্নদা শঙ্কৰ ভট্টাচাৰ্য, এ. বি. বৰ্দ্ধন, সত্যপাল ডাঙ্ আদি নেতাসকলে বক্তৃতা প্ৰদান কৰিছিল। ইয়াৰ পিছতেই চৰকাৰে ছাত্ৰ ফেডাৰেচনৰ সেই সন্মিলন ১৪৪ ধাৰা জাৰি কৰি পাতিবলৈ নিদিলে। পাৰ্টিৰ নিৰ্দেশত ছাত্ৰনেতা সকলে পিছদিনা সেই ঠাইতে ১৪৪ ধাৰা ভঙ্গ কৰি সভা পাতিবলৈ স্থিৰ কৰিলে আৰু তেনেদৰে সভা বহিল। চৰকাৰৰ তৰফৰ পৰা মেজিষ্ট্ৰেটৰ নেতৃত্বত অস্ত্ৰধাৰী পুলিচ আহি সভাস্থলীত সভা নিষেধাজ্ঞা থকা হুকুম শুনাই পাঁচ মিনিটৰ ভিতৰতে সভাস্থলী ত্যাগ কৰি সভা ভঙ্গ কৰাৰ আদেশ দিলে। ছাত্ৰ নেতাসকলে উত্তেজিত হৈ চৰকাৰৰ বিৰুদ্ধে ধ্বনি দি সভা চলাই যোৱাত সশস্ত্ৰ পুলিচ বাহিনীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰি লাঠি চালনা কৰিব ধৰিলে। কন্দুৱা গেছৰ প্ৰভাৱে মোকো প্ৰায় আধামৰা কৰিলে। কিন্তু তাৰ পৰা ৰেহাই পাবৰ কাৰণে কামগাৰ ময়দানৰ চাৰিওফালে শ্ৰমিকৰ ঘৰ বিলাকৰ পৰা বাল্টিয়ে বাল্টিয়ে পানী ঢালিবলৈ ধৰিলে। বহুতক টানি নি পানীৰ টেপৰ তলত ৰাখিলে। এই ভাৱেই সভা শেষ হ'ল। কিন্তু সেইদিনা সন্ধিয়া এক বিশেষ স্থানত তেতিয়াৰ কমিউনিষ্ট পাৰ্টিৰ সম্পাদক বি টি

ৰাণাদিভে বৰ্তমান পৰিস্থিতিত সমাজতান্ত্ৰিক বিপ্লৱৰ কাৰণে কাৰ্যপন্থা চলাই যোৱাৰ কাৰণে এক জ্বালাময়ী বক্তৃতা দিছিল। অসমৰ পৰা মই আৰু ফণী বৰা আদি কৰি এটা শকত দল সেই সন্মিলননৈ গৈছিলো। সেই লাঠী চালনাত আমাৰ কেইবাজনো প্ৰতিনিধিয়ে লাঠীৰ কোব খাইছিল। কোব খোৱা সকলৰ ভিতৰতে এগৰাকী আছিল শ্ৰীমতী হেম শইকীয়া।

সেই অভিজ্ঞতাৰে আমি জঙ্গী আন্দোলনৰ কাৰ্যসূচী লৈ অসমলৈ উভতি আহিলো আৰু অসমত সেইদৰে চৰকাৰ বিৰোধী আন্দোলন গঢ়ি তোলা হ'ল। ছাত্ৰসকলে শ্ৰমিক কৃষক সন্মিলিত হৈ চৰকাৰ-বিৰোধী আন্দোলন ঠায়ে ঠায়ে গঢ়ি তুলিলে। অসমৰ বেলতলা, তিতাবৰ, জাঁজী আদি কৃষক প্ৰধান অঞ্চলত 'নাঙল যাৰ—মাটি তাৰ ধ্বনি দি চৰকাৰী মাটি দখল কৰি তাত খেতি কৰাৰ আন্দোলন কৰা হৈছিল। ৰেল, টেলিগ্ৰাফ আদিত কাম কৰা শ্ৰমিক সকলৰ মাজত কমিউনিষ্ট সকলৰ যথেষ্ট প্ৰভাৱ আছিল। সেই সময়ত ৰেল, টেলিগ্ৰাফ আদিত ধৰ্ম্মঘট, সমদল আদি বাহিৰ হৈছিল। ইয়াৰ এক পৰিণতি আছিল ১৯৪৮ চনৰ নালিয়াপুলৰ গণনাট্য সন্মিলন। সেই সন্মিলনত ভাগ লোৱা শ্ৰমিক-কৃষকৰ ওপৰত পুলিচৰ নিৰ্ম্মম লাঠী চালনাৰ লগতে গুলি চালনাও হৈছিল। তিতাবৰৰ কৃষক-গাভৰু বীণা বৰা আৰু নালিয়াপুলৰ শ্ৰমিক ৰমণী — এই দুই গৰাকীয়ে পুলিচৰ গুলিত প্ৰাণ আহুতি দিলে। এই নালিয়াপুলতেই এজন দাৰোগাৰ মৃত্যু হৈছিল। চৰকাৰৰ দমন নীতিৰ উগ্ৰতা দেখি জ্যোতিপ্ৰসাদে এটা দীঘলীয়া বিবৃতি দি চৰকাৰৰ অত্যাচাৰৰ প্ৰতিবাদ জনাইছিল।

১৯৪৮ চনৰ শেষৰ ফালে কমিউনিষ্ট পাৰ্টি বে-আইনী ঘোষিত হ'ল আৰু মই পাৰ্টিৰ নিৰ্দেশত আত্মগোপন কৰিব লগা হ'ল সেই অৱস্থাৰ পৰাই ছাত্ৰ-আন্দোলনৰ পৰিচালনাত নেতৃত্বৰ ভূমিকা লওঁ। ১৯৪৮ চনত কটন কলেজত পঢ়া আৰু পৰীক্ষা দিয়া নহ'ল। ১৯৪৮ চনৰ পৰা আত্মগোপন কৰি থকা অৱস্থাত পুলিচৰ নজৰ এৰাই চলিবৰ কাৰণে বেলেগ বেলেগ ব্যৱস্থা লোৱা হৈছিল। কটন কলেজৰ ছাত্ৰসকলেই আমাক সেই সময়ত বহুতো সহায় সুবিধা কৰি আত্মগোপন অৱস্থাৰ পৰাই

আন্দোলন পৰিচালনা কৰাত সুবিধা আগবঢ়াইছিল।

মোৰ এই আত্মগোপন কালত বহুতো ৰোমাঞ্চিত ঘটনা ঘটিছিল। ১৯৪৯ চনত ফণী বৰা আৰু তেওঁৰ পত্নী হেনা বৰাও আত্মগোপন কৰি আছিল। নগাঁৱৰ কাছমাৰিত আমি তিনিওজনে সভাসমিতি কৰি আহি ৰাতি এঘৰ কৃষকৰ ঘৰত আশ্ৰয় লওঁ। গৃহস্থ সেইদিনা ঘৰত নাছিল। তেওঁৰ পৰিবাৰে তেওঁলোকৰ ঘৰৰ আগফালে থকা দোকানঘৰতে আমাক ৰাতিটো থাকিলৈ দিলে। কোনোবাই গোপনে পুলিচক খবৰ দিয়াত আমি আশ্ৰয় লোৱা ঘৰটো ৰাতি পুলিচে ঘেৰাও কৰি ধৰিলে। দুৱাৰ খুলি পুলিচ সোমাই আহি আমাক ওপৰলৈ হাত তুলিবলৈ ক'লে। আমিও সেইমতে কৰিলো। মোৰ পিন্ধনত এখন গামোছা আৰু মূৰতো এখন গামোছা। বোধহয় পুলিচে মোক চিনি নাপালে। ফণী বৰা আৰু হেনা বৰাক পুলিচে গ্ৰেপ্তাৰ কৰিলে। হেনা বৰা মহিলা কাৰণে তেওঁক খানাতালাচ কৰিবলৈ এগৰাকী মহিলাৰ প্ৰয়োজন হোৱাত মোক গৃহস্থ বুলি ভাবি মোৰ 'পত্নী'ক ভিতৰৰ পৰা মাতি আনিবলৈ ক'লে। মই সাউতকৰে গৈ গৃহস্থৰ থকা ঘৰটোৰ দুৱাৰত খুন্দিয়াই দিয়াত গৃহস্থিনীয়ে দুৱাৰ খুলি দিলে। গৃহস্থনীয়ে কথাটো গম পাই পিছ ফালৰ দুৱাৰেদি মোক পলাই যাবলৈ সুবিধা কৰি দিলে। মই পলাই গৈ মৰা-পাটনিত লুকাই থাকিলো। পিছত পুলিচে গম পাই হৈ চৈ লগালে যদিও মোক ধৰিব নোৱাৰিলে। ফণী বৰা আৰু তেওঁৰ পত্নী হেনা বৰাক পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গ'ল। সেই যাত্ৰাত মই সেই মহীয়সী নাৰী গৰাকীৰ সহায়ত সাৰি গ'লো। সেই মহিলা গৰাকীক এতিয়াও মই কৃতজ্ঞতাৰে সোঁৱৰো।

আৰু এবাৰ হয়বৰ গাঁও ৰেল ষ্টেচনত ৰেলত উঠাৰ সময়ত এজন পুলিচ গুপ্তচৰে মোক চিনিব পাৰি মোক ধৰিবলৈ পিছ ল'লে। ময়ো কথাটো গম পাই ৰেলত নুঠি অন্য এক ৰাস্তাইদি গাঁৱৰ ফালে খোজ ল'লো। গুপ্তচৰ জনেও মোক ধৰিবৰ বাবে মোৰ পিছে পিছে আহিল। তেনে অৱস্থাতে মই সোঁফালে পেণ্টৰ জেপত হাত সুমুৱাই বুঢ়া আঙুলিটো থিয় কৰি দিয়াত গুপ্তচৰ জনে মোৰ জেপত পিষ্টল থকা বুলি ভাবি উলটি দৌৰ মাৰিলে। সেই যাত্ৰাত মই তেনেকৈয়ে পুলিচৰ পৰা

সাৰিলো।

আৰু এবাৰ শিৱসাগৰ টাউনত পুলিচৰ নজৰত পৰিলো। পুলিচে মোক ধৰিবলৈ পিছ লোৱাত মই দৌৰি গৈ পলিটেক্‌নিক স্কুলৰ ল'ৰাৰ মাজত সোমাই পৰিলো। ছাত্ৰ সকলেও তেওঁলোকৰ মাজত সুমুৱাই লৈ পুলিচে ধৰিব নোৱৰাকৈ ৰাখিলে। মোৰ আত্মগোপন কৰা কালত এনে ধৰণৰ বহুতো ঘটনা ঘটিছিল।

মই আত্মগোপন অৱস্থাত জনসাধাৰণৰ বিভিন্ন আন্দোলনত জড়িত হৈ পৰিছিলো। তাৰে এটি জাঁজীৰ কৃষক আন্দোলন। মই জাঁজীৰ ভৱ দত্তৰ ঘৰত আত্মগোপন কৰিছিলো। তেনে অৱস্থাতেই কৃষকসকলে জকাইচুক গ্ৰেজিং ৰিজাৰ্ভ দখল কৰি ৰাইজে ধান খেতি কৰিছিল। ধান যেতিয়া গজি উঠিল কৃষকক সেই ৰিজাৰ্ভৰ পৰা উচ্ছেদ কৰিবলৈ পুলিচে হাতী লগাই শস্য নষ্ট কৰিবলৈ আৰম্ভ কৰিলে। কৃষকসকলেও হাতত লাঠী, দা লৈ জুইৰ জুমুঠিৰে সৈতে প্ৰতিৰোধ কৰিবলৈ আগবাঢ়ি গ'ল। ৰাইজৰ প্ৰতিৰোধৰ সন্মুখত হাতীৰে সৈতে পুলিচ আঁতৰি যাবলৈ বাধ্য হ'ল। এই জাগৰণত অজ্ঞাত হিচাবে থাকি কৃষকসকলক নেতৃত্ব দিছিলো।

কমিউনিষ্ট নেতা প্ৰমোদ গগৈয়ে মোক অলপতে জনালে যে ভৱ দত্তৰ মৃত্যু হৈছে। ভৱ দত্তক মই কৃতজ্ঞতাৰে সোঁৱৰিছো। এনে ধৰণৰ আত্মগোপন কালত শেষৰ ফালে ১৯৫১ চনত মই নগাঁৱৰ গেদাৰবৰীত সুভদ্ৰা শইকীয়াৰ খুড়াক শ্ৰদ্ধেয় প্ৰয়াত পোৱাল শইকীয়াৰ ঘৰত থাকিবলৈ লওঁ। পুলিচে গম পাই ১৯৫১ চনত ৰাতি ঘৰ ঘেৰাও কৰি মোক তাতে গ্ৰেপ্তাৰ কৰে আৰু পিছদিনা হাকিমৰ ওচৰত হাজিৰ কৰে।

হাকিমৰ ওচৰত বিমলা বৰা, মহী বৰা, যোগ সিং ছেত্ৰী আদি বিশিষ্ট উকীল সকল হাজিৰ হৈ মোৰ জেলজীৱনত যাতে বি ক্লাচ দিয়ে তাৰ বাবে অনুৰোধ কৰিলে। হাকিমে মই সেই সময়ত গ্ৰেজুৱেট নোহোৱা বুলি জানি বি ক্লাচ দিবলৈ ইতস্ততঃ কৰিলে আৰু কোনো ক্লাচ নিদি মোক গুৱাহাটীৰ জেললৈ প্ৰেৰণ কৰিলে।

গুৱাহাটী জেলত মোক এটা অন্ধকাৰ চে'লত আৱদ্ধ কৰি ৰাখিলে। মই জেলত বিভিন্ন চে'লত থকা নীলমণি বৰঠাকুৰ, অনিৰাম

বসুমতাৰী আৰু শৈলেন মেধিক লগ পাওঁ। মোক ধৰি দিওঁতা জনক ২৫০.০০ টকা পুৰস্কাৰ দিয়াৰ কথা ৰাজপত্ৰত ঘোষণা কৰিছিল। সেই একেখন ৰাজপত্ৰতেই বিষ্ণু ৰাভা আৰু অনিৰাম বসুমতাৰীকো ধৰাই দিয়া কেইজনক প্ৰত্যেককে ৫০০.০০ টকাকৈ পুৰস্কাৰ দিয়াৰ ঘোষণা কৰা হৈছিল। চেলত বন্ধ কৰি ৰখা জেলজীৱন অতি কষ্টকৰ আছিল। চেলৰ ভিতৰত এঢলীয়াকৈ সজা এখন কংক্ৰীটৰ খাট্ আছিল। তাতে এখন কম্বলৰ ওপৰত মই শুব লগা হৈছিল। শীতকালত গাত ল'বলৈ এখন কম্বল দিয়া হৈছিল। সেইভাৱে প্ৰায় দুমাহ কাল চেলতে আৱদ্ধ হৈ আছিলো। প্ৰচণ্ড শীততো সেই শিলৰ বিচনাত শুৱাৰ বাবে ঠাণ্ডা লাগি মোৰ ডবল নিউমোনিয়া হ'ল। চে'লৰ ভিতৰতে পেনিচিলিন্ ইন্‌জেকচন্ দি চিকিৎসা কৰাত ক্ৰমাৎ আৰোগ্য হ'লো যদিও বাওঁফালে বুকুত তাৰ এটা খুঁত বৈ গ'ল। নীলমণি বৰঠাকুৰ আৰু মোৰ বিচাৰ একেলগে জেলৰ ভিতৰতে হৈছিল আৰু আভ্যন্তৰীণ নিৰাপত্তা আইনত (Internal Security Act) মোক তিনিমাহ আৰু নীলমণি বৰঠাকুৰক এমাহ কাৰাদণ্ড দিয়ে। এই কাৰাবাসৰ পিছত আমাক 'চিকিঅ'ৰিটি প্ৰিজনাৰ' (Security Prisoner) হিচাবে গুৱাহাটী জেলত কিছুদিন ৰখাৰ পিছত নগাঁৱৰ স্পেচিয়েল জেললৈ স্থানান্তৰিত কৰিলে। পিছত কমিউনিষ্ট পাৰ্টিৰ ওপৰত থকা নিষেধাজ্ঞা চৰকাৰে উঠাই ল'লে আৰু আমি সেইদৰে ৬ মাহমান জেলত থাকি ১৯৫২ চনত মুক্তি পাওঁ।

(৯)

মই আত্মগোপন কৰি থকা অৱস্থাত বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ অভিজ্ঞতা লাভ কৰিছিলো। মই কেতিয়াবা কেতিয়াবা কৃষক প্ৰধান জনজাতীয় অঞ্চল বেলতলাতো থাকিব লগা হৈছিল। তাতেই কৃষক—নেতা কুল খুৰাক লগ পাওঁ। এসময়ত নীলমণি বৰঠাকুৰ আৰু মই, দুয়ো বেলতলাত থাকি কাম চলাইছিলো। খাদ্যৰ অসুবিধা হোৱাত এদিন বৰঠাকুৰ আৰু মই দুয়ো কুল খুড়াই সিজাই গৰম কৰি লৈ অহা সৰু সৰু

শামুক 'প্ৰোটিন্' হিচাবে খাই পেট ভৰাইছিলো। শামুক খোৱাত মই অভ্যস্ত নাছিলো। বৰঠাকুৰে দেখুৱাই দিলে যে শামুকটো দুয়োখন ওঁঠৰ মাজত ৰাখি শুহা মাৰি খাদ্য হিচাবে খাব পাৰি। সেই মতেই কাম হ'ল। তেনেকুৱা খাদ্যৰ জুতি আৰু দুটা তিনিটাৰ কথা মুখৰোচক হিচাবে উনুকিয়াব খুজিছো।

মোৰ আত্মগোপনৰ অৱস্থাতে ১৯৪৮-৫১ চনত ছাত্ৰ সংগঠন আৰু পাৰ্টিৰ শিৱসাগৰৰ বহুতো অঞ্চলত আত্মনিয়োগ কৰিছিলো। আমগুৰি, জাঁজী এইবিলাকৰ বাহিৰেও বকতাৰ নেমুগুৰিৰ নামৰ ঠাইতো পাৰ্টিৰ যথেষ্ট প্ৰভাৱ আছিল। আত্মগোপন অৱস্থাত সেই অঞ্চলত মই আন্দোলন আৰু সংগঠনৰ স্বাৰ্থত আত্মগোপন কৰিয়েই কাম কৰিব লগা হৈছিল। বকতা অঞ্চলটো মুগা চোমনিৰ কাৰণে বিখ্যাত। মুগা পলু বিলাকক খাদ্য হিচাবেও ব্যৱহাৰ কৰা হৈছিল। পিঁয়াজৰ নলাৰ লগত পলু বিলাক টুকুৰা-টুকুৰকৈ কাটি এক সুন্দৰ খাদ্য হিচাবে ময়ো তাক ভক্ষণ কৰিছিলো। তিতাবৰ বৰহোলা নামে ঠাইত বিশেষকৈ জনজাতি অঞ্চলত দেখিছিলো যে ঘৰৰ মুৰব্বীজনে সাপ্তাহিক বজাৰৰ পৰা মাছ আনি জুহালৰ ওপৰত, ডাঙৰ মাছ হ'লে আঁৰি দি আৰু সৰু মাছ হ'লে চালনীত দি শুকুৱাই খায়। এইদৰে প্ৰতিদিনে সৰু মাছবোৰ গোটে গোটে, ডাঙৰ মাছ হ'লে কাটি কাটি খায়। ময়ো তেনে মাছ বৰ তৃপ্তিৰে খাইছিলো।

এবাৰ ১৯৪৯ চনৰ শেষৰ ফালে ডিব্ৰুগড়ৰ পৰা কিছু দূৰৈত বৰবৰুৱাত এখন যুৱ সমাবেশ হৈছিল। সেই সমাবেশত জ্যোতিপ্ৰসাদ আগৰৱালাই সভাপতিত্ব কৰিছিল আৰু মই তাত ছাত্ৰনেতা হিচাবে অংশ গ্ৰহণ কৰিছিলো। গধূলি সময়ত সভা শেষ হ'ল। তেনেতে সংগঠনৰ কেইজনমানে খবৰ দিলেহি যে সেই ৰাতি সেই অঞ্চল পুলিচে ৰেইড্ (Raid) কৰিব আৰু আমাক গ্ৰেপ্তাৰ কৰাৰ আঁচনি আছে। তেনে অৱস্থাত আমি গাঁৱত থকাটো নিৰাপদ নহ'ব বুলি ভাবি নিৰাপত্তাৰ কাৰণে দিহিং নদীৰ ফালে যোৱাটোকে ঠিক কৰিলো। মোৰ লগত ডিব্ৰুগড়ৰ ছাত্ৰ আৰু পাৰ্টি-নেতা মদন বৰপূজাৰী আৰু 'আইপিটিএ'ৰ নেতা আৰু সংগঠক নগেন কাকতিও আছিল। আমি তিনিওজনে নদীৰ বালিৰ ফালে গধূলি

হোৱাৰ পাছত নিৰাপদ ঠাই বিচাৰি গ'লো। নদীৰ বালিতে ভেলাঘৰৰ দৰে এটা নৰাৰ ঘৰতে ৰাতিটো থকা ঠিক কৰিলো। কিন্তু খোৱা যায় কি? গাঁৱৰ পৰা খাদ্য আনিবলৈ যাবলৈ বা যোগাযোগ ৰখাত অসুবিধা। তেনে অৱস্থাত ভেলা ঘৰটোৰ ওচৰতে পৰি থকা এডাল কলগছ বখলিয়াই তাৰ পছলাটো উলিয়াই কাটি সিজাই লৈ তাকে আমি তিনিওজনে আহাৰ হিচাবে গ্ৰহণ কৰিলোঁ। এইদৰে বিভিন্ন সময়ত বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ খাদ্যৰ জুতিও লৈছিলো।

(১০)

ইতিমধ্যে আগতে উল্লেখ কৰা হৈছে যে পি, চি, যোশীৰ নেতৃত্বত পাৰ্টিৰ সোঁপন্থী বিচ্যুতি ঘটি জনসাধাৰণৰ মাজত সংস্কাৰবাদী ৰূপে সংগ্ৰামী চৰিত্ৰ হেৰুৱাই আন্দোলনত কমিউনিষ্টৰ নিজস্ব আৰু স্বতন্ত্ৰ সংগ্ৰামী কাৰ্যপন্থা আৰু আন্দোলন ভোটা হৈ পৰিল। ইয়াৰ বিপৰীতে বি টি ৰণদিভেৰ নেতৃত্বত বাওঁপন্থী বিচ্যুতিয়ে দেখা দিলে আৰু বাওঁপন্থীৰ বিচ্যুতিৰ ফলত পাৰ্টি জনগণৰ পৰা ক্ৰমাগত বিচ্ছিন্ন হ'বলৈ ধৰিলে।

বি টি ৰণদিভেৰ নেতৃত্বৰ পিছতে পাৰ্টিৰ নেতৃত্বত সাধাৰণ সম্পাদক হিচাবে ৰাজেশ্বৰ ৰাও আহিল। তেওঁৰ নেতৃত্বত সশস্ত্ৰ কৃষি বিপ্লৱৰ পথ পাৰ্টিয়ে গ্ৰহণ কৰিলে। অসমতো ইয়াৰ আখৰা চলিল। বেলতলা আদি ঠাইত সশস্ত্ৰ কৃষি বিপ্লৱৰ কুচ কাৱাজ আৰম্ভ হ'ল। ইয়াৰ প্ৰেৰণা মূলতঃ চীনৰ সশস্ত্ৰ কৃষি বিপ্লৱৰ পৰাই আহিছিল। পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে দিল্লীৰপৰা মেজৰ জয়পাল সিঙক অসমলৈ সশস্ত্ৰ ট্ৰেইনিঙৰ কাৰণে পঠালে। তেওঁ প্ৰথমতে আহি বীৰেশ মিশ্ৰ, কল্যাণী মিশ্ৰ আৰু আমি একেলগে থকা 'ডেনত' থাকিলহি। তালৈ মাজে মাজে ঊষা দত্তও আহে। মেজৰ জয়পাল সিং ওখ-পাখৰ সুঠাম দেহৰ এজন সুদৰ্শন পুৰুষ আছিল। পিছত তেওঁৰ লগতে ঊষা দত্তৰ বিয়া হয়। বেলতলাত স্থাপন কৰা সশস্ত্ৰ ট্ৰেইনিঙৰ চাৰ্জত কমৰেড্ নন্দেশ্বৰ তালুকদাৰ আছিল। বীৰেশ মিশ্ৰ অসমত পাৰ্টিৰ নেতৃত্বত আছিল। এনেবিলাক কাৰ্যপন্থাতো জনসাধাৰণৰ অংশগ্ৰহণৰ কাৰণে আমি সক্ৰিয়ভাৱে চেষ্টা চলাইছিলো।

(১১)

১৯৫৭ চনত এল. এল. বি পাছ কৰো। মই জেলৰ পৰা ওলোৱাৰ পিছত দলৰ সভ্য পদ নবীকৰণ কৰা নাছিলো। কোনো ৰাজনৈতিক দলৰ সভ্য হোৱাৰ পৰা আৰু সক্ৰিয় ৰাজনীতিৰপৰাও বিৰত থাকো। ১৯৫৮ চনৰ আগষ্ট মাহৰ প্ৰথম ভাগত এড্‌ভোকেট হ'বৰ কাৰণে সেই সময়ৰ প্ৰচলিত নিয়ম হিচাবে দুই বছৰ Article-ship কৰি Chamber Examination দিওঁ আৰু সেই পৰীক্ষা Full Court ত হৈছিল। তেতিয়া মুখ্য ন্যায়াধীশ সৰযুপ্ৰসাদ, ন্যায়াধীশ মেহৰোট্ৰা আৰু ন্যায়াধীশ হলিৰাম ডেকা আছিল।

১৯৫৭-৫৮ চনত দুবছৰৰ চুক্তিবদ্ধ হৈ ফখৰুদ্দিন আলী আহমেদৰ তলত Article-ship খাটো। কিন্তু তেখেতৰ তলত ডেৰ বছৰ প্ৰশিক্ষণ লোৱাৰ পিছত তেখেত অসম মন্ত্ৰীসভাত বিত্ত আৰু আইন মন্ত্ৰী হিচাবে যোগ দিয়াত তেখেতৰ তেতিয়াৰ কনিষ্ঠ (Junior) এড্‌ভোকেট মহেন্দ্ৰ চন্দ্ৰ পাঠকৰ (এখেত পিছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হৈ অৱসৰ গ্ৰহণ কৰে) তলত ছয়মাহ article-ship কৰো।

১৯৫৭ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সৰযু প্ৰসাদৰ পত্নীৰ বিয়োগ হয়। ফখৰুদ্দিন চাহাবে শ্বিলঙৰ পৰা মোক জনালে যে তেখেত মুখ্য ন্যায়াধীশৰ পত্নী বিয়োগত সমবেদনা জনাবলৈ আৰু মৃতকৰ দেহত পুষ্পাৰ্ঘ দিবলৈ আহি আছে আৰু মোক এতিয়াৰ ডিষ্ট্ৰিক জজ ক'ৰ্টৰ ওচৰত তেখেতৰ কাৰণে ৰৈ থাকিবলৈ ক'লে (তেতিয়া ডিষ্ট্ৰিক ক'ৰ্টৰ ঠাইত হাইক'ৰ্ট বহিছিল)। মই সেইমতে অপেক্ষা কৰি আছিলো। যথাসময়ত ফখৰুদ্দিন আলী আহমেদ চাহাব আহি পোৱাত মোকো তেওঁৰ লগত লৈ গ'ল। ময়ো তেখেতৰ পিছে পিছে গৈ মৃতকক শ্ৰদ্ধা আৰু সন্মান জনাবৰ কাৰণে শাৰী পাতি থকা লাইনত তেখেতৰ পিছে পিছে আগবাঢ়িলো। মৃতকৰ ওচৰ পোৱাত আলী চাহাবে তেখেতৰ চাপ্ৰাচীৰ পৰা ফুল লৈ মৃতকৰ গাত দিলে আৰু আগুৱাই গ'ল। মই

এতিয়া কি কৰো? মোৰ হাতত ফুল নাই। মোৰ পিছত থকা এজনৰ বাবে অনা চাপ্রাচীৰ হাতৰ ফুলকে লৈ মই শৰদেহত দিলো। পিছত গম পালো যে সেই ভদ্রলোকজন ন্যায়াধীশ ৰাম লাভায়া। সেই কথা জানি বহুত পৰলৈকে মোৰ গাৰ কঁপনি মাৰ যোৱা নাছিল।

১৯৫৮ চনৰ Chamber Examination ত মোক পাছ বুলি ঘোষণা কৰিলে আৰু ওকালতিৰ অনুজ্ঞাপত্র লৈ সেই চনৰে ১৮ আগষ্টত হাইকৰ্টৰ বাৰত যোগ দিওঁ। তেতিয়াৰ পৰা মোৰ এক নতুন জীৱন আৰম্ভ হ'ল। এইবাৰ আইনজীৱী হিচাবে। কিন্তু মোৰ জনসাধাৰণৰ লগত থকা সম্পৰ্কই প্ৰথম অৱস্থাত ওকালতি জীৱনত যথেষ্ট সহায় কৰিলে। এই সময়ৰ এড্‌ভোকেট ডম্বৰুধৰ পাঠক ডাঙৰীয়াই মোক উৎসাহ দি এড্‌ভোকেটে ল'ব লগা ডিঙিৰ 'বেণ্ড' ডাল বান্ধি দিলে আৰু তেখেতে এটা মাটি মহনিলাম যোৱা মোকৰ্দমা ৰাজহ বোৰ্ডৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত বিচাৰৰ কাৰণে দিলে। মই প্ৰথম 'এমিকাচ কিউৰি' হিচাপে এটা হত্যাৰ গোচৰত আচামীৰ পক্ষে উচ্চ ন্যায়ালয়ত নিযুক্ত হওঁ। আচামী কেইজন ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত দণ্ডিত হৈ যাবজ্জীৱন কাৰাদণ্ডৰ হুকুম হয়। তেওঁলোকে জেলৰ পৰা উচ্চ ন্যায়ালয়ত আপিল কৰিছিল। উচ্চ ন্যায়ালয়ত তেওঁলোকৰ আপিলৰ শুনানিৰ কাৰণে গ্ৰহণ কৰি enhancement rule দিলে। বিচাৰক সকল আছিল মুখ্য ন্যায়াধীশ সৰযু প্ৰসাদ আৰু ন্যায়াধীশ মেহেৰোট্ৰা। চৰকাৰী পক্ষৰ উকিল আছিল ৰজনী গোস্বামীদেৱ। সেই গোচৰত enhancement rule issue কৰাৰ অৰ্থটো হ'ল— যাবজ্জীৱন কাৰাদণ্ডৰ পৰা কি কাৰণে প্ৰাণদণ্ড দিয়া নহ'ব তাৰ কাৰণ দৰ্শোৱা। মই যথেষ্ট কষ্ট কৰি গোচৰটোৰ অভিযুক্ত আচামীৰ পক্ষে থকা যুক্তিবোৰ (Points) দাঙি ধৰিছিলো। গোচৰত সেই আচামী বিলাকৰ বিৰুদ্ধে থকা যাবজ্জীৱন কাৰাদণ্ডৰ হুকুম বাহাল থাকে; কিন্তু প্ৰাণদণ্ডৰ কাৰণে দিয়া enhancement rule discharge হয়। ইয়াৰ পিছৰ পৰা মোৰ আইনজীৱী জীৱনত এক অবিৰাম যাত্ৰা আৰম্ভ হ'ল আৰু লক্ষ্মীৰ কৃপাদৃষ্টিও মোৰ ওপৰত পৰিল। ১৯৫৮ চনৰ ১৮ আগষ্টত মই ওকালতি আৰম্ভ কৰি এই সুদীৰ্ঘ কাল শক্তি আৰু অৰ্হতা অনুসৰি আইনৰ

সেৱা কৰি আহিছো।

মোৰ ওকালতি কালত বহুকেইজন অধিবক্তাই জুনিয়ৰ হিচাবে সহায় কৰিছিল। তাৰে কেইজনমানৰ কথাহে ইয়াত উল্লেখ কৰিছো। ষঠি দশকৰ কথা। মই সাধাৰণতে জজৰ পুথিভঁড়ালত অধ্যয়নৰ কাৰণে যাওঁ। তাতে এজন যুৱকে অতি মনোযোগেৰে আৰু নিষ্ঠাৰে সৈতে কাম কৰি থকা দেখো। তেওঁৰ নাম দিলীপ চলিহা। এদিন মই তেওঁক সুধিলো— 'তুমি ল' ডিগ্ৰী ল'লানে? তেওঁ ল' পাছ কৰি তাতে কাম কৰি আছো বুলি ক'লে। তেওঁৰ স্বাভাৱ আৰু ব্যৱহাৰ পাতিয়ে মোক আকৰ্ষিত কৰিলে। মই তেওঁক চাকৰি এৰি মোৰ চেম্বাৰত এড্‌ভোকেট হিচাবে কাম কৰাৰ প্ৰস্তাৱ দিলো। তেওঁ সেই প্ৰস্তাৱ গ্ৰহণ কৰি চাকৰি এৰি আমাৰ চেম্বাৰত যোগ দিলেহি। সেইদিন ধৰি অবিৰামভাৱে তেওঁ ওকালতিত সৰ্বতোপ্ৰকাৰে সহযোগ কৰিছিল। তেওঁ অমায়িক ব্যৱহাৰ আৰু আন্তৰিকতাৰে দায়িত্ব পালন কৰিছিল আৰু প্ৰায় ১২ বছৰ কাল আমি একেলগে কাম কৰিছিলো। পিছত তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ত এজন জ্যেষ্ঠ অধিবক্তা হয়। তেওঁ মিজোৰাম চৰকাৰৰ এড্‌ভোকেট জেনেৰেল হিচাবে কাম কৰিছিল।

চলিহাৰ পৰিয়ালে সমাজৰ প্ৰতি বিভিন্ন ধৰণে সেৱা কৰি আহিছে। দিলীপ চলিহাৰ ককায়েক ধ্ৰুৱপ্ৰসাদ চলিহাই প্ৰায় দহ হেজাৰমান মৃত ব্যক্তিক সৎকাৰ কৰি গুৱাহাটী কপ'ৰেচনৰ পৰা শ্মশান বন্ধু উপাধিৰে সন্মানিত হয়। দিলীপ চলিহাও এজন সমাজ সেৱক আৰু পৰোপকাৰী ব্যক্তি। মোৰ পৰিবাৰৰ কিড্‌নি অপাৰেচনৰ সময়ত তেজ দিবলগীয়া হোৱাত তেওঁৰ লগত তেজৰ গ্ৰুপ মিলাত (AB group) তেওঁ স্ব-ইচ্ছাৰে ৰক্তদান কৰিছিল। তেওঁৰ সেই মহৎ কামৰ কথা মই এতিয়াও আন্তৰিকতাৰে সোঁৱৰো।

আৰু এজন মোৰ জুনিয়ৰ অধিবক্তা আছিল শ্ৰীবাসুদেৱ আগৰৱালা। তেওঁ বৰ্তমান চেছন আৰু ডিষ্ট্ৰিক জজ। তেওঁ বৰ পৰিশ্ৰমী আৰু জ্ঞান অৰ্জনত আগ্ৰহী আছিল। আইন-আলোচনী বিলাকত তেওঁ তত্ত্বগধুৰ প্ৰবন্ধ লিখিছিল। তেওঁ মোৰ লগত কেইবাবছৰো কাম কৰিছিল।

মোৰ লগত কাম কৰা আন এজন জুনিয়ৰ আছিল লিয়াকৎ আলী। তেওঁ বৰ্তমান সদৰ মহকুমাৰ ন্যায়িক দণ্ডাদীশ (SDJM) । মোৰ ওকালতি জীৱনত তেওঁলোকৰ বৰঙণি সদায় স্মৰণীয়।

সকলো ক্ষেত্ৰতেই মই ওকালতি কৰিছিলো। বিশেষভাৱে এসময়ত মাছৰ মহল, মদৰমহল আৰু মটৰ গাড়ী (Fish, Excise and Transport) এই তিনিটা ক্ষেত্ৰত মোৰ মোকৰ্দমাবোৰ বিস্তৃতভাৱে আছিল। ইয়েই মোক প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছিল। এসময়ত উচ্চ ন্যায়ালয়ত মোৰেই বোধকৰো মাছৰ মহলৰ কে'চ অধিক আছিল। মোৰ মনত পৰে গোলাপ বৰবৰা ডাঙৰীয়াই মুখ্য মন্ত্ৰীৰ কালত এদিন মোক মাতি নি এইবুলি ক'লে যে মদৰ মহলৰ একচেটিয়া ব্যৱসায় ভাঙি দি প্ৰকৃত অসমীয়া নিৱনুৱা যুৱকক মদৰ মহল পট্টন দিয়া হৈছে। একচেটিয়া চক্ৰটো প্ৰভাৱশালী আৰু আৰ্থিকভাৱে সবল। মই অসমীয়া যুৱকসকলৰ পক্ষে আদালতত থাকি একচেটিয়া মদৰ ব্যৱসায় বন্ধ হোৱাত সহায় কৰিব লাগে। সেই মতেই মই কাম কৰিলো।

১৯৮৩ চনত অসমত নিৰ্বাচন অনুষ্ঠিত হয় আৰু নিৰ্বাচনৰ ফলশ্ৰুতিত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ মুখ্যমন্ত্ৰিত্বত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হয়। ১৯৮৪ চনৰ ৬ ডিচেম্বৰৰ চৰকাৰী জাননী যোগে মই এড্‌ভোকেট জেনেৰেলৰ নিযুক্তি পাওঁ। ইয়াৰ পিছত ১৯৯৩ চনৰ ২১ জানুৱাৰীৰ জাননী মতে মই দ্বিতীয়বাৰৰ কাৰণে এড্‌ভোকেট জেনেৰেল হওঁ। ১৯৬৯ চনৰ পৰাই মই কেইবাবছৰৰ কাৰণে ৰাজ্যিক বাৰ কাউন্সিললৈ নিৰ্বাচিত হওঁ আৰু ১৯৮৪ চনৰ ২৮ এপ্ৰিলৰ বাৰ কাউন্সিলৰ সভাত চেয়াৰমেন হিচাবে মোক নিৰ্বাচিত কৰে। এইদৰে বিভিন্ন পদবীত থাকি দায়িত্ব পালন কৰিছিলো।

মোৰ আইনজীৱী কালত বহুতো উল্লেখযোগ্য কেচত অংশ লোৱা মনত আছে। প্ৰথম অৱস্থাত এটা কে'চ নগাঁৱৰ আমবাগানৰ পৰা পাওঁ। আচামীৰ নাম আছিল আব্দুল। সি সিন্ধি দি এঘৰ মানুহৰ ঘৰৰ ভিতৰত সোমাই কিছু ভাত, ৰুটি, বাচন-বৰ্তন কাপোৰ আদি বস্তাত ভৰাই লৈ আহোতে গাওঁ ৰক্ষী বাহিনীৰ হাতত ধৰা পৰে। বিচাৰত তাৰ তিনিমাহ

জেল আৰু জৰিমনা হয়। সেই কে'চ উচ্চ ন্যায়ালয়ে ৰেকৰ্ড তলব কৰি অতি সোনকালে তাৰ শুনানি লৈ ক'টে জেলত থকা সময়খিনিক ধৰি তাক মুকলি কৰি দিয়ে। সেই কে'চটো আছিল এটা দৰিদ্ৰতাৰ উদাহৰণ। সি জেলৰ পৰা আহি মোক ক'লে যে, 'সেই কেইটা দিন সি জেলতে পেটভৰাই খাই আছিল। এতিয়া কি হ'ব?' মই তাক নিজৰ কৰ্মশক্তিৰ ওপৰত বিশ্বাস ৰাখি দুয়োখন হাত সক্ৰিয় কৰি স্ব-নিৰ্ভৰশীল হ'বলৈ উপদেশ দি পঠাই দিলো।

আন এটা উল্লেখনীয় উদাহৰণ মনত আছে। নগাঁৱৰ চহৰীয়া পাম সেই সময়ত ফৌজদাৰী গোচৰৰ আবহাওৱা থকা ঠাই। মই এই কে'চত আচামী বিলাকৰ ফালে আছিলো। সেই কে'চতে আৰু এটা সংলগ্ন কে'চ আছিল। দুয়োটা কে'চতে আচামী বিলাক খুনী কে'চত অভিযুক্ত। দুয়োটা কে'চৰ যেতিয়া একেলগে শুনানি হ'ল তেতিয়া দেখিলো যে এজন অভিযুক্ত দণ্ডিত আচামী দুয়োটা কে'চতে আছে। তাৰ নাম আছিল বোধহয় জব্বৰ। মই সেইকথা জানিব বিচৰাত চহৰীয়া পামৰ পৰা অহা মানুহ কেইজনে ক'লে যে তাত মানুহ হত্যা কৰিবলৈ ভাড়াত পোৱা যায়। যিজন দুয়োটা কে'চৰে উমৈহতীয়া আচামী তাক দুয়োটা কে'চতে দুয়োপক্ষই ভাড়া কৰিছিল।

এটা উল্লেখযোগ্য ফৌজদাৰী গোচৰৰ আপীলত হাইক'ৰ্টত মইও জড়িত আছিলো। জ্যেষ্ঠ অধিবক্তা আছিল কিৰণময় লাহিড়ী। হাচু শ্বেখ নামৰ এজন দুৰ্দান্ত লোক কামপুৰ কচুৱাৰ এটা লোমহৰ্ষক হত্যাকাণ্ডৰ আচামী আছিল। কচুৱা তিনিআলিত মাষ্টৰ নামৰ এজন মানুহক তেওঁ পিষ্টলেৰে গুলীয়াই দিন দুপৰতে হত্যা কৰিছিল। নগাঁও চেছন আদালতত জিলা ন্যায়াধীশে বিচাৰত দোষী সাব্যস্ত কৰি তেওঁক প্ৰাণদণ্ডৰ আদেশ দিলে আৰু উচ্চ ন্যায়ালয়লৈ অনুমোদনৰ কাৰণে প্ৰেৰণ কৰিলে। হাচু শ্বেখেও তেওঁৰ বিৰুদ্ধে দিয়া দণ্ডৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আপীল কৰিলে। হাচু শ্বেখৰ পক্ষে ওকালতি কৰিছিলো মই আৰু জ্যেষ্ঠ অধিবক্তা কিৰণময় লাহিড়ীয়ে। খণ্ড আদালতত ন্যায়াধীশ আছিল মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ন্যায়াধীশ ডি, এম, সেন। কে'চৰ সাক্ষীবাদীৰ উপৰিও পোষ্টমৰ্টেম

ৰিপৰ্টটো পৰীক্ষা কৰি দেখা গ'ল যে হাচু শ্বেখে ওচৰৰ পৰা পিষ্টলৰ গুলিৰে হত্যা কৰাৰ চিন হিচাবে গুলিটো বুকুৰেদি সোমাই যোৱাৰ এটা ফুটা আছিল। কিন্তু সেই গুলীটো ওলাই যোৱাৰ কোনো চিন পোৱা নগ'ল আৰু ভিতৰতো সেই গুলীটো পোৱা নগ'ল। পষ্ট মৰ্টেম ৰিৰ্পটৰ এই বিসঙ্গতিৰ কাৰণেই হাচু শ্বেখে খালাচ পালে। কিন্তু কিছুদিনৰ পিছত বিৰোধী সকলে থানালৈ মাতিছে বুলি মাতি আনি থানালৈ যোৱাৰ পথত তাক মাৰি পেলালে।

মোৰ ওকালতি জীৱনৰ বাওঁপন্থী নেতা আৰু কৰ্মীসকলৰ ভালেমানৰ বিৰুদ্ধে থকা গোচৰত জড়িত হৈছিলো। ইয়াৰ ভিতৰত কমৰেড্ হেমেন দাস, ব্ৰজ শৰ্মা, নিৰঞ্জন তালুকদাৰ ইত্যাদি বহু কেইজনৰ কে'চত তেওঁলোকৰ হৈ ওকালতি কৰিছিলো আৰু কে'চ বিলাকত কৃতকাৰ্যও হৈছিলো।

ওকালতি জীৱনত বহুতো বৈশিষ্ট্যপূৰ্ণ মোকৰ্দমাত মই জড়িত হৈছিলো। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য কে'চৰ কথা উল্লেখ কৰা হ'ল। মোৰ ওকালতি জীৱনত শুভাকাঙ্খী হিচাবে সহায় আগবঢ়োৱা কামপুৰৰ তিনিজন মানুহৰ নাম উল্লেখ কৰিব লাগিব। তেওঁলোক হ'ল— যজ্ঞেশ্বৰ বৰা, ৰাকেশ ৰয় আৰু কৃষ্ণ গোস্বামী। তেওঁলোক আটাইকেইজনেই বৰ্তমান জীৱিত নাই। কৃষ্ণ গোস্বামী কামপুৰ মৌজাৰ মৌজাদাৰ থকাৰ উপৰিও এসময়ৰ সাংসদ কামপুৰৰ উদীয়মান যুৱক নৃপেন গোস্বামীৰ দেউতাক। যজ্ঞেশ্বৰ বৰা সেই অঞ্চলৰ এজন বিশিষ্ট সমাজসেৱক। ৰাকেশ ৰয়ো সেই অঞ্চলৰে এজন গণ্য-মান্য লোক। যজ্ঞেশ্বৰ বৰাৰ এটা কে'চত মই তেওঁৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰিছিলো। কেচ'টো আছিল এনে ধৰণৰ— যজ্ঞেশ্বৰ বৰা চৰকাৰী গড়কাপ্তানি বিভাগৰ ৰেজিষ্টাৰভুক্ত এজন দ্বিতীয় শ্ৰেণীৰ ঠিকাদাৰ। তেওঁৰ এটা ঠিকাৰ কাম চলি আছিল। তেনে সময়তে তেওঁ কামপুৰ গাঁও পঞ্চায়তৰ পৰা নগাঁও মহকুমা পৰিষদৰ কাউন্সিলৰৰ (সভ্যৰ) কাৰণে মনোনয়ন পত্ৰ দাখিল কৰিছিল। যজ্ঞেশ্বৰ বৰাৰ মনোনয়ন পত্ৰ ৰিটাৰ্ণিং অফিচাৰে নাকচ কৰিলে। কাৰণ হিচাবে তেওঁ চৰকাৰী ঠিকা

কৰিছিল। নাকচৰ হুকুমৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন কৰা হয়। তেনে ধৰণৰ আৰু কেইটামান কে'চো উচ্চ ন্যায়ালয়ত দাখিল হৈছিল। সকলোবোৰ কে'চৰ একেলগে শুনানি ল'লে। যজ্ঞেশ্বৰ বৰাৰ কে'চত উচ্চ ন্যায়ালয়ে সেই সময়ৰ পঞ্চায়তীৰাজ আইনৰ বিভিন্ন ধাৰা আৰু অন্যান্য সংশ্লিষ্ট আইনবোৰ পৰীক্ষা কৰি এই বুলি ৰায় দিয়ে যে যজ্ঞেশ্বৰ বৰা ঠিকাদাৰ হিচাবে কোনো বেতনধাৰী পদত (office of profit) নাছিল। সেই কাৰণে তেওঁৰ মনোনয়ন নাকচ কৰাটো অবৈধ আৰু ৰিটাৰ্ণিং অফিচাৰে মনোনয়ন পত্ৰ নাকচ কৰা হুকুমটো বাতিল কৰি পুনৰ বিবেচনাৰ কাৰণে হাইক'ৰ্টে পঠাই দিলে। ইয়াৰ পাছত যজ্ঞেশ্বৰ বৰাৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয় আৰু তেওঁ কামপুৰ গাঁও পঞ্চায়তৰ পৰা নগাঁও মহকুমা পৰিষদৰ কাউন্সিলৰ হিচাবে নিৰ্বাচিত হয়।

মনত থকা আৰু দুটা কে'চৰ কথা উল্লেখ কৰিব খুজিছো। কামপুৰৰ নৃপেন গোস্বামী কটন কলেজৰ ইউনিয়ন চেক্ৰেটেৰি আছিল। বি. এ ৰ পাছত তেওঁ স্নাতকোত্তৰ শ্ৰেণীত নাম লগায় আৰু স্নাতকোত্তৰ ছাত্ৰ ইউনিয়নৰ সম্পাদক আছিল। তেওঁ সাহসী আৰু সক্ৰিয় ছাত্ৰ-নেতা হিচাবে জনাজাত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° টেইলৰ চাহাবৰ ওচৰত ছাত্ৰসকলৰ অভাৱ-অভিযোগ লৈ সঁৰ্জাতী দল যাওঁতে টেইলৰ চাহাবক বেয়া ধৰণে অপদস্থ কৰা বুলি আৰু অশালীন ব্যৱহাৰ কৰাৰ অভিযোগত অভিযুক্ত হয় আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেওঁৰ বি এ ডিগ্ৰীটো কাটি দিয়ে। নৃপেন গোস্বামীৰ হৈ মই জ্যেষ্ঠ অধিবক্তা মিঃ এচ্ কে ঘোষৰ সৈতে উচ্চ ন্যায়ালয়ত স্নাতক ডিগ্ৰী কটাৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনালোঁ। শুনানিৰ পিছত উচ্চ ন্যায়ালয়ে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই নৃপেনৰ ওপৰত একপক্ষীয়ভাৱে শাস্তিমূলক ব্যৱস্থা হিচাবে স্নাতক ডিগ্ৰী উঠাই লোৱা হুকুম বাতিল কৰি দিয়ে। উচ্চ ন্যায়ালয়ৰ ৰায়ত কোৱা হৈছিল যে নৃপেনক কোনো আত্মপক্ষ সমৰ্থনৰ সুবিধা নিদিয়াকৈ এক তৰপীয়া হুকুম দিয়াটো নৈসৰ্গিক ন্যায়ৰ (Natural Justice) পৰিপন্থী। নৃপেন গোস্বামীয়ে এসময়ত 'পূৰ্বাঞ্চলীয় লোক পৰিষদ'ত থাকি অসম আন্দোলনৰ সময়ত জেল খাটিবলগীয়া হয় আৰু পিছত মুক্তিলাভ কৰি

কংগ্ৰেছত যোগ দিয়ে। তেওঁ আঢ়ৈ বছৰমান সময়ৰ কাৰণে নগাঁৱৰ পৰা সাংসদ নিৰ্বচিত হৈছিল। অকালতে তেওঁৰ দুৰাৰোগ্য কৰ্কট ৰোগত মৃত্যু হ'ল।

চুলতান মামুদ, আলোক ৰয় আৰু জ্যোতি বৰুৱা এই তিনিজন ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ৰ তিনিবছৰীয়া পাঠ্যক্ৰমৰ পৰীক্ষা দিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগত তিনিবছৰীয়া পাঠ্যক্ৰমত দুটা ভাগত পৰীক্ষা দিব লাগিছিল। সেই ছাত্ৰ কেইজনে প্ৰথম আৰু দ্বিতীয় ভাগৰ পৰীক্ষা দিছিল আৰু দ্বিতীয় ভাগৰ পৰীক্ষাত (Part II) গড়ে শতকৰা ৪০ নম্বৰৰ ওপৰ পাইছিল। কিন্তু বিশ্ববিদ্যালয়ে প্ৰথম আৰু দ্বিতীয় ভাগৰ দুয়োটা পৰীক্ষাৰে নম্বৰ সামূহিক হিচাপে গড়ে শতকৰা ৪০ নম্বৰ নোহোৱাত তেওঁলোকক স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি ঘোষণা নকৰিলে। বিশ্ববিদ্যালয়ৰ সেই সিদ্ধান্তৰ বিৰুদ্ধে তেওঁলোকে উচ্চ ন্যায়ালয়ত লেখ আবেদন কৰিলে। মই সেই কে'চত ছাত্ৰ কেইজনৰ সপক্ষে আছিলো আৰু মোৰ জ্যেষ্ঠ অধিবক্তা হিচাবে আছিল মিঃ এচ কে ঘোষ। সেই কে'চটো ন্যায়াধীশ নাইডুৰ আদালতত হৈছিল। আদালতে দ্বিতীয় ভাগৰ পৰীক্ষাত ছাত্ৰকেইজনে বিষয়বিলাকত শতকৰা ৪০ নম্বৰৰ ওপৰ পোৱাত ৰেগুলেচন আঠৰ (Regulation ৮) ব্যাখ্যা দি বিশ্ববিদ্যালয়ৰ হুকুম বাতিল কৰি তেওঁলোক ডিগ্ৰী পোৱাৰ উপযুক্ত বুলি বিবেচনা কৰিলে আৰু বিশ্ববিদ্যালয়ক উত্তীৰ্ণ হোৱা বুলি ঘোষণা কৰিবলৈ নিৰ্দেশ দিলে। সেই হুকুমৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিবলৈ বিশ্ববিদ্যালয়ে উচ্চ ন্যায়ালয়লৈ অনুমোদনৰ কাৰণে দৰ্খাস্ত দিয়ে। কিন্তু বিশ্ববিদ্যালয়ৰ অনুমতিৰ কাৰণে দৰ্খাস্ত বিবেচনা কৰি ৰায় দিয়াৰ আগতে বিশ্ববিদ্যালয়ে তিনিওজন ছাত্ৰকে স্নাতক পৰীক্ষাত উত্তীৰ্ণ বুলি ঘোষণা কৰি জাননী জাৰি কৰিবলৈ বাধ্য হয়। পিছত অনুমতিৰ কাৰণে দিয়া দৰ্খাস্ত খাৰিজ হোৱাত বিশ্ববিদ্যালয়ে উচ্চতম ন্যায়ালত আবেদন কৰে। ছাত্ৰসকলে সেই সময়ত এজন নামজ্বলা এড্‌ভোকেট্ মিঃ এন চি চেটাৰ্জীক তেওঁলোকৰ হৈ উচ্চতম ন্যায়লয়ত ওকালতি কৰিবলৈ অনুৰোধ কৰাত মিঃ এন চি চেটাৰ্জীয়ে প্ৰায় বিনা ফিজতে উচ্চতম

ন্যায়ালয়ত তেওঁলোকৰ হৈ ওকালতি কৰে।

উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হুকুম বাতিল কৰে আৰু ৰেগুলেচন আঠৰ (Regulation 8) ব্যাখ্যা দাঙি ধৰি এইবুলি কয় যে— প্ৰথম আৰু দ্বিতীয় ভাগৰ পৰীক্ষাত (Part I & Part II) সমূহিকভাৱে শতকৰা ৪০ নম্বৰ পাব লাগিব। প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ মিলিহে বি কম্ (B.Com) পৰীক্ষা হয়। সেই কাৰণে উচ্চ ন্যায়ালয়ে কেৱল দ্বিতীয় ভাগত শতকৰা ৪০ নম্বৰ পোৱাটো ধৰি উত্তীৰ্ণ হোৱা বুলি উচ্চ ন্যায়ালয়ে দিয়া ৰায় ভুল বুলি বাতিল কৰে। কিন্তু যিহেতু বিশ্ববিদ্যালয়ে তেওঁলোকক বি কম পৰীক্ষাত উত্তীৰ্ণ বুলি ইতিমধ্যে ঘোষণা কৰিলে সেইকাৰণে তেওঁলোকৰ ডিগ্ৰীটো বাহাল ৰাখিলে। (Vide 1996 S.C.N of 8 page–247 No –274)

১৯৮৩ চনত অসমত বিদেশী খেদা আন্দোলন চলি থকা অৱস্থাতে অসমত সাধাৰণ নিৰ্বাচন হয়। সেই নিৰ্বাচনত আছুৱে (AASU) সৰ্বাত্মক বিৰোধিতা কৰে। সেই সাধাৰণ নিৰ্বাচনত জনসাধাৰণৰ অংশ গ্ৰহণো সীমিত আছিল। প্ৰায় শতকৰা ২৮ ভাগ ভোটাৰেহে ভোট প্ৰদান কৰিছিল। কোনো ক্ষেত্ৰত পাঁচ শতাংশহে আছিল। এই নিৰ্বাচনত কংগ্ৰেছী প্ৰাৰ্থীসকলেই বেছিভাগতে জয় লাভ কৰি হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত মন্ত্ৰীসভা গঠন কৰে আৰু তেওঁৰ মুখ্য মন্ত্ৰিত্বৰ কালতে মোক ১৯৮৪ চনত এড্‌ভোকেট জেনেৰেল নিযুক্তি দিয়ে।

ভালেকেইজন নাগৰিকে সেই নিৰ্বাচন অবৈধ বুলি দাবী কৰে আৰু ১৯৭৯ চনৰ ভোটাৰ লিষ্টখন সংশোধন নকৰাকৈ তাৰ ভিত্তিতে ১৯৮৩ চনৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বিৰুদ্ধে হাইকৰ্টত গোচৰ তৰে। বহুকেইজন ব্যক্তিৰ ভিতৰতে ইন্দ্ৰজিৎ বৰুৱাও এজন আবেদনকাৰী আছিল আৰু তেওঁৰ নামতেই এই সংক্ৰান্তীয় কে'চবিলাক প্ৰকাশ হৈছিল। (Vide AIR 1984 SC Page 199 and AIR 1986 SC Page 103)।

দৰাচলতে চাবলৈ গ'লে এই নিৰ্বাচনত যিহেতু কমসংখ্যক ভোটাৰেহে অংশ গ্ৰহণ কৰিছিল সেই কাৰণে এই নিৰ্বাচনৰ যুক্তিযুক্ততা আৰু বৈধতা সম্পৰ্কে আবেদনকাৰী সকলে প্ৰশ্ন তুলিছিল। উচ্চতম

ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা নিৰ্বাচন সম্পৰ্কীয় সকলো গোচৰ উচ্চতম ন্যায়ালয়লৈ বিচাৰৰ কাৰণে স্থানান্তৰিত কৰিলে। সকলো পক্ষৰ তৰফৰপৰা বিশদভাৱে শুনানি লোৱাৰ পিছত ১৯৮৪ চনৰ ২৮ চেপ্টেম্বৰত উচ্চতম ন্যায়ালয়ে সংক্ষিপ্তভাৱে ৰায় দান কৰে (Vide AIR 1984 Sc 199) আৰু পিছত ইয়াৰ বিশদ আলোচনাসহ ৰায়টো প্ৰকাশ কৰে (Vide AIR 1986 Sc Page 103)। উচ্চতম ন্যায়ালয়ে হুকুমত এই বুলি কয় যে যিহেতু সংবিধানৰ ৩২৯ ধাৰা মতে নিৰ্বাচনৰ বৈধতা জনপ্ৰতিনিধি আইনৰ ৮১ ধাৰা অনুসৰি আপীলতহে গ্ৰহণযোগ্য আৰু তেনে নকৰিলে অন্যভাৱে নিৰ্বাচনৰ বৈধতা সম্পৰ্কে বাধা আৰোপ কৰা আছে— সেই অৰ্থত লেখ আবেদন সমূহ গ্ৰহণযোগ্য নহয়। ১৯৭৯ চনৰ ভোটাৰ লিষ্টৰ ওপৰত নিৰ্বাচন অনুষ্ঠিত হোৱাত সেই ভোটাৰ লিষ্ট পুনৰ সংশোধন নকৰা পৰ্যন্ত গ্ৰাহ্য হ'ব। উপৰোক্ত কাৰণত নিৰ্বাচন প্ৰত্যাহ্বান কৰা দৰ্খাস্তসমূহ খাৰিজ কৰা হ'ল। কিন্তু নিৰ্বাচন আয়োগে ভোটাৰ লিষ্ট পুনৰীক্ষণ কৰিব বুলি উচ্চতম ন্যায়ালয়ত ব্যক্ত কৰে। এইভাৱে ১৯৮৩ চনৰ নিৰ্বাচন সম্পৰ্কীয় মোকৰ্দমাত মই অসমৰ এড্‌ভোকেট জেনেৰেল হিচাবে অসম চৰকাৰৰ হৈ অংশ লওঁ আৰু চৰকাৰৰ পক্ষে সেই ৰায় ঘোষিত হয়।

১৯৮৩ চনত অসম আন্দোলনৰ সময়ত সমগ্ৰ অসমতে যিবিলাক ঘটনা বা দুৰ্ঘটনা ঘটিল আৰু তেনে পৰিস্থিতি কিয় হ'বলৈ পালে এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে এটি তদন্ত আয়োগ গঠন কৰে। সেই তদন্ত আয়োগৰ অধীক্ষক আছিল সেই সময়ৰ উত্তৰ প্ৰদেশৰ চীফ চেক্ৰেটেৰি আৰু পিছত পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ (Vice Chairman) মিঃ টেৱাৰি। চৰকাৰৰ পক্ষৰপৰা মোক সেই আয়োগক সহায় কৰিবলৈ নিয়োগ কৰে। আয়োগে গণ্ডগোলৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰি স্বজমিন তদন্ত লৈ পিছত আয়োগে গুৱাহাটীত সাক্ষীবাদী লয় আৰু এখন বিস্তৃত প্ৰতিবেদন দাখিল কৰে। নেলী, গহপুৰ, চিচি বৰগাঁও আদি ঠাইত হোৱা সংঘৰ্ষ আৰু ধ্বংসলীলা এই সকলোবিলাক তদন্ত আয়োগে সামৰি লৈছিল। এই তদন্ত আয়োগত আছুৱে সহযোগিতা কৰা নাছিল। কিন্তু

অগপ চৰকাৰে সেই প্ৰতিবেদনৰ কিছু অংশ প্ৰকাশ কৰিছিল। অসমত বহিৰাগত অনুপ্ৰৱেশে অসমৰ জনগাঁথনি আৰু অৰ্থনীতিত ব্যাপকভাৱে প্ৰভাৱ পেলাই অসম আৰু অসমীয়াৰ অস্তিত্ব বিপদাপন্ন কৰাৰ দাবী তুলি বিদেশী খেদা আন্দোলন হিচাবে অসম আন্দোলন ১৯৭৯ চনৰ পৰা গোটেই অসমত সকলো জনসাধাৰণকে জোকাৰি যোৱাকৈ ভূমিকম্পৰ জোকাৰণিৰ দৰেই সকলোতে আন্দোলন সংঘটিত হৈছিল। মই এই আন্দোলনত জড়িত নাছিলো আৰু ইয়াৰ ধ্বংসাত্মক আৰু স্বেচ্ছাচাৰী ৰূপৰ কাৰণে এই আন্দোলনে বহু ক্ষেত্ৰত বহু ঠাইত অতি হিংসাত্মক ৰূপ লৈছিল আৰু ধনজন সা-সম্পত্তিৰ প্ৰভূত পৰিমাণে ক্ষতি কৰিছিল। নেলী আৰু গহপুৰৰ হত্যাকাণ্ড আৰু ধ্বংসযজ্ঞই এই আন্দোলনৰ বিধ্বংসী পৰিণতিৰ এটা আভাষ দিয়ে। আছুৰ নেতৃত্বৰ লগত এটা সাধাৰণ সূত্ৰ উলিয়াবৰ বাবে সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী গুৱাহাটীলৈ আহে, কিন্তু কোনো সুফল নহ'ল। ১৯৮৩ চনৰ নিৰ্বাচনে আন্দোলনৰ কঁকাল ভাঙি দিলে আৰু নিৰ্বাচনত জয়ী হৈ হিতেশ্বৰ শইকীয়াৰ মুখ্য মন্ত্ৰিত্বত কংগ্ৰেছ মন্ত্ৰী সভাই অসমৰ শাসন যন্ত্ৰ হাতত লৈ কঠিন পৰিস্থিতিত শাসন চলায় আৰু ১৯৮৫ চনৰ ঐতিহাসিক অসম চুক্তি সম্পাদনৰ যোগেদি এই পৰিস্থিতিৰ পৰিসমাপ্তি ঘটে। ইয়াৰ ফলশ্ৰুতিত আকৌ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। সেই নিৰ্বাচনত অগপই চৰকাৰ গঠন কৰে আৰু সম্পূৰ্ণ পাঁচ বছৰ কাল চৰকাৰ পৰিচালনা কৰে।

অসমত অগপ শাসনৰ পিছতেই ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হয় আৰু ১৯৯২ চনত পুনৰ নিৰ্বাচন অনুষ্ঠিত হোৱাত হিতেশ্বৰ শইকীয়াৰ মুখ্য মন্ত্ৰিত্বত আকৌ কংগ্ৰেছ মন্ত্ৰীসভা গঠন হয়। মোক আকৌ দ্বিতীয় বাৰৰ কাৰণে এড্‌ভোকেট জেনেৰেল হিচাবে নিয়োগ কৰে। হিতেশ্বৰ শইকীয়াৰ মুখ্য মন্ত্ৰিত্বৰ কালত মই দুবাৰো মহাধিবক্তা ৰূপে কাৰ্যকাল চলাইছিলো আৰু অতি ওচৰৰ পৰা তেখেতৰ সান্নিধ্য লাভ কৰিছিলো। এই কথা ক'বই লাগিব যে শইকীয়াদেৱ শাসন প্ৰণালীত অতি দক্ষ আছিল। কোন বিষয়াই কি কাম কৰিব পাৰে সেইবোৰ তেওঁৰ নখ দৰ্পণত আছিল। সিদ্ধান্ত লওঁতে তেওঁ বিচক্ষণতাৰ পৰিচয় দিছিল। আইন সম্পৰ্কীয় আৰু গোচৰ সম্পৰ্কত

মোৰ লগত সঘনে আলোচনা কৰিছিল আৰু তেওঁ মোৰ মতামতৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। মোৰ বিবেচনাত মই এটা গোচৰত তেওঁক সঠিক সিদ্ধান্ত দিব পৰা নাছিলো। সেইটো হৈছে লাচিত কলিতা নামৰ এজন যুৱকক 'টাডা' গোচৰত বন্দী কৰিছিল। সেই সম্পৰ্কে 'টাডা' আদালতৰ এটা হুকুমৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়লৈ যোৱাৰ মই পৰামৰ্শ দিছিলো আৰু উচ্চতম ন্যায়ালয়ত চৰকাৰৰ পক্ষ হৈ তেতিয়াৰ এৰ্টনি জেনেৰেল মিঃ ৰামস্বামীক নিয়োগ কৰা হৈছিল। উচ্চতম ন্যায়ালয়ৰ এক নম্বৰ ক'ৰ্টত কে'চটো উঠা সময়ত ৰাম স্বামী উপস্থিত হ'ব নোৱাৰিলে আৰু তেওঁৰ কনিষ্ঠ অধিবক্তাই সময়ৰ প্ৰৰ্থনা কৰিলে। উচ্চতম ন্যায়ালয়ে সময় নিদিলে। সেই কে'চত মই এড্‌ভোকেট জেনেৰেল হিচাবে উপস্থিত আছিলো। ক'ৰ্টে মোক পিছদিনাৰ ভিতৰত লাচিত কলিতাক মুক্তি দিবলৈ নিৰ্দেশ দি সেই হুকুমটো মোক চৰকাৰক তৎক্ষণাত জনাই দিবলৈ আদেশ দিলে। সেইমতে চীফ্ চেক্ৰেটেৰিলৈ ফোন কৰি কৰ্টৰ আদেশটো জনাই ততালিকে লাচিত কলিতাক মুক্তি দিবৰ কাৰণে জনোৱা হ'ল। লাচিত কলিতাইও মুক্তি পালে। মই ভাবো সেই কে'চত উচ্চতম ন্যায়ালৈ চৰকাৰ যোৱাটো উচিত নাছিল। মই এড্‌ভোকেট জেনেৰেল হৈ থকাৰ আগতে আৰু পিছতো বহুত বিলাক কে'চত অংশ লৈছিলো। তাৰে কেইটামান কে'চৰ কথা উল্লেখ কৰা হ'ল।

মই অধিবক্তা হৈ থকাৰ সময়ত নিৰাপত্তা আইনত গঠিত হোৱা এড্‌ভাইচৰী ব'ৰ্ডত কেইবছৰমানৰ কাৰণে মই সভ্য হওঁ। এই বোৰ্ডৰ চেয়াৰমেন আছিল ন্যায়াধীশ খগেন্দ্ৰ নাথ শইকীয়া আৰু সভ্য আছিল ন্যায়াধীশ ভোলানাথ শৰ্মা। নিৰাপত্তা আইনত আটক হোৱা বন্দী সকলক সময়ে সময়ে ৰিভিও কৰি তেওঁলোকৰ খালাচ বা আটক সাব্যস্তকৰা সিদ্ধান্ত লোৱা হয়। দুটা ঘটনা মোৰ মনত আছে। এবাৰ পৰাগধৰ চলিহা ডাঙৰীয়াক আমাৰ আগত হজিৰ কৰা হ'ল আৰু কাগজ-পত্ৰ চাই আমি তেওঁক আবদ্ধ কৰি ৰখাৰ যুক্তিযুক্ততা নাপাই লগে লগেই তেওঁক খালাচ দিয়া হ'ল। আৰু এজন আটকাধীন ব্যক্তি হিৰণ্যকুমাৰ ভট্টাচাৰ্যকো এই ব'ৰ্ডৰ আগলৈ আনিবৰ কাৰণে ব্যৱস্থা লোৱা হ'ল। মই তেখেতক

ভালকৈ জানো আৰু তেখেতৰ ভাতৃ এড্‌ভোকেট অনিল কুমাৰ ভট্টাচাৰ্যও তেতিয়া মোৰ ঘৰৰ কাষৰ ভাড়াঘৰত আছিল। শ্ৰীভট্টাচাৰ্যৰ পৰিবাৰ এগৰাকী সৰবৰহী মহিলা আৰু ভট্টাচাৰ্যৰ দেউতাক এজন লব্ধ প্ৰতিষ্ঠিত সাহিত্যিক। তেওঁৰ দেউতাক ঢুকুৱাৰ সময়ত মোৰ সৰু জী-জোঁৱাই আৰু মই আৰু মোৰ পৰিবাৰ গৈ উপস্থিত হৈছিলো। তেনে অৱস্থাতেই শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ গোচৰৰ শুনানি আৰু বিবেচনাত মই থকাটো যুক্তিযুক্ত বুলি নাভাবি মই সেই পদ ইস্তফা দিওঁ আৰু মোৰ ঠাইত এড্‌ভোকেট গোলাপ শৰ্মাক নিযুক্তি দিয়ে।

মই উল্লেখ কৰিছো যে মোৰ শক্তি আৰু সামৰ্থ অনুযায়ী ওকালতি জীৱনত যথেষ্ট কে'চত অংশ লৈছিলো। ইয়াৰ বাহিৰেও কেইবাটাও চালিচিত (Arbitration Case) মই জড়িত আছিলো। তাৰে এটা উল্লেখনীয় কে'চ হৈছে আন্তৰ্জাতিক 'আৰবিট্ৰেচন' কে'চ। এক পক্ষ আছিল নুমলীগড় শোধানাগাৰ আৰু আনটো পক্ষ দক্ষিণ কোৰিয়াৰ ডালিম ইঞ্জিনিয়াৰিং কোম্পানী। এই কে'চত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ মিঃ হ'ক চেয়াৰমান, উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মুৰাৰিমোহন দত্ত আৰু মই সভ্য হিচাবে আছিলো। এই গোচৰৰ শুনানি কলিকতাত হৈছিল।

মোৰ ওকালতি জীৱনত ঘটা দুটামান ৰোমাঞ্চিত ঘটনা কৈ মোৰ ওকালতি জীৱনৰ কথা ইমানতে সামৰিব খুজিছো। ন্যায়াধীশ শৰৎকুমাৰ দত্ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে ১৯৭০ চনৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। তাৰ পাছতে সেই বছৰতে কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাবে কামত যোগ দিয়ে আৰু ১৯৭৭ চনৰ আগষ্টত অৱসৰ গ্ৰহণ কৰে। তেওঁ নিজা ঘৰ ডিব্ৰুগড়তেই স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। কেইবছৰ মানৰ পিছত এদিনাখন হঠাতে দূৰদৰ্শনত এটি বাতৰি পালো যে ডিব্ৰুগড়ৰ শৰৎ কুমাৰ দত্তৰ মৃত্যু হৈছে। মই গভীৰ দুখ পালো আৰু ততালিকে তেওঁৰ পৰিবাৰলৈ শোকবাৰ্তা আৰু সহানুভূতি জনাই এখন টেলিগ্ৰাম দিলো। পিছত মৃত্যু সম্পৰ্কত কোনো ধৰণৰ বা তেনে ধৰণৰ কোনো উৎকণ্ঠা বা কাৰ্যক্ৰম দেখা নগ'ল। মোৰ

সন্দেহ লাগিল। অনুসন্ধান কৰি জানিব পাৰিলো যে যি জন শৰৎ দত্ত ঢুকাইছে তেওঁ ডিব্ৰুগড়ৰ এজন চাহ খেতিয়কহে। ন্যায়াধীশ শৰৎ দত্ত নহয়। মোৰ হাত ভৰি কঁপিব ধৰিলে। ল'ৰালৰিকৈ আৰু এখন টেলিগ্ৰাম পঠালো যে মোৰ ভুলটো ক্ষমা কৰিব লাগে আৰু তেখেত দীৰ্ঘজীৱী হওঁক। মই আগ্ৰহেৰে আৰু উৎকণ্ঠাৰে উত্তৰলৈ বাট চাই ৰ'লো। ভয়ে কিন্তু মোক পেপুৱা কৰি ৰাখিছিল। পিছত তেখেতৰ পৰা এখন দীঘলীয়া চিঠি পালো। তেখেতে হয়তো মোৰ অৱস্থাটোৰ কথা উপলব্ধি কৰিব পাৰিছিল। তেখেতৰ চিঠিৰ সাৰাংশ হ'ল তোমাৰ ভুলৰ কাৰণে তুমি চিন্তা কৰি কষ্ট খাব নালাগে। তেখেতে সান্ত্বনা দি ক'লে যে তেখেত যেতিয়া এল্ আৰ হৈ শ্বিলঙত আছিল তেতিয়া তেখেতৰো তেনে এটা ভুল হৈছিল। কাৰ্যালয় চলি থকাৰ সময়ত তেখেতে এটা খবৰ পালে যে সেই সময়ৰ অসম লোকসেৱা আয়োগৰ (APSC) চেয়াৰমেন বৰপেটাৰ কামেশ্বৰ দাসৰ মৃত্যু হৈছে। তেখেতে লগে লগে কাৰ্যালয় ছুটী দিলে আৰু পিছত শোক সভা পতাৰ ব্যৱস্থা কৰিলে। পিছতহে তেখেতে গম পালে যে কামেশ্বৰ দাস জীৱিত। সেই চিঠিখন পোৱাতহে মোৰ জিভালৈ পানী আহিল আৰু তেখেতক লগ পোৱাৰ সাহস হ'ল।

আৰু এটা আমোদজনক কথালৈ আহোঁ। ১৯৭৫ চনৰ কথা। মণিপুৰত তেতিয়া দৰেন্দ্ৰ সিং মুখ্য মন্ত্ৰী। ইবতম্বি সিং এড্ভোকেট জেনেৰেল। দৰেন্দ্ৰ সিং মোৰ বন্ধু বিনয় সিঙৰ শালপতিয়েক। ইম্ফলত মণিপুৰৰ উকীল সকলৰ এখন সন্মিলন হৈছিল। সেই সন্মিলনলৈ গুৱাহাটীৰ পৰা এড্ভোকেট্ বিষ্ণুকিঙ্কৰ গোস্বামী, এড্ভোকেট বেণী মহন্ত আৰু মই ৰাজ্যিক আলহী (State guest) হিচাবে নিমন্ত্ৰিত হৈ সেই অধিৱেশনত অংশ গ্ৰহণ কৰিছিলো। সেই অধিৱেশন দুদিন ধৰি চলিছিল। ৰাজ্যিক আলহীৰ মৰ্যাদা সহ আমাক মণিপুৰ চৰকাৰে বিভিন্ন ঠাই পৰিদৰ্শন কৰাৰ সুবিধা কৰি দিছিল।

ইবতম্বি সিংহৰ পুত্ৰ এজনৰ বিয়াৰ নিমন্ত্ৰণ পাই আমি সেই বিয়ালৈ যাব লগা হৈছিল। তেওঁলোকৰ এটা ৰীতি আছিল যে বিয়া আদি পাৰ্বণত লংপেণ্ট, হাফ-পেণ্ট আদিৰ সলনি ধুতি-পাঞ্জাৰী/চাৰ্ট পিন্ধি যাব

লাগে। বিষ্ণুকিঙ্কৰ আৰু বেণী মহন্তই ধুতি-পাঞ্জাৰী পিন্ধে কাৰণে লগত লৈ গৈছিল। মোৰহে তেনে পোছাক নাছিল। মোৰ অৱস্থা দেখি মোৰ বন্ধু বিনয় সিঙে তেওঁৰ এযোৰ ধুতি পাঞ্জাৰী দি মোক সহায় কৰিলে। ধুতিখন তেওঁ মোক পিন্ধাইও দিলে। যেতিয়া পাঞ্জাৰীটো পিন্ধো— দেখিলো যে চোলাটো হলৌ লৌ হৈ পৰিল। কিয়নো বিনয় সিং মোতকৈ শকত আৰু ওখ। উপায়ন্তৰ হৈ মই সেই হলৌ চোলাৰেই নিমন্ত্রণ ৰক্ষা কৰিলো।

বিয়াত পৰিৱেশন কৰা কলপাতৰ থাল আৰু বাতিবিলাক সুন্দৰকৈ সুনিপুণ কলা-কৌশলৰে বনোৱা। ইয়ে মণিপুৰী সকলৰ শিল্প-কলাৰ নিদৰ্শন দিয়ে।

(১২)

জীৱনৰ ভাটিবেলাত সমাজৰ কিছু উন্নতিৰ কাৰণে ক্ষুদ্ৰভাৱে হ'লেও আত্মনিয়োগ কৰে। গুৱাহাটী শঙ্কৰদেৱ নেত্ৰালয়ত দুই লাখ টকাৰ এটি অনুদান। সেই চিকিৎসালয়ৰ উন্নতিৰ কাৰণে আগবঢ়াওঁ। মোৰ জন্ম ঠাই কামপুৰ অঞ্চলৰ শিক্ষানুষ্ঠান বিলাকৰ উন্নতিৰ কাৰণে আৰু অনুপ্ৰেৰণা হিচাবে কিছু ব্যৱস্থা হাতত লোৱা হয়। মোৰ মা ৰঞ্জনী ভূঞাৰ স্মৃতিত কামপুৰ জাতীয় বিদ্যালয়ৰ ভৱনটো নিৰ্মাণ কৰা হয়। এই ঘৰটোৰ উন্মোচনৰ দিনা সেই বিদ্যালয়ৰ প্ৰথম ছাত্ৰজনৰ হতুৱাই ফিটা কটা হয় আৰু এই উন্মোচনী সভাত কামপুৰৰ মুক্তিযোদ্ধা আৰু সাহিত্যিক পেঞ্চনাৰ বেণুধৰ কলিতাই সভাপতিত্ব কৰে। কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি ঘৰটো মোৰ পৰিবাৰ সুভদ্ৰা ভূঞাৰ নামত নিৰ্মাণ কৰা হয়। সেই ঘৰটোৱে শিক্ষাৰ ক্ষেত্ৰত এটা বিশেষ বৰঙণি যোগাইছে। ইয়াৰ বাহিৰেও কামপুৰ স্বৰাজ ভৱনৰ শব্দ ব্যৱস্থা (Sound System) নৃপেন গোস্বামীৰ অনুৰোধত দান কৰা হয়। কামপুৰ ছোৱালী মাধ্যমিক বিদ্যালয়ৰো এটা শ্ৰেণী কোঠা এটি শকত বৰঙণিৰে নিৰ্মাণ কৰা হয়। নগাঁৱৰ কলং পাৰত থকা শঙ্কৰ সংঘৰ ভৱনৰ কাৰণে২০ (বিশ) হাজাৰ টকাৰ বৰঙণি দিয়া হয়। কেইবাটাও নামঘৰত উন্নতিৰ কাৰণে বৰঙণি দিয়া হয়। বাহাকাবাৰী উচ্চতৰ মাধ্যমিক

বিদ্যালয়ত সেই অঞ্চলৰে এজন বিশিষ্ট নাগৰিক শ্ৰদ্ধেয় ঘনকান্ত লস্কৰৰ নামত এটি ভৱন নিৰ্মাণৰ কাৰণে তেখেতৰ পৰিয়ালবৰ্গক অনুৰোধ কৰা হয়। পৰিয়াল বৰ্গইও সেই বিদ্যালয়ত তেখেতৰ নামত এটি ভৱন নিৰ্মাণ কৰি দিয়ে।

সেই ভৱনত এতিয়া সেই বিদ্যালয়ৰ ওপৰ শ্ৰেণী বিলাকৰ পাঠদান কৰা হয়। তদুপৰি সেই স্কুলত কল্যাণ পুঁজিৰ কাৰণে ময়ো যৎকিঞ্চত বৰঙণি আগবঢ়াওঁ। কামপুৰ কলেজৰ প্ৰেক্ষাগৃহটো নিৰ্মাণৰ কাৰণেও এটা শকত পুঁজি আগবঢ়াওঁ। কামপুৰৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ কাৰণে বিভিন্ন সভা সমিতি আৰু বিদ্যালয় বিলাকত উন্নয়নমূলক কামত আৰু সভাত ভাগ লওঁ। মই নিজে পঢ়ি অহা নাৰিকলি প্ৰাইমেৰি বিদ্যালয়ৰো মজিয়াখন, বেৰ, বাৰান্দা, আদি পকীকৰণ কৰি দিয়া হয়।

কামপুৰ উন্নতি সাধিনী সভা এটি পুৰণি সামাজিক অনুষ্ঠান। ইয়াৰ পুৰণি নথিৰ পৰা জনা যায় যে ১৯৬০-৬২ চনত এই সংগঠনটোৰ লগত সভ্য হিচাবে মই জড়িত আছিলো আৰু হলধৰ ভূঞাৰ নেতৃত্বত সেই সময়ৰ কামপুৰৰ উদীয়মান যুৱক ধৰ্মকান্ত বৰুৱা আৰু মই তেতিয়াৰ মুখ্য মন্ত্ৰী বিমলাপ্ৰসাদ চলিহাক কামপুৰক মহকুমা হিচাবে ঘোষণা কৰিবলৈ সঁজাতী দলত গৈ এখন স্মাৰক পত্ৰ দিয়া হয়। সেই স্মাৰক পত্ৰখন ময়ে লিখিছিলো। তেতিয়া মুখ্য মন্ত্ৰী বিমলা প্ৰসাদচলিহাই বিবেচনাৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছত সেইকাম আজিলৈকে হৈ নুঠিল।

গুৱাহাটীত থকা কামপুৰীয়া সকলক একগোট কৰি কামপুৰৰ উন্নতিৰ কাৰণে আৰু গুৱাহাটীবাসী কামপুৰীয়া সকলৰ মিলনৰ ক্ষেত্ৰ গঢ়ি তোলাৰ উদ্দেশ্যেৰে ২০০১ চনত 'গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি' নামে এটি অনুষ্ঠান গঢ়ি তোলা হয়। এই অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সভাপতি হিচাবে মোকেই নিৰ্বাচিত কৰে। এই সমিতিত গুৱাহাটীত থকা কামপুৰীয়া সকলৰ কেইবাজনো বিশিষ্ট ব্যক্তি যেনে ড° লিলি ৰাজবংশী উপদেষ্টা, কামেশ্বৰ লস্কৰ কাৰ্যকৰী সভাপতি, দুলন চন্দ্ৰ নাথ সম্পাদক, ডঃ জীৱন লস্কৰ, চৰ্দাৰ কণ্ সিং, ডঃ ভুৱনেশ্বৰ ভূঞা, বিশ্বনাথ ভূঞা, নৰেন হাজৰিকা, দীপ ভূঞা, দেবেন বৰুৱা, গিৰীশ চন্দ্ৰ লস্কৰ,অতুল

গোস্বামী, ঘনকান্ত লস্কৰ, সুৰেন্দ্ৰ নাথ লস্কৰ, ৰত্নেশ্বৰ লস্কৰ, মুকুতা গগৈ, বিমলাকান্ত ডেকা আদি বহু কেইজন বিশিষ্ট গণ্যমান্য ব্যক্তি এই সমিতিৰ লগত জড়িত। এই সমিতিৰ যোগেদি কেইবাবাৰো মুখ্য মন্ত্ৰী ডাঙৰীয়াক কামপুৰ মহকুমা ঘোষণাৰ কাৰণে সঁজাতী দলত গৈ লগ ধৰা হয় আৰু কামপুৰৰ উন্নতিৰ কাৰণে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰা হয়। সেই প্ৰচেষ্টা এতিয়াও বিদ্যমান। এই কমিটিৰ দুখন দ্বি-বাৰ্ষিক সভা হৈ গৈছে। সুখৰ কথা যে কামপুৰত শৈক্ষিক পৰিৱেশৰ উন্নতি পৰিলক্ষিত হৈছে আৰু কামপুৰৰ শিক্ষানুষ্ঠান বিলাকৰ পৰা মেধাৱী ছাত্ৰ-ছাত্ৰী ওলাব ধৰিছে। এই শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ পুনিৰাম শইকীয়াৰ নাম বিশেষভাৱে উল্লেখযোগ্য। কামপুৰতো মহকুমাৰ কাৰণে এক জনজাগৰণ গঢ়ি উঠিছে। কামপুৰ অঞ্চলৰ মেধা শক্তি আৰু জনজাগৰণে অচিৰেই কামপুৰ মহকুমা গঠনৰ সম্ভাৱনীয়তা কাৰ্যত পৰিণত কৰিব।

(১৩)

আমাৰ পৰিয়ালত পত্নীৰ বাহিৰেও তিনি গৰাকী কন্যা আৰু এটি পুত্ৰ। তেওঁলোক সকলোটি সু-প্ৰতিষ্ঠিত। তিনিও গৰাকী জীয়াৰীয়েই উপযুক্ত পাত্ৰৰ লগত বিবাহ হৈ নাতি-পুতিসহ সুখী সংসাৰ যাপন কৰিছে। পুত্ৰ উজ্জ্বল ভূএগ উচ্চ ন্যায়ালয়ৰ এজন দক্ষ অধিবক্তা আৰু বোৱাৰী সংঘমিত্ৰা দাস ভূএগও উচ্চ ন্যায়ালয়ৰে এগৰাকী অধিবক্তা। এটি কন্যা সন্তানসহ তেওঁলোকো সুখী পৰিয়াল। সকলো কেইটি নাতি-নাতিনী কৃতিত্বৰে বৰ্তমান অধ্যয়নৰত।

বৰ জীয়াৰী ডঃ স্বাগতা খান্না গুৱাহাটী মেডিকেল কলেজৰ অধ্যাপিকা (E.N.T)। মাজু জীয়াৰী অনুলেখাসেন ডেকা কটন কলেজৰ গণিত বিভাগৰ প্ৰবক্তা আৰু নুমলীয়া জীয়াৰী ডঃ জ্যোতি দাস গুৱাহাটী মেডিকেল কলেজৰ চকু বিভাগৰ সহকাৰী অধ্যাপিকা। সেইদৰে ডাঙৰ জোঁৱাই সুভাষ খান্না এজন বিশিষ্ট শৈল্য চিকিৎসক,মাজু জোঁৱাই

নীলমণিসেন ডেকা এসময়ৰ মন্ত্ৰী আৰু বৰ্তমান বিধায়ক আৰু সৰু জোঁৱাই ডঃ বিষ্ণুপ্ৰসাদ দাস মেডিকেল কলেজৰ প্ৰসুতি আৰু পৰিয়াল কল্যান বিভাগৰ সহকাৰী অধ্যাপক।

ডঃ স্বাগতা খান্না আৰু তেওঁৰ স্বামী সুভাষ খান্নাৰ যত্নত গুৱাহাটী শান্তিপুৰ অঞ্চলত এটি অত্যাধুনিক হস্পিতেল প্ৰতিষ্ঠা কৰা হয়। হস্পিটেলখনৰ নাম ৰখা হৈছে 'স্বগত এনদ'লেপাৰচ্‌কপিক চাৰ্জিকেল ৰিৰ্চাচ ইন্সটিটিউট' (SWAGAT ENDOLAPAROSCOPIC SURGI-CAL RESERACH INSTITUTE)। এই প্ৰতিষ্ঠানটো উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম আৰু অগ্ৰণী অনুষ্ঠান। মই এই হস্পিতেল খনৰ লগত 'চেয়াৰমেন' হিচাবে জড়িত। এই হস্পিতেলখনতে মোৰ এটি আৰ্থিক সাহাৰ্য্যত আমাৰ প্ৰথম সন্তান প্ৰয়াত মাখনৰ সোঁৱৰণত এটি 'চেমিনাৰ' কক্ষ নিৰ্মাণ কৰা হয়।

এই হস্পিতেলৰ যোগেদি ২০০২ চনৰ পৰা বছৰেকত এবাৰ কামপুৰত বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হয়। এই চিকিৎসা কেন্দ্ৰটো উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ পুনিৰাম শইকীয়াৰ আৰু ছাত্ৰ সন্থাৰ সৌজন্যত পৰিচালনা কৰা হয়। প্ৰতি বছৰে প্ৰায় ৭০০/৮০০ জনক স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। যোৱা ২০০৪ চনৰ বানপানীত এই হস্পিতেলৰ সৌজন্যত ৫টা সাহাৰ্য্য কেন্দ্ৰত যেনে— আদৰ্শ গাঁও, বাৰেগোগা, নাৰিকলি, কুঁৱৰীআটি আৰু বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খাদ্য সামগ্ৰী ঔষধ আৰু কাপোৰ, নামঘৰ বিদ্যালয় আদি পৰিস্কাৰ কৰাৰ কাৰণে ফেনাইল আৰু ব্লিচিং পাউদাৰ বিতৰণ কৰা হয়। জীৱনৰ বিয়লি বেলাত নিজৰ জন্ম ঠাইৰ উন্নতিৰ কাৰণে নিজকে জড়িত কৰি সান্ত্বনা পাইছো। আমাৰ এই জনসেৱা জীৱনৰ শেষ মুহূৰ্তলৈকে যেন থাকি যায়।

ভ্ৰমণৰ পৰাও জীৱনৰ শিক্ষা আহৰণ কৰো। ভাৰতৰ উল্লেখযোগ্য ঠাই বিলাক আৰু বিদেশতো পৰিবাৰৰ সৈতে মোৰ ভ্ৰমণ কৰাৰ সুবিধা হৈছিল। কিন্তু এই সকলো ভ্ৰমণত যিবিলাক ঠাই পৰিদৰ্শন কৰিছিলো আৰু যিবিলাক মানুহক লগ পাই ভাবৰ আদান প্ৰদান কৰিছিলো, সেই

সকলোবিলাকৰ পৰা এটাই মাত্ৰ উপলব্ধি হৈছিল— সেইটো হৈছে সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াৰ ভাষাত গোৱা সেই গীতৰ মৰ্ম উপলব্ধি— 'অ' মোৰ আপোনাৰ দেশ, অ মোৰ চিকুণী দেশ.... পৃথিৱীৰ ক'তো বিচাৰি নোপোৱা জনমটো কৰিলেও পাত'। সেইকাৰণে দাৰ্জিলিঙৰ 'টাইগাৰ হিল'তকৈ আমাৰ গুৱাহাটী পূবফালে ওলোৱা ৰঙা বেলিটি সেন্দুৰৰ ফোঁট হৈ ওলাই অহা দৃশ্য মনোৰম বুলি ভাবো। আবেলি খোজ কাঢ়িবলৈ যাওঁতে সাতপুখুৰীৰ ওচৰৰ পৰা সূৰ্যাস্তৰ মহিমা অতি বিতোপন লাগে।

(১৪)

আমাৰ জীৱনত ভ্ৰমণৰ অভিজ্ঞতা এটি উল্লেখনীয় দিশ। ১৯৬৮ চনৰ পৰাই আমাৰ বিভিন্ন ঠাই দৰ্শনৰ ভ্ৰমণ আৰম্ভ হয়। ১৯৬৮ চনত কলিকতা, পুৰী আৰু ১৯৬৯ চনত দাৰ্জিলিং সপৰিয়ালে ভ্ৰমণ কৰোঁ। ১৯৮৬ চনত দিল্লী, ডেৰাডুন, মুচৌৰি তাৰপাছত চণ্ডীগড়, চিমলা, মা'নালী আৰু কাশ্মীৰ, গুলৰ্মাগ, পাহেলগাম ভ্ৰমণ কৰো। সেইবিলাকৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু দৃশ্য অতি মনোৰম। তাৰ মানুহবিলাকৰ লগত ভাৱৰ আদান-প্ৰদানে জীৱনৰ অভিজ্ঞতা পূৰঠ কৰে। ১৯৮৭ চনৰ পৰা বোম্বে, পুনা, গোৱা আৰু ঔৰঙ্গবাদ আৰু ইয়াৰ ওচৰৰ অজন্তা আৰু ইলোৰা গুহা চোৱাৰ সৌভাগ্য হৈছিল। সেই বছৰৰে অক্টোবৰ মাহত সোমনাথ, ভেৰাৱল, ৰাজকোট, আহমেদাবাদ, গান্ধীনগৰ আদি ভ্ৰমণ কৰোঁ। ইয়াৰ পিছত ১৯৯৪ চনৰ অক্টোবৰ মাহত বাংগালোৰ, মহীশূৰ, ওট্ৰকামণ্ড আৰু মাদ্ৰাজ ভ্ৰমণ কৰো। ১৯৯৫ চনৰ চেপ্টেম্বৰ মাহত কাঠমাণ্ডু, পখৰা আদি ঠাইলৈ গৈ সেই ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ আৰু মানুহৰ সান্নিধ্য লাভ কৰো। পখৰাৰ পৰা হিমালয়ৰ কাঞ্চনজংঘাৰ দৃশ্য অতি মনোৰম। ১৯৯৬ চনৰ অক্টোবৰ আৰু নৱেম্বৰ মাহত আমি পৰিয়ালসহ হায়দৰাবাদ, মাদুৰাই, ৰামেশ্বৰম, কন্যাকুমাৰী, কাভালাম বিচ, থিৰুভান্ অনন্তপুৰম, কুচিন আদি ঠাই ভ্ৰমণ কৰো। ১৯৯৭ চনৰ এপ্ৰিল মাহত বাৰানসী হৈ সাৰনাথত বুদ্ধৰ মঠ-মন্দিৰ আৰু অশোক চক্ৰত থকা

সম্রাট অশোকৰ কীৰ্তি চিহ্নবিলাক দেখি আপ্লুত হওঁ। সেই একে বছৰতে অক্টোবৰ মাহত পাটনা হৈ বুদ্ধগয়া পৰিদৰ্শন কৰি তাত বিৰাজ কৰা শান্তিৰ বাতাবৰণ উপভোগ কৰোঁ।

ইয়াৰ বাহিৰেও আমাৰ বিদেশ ভ্ৰমণৰো কিছু অভিজ্ঞতা হৈছিল। ২০০০ চনৰ ডিচেম্বৰ আৰু ২০০১ চনৰ জানুৱাৰী মাহত থাইলেণ্ড, মালয়েছিয়া আৰু চিঙ্গাপুৰ ভ্ৰমণ কৰো। এইবিলাক ঠাইৰ ৰাস্তা-পদূলি আৰু বাণিজ্যিক কেন্দ্ৰবিলাক বৰ উন্নত। চিঙ্গাপুৰৰ সন্তুযা আইলেণ্ডৰ বিতোপন দৃশ্যই আমাক মোহিত কৰে। মোৰ পৰিবাৰে মেখেলা চাদৰ অসমীয়া সাজপাৰ পিন্ধি যোৱাত সন্তুযা আইলেণ্ডত আমি দুলিয়াজানৰ কেইবাজনো যুৱকক লগ পাওঁ। তেওঁলোকে মেখেলা চাদৰ দেখি অসমীয়া মানুহ বুলি জানি ওচৰলৈ আহি পৰিচয় দিছিল। তেওঁলোকক পাই বিদেশত আপোন মানুহ পোৱাৰ আনন্দ লাভ কৰিছিলো। চিঙ্গাপুৰত 'ভাৰ্গো' নামৰ এখন বিলাসী জাহাজত ফুৰি ৰোমাঞ্চিত হৈছিলো।

ইয়াৰ পিছত ২০০১ চনৰ জুলাই মাহত ইউৰোপ ভ্ৰমণ কৰো। আমি চুইজাৰলেণ্ড, পেৰিছ, বেলজিয়াম, হলেণ্ড আৰু লণ্ডন ভ্ৰমণ কৰি সেই দেশৰ বৈশিষ্ট্য আৰু তাৰ জনসাধাৰণৰ জীৱন প্ৰণালী আদি সম্পৰ্কে জ্ঞান লাভ কৰো। মালয়-এছিয়া, ইউৰোপ এই দুয়োটা ভ্ৰমণেই এটা বিখ্যাত ট'ৰ এজেন্সি, এচ অ' টি' চি' (Tour Agency-SOTC) নামৰ কোম্পানীটোৰ জৰিয়তে কৰা হৈছিল। এই বিদেশ ভ্ৰমণত বহুতো অভিজ্ঞতা আৰু শিক্ষা লাভ কৰা হ'ল। দেশ বিদেশত লগ পোৱা বহুতো বন্ধু-বান্ধৱৰ স্মৃতি সদায়েই মনত সেউজীয়া হৈ থাকিব। এই ভ্ৰমণবিলাকে জীৱনৰ অভিজ্ঞতা সমৃদ্ধি কৰাত বহুতো অৰিহণা যোগাইছে।

ওকালতি জীৱনত বিভিন্ন আইন আৰু ইয়াৰ লগত জড়িত সংগঠনবিলাকৰ লগত জড়িত হওঁ। উচ্চ ন্যায়ালয়ৰ বাৰ এচ'চিয়েচন্ আৰু উকীল সস্থাৰ আজীৱন সভ্য হোৱাৰ বাহিৰেও ভাৰতৰ বাৰ এচ'চিয়েচনৰ মই আজীৱন সভ্য। ইয়াৰ বাহিৰেও মই উচ্চতম ন্যায়ালয়ৰ বাৰ এচচিয়েচন আৰু আন্তৰ্জাতিক আইন সংস্থাৰ সভ্য হিচাবে জড়িত হৈ আছো। ভাৰতীয় 'আৰবিটেচন কাউন্সিলৰো' মই আজীৱন সভ্য।

১৯৪৮ চনত ছাত্র আন্দোলনৰ কাৰ্যসূচীলৈ অসমৰ বিভিন্ন জিলা আৰু ঠাইলৈ মই যাবলগা হৈছিল। নগাঁও জিলাতো মই সঘনে ছাত্র আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত জড়িত হৈ পৰিছিলো। ছাত্র ফেডাৰেচনৰ নগাঁৱত এটা শক্তিশালী ঘাটি আছিল। ১৯৪৭ চনত গুৱাহাটীত বহা অসম ছাত্র সন্মিলনৰ অধিৱেশনলৈ নগাঁৱৰ পৰা এটা বুজন সংখ্যক ছাত্র-প্রতিনিধি দল আহিছিল। সেই প্রতিনিধি দলত সুভদ্রা শইকীয়া এগৰাকী বিশিষ্টা ছাত্রীকৰ্মী হিচাবে বুজন সংখ্যক ছাত্রী প্রতিনিধিৰ নেতৃত্ব কৰি এই সন্মিলনত যোগ দিছিল। পিছত ১৯৪৮ চনত ছাত্র আন্দোলনৰ কৰ্মসূচীতে তেওঁক মই লগ পাওঁ আৰু ব্যক্তিগতভাৱে চিনা পৰিচয় হওঁ। সুভদ্রা শইকীয়া ছাত্রীসকলৰ মাজত জনপ্রিয় আছিল আৰু সেই সময়ত নগাঁৱত হোৱা ছাত্র আন্দোলনৰ নেতৃস্থানীয় কৰ্মী হিচাবে আগভাগ লৈছিল। পিছত মোৰ আত্মগোপন অৱস্থাত তেওঁ নিজেও আত্মগোপনত থাকি নগাঁৱৰ ছাত্র আন্দোলনত সক্রিয়ভাৱে জড়িত হৈ পৰিছিল। আমাৰ ৰাজনৈতিক বুজাবুজিৰ ভিতৰেদি আৰু আন্দোলনৰ যোগেদি তেওঁৰ লগত মোৰ ঘনিষ্ঠতা গঢ়ি উঠিছিল। পিছত দুয়ো আত্মগোপন অৱস্থাত নগাঁৱৰ গাঁওবিলাকতো ভ্রমণ কৰিছিলো আৰু আন্দোলন সংগঠিত কৰিছিলো। দুয়োৰো মাজত বুজাবুজিৰ ভিত্তিতে আমাৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল আৰু পাছত দুয়ো জীৱনসঙ্গী হিচাবে এক যুগ্ম জীৱনৰ পাতনি মেলিবলৈ ঠিৰাং কৰিছিলো। ১৯৪৯ চনত তেওঁ জেললৈ যাবলগা হৈছিল আৰু ৬ মাহমান জেল খটিছিল। তেওঁ জেলৰপৰা মুকলি হৈ অহাৰ পিছত এটা দিন বাৰ চাই পাৰ্টিৰ সন্মতি আৰু অনুমোদন সাপেক্ষে পাৰ্টিৰ নিয়ম অনুযায়ী ১৯৫০ চনৰ ২৬ জানুৱাৰীত আমাৰ দুয়োৰো বিবাহ সম্পন্ন কৰা হয়। ইয়াৰ পিছত মই ১৯৫২ চনত নগাঁৱত স্পেচিয়েল জেলৰপৰা মুক্তি পাওঁ। একেলগে কাৰাবাস খটা নীলমণি বৰঠাকুৰ আৰু মই দুয়ো মুক্তি পাই সেইদিনা সুভদ্রা ভূঞাৰ (শইকীয়া) ঘৰতে ৰাতিটো কটাওঁ। পিচদিনা বৰঠাকুৰ নিজৰ ঘৰ ডিব্রুগড়লৈ যোৱাত আমি দুয়ো গুৱাহাটীলৈকে অহাটো ঠিক কৰিলো আৰু দুয়ো একেলগে থাকি পঢ়াৰ সিদ্ধান্ত কৰা হ'ল। সুভদ্রা শইকীয়াই (ভূঞাই) আগতেই মেট্রিক পাছ কৰি থৈছে আৰু

ময়ো বি এ দিব পৰা নাছিলো। আমি গুৱাহাটীলৈ আহি পাণবজাৰত কৃষক নেতা কনক নাথৰ এটা একোঠলীয়া ঘৰত মাহে ২০.০০ (বিশ) টকা ভাড়াত থাকিবলৈ লওঁ। সুভদ্ৰা ভূঞাই সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত নাম লগালে আৰু মই কটন কলেজত বি এৰ চূড়ান্ত বছৰত নাম লগালো। ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈকে এই পাঁচবছৰ আন্দোলনৰ স্বাৰ্থতে মই শিক্ষা জীৱন সাং কৰিবলগা হৈছিল।

জেলৰপৰা ওলোৱাৰ পিছত মই পঢ়া-শুনা কৰাৰ কথা ঘৰত বিশ্বাস নকৰা হ'ল আৰু সহায়ৰ হাত আগবঢ়াবলৈ কোনেও আগ্ৰহ নেদেখুৱালে। শিক্ষাৰ প্ৰতি মোৰ ধাউতি দেখি শিক্ষাগুৰুসকলে সহায়ৰ হাত আগবঢ়ালে। মোৰ শিক্ষাগুৰু অতুল দত্তই ২০.০০ টকা, ভৱানন্দ দত্তই পাঁচ টকা আৰু অধ্যাপক দণ্ডেশ্বৰ গগৈয়ে এখন খাট আৰু চকী দি সহায় কৰিছিল। দুয়ো নাম লগাই পঢ়িবলৈ আৰম্ভ কৰিলো। কিন্তু আমাৰ খৰচৰ কাৰণে মই 'টিউচন' কৰিব লগা হ'ল। সেই সময়ত মোৰ বন্ধু কামপুৰৰ জগত শইকীয়াই এটি চাকৰি লৈ গুৱাহাটীত আছিল আৰু তেওঁ কেইবাটাও 'টিউচন' কৰিছিল। তেওঁ মোক পানবজাৰ ছোৱালী হাইস্কুলৰ চাৰিগৰাকী ছাত্ৰী টিউচনৰ কাৰণে যোগাৰ কৰি দিলে। মাহিলি চাৰিগৰাকী ছাত্ৰীৰ প্ৰত্যেকৰ পৰা ৮০.০০ (আশী) টকা লৈ টিউচন্ আৰম্ভ কৰিলোঁ। সেই ছাত্ৰীসকলৰ ভিতৰত এগৰাকীয়ে আধাতে স্কুল এৰি দিলে। বাকী তিনি গৰাকীৰ ভিতৰত দুগৰাকীয়ে মেট্ৰিক পাছ কৰিলে। মই আৰু দুটা টিউচন যোগাৰ কৰি লৈছিলো। এটা 'ডনবস্কো' স্কুলৰ প্ৰণৱ ঠাকুৰ আৰু আনটো ড° জগদীশ মেধিৰ ছোৱালী অঞ্জলি মেধি। দুয়োজনেই এম ই পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল আৰু অঞ্জলি মেধিয়ে বৃত্তি লাভ কৰে। এইভাৱেই মই শিক্ষা জীৱনত পুনৰ প্ৰৱেশ কৰো। যেতিয়া মই কটন কলেজত নাম লগাওঁ মোতকৈ কনিষ্ঠ ছাত্ৰ হিচাবে থকা কমল মজুমদাৰে মোক পঢ়াইছিল আৰু একেলগে ৰাজনীতি কৰা আশ্ৰফ আলী কটন কলেজত মোৰ শিক্ষক আছিল। আমাৰ লগতে পদ্ম শইকীয়াও (সুভদ্ৰা শইকীয়াৰ ককায়েক) আহি থাকি পঢ়া আৰম্ভ কৰিলে। উল্লেখ থাকে যে পদ্ম শইকীয়া নগাঁও জিলাৰ এজন ছাত্ৰ নেতা আৰু এসময়ত নগাঁৱৰ

কমিউনিষ্ট শাখাৰো সম্পাদক আছিল। সুভদ্ৰা শইকীয়াই আই এ (Intermediate) পাছ কৰিলে আৰু ময়ো ১৯৫৩ চনত ডিষ্টিংচন (Distinction) সহ বি এ পাছ কৰিলো। পাণবজাৰৰ পঁজাঘৰত থকা কালতে আমাৰ প্ৰথম সন্তান মাখনৰ জন্ম হয়।

পাণবজাৰত আমি থকা কোঠালিটো একেবাৰে ঠেক হোৱাত পিছত ড° সূৰ্য কুমাৰ ভূঞাৰ সন্মুখৰ মিঞা গলিত মাজু মিঞাৰ এটা ঘৰৰ দুটা কোঠালী ভাড়া লৈ থাকিবলৈ লওঁ। আমাৰ লগতে পৰিবাৰৰ ভতিজাক (বিপুল) থাকি পঢ়িবলৈ লয়। মোৰ মাজু ককাইদেউ ডঃ ঈশ্বান ভূঞা ঢুকুৱাত মোৰ ভতিজা ছোৱালীজনীকো আনি লগতে ৰাখি পঢ়াব লগা হয়। ঘৰ ভাড়াৰ সলনি ঘৰৰ মালিকৰ দুজনী ছোৱালীৰ টিউচন লওঁ।

১৯৫৩ চনত মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ স্নাতকোত্তৰ শ্ৰেণীত নাম লগাওঁ। ১৯৫৪ চনত মই কেইবাটাও বিপৰ্যয়ৰ সম্মুখীন হওঁ। মোৰ পিতাদেউৱে সেই সময়তে ইহলীলা সম্বৰণ কৰিলে। মাজু ককাইদেউ ডঃ ঈশ্বান ভূঞাও ঢুকাল। আমাৰ পুত্ৰ মাখনৰো চিকিৎসা বিভ্ৰাটত এবছৰ নৌ হওঁতেই মৃত্যু হ'ল। এনে অৱস্থাত মোৰ সহপাঠী ছাত্ৰ-ছাত্ৰীসকগলে মোৰ মনোবল সবল কৰি তুলিলে আৰু তেওঁলোকে মোক ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক পদত জোৰ কৰি উঠাই দিলে। নিৰ্বাচনত মই অধিক ভোটত জয়ী হ'লো। ছাত্ৰ-ছাত্ৰীসকলে মোৰ ওপৰত হেঁচা প্ৰয়োগ কৰিলে যে মই তেওঁলোকৰ কাৰণে কিবা এটা স্থায়ী কাম কৰি দিব লাগে। সেই বছৰৰে শৰত কালত দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ তত্ত্বাৱধানত আন্তঃবিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ অনুষ্ঠিত হয়। তালৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা আমি এটি সাংস্কৃতিক দল পঠাওঁ। সেই সময়ত সাংস্কৃতিক বিভাগৰ সম্পাদক আছিল তফজ্জুল আলী। সাংস্কৃতিক দলটোত ড° ভূপেন হাজৰিকা, দিলীপ হাজৰিকা, শৈল বৰুৱা, লিলি দাস আদি ভালেকেইজন শিল্পী আৰু গায়ক-গায়িকা গৈছিল। সৰ্বভাৰতীয় প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয় দলে সুনাম কঢ়িয়াই আনিছিল আৰু শৈল বৰুৱা আৰু লিলি দাসে অংশগ্ৰহণ কৰা অনাতাঁৰ নাটক প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথম পুৰস্কাৰ লাভ কৰে।

মোৰ দুই বন্ধু গোপাল বৰুৱা আৰু গোবিন্দলাল বৰুৱাৰ লগত গুৱাহাটী বিশ্ববিদ্যালয়তো তেনেধৰণৰ কিবা এটা অনুষ্ঠান কৰিব পৰা যায় নেকি বুলি আলোচনা কৰিলো। হঠাতে মোৰ মনত খেলালে যে আমি আন্তঃকলেজ যুৱ মহোৎসৱ পাতিব পাৰো। সেই মৰ্মে ছাত্ৰ ইউনিয়নত আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম আন্তঃকলেজ ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হ'ল। এই মহোৎসৱৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক হিচাবে মই যথেষ্ট খাটিবলগীয়া হৈছিল।

তৰ্ক প্ৰতিযোগিতাতো (Debating Competition) মোৰ সুনাম আছিল। কটন কলেজৰ বাৰ্ষিক তৰ্ক প্ৰতিযোগিতাত মই প্ৰথম হৈছিলো। ভোলানাথ বৰুৱা আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰপৰা যোগ দি মই মোৰ বন্ধু অমৃত সৰকাৰৰ সৈতে চলন্ত পুৰস্কাৰ অৰ্জন কৰিছিলো। সৰ্বভাৰতীয় অনাতাঁৰ কেন্দ্ৰই কলিকতাত আয়োজন কৰা পূব-মাগুলিক বিশ্ববিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কৃতিত্ব অৰ্জন কৰিছিলো।

এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ নৱাগত আদৰণী সভাত জ্ঞানদাভিৰাম বৰুৱাক সভাপতিত্ব কৰিবলৈ নিমন্ত্ৰণ কৰি অনা হৈছিল। সেই সময়ত তেওঁ অসুখীয়া আছিল। তেওঁ আহি সভাত ক'লে যে " 'সুচেন' ভূঞাই মোক অসুখীয়া অৱস্থাতে সকাহ দি সভালৈ লৈ আহিল। এওঁৰ নাম সেইকাৰণে 'সুষেণ' হ'ব লাগে - কিয়নো 'সুষেণ' ৰাৱণৰ বৈদ্য আছিল আৰু সেইদৰে সুচেনেও বৈদ্যৰ দৰে কাম কৰি মোক সভালৈ আহিব পৰা কৰিলে।" এই প্ৰসঙ্গতে ড° হীৰেণ গোহাঁইৰ প্ৰৱন্ধত 'সুচেন' নামটোৰ ৰসিকতাও উপভোগ্য। প্ৰথমতে তেওঁ 'সুচেন' নামটো চীন দেশৰ লগত জড়িত বুলি আমোদ কৰিছিল। পিছত আৱিষ্কাৰ কৰিলে যে 'সুচেন' বানৰ সেনাসকলৰহে সেনাপতি আছিল।

আমি মাজু মিঞাৰ ভাড়া ঘৰত থাকোতেই বৰ জীয়ৰী মাখনীৰ (স্বাগতা) জন্ম। সেইদিনা ৰাতি ধাৰাষাৰ বৰষুণ। ডঃ সূৰ্য কুমাৰ ভূঞাই তেখেতৰ গাড়ীখন দি মোৰ পৰিবাৰক পাণবজাৰৰ চিভিল হস্পিটেললৈ লৈ যোৱাত সহায় কৰিলে। পুৱা হস্পিতেলত মোক ইটালীয়ান নাৰ্চ

এগৰাকীয়ে সুস্বাস্থ্যৰ এটি কন্যা সন্তান মোৰ কোলাত দিলেহি।

মই বিশ্ববিদ্যালয়ত বিভিন্ন অনুষ্ঠানত আৰু বিশেষকৈ ইউনিয়নৰ কামত সক্রিয়ভাৱে জড়িত হৈ পৰাত মোৰ পঢ়া শুনাৰ যথেষ্ট অসুবিধা হৈছিল ওপৰত উল্লেখিত সাংসাৰিক নান আহুকালৰ মাজেদিয়েই মই ১৯৫৫ চনত বুৰঞ্জী বিষয়ত স্নাতকোত্তৰৰ পৰীক্ষা দিও আৰু ২বিভাগত দ্বিতীয় স্থান লৈ কৃতিত্বৰে উত্তীর্ণ হওঁ। উল্লেখ থাকে যে সেই বছৰত বুৰঞ্জীত কোনেও প্রথম শ্রেণী পোৱা নাছিল।

আমি আকৌ ঘৰ সলনি কৰিব লগা হ'ল। এইবাৰ আমি দক্ষিণ আমবাৰীৰ শশী বৰুৱাৰ ঘৰত ভাড়া লৈ থাকিলো। তাতেই আমাৰ পিছৰ দুগৰাকী কন্যাৰ জন্ম। ইতিমধ্যে আমাৰ ভতিজা বিপুল আৰু ভাতিজী পাৰুলে আমাৰ লগ এৰিলে। কিন্তু মোৰ পৰিবাৰৰ দুয়োজন ককায়েক পদ্ম শইকীয়া আৰু সোনাধৰ শইকীয়া আমাৰ লগত থাকিবলৈ ল'লে। ইয়াৰ বাহিৰেও অজিত খাউণ্ডে আমাৰ লগত থাকিয়েই মেট্রিক পৰীক্ষা দি বৃত্তি লাভ কৰিছিল। অজিত খাউণ্ড এতিয়া উচ্চ শিক্ষা লৈ আমেৰিকাত ব্যৱসায় কৰি বসবাস কৰি আছে। অন্য এজন ব্যক্তি মুৰুলীধৰ বৰা (নেপাল) আমাৰ লগতে থাকি ওকালতি পাছ কৰি নগাঁৱলৈ গ'ল। মই এই ভাড়া ঘৰটোতেই থাকি ওকালতি পাছ কৰিলো আৰু ১৯৫৮ চনৰ আগষ্টত বাৰত যোগদান কৰিলো। সেই বছৰতে বৰ্তমানৰ মোৰ থকা ঠাইত অসম আৰ্হিৰ এটা ঘৰ নিৰ্মাণ কৰি স্থায়ীভাৱে থাকিবলৈ লওঁ। ইয়াতেই ১৯৬৪ চনত আমাৰ পুত্ৰ উজ্জ্বলৰ জন্ম।

(১৫)

মোৰ পত্নী সুভদ্রা ভূঞাৰ লগত আজি আঢ়ৈ কুৰি বছৰৰো অধিককাল বিৱাহিত জীৱন যাপন কৰিছো। তেওঁ সকলো সময়তে মোৰ সোঁহাত স্বৰূপ আৰু সকলো কামতে উদগণি দি আহিছে। তেওঁ আই এ (Intermediate) পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত বি বৰুৱা মহাবিদ্যালয়ত ডিগ্রী ক'ৰ্ছত নাম লগায় আৰু তৃতীয় বাৰ্ষিকৰপৰা চতুৰ্থ বাৰ্ষিকলৈ

প্ৰমোচন পায়। কিন্তু ঘৰ-সংসাৰ চলোৱাৰ দায়িত্ব বহন কৰিবলগা হোৱাত বি এ পৰীক্ষা দিব নোৱাৰিলে। তেওঁৰ শিক্ষা জীৱনৰ অন্ত হ'ল। আজিও এওঁ মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়াই আহিছে আৰু মোৰ এই জীৱন যাত্ৰাত তেওঁৰ বৰঙণি উল্লেখনীয়।

ছাত্ৰ জীৱনৰপৰাই মোৰ ৰাজনীতিৰ শিক্ষা আৰম্ভ হয়। মই আগতে উল্লেখ কৰিছো যে ১৯৪১ চনৰ ৬ ডিচেম্বৰত মই ছাত্ৰ আন্দোলনত জড়িত হৈ পৰিছিলো। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো মোৰ ভূমিকা নগণ্য নাছিল আৰু কমিউনিষ্ট পাৰ্টিৰ প্ৰথম জন্মলগ্নৰ সভা গোলাঘাটৰ যদু শইকীয়াৰ ঘৰত হয় আৰু সেই সভাত ময়ো অংশ লওঁ। সেই সভাত অংশগ্ৰহণকাৰীসকলৰ ভিতৰত অকল মইহে জীৱিত। ছাত্ৰ অৱস্থাতেই মই মাৰ্ক্সীয় দৰ্শনত উদ্বুদ্ধ হওঁ। ৰাছিয়াত সাম্যবাদী শাসন আৰু চীনত সাম্যবাদী অভ্যুত্থান আদিয়ে মোৰ ডেকা মনত ভাৰতবৰ্ষতো শোষণহীন সমাজ গঠনৰ সপোন ভাঁহি উঠে। কৃষক, শ্ৰমিক, মধ্যবিত্তৰ আন্দোলনৰ ভিতৰেদি শোষণমুক্ত এখন সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ আশা পোষণ কৰো। আত্ম-গোপনত থকা অৱস্থাত মই কৃষক বনুৱাৰ ঘৰত আত্মগোপন কৰি আন্দোলনত অংশ লৈছিলো। গুৱাহাটীৰ ৰেল কলনীৰ হৰিজন বস্তিৰ বাবুৱাৰ ঘৰতো আত্মগোপন কৰি আছিলো। জনসাধাৰণৰ সম্পৰ্কত থাকি তেওঁলোকৰ জীৱনৰ লগত পৰিচয় হৈ মোৰ অভিজ্ঞতা হৈছিল।

জীৱনৰ অভিজ্ঞতাৰ পৰাই মোৰ এই উপলব্ধি হৈছে যে বৰ্তমান সমাজত যি দুৰ্নীতি, ভ্ৰষ্টাচাৰ, শোষণ, উৎপীড়ণ, নাৰী নিৰ্যাতন আদি চলিছে তাৰ অৱসান একমাত্ৰ বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠিত সমাজতন্ত্ৰতেই সম্ভৱ। যেতিয়ালৈকে জনসাধাৰণে সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটাই সমাজতান্ত্ৰিক ব্যৱস্থালৈ ৰূপান্তৰিত কৰিব নোৱাৰিব, তেতিয়ালৈকে জনসাধাৰণৰ আকাঙ্খিত শোষণমুক্ত সুখী জীৱন সম্ভৱপৰ নহয়।

বৰ্তমান সমাজ ব্যৱস্থাত পুঁজিবাদী, শোষণ, নিষ্পেষণ, দুৰ্নীতি, নিৰ্যাতন আদি ঘটিয়েই থাকিব। ইয়াৰ সমাধান কেৱল সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাতেই সম্ভৱ। জাতিৰ পিতা মহাত্মা গান্ধীয়ে স্বাধীনতাৰ কাৰণে

ভাৰতীয় জনসাধাৰণক অনুপ্ৰাণিত আৰু উদ্বুদ্ধ কৰি তুলিছিল। তেখেতেও জনসাধাৰণৰ দুখ দুৰ্দশা উপলব্ধি কৰি নিজৰ জীৱনটো এটি আদৰ্শমূলক উদাহৰণ হিচাবে দাঙি ধৰিছিল। নিজে আঁঠুৰ মূৰলৈ চুৰীয়া পিন্ধি গাত কোনো চোলা নিপিন্ধাকৈ জনসাধাৰণৰ দুখ-দুৰ্দশা উপলব্ধি কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতাৰ কাৰণে তেখেতে যি পথ আৰু আদৰ্শ দাঙি ধৰিছিল আৰু কৰ্মপন্থা গ্ৰহণ কৰিছিল তেখেতৰ সেই আন্দোলন ভাৰতবৰ্ষৰ ৰাজনৈতিক স্বাধীনতাৰ কাৰণে প্ৰযোজ্য আছিল। ভাৰতবৰ্ষৰ বাহিৰে ভিতৰে ভাৰতৰ মুক্তিৰ কাৰণে বহুতো নেতাৰ আত্মত্যাগ আৰু জনসাধাৰণৰ সংগ্ৰামে ভাৰতবৰ্ষ স্বাধীন কৰিছিল।

বৃটিছক খেদি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত সমাজব্যৱস্থাৰ পৰিৱৰ্তন নোহোৱাত জনসাধাৰণৰ দুখ দুৰ্গতি থাকি গ'ল, বৰঞ্চ বাঢ়িবলৈহে ধৰিলে। সমাজতন্ত্ৰৰ বাহিৰে এই দুৰ্গতিৰ অৱসানৰ বিকল্প নাই।

ভাৰতৰ সংবিধানত ১৯৭৪ চনৰ ৪২ তম সংশোধনীৰ যোগেদি ভাৰতীয় সংবিধানৰ মুখবন্ধত (Preamble) সমাজতন্ত্ৰ (Solialism) শব্দটো সন্নিবিষ্ট কৰা হৈছে। এই চ'চিয়েলিষ্ট (Socialist) শব্দটো উচ্চতম ন্যায়ালয়ে এইদৰে ব্যাখ্যা কৰিছে — (Vide D. S. Nakare Vs Union of India 1983, S CC 305) যে চ'চিয়েলিষ্ট শব্দটো ইচ্ছাকৃতভাৱেই মুখবন্ধত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে আৰ্থিক অৱস্থা আৰু জীৱনৰ মানদণ্ডত অসমতা দূৰীকৰণ কৰা আৰু শ্ৰমজীৱী মানুহৰ জীৱনলৈ এটা উন্নত মান অনা আৰু জন্মৰ পৰা মৃত্যুলৈকে নিৰাপত্তা প্ৰদান কৰা; অন্যান্যবিলাকৰ লগতে ই অৰ্থনৈতিকভাৱে সমতা আৰু উপাৰ্জনৰ সমবিতৰণ কৰা। এই সমাজতন্ত্ৰ মাৰ্ক্সিজিম্ (Marxism) আৰু গান্ধীজিম (Gandhism)ৰ সংমিশ্ৰিত, বিশেষকৈ 'গান্ধীয়ান চ'ছিয়েলিজিম' (Gandhian Socialism) ৰ ফালে বেছি কৰি ঢাল লোৱা বুলি উল্লেখ কৰা হৈছে।

মহাত্মা গান্ধীয়ে কোটি কোটি ভাৰতীয়ৰ অন্ন-বস্ত্ৰৰ আৰু সংস্থাপনৰ কাৰণে জীৱনজোৰা প্ৰচেষ্টা কৰি গ'ল। বোধহয় তেখেতে

উপলব্ধি কৰিছিল যে স্বাধীনতাৰ পিছতে সমাজৰ আমূল পৰিৱৰ্তন কংগ্ৰেছৰ দ্বাৰা হয়তো সম্ভৱ নহ'ব পাৰে। সেইকাৰণে তেওঁ স্বাধীনতাৰ পিছত কংগ্ৰেছ ভঙ্গ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

অসমতো শৰৎ সিংহ ডাঙৰীয়াই এটি আদৰ্শজনক জীৱন যাপন কৰি সমাজবাদত বিশ্বাসী হৈ তেনে সমাজৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছে। কিন্তু তেওঁৰ জীৱনৰ শেষৰ বেলিকা নিজে স্বীকাৰ কৰিছে যে তেওঁৰ কথা এতিয়া কোনেও নুশুনে।

সমাজ পৰিৱৰ্তনৰ কাৰণে একো একোজন মহাপুৰুষ আৰু নেতাৰ পথ প্ৰদৰ্শক হিচাবে নিশ্চয় প্ৰয়োজন আছে। কিন্তু তেওঁলোকে বিশ্বাস কৰা সমাজবাদ তথা সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে তেওঁলোকৰ আদৰ্শত সংগঠিত এটি সংগঠন বা দলৰ প্ৰয়োজনীয়তাও নিশ্চয় আছে। সমাজতন্ত্ৰৰ আদৰ্শত বিশ্বাসী সংগঠন নহ'লে একোজন নেতাই একক প্ৰচেষ্টাৰে সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাত সফল হোৱাটো কঠিন।

ৰাছিয়াত লেনিনৰ নেতৃত্বত সমাজবাদ তথা সমাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল। লেনিন নিশ্চয় অবিসম্বাদী, দূৰদৰ্শী আৰু সমাজতন্ত্ৰত বিশ্বাসী নেতা আছিল। কিন্তু তেনে আদৰ্শত সংগঠিত বলছেভিক কমিউনিষ্ট পাৰ্টি নহ'লে লেনিনে অকলশৰীয়াকৈ সেই কাৰ্যত সফলতা লাভ কৰাটো সম্ভৱপৰ নহ'লহেঁতেন। সেইদৰে চীনত মাও-ছে-তুঙৰ নেতৃত্বত জনসাধাৰণে সমাজতন্ত্ৰৰ দৃঢ়ভেটি প্ৰতিষ্ঠা কৰিছে। মাও-চে-তুঙ নিশ্চয় এজন দূৰদৰ্শী সমাজতন্ত্ৰত বিশ্বাসী জনগণৰ নেতা আছিল; এই বিষয়ে কোনো সন্দেহ নাই। কিন্তু তেনে আদৰ্শত সংগঠিত কমিউনিষ্ট পাৰ্টিৰ অবিহনে মাও-চে-তুঙে অকলশৰীয়াকৈ এই কাৰ্যত কৃতকাৰ্যতা লাভ কৰাটো দুৰূহ কল্পনা। বৰ্তমান সময়ত কমিউনিষ্ট আন্দোলনো বহুধা বিভক্ত। চি পি আই, চি পি আই (এম), চি পি আই (এম এল), চি পি আই (মাওৱাদী) আদি বিভিন্ন সংগঠন আৰু পাৰ্টিয়ে সমাজতন্ত্ৰৰ কাৰণে বিভিন্ন পথ আৰু বিভিন্ন কাৰ্যপন্থা অৱলম্বন কৰিছে। এইবিলাকৰ ভিতৰত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে কোন পথ সফল হ'ব জনসাধাৰণ আৰু ইতিহাসেহে তাক প্ৰতিপন্ন কৰিব।

(১৬)

জীৱনৰ বিয়লি বেলাত সমাজসেৱাৰ আত্মনিয়োগত নিজৰ জন্ম ঠাই কামপুৰ আৰু গুৱাহাটীত থকা কামপুৰীয়াসকলৰ মিলনৰ থল হিচাবে গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ জন্ম হয় ২০০১ চনত। ইয়াৰ লগত জড়িত সমূহ সদস্য-সদস্যা, কৰ্মকৰ্তা আৰু কামপুৰীয়াসকলৰ অৱদানৰ কথা উল্লেখ কৰিব বিচাৰো। কামপুৰত এটা মহকুমা হওঁক। ইয়াৰ উন্নতিৰ কাৰণে আৰু গুৱাহাটীত থকা কামপুৰীয়াসকলৰ একাত্মবোধ গঢ়ি তোলাৰ উদ্দেশ্যে এই সংগঠনে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। এই বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। এই সংগঠনে নিঃস্বাৰ্থভাৱে আৰু আশাশুধীয়াকৈ উদ্দেশ্য সিদ্ধিৰ কাৰণে সৰ্বতোপ্ৰকাৰে প্ৰচেষ্টা চলাই আছে। এই সংগঠনৰ লগত জড়িত বিশিষ্ট ব্যক্তিসকলৰ বৰঙণি শ্ৰদ্ধাৰে সোঁৱৰিছো। এই সংগঠনটোৰেই দুজন নেতৃস্থানীয় ব্যক্তি যথা নৃপেন গোস্বামী আৰু প্ৰভাকৰ ভূঞাৰ অকাল মৃত্যুৱে আমাৰ প্ৰচেষ্টাত বহুতো ক্ষতিসাধন কৰিলে।

জীৱনৰ সন্ধিয়া বেলাত উভতি চাই মোৰ জন্ম ঠাই শুৱনি গাঁওখনিৰ কথা মনলৈ আহে। একেলগে খেলা-ধূলা কৰি, মাছ মাৰি, বিহুত হুঁচৰি গাই সৰু কালটো অতিবাহিত কৰা মোৰ সমনীয়াসকললৈ, বাই-ভনী, ককাই-ভাই আৰু বয়স্কসকললৈ মনত পৰে। এসময়ত গাঁৱত গৰু চৰাবলৈ পাল পতাত মোৰো পাল পৰাত সেই অভিজ্ঞতাও পাইছিলো। গাঁৱৰ সমনীয়াসকলৰ ভিতৰত এতিয়া কেৱল মই জনাত আনন্দ বৰা, শম্ভোৰাম লস্কৰ জীৱিত। কামপুৰত একেলগে পঢ়া লগৰীয়াসকলৰ ভিতৰত ড° ঘন লস্কৰ, চৈয়দ, ধৰ্মকান্ত হাজৰিকা আৰু ঘিলানীৰ আব্দুল কাঁদেৰ আদি কেইজনমানহে জীৱিত। এওঁলোকক লগ পালে এতিয়াও অতীতৰ স্মৃতি সুঁৱৰি আনন্দ পাওঁ। নগাঁৱত পঢ়াৰ সময়ত পোৱা বন্ধু ড° মনীষ ভূঞা, শৰৎ বৰা, চামচুদ্দিন আদি কেইজনমান জীৱিত ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰো। গুৱাহাটীত মোৰ বন্ধু যথেষ্ট আছিল।

ছাত্ৰ সন্মিলনত ফণী বৰা, ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ, নন্দেশ্বৰ তালুকদাৰ, কেশৱ মহন্ত, পোৱাল বৰুৱা, হেম শৰ্মা, জীতেন বৰকটকী, কেশৱ হাজৰিকা, নলিনী গগৈ, হেনা বৰা, বীণা ৰায়, হেম শইকীয়া আদি বহুতো ব্যক্তিৰ সান্নিধ্য লাভ কৰি উপকৃত হওঁ।

মোৰ শিক্ষা জীৱনৰ শিক্ষাগুৰুসকলৰ মৰম আশীৰ্বাদ সদায়েই নিৰ্মালি স্বৰূপ। ওকালতি জীৱনতো কেইবাজনো গুণী জ্ঞানী ব্যক্তিৰ সান্নিধ্যও লাভ কৰো আৰু ন্যায়াধীশ সকলৰো শুভেচ্ছা মোৰ ওপৰত আছিল। এই সকলোবিলাকৰ নাম ইয়াত উল্লেখ কৰা সম্ভৱ নোহোৱাত কেইজমানৰ নাম ইয়াত উল্লেখ কৰিছো। সেই অগ্ৰজ অধিবক্তাসকলৰ ভিতৰত ফকৰুদ্দিন আলী, সত্যেন্দ্ৰ মোহন লাহিড়ী, মিঃ এচ. কে. ঘোষ, ড° জগদীশ চন্দ্ৰ মেধি, ভবেশ বৰুৱা, মহেন্দ্ৰ চন্দ্ৰ পাঠক, জয়চন্দ্ৰ চৌধুৰী, নীৰেন লাহিড়ী, কিৰণময় লাহিড়ী প্ৰভৃতি জ্যেষ্ঠ অধিবক্তাসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো। নীৰেন লাহিড়ীৰ বাহিৰে বাকী সকলো প্ৰয়াত। এই সকলো ব্যক্তিৰ অকৃপণ সহায় উপদেশে মোৰ ওকালতি জীৱন গঢ় লোৱাত বিশেষ অৰিহণা যোগালে।

মোৰ পৰিবাৰ আৰু মই জনসাধাৰণৰে এজন। সুদীৰ্ঘ জীৱন অতিক্ৰম কৰি আজি মোৰ ৮১ তম জন্ম দিৱসত সকলোটিলৈকে মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। যিসকলে মোৰ সম্পৰ্কে লেখা দি মোক কৃতজ্ঞতাৰে ঋণী কৰি ৰাখিলে তেওঁলোকক ধন্যবাদ দি সৰু কৰিব নোখোজো। প্ৰত্যেকেই নিজৰ গৰিমাত নিজেই দীপ্তমান। সৰ্বশেষত মই মোৰ জীৱনৰ দৰ্শন হিচাবে এইখিনি কথাকেই কবিৰ ভাষাত উপলব্ধিৰে সামৰিছো ঃ

“যি ভাৱে দেখিবা তুমি সংসাৰ ভাওনা
সেই ভাৱে গৰাসিব তোমাৰ জীৱন
হিংসা, দ্বেষ, খিয়াল দিলে পাবা হিংসা-দ্বেষ
প্ৰেমতো দেখিবা তুমি মধুৰ মিলন।” ❐

সুচেন্দ্ৰ নাথ ভূএগ্ৰা

(এক বৰ্ণাঢ্য জীৱনৰ যৎ কিঞ্চিৎ বিশ্লেষণ)

শৰৎ চন্দ্ৰ সিংহ

ওকালতি পৰীক্ষাত উত্তীৰ্ণ হৈছিলো। পৰীক্ষকৰ মানত প্ৰথম স্থান পাইছিলো। কিন্তু ওকালতি কৰা নহ'ল। ধুবুৰীৰ আইনবিদ শ্ৰীনৃপেন্দ্ৰ নাথ গুহৰ তলত কনিষ্ঠ অবেক্ষাধীন আছিলো। উচ্চ ন্যায়ালয়ৰ পৰা ওকালতি কৰিবলৈ অনুমতি পত্ৰও পাইছিলো। অনুমতি পত্ৰ পোৱাৰ পিছত ইতিমধ্যে দণ্ডিত হৈ কাৰাগাৰত থকা এজন কাৰাবন্দীৰ হৈ কাৰাগৃহৰ পৰা আবেদন পত্ৰ লৈ ধুবুৰীৰ জজ কোৰ্টত ওকালতি কৰিব লগা হৈছিল। এই ওকালতিত আমাৰ জ্যেষ্ঠ শ্ৰীনৃপেন্দ্ৰ নাথ গুহ আমাৰ কনিষ্ঠৰ দৰে পিছত বহিছিল, আমি কনিষ্ঠ হৈয়ো জ্যেষ্ঠৰ দৰে জজৰ ওচৰত থিয় হৈ প্ৰথম ওকালতি আৰম্ভ কৰিছিলো। সেই ওকালতিত আইনগত দক্ষতা কিমান প্ৰত্যায়িত হৈছিল ক'ব নোৱাৰো, কিন্তু ইতিমধ্যে দণ্ডিত হোৱা কাৰাবন্দী আমাৰ প্ৰথম ওকালতিৰ প্ৰথম মক্কেলজনে মুক্তি লাভ কৰিছিল। এয়ে প্ৰথম আৰু শেষ ওকালতি। তাৰ পিছত ৰাজনৈতিক ঘূৰ্ণী-বতাহত নিয়ন্ত্ৰণ হেৰুৱাই ক'ৰপৰা ক'লৈ গ'লো, একো ক'ব নোৱাৰিলো। সমগ্ৰ জীৱনটো এটা নিশাৰ সপোন যেন হৈ ৰ'ল।

প্ৰখ্যাত আইনবিদ শ্ৰীসুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ বৰ্ণাঢ্য জীৱন কাহিনীৰ এটি সংক্ষিপ্ত বিশ্লেষণ দাঙি ধৰিবলৈ গৈ কিঞ্চিৎ হ'লেও আমাৰ নিজৰ জীৱনৰ কিছু কথা উনুকিওৱাব লগা হোৱা অপ্ৰাসঙ্গিক আৰু ৰুচি বিৰোধী এক ধৃষ্টতা। কিন্তু কেৰ্কেটুৱাই বাঁহ পাতেৰেহে ভেট দিব পাৰে। শ্ৰীসুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ দৰে এগৰাকী আইনজ্ঞ ব্যক্তিৰ কৰ্মৰাজিৰ বিশ্লেষণ দাঙি ধৰাৰ আৰম্ভণিতে নিবন্ধকাৰে নিজৰ ক্ষণকালীন ওকালতিৰ মৰহি যোৱা কুঁহিপাত এখিলা 'গণেশায় নমঃ' বুলি আগবঢ়াই পাতনি মেলিলে কোনেও অপ্ৰাসঙ্গিক বুলি নধৰিব আৰু ৰুচি বিৰোধী ধৃষ্টতা বুলি গণ্য নকৰিব বুলি ভাবিয়েই নিবন্ধটো আৰম্ভ কৰিলো।

সমাজত শাসন, অনুশাসন, প্ৰেম-প্ৰীতি, হিংসা, অসূয়া আদি যি গুণাগুণেৰে আমাৰ সমাজৰ প্ৰজ্ঞা প্ৰতিষ্ঠিত, সেই প্ৰজ্ঞাৰ মাধুৰিমা সমাজত

অক্ষুণ্ণ ৰক্ষাৰ ক্ষেত্ৰত আইনবিদসকলৰ যি অৱদান, সেই অৱদানক তেওঁলোকে বাস্তৱলব্ধ অভিজ্ঞতাৰে আৰু মহীয়ান কৰি তোলে। আইনবিদসকলৰ প্ৰজ্ঞা আমাৰ সমাজৰ পথিকৃৎ।

প্ৰখ্যাত আইনবিদ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা সমাজৰ এক আলোক বৰ্তিকা। যি মূলা বাঢ়ে তাৰ দুপাততে চিন। আন্তঃ কলেজ তৰ্ক প্ৰতিযোগিতাত শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা যেতিয়া প্ৰথম হয়, তেতিয়া আমি কোনেও ভবা নাছিলো যে সেই তৰুণ তাৰ্কিক গৰাকী এদিন অসমৰ এড্‌ভোকেট জেনেৰেল হ'ব। অৱশেষত তেওঁ এগৰাকী সুদক্ষ আইনবিদ ৰূপে প্ৰতিষ্ঠিত হ'ল। সাধাৰণ তৰ্ক প্ৰতিযোগিতা, প্ৰত্যুৎপন্নমতিত্ব নিৰ্ণায়ক তৰ্ক প্ৰতিযোগিতা আদি প্ৰায় সকলো প্ৰতিযোগিতাতেই তেওঁ কৃতিত্ব প্ৰদৰ্শন কৰিছিল আৰু প্ৰথম হৈছিল।

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা সৰু কালৰ পৰাই সুদক্ষ সংগঠক আছিল। প্ৰগতিশীল চিন্তাবিদসকলৰ সংস্পৰ্শলৈ আহি তেওঁ প্ৰগতিশীল ছাত্ৰ আন্দোলন সংগঠন কৰিছিল আৰু নেতৃত্ব দিছিল। এসময়ত ভাৰত চৰকাৰে আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱ পাতিছিল। সেই মহোৎসৱলৈ বিশ্ববিদ্যালয় স্নাতকোত্তৰ শ্ৰেণী সন্থাৰ সাধাৰণ সম্পাদকৰূপে শ্ৰীভূঞাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এটি দল পঠিয়াইছিল। দিলীপ কুমাৰ হাজৰিকা, লিলি দাস মালিক, শৈল বৰুৱা প্ৰমুখ্যে প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীসকল সেই দলত আছিল। তদানীন্তন ছাত্ৰ আন্দেলনত শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা এগৰাকী প্ৰতিষ্ঠিত ছাত্ৰনেতা আছিল। তেওঁৰ ছাত্ৰ সুলভ মনটো যুক্তিসিদ্ধ আছিল। চকুৰ আগত ঘটা ঘটনাৱলীক তেওঁ বিজ্ঞান সন্মত যুক্তিৰে বিশ্লেষণ কৰিব পাৰিছিল। ছাত্ৰসকলক নেতৃত্ব প্ৰদান কৰিছিল। পৰৱৰ্ত্তী কালত মাৰ্ক্স দৰ্শনত আকৃষ্ট হৈ পৰিছিল। তাৰ পিছত সক্ৰিয় কমিউনিষ্ট আন্দোলনৰ পুৰোধা আছিল।

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা এগৰাকী মেধাৱী ছাত্ৰ আছিল। কামপুৰ এম. চি. এম. ভি. স্কুলৰ পৰা ১৯৩৮ চনত নগাঁও জিলাত অনুষ্ঠিত বৃত্তি পৰীক্ষা দি মাহিলী পাঁচ টকাৰ বৃত্তি লাভ কৰিছিল। বৃত্তি পৰীক্ষাৰ গুৰুত্ব কিমান তালৈ নগৈ, এই কথা নিশ্চিত ক'ব পাৰি যে সেই পৰীক্ষাই শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাক জিলাখনত এগৰাকী মেধাৱী ছাত্ৰৰূপে প্ৰতিপন্ন কৰিছিল। পৰৱৰ্তী কালত প্ৰবেশিকা পৰীক্ষা, স্নাতক আৰু আইন পৰীক্ষাত কামপুৰ এম. চি. এম. ভি. স্কুলৰ পৰা দিয়া বৃত্তি পৰীক্ষাৰ মান অক্ষুণ্ণ ৰাখিছিল।

ৰাজনীতি ঃ ছাত্ৰাৱস্থাতেই প্ৰগতিশীল চিন্তাধাৰা মাৰ্ক্সবাদী দৰ্শনলৈ আকৃষ্ট হৈছিল আৰু পৰৱৰ্তী জীৱনত তাৰ উল্লেখনীয় উত্তৰণ ঘটিছিল। ১৯৪২ চনত গণ আন্দোলনত যোগদান কৰিছিল। পিছত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত কমিউনিষ্ট পাৰ্টিৰ বিভিন্ন আন্দোলনত যোগদান আৰু কমিউনিষ্ট পাৰ্টিৰ নিয়মীয়াকৈ সদস্যভুক্ত হৈছিল। আন্দোলনৰ নেতৃত্ব বহন কৰোঁতে চৰকাৰৰ কোপ দৃষ্টিত পৰি কাৰাৰুদ্ধ হয় আৰু ৰাজনৈতিক মতাদৰ্শত চৰকাৰৰ ওচৰত তেওঁৰ বিৰোধিতা ইমানেই প্ৰতিপত্তিশালী বুলি গণ্য কৰা হৈছিল যে তেওঁক এটা অকলশৰীয়া কক্ষত (cell) আৱদ্ধ কৰি ৰাখিব লগীয়া হৈছিল। শ্ৰীভূঞা, নীলমণি বৰঠাকুৰ, অনিৰাম বসুমতাৰী আৰু শৈলেন মেধিৰ সমশ্ৰেণীৰ প্ৰভাৱশালী কমিউনিষ্ট আছিল। সেই সময়ত অসম চৰকাৰ আৰু কমিউনিষ্টসকলৰ সংঘাত সংঘৰ্ষমুখী পৰ্যায়ত উন্নীত হৈছিল। কমিউনিষ্টসকলে সমাজত এক বৈপ্লৱিক পৰিৱৰ্তন বিচাৰিছিল। 'নাঙল যাৰ, মাটি তাৰ' ধ্বনিত ভূমি নীতিৰ মৌলিক পৰিৱৰ্তন, ভূমিহীনক ভূমি দান, আধিয়াৰী ব্যৱস্থাত 'তেভাগ' আদি কিছুমান প্ৰগতিশীল চিন্তা ধাৰা প্ৰতিফলিত হৈছিল। গোৱালপাৰাৰ জমিদাৰীত প্ৰজাৰ হকে আন্দোলন কৰিছিল, যি চৰকাৰে খেতিয়কৰ তেভাগা আধিয়াৰী লৈ কমিউনিষ্টৰ লগত সংঘাতত লিপ্ত হৈছিল, সেই চৰকাৰে কিন্তু শেষত খেতিয়কক পাঁচ ভাগৰ চাৰি ভাগ দি আধিয়াৰী আইন সংশোধন কৰিছিল। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই বঞ্চিত, শোষিত আৰু দলিতসকলৰ অধিকাৰ প্ৰতিষ্ঠিত কৰিবলৈ কমিউনিষ্ট আন্দোলনত যোগ দিয়া বাবে কাৰাবৰণ কৰিছিল। স্বাধীনতাৰ দোকমোকালিত হোৱা শেষ যুঁজ বিয়াল্লিছৰ গণ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল।

ওকালতি কৰা সাধাৰণ অৰ্থত মোক্কেলৰ হৈ বিচাৰকৰ আগত মোক্কেলৰ বক্তব্য কথাখিনি যুক্তিসিদ্ধভাৱে দাঙি ধৰা। এয়া সুবিচাৰ পাবলৈ অহা বিচাৰ প্ৰাৰ্থীজনৰ প্ৰতি আইনজীৱী ৰূপে কৰ্তব্য পালন কৰাৰ কথা। কিন্তু আইনজীৱী এজনে এই কৰ্তব্য পালনৰ দ্বাৰা বিশাল জনগণৰ চৰিত্ৰ অধ্যয়ন কৰিবলৈ এখন ভিন্ন জগতত বিচৰণ কৰাৰ বাবে সুবিধা লাভ কৰে। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা সুদীৰ্ঘকাল ওকালতি কৰি তেওঁ এতিয়া এগৰাকী অভিজ্ঞ, বিজ্ঞ, প্ৰজ্ঞাবান চিন্তাবিদ।

সৰুতে শ্ৰেণী কোঠাৰ ছাত্ৰসকলক নেতৃত্ব দিছিল, কৈশোৰ আৰু

যৌৱনত মাৰ্ক্সীয় দৰ্শনত দীক্ষিত হৈ দীৰ্ঘকাল সেই দৰ্শনৰ প্ৰবক্তা হৈ কৃষক-শ্ৰমিকৰ বাবে আন্দোলন কৰিছিল। তাৰ বাবে কাৰাবৰণো কৰিছিল। তাৰ পিছত পতিত-দলিত-বঞ্চিতসকলৰ প্ৰতিনিধিত্ব কৰি এড্‌ভোকেট জেনেৰেল হৈছিল। সমগ্ৰ জীৱন কালত একেটি আদৰ্শত আত্মনিয়োগ কৰি সেৱানুপ্ৰাণিত হৈ জীৱনত প্ৰতিষ্ঠা লাভ কৰিছিল। সমাজত 'নোপোৱা সকল'ৰ হৈ মতা মাত অতি ক্ষীণ। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই সেই ক্ষীণ মাতষাৰি অধিক শ্ৰৱণসাধ্য কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে।

সমাজত গণতন্ত্ৰৰ পতন ঘটিছে। ধনতন্ত্ৰৰ ৰাজত্ব আৰম্ভ হৈছে। যাৰ টকা আছে, তাৰ কথা ৰজে, যাৰ টকা নাই, তাৰ কথা নৰজে। যাৰ টকা আছে তাৰ বাহুবলো আছে, অস্ত্ৰবলো আছে। টকাই ভোট দিয়ে। টকাই ৰজা পাতে। টকাই ৰাজ্য চলায়। টকা নথকাসকলৰ হৈ কথা কোৱা মানুহৰ সংখ্যা কমিল। মাৰ্ক্সীয় দৰ্শনৰ প্ৰবক্তা শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই প্ৰতিকুল পৰিস্থিতি নেওচি শোষিত, বঞ্চিত, নিঃস্ব, একো 'নোপোৱাসকল'ৰ লগত একাত্ম হৈ যুঁজ দি আছে। এদিন এই যুঁজৰ সফল সামৰণি হ'ব— এই আশাৰে যুঁজি আছে। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা এই যুঁজৰ এগৰাকী যুঁজাৰু।

ওকালতি ঃ ১৯৫৮ চনত গৌহাটী হাইকোৰ্টৰ এড্‌ভোকেট হৈছিল। ১৯৭৯ চনত তেওঁ বাৰ কাউঞ্চিলৰ সদস্য আৰু ১৯৮৪ চনত তেওঁ বাৰ কাউঞ্চিলৰ চেয়াৰমেন নিৰ্বাচিত হয়। ১৯৮০-৮৫ চন আৰু ১৯৯৩-৯৫ চনৰ কালছোৱাত তেওঁ দুবাৰ এড্‌ভোকেট জেনেৰেল হয়। এই সুদীৰ্ঘ কালছোৱাত তেওঁ উল্লেখযোগ্য মোকৰ্দমা পৰিচালনা কৰিছিল। সেইবোৰ মূল্যাঙ্কন কৰাৰ বাবে এই নিবন্ধৰ পৰিসৰে নুকুলায়।

এগৰাকী তীক্ষ্ণ, ধীৰ, প্ৰতিভাসম্পন্ন আইনবিদ ৰূপে তেওঁ যি বিচিত্ৰ অভিজ্ঞতা, অপূৰ্ব অভিজ্ঞান অৰ্জন কৰিছে, সেয়াই তেওঁৰ আইন বিদ্যাৰ জ্ঞানৰ ভঁৰাল চহকী কৰিছে। বৃত্তি হিচাবে আইন ব্যৱসায়ৰ পৰা অৱসৰ ল'লেও, তেওঁৰ জ্ঞান, বিজ্ঞতা, অভিজ্ঞতা আমাৰ সমাজৰ আপুৰুগীয়া সম্পদৰূপে আমাৰ মাজত বিৰাজমান হৈ থাকিব।

সমাজসেৱা ঃ ওপজা ঠাই কামপুৰ। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই কামপুৰতেই প্ৰাথমিক শিক্ষাৰ পাতনি মেলিছিল। তাৰ পৰাই এম. চি. এম. ভি. স্কুলৰ বৃত্তি লাভ কৰি মেধাবী ছাত্ৰ বুলি খ্যাতি অৰ্জন কৰিছিল। তাতেই উচ্চ মাধ্যমিক

আৰু বহুমুখী বিদ্যালয়ত কেইটামান শ্ৰেণীলৈকে পঢ়িছিল। সেই কামপুৰৰ লগত শ্ৰীভূঞাৰ অবিচ্ছেদ্য এক আবেগিক সম্পৰ্ক বিদ্যমান।

বহুতো ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত দান-বৰঙণি দিয়াৰ উপৰিও কামপুৰত শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই মাতৃদেৱী ৰঞ্জনী ভূঞাৰ স্মৃতিত ৰঞ্জনী ভূঞা জাতীয় বিদ্যালয় ভৱন নিৰ্মাণ কৰে। কামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰণে এটি জিৰণি কক্ষ দান কৰে। কামপুৰ ছোৱালী হাইস্কুলৰ শ্ৰেণী কক্ষ নিৰ্মাণ কৰাত অৱদান আগবঢ়ায়। কামপুৰ স্বৰাজ ভৱনত শব্দ প্ৰতিধ্বনি প্ৰতিৰোধক ব্যৱস্থা প্ৰৱৰ্তন কৰে।

মতবাদ ঃ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ মননশীলতা তেওঁৰ ব্যক্তিত্বৰ এক বৈশিষ্ট্য। যুক্তিৰে প্ৰতিপক্ষক জয় কৰিব পৰা, শিষ্টাচাৰৰ দ্বাৰা জনসাধাৰণক মোহিত কৰিব পৰা, সমাজ সেৱাৰ আদৰ্শত নিজক সমৰ্পিত কৰিব পৰা আদি বিৰল গুণবিভূষিত শ্ৰীভূঞা এগৰাকী জনপ্ৰিয় আইনবিদ, চিন্তাবিদ আৰু সমাজ বিজ্ঞানী ৰাজনীতিবিদ। যৌৱনতেই মাৰ্ক্সীয় দৰ্শনত দীক্ষিত হৈছিল। বৈজ্ঞানিক সমাজবাদত প্ৰগাঢ় বিশ্বাস কৰে। আজি আমি সমাজবাদৰ পথেৰে আগবাঢ়ি যাবলৈ বিচাৰোঁতে বহুত উজুটি খাব লগা হৈছে সঁচা, কিন্তু এদিন নহয় এদিন সমাজবাদ প্ৰতিষ্ঠা হ'বই। পুঁজিবাদ খন্তেকীয়া এক স্থিতি। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই বিশ্বাস কৰে, পুঁজিবাদ যাব, সমাজবাদ প্ৰতিষ্ঠা হ'ব। নিপীড়িত জনগণৰ নিপীড়নৰ অন্ত পৰিব। পীড়িত জনগণে মুক্তি লাভ কৰিব।

এক সাৰ্থক জীৱন ঃ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ একাশী বছৰীয়া সুদীৰ্ঘ শৈশৱ-ছাত্ৰ-যৌৱন-পৌঢ় কালজোৰা জীৱনত- কাল সমৃদ্ধ অভিজ্ঞতা, চিন্তাধাৰা আৰু উপলব্ধিৰ সম্যক বিশ্লেষণ এটি সম্যক ভাবে দাঙি ধৰা টান। প্ৰতিভাবান এগৰাকী ছাত্ৰ, উদ্যমশীল এগৰাকী তৰুণ, প্ৰসিদ্ধ এগৰাকী আইনজীৱী, স্বাধীনতা যুঁজৰ এগৰাকী সাহসী যোদ্ধা, নিপীড়িতৰ হকে যুঁজ দিয়া এগৰাকী তৰুণ বিপ্লৱী, নিপীড়িতৰ কাৰণে কাৰাবৰণ কৰা অকলশৰীয়া কক্ষত (Cell) আৱদ্ধ এগৰাকী কাৰাবন্দীৰ বৰ্ণাঢ্য, বৈচিত্ৰ্যময় জীৱন বিশ্লেষণ সঁচাকৈ অতীৱ দুৰূহ কাম।

এনে এটি জীৱনৰ নিবিড় গভীৰতা আছে। সেই গভীৰতা ভেদ কৰি, অন্বেষণ আৰু অধ্যয়ন কৰি তত্ত্ববাণী উপলব্ধ কৰা প্ৰয়োজন। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ জীৱন এক সাৰ্থক জীৱন। ❑

লেখক অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী, প্ৰথিতযশা ৰাজনীতিজ্ঞ।

শ্ৰদ্ধাৰে দুআষাৰ

গোলাপ বৰবৰা

সুচেন্দ্ৰ নাথ ভূএগ্ৰা বয়সৰ পিনৰ পৰা চালে মোতকৈ এমাহৰ ডাঙৰ। কাৰণ মোৰ জন্ম ১৯২৫ চনৰ ২৯ আগষ্ট তাৰিখে গোলাঘাটত। সৰুৰে পৰা ডিগবৈ, তিনিচুকীয়া আদি বহু ঠাই বাগৰি শেষত কলকতাৰ পৰা কলেজীয়া শিক্ষা আধৰুৱাকৈ এৰি সক্ৰিয় ৰাজনীতিত জঁপিয়াই পৰো ১৯৪৭ চনৰ প্ৰথম কেইমাহৰ ভিতৰতে। অৱশ্যে তাৰ আগতে '৪২ ৰ গণআন্দোলনত হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ হৈ থাকোতেই সক্ৰিয়ভাৱে জঁপিয়াই পৰি শিক্ষা জীৱনৰ দুটা বছৰ হেৰুৱাব লগা হৈছিল।

সুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ নামটো শুনা আৰু কটন কলেজৰ ছুডমাৰ্চন হলত প্ৰয়াত ফণী বৰাৰ সৈতে ইংৰাজী ভাষাত বক্তৃতা দি থকা শুনাৰ লগতে মানুহজনৰ দীপ্ত চেহেৰাটো দেখিছিলো ১৯৪৬ চনৰ জুলাই নে আগষ্টৰ কোনোবা এটা তাৰিখত। ওপৰত উল্লেখ কৰামতে মই ১৯৪৫ চনৰ আৰম্ভণীতে কলকতাৰ বঙ্গবাসী কলেজত বিজ্ঞানৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হিচাপে ভৰ্তি হৈছিলোগৈ। ১৯৪৪ চনতে প্ৰথম বিভাগত মেট্ৰিক পাচৰ চাৰ্টিফিকেট লৈ ঘৰুৱা অসুবিধাৰ কাৰণে এবছৰ ডিগবৈত চাকৰি কৰাৰ পিচত ১৯৪৫-৪৭ বছৰ দুটা কলিকতা ৰাজনৈতিক উত্তেজনাৰ ক্ষেত্ৰ হৈ পৰিছিল। ৪৫ চন সোমোৱাৰ পৰা চৰকাৰে মহাত্মা গান্ধী প্ৰমুখ্যে ৪২ ৰ আন্দোলনৰ নেতা সকলক এজন-দুজনকৈ জেলৰ পৰা মুকলি কৰি দিছিল আৰু ভাৰতৰ স্বাধীনতা সম্বন্ধে ক্ৰিপচ্ মিছন, কেবিনেট মিছন আদি পঠিয়াই ভাৰতীয় নেতা সকলৰ লগত আলাপ আলোচনাও আৰম্ভ কৰিছিল। মুকলি হৈ অহাৰ পিচত কলিকতাৰ পৰা ৰেলেৰে এঘন্টামান দূৰত ছৈয়দপুৰ আশ্ৰমত গান্ধীজীৰ প্ৰাৰ্থনা সভা, খাচ কলিকতাৰ শ্ৰদ্ধানন্দ পাৰ্কত জৱাহৰলাল নেহৰুৱে এখন মহতী ছাত্ৰসভাত বক্তৃতাত কোৱা "If the British Empire wants yet to stick on, it is upto you and me to make it a miserable existance" আদি কথাবোৰ এতিয়াও মনত আছে। আৰু মনত আছে '৪৬ ৰ সেই মাহৰ শেষৰ ফালে মুছলিম লীগৰ প্ৰধান নেতা মঃ আলিয়ে সমাৱেশত

কৰা ঘোষণা —১৬ জুনৰ পৰা মুছলমান সকলৰ পৃথক ৰাষ্ট্ৰ পাকিস্থানৰ দাবীত 'প্ৰত্যক্ষ সংগ্ৰাম' আৰম্ভ কৰাৰ কথা। সেই 'প্ৰত্যক্ষ সংগ্ৰাম'ৰ নমুনা ১৬ জুনৰ ৰাতিপুৱা ৭ মান বজাত শুই উঠি টুথপেষ্টৰ সৈতে ব্ৰাচডাল মুখত ভৰাই তলৰ মহলাত হোষ্টেলত থকা সকলে মুখ-হাত ধোৱা আৰু গাধোৱা ঠাইত মুখ হাত ধুই ৰিডিং ৰুমত এঢলীয়া টেবুল কেইখন মানত ওলমাই থোৱা বাতৰি কাকত কিখনত চকু ফুৰোৱাৰ সময়তে। আন দুজনমান ছাত্ৰই ক'লে "আজি ৰাতি পুৱাৰ লগে লগে কেনিং লনত থকা বঙ্গবাসী কলেজৰ ওপৰলৈ উঠি মুছলিম লীগৰ স্বেচ্ছাসেৱক কেইজনমানে লীগৰ পতাকা উৰুৱাই ধ্বনি দিছে 'লড়কে লেঙ্গ পাকিস্থান'। তাৰ পৰা অলপ আগলৈ ঘাই পথত দাঁতিতে থকা ৰিপন কলেজৰ ওপৰতো এদল উঠি আহি লীগৰ পতাকা উৰুৱাই সংগ্ৰামৰ ধ্বনি দিছে। সেইদিনা পুৱাৰ পৰা কলকতা আৰু তাৰ উপকণ্ঠ অঞ্চলত ৩ দিন ধৰি হিন্দু-মুছলমানৰ সংঘৰ্ষ হ'ল। কটা-কটি, মৰা-মৰিৰ শেষ নাই। ৰাস্তাৰ দাঁতিত আৰু পাৰ্কবিলাকত মৰা শৰ দম বান্ধিলে। হিন্দু প্ৰধান অঞ্চলত মাজে মাজে ধ্বনি উঠে 'হৰ হৰ মহাদেৱ'। মুছলিম প্ৰধান অঞ্চলৰ পৰা 'আল্লাহু আকবৰ'। কেইবাদিনৰ কাৰণে কাৰ্ফু জাৰি কৰা হ'ল। দিনৰ বেলাতে এঘন্টামানৰ কাৰণে কাৰ্ফু শিথিল কৰা হয় বজাৰ-সমাৰ কৰাৰ কাৰণে। শান্তি প্ৰতিষ্ঠাৰ কাৰণে গভৰ্ণৰ বাৰোজৰ পৰামৰ্শমতে বংগ দেশৰ লীগ চৰকাৰৰ প্ৰধানমন্ত্ৰী ছুৰাৱৰ্দ্দী, কংগ্ৰেছ নেতা শৰৎ বসু, হিন্দু মহাসভাৰ শ্যামা প্ৰসাদ মুখাৰ্জী আদিয়ে লগ হৈ পুলিচ পহৰাত চহৰৰ বিভিন্ন অঞ্চলত ঘূৰি সভা-সমিতি কৰিবলগীয়াও হৈছিল। পৰিস্থিতি শান্ত হওঁতে সময় লাগিছিল। মানুহ আৰু মানুহৰ মাজত নিষ্ঠুৰ হত্যাকাণ্ড যিদৰে দেখিছিলো, সেইদৰেই সুস্থ মানৱতাও যে নাইকিয়া নহয় তাৰো প্ৰমাণ পাইছিলো — যি ঠাইত এদলৰ সংখ্যা বেছি, তাত কিছুমানে মিলি সংখ্যালঘিষ্ঠ সকলক গোপন আশ্ৰয় দি ৰক্ষা কৰিছিল।

২য় মহাযুদ্ধৰ সময়ত কটন কলেজৰ কেইবাটাও শ্ৰেণীকোঠা আৰু ব'ৰ্ডিং আদি চৰকাৰে মিলিটাৰী কেম্প হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ কাৰণে (হাইস্কুল আদিও লৈছিল) মেট্ৰিক পাচ কৰাৰ পিচত বহুতো অসমীয়া ছাত্ৰ কলিকতাৰ কলেজত পঢ়িবলৈ গৈছিল। কলিকতাৰ প্ৰত্যেকখন কলেজত ২০/২৫ জনৰ পৰা ৫০/১০০ জনলৈকে অসমীয়া ছাত্ৰ-ছাত্ৰী ভৰ্তি হৈছিলগৈ

আৰু তেওঁবিলাকক হোষ্টেলত থাকিবলৈ সুবিধাও দিয়া হৈছিল। ঘাইকৈ ব্ৰাহ্ম ধৰ্মলৈ দীক্ষিত হোৱা অভিজাত হিন্দু সকলে প্ৰতিষ্ঠা কৰা চিটি কলেজৰ মূল বিল্ডিং ডাঙৰ আছিল যদিও কিছুমান অসমীয়া ছাত্ৰ একেলগে থাকিব পৰাকৈ নৰ্থ চাৰ্কুলাৰ ৰোডৰ এটা গলিৰ ভিতৰত ভাড়াত লোৱা ঘৰ এটাত এটা হোষ্টেল পাতিছিল। তাতে বাস কৰিছিল যোৰহাটৰ ছাত্ৰ অসমীয়া আধুনিক কবিতাৰ বাটকটীয়া অমূল্য বৰুৱা। সেই হোষ্টেলটো বিপদজনক ঠাইত বুলি বিবেচনা কৰি কলেজ কৰ্তৃপক্ষই পুলিচৰ সহায় লৈ ডাঙৰ ট্ৰাক এখনেৰে সকলো কিজন ছাত্ৰ তাৰ পৰা আন নিৰাপদ ঠাইলৈ অনাৰ ব্যৱস্থা কৰিছিল। আন কিছুমান ট্ৰাকত উঠিলহি। অমূল্য বৰুৱা উঠিবলৈ অহাৰ পিচত তেওঁৰ মনত পৰিল যে সৰু বাকচ এটা আনিবলৈ পাহৰিলে। তাকে আনিবলৈ ঘৰটোৰ ভিতৰলৈ লৰ মাৰিছিল। ইতিমধ্যে ট্ৰাকৰ ড্ৰাইভাৰ আৰু লগত থকা পুলিচে দেখিলে যে ৰাষ্টাৰ আগফালে হাতত দা-তৰোৱাল, লাঠি আদি লৈ চিঞৰি চিঞৰি এদল দুস্কৃতিকাৰী আহি আছে। ট্ৰাক লৰালৰিকৈ চলাই দিলে। অমূল্য বৰুৱাই হাতত সৰু বাকচ এটা লৈ ওলাই আহোঁতে দুস্কৃতিকাৰীয়ে তেওঁক ছেও ছেও কৰি কাটিলে। প্ৰথম সংঘৰ্ষৰ দিনাই ৰিপন কলেজৰ হোষ্টেলৰ ওপৰৰ বাৰান্দাত থিয় দি চাই থাকোতে সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙৰ বাঙলাভাষী ছাত্ৰ এজনক তলৰ ঘাই পথটোৰ সিপাৰে বৈঠকখানাৰ গলিৰ মূৰৰ পৰা গুলিয়াই মাৰিলে। ৰিপন কলেজৰ হোষ্টেলৰে আন এজন অসমীয়া ছাত্ৰ শিৱসাগৰৰ ৰজনী ফুকন। গাত সাধাৰণ কূৰ্তা-পায়জামা এযোৰ পিন্ধি তলত পান দোকান এখনত পান-চিগাৰেট কিবা ল'বলৈ আহিছিল। সিফালৰ গলিৰ মূৰত থিয় দি থকা দুস্কৃতিকাৰীৰ দলে আগবাঢ়ি আহি তেওঁক গলিৰ ভিতৰলৈ টানি লৈ গ'ল। ফুকনে পিচে ধৈৰ্য আৰু উপস্থিত বুদ্ধি নেহেৰুৱালে। তেওঁ এনে ভাও দেখুৱালে যে তেওঁ অসমৰ গাঁৱৰ এজন দুখীয়া অসমীয়া মুছলমান ল'ৰা। কলিকতাত ফুৰিবলৈ আহিছিল হোষ্টেলৰ ল'ৰা এজনৰ আলহী হৈ কেইদিনমান থাকি। ইয়াত এইবোৰ কি হৈ আছে তেওঁ বুজা নাই। তেওঁক যিটো কোঠাত আবদ্ধ কৰি ৰাতিটো ৰখা হৈছিল তাৰ এচুকত বহুতো দা, তৰোৱাল, লাঠি, লোহাৰ ৰড আদি জমা কৰি থৈছিল। তেওঁৰ পহৰা দি থকা সকলে চাহ, বিস্কুট আদি খাবলৈ দিছিল। ৰাতিটো কোনোমতে মাটিত পাৰি দিয়া কাপোৰ এখনতে

শুই থাকিল। পিচদিনা আগবেলাতে তেওঁ অসমীয়া ভাষাতে পহৰাদাৰ আৰু আন কেইজনমান বয়স্ক মানুহক বুজালে যে তেওঁ অসমৰ মুছলমান মানুহ। ইয়াত এইবোৰ কটা-মৰাৰ কথাশুনি বৰ ভয় লাগিছে। ফুৰা-চকা বা কেনেকৈ কৰিম। মই আজিয়েই শিয়ালদহলৈ যোৱা ষ্টেচনত অসমলৈ যোৱা ৰেলত উঠিব খোজো। মোক আপোনালোকে শিয়ালদহলৈ যোৱা ঘাই আলিৰ মূৰত থৈ আগবঢ়াই দিয়ক। অসমীয়া ভাষাত এটা এটাকৈ কোৱা কথাকিটা শুনি বয়স্ককেইজন পতিয়ন গ'ল। ডেকা ল'ৰা দুজনমানক ক'লে তেওঁক গলিৰ মূৰত থৈ আহিবলৈ। সেইখিনিৰ পৰা ফুকনে লৰ মাৰি ঘাই ৰাস্তাটো পাৰ হৈ ৰিপন কলেজৰ চৌহদত সোমালগৈ। কেবাবছৰৰ পাচত শুনিবলৈ পাইছিলো ৰজনী ফুকন শিৱসাগৰত কমিউনিস্ট পাৰ্টিৰ কৰ্মী হৈছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই যোৰহাট কলেজৰ পৰা আই-এ আৰু কটন কলেজৰ পৰা বি-এ পাছ কৰি কলিকতালৈ গৈছিল। পাৰিলে কোনোবা কাগজৰ অফিচত চাকৰি এটা যোগাৰ কৰি কিবা উপাৰ্জনো কৰিব আৰু লগতে এম-এ পঢ়িব। তেওঁ Advance নামৰ সান্ধ্য দৈনিক এখনৰ Sub-Editor ৰ কাম পালে আৰু সেই কাগজৰ কৰ্মচাৰী থকা মেছ এটাত থকা-খোৱাৰ ব্যৱস্থা কৰিলে। কিন্তু হঠাৎ আৰম্ভ হোৱা এনে সাম্প্ৰদায়িক সংঘৰ্ষই কলিকতাত থকা অসমীয়া ছাত্ৰ সকলক চিন্তাত পেলালে। বিশেষকৈ প্ৰতিমাহে ঘৰৰ পৰা অহা সীমিত টকাৰ বাহিৰে বেছিকৈ পোৱাৰ সুবিধা নাই সেই সকলৰ। বীৰেন ভট্টাচাৰ্য্য আৰু মোৰ বাহিৰেও বহুতো অসমীয়া ছাত্ৰ অসমলৈ ঘূৰি আহিল। মই গুৱাহাটীতে ৰৈ কটন কলেজত নাম ভৰ্তি কৰিলো। এসপ্তাহমান এক নম্বৰ হোষ্টেলত তিনিচুকীয়াৰ হাইস্কুলত একেলগে পঢ়া বন্ধু লক্ষী গগৈৰ আলহী হৈ থাকি ক্লাচ কৰিলো। তাৰ পিচত ওচৰতে থকা ডনবস্কো হোষ্টেলৰ তেতিয়াৰ দিনৰ কাঠৰ চাং আৰু টিনৰ চালি দিয়া দুমহলীয়া দীঘল ঘৰটোত কোঠা এটা পাই তাতে থাকি নিয়মিত ক্লাচ কৰিছিলো। ডঃ বাণীকান্ত কাকতিৰ অসমীয়াৰ ক্লাছ, ডঃ সূৰ্য্য কুমাৰ ভূএগ্ৰাৰ ইংৰাজীৰ, সাৰদা শৰ্মাৰ ফিজিক্স আৰু কমলা ৰায়ৰ বোটানীৰ ক্লাছ কৰা মনত আছে। সেই সময়তে ছুডমাৰ্চন হলৰ তেতিয়াৰ বিল্ডিংটোত সুচেন ভূএগ্ৰাৰ ইংৰাজী ভাষাত দিয়া উদ্দাত্ত বক্তৃতা আৰু ফণী বড়াৰো বক্তৃতা শুনিছিলো। পিচে কটনিয়ান হৈ আছিলো মাত্ৰ কেইটামান মাহ। ইতিমধ্যে খবৰ পলো যে কলিকতাৰ অৱস্থা এতিয়া যথেষ্ট শান্ত আৰু

কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কলেজবিলাকৰ পৰীক্ষা নিৰ্দিষ্ট তাৰিখতে হ'ব। পূজাৰ বন্ধ শেষ হোৱাৰ আগে আগে গৈ আকৌ বংগবাসী কলেজৰ ২য় বাৰ্ষিকত ভৰ্তি হৈ কেনিং হোষ্টেলত থাকিবলৈ ললোঁ। মোৰ ৰুমমেট আছিল তিনিচুকীয়াৰ হৰেন্দ্ৰ নাথ শৰ্মা (যিজনে গুৱাহাটীৰ এগ্ৰিকালচাৰ আৰু ভেটাৰনেৰী কলেজৰ প্ৰিন্সিপাল হৈ অৱসৰ লৈছিল) । মোৰ কিন্তু এটা চিন্তা থাকি গ'ল যে কটন কলেজৰ ছাত্ৰ সভাত সুচেন ভূঞা আৰু ফণী বৰাৰ বক্তৃতাই প্ৰাক স্বাধীনতাৰ বছৰ দুটাত অসমতো যুৱ ছাত্ৰ সকলোকে সংগ্ৰামী ভাৱাপন্ন কৰি তুলিছিল।

আই-এছ-চি পৰীক্ষাত বহাৰ ৪ মাহৰ আগতে কলিকতালৈ ঘূৰি যোৱাত মোৰ এটাই মাত্ৰ লাভ হ'ল। কেন্দ্ৰীয় চৰকাৰে মূল কংগ্ৰেছী নেতাসকলৰ বাহিৰে কংগ্ৰেছৰ নামতে '৪২ ৰ আন্দোলনত পলাতক হৈ থাকি আন্দোলনটোক বেছি সতেজ কৰি ৰখা কংগ্ৰেছ সমাজবাদী, বিপ্লৱী কমিউনিষ্ট পাৰ্টি, ফৰোৱাৰ্ড ব্লক আদিৰ নেতা সকলক মুক্ত কৰি দিয়াৰ আগতেই পূৰ্বৰ সীমিত ভোটাধিকাৰৰ ভিত্তিতে প্ৰাদেশিক বিধান সভাবিলাকৰ নিৰ্বাচন পাতি প্ৰতি প্ৰদেশৰ একোখন চৰকাৰ পাতি লোৱা হ'ল '৪৬ ৰ জানুৱাৰীৰ প্ৰথম ভাগতে লগতে প্ৰাদেশিক বিধান পৰিষদৰ সদস্য সকলৰ মাজৰ পৰাই একোটা নিৰ্দিষ্ট কোটা অনুসৰি কেন্দ্ৰটো এখন সংবিধান চৰকাৰ সভা (Constitution Assambly) গঠন কৰি এটা কাম চলা চৰকাৰ গঠন কৰি লোৱা হ'ল— যাতে গণভোটৰ ভিত্তিত নিৰ্বাচন পতাৰ দাবীত আৰু সম্ভাব্য দেশ বিভাজনৰ বিৰোধে পিচত আন্দোলন নহয়। অৰুণা আচফ আলিয়ে ৪২ৰ ৯আগষ্টৰ পৰা পলাতক হৈ থাকি ১৯৪৬ চনৰ ২৬ জানুৱাৰীৰ দিনা কলিকতাৰ দেশপ্ৰিয় পাৰ্কৰ বিৰাট জনসভা এখনত প্ৰথমেই কৈছিল—"মোৰ নামত থকা গ্ৰেপ্তাৰী পৰোৱানা প্ৰত্যাহাৰ হৈছে নে নাই মই এতিয়াও নাজানো। তাৰ কেইদিনমানৰ পিচত দুবাৰকৈ জেলৰ পৰা পলাই আকৌ গ্ৰেপ্তাৰ হৈ লাহোৰ দুৰ্গত বন্দী অৱস্থাৰ পৰা মুক্ত হৈ অহা ডাঃ ৰাম মনোহৰ লোহিয়াৰ বক্তৃতাও শুনিলো । কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰভাঙ্গা বিল্ডিঙৰ সন্মুখৰ বিৰাট ছাত্ৰ সমাৱেশ এটাত সৌমেন্দ্ৰ নাথ ঠাকুৰৰ বক্তৃতাও শুনিলো। আই-এছ-চিৰ ফাইনেল পৰীক্ষা দিয়াৰ পিচতে তিনিচুকীয়াৰ নিজা

ঘৰলৈ ঘূৰি আহি কংগ্ৰেছ ছচিয়েলিস্ট পাৰ্টিৰ সংগঠনৰ কামত লাগি

পৰিলো। কিছুদিনৰ পিচত বন্ধু এজনে টেলিগ্ৰাম কৰি কলিকতাৰ পৰা জনাইছিল আই-এছ্-চি পৰীক্ষা প্ৰথম বিভাগত পাছ্ কৰিলো। তাৰ পিচতো উচ্চ শিক্ষা লোৱাৰ ইচ্ছা আছিল যদিও নানা কাৰণে সেইটো সম্ভৱ নহ'ল।

এইখিনিতে এটা কথা কৈ থোৱা ভাল। সুচেন ভূঞাৰ বিষয়ে লিখিবলৈ গৈ পৃষ্ঠভূমি হিচাপে অতবোৰ কথা লিখিব লাগে কিয়? মই মোৰ নিজৰ ঢোল কোবোৱা বুলিও কোনোবাই ক'ব পাৰে। কিন্তু অতবছৰৰ আগতে শুনা কটন কলেজৰ ছুডমাৰ্চন হলত দুজন ছাত্ৰ নেতাৰ বক্তৃতাৰ কথাটো মই আলোচনাৰ কেন্দ্ৰবিন্দু কৰি লৈছো কিয়? যেইকোনো দেশত বহু বছৰৰ মূৰতহে এটা ব্যাপক জনজাগৰণ হয়। যিটোৱে যুৱ মানসক ব্যাপক ৰূপে আলোড়িত কৰিব পাৰে। ১৯৪২ ৰ পৰা ১৯৪৭ লৈ এই বছৰকিটাৰ ৰাজনৈতিক ঘটনাৱলীয়ে তাকেই প্ৰমাণ কৰে। সকলো সময়ৰ সকলো মানুহ এটা কথাতে লাগি থাকিব নোৱাৰে। সেই সময়ত গান্ধীজীক কেন্দ্ৰ কৰি স্বাধীনতাৰ সংগ্ৰামত যোগ দিয়া বিভিন্ন মতৰ মানুহৰ এটা পক্ষ হৈছিল। কিন্তু সেয়ে যেন যথেষ্ট নাছিল। জাতি হিচাপে আমাৰ ক'ৰবাত কিবা দুৰ্বলতা আছিল। নহ'লেনো গান্ধীজীৰ বাহিৰেও নেহেৰু, পেটেল, ৰাজেন্দ্ৰ প্ৰসাদ,মৌলানা আজাদ, সীমান্ত গান্ধী, আব্দুল গফুৰ খানৰ দৰে অতবোৰ যোগ্য নেতা থাকোতে মহম্মদ আলি জিন্নাৰ নিচিনা সম্পূৰ্ণ পশ্চিমীয়া আদবকয়দাত থকা লোক এজনে মাত্ৰ ৭ বছৰৰ ভিতৰত সকলো ওলট-পালত কৰি পেলাব পাৰে কেনেকৈ? সেই জিন্নাও প্ৰথম অৱস্থাত কংগ্ৰেছত আছিল। বোম্বাইৰ কংগ্ৰেছ অফিচটোৰ নাম আছিল জিয়া হাউছ। সেই যুগত তেওঁ কংগ্ৰেছক মাহে এহাজাৰ টকাকৈ ছান্দা দিছিল।

সুচেন ভূঞা, ফণী বৰা আদিয়ে পুৰণি অসম ছাত্ৰ সন্মিলনৰ (Students Federation) প্ৰাক-স্বাধীনতাৰ বছৰ দুটাত সবল কৰাৰ চেষ্টাত আছিল। '৪৬ ৰ মাজভাগত ডিব্ৰুগড়ত নিবাৰণ বৰা প্ৰমুখ্যে আমি কিছুমানে ছাত্ৰ কংগ্ৰেছৰ অধিৱেশন পাতিছিলো। কংগ্ৰেছ আৰু ছচিয়েলিষ্ট চিন্তাধাৰাৰ লোকসকলে, আৰ-চি-পি-আই পন্থীসকলেও আমাৰ লগতে থাকি কাম কৰাৰ চুক্তি কৰিছিল। ছাত্ৰ কংগ্ৰেছৰ অধিৱেশন হৈ যোৱাৰ কেইদিনমান পিচতে সেইখন ডিব্ৰুগড়তে ছাত্ৰ ফেডাৰেছনৰো অধিৱেশন হৈছিল। ছাত্ৰ কংগ্ৰেছৰ অধিৱেশনত নগাঁও জিলাৰ প্ৰতিনিধি আন সকলো জিলাতকৈ বেছি আছিল।

এই কথাটোৱে প্ৰমাণ কৰে— সেই সময়ৰ অবিভক্ত নগাওঁ জিলা অসমৰ ভিতৰত আন জিলাতকৈ বেছি ৰাজনৈতিকভাৱে সচেতন জিলা আছিল।

দেশ স্বাধীন হোৱাৰ দুবছৰমানৰ ভিতৰতে সংগ্ৰামী ৰাজনীতিৰ বিৰাট কাঠামোটো খহি পৰিল। মানুহ নিজৰ ৰুচি মতে বা শিক্ষাগত অভিজ্ঞতাৰ ভিত্তিত বিভিন্ন কামত লাগি পৰিবলগীয়া হ'ল উপাৰ্জনৰ কাৰণে। 'প্ৰথমে ভাতকথা, তাৰপিচতহে হৰিকথা।' মই ওপৰত উল্লেখ কৰামতে নগাঁও জিলাৰে ছাত্ৰ ফেডাৰেছনৰ দুজন নেতাৰ এজন সুচেন ভূএগ্ৰা ওকালতিকে এটা সৎ ব্যৱসায় হিচাপে লৈ তাৰ মাজেদিও নিজৰ ঠাই কামপুৰৰ বা আন ব্যক্তি বা এলেকাৰ উন্নয়নৰ কাৰণে কাম কৰি কটালে প্ৰায় ৫৫ বছৰ। আনফালে ফণী বৰাই কমিউনিষ্ট পাৰ্টিত যোগ দি পাৰ্টিৰ ৰাজ্যিক আৰু সৰ্বভাৰতীয় কেইবাটাও পদত থাকি সৌ সিদিনা মৃত্যু বৰণ গ্ৰহণ কৰিছে।

মই নিজে ৰাজনৈতিক ক্ষেত্ৰত ৪০ দশকৰ আৰম্ভণীৰ পৰা প্ৰায় ৫৫ বছৰ কাম-কৰিও ভগা স্বাস্থ্যৰ কাৰণে আৰু নীতিগত কাৰণে দলীয় ৰাজনীতি আৰু নিৰ্বাচনত প্ৰতিদ্বন্দিতা নকৰো বুলি ১৯৯৬ ৰ নিৰ্বাচনৰ পিচতে ঘোষণা কৰিলো। তাৰ আগতে সক্ৰিয়ভাৱে ৰাজনীতি কৰোতেও বিপক্ষৰ লোকক অনাহক গালি-গালাজ পৰা নাছিলো। সকলো দলৰে নেতা বা কৰ্মীৰ সৈতে মোৰ ব্যৱহাৰ ভাল আছিল।

জৰুৰীকালিন অৱস্থা উঠোৱাৰ আগত লোকসভা নিৰ্বাচনৰ কাৰণে কিছু শিথিল হোৱাত নৱগঠিত জনতা পাৰ্টিৰ সভাপতি হিচাপে বিভিন্ন নেতৃস্থানীয় লোকক লগ পাবৰ কাৰণে গুৱাহাটীলৈ আহোতে হাইকোৰ্টৰ এড্‌ভোকেট সকলৰ বৈঠকখানাত আন কেবাজনৰ লগতে সুচেন ভূএগ্ৰাকো লগ ধৰিছিলো। তাৰ পিচতো কেতিয়াবা গুৱাহাটীলৈ আহোঁতে আমাৰ পাৰ্টিৰ জ্যেষ্ঠ নেতা, মোৰ বিশিষ্ট সহযোগী প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ আমবাৰীৰ ঘৰলৈ গ'লে ভূএগ্ৰাৰ ঘৰতো সোমাই তেখেতক মাত এষাৰ লগাই আহিছিলো। তেখেতৰ অমায়িক ব্যৱহাৰে মোক মুগ্ধ কৰিছিল। দীঘলীয়া ৰাজনৈতিক জীৱনত মই ভবা নাছিলো যে মই কেতিয়াবা অসমৰ মুখ্যমন্ত্ৰী হ'ম। ১৯৭৮ চনত বিধান সভা নিৰ্বাচনত সহযোগী পি টি চিৰ সৈতে জনতা পাৰ্টিয়ে ৫৮খন আসনত জয়লাভ কৰাৰ পিচত নিৰ্দলীয় সদস্য ছজনে আমাৰ বিধায়িনী দলত যোগ দিয়াত আমাৰ বহুমত হ'ল। বিধায়িনী দলৰ সভাত তিনিজনকৈ

কেন্দ্ৰীয় নেতাৰ উপস্থিতিত মোক বিধায়িনী দলৰ নেতা আৰু মুখ্যমন্ত্ৰী পতাৰ সিদ্ধান্ত গৃহীত হোৱাত দলৰ সদস্য সকলৰ বহুতৰ ওপৰত সুচেন ভূএঞাৰ দৰে দল নিৰপেক্ষ,সৎ লোকৰ পৰামৰ্শই প্ৰভাৱ পেলাইছিল।

১৯৭৮ চনৰ ১২ মাৰ্চত মই মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ কৰাৰ পিচতে মোৰ মনোনীত ৮ জন কেবিনেট আৰু ৪জন ৰাজ্যিক মন্ত্ৰীয়ে শপত গ্ৰহণ কৰে আৰু সেইদিনাৰ পৰাই আমাৰ চৰকাৰে নিয়মিত কামকাজ আৰম্ভ কৰে। অসমত প্ৰথমবাৰৰ কাৰণে কংগ্ৰেছ শাসনৰ অন্ত পেলাই বিৰোধী জনতা পাৰ্টিৰ চৰকাৰ গঠনৰ পিচত সুচেন ভূএঞা এদিন মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত মোক লগ পাবলৈআহিছিল। নিজৰ কাৰণে একো বিচাৰি নহয়, কেৱল মোক শুভেচ্ছা জনাবলৈ আৰু ৰাজহুৱা স্বাৰ্থৰ দুই-এটা কামৰ কথা ক'বলৈ। তেখেত যাবলৈ উঠাৰ সময়ত মই মাত্ৰ এটা অনুৰোধ কৰিছিলো—উজনি অসমত দেশী মদৰ দোকানবিলাকৰ লাইচেন্স প্ৰাপ্তিত বহু বছৰ ধৰি এটা পৰিয়ালৰ একছত্ৰী প্ৰভাৱ চলি আছে। আমাৰ চৰকাৰে সেইটো বন্ধ কৰিববলৈ লৈছে। প্ৰতিপক্ষ হয়তো আদালতলৈ যাব পাৰে। সেয়ে হ'লে আপোনাৰ সহায় বিচাৰিম। তেখেতে মাত্ৰ হাঁহি এটা মাৰিলে। আমাৰ চৰকাৰ ভগাৰ পিচত তিনিটাকৈ সংখ্যালঘিষ্ঠ চৰকাৰ আহিল আৰু গ'ল কম দিনৰ ভিতৰতে। তাৰ পিচত আকৌ হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত নিৰ্বাচিত কংগ্ৰেছী চৰকাৰ আহিল। শইকীয়াই ৮৫জন গ্ৰেজুৱেটক ৮৫টা ব্লকত বি ডি অ' কামৰ কাৰণে নিয়োগ পত্ৰ দিছিল আৰু নিৰ্দিষ্ট ব্লক সমূহত ল'ৰাহতে কাম কৰি আছিল। তাৰ পিচত দিল্লীত 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে হিতেশ্বৰ শইকীয়া চৰকাৰ ভাঙি দিলে বহুমত থকা সত্বেও। অসম বিধান সভাৰ পুনৰ নিৰ্বাচন পতা হ'ল। চুক্তিৰ স্বাক্ষৰকাৰী অসম ছাত্ৰ সন্থাৰ নেতাসকলে দিল্লীৰ পৰা ঘূৰি আহি লৰালৰিকৈ গোলাঘাটত এখন অভিৱৰ্তন পাতি অসম গণ পৰিষদ নামৰ এটা ৰাজনৈতিক দল গঠন কৰিলে। যিটোৰ নেতৃত্বত প্ৰফুল্ল মহন্ত, ভৃগু ফুকন আদিয়েই থাকিল। নিৰ্বাচনত অসম গণ পৰিষদ (অ গ প) জয়ী হ'ল আৰু প্ৰফুল্ল মহন্তক মুখ্যমন্ত্ৰী তথা ভৃগু ফুকনক গৃহ মন্ত্ৰী হিচাপে লৈ অ গ পই অসমত চৰকাৰ গঠন কৰিলে। অ গ প চৰকাৰ গঠন হোৱাৰ কিছুদিনৰ পিচতে হিতেশ্বৰ শইকীয়াই নিয়োগ কৰি থৈ যোৱা ৮৫জন বি ডি অ' ক বৰ্খাস্ত কৰা হ'ল। তাৰ ভিতৰত মোৰ ল'ৰা এটাও আছিল। মোৰ

ল'ৰাক কাম দিবৰ কাৰণে মই নিজে শইকীয়াক একো কোৱা নাছিলোঁ। মাত্ৰ বিভাগীয় ছেক্ৰেটাৰী কমল মজুমদাৰে প্ৰাৰ্থীৰ তালিকাখন শইকীয়াক দেখুৱাই সুধিছিল— ছাৰ, বৰবৰা ছাৰৰ ল'ৰা এটাৰ নামো আছে। কি কৰো ? শইকীয়াই হেনো তপৰাই ক'লে— দিব পৰা হয় যদি দিয়ক আকৌ। বৰবৰাই ৰাজনীতি কৰে, মইও ৰাজনীতি কৰোঁ; তাৰ কাৰণে আমাৰ ল'ৰাহঁতে কাম নাপাব কিয় ?

সেই ৮৫জন খেদা খোৱা বি-ডি-অ'ৰ মাজত আৰ-চি-পি-আই নেতা খগেন বেজবৰুৱাৰ ল'ৰা আৰু চি-পি-এম নেতা নবেন দত্তৰ ল'ৰাও আছিল। খেদা খোৱা ল'ৰাহঁতে চাকৰি ঘূৰাই পাবৰ বাবে বহুতকে আবেদন নিবেদন কৰি কোনো ফল নধৰাত আদালতৰ কাষ চাপিবলগীয়া হ'ল। গুৱাহাটী উচ্চ ন্যায়ালয়ত ল'ৰাহঁতৰ সপক্ষে ওকালতি কৰিছিল সুচেন ভূঞাই। গোচৰীয়া পক্ষৰ জয় হ'ল। চাৰি বছৰৰ পাৰ হৈ যোৱাৰ পিচত উচ্চ ন্যায়ালয়ে অসম চৰকাৰক নিৰ্দেশ দিলে ল'ৰাহঁতৰ চাকৰি ঘূৰাই দিবলৈ। লৰাহঁতে সকলোৱে মিলি তেওঁলোকৰ পক্ষৰ অধিবক্তা সুচেন ভূঞাক যোগ্য মাননী দিলে। কিন্তু সেই তালিকাত নাম থকা ভাস্কৰ বৰবৰা মোৰ ল'ৰা বুলি জানি 'মই গোলাপ বৰবৰাৰ ল'ৰাৰ পৰা পইচা ল'ব নোৱাৰো' বুলি সি দিয়া পইছাকিটা ঘূৰাই দিলে। সুচেন ভূঞাৰ মহানুভৱতাৰ এনে বহুত উদাহৰণ দিব পাৰি। কিন্তু প্ৰবন্ধটো বেছি দীঘল হ'ব কাৰণে তেখেতৰ দীৰ্ঘ জীৱন কামনা কৰি ইমানতে সামৰিলোঁ। ❑

লেখক অসমৰ এজন প্ৰাক্তন মুখ্য মন্ত্ৰী, প্ৰবীন সমাজবাদী নেতা।

আদৰ্শনিষ্ঠাৰে সমৃদ্ধ প্ৰাক্তন ছাত্ৰনেতা, বৰেণ্য ব্যক্তি

সুচেন্দ্ৰ নাথ ভূঞা

ড° দেৱ প্ৰসাদ বৰুৱা

আজিকালি সততে শুনা যায় যে মূল্যবোধৰ অৱক্ষয় ঘটিছে, আদৰ্শ যদি আছিল মানুহে পুৰি খাইছে, দুৰ্নীতি-ভ্ৰষ্টাচাৰ-অত্যাচাৰে সমাজখন ছানি ধৰিছে। মানুহে যে পদে পদে উজুটি খাবলগীয়া হয়, অনেকৰে ক্ষেত্ৰত আদৰ্শৰ অধঃপতন হয়, নীতি নিষ্ঠাৰ ঠাইত সুবিধা পালেই স্খলন ঘটে— এনেবোৰ পৰিস্থিতি বাৰু কি কি কাৰণত হয় আৰু হ'ব পাৰে? উপৰুৱা বক্তব্য-মন্তব্যই সাঁথৰটোৰ যে ভেদ ভাঙিব নোৱাৰে সেইটো জল্ জল্-পট্ পট্কৈ প্ৰমাণিত হৈ আহিছে ক্ৰমাগতভাৱে। দৈনন্দিন অভিজ্ঞতাই হয়তো তাকেই দেখুৱায়। লগতে এই কথাটোও তৰ্কাতীত ভাবে সত্য যে মূল্যবোধৰ অৱক্ষয়ে সাৰ্বজনীন ৰূপ পাব নোৱাৰে, নহ'লে অৱক্ষয়ৰ কথাটোৱেই নোলালেহেঁতেন। ব্যক্তি বা ব্যক্তিসমষ্টি অধঃপতিত হ'লেও বৃহত্তৰ মনুষ্য সমাজখন ভাল কাৰণেই পৃথিৱীখন জীয়াই আছে আগলৈ নৰ-নাৰীৰ তুলনামূলকভাৱে উন্নতৰ কৰ্ম-ব্যৱহাৰ, চলন-ফুৰণ তথা আচাৰ-ব্যৱহাৰৰ কাৰণে। ঋক্‌বেদৰ আপ্ত-বাক্য হৈছে 'একং সদ্ বিপ্ৰাঃ বহুধা বদন্তি' —সত্য এটাই, জ্ঞানীসকলে বেলেগ বেলেগভাৱে ইয়াৰ ব্যাখ্যা কৰে। বিজ্ঞানে এতিয়াও সকলো ব্যাখ্যা কৰিব পৰা মানক তত্ত্ব (Standard theory) উলিয়াব পৰা নাই, কিয়নো সত্যৰ দাবীদাৰ বহুতো, পদাৰ্থ বিজ্ঞানৰ লগতে আন আন বিজ্ঞানো। সবাৰো ওচৰত মানুহ সত্য কাৰণেই অংশ বিশেষৰ স্খলন হ'লেও অগণন মানুহ ভাল কাৰণেই শত-সহস্ৰ বাধা-বিঘিনি সত্ত্বেও মনুষ্য সমাজ জীয়াই আছে। ঘোৰ অন্ধকাৰৰ মাজতেই পোহৰৰ বাট দেখুৱায়। ইয়াক অৰ্থপূৰ্ণভাৱে অনুধাৱন কৰিব পৰা কাৰণেই জ্যোতিপ্ৰসাদে ১৯৪৭ চনতে তৰুণ-তৰুণীসকলক 'ভৱিষ্যতৰ নৱ জীৱনৰ আলোকপথৰ যাত্ৰী' বুলি অন্বেষণ কৰিছিল অসম ছাত্ৰ-সন্মিলনৰ বাৰ্ষিক অধিবেশনখনত। গতিকে পৰিস্থিতিগত নানা কাৰণত বিধ্বস্ত-বিপৰ্যস্ত হ'লেও আদৰ্শ তথা আদৰ্শতত্ত্ব জীয়াই থাকিব সকলো অমংগল-অসূয়া নামঞ্জুৰ কৰি।

সভ্যতাৰ যুগত শ্ৰেণীবিভক্ত সমাজখনত আদৰ্শৰ অধঃপতন তথা মূল্যবোধৰ অৱক্ষয় ৰাষ্ট্ৰ, দেশ, অঞ্চল বা ব্যক্তিৰ ক্ষেত্ৰত সম্ভৱ, আৰু এনেবোৰ হৈয়ো আহিছে। কোনোবাই সপোনতো ভাবিব পাৰিছিল নে যে সমাজতন্ত্ৰৰ মাতৃভূমি ছোভিয়েট ইউনিয়নৰ পতন ঘটিব ? অথচ সেই অত্যন্ত আশ্চৰ্যপূৰ্ণ দুৰ্ঘটনাটো ঘটি গ'ল। কিন্তু আদৰ্শৰ মৃত্যু ঘটিব নোৱাৰে কাৰণে আজিও মহাচীনকে ধৰি কেইখনমান ঠাইত সমাজতন্ত্ৰ বিজয়ী হৈয়ে আছে। ভাৰতৰ তথাকথিত 'নতুন অৰ্থনৈতিক নীতি' বুৰ্জোৱা সংবাদ মাধ্যম, পুঁজিবাদী বিশ্বায়নৰ স্তাবকবৰ্গৰ নানা কোহালিৰ মাজতো ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত 'চোশ্যালিষ্ট'(সমাজবাদী) শব্দটো এতিয়াও বৰ্তি আছে, কোনেও ইয়াক আঁতৰ কৰা দাবী তুলিবলৈ দুঃসাহস কৰিব পৰা নাই, নোৱাৰেও কিয়নো আদৰ্শতত্ত্ব চিৰবিজয়ী, মৃত্যুঞ্জয়ী। ই সমাজ বিৱৰ্তনৰ চালিকা শক্তি।

বিচ্যুতি অৱশ্যে ৰোধ কৰিব পৰা পদাৰ্থ নহয় আৰু ইয়াৰ কাৰণো আছে। ভাৰত চৰকাৰে নিযুক্তি দিয়া আয়োগ আৰু কমিটীৰ প্ৰতিবেদনতে ৰাজনীতি দুৰ্বৃত্তায়ন আৰু মাফিয়াতন্ত্ৰৰ বিষয়ে উনুকিওৱা হৈছিল। প্ৰথম কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ বিন্যাস তথা এই বিষয়ে চুপাৰিছ জনোৱাৰ কাৰণে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ৰাজত্বকালতে মিঃ জাহিদ আৰ. এছ্ ছাৰকাৰিয়াৰ নেতৃত্বত এটা তিনিজনীয়া আয়োগ গঠিত হৈছিল (১৯৮৩)। প্ৰকাশিত প্ৰতিবেদনখন বেছ দীঘলীয়া ; commission on centre-state relations, part I, ১৯৮৭, পৃ. সংখ্যা ৯৮৬)। আয়োগটোৱে সংবিধান সংশোধনৰ কাৰণে বা মূলগত পৰিৱৰ্তনৰ দিশে একো পৰামৰ্শ দিয়া নাছিল। সি যি কি নহওঁক, ছাৰকাৰিয়া আয়োগৰ প্ৰতিবেদনখনৰ প্ৰথম অধ্যায়ৰ একাংশত প্ৰাক্ স্বাধীনতা যুগৰ আৰু স্বাধীনতাৰ কালৰ নেতৃবৃন্দৰ ৰাজনৈতিক সংস্কৃতিৰ বিষয়ে এক বস্তুনিষ্ঠ, তুলনামূলক মন্তব্য দাঙি ধৰিছে, 'স্বাধীনতা যুগৰ বয়স্ক অগ্ৰজসকল সময় প্ৰৱাহৰ ফলশ্ৰুতিত ৰাজনৈতিক ক্ষেত্ৰৰ পৰা বিদায় লোৱাৰ পাছত বিশেষকৈ ৰাজ্যসমূহৰ কংগ্ৰেছ দলৰ সংগঠন প্ৰক্ৰিয়াত পৰিৱৰ্ত্তিত লক্ষণ দেখা গ'ল। নতুন ৰাজনৈতিক নেতাসকল তেওঁলোকৰ পূৰ্ববৰ্ত্তী লোকসকলতকৈ নিশ্চিতভাৱে পৃথক ধৰণৰ। তেওঁলোকৰ বয়স তুলনামূলকভাৱে কম, প্ৰাক্-স্বাধীনতা যুগৰ গান্ধীবাদী ঐতিহ্যৰ পৰা তেওঁলোক বহু আঁতৰত। স্বাধীনতা সংগ্ৰামৰ যুগত ৰাজনৈতিক জীৱনক জাতিৰ কাৰণে উৎসৰ্গীত জীৱন বুলি

ধৰা হৈছিল। কিন্তু এতিয়া ৰাজনৈতিক জীৱন মানে এটা ৰাজনৈতিক পেছা, ভিন ভিন অজুহাতে ক্ষমতা আৰু ধন সম্পদ গোটাই লোৱাৰ এটা উপায়হে (ছাৰকাৰিয়া আয়োগৰ ৰিপ'ৰ্টৰ প্ৰথম খণ্ড, ১. ৪.১৮)। দ্বিতীয়, গান্ধীজীৰ সপোনৰ ভাৰতবৰ্ষ সপোন হৈ বান্ধ খাই থাকিল। স্ব-স্বীকৃত গান্ধী শিষ্যসকলে ৰাজহুৱা ধনৰ ক্ষেত্ৰত লুটৰ ৰাজত্বহে স্থাপন কৰিলে। পৰৱৰ্ত্তী কালত শাসনলৈ অহা আন আন সকলৰ বুজন অংশই লুটৰ ৰাজত্বৰ 'নৱলব্ধ অভিজ্ঞতা'ৰে দুৰ্নীতিৰ নিত্য নতুন অভিলেখ স্থাপন কৰিলে। পৰিণতি ইমান ভয়াবহ হৈ উঠিল যে ভাৰত চৰকাৰৰ গৃহ বিভাগৰ তদানীন্তন সচিব এন এন ভোৰাৰ নেতৃত্বত গঠিত পাঁচজনীয়া কমিটিৰ প্ৰতিবেদনত দুৰ্নীতিৰাজৰ সাংঘাতিকতাৰে ভয়াবহ চিত্ৰখন প্ৰতিফলিত হ'ল -অপৰাধীৰ জোঁট (চিণ্ডিকেট)বোৰে নিজেই আইনত পৰিণত হৈছে; ভাৰাতীয়া গুপ্তঘাতক, পুলিচ, আমোলাতন্ত্ৰ আৰু ৰাজনীতিক বোৰৰ সংযোগ পৰিষ্কাৰভাৱে দেখা গৈছে, এই চিণ্ডিকেটবোৰ (বৃহৎ চোৰাং কাৰবাৰী) ইমানেই শক্তিশালী হৈ উঠিছে যে বাহুবলৰ জৰিয়তে আৰু সামাজিক মান্যতা আহৰণ কৰি এইবোৰে সকলো স্তৰতে চৰকাৰী প্ৰশাসন যন্ত্ৰটো কলুষিত কৰি তুলিছে, (ফলশ্ৰুতিত) ইহঁতে ইমানেই প্ৰভাৱ বিস্তাৰ কৰিছে যে অনুসন্ধানকাৰী ফৰিয়াদী কৰ্তৃপক্ষই ভীষণ অসুবিধাৰ সন্মুখীন হয়, আনকি ন্যায়িক ব্যৱস্থাটোৰ সদস্য বিশেষেও মাফিয়াৰ আলিংগনৰ পৰা মুক্ত হ'বলৈ সক্ষম হোৱা নাই। মাফিয়াৰ জাল প্ৰসাৰে কাৰ্যতঃ এটা সমান্তৰাল চৰকাৰ চলাই আছে, (আৰু) ই ৰাষ্ট্ৰযন্ত্ৰটোকে অপ্ৰাসংগিক কৰি virtually running a parallel government, pushing the state apparatus into irrelevence)-Vohra committee report, 5.10.1993; ইয়াত আলোচিত অংশবোৰৰ কাৰণে ৰিপ'ৰ্টটোৰ ৩.৩.৬.২ খ, আৰু ৬.৩। গণতন্ত্ৰৰ নামত মাফিয়াতন্ত্ৰৰ পয়োভৰ তথা দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ উৎস সম্পৰ্কে অধিক মন্তব্যৰ প্ৰয়োজন আছে নে?

এই লেখাটোৰ শিৰোণামাত আমি 'আদৰ্শনিষ্ঠা'ৰ শব্দটো ব্যৱহাৰ কৰিছোঁ কাৰণেই আদৰ্শ-বিচ্যুতিৰ উৎসবিলাকৰ বিষয়ে দুটামান দলিলবদ্ধ কথা উপস্থাপন কৰা হ'ল যাতে প্ৰকৃত আদৰ্শত অম্লানজ্যোতি উদ্ভাসিত জোৱাৰ অনুভূতিৰ পৰা আমি বঞ্চিত নহওঁ।

সুচেন ভুঞাদেৱক আমি 'আদৰ্শনিষ্ঠাৰে সমৃদ্ধ' ব্যক্তি বুলি সম্বোধিছোঁ

তথ্যভিত্তিক কাৰণত আইনজীৱী হিচাবে তেখেতৰ বৃত্তিধাৰী কৰ্মময় জীৱন বেছ দীঘলীয়া, ১৯৫৮ চনৰ পৰা প্ৰায় সিদিনালৈকে। সাম্ৰাজ্যবাদ বিৰোধিতাৰ শিকনি তেখেতে ছাত্ৰাৱস্থাতে পাইছিল। স্কুলীয়া ছাত্ৰ হিচাপেই তেখেতে ১৯৪২ চনৰ গণবিপ্লৱত গৃহ জিলা নগাঁৱত বিভিন্ন প্ৰকাৰে জড়িত হৈ পৰিছিল।এইজনা যুৱক স্বাধীনতা সংগ্ৰামীয়ে ছাত্ৰাৱস্থাতে সমাজ বিৱৰ্ত্তনৰ বৈজ্ঞানিক দৰ্শন মাৰ্ক্সবাদৰ প্ৰতি আকৃষ্ট হৈ কমিউনিষ্ট পাৰ্টিৰ (CPI) সদস্য হৈছিল। কমিউনিষ্ট হিচাপে প্ৰায় তিনিবছৰ কাল (১৯৪৮-৫১) ভূএগ্ৰাই পাৰ্টি বে-আইনী ঘোষিত হোৱা অৱস্থাত আত্মগোপনৰ কষ্টসাধ্য আণ্ডাৰগ্ৰাউণ্ড জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। তেনে অৱস্থাতে পুলিছে তেখেতক গ্ৰেপ্তাৰ কৰাত সফল হৈছিল যাৰ ফলত ১৪/১৫ মাহ কাৰাবাসো খাটিবলগীয়া হৈছিল। ১৯৫২ চনত জেলৰপৰা মুক্তি পোৱাৰ পিছত তেখেতে অসমাপ্ত ছাত্ৰ জীৱনলৈ উভটি আহি কালত সুখ্যাতিৰে স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ ছাত্ৰ হিচাপে সমান্তৰালভাবে আইন শাস্ত্ৰৰো অধ্যয়ন কৰি কালত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত আইনজীৱীৰ বৃত্তি গ্ৰহণ কৰে সৰ্বক্ষণৰ ভিত্তিত।

কাৰাজীৱন জিজ্ঞাসাৰ সমাপ্তিৰ প্ৰায় পিছৰে পৰা ভূএগ্ৰাই সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি আছিল স্বেচ্ছাই। তেখেতে পাৰ্টিৰ কাৰ্ডৰ নৱীকৰণ নকৰিলে। কিন্তু ছাত্ৰ জীৱনতে মাৰ্ক্সবাদৰ যি জীৱন দৰ্শন গ্ৰহণ কৰিছিল তাৰ পৰা অন্ততঃ চিন্তাজগতখনৰ পৰা তেখেত আঁতৰি থকা নাছিল। বামপন্থী আনুগত্যৰে ৰাজনীতি কৰা মানুহজনে এই পঞ্চাছ বছৰৰো অধিক কাল জুৰি কোনো ৰাজনৈতিক দল বা সংগঠনৰ সদস্যপদ লোৱা নাই। পুৰণি জীৱন দৰ্শন বাদ দি আন নীতিৰ অনুগামী হোৱা নাই। আইনজীৱী ভূমিকা পালনৰ সময়তে শুনামতে ভূএগ্ৰাক ফকৰুদ্দিন আলি আহমদ চাহাবে যথেষ্ট সহায় কৰিছিল। দুটাকৈ কংগ্ৰেছ চৰকাৰৰ দিনত তেখেতে অসমৰ মহাধিবক্তাও হৈছিল। চৰকাৰী ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণৰ বহুতো সুবিধা মুকলি হৈ থকা সত্বেও তেখেতে তেনে সুবিধাসুলভ পথ নললে, মোৰ দৃষ্টিত আদৰ্শনিষ্ঠাৰ কাৰণে। এই আদৰ্শনিষ্ঠাৰ স্বীকৃতি তেখেতে অৱসৰ জীৱনত পাইছিল। কিয়নো আগৰ ট্ৰেড ইউনিয়ন কৰ্মীসকলে আৰু তেওঁলোকৰ পৰৱৰ্তী কৰ্মীসমাজে একাধিক শ্ৰমিক সমাবেশলৈ তেখেতক বক্তা হিচাপে নিমন্ত্ৰণ

কৰিছিল, চি পি আই আৰু চি পি আই (এম)ৰ কিছুমান ৰাজহুৱা সভালৈও ভূঞাক বক্তা স্বৰূপে নিমন্ত্ৰণ কৰা হৈছিল আৰু তেনে নিমন্ত্ৰণ তেখেতে ৰক্ষা কৰি স্বভাৱসুলভ বাগ্মিতাৰে আগৰ দৰে মানুহক মুগ্ধও কৰিছিল। মই ব্যক্তিগতভাৱে চৰকাৰী স্বীকৃতিতকৈ জনসমাজৰ আন্তৰিক স্বীকৃতিক অধিকতৰ গুৰুত্ব দিওঁ কাৰণে এইখিনি লিখিলো এজন অনুজৰ অভিজ্ঞতালব্ধ উপলব্ধিৰে। ভূঞাই মাত্ৰ সিদিনা লিখিছিল যে তেখেতৰ আদৰ্শ 'বৈজ্ঞানিক সমাজবাদ (সমাজতন্ত্ৰ) আৰু এদিন নহয় এদিন সমাজবাদ প্ৰতিষ্ঠাই জনগণৰ মুক্তিৰ পথ হ'ব। সেইহে কওঁ যে পুঁজিবাদী বিশ্বায়নৰ ধামখুমীয়া গাঁতত সকলো নিমজ্জিত হোৱা নাই। সমাজত এতিয়াও অগণন লোক আছে যি মানুহে মানুহৰ ওপৰত কৰা শোষণৰ ওৰ পেলাই বিজয়ী সমাজবাদৰ নিচান উৰুৱাব বিচাৰে মানুহক মনুষ্যত্বৰ গৌৰৱেৰে গৰ্বিত কৰিবলৈ।

সুচেন ভূঞাই ছাত্ৰনেতাস্বৰূপে অসামান্য জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিছিল স্বকীয় প্ৰতিভাৰে। মই ভাবো যে এজন ভাল ছাত্ৰই নিজৰ কৃত্বিত্ব সফলভাৱে গ্ৰহণৰ উপৰিও সংগঠন, কথা কোৱাৰ কৌশল, তৰ্কশাস্ত্ৰত প্ৰখৰতা প্ৰদৰ্শন ইত্যাদি দিশতো প্ৰতিভাত কৰিব পাৰে। এইবোৰ দিশত ভূঞা এক জ্বলন্ত উদাহৰণ। ছাত্ৰনেতা হিচাবে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে অৰ্থ সংগ্ৰহ অভিযান, দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত আজাদ হিন্দ ফৌজ দিৱস, মুম্বাইৰ নৌ বিদ্ৰোহৰ (১৮ ফেব্ৰুৱাৰী ১৯৪৬) সমৰ্থনত ছাত্ৰ যুৱক সমাবেশৰ সংগঠন, হিন্দু-মুছলমানৰ একতা স্থাপনৰ হ'কে অভিযান, খাদ্যসংকটৰ সমাধানকল্পে ক'লা বজাৰৰ বিৰুদ্ধে অভিযান - ইত্যাদি বিষয়ত হোৱা নানা গণ অভিযানৰ অন্যতম ছাত্ৰ-যুৱক নেতা আছিল সুচেন ভূঞা, তেখেতে উদ্দীপনাময়ী তথা ওজস্বিনী বক্তৃতা দিব পাৰিছিল সহজাত প্ৰকাশভংগীৰে— ছাত্ৰ-ছাত্ৰী সমাজৰ তথা আন আন ৰাজহুৱা সভাৰ অনেকতে একালত সুচেন ভূঞাৰ বক্তৃতাই যেন ধমনীত বিজুলি সঞ্চাৰ কৰিছিল। তেখেতৰ জনপ্ৰিয়তা বাঢ়িছিল আৰু স্বাভাৱিকতে অসমৰ ভিন ভিন ঠাইলৈ বক্তৃতা প্ৰদানৰ কাৰণে সঘনে নিমন্ত্ৰণ আহিছিল। ফনী বৰাৰ পিছত সুচেন ভূঞাই এটা কালৰ কাৰণে ইতিহাস প্ৰসিদ্ধ অসম ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। সাধাৰণ সম্পাদক আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ ইউনিয়নৰ। তেখেতৰ কাৰ্য্যকালতে (১৯৫৫) পোন প্ৰথমবাৰৰ বাবে

আন্তঃ মহাবিদ্যালয় ক্রীড়া মহোৎসৱৰ সফল আৰু আড়ম্বৰপূৰ্ণ অনুষ্ঠান সংগঠিত হৈছিল। নানা অভিলেখ স্থাপনেৰে তেখেতৰ বাধাপ্ৰাপ্ত ছাত্ৰ-জীৱনৰ সফল পৰিসমাপ্তি ঘটিছিল।

আইনজীৱী হিচাপে আৰু বিশেষকৈ জ্যেষ্ঠ অধিবক্তা হিচাপে সুচেন্দ্ৰ নাথ ভূঞাই সুদীৰ্ঘ কৰ্মজীৱনত স্বচ্ছলতা লভি কালত এজন আঢ্যৱন্ত লোকত পৰিণত হয়। সক্ৰিয় ৰাজনীতি ত্যাগ কৰিলেও ভূঞাই সামাজিক দায়বদ্ধতাৰ পৰা অব্যাহতি লোৱা নাছিল। তেখেতৰ জন্মস্থান কামপুৰ। আঢ়ৈ বছৰ বয়সতে মাতৃহীন হৈ পৰা ভূঞাই তেখেতৰ মাতৃদেৱী শ্ৰীমতী ভূঞাৰ নামত কামপুৰ জাতীয় বিদ্যালয় ভৱনটো নিৰ্মাণ কৰি দিয়ে, প্ৰয়োজনীয় অৰ্থ দানেৰে। কামপুৰ ছোৱালী হাইস্কুলৰ এটা কোঠা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰীৰ জিৰণিঘৰ নিৰ্মাণৰ হকে অৰ্থ সাহাৰ্য্য দান ইত্যাদি ধৰি কামপুৰৰ শৈক্ষিক, বৌদ্ধিক, সামাজিক ক্ষেত্ৰত অগ্ৰগতি লাভৰ ক্ষেত্ৰত প্ৰয়োজন-ভিত্তিক আৰ্থিক সাহায্য কামপুৰৰ এই কৃতী সন্তানজনে আগবঢ়াইছিল। গুৱাহাটী ভূঞাৰ কৰ্মস্থান, বাসস্থান। ইয়াৰ শংকৰদেৱ নেত্ৰালয়ৰ কাৰণেও তেখেতে বেছ বুজন পৰিমাণৰ আৰ্থিক সাহায্য আগবঢ়াইছিল।

সু চেন্দ্ৰ নাথ ভূঞা এজন গুনী নাগৰিক। সংক্ষেপতে এইখিনি কথাৰে তেখেতলৈ জন্মদিনৰ হিয়া ভৰা ওলগ জনাই সুস্বাস্থ্যৰে দীৰ্ঘায়ু হোৱাৰ কামনা কৰিলোঁ। ❑

লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য।

সুচেন ভূঞাদেৱৰ সান্নিধ্যত

ড° হীৰেন গোহাঁই

অসমৰ এগৰাকী লব্ধপ্ৰতিষ্ঠ আইনজীৱী আৰু ৰাজ্যৰ প্ৰাক্তন এড্ভোকেট-জেনেৰেল সুচেন ভূঞাদেৱৰ নাম পূৰ্বে শুনিলেও তেখেতৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিলোঁ অসম আন্দোলনৰ সময়তহে।

সৰুতে তেখেতৰ নাম কাকতত প্ৰায়ে দেখিছিলোঁ। ১০/১২ বছৰ বয়সতে মফস্বলৰ মেল-মিটিংবোৰৰ বিৱৰণৰ মাজত 'সুচেন ভূঞা' বুলি নাম এটা পাইছিলোঁ। আমাৰ ধাৰণা হৈছিল নামটোৰ লগত চীনৰ কিবা সম্পৰ্ক আছে! বহু পিছতহে বুজিলোঁ নামটো আহিছে ৰামচন্দ্ৰৰ সেনাবাহিনীৰ অন্যতম বীৰ সেনাপতি 'সুসেন'ৰ পৰা। আৰু পিছত জানিলোঁ যে দেশ স্বাধীন হোৱাৰ কিছু আগৰ পৰা তেখেত এগৰাকী নিষ্ঠাবান যুৱনেতা আছিল আৰু বামপন্থী আন্দোলনৰ অন্যতম বিশিষ্ট আৰু দক্ষ নেতা আছিল। সদ্যপ্ৰয়াত ফণী বৰাদেৱৰ তেখেত ঘনিষ্ঠ সহকৰ্মী আছিল।

বামপন্থী সকল শিক্ষিত মধ্যবিত্ত সমাজৰ সন্দেহৰ পাত্ৰ হোৱা বাবে তেখেতসকলৰ অৱদান বা সুকীৰ্তিৰ কথা তেতিয়া (বা আজিও) সিমান স্বীকৃত বা সুবিদিত নাছিল। ফলত নিজৰ সতীৰ্থসকলৰ বাহিৰে তেওঁলোকৰ ত্যাগ আৰু দেশপ্ৰেমৰ কথা আনে বিশেষ গম নাপায় অথচ স্বাধীনতাৰ পিছত তেওঁলোকৰ প্ৰত্যাহ্বানৰ হেঁচাতে কংগ্ৰেছ চৰকাৰে কিছু জনকল্যাণমূলক কাম কৰিছিল বুলি ক'লে ভুল নহ'ব। আনকি স্বাধীনতাৰ বহুকাল পিছত হোৱা শোধানাগাৰ আন্দোলনৰ উদ্যোগো সমাজবাদী সকলৰ সহযোগত সাম্যবাদী সকলেই লৈছিল। কথাটো স্বৰ্গীয় ফণী বৰাদেৱৰ মুখত শুনা। গতিকে সুচেন ভূঞা ডাঙৰীয়াৰ তেনেবোৰ আন্দোলনত ভূমিকা তথা অৱদানৰ কথা তেতিয়াৰ সতীৰ্থসকলেই মোতকৈ ভালকৈ জানিব।

অসম আন্দোলনৰ সময়ত তাৰ মাজত প্ৰকাশ পোৱা বিপজ্জনক ফেছিবাদী প্ৰবণতাৰ বিৰুদ্ধে ৰাইজক সঁকিয়াবলৈ মই মোৰ নিজৰ খৰচত প্ৰকাশ কৰা ক্ষুদ্ৰ 'কলাখাৰ' নামৰ ব্যংগ-আলোচনী এখনকে মাধ্যম হিচাপে ল'লো। কাকতখনৰ চৰিত্ৰ সলনি কৰা হ'ল। বিভিন্ন বামপন্থী দলে আৰু

গণতান্ত্রিক ব্যক্তিয়ে আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিল। তেতিয়া ছপাৰ খৰচ আজিতকৈ বহুত তাকৰ আছিল যদিও আমাৰ দৰমহা বা আয়ৰ তুলনাত আছিল দুৰ্বহ। ৰাইজৰ পৰা দান-বৰঙণি লৈয়েই আৰু দুঃসাহসী কিতাপ-বিক্রেতা সকলৰ সমৰ্থনৰ জোৰত জোৰাফন্দা দি কাকতখন উলিয়াইছিলো। আশা কৰা বহুতো লোকে কৃপণালি কৰা দেখি মন কোঁচ খাইছিল। উজ্জ্বল ভাবমূৰ্তিৰ কোনো-কোনো লোকে টকা এশ দিয়েই চিৰজীৱনলৈ আমাক ধৰুৱা কৰা বুলি ভাবিছিল। সেই সময়ত ভূএগ্ৰাদেৱে উদাৰহস্তে আমাক কেইবাৰো সংকটৰ পৰা উদ্ধাৰ কৰিছিল।

আন্দোলন সম্পৰ্কে তেখেতৰ মত আছিল পৰিষ্কাৰ আৰু স্পষ্ট। সেই বিপদ সংকুল সময়ত — যেতিয়া আন্দোলন বিৰোধী মাত্ৰকে 'চি পি এম' আখ্যা দি শাৰীৰিক আৰু মানসিকভাৱে অশেষ নিৰ্যাতন কৰা হৈছিল, বহু লোকক নৃশংস উত্তেজনাৰে হত্যা কৰা হৈছিল সেই সময়তে আন্দোলনটোৰ কেন্দ্ৰবিন্দু গুৱাহাটী বিশ্ববিদ্যালয়লৈ আমাক লগ ধৰিবলৈ তেখেত কেইবাবাৰো আহিছিল। মোৰ সৰু ছোৱালী দুজনী সেই বাতাৱৰণত ভয়ত টেপা খাই থাকে, লগৰীয়া বিলাকে বিদ্রূপ আৰু অপমান কৰা বাবে সিহঁতৰ বিমৰ্ষ অৱস্থা দেখি ময়ো বিপন্ন বোধ কৰো। সেই সময়ত ভূএগ্ৰাদেৱে মোক তেখেতৰ ঘৰলৈ মাতি নি ভাতপানী খুৱাই মনত উৎসাহ ঘূৰাই আনিছিল। তেখেতৰ উষ্ণ মানৱীয় সহৃদয়তাৰ অংশীদাৰ আছিল তেখেতৰ সাদৰী পত্নী আৰু প্ৰাণোজ্জ্বল জীয়ৰী অনুলেখা (তেতিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰী)। সেই সময়ত দেশৰ স্বাৰ্থত বিসম্বাদী মত প্ৰকাশ কৰি থাকিবলৈ এনে কেইগৰাকীমান লোকেই আমাক মনোবল যোগাইছিল। দুই চাৰিটা কথাত তেখেতৰ পৰামৰ্শ লোৱাও মনত পৰে। ফোনত সপ্তাহত এবাৰ মানকৈ হ'লেও তেখেতৰ লগত আলাপ কৰিছিলো। 'কলাখাৰ' এনেকৈ দুই আঢ়ৈ বছৰমান জীয়াই আছিল।

আন্দোলন শাম কাটি অহাৰ পিছত সাধাৰণ অসমীয়া মানুহৰ ওপৰত পুলিচ, চি আৰ পিৰ অত্যাচাৰ আৰু আন্দোলনৰ পৰা তেওঁলোকৰ আকুল প্ৰত্যাশা উপলব্ধি কৰি মোৰ ধাৰণা হ'ল যে যদি ভাবাবেগৰ বাষ্পই তেওঁলোকৰ বিচাৰ ধোঁৱাকোঁৱা কৰিছিল, নিভাঁজ দেশপ্ৰেমৰেই আন্দোলনত জড়িত হৈ পৰিছিল। তেতিয়া আন্দোলনৰ বিৰোধিতা কৰি থাকিলেও কৰ্মী সকলৰ প্ৰতি মোৰ মন কুমলিছিল। কিন্তু ভূএগ্ৰা ডাঙৰীয়া আৰু বহু বিৰোধীয়ে আন্দোলনৰ

কণকঠিয়া সম্পূৰ্ণ নিৰ্মূল কৰাৰ সপক্ষে থাকিল। হয়তো তেখেতসকলে মোৰ মনোভাৱ ভুল বুজিছিল। সি যি নহওক তাৰ পিছত আমাৰ পৰস্পৰৰ প্ৰতি সন্মান আৰু সৌহাৰ্দ্দ্য অটুট থাকিলেও যোগাযোগ কমি আহিল।

তেখেতে চৰকাৰৰ এডভোকেট জেনেৰেল হিচাপে যোগ্যতাৰে দায়িত্ব পালন কৰা বুলি শুনিছিলোঁ। তেখেতৰ কাৰ্যকালত চৰকাৰে কেইবাটাও জটিল মোকৰ্দ্দমাত জড়িত হৈ পৰিছিল আৰু তেখেতে দক্ষতাৰে তাৰ জঁট ভাঙিছিল।

তেখেতৰ দীৰ্ঘজীৱন আৰু সু-স্বাস্থ্য কামনা কৰি এই স্মৃতিচাৰণ সামৰিছোঁ। ❑

লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ভূতপূৰ্ব মুৰব্বী অধ্যাপক আৰু কলা বিভাগৰ ডীন, বিশিষ্ট চিন্তানায়ক।

সুচেন্দ্ৰ নাথ ভূঞাৰ ব্যক্তিত্ব সম্পৰ্কে দু-এষাৰ

প্ৰমোদ গগৈ

সুচেন্দ্ৰ নাথ ভূঞাৰ একাশীতম জন্মদিন উপলক্ষে এখন গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ বাবে উদ্যোক্তা সকলক ধন্যবাদ জনাইছো।

সুচেন্দ্ৰ নাথ ভূঞাক অসম ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোতে লগ পোৱাৰ সৌভাগ্য হৈছিল। তেখেতে অসম ছাত্ৰ সন্মিলনৰ সভা সমিতিৰ বাবে শিৱসাগৰলৈ সঘনে অহাযোৱা কৰে। এবাৰ তেখেতে শিমলুগুৰি ৰেল ষ্টেচনৰ পৰা শিৱসাগৰলৈ আত্মগোপন অৱস্থাত আহিছিল। চৰকাৰৰ চোৰাংচোৱা বিভাগে তেখেতক গ্ৰেপ্তাৰ কৰাৰ বাবে বিচাৰি ফুৰিছিল। শিৱসাগৰ ৰেল ষ্টেচন পোৱাৰ আগতেই তেখেতে ৰেলৰ পৰা নামি পথাৰ এখন পাৰ হৈ টেক্নিকেল স্কুলৰ ছাত্ৰাবাসত আশ্ৰয় ল'লে। ছাত্ৰ সকলে তেখেতক গোপনে মেটেকাঘাটত আমাৰ ছাত্ৰ নেতাৰ ছাত্ৰাবাসলৈ স্থানান্তৰ কৰে। পুলিচৰ অভিযানৰ অৰ্থ হ'ল সেই সময়ত শিৱসাগৰ জিলাত অসম ছাত্ৰ সন্মিলনৰ যথেষ্ঠ প্ৰভাৱ আছিল। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ নেতৃত্বত অসম ছাত্ৰ সন্মিলনে ৰাজ্যখনৰ সকলো জিলাতে শক্তিশালী ছাত্ৰ সংগঠন ৰূপে আত্ম প্ৰকাশ কৰিছিল।

ভাৰতৰ কমিউনিষ্ট পাৰ্টিক বে-আইনী কৰাৰ পিছত তেখেতে বহুদিন শিৱসাগৰ জিলাৰ জেৰেঙা পথাৰৰ প্ৰয়াত কমৰেড্ ভৱ দত্তৰ পৰিয়ালৰ ম'হৰ খুটীত আত্মগোপন কৰি আছিল।

সুচেন্দ্ৰ নাথ ভূঞা এজন সুবক্তা, সমাজ সংগঠক আছিল। তেখেত ছাত্ৰ আৰু যুৱ সমাজক নিজ প্ৰতিভা, যুক্তিবাদী, তথ্যপূৰ্ণ আৰু তেজস্বী বক্তৃতাৰ দ্বাৰা আকৰ্ষণ কৰিব পাৰিছিল।

সুচেন্দ্ৰ নাথ ভূঞা পৰৱৰ্ত্তী কালত এজন বিশিষ্ট আইনজ্ঞ হিচাবে সকলোৰে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতে অসম চৰকাৰৰ এড্ভোকেট জেনেৰেল হিচাবে সু-খ্যাতিৰে দায়িত্ব পালন কৰিছিল।

সুচেন্দ্ৰ নাথ ভূঞাৰ একাশীতম জন্মদিনত তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। আমি আশাকৰো তেখেতে অসমৰ ৰাজনৈতিক পৰিৱৰ্তনত যথাযোগ্য অৰিহণা যোগাব। ❑

লেখক বিশিষ্ট চি পি আই নেতা আৰু অসমৰ এজন প্ৰাক্তন মন্ত্ৰী।

সাম্যবাদী সুচেন ভূঞা

বিষ্ণুপ্ৰসাদ

১৯৬৯ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰাৰ দুদিনমানৰ পাচতে আমাৰ অগ্ৰজ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা ডাঙৰীয়াৰ লগত মোৰ পৰিচয় হৈছিল। অৱশ্যে ছাত্ৰ ৰাজনীতিত জড়িত ব্যক্তি হিচাপে তেখেতৰ বিষয়ে মই আগৰে পৰা জানিছিলোঁ আৰু উচ্চ ন্যায়ালয়ত এজন প্ৰতিষ্ঠা লাভ কৰা উকীল বুলিও জানিছিলোঁ। আমি যেতিয়া গুৱাহাটী উচ্চ ন্যায়ালয়ত যোগদান কৰিছিলোঁ তেতিয়া উকীলৰ সংখ্যা আজিতকৈ বহুত কম আছিল। সেয়েহে প্ৰতিষ্ঠিত এড্‌ভোকেট সকলে নতুনকৈ অহা সকলক উৎসাহিত কৰাৰ উপৰি ভাইৰ দৰে মৰমো কৰিছিল। শ্ৰীভূঞাই মোকো সহৃদয়তাৰে চাইছিল আৰু সেই অনুক্ৰমে আমাৰ আত্মীয়তাও গঢ়ি উঠিছিল। আজিও আমাৰ মাজত সেই আত্মীয়তা বিৰাজমান।

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ কেইটামান গুণে মোক তেওঁৰ প্ৰতি বিশেষভাৱে আকৃষ্ট কৰিছিল। তাৰ ভিতৰত শ্ৰীভূঞাৰ দেশপ্ৰেম, অদমনীয় সাহসিকতা আৰু অফুৰন্ত কৰ্মোদ্যম উল্লেখনীয়।

ছাত্ৰ হিচাবে শ্ৰীভূঞা এগৰাকী মেধাৱী ছাত্ৰ আছিল। মেট্ৰিকত দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। কিন্তু দেশৰ স্বাধীনতা আন্দোলনৰ আহ্বানে কোমল মনৰ ছাত্ৰ অৱস্থাতে শ্ৰীভূঞাক আকৰ্ষিত কৰিছিল আৰু ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত নগাওঁ জিলাত বিভিন্ন আন্দোলনৰ কাৰ্যসূচীত তেওঁ জড়িত হৈ পৰিছিল। ছাত্ৰ সন্মিলনৰ যোগেদি বিভিন্ন আন্দোলনৰ মাধ্যমেৰে নিজকে সমগ্ৰ অসমতে ছাত্ৰ নেতা হিচাবে প্ৰতিষ্ঠিত হবলৈও সক্ষম হৈছিল। সেই সময়ৰ পৰাই শ্ৰীভূঞা মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু অসমত বাওঁপন্থী দলৰ জন্মলগ্নতে যোগদান কৰি পিছলৈ তেওঁ বাওঁপন্থী নেতা হিচাবে ও প্ৰতিষ্ঠিত হৈছিল।

১৯৪৮ চনৰ পৰা ১৯৫১ চনলৈ শ্ৰীভূঞাই আত্মগোপন কৰি ছাত্ৰ আৰু কমিউনিষ্ট আন্দোলনত অংশ গ্ৰহণ কৰি অদম্য সাহসৰ পৰিচয় দিছিল। আন্দোলনত যোগদান কৰাৰ বাবে পুলিচে গ্ৰেপ্তাৰো কৰিছিল

আৰু দেৰ বছৰকাল কাৰাবাসো কৰিবলগীয়া হৈছিল। কাৰণ সেই সময়ত আমাৰ নিজৰ চৰকাৰেও বাওঁপন্থী দলৰ আন্দোলনৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। তথাপি শ্ৰীভূএগ্ৰই পিছলৈ চোৱা নাছিল, পথচ্যুত হোৱা নাছিল। নিজৰ ৰাজনৈতিক ভাৱাদৰ্শত অটল আছিল আৰু নিজৰ সুখ-শান্তি, ভোগ-বিলাস আৰু ভৱিষ্যতৰ প্ৰতি চিন্তা বিহীন আছিল। গৰীৱ জনসাধাৰণৰ অৰ্থনৈতিক মুক্তি আন্দোলনত নিজকে উচৰ্গা কৰিছিল। স্বাধীনতা আন্দোলনৰ অংশগ্ৰহণকাৰীসকল যেনেকৈ দেশপ্ৰেমিক ঠিক তেনেকৈ অৰ্থনৈতিক আন্দোলনৰ সৈনিক সকলো দেশপ্ৰেমিক বুলি মই বিবেচনা কৰোঁ।

আন্দোলনত আত্মগোপন আৰু কাৰাবৰণেও শ্ৰীভূএগ্ৰক জীৱন জখলাত উঠাৰ আৰু জ্ঞান লাভৰ পৰা বিচলিত কৰিব পৰা নাছিল। গীতাৰ জ্ঞানযোগত এটা শ্লোক আছে। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল—

শ্ৰদ্ধাৱান্ লভতে জ্ঞানং তৎপৰঃ সংযতেন্দ্ৰিয়ঃ।

যিজন শ্ৰদ্ধাৱান,একনিষ্ঠ, তৎপৰ আলস্যবিহীন আৰু জিতেন্দ্ৰীয় তেঁৱেই জ্ঞান লাভ কৰে। একনিষ্ঠভাৱে আন্দোলনকাৰী হৈয়ো শ্ৰীভূএগ্ৰই জেইলৰ পৰা ওলাইয়ে কটন কলেজত নাম লগাই পুনৰ একনিষ্ঠ ভাৱে আলস্যবিহীন হৈ অধ্যয়নত ৰত হয় আৰু সুখ্যাতিৰে বি. এ. আৰু আইন পাচ কৰি ১৯৫৮ চনত ওকালতি ব্যৱসায় আৰম্ভ কৰিছিল। নিজৰ বুদ্ধিমত্তাৰ বাবে অতি কম সময়ত আইন ব্যৱসায়ত প্ৰতিষ্ঠিত হৈছিল আৰু দুবাৰকৈ অসমৰ এডভোকেট জেনেৰেল পদত অধিষ্ঠিত হৈছিল। নিজৰ ঐকান্তিকতা, দক্ষতা আৰু পাৰদৰ্শিতাৰ বাবে এনে বিৰল স্বীকৃতিৰ অধিকাৰী হৈছিল।

শ্ৰীসুচেন্দ্ৰ নাথ ভূএগ্ৰই কাৰ্ল মাৰ্ক্সৰ বৈজ্ঞানিক সমাজবাদত বিশ্বাস কৰিছিল। সেয়ে কমিউনিষ্ট দলৰ সদস্য হৈ মেহনতী জনতাৰ হকে মাত মাতিছিল যে মেহনতী জনতাৰ অৰ্থনৈতিক মুক্তি হ'ব লাগে। যি উৎপাদন কৰে তেঁৱেই উৎপাদনৰ আহিলাসমূহৰ অধিকাৰী হ'ব লাগে। সম্পদত সকলোৰে সম অধিকাৰ থাকিব লাগে। ইয়ে সাম্যবাদ বা বৈজ্ঞানিক সমাজবাদৰ মূল কথা। গান্ধীজীয়েও সেই একে কথাকে কৈছিল। দৰিদ্ৰ নাৰায়ণ মাটিৰ অধিকাৰী হ'ব লাগে। সেই লক্ষ্যত উপনীত হ'বলৈ মাৰ্ক্সে হিংসাৰ পথ অৱলম্বনৰো পোষকতা কৰিছিল। কিন্তু গান্ধীজীয়ে হিংসাৰ

পথ বিৰোধিতা কৰিছিল আৰু অহিংস আন্দোলনত অটল আছিল। লক্ষ্য কিন্তু এটাই আছিল। ছাত্ৰ আৰু যৌৱনকালত মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি থকা বিশ্বাসৰ লগতে জীৱনৰ শেষৰ ফালে শ্ৰী ভূঞাই গান্ধীজীৰ দৰ্শনৰ প্ৰতিও বিশেষভাবে আকৃষ্ট হোৱা দেখা গৈছে। ❑

লেখক এগৰাকী প্ৰাক্তন সাংসদ।

সুচেন ভূঞাক লগ পোৱাৰ কথা

কেশৱ মহন্ত

যোৱা শতিকাৰ চল্লিছৰ দশকটোৰ আগভাগত কটন কলেজত পঢ়িবলৈ আহোঁ। তেতিয়া এই কলেজত তিনিটা ছাত্র সংগঠন আছিল— ছাত্র কংগ্রেছ, ছাত্র ফেডাৰেশ্যন আৰু প্রাদেশিক ছাত্র ফেডাৰেশ্যন। এই তিনিটা সংগঠনৰ নেতৃত্বৰ শীর্ষ স্থানত আছিল ক্রমে বিশ্ব গোস্বামী, ফণী বৰা আৰু তৰুণসেন ডেকা। ছাত্র ফেডাৰেশ্যনৰ নেতৃত্বত ফণী বৰাৰে সমসাময়িক আনগৰাকী শীর্ষস্থানীয় নেতা আছিল শ্রীসুচেন ভূঞা।

ছাত্র ফেডাৰেশ্যনৰ কর্মনীতি প্রণয়ন কৰা আৰু তৰ্জ্জনিত কর্মধাৰা অনুসৰণত যিসকলে নেতৃত্ব দিছিল। সুচেন ভূঞা আছিল সেইসকলৰ অন্যতম। সেই সময়ত দেশ তথা ছাত্র সমাজত দেখা দিয়া সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক সমস্যাবোৰ সমাধানৰ ক্ষেত্রত ছাত্র সমাজে আগভাগ লৈছিল। এনেবোৰ ক্ষেত্রত শ্রীভূঞাৰ অগ্রগামী ভূমিকা ছাত্র সংগঠনটোৰ কাৰণে অন্যতম প্রেৰণা আছিল। তেখেতে ছাত্রসকলৰ আগত দিয়া ভাষণ বৰ সাৱলীল আছিল। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে সমান অনর্গলতাৰে তেখেতে ভাষণ দিয়া শুনিছিলো।

ভাৰতবর্ষত অনুষ্ঠিত নির্বাচন পদ্ধতিত থকা কেৰোণ গুচাবৰ কাৰণে তেতিয়া দেশজুৰি বিতর্ক আৰম্ভ হৈছিল। অসমতো তাৰ প্রভাৱ পৰিছিল। আমাৰ প্রচলিত নির্বাচন পদ্ধতিৰ বিকল্প হিচাপে দেশৰ বুজনভাগ এটাই (Propotional representation with single transferable vote) নামৰ নির্বাচন পদ্ধতিটো গ্রহণ কৰিব লাগে বুলি পৰামর্শ দাঙি ধৰিছিল। পদ্ধতিটো আকৌ স্থানীয় গতিকে গ্রহণযোগ্য হ'লেও তাৰ প্রয়োগ প্রণালী সম্পর্কে বিতংভাৱে জনা লোক কম আছিল। সেই বিষয়টোৰ আলোচনা, বিশেষকৈ ছাত্র সমাজৰ মাজত কৰিবৰ বাবে ছাত্র ফেডাৰেশ্যনে সিদ্ধান্ত গ্রহণ কৰে। সেই সিদ্ধান্তমতে ছাত্রসকলৰ মাজত আমি আলোচনাত প্রবৃত্ত হওঁহক। এই ক্ষেত্রত ফণী বৰা আৰু সুচেন ভূঞাৰ ভূমিকা আছিল আগশাৰীৰ। তেখেতসকলে ইমান্ তন্ন তন্নকৈ বিষয়টোৰ জটিল অংশবোৰো ফঁহিয়াই

দেখুৱাব পাৰিছিল যে নিজ ইচ্ছামতে দুই-চাৰি গৰাকী আমাৰ শিক্ষাগুৰুৱেও শ্ৰোতা হিচাপে ভাগ লৈ সপ্ৰশংস সন্তোষ পোৱা দেখিছিলো।

সেই সময়ত সমাজৰ এচাম লোকৰ মাজত উগ্ৰ জাত্যাভিমানী চিন্তাই গা কৰি উঠিছিল আৰু ছাত্ৰ সমাজকো তাৰ ঢৌৱে কোবাই গৈছিল। আমি ছাত্ৰ ফেডাৰেশ্বনৰ তৰফৰ পৰা তাৰ বিৰোধিতা কৰি সম্প্ৰীতিৰ বাতাৱৰণ সৃষ্টি কৰিবৰ কাৰণে আগবাঢ়িছিলো। এই ক্ষেত্ৰত মানসিকভাৱে নালাগে শাৰীৰিকভাৱেও লাঞ্চিত হ'বলগীয়াত পৰিছিলো। আমাৰ এই মানৱীয় প্ৰতিবাদৰ আগভাগত আমাৰ নেতা সকলো আছিল। তাৰ ভিতৰত জিলিকি আছিল সুচেন ভূঞা।

তেতিয়া সমগ্ৰ ছাত্ৰসমাজৰ মাজত দেশাত্মবোধৰ ভাবটোৱে ছাত্ৰ সমাজৰ সন্মুখত দেখা দিয়া সমস্যাৰ ক্ষেত্ৰত ছাত্ৰসমাজৰ কাম-কাজৰ প্ৰেৰণাৰ থল হিচাপে কাম কৰিছিল। তেতিয়া আজিৰ দৰে সমাজ-চালনাৰ ধমনীত ভ্ৰষ্টাচাৰৰ তেজ বৈ থকা নাছিল যদিও, চোৰাং কাৰবাৰীৰ দৰে সমাজদ্ৰোহী লোকৰো অভাৱ নাছিল। তেতিয়া ৰাজ্যত বিশেষকৈ গুৱাহাটীত, চোৰাং কাৰবাৰে সমাজত সৃষ্টি কৰা চৰা দাম আৰু দ্ৰব্যৰ অভাৱে সমাজত হাহাকাৰ সৃষ্টি কৰিছিল। ছাত্ৰ সমাজে ইয়াৰ বিৰুদ্ধে সজাগ হৈ কামত নামিছিল। তেওঁলোকে এজন ৰাজস্থানী ব্যৱসায়ীৰ গুদামত ৫০০ টিন ভেজাল মিঠাতেল ধৰা পেলাই জব্দ কৰিছিল। এই সমাজদ্ৰোহীক যথোচিত শাস্তি বিহিবৰ বাবে কটন কলেজৰ তিনিওটা ছাত্ৰ-সংগঠনে কান্ধত কান্ধ মিলাই এক মুখে ধ্বনি তুলিছিল। ঘটনাক্ৰমত বিষয়টো আদালতত উঠিছিলগৈ। যথাসময়ত মোকৰ্দমা আৰম্ভ হৈছিল। ছাত্ৰই ধ্বনি তুলিছিল, কোনো উকিলে যাতে এই চোৰাং বেপাৰীজনৰ পক্ষে আদালতত ওকালতি নকৰে। কিন্তু দেশৰ কি দুৰ্ভাগ্য, ওকালতি ব্যৱসায়ত 'ধান পূৰীয়া কঠাল' জাতীয় অধিবক্তা জনদিয়েকে চোৰাং কাৰবাৰীজনৰ পক্ষে মাত মাতিবলৈ আৰম্ভ কৰে, ছাত্ৰসকলে আদালত কক্ষলৈ উঠি পকী ছিৰিত শুই দি বাধা দিছিল, কিন্তু এই সকল আইনজ্ঞই প্ৰতিবাদকাৰী ছাত্ৰক চেৰাই গৈ আদালত কক্ষত প্ৰৱেশ কৰিছিল। ছাত্ৰসকলে কিন্তু প্ৰতিবাদৰ এনে এক ঢৌ তুলিছিল, যি জোৱাৰৰ পৰ্যায় পাইছিলগৈ। উপায়ান্তৰ হৈ মোকৰ্দমাটো কলিকতাৰ আদালতলৈ ঠেলি দিয়া হৈছিল আৰু তাত প্ৰমাণ হৈছিল যে সেই পাঁচ টিন মিঠাতেল আচলতে ভেজাল মিঠাতেল নাছিল,

সেয়া আছিল তিচিতেলহে। কটন কলেজৰ ছাত্ৰ সমাজৰ এই ঐক্যবদ্ধ প্ৰচণ্ড সংগ্ৰাম এইদৰে আইনৰ সহায়ত ব্যৰ্থ হৈছিল। কিন্তু মানুহৰ মনৰ যি কোনো পৰাজয়ৰ গ্লানি বহন কৰা নাছিল, বৰং এই সমাজদ্ৰোহীৰ বিৰুদ্ধে তীব্ৰ ঘৃণাৰহে সৃষ্টি কৰিছিল।

শ্ৰীভূঞাক আমি এই সংগ্ৰামতো নেতা হিচাপে পাইছিলো।

বোম্বাই (মুম্বাই) মহানগৰৰ কামগৰ ময়দামত ৰাজহুৱা সভা-সমিতি পতাটো নিষিদ্ধ কৰি ব্ৰিটিছ চৰকাৰে আদেশ জাৰি কৰিছিল। নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনে এই বে-আইনী আইন ভঙ্গ কৰিবলৈ দেশৰ ছাত্ৰ-সমাজলৈ উদাত্ত আহ্বান জনাইছিল। সেই আহ্বানত অসমেও সঁহাৰি জনাইছিল আৰু আমি ছাত্ৰ ফেডাৰেছনৰ নিৰ্ধাৰিত সদস্যৰ দল এটা তালৈ গৈছিলো। তাত পুলিচৰ প্ৰচণ্ড বাধা ভাঙি আমি ময়দামত প্ৰৱেশ কৰিছিলো। এনে কাৰ্যত আমি প্ৰহৃতও হৈছিলো, কিন্তু প্ৰতিটো প্ৰহাৰে আমাৰ মনৰ বল বহুগুণে বৃদ্ধি কৰিছিল। আমি পুলিচৰ বেষ্টনী ভেদ কৰি ভিতৰত সোমোৱাৰ পিছত এখন সভা পাতিছিলো। পুলিচেও শক্তি অনুযায়ী বাধা প্ৰয়োগ কৰিছিল। এজন হাকিম জাতীয় বিষয়াই আমাক শান্ত হ'বলৈ বাৰে বাৰে অনুৰোধ কৰিছিল। আমি সেই অনুৰোধ উপেক্ষা কৰাত হাকিমে শেষ সাৱধানবাণী শুনাই কৈছিল, আমি যথাবিহিত কৰিবলৈ বাধ্য হ'ম। তেওঁলোক বাধ্য হ'ল আৰু আমাৰ গালৈ টিয়াৰ গেছৰ গুলী নিক্ষেপ কৰিলে। আমি প্ৰায় সকলোৱেই কম-বেছি পৰিমাণে গুলীৰ আঘাত পাইছিলো। শ্ৰীভূঞা এই সংগ্ৰামতো আগ শাৰীত আছিল।

আমি ভালে কেইজনে এসময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (CPI) ৰ সদস্য পদ লাভ কৰিছিলোঁ। ১৯৪৮ চনত আমাৰ পাৰ্টি বে-আইনী ঘোষিত হৈছিল। পাৰ্টি নেতৃত্বৰ প্ৰায়ভাগেই আত্ম-গোপন কৰিছিল। সুচেন ভূঞাও সেই সকলৰ এজন আছিল। আমি, বিশেষকৈ পোৱাল বৰুৱা, মানিক শৰ্মা আৰু মই সম্পূৰ্ণ গা ঢকা নিদিয়াকৈ পাৰ্টিৰ নিৰ্দেশত প্ৰয়োজনীয় কামত ভাগ লৈছিলোঁ। ইতিমধ্যে এটা সময়ত পোৱাল আৰু মোক গ্ৰেপ্তাৰ কৰা হৈছিল। শ্ৰীভূঞাই তেতিয়াও পুলিচৰ চকুত ধুলি দি গোপনে পাৰ্টিৰ কাম কৰি ফুৰিছিল। আমি জেলত ৩ বছৰৰ সামান্য অধিক কাল কটাব লগাত পৰিছিলো।

সেই সময়ছোৱাত শ্ৰীভূঞাক লগ পোৱা নাই, কিন্তু খবৰ পাই আছিলো।

এতিয়াও তেখেতক লগ পাওঁ। তেখেত এতিয়া 'পাৰ্টি'ত সক্ৰিয়ভাৱে নাই বুলিয়েই জানো। কিন্তু সমাজ-সচেতন, প্ৰগতিশীল ব্যক্তি হিচাপে কমিউনিষ্ট পাৰ্টি তথা বামপন্থী চিন্তা আৰু কৰ্মৰ প্ৰতি তেখেত সহানুভূতিশীল। ❑

লেখক বিশিষ্ট কবি আৰু গীতিকাৰ।

মোৰ ছাত্ৰ- সুচেন্দ্ৰ নাথ ভূঞা

অধ্যাপক আশ্ৰফ আলি

২৫/১২/০৪ তাৰিখে মোৰ বাসভৱনলৈ অসম হাই কোৰ্টৰ বয়োজ্যেষ্ঠ অধিবক্তা আৰু অসম চৰকাৰৰ প্ৰাক্তন Advocate General শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা আৰু তেখেতৰ লগত আন এগৰাকী অধিবক্তা শ্ৰীদুলন চন্দ্ৰ নাথ আহি মোক অনুৰোধ কৰিছিল যে মই মোৰ এগৰাকী স্বনামধন্য কটন মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰৰ জীৱনৰ কিছু কথা লিখি ২০০৫ চনৰ ফেব্ৰুৱাৰী মাহৰ তাৰিখৰ ভিতৰত পঠাব লাগে। শ্ৰীদুলন চন্দ্ৰ নাথেও মোৰ এগৰাকী প্ৰাক্তন ছাত্ৰ বুলি পৰিচয় দিয়াত মই আনন্দিত হৈছিলো। তেখেত সকলে মোলৈ দিয়া চিঠিত উল্লেখ আছে যে অহা ২০০৫ চনৰ ২৯ জুলাইত সমাজ সেৱক আৰু গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, বিশিষ্ট আইনজীৱী শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা দেৱৰ একাশীতম জন্ম দিৱস উপলক্ষে তেওঁৰ শুভাকাঙ্খীসকলে এখন ৰাজহুৱা সভাত সুচেন্দ্ৰ ভূঞাৰ জীৱন আৰু কৰ্মৰ সকলো দিশ সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰিব।

মোৰ ছাত্ৰ, অধিবক্তা শ্ৰীসুচেন্দ্ৰনাথ ভূঞাৰ বয়স আৰু মোৰ বয়স বৰ্তমান ৮২ বছৰত সোমাইছে, প্ৰায় ওচৰা-উচৰি হ'ব। ঠিক সেইদৰে গুৱাহাটী বি বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ প্ৰমোদ চন্দ্ৰ ভট্টৰ বয়সো মোৰ ওচৰা ওচৰি। আকৌ 'নাম নাই' আলোচনীৰ মুখ্য সম্পাদক মেজৰ সত্যব্ৰত লহকৰো মোৰ ছাত্ৰ যদিও, তেওঁ মোতকৈ ২ বছৰৰ ডাঙৰ। কাৰণ হয়তো এইটোৱে হ'ব যে মই প্ৰায় ১৪ বছৰ ৬ মাহ বয়সতে ১৯৩৮ চনত মেট্ৰিক পাচ কৰিছিলো। ১৯৪৪ চনত এম, এ পৰীক্ষাত উত্তীৰ্ণ হওঁ যেতিয়া প্ৰথমে অসমৰ অন্তৰ্ভুক্ত চিলেট জিলাৰ নামজ্বলা মহাবিদ্যালয় মুৰাৰিচান্দ কলেজত প্ৰবক্তা হিচাপে অসম চৰকাৰে মোক নিযুক্তি দিয়ে। সেই কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ৫/৬ জন ছাত্ৰৰ বয়স, হয় মোতকৈ ডাঙৰ, নহয় বা ওচৰা-উচৰি হ'ব বুলি মোৰ অনুমান হৈছিল। সেইকাৰণে প্ৰথম দিনা চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰৰ ক্লাচ ল'বলৈ ৰুমত প্ৰৱেশ কৰিয়েই তেওঁলোকক My dear Friends বুলিহে সম্বোধন কৰিছিলো। গতিকে আজি মই মেজৰ সত্যব্ৰত লহকৰ আৰু অধিবক্তা শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাকো মোৰ হয় বন্ধু নহয় ভাতৃ বুলিহে ভাবো। বৰঞ্চ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী একে পৰ্যায়তে পৰে বুলি মই ভাবো।

সুচেন্দ্ৰ ভূঞাৰ জন্মস্থান ক'ত সঠিকভাবে মই নাজানিলেও সাধাৰণতে ভূঞা উপাধিৰ আৰু বৰা উপাধিৰ লোক সকল নগাওঁ জিলাৰ, শইকীয়া, বৰুৱা, গোহাঁই আদি উপাধিৰ লোকসকল যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু উত্তৰ লক্ষীমপুৰৰ, নাথ উপাধি লোৱা সকল গোৱালপাৰা আৰু ডেকা,কলিতা আদি উপাধিধাৰী লোক সকল মঙ্গলদৈ, ৰঙিয়া, নলবাৰী আৰু দাস উপাধিধাৰী সকল বৰপেটা জিলাৰ। হয়তো মোৰ ধাৰণা ভুল হ'বও পাৰে। যি কি নহওঁক সুচেন্দ্ৰ নাথ ভূঞাক মই এজন চৰিত্ৰবান, মেধাবী, তীক্ষ্ণবুদ্ধিসম্পন্ন ছাত্ৰ বুলিয়েই ভালদৰে জানো। তেওঁ জন্মতে সোণৰ চামুচ মুখত লৈ নিশ্চয় জন্মা নাছিল। অৰ্থাৎ তেওঁকোনো উচ্চ ধনী পৰিয়ালৰো সন্তান নহয় যেন মোৰ অনুমান হয়। সাধাৰণভাৱে পোছাক পৰিচ্ছদ পিন্ধি কলেজলৈ আহিছিল, তেওঁৰ মাৰ্জিত ব্যৱহাৰে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এগৰাকী বিশিষ্ট বন্ধুৰূপে পৰিচয় দিব পাৰিছিল। এটা সৰল সহজ জীৱনৰ ভাবধাৰাৰে সমাজৰ মঙ্গল সাধনাত ব্ৰতী হ'বলৈ দৃঢ় সংকল্প লৈ সুচেনে উচ্চ ডিগ্ৰীৰ লগতে আইনৰ লগতে আইন মহাবিদ্যালয়ৰ পৰা কৃতিত্বৰে LL.B. ডিগ্ৰী লাভ কৰে। চৰকাৰী চাকৰিৰ মোহ ত্যাগ কৰি বাওঁপন্থী আদৰ্শত ব্ৰতী হৈ অৰ্থাৎ দুখীয়া, নিপীড়িত জনসাধাৰণৰ বহুমুখী সমস্যাবোৰ আঁতৰাবলৈ দৃঢ় সংকল্পলৈ নিজৰ কৰ্মময় জীৱন আৰম্ভ কৰি, অসমৰ কোৰ্ট কাছাৰীত ঘাইকৈ দুখীয়া জনসাধাৰণৰ হৈ ওকালতি কৰি নিজৰ গুণ, দক্ষতা, বাক্‌পটুতা দেখুৱাব পাৰিছিল। এগৰাকী আগশাৰীৰ যোগ্য Advocate হোৱা হেতুকে কিছু কালৰ বাবে ভূঞাই অসমৰ Advocate জেনেৰেল ৰূপে নিজৰ কৰ্মদক্ষতা ৰাইজক দেখুৱাবলৈ সক্ষম হৈছিল। নিৰহংকাৰী, সহজ-সৰল ঘাইকৈ জনতা দৰদী জনসেৱক ৰূপে সুচেন ভূঞাই, জাতি ধৰ্ম-বৰ্ণ আৰু যি অসমত স্থায়ীভাবে বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠী আৰু ভাষা-ভাষী লোকৰ মাজত এগৰাকী আগশাৰীৰ নিৰ্ভীক, সৎ, সত্যবাদী, নাগৰিক হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে ; যি বোৰ গুণ আজি কালি ভালেমান উচ্চ শিক্ষিত যুৱক-যুৱতীৰ মাজত দেখা পোৱা নাযায়। শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাই নতুন প্ৰজন্মৰ বাবে অধিবক্তা আৰু জনতাৰ সেৱক ৰূপে পৰিচয় দিব খোজা যুৱক-যুৱতীৰ বাবে এগৰাকী আদৰ্শবান ব্যক্তি বুলি মই অন্তৰৰে বিশ্বাস কৰো। লগতে ইয়াকো ক'ব বিচাৰো যে সুচেন ভূঞাই বাওঁপন্থী আদৰ্শ গ্ৰহণ কৰিও ধৰ্মীয় ভাবধাৰাৰ প্ৰতি তেওঁ কাহানিও উদাসীন নাছিল। সমাজত সত্য, ন্যায় প্ৰতিষ্ঠা কৰাটোহে তেওঁৰ

জীৱনৰ একমাত্ৰ আদৰ্শ। মহান খোদাই সুচেন্দ্ৰ নাথ ভূঞাক কমেও এশ বছৰ পূৰ্ণ কৰিবলৈ সুযোগ দিবলৈ কুণ্ঠিত নহ'ব বুলি মোৰ ধাৰণা। ❑

বিঃ দ্রঃ— *আজিকালিৰ ভালেমান ধাপাবাজ উকিল বা Advocate ৰ দৰে উকিল বা Advocate হিচাবে শ্ৰীসুচেন নাথ ভূঞাই চৰকাৰ অথবা কোনো মক্কেলৰ Case লৈ court ত হাজিৰ নহৈ অথবা ঘৰতে আইনৰ কিতাপ (Reference case আদি) অধ্যয়ন নকৰি, চৰকাৰ অথবা ব্যক্তিগত মক্কেলৰ ধন লুটাত ভূঞা অভ্যস্ত আছিল বুলি তেখেতৰ কোনো শত্ৰুৱেই বুকুত হাত দি ক'ব পাৰিব বুলি ক'বলৈ সক্ষম নহ'ব।*

লেখক কটন মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ।

পুৰণি কথাৰে শুভেচ্ছা

অৱনী বৰঠাকুৰ

৮০ বছৰৰ দেওনা পাৰ হৈয়ো সুচেন ভূএগ সচল আৰু সক্ৰিয়। দেখি, ভাবি ভাল লাগে। একালৰ অগ্ৰজ সতীৰ্থ। একেই আদৰ্শৰ পিছ লৈ নানা দুখ-কষ্টৰ মাজেদি একেলগে এক নাতিদীৰ্ঘ পৰিক্ৰমা। কিছুদূৰ আহি অৱশ্যে ভূএগৰ পথ সলনি হ'ল, হ'লেও সি সম্পূৰ্ণ বিপৰীতমুখী হোৱা নাই। নাই হোৱা মনৰ বেছি ব্যৱধান। সেয়ে, ভূএগৰ ৮১ বছৰীয়া জন্মদিন পালনৰ আয়োজনৰ বতৰা পাই আনন্দ পাইছো। ভূএগলৈ অভিনন্দন জনাইছো, লগতে শুভেচ্ছা। সেই সুযোগতে পুৰণা দিনৰ অলপ কথা।

নাজিৰা হাইস্কুলত পঢ়ি থকা অৱস্থাতে ১৯৪৪-৪৫ৰ সময়তে প্ৰয়াত ফণী বৰা আৰু সুচেন ভূএগৰ নাম শুনিছিলো। দুয়োজন অসম ছাত্ৰ সন্মিলনৰ নেতা। সময়টো আছিল ২য় মহাযুদ্ধৰ সামৰণি পৰ্ব, যুদ্ধোত্তৰ যুগৰ আৰম্ভণি। '৪৫-'৪৬ ৰ সেই সময়ছোৱাত আমাৰ দেশ এক সুকীয়া ধৰণৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত উত্তাল। ছাত্ৰ ধৰ্মঘট, শ্ৰমিক ধৰ্মঘট, পুলিছ-মিলিটেৰীৰ বিদ্ৰোহ, সাম্ৰাজ্যবাদী শাসকৰ লাঠি-গুলীৰে প্ৰত্যুত্তৰ। সেইছোৱা সময়ত কটন্ কলেজৰ ছাত্ৰ বৰা আৰু ভূএগই আমাৰ ৰাজ্যত সেই সাম্ৰাজ্যবাদ বিৰোধী ছাত্ৰ সংগ্ৰামত যোগ্য ভূমিকা পালি আগশাৰীৰ ছাত্ৰনেতা হিচাপে পৰিগণিত হৈছিল। বৰা আৰু তেওঁৰ সোঁহাত স্বৰূপ ভূএগ দুয়ো লগলাগি অসম ছাত্ৰ সন্মিলন (ছাত্ৰ ফেদাৰেচন)ক '৪২ ৰ প্ৰতিক্ৰিয়াত হোৱা এঘৰীয়া অৱস্থাক আঁতৰাই এক বহল, সংগ্ৰামী আৰু ৰাজ্যৰ প্ৰধান ছাত্ৰ সংগঠনত পৰিণত কৰিবলৈ সক্ষম হয়। '৪২ ৰ গণসংগ্ৰামৰ পৰা যুক্তিসঙ্গত কাৰণত ভাৰতৰ কমিউনিষ্ট পাৰ্টি আঁতৰি থকাক কেন্দ্ৰ কৰি কু-চক্ৰী মহলে কমিউনিষ্ট পাৰ্টি আৰু ছাত্ৰ ফেদাৰেচনে বৃটিছৰ লগত সহযোগিতা কৰি বিশ্বাসঘাটকতা কৰা বুলি অপবাদ আৰু কুৎসা ৰটি কমিউনিষ্ট সকলক মধ্যবিত্ত আৰু বিশেষকৈ ছাত্ৰ সমাজৰ পৰা এঘৰীয়া কৰিছিল। আমাৰ ৰাজ্যত '৪৫-'৪৬ৰ সেই সময়ছোৱাত সাম্ৰাজ্যবাদ বিৰোধী ছাত্ৰ সংগ্ৰামত আগভাগ লৈ এই দুয়োৰে সেই এঘৰীয়া অৱস্থা আঁতৰাবলৈ সক্ষম হ'ল। তেতিয়াৰ পৰিস্থিতিত ই বৰ গুৰুত্বপূৰ্ণ আছিল।

সেই সময়তে ১৯৪৪ চনৰ শেষৰ ফালে ভূঞাক লগ পাওঁ। শিৱসাগৰৰ কালুগাঁৱত অনুষ্ঠিত জিলা ছাত্ৰ ফেডাৰেচনৰ বাৰ্ষিক সন্মিলনত। বৰা আৰু ভূঞা দুয়ো সন্মিলনত যোগ দিছিলহি প্ৰাদেশিক কমিটিৰ নেতা হিচাপে। বৰা তেতিয়া বোধহয় অসম ছাত্ৰ সন্মিলনৰ (ছাত্ৰ ফেদাৰেচন) সাধাৰণ সম্পাদক, চিদা শইকীয়াই অব্যাহতি লোৱাৰ পিছতে। প্ৰতিনিধি সভাৰ আলোচনাৰ গুৰি ধৰাৰ উপৰিও সন্মিলনৰ শেষৰ দিনা আহুত ৰাজহুৱা সভাত দুয়োজনে ভাষণ দিয়ে। দুয়োজনৰ তেজস্বী আৰু সাৱলীল ভাষণত শ্ৰোতা সমুদায় মোহিত হৈছিল। সেই সভাতেই এজন সুবক্তা হিচাপে ভূঞাৰ পৰিচয় পাইছিলো।

ভূঞাক দ্বিতীয়বাৰ লগ পালো ১৯৪৬ চনৰ শেষৰ ফালে। সেই বছৰৰ নবেম্বৰ-ডিচেম্বৰ মাহত দিল্লীত নিখিল ভাৰত ছাত্ৰ ফেদাৰেচনৰ বাৰ্ষিক সন্মিলন। অসমৰ পৰা(তেতিয়াৰ খাচি-জয়ন্তীয়া পাহাৰ আৰু মণিপুৰকো ধৰি) ৫০জন মান প্ৰতিনিধি ওলাইছিল। শিৱসাগৰৰ পৰা শ্ৰীযুত চন্দ্ৰ ভূঞা আৰু মই গৈছিলো। পিছত আৰু দুজন গৈছিল যদিও কিবা দুৰ্বিপাকত পৰি তেওঁলোক নাপালে গৈ। ভূঞা আছিল প্ৰতিনিধি দলৰ নেতা। ফণী বৰা কাৰ্যনিৰ্বাহকৰ সদস্য হিচাপে দিল্লীলৈ আগতেই গৈছিল। ভূঞাক তেতিয়া দেখিছিলো সকলো প্ৰতিনিধিৰ লগতে হাঁহি ধেমালি কৰি, তেওঁলোকৰ খোৱা-বোৱাৰ তদাৰক কৰি তৃতীয় শ্ৰেণীৰ দীঘলীয়া আমনিদায়ক যাত্ৰা সুগম কৰি তোলা। ভূঞা তেতিয়া প্ৰতিষ্ঠিত ছাত্ৰ নেতা। কিন্তু তেওঁৰ ভিতৰত কোনো কোনোৰ ক্ষেত্ৰত হোৱাৰ দৰে সেই 'নেতা-নেতা' ভাব-ভঙ্গী দেখিবলৈ পোৱা নাছিলো আৰু অনুজসকলে সেয়ে সহজে তেওঁৰ লগত মিলি যাব পাৰিছিল। সেইছোৱা সময় আছিল অতি জটিল। এহাতে স্বতঃস্ফূৰ্ত সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম তুঙ্গত, আনহাতে সেই জাগৰণ মষিমূৰ কৰাৰ কাৰণে সাম্ৰাজ্যবাদী চক্ৰান্তত দাম্ভিক বিভীষিকাৰ তাণ্ডৱ। সেই চক্ৰান্তৰেই আন এক দিশ হ'ল নগা পাহাৰত ফিজোৰ নেতৃত্বত বিদ্ৰোহৰ পূৰ্বাভাষ। এই সন্মিলনৰ পৰা সাম্ৰাজ্যবাদী চক্ৰান্তৰ বিৰুদ্ধে সাম্প্ৰদায়িক ঐক্য-সম্প্ৰীতি আৰু জাতীয় সংহতিৰ কাৰণে সক্ৰিয় প্ৰচেষ্টা চলাবলৈ ছাত্ৰ সমাজক আহ্বান জনোৱা হ'ল। অসমৰ প্ৰতিনিধি হিচাপে নগা সমস্যা সম্পৰ্কে

বিশদ আলোচনা কৰি তেওঁলোকৰ লগত সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰাৰ আহ্বানেৰে সন্মিলনত গৃহীত প্ৰস্তাৱটো উত্থাপন কৰে। এই সন্মিলনৰ পিছতেই অসম ছাত্ৰ সন্মিলনৰ তৰফৰ পৰা ফণী বৰাৰ নেতৃত্বত এটা শুভেচ্ছা মিশ্যন নাগা পাহাৰলৈ যায়, ভূএগুও মোৰ যিমান দূৰ মনত পৰে, সেই মিশ্যনৰ এজন সদস্য আছিল।

১৯৪৭ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ অসমৰ বিভিন্ন জিলাৰ পৰা অহা আমি ভালেকেইজন ছাত্ৰ ফেদাৰেছনৰ কৰ্মী কটন কলেজত ভৰ্তি হৈ আগৰে পৰা পঢ়ি থকা পোৱাল বৰুৱা, কেশৱ মহন্ত, চন্দ্ৰ বৰা, মাণিক শৰ্মা, জীতেন বৰকটকী আদিৰ লগ লাগো আৰু কলেজত ছাত্ৰ ফেদাৰেচনৰ এটা শক্তিশালী গোট গঠন হয়। মোৰ অৱশ্যে ঘৰুৱা অসুবিধাৰ বাবে আহি পোৱা পলম হৈছিল, ফলত বিজ্ঞান শাখাৰ সীমিত আসন শেষ হ'ল আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সত্বেও প্ৰায় বিমুখ হ'ব লগা হ'ল। কিন্তু ইতিমধ্যে ছাত্ৰ-ছাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য কৰি কটন কলেজত বিজ্ঞান আৰু কলা উভয় শাখাতে আসন বৃদ্ধিৰ কাৰণে ভূএগ্ৰা আৰু ছাত্ৰ ফেদাৰেচনৰ (প্ৰয়াত) গোলোক ৰাজবংশী, বীৰেন বৰকটকী আদিৰ নেতৃত্বত হোৱা আন্দোলনৰ ফলত তেতিয়াৰ প্ৰধান মন্ত্ৰী (এতিয়াৰ মুখ্যমন্ত্ৰী) বৰদলৈ ডাঙৰীয়াই আসন সংখ্যা বৃদ্ধিৰ সিদ্ধান্ত লয়। আসনৰ সংখ্যা বৃদ্ধি হোৱাতহে মই ভৰ্তি হোৱাৰ সুবিধা পাওঁ। এই সময়ছোৱাত বৰা আৰু ভূএগ্ৰাৰ নেতৃত্বত অসম ছাত্ৰ সন্মিলনৰ প্ৰভাৱ ৰাজ্যৰ সকলো জিলালৈকে বিয়পি পৰে আৰু বিশেষকৈ দৰং, নগাঁও, গোলাঘাট, শিৱসাগৰ আৰু ডিব্ৰুগড়ত সংগঠন শক্তিশালী হয়। ছাত্ৰ ফেদাৰেচন কাৰ্যতঃ অসমৰ একমাত্ৰ ছাত্ৰ সংগঠনত পৰিণত হয়।

ভূএগ্ৰাই সেই বছৰত বি.এ.পৰীক্ষা দিব লাগিছিল যদিও ছাত্ৰ ফ্ৰন্টৰ বাবে তেওঁৰ প্ৰয়োজন থকাত পাৰ্টিৰ নিৰ্দেশনাত পৰীক্ষাত বহাৰ পৰা বিৰত থাকে। ১৯৪৮ চনত কমিউনিষ্ট পাৰ্টিক চৰকাৰে নিষিদ্ধ ঘোষণা কৰে আৰু তাৰ লগতে ছাত্ৰ ফেদাৰেচনো বে-আইনী ঘোষিত হয়। আন বহুতো পাৰ্টি নেতাৰ দৰে ভূএগ্ৰায়ো আত্মগোপন কৰিব লগা হয়। সেই অৱস্থাতে তেওঁ বিভিন্ন জিলালৈ গৈ ছাত্ৰ ফেদাৰেচনৰ কৰ্মী সকলক দিহা পৰামৰ্শ দিছিল। এই সময়ৰ এটা ঘটনাৰ উল্লেখ কৰা এই প্ৰসঙ্গত প্ৰয়োজন।

শিৱসাগৰৰ জাঁজী হাইস্কুলত আমাৰ এটা শক্তিশালী গোট আছিল। এটা নিচেই সাধাৰণ কাৰণত স্কুল কৰ্তৃপক্ষই ছাত্ৰ ফেডাৰেচনৰ সেই স্কুল শাখাৰ সম্পাদক কমল গগৈক স্কুলৰ পৰা বহিষ্কাৰ কৰে। তাৰ প্ৰতিবাদত স্কুলৰ ছাত্ৰ সকলে ধৰ্মঘট কৰে। ছাত্ৰ কংগ্ৰেছৰ এমুঠি ছাত্ৰ(প্ৰায়খিনিয়েই আঢ্যবন্ত ঘৰৰ)ৰ বাহিৰে সকলো ছাত্ৰই ধৰ্মঘটত যোগ দিয়ে। সেইখিনি সময়তে জাঁজীৰ জকাইচুক গ্ৰেজিঙত অস্থায়ী ঘৰ-দুৱাৰ সাজি, খেতি-বাতি কৰা শতাধিক পৰিয়ালক সেই মাটিৰ পৰা উচ্ছেদ কৰিবলৈ চৰকাৰে হাতী লগাই ঘৰ-দুৱাৰ ভাঙি, লহপহকৈ বাঢ়ি অহা শস্য গচকাই অবৰ্ণনীয় অত্যাচাৰ কৰে। কৃষকসকল ক্ষোভত গুজৰিগুমৰি আছিল। ভূএগ্ৰা তেতিয়া সেই কৃষকসকলৰ মাজতে আত্মগোপন কৰি আছিল আৰু দুয়োটা আন্দোলনৰে গুৰি ধৰিছিল। সেইখিনি সময়তে এপ্ৰিল মাহৰ শেষৰ ফালে জাঁজীতেই শিৱসাগৰৰ জিলা ছাত্ৰ ফেদাৰেচনৰ বাৰ্ষিক সন্মিলন পতাৰ সিদ্ধান্ত হয়। তেতিয়া অসম ছাত্ৰ সন্মিলনৰ সম্পাদকৰ দ্বায়িত্বটো মোৰ কান্ধত। গতিকে মই গুৱাহাটীৰ দুজনমান সতীৰ্থকলৈ তাত উপস্থিত হওঁগৈ। ইতিমধ্যে গম পোৱা গ'ল যে স্কুল কৰ্তৃপক্ষ আৰু স্থানীয় জনদিয়েক অৱস্থাপন্ন কমিউনিষ্ট বিৰোধী লোকে চৰকাৰৰ ঘৰত এক আতঙ্কৰ পৰিৱেশৰ বৰ্ণনা দি মুকলি সভাৰ দিনা সভাথলীত সশস্ত্ৰ পুলিছ মোতায়েন কৰি আমাৰ সকলোকে গ্ৰেপ্তাৰৰ আৰু সভা পণ্ড কৰাৰ ব্যৱস্থা কৰিছে। ভূএগ্ৰাৰ লগত আলোচনা কৰি আমিও কৌশল প্ৰস্তুত কৰিলো। সভাৰ দিনা উচ্ছেদৰ বলি হোৱা প্ৰায় দুশ কৃষকে হাতত টোকোন লৈ সভাথলীলৈ আহিল। ছাত্ৰও আহিল। সেই সকলৰ মাজতে ছদ্মবেশত ভূএগ্ৰাও আছিল। সভাথলী জাঁজীৰ যজ্ঞ মন্দিৰ মানুহেৰে উপচি পৰিল। এনে সময়তে কেই ডজন মান সশস্ত্ৰ চিপাহী সভাথলীৰ মুখত ৰাস্তাত শাৰী পাতিলেহি। সভা আৰম্ভ হোৱাৰ অলপ পিচতে দেখা গ'ল যজ্ঞ মন্দিৰৰ কাষে কাষে থকা সৰু সৰু জোপোহাৰ আঁৰ লৈ পুলিচ বাহিনী কেইবাটাও ভাগত ভাগ হৈ সভাথলীৰ ফালে আগুৱাই আমাক ঘেৰাও কৰি গ্ৰেপ্তাৰৰ ব্যৱস্থা কৰিছে। ভূএগ্ৰাৰে সৈতে আলোচনা কৰি আমি সভাৰ কাম চমুৱাই আনিলো আৰু সেই আলোচনাত হোৱা সিদ্ধান্ত মৰ্মে মই এটা উত্তেজনাপূৰ্ণ ভাষণ দি ৰাইজক শোভাযাত্ৰা কৰি সভাথলীৰ পৰা ওলাই আহিবলৈ আহ্বান

জনালো। সেই মতে সেইসকলৰ মাজতে সোমাই আমি সকলো শোভাযাত্ৰা কৰি গাঁৱৰ ভিতৰৰ ফালে আগবাঢ়িলো। মেজিষ্ট্ৰেট আৰু পুলিচ বিষয়া সকলে ভেবা লাগি চাই থাকিল। এই গোটেই কৌশলটো ৰচনা কৰাৰ গুৰিতে আছিল ভূএগ্ৰা। অৱশ্যে ইয়াৰ পিচত আমাৰ বহুতৰ ওপৰত নানা মনেসজা অভিযোগত মোকৰ্দমা তৰা হয়। মোকে ধৰি কেইজনমানৰ ওপৰত গ্ৰেপ্তাৰৰ পৰোৱানা কলেজ পাইছিলহি। যি হওক সেইবোৰ এক বেলেগ অধ্যায়ৰ কথা।

ইয়াৰ কিছুদিন পিছত পাৰ্টিৰ নিৰ্দেশত ভূএগ্ৰা গুৱাহাটীলৈ আহে। ময়ো ইতিমধ্যে আত্মগোপন কৰিব লগা হয়। সেই অৱস্থাত আমি দুয়ো বহুদিন একেলগে আছিলো। তেনেকৈ থাকোতে আমি দুবাৰ গ্ৰেপ্তাৰ হোৱাৰ পৰা সাৰি গৈছিলো। এবাৰ গান্ধীবস্তিৰ এটা জুপুৰীত লুকাই থকাৰ কিছুদিন পিছত আমি প্ৰায় বাঘৰ মুখৰ পৰা সৰাদি ধৰা নপৰাকৈ থাকিলো। সেই যাত্ৰাটো ভূএগ্ৰাৰ কৌশল আৰু মোৰো ভাও দিব পৰাৰ জোৰত ৰক্ষা পৰিলো। পিছত আমি দুয়ো এই লৈ সেই অৱস্থাতো বেচ ৰগৰ কৰিছিলো। ইয়াৰ বোধহয় অলপদিনৰ পিচতে ভূএগ্ৰা গ্ৰেপ্তাৰ হয় আৰু জেলত থাকে।

জেলৰ পৰা ওলোৱাৰ পিচত তেওঁ অসমাপ্ত পঢ়া শেষ কৰি আইনৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ওকালতি আৰম্ভ কৰে। ১৯৫৬ চনত ময়ো গুৱাহাটী এৰি যাব লগ হয় কিছুদিনৰ কাৰণে। ফলত ভূএগ্ৰাৰ লগত সম্পৰ্ক প্ৰায় ছিন্ন হয়। জানিবলৈ পাই ভাল লাগিছে যে বুদ্ধি আৰু অধ্যৱসায়ৰ বলত এজন আগশাৰীৰ উকীল হিচাপে নিজকে প্ৰতিষ্ঠা কৰিও তেওঁ ছাত্ৰ অৱস্থাতে গ্ৰহণ কৰা আদৰ্শৰ ফালে একেবাৰে পিঠি দিয়া নাই। কামপুৰ অঞ্চলত তেখেতৰ বদান্যতা আৰু উদ্যোগত ভালেখিনি জনহিতকৰ সামাজিক কাম সাধিত হৈছে। পুৰণা সতীৰ্থ সকলৰ লগতো ভূএগ্ৰাই সংযোগ একেবাৰে ছিন্ন হ'বলৈ দিয়া নাই। ১৯৭০ চনত মই পুনৰ গুৱাহাটীলৈ অহাৰ পিচত ছেগা-চোৰোকাকে দুই এবাৰ লগ পাইছিলো। আজি অলপ দিনৰ আগতে তেখেতৰ ঘৰতে লগ পাই দেখিলো আগৰ সেই সৰৱ হাঁহি, হে হে কৰি সকলোকে আপোন কৰি ল'ব পৰাৰ স্বভাৱটো এই বয়সতো আছে। আত্মগোপন কৰি থকা অৱস্থাতো,

অতি কষ্টৰ মাজতো তেওঁৰ সদা হাস্যময় স্বভাৱটোত খতিখুন হোৱা নাছিল। তেওঁৰ লগত কটোৱা দিনবোৰ সঁচাই বৰ ভাল লগা আছিল। ৮১ বছৰত ভৰি দিয়া ভূএগ্ৰাই তেওঁৰ কৰ্ম প্ৰেৰণা লৈ, সদা হাস্যময় হৈ আমাৰ মাজত আৰু বহুদিনলৈ থাকি যায় যেন— তাৰেই কামনা কৰিছো। ❑

লেখক নাজিৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা বামপন্থী নেতা।

সুচেন ভূঞা

হেমেন দাস

১৯৭৭ চন। এদিন পুৱা অনুমান ৯ বজাৰ আগতে আমাৰ পাৰ্টিৰ ৰাজ্যিক কাৰ্য্যালয়লৈ এজন অপৰিচিত ভদ্ৰলোক আহে। তেওঁক বহিবলৈ কৈ সুধিলোঁ যে তেওঁ কাক বিচাৰিছে। তেওঁ ক'লে, "মই সুচেন ভূঞা। নন্দেশ্বৰ আৰু অচিন্ত্যদাক মই আহিছিলোঁ বুলি ক'ব।"

মানুহজন অপৰিচিত যদিও নামটো মোৰ পৰিচিত। মই তেওঁৰ নাম শুনো ১৯৪৬ চনত। মই তেতিয়া হাইস্কুলৰ ৪ৰ্থ শ্ৰেণীৰ ছাত্ৰ। এজন কটনিয়ানে এদিন আমাৰ দেউতাক কৈছিল, কটন কলেজত সুচেন ভূঞা নামৰ কমিউনিষ্ট ছাত্ৰ এজন আছে। খুব ভাল বক্তা। পঢ়া শুনাতো ভাল।

সেই সময়ত ভূঞা কমিউনিষ্ট পাৰ্টিৰ সদস্য হৈছিল নে নাই সেই কথা সেই সময়ৰ পাৰ্টিয়ে আৰু তেওঁ নিজে জানে। কিন্তু অসমৰ প্ৰগতিশীল ছাত্ৰ আন্দোলন অৰ্থাৎ ছাত্ৰ ফেদাৰেচনৰ ইতিহাসৰ খবৰ ৰখা সকলে জানে যে তেওঁ অসম ছাত্ৰ ফেদাৰেচনৰ এজন অতি নিষ্ঠাবান নেতা আছিল।

অসম ছাত্ৰ ফেদাৰচন গঠিত হয় ১৯৩৯ চনত। সেই বছৰ কংগ্ৰেছ নেতা হুমায়ুন কবিৰৰ সভাপতিত্বত অসম ছাত্ৰ সন্মিলনীৰ সন্মিলন যোৰহাটত অনুষ্ঠিত হৈছিল। সন্মিলনে গৌৰীশংকৰ ভট্টাচাৰ্য্যক সম্পাদক নিৰ্বাচিত কৰিছিল। সেই সন্মিলনতে অসম ছাত্ৰ সন্মিলনীক ভাৰতৰ ছাত্ৰ ফেদাৰেচনৰ অন্তৰ্ভূক্ত কৰা প্ৰস্তাব গৃহীত হয়। তেতিয়াৰ পৰাই অসমত ছাত্ৰ ফেদাৰেচনৰ কাম আৰম্ভ হয়। গৌৰীশংকৰ ভট্টাচাৰ্য্য তেতিয়া কমিউনিষ্ট পাৰ্টিৰ সদস্য নাছিল ; কিন্তু মানুহে তেওঁক কমিউনিষ্ট বুলিয়েই জানিছিল। তেওঁ পাৰ্টিৰ সদস্য হয় ১৯৪৩ চনৰ মে' মাহত।

অসম ছাত্ৰ ফেদাৰেচনে অসমৰ ছাত্ৰৰ সমৰ্থনত দিনে দিনে জনপ্ৰিয়তা অৰ্জন কৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল ছাত্ৰ ফেদাৰেচনৰ ব্ৰিটিছ সাম্ৰাজ্যবাদ বিৰোধী ভূমিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ অভিযোগৰ বিহিত ব্যৱস্থাৰ কাৰণে কৰা আন্দোলনৰ বাবে। তদুপৰি অসম ছাত্ৰ ফেদাৰেচনে অসমৰ জনপ্ৰিয় বিষয় কিছুমানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত অসমৰ ৰাজনৈতিক ইতিহাসত উল্লেখ আছে (৩য় খণ্ড) যে ১৯৪০ চনত কমিউনিষ্টৰ নেতৃত্বত বাওঁপন্থী সকলে 'মনোৱাৰ আলি আঁচনিৰ' বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। চাৰ চাদুল্লা মন্ত্ৰী সভাৰ শিক্ষা মন্ত্ৰী মনোৱাৰ আলিয়ে শ্বিলং বিশ্ববিদ্যালয় স্থাপন আৰু ইয়াৰ কলা বিভাগ চিলেটত আৰু বিজ্ঞান বিভাগ গুৱাহাটীত স্থাপনৰ আঁচনি উত্থাপন কৰিছিল। পৰৱৰ্তী শিক্ষা মন্ত্ৰী ৰোহিনী চৌধুৰীয়ে এই আঁচনি সমৰ্থন কৰিছিল। ইয়াৰ প্ৰতিবাদত ১৯৪০ চনৰ ফেব্ৰুৱাৰীৰ ২ তাৰিখে অসম ছাত্ৰ ফেদাৰেচনৰ উদ্যোগত এখন ছাত্ৰ সভা অনুষ্ঠিত হয়। অসম ছাত্ৰ ফেদাৰেচনৰ নেতা অমিয় দাস গুপ্তাই মনোৱাৰ আঁচনিক গৰিহনা দি গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপনৰ দাবী জনায়। ১৯৪১ চনৰ ১৬ আগষ্টত অসম বিশ্বাবিদ্যালয় দিৱস পালনৰ আহ্বান জনায়। অসম ছাত্ৰ ফেদাৰেচনৰ উপসভাপতি ৰমেশ চন্দ্ৰ শৰ্মাই গুৱাহাটীত এটা বিশ্বাবিদ্যালয় স্থাপন নোহোৱালৈকে আন্দোলন অব্যাহত ৰাখিবলৈ ছাত্ৰ সমাজক আহ্বান জনায়।

এনে এটা ছাত্ৰ সংগঠনৰে নিষ্ঠাবান নেতা আছিল সুচেন ভূঞা। তেওঁ ছাত্ৰ ফেদাৰেচনত যোগদানৰ বিষয়ে মই জ্ঞাত নহয়। কিন্তু ১৯৪৩ চনৰ আগতে যে তেওঁ ছাত্ৰ ফেদাৰেচনত যোগদান কৰিছিল সেই বিষয়ে মই নিশ্চিত।

অসম উপত্যকাত ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠিত হয় যোৰহাট, গোলাঘাট, গুৱাহাটী আদি ঠাইত গঢ়ি উঠা মাৰ্ক্সবাদী চৰ্চাৰ কেন্দ্ৰৰ ছাত্ৰ আৰু ডিব্ৰুগড়-ডিগবৈৰ শ্ৰমিক আন্দোলনৰ লগত জড়িত কেইজন মান ছাত্ৰ যুৱকৰ দ্বাৰা। ১৯৪২-৪৩ চনত গোলাঘাটত নিৰ্বাচিত ছাত্ৰ-যুৱক সমবেত কৰি অসম উপত্যকা সাংগঠনিক জিলা কমিতি গঠন কৰা হয়। তাৰ আগতে ডিব্ৰুগড়, যোৰহাট, গোলাঘাট আৰু গুৱাহাটীতে পাৰ্টি গ্ৰুপ গঠিত হৈছিল। সুচেন ভূঞা ছাত্ৰ ফেদাৰেচনৰ নেতা হিচাবে কমিউনিষ্ট মতাদৰ্শত দীক্ষিত হৈ গোলাঘাটৰ সভালৈ গৈ পাৰ্টিৰ সভাত অংশগ্ৰহণ কৰে আৰু স্বেচ্ছাসেৱকৰ কাম কৰা বুলি তেওঁ নিজেই প্ৰকাশ কৰিছে।

কটন কলেজত স্নাতক মহলাত পঢ়ি থকাৰ সময়তেই তেওঁ পাৰ্টিৰ কামত আত্ম নিয়োগ কৰে আৰু কিছুদিন পিছতেই তেওঁ পঢ়া বাদ দি পাৰ্টিৰ সৰ্বক্ষণৰ কৰ্মী হয়। ১৯৪৮ চনৰ পৰা নেহেৰু চৰকাৰে ভাৰতৰ কমিউনিষ্ট

পাৰ্টিৰ ওপৰত দমন পীড়ন আৰম্ভ কৰে। পাৰ্টিৰ কৰ্মী আৰু নেতা সকলে আত্মগোপন কৰি শ্ৰমিক কৃষকৰ স্বাৰ্থৰ সপক্ষে আন্দোলন অব্যাহত ৰাখে। অসমৰ আটাইবোৰ নেতা আৰু কৰ্মীয়ে আত্মগোপন কৰে। ছাত্ৰ নেতা সুচেন ভূঞা, দেবপ্ৰসাদ বৰুৱা সহ অন্যান্য নেতা আৰু কৰ্মীয়েও আত্ম গোপন কৰি একনিষ্ঠভাবে পাৰ্টিৰ কাম কৰি থাকে।

ওপৰত উল্লেখ কৰা হৈছে যে গোলাঘাটত পাৰ্টিৰ অসম উপত্যকা সাংগঠনিক সমিতি গঠিত হয়। সম্পাদক আছিল যদু শইকীয়া। তেওঁ বেনাৰসত পঢ়ি থকাৰ সময়তেই মাৰ্ক্সবাদৰ শিক্ষা লাভ কৰি ভাৰতৰ কমিউনিষ্টৰ সদস্যভুক্ত হয়। ১৯৪৩ চনৰ মে' মাহত বোম্বেত পাৰ্টিৰ প্ৰথম কংগ্ৰেছ অনুষ্ঠিত হয়। তাৰেই ৫ জন সদস্যকলৈ অসম প্ৰদেশ সাংগঠনিক কমিটি গঠন কৰা হয়। এই কমিটিৰ সম্পাদক আছিল বীৰেন মিশ্ৰ আৰু সদস্য সকল আছিল গৌৰীশংকৰ ভট্টাচাৰ্য্য, বিষ্ণু বৰা, জোতিৰ্ময় নন্দী আৰু চিত্তৰঞ্জন দাস। ইয়াৰ পিচত অসম উপত্যকা সাংগঠনিক জিলা কমিটি বিলোপ কৰা হয়।

কমিউনিষ্ট পাৰ্টিৰ লক্ষ্য দেশত সমাজবাদ প্ৰতিষ্ঠা কৰা। আদৰ্শ মাৰ্ক্সবাদ। মহামতি লেলিনে মাৰ্ক্সবাদক এই যুগৰ সবাতোকৈ শ্ৰেষ্ঠ মতবাদ বুলি কৈছিল। এই মতবাদ গ্ৰহণ কৰি ৰাজ্যৰ পাৰ্টিৰ শীৰ্ষ কমিটিৰ সদস্য হ'ব পৰা যোগ্যতা অৰ্জন কৰা গৌৰীশংকৰ ভট্টাচাৰ্য্য আৰু বিষ্ণু বৰাই সময়ৰ সোঁতত সেই আদৰ্শ বিসৰ্জন দি বুৰ্জোৱা দলত যোগ দিয়ে। ভট্টাচাৰ্য্যই জনতা পাৰ্টিত যোগ দি এবাৰ জনতা পাৰ্টিৰ সভাপতি পদত অৱস্থিত হৈছিল। বিষ্ণু বৰাই কংগ্ৰেছত যোগ দিছিল।

সুচেন ভূঞা পাৰ্টি সদস্য হৈ থকা নাই ; কিন্তু আজিও আন কোনো বুৰ্জোৱা দলত যোগ দিয়া নাই। এতিয়াও তেওঁ বামপন্থী ৰাজনীতিক সমৰ্থন কৰি আছে। ১৯৫২ চনৰ পিচত তেওঁ পুনৰ কলেজত অধ্যয়ন আৰম্ভ কৰে। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ অন্ততঃ তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তাৰ কামত যোগদান কৰি এজন ভাল অধিবক্তা হিচাবে নিজক প্ৰতিষ্ঠা কৰাত সক্ষম হৈছে। সেইবাবেই তেওঁ দুবাৰকৈ অসম চৰকাৰৰ এড্‌ভোকেট জেনেৰেল পদত নিযুক্তি পাইছিল।

আকৌ আৰম্ভণিৰ কথালৈ আহোঁ। ভূঞা আমাৰ পাৰ্টিৰ পৰা অহাৰ

এঘন্টামান পিচত আমাৰ পাৰ্টিৰ শ্ৰদ্ধেয় নেতা প্ৰয়াত কমৰেড্ অচিন্ত্য ভট্টাচাৰ্য্য অফিচত উপস্থিত হয়। তেওঁক কলো, সুচেন ভূএগ আজি পুৱা অফিচলৈ আহিছিল। তেওঁৰ বিষয়ে কি জানে কওঁকচোন?

অচিন্ত্য ভট্টাচাৰ্য্যই কলে, সুচেন পাৰ্টিৰ ভাল কৰ্মী আৰু ছাত্ৰ নেতা আছিল। যি কৰে Sincerely কৰে। Sincerity আৰু honesty তেওঁৰ গুণ। যেতিয়া পাৰ্টিত আছিল Sincerely আৰু honestly পাৰ্টিৰ নিৰ্দেশ কাৰ্য্যকৰী কৰিছিল। এতিয়া তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা। অধিবক্তা হিচাবেও তেওঁ Sincere আৰু honest। ❑

লেখক প্ৰাক্তন বিধায়ক আৰু বিশিষ্ট বামপন্থী নেতা।

মই সুচেন ভূঞাক যিদৰে জানো

নিৰুপমা বৰগোহাঞি

সুচেন ভূঞাৰ বিষয়ে কিছু কথা লিখিবলৈ গৈ মই বৰ্তমানৰ লগতে অতীতটো ভূমুকি মাৰিব লগা হৈছো, কাৰণ তাহানি আমি যিকেইগৰাকী ছাত্ৰ-ছাত্ৰী তেতিয়াৰ ৰাজনৈতিক সোঁতৰ বিপৰীতে কংগ্ৰেছ দলৰ অনুগামী নহৈ, কমিউনিষ্ট দলৰ আদৰ্শক নিজৰ ধ্যান-ধাৰণা কৰি লৈছিলো তাৰ ভিতৰত এজন আছিল আজিৰ বিখ্যাত অধিবক্তা সুচেন ভূঞা। সেই সময়ত তেওঁক মই মাজে মাজে লগ পাইছিলো যদিও তেওঁৰ লগত মোৰ কোনো দিনেই বিশেষ ঘনিষ্ঠতা গঢ় লৈ উঠা নাছিল। তাৰ কাৰণ হয়তো তেওঁৰ স্বল্পভাষী, লাজুক স্বভাৱ— অন্ততঃ তেতিয়া মোৰ তেনে ধাৰণাই হৈছিল। আনহাতে সেই সময়ৰ আন আন ছাত্ৰনেতা (কমিউনিষ্ট মতাদৰ্শী) দুলাল খাওন্দ, দেৱপ্ৰসাদ বৰুৱা, অৱনী বৰঠাকুৰ আদিৰ লগতহে কিছু ওচৰৰ সম্পৰ্ক স্থাপন হৈছিল। অৱশ্যে সুচেন ভূঞা আমাতকৈ বয়সেৰে আগবঢ়া আছিল বাবেও বোধহয় ঘনিষ্ঠতা হোৱা নাছিল।

তাৰপিছত সময় বহুত আগবাঢ়ি গ'ল, তাহানিৰ আমি তৰুণ ছাত্ৰ-ছাত্ৰীসকল সকলোৱেই বৃদ্ধাৱস্থা প্ৰাপ্ত হ'লো— বয়সৰ লেখেৰে কোনোবা এবছৰ-দুবছৰ- তিনিবছৰে ডাঙৰ সৰু হ'লেও হ'ব পাৰোঁ, তথাপি সকলো কেইজনেই বৃদ্ধ হ'লো।

সেই ছাত্ৰজীৱনৰ পিছত আজিৰ এই সময় ছোৱালৈকে যি সুদীৰ্ঘ সময় অতিক্ৰান্ত হ'ল- তাৰ মাজত মই সুচেন ভূঞাক কাশ্চিৎহে লগ পাইছিলো। কিন্তু এই খবৰ পাই থাকিছিলো যে তেওঁ এজন সফল অধিবক্তা হৈছে, তেওঁৰ পুত্ৰ-কন্যাহঁতো আমাৰ মধ্যবিত্ত সমাজত যি মানেৰে সুপ্ৰতিষ্ঠিত হোৱা বুলি কোৱা হয়— তেনেকৈ সুপ্ৰতিষ্ঠিত হৈছে। পিছত সুচেন ভূঞাৰ লগত কমিউনিষ্ট পাৰ্টিৰ কিবা সম্পৰ্ক আছে নে নাই তাকো নাজানো বা থকিলেও আমাক বহুতকে হতাশ আৰু দুখী কৰি চি পি আই আৰু চি পি আই (এম) নামৰ দুটা দলত বিভক্ত হোৱা কোনটো দলৰ প্ৰতি তেওঁৰ আনুগত্য আছিল সেইবোৰ একোকে নাজানো।

এনেকৈ হেৰাই যোৱা সুচেন ভূঞাৰ ঘৰলৈ হঠাতে এদিন যাব লগীয়া হ'লোঁ। এসময়ৰ বিখ্যাত কমিউনিষ্ট নেত্ৰী অঞ্জলি লাহিড়ী বাইদেৱে মোক তেওঁলোকৰ ঘৰলৈ যাবলৈ লগ ধৰিছিল। ভূঞাৰ পত্নী সুভদ্ৰা ভূঞাক অঞ্জলি বাইদেৱে পাৰ্টিৰ কাম কাজ কৰোঁতে বহুত দিন আগতে লগ পাইছিল, বাইদেউৰ ভাষাত সেই একেই কমিউনিষ্ট ভাব ধাৰাৰে পুষ্ট সুভদ্ৰা এসময়ত এগৰাকী 'fire brand' ছোৱালী আছিল, আজি বহুত বছৰৰ বিৰতিৰ মূৰত অঞ্জলি বাইদেউৰ হঠাৎ পুৰণি স্মৃতি উক্ দি উঠাত সুভদ্ৰাক খুবকৈ লগ ধৰিবলৈ মন যোৱাত সেই যাত্ৰাত মোকো সংগী কৰি লৈছিল। মই অৱশ্যে আগতে কেতিয়াও সুভদ্ৰা ভূঞাক লগ পোৱা নাছিলোঁ। সেই বাবে অৰ্থাৎ অঞ্জলি বাইদেউৰ সৈতে যোৱাৰ সময়ত তেওঁৰ লগত প্ৰথম চিনাকি। মই লগ পোৱা মানুহজনী তেতিয়া আমাৰ সকলোৰে দৰেই — মোৰ দৰে, অঞ্জলি বাইদেউৰ দৰে একো একোগৰাকী গৃহিনী মাত্ৰ— আমাৰ কাৰো মাজত এতিয়া আগৰ সেই 'fire নাই, আমি মাথোঁ পুৰণি স্মৃতিৰ ছাত্ৰ, অৱশ্যে অঞ্জলি বাইদেউ এতিয়াও কিছু সমাজ-সচেতন হৈ আছে, এই বয়সতো তেওঁ নানা ৰাজনৈতিক-সামাজিক কামৰ আঁচনিত সক্ৰিয় ভাবে যোগ দিয়ে।

সি যি কি নহওক, সেই এবাৰেই যি সুচেন ভূঞাৰ ঘৰলৈ গৈছিলো, দ্বিতীয়বাৰ আৰু যোৱা নাই। কিন্তু আমবাৰীতে থকা শ্ৰীভূঞাৰ প্ৰতিবেশী বিখ্যাত অ-পৰম্পৰাবাদী লেখক দেবব্ৰত দাসৰ ঘৰলৈ মোৰ আহ যাহ চলে আৰু এদিন কিবা প্ৰসংগত দেৱব্ৰতে মোক কৈছিল শ্ৰীভূঞাই তেওঁৰ ছোৱালী দুজনীক বৰ মৰম কৰে।

সুচেন ভূঞাক মই যে কোনোদিনে ঘনিষ্ঠভাবে লগ পোৱা নাছিলো। সেই কথা কৈ আহিছোঁৱেই, কিন্তু মানুহজনক মই যেতিয়াই লগ পাইছো তেওঁৰ ব্যৱহাৰ অতি অমায়িকে পাই আহিছো, তেওঁ যে বৃত্তিৰ পিনৰ পৰা এগৰাকী গণ্যমান্য ব্যক্তি হৈ পৰিছিল তাৰ কোনো চিনেই সেই ভদ্ৰ, নম্ৰ মানুহজনৰ কথা-বতৰাত ফুটি উঠা নাছিল। হয়, বৃত্তিগত ভাবে তেওঁ উচ্চ স্থানলৈয়ে উঠিছিল, অসমৰ এড্‌ভোকেট জেনেৰেলো হৈছিল। কিন্তু তেতিয়াও সেই ব্যস্ত মানুহজনৰ মুখতো লগ পালেই একেই বিনয়ী, নম্ৰ ভাবেই ফুটি উঠা দেখা পাইছিলো।

কিন্তু এতিয়া সুচেন ভূএগ্রাক মই এটা কথাৰ বাবে কেতিয়াও পাহৰিব নোৱৰিম, তেওঁ মোক এটা ডাঙৰ ভুললৈ আঙুলিয়াই দিছে, মই এসময়ত পঢ়া তাৰিণী চৰণ স্কুলটো প্ৰথমতে দিঘলী পুখুৰী পাৰত থকা খেৰ-বাঁহৰ যি অস্থায়ী ঘৰত আৰম্ভ হৈছিল সেইটো এসময়ত দ্বিতীয় মহাসমৰৰ সময়ত সৈন্য সকলৰ ছাউনী আছিল বুলি লিখিছিলো, সেই কথা মোৰ আত্মজীৱনী 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' খনতো লিখিছিলো আৰু টি চি স্কুলৰ সোণালী জয়ন্তীৰ সময়ত প্ৰকাশ হোৱা স্মৃতি-গ্ৰন্থতো লিখিছিলোঁ। সেই তথ্যটো যে ভুল আছিল তালৈ কোনেও মোৰ দৃষ্টি আকৰ্ষণ কৰা নাছিল, কিন্তু এদিন মোক লগ পাই শ্ৰীভূএগ্রাই ক'লে যে আচলতে সেইটো সেনাৰ ছাউনী নাছিল, কটনৰ ছাত্ৰসকলৰ বাবে সজোৱা অস্থায়ী হোষ্টেলহে আছিল, এনেকি যুদ্ধৰ সময়ত তেঁৱো কিছুদিন তাতে আছিল। আচলতে কটনৰ ছাত্ৰাৱাসতহে সেনাই ছাউনী পাতিছিল আৰু তেতিয়া কলেজ কৰ্তৃপক্ষই কটনৰ ছাত্ৰসকল থাকিবৰ বাবে সেই খেৰ-বাঁহৰ ঘৰ কেইটা সজাইছিল। তাৰপিছত যেতিয়া যুদ্ধ শেষ হ'ল তেতিয়া সৈন্যই এৰি যোৱা হোষ্টেললৈ পুনৰ ছাত্ৰসকল গুছি গৈছিল আৰু শেষত সেই পৰিত্যক্ত ঘৰতে আমাৰ স্কুল আৰম্ভ হৈছিল।

সুচেন ভূএগ্রাই মোক এই কথালৈ আঙুলিয়াই দিয়াৰ পিছত মই মনতে ভাবিলো— এই বিখ্যাত অধিবক্তাজনে তেন্তে বাহিৰা কিতাপ-পত্ৰও পঢ়ে, যি কথা আমাৰ আন বহুতৰ ক্ষেত্ৰতে পৰিলক্ষিত নহয়।

এতিয়া শ্ৰীভূএগ্রাৰ বয়স হেনো আশী বছৰেই হ'ল, কিন্তু তেওঁক দেখিলে সেই কথা বিশ্বাস কৰিবৰে মন নেযায়। মোৰ এই 'অবিশ্বাস' শ্বাশ্বত কৰি তেওঁ সুস্থ শৰীৰেৰে আমাৰ মাজত আৰু বহুত বছৰ থাকক— ইয়াকে কামনা কৰিলোঁ। ❑

শ্ৰীমতী বৰগোহাঞিঃ সাহিত্য অকাডেমী বঁটা প্ৰাপক এগৰাকী বিশিষ্টা লেখিকা।

শ্ৰদ্ধাৰ অমিত যুৱকজন

ড° লিলি ৰাজবংশী

লেখিবলৈ লৈছো— শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা দাদাৰ কথা। ...এসময়ৰ উদিত সূৰ্য এতিয়া ৰান্ধনি ৰ'দৰ মাজেৰে আগবাঢ়ি যোৱা অন্য এক অমিত যুৱক!! সময়ৰ সাকোঁৰে আগবাঢ়ি আছে, সন্মুখত বহুত কাম। নগাঁও জিলাৰ কামপুৰ নামৰ ঠাইখনৰ উন্নতি নিশ্চিত হবই লাগিব, কপিলী-পৰীয়া এখন সৰু ঠাই কামপুৰ। সেই কপিলীৰ পাৰৰে আৰু এখন গাঁও - 'নিজ নাৰিকলি' পূজাৰ বাবে শুভ ফল নাৰিকল য'ত আছিল প্ৰচুৰ পৰিমাণে। সেই নাৰিকলিতেই জন্ম গ্ৰহণ কৰিছিল সুচেন্দ্ৰ নাথ ভূঞাই।

আমাৰ গাঁৱৰ পৰা নাৰিকলিলৈ দূৰত্ব বেছি নাছিল কাৰণেই আমি নদীৰ ওখ গড়াৰ ওপৰে ওপৰে যোৱা ৰাস্তাটোৰেদি সেই নাৰিকলি গাঁৱলৈ খোজ কাঢ়িয়েই গৈছিলোঁ। আজি কালি নাৰিকলিৰ দূৰত্ব আমাৰ গাঁৱৰ পৰা বহুত বুলি ক'ব লাগিব এইকাৰণেই যে আজিৰ মানুহে ৰাস্তাৰে বাটকুৰি বাই আপোন মানুহৰ খা-খবৰ কৰিবলৈ নাযায়। হয় গাড়ীৰে নহয় ৰিক্সাৰে নহ'লেবা নাযায়েই। মানুহৰ মাজৰ সৌহাদ্য বজাই ৰাখিবলৈ আজি কালি কাৰো সময় নাই। সেই নাৰিকলিতেই এসময়ত আছিল নিৰ্মল লহকৰকে আদি কৰি বহুত গুণী জ্ঞানী ব্যক্তি। সেই সকলক পোৱাৰ বা জনাৰ ভালকৈ মনত নপৰিলেও ঘৰত ডাঙৰ বাইদেউ ককাইদেউহঁতৰ পৰা শুনিছিলো। সেই গাঁৱতে মৌজাদাৰৰ ঘৰলৈ বিয়া হৈছিল আমাৰ ফুল মাহীৰ। মা, বৰমাহঁতৰ লগত সেই ফুল মাহীহঁতৰ কাঠৰ ওখ দুই খলপীয়া ঘৰলৈ সৰুতে মই প্ৰায়েই গৈছিলোঁ। মাহী জীয়াই থকালৈকে আমাৰ ঘৰলৈ ঘনাই আহিছিল।

সুচেন ভূঞা দাদাক সৰুতে লগ পোৱাৰ মনত নপৰিলেও সহবন্ধু ফনী বৰাৰ লগত চি পি আই কৰি ঘূৰি পকি আহি যেতিয়া চি পি আইৰে কৰ্মী সুভদ্ৰা শইকীয়াক বিয়া কৰাই গুৱাহাটীত উকালতি কৰিবলৈ লয়, তেতিয়া মই পাণবজাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী। হোষ্টেলত থাকো। দেওবাৰে কেতিয়াবা কেতিয়াবা ককাইদেউ জগত শইকীয়াৰ লগত দাদাৰ ঘৰলৈ গৈছিলোঁ। জগত শইকীয়া ককাইদেউ একেখন কামপুৰৰে, ভূঞা দাদাৰ

সমবয়সীয়া। সুভদ্রা বাইদেউ মোৰ আগৰে চিনাকি। হয়বৰ গাঁৱৰ বাইদেউৰ ঘৰত থাকি মই নগাঁও ছোৱালী হাইস্কুল খনত চতুৰ্থ শ্ৰেণীত নাম লগাইছিলো। খৰালী বাইদেউৰ ঘৰৰ আগতে কলঙৰ বুকুত থকা বাঁহৰ দলংখন পাৰ হলেই স্কুল পাওঁ। বাৰিষা কলঙৰ বুকুত বাঁহৰ দলং নৰয়। বহুদূৰ খোজ কাঢ়ি চৰকাৰী ৰাস্তাৰ লোহাৰ দলংখন পাৰ হৈ কলঙৰ পাৰে পাৰে আকৌ উভতি আহিহে স্কুল পাওঁহি। চুটিৰ পাছত এনেকৈয়ে আকৌ ঘৰলৈ আহোঁ। সুভদ্ৰা বাইদেউহঁতৰ ঘৰৰ আগেদিয়েই অহা যোৱা কৰোঁ। এই সুভদ্ৰা বাইদেউক ককাইদেউৱে 'সৰু আই' বুলি মতা মোৰ মনত আছে। বাইদেউৰ বায়েক সৰস্বতী বাইদেৱে মৰম কৰিছিল। স্কুল ছুটিৰ পাছত ঘৰলৈ আহোঁতে ৰাস্তাৰ পৰা মাতি নি চাহ জলপান ভালকৈ খুৱাইহে ঘৰলৈ আহিবলৈ দিছিল। বৰ মৰমীয়াল এই সৰস্বতী বাইদেউ ঘৰত মোক বহুৱাই লৈ প্ৰায়েই কয় 'আয়ে দেহি! অকণমান ছোৱালীজনী ৰ'দত খোজ কাঢ়ি একেবাৰে ঘামি জামি আহিছে'। তেতিয়াৰ পৰাই এই বাইদেউ দুয়োজনীৰ লগত বাই-ভনীৰ সম্পৰ্ক গঢ়ি উঠে। এতিয়া বাইদেউ সুভদ্ৰা, লগত দাদা সুচেন ভূঞা। আমি যেন নিচেই আপোন।

দাদাৰ বহুমুখী গুণৰ তালিকা দিবলৈ মই অপাৰগ। এখন নিৰ্মল হৃদয়ৰ গৰাকী এইজন মানুহ মানুহ হিচাবে অতি মৰমীয়াল পৰোপকাৰী, অসীম জন্মভূমি প্ৰীতি। কেনেকৈ নিজে জন্ম লোৱা ঠাইখন আৰু আশে-পাশে থকা মানুহখিনিৰ উন্নতি সাধন কৰিব পাৰি তাৰেই চিন্তাত পাৰ হয় সময়। এসময়ত গুৱাহাটীবাসী আমি সকলো কামপুৰীয়াক একেলগ হোৱাৰ সুবিধা কৰি দিলে দাদাই। নিজৰ ঘৰতে সভা বহুৱাই চাহ জলপান খুৱাই কামপুৰৰ অভাৱ অভিযোগ আদিৰ আলোচনা কৰি উন্নতিৰ বিশেষভাৱে চিন্তা কৰা প্ৰথম ব্যক্তি জনেই হৈছে সুচেন ভূঞা দাদা। কামপুৰৰ পৰা বহুতো ডাঙৰ ডাঙৰ মানুহ যেনে কামেশ্বৰ বৰঠাকুৰ, লক্ষীপ্ৰসাদ গোস্বামী, ৰত্নকান্ত বৰা, ৰমা ভূঞা, প্ৰেম বৰুৱা, পুনাৰাম বৰা, কনক বৰঠাকুৰ, লক্ষেশ্বৰ শইকীয়া, ঘন বৰা, হেম বৰুৱা, কৃষ্ণ গোস্বামী, মোহিনী গোস্বামী, কবিৰ গোস্বামী, থুলেশ্বৰ ভূঞা, মাইচেনা ভূঞা, নৃপেন গোস্বামী এনেকৈয়ে আৰু বহুতো লেখত ল'ব লগা ব্যক্তিৰে ভৰা আছিল কামপুৰ। সেইয়া হয়তো পঞ্চাশ বছৰৰো আগৰ। আজি এইসকল জীয়াই থকা নাই। সেই মহান ব্যক্তিসকলৰ

পৰিচয় বুকুত লৈ কামপুৰ আজিও সেই কামপুৰ হৈয়েই আছে। সদায় ৰাস্তাত বহা সেই শুকুৰবৰীয়া হাটখন। খহটা শিলৰ ৰাস্তা কেইটা। কামপুৰবাসীয়ে সভা-সমিতি আৰু অভিনয়ৰ থলী হিচাবে লোৱা পুৰণা স্বৰাজ ভৱনটো, কামেশ্বৰ বৰঠাকুৰ এম. ভি. স্কুলখন, ল'ৰাৰ হাইস্কুলখন আজিও আছে। সলনি হৈছে মানুহ, উঠি আহিছে সেই কামপুৰৰ বুকুৰ পৰাই নতুন উচ্চতৰ বহুমুখী স্কুল, কলেজ, নতুন মানুহ, নতুন প্ৰতিভা। পুৰণা আৰু নতুন সংমিশ্ৰণৰ শিপা খামুচি অবিচ্ছিন্ন মনৰ শক্তিৰে নীৰৱে কাম কৰি আহি আছে দাদা সুচেন ভূঞাই— মনত অলেখ চিন্তা অলপকৈ হ'লেও সঁহাৰি জনাই আহি আছো আমি গুৱাহাটীবাসী কামপুৰীয়াসকলে। এৰা! উন্নতি হ'ব লাগে, — এই কামপুৰৰ চাৰিওফালৰ পৰাই উন্নতি হ'ব লাগে। গুৱাহাটী হাইকৰ্টত দুবাৰকৈ এড্‌ভোকেট জেনেৰেল হৈ আহি এতিয়া চিনিয়ৰ এড্‌ভোকেট দাদাই সদায় জনতাৰ শুভেচ্ছা কামনা কৰি যেন মুক্তকণ্ঠে আশীৰ্বাদ মাগিছে -"দিয়া মোক সেৱা ৰসসাৰ।" তিনিজনী জীয়াৰী, তিনিজন জোঁৱাই, এজন ল'ৰা, এজনী বোৱাৰী আৰু কেবাটিও নাতি-নাতিনীৰ লগত সুভদ্ৰা বাইদেউ আৰু সুচেন ভূঞা দাদাৰ ভৰা এখন সুখৰ সংসাৰ। দাদা যেন এনেকৈয়ে আগবাঢ়ি থাকে সময়ৰ নিমজ বাটেৰে, অহৈতুকী মনেৰে— আৰু বহুত দিন বহুত আশা বহুত চিন্তা আৰু বহুত উদ্যমেৰে!

এইজন মানুহ কেতিয়া কোন সময়ত কোন মাহৰ কোন তাৰিখত জন্ম হৈছিল সেই বিচাৰ্য্য মোৰ নহয়। জন্মই মানুহক মহৎ নকৰে। মহৎ কৰে কৰ্মই। সেই অফুৰন্ত কৰ্মশক্তি আৰু মহান অন্তৰ দাদাই আয়ত্ব কৰিব পাৰিছে। অসমৰ বুকুৰ নগাঁও জিলাৰ এখন সৰু ঠাই 'কামপুৰ'ক সৰ্বজান কৰি গৌৰৱৰ থলী কৰাৰ প্ৰচেষ্টা সুচেন ভূঞা দাদাৰ সফল হওঁক। আমি সকলোৰে এই প্ৰচেষ্টালৈ অকণমান হ'লেও অৰিহণা যোগাই দাদাক সহায় কৰাৰ মনোবল বান্ধি লওঁ।

আজিৰ এই বিশেষ দিনটোত মোৰ শ্ৰদ্ধাৰ অৰ্ঘ্য হিচাবেই এই লেখা খিনি আগবঢ়ালো। ওপৰত পৰমজন আছে, লগত পৰিয়াল আৰু আশে পাশে বহুতৰ লগতে আমি কামপুৰীয়া সকলো আছোঁ। চৰৈৱতি! চৰৈৱতি! ❑

লেখিকা এগৰাকী বিশিষ্টা শিক্ষাবিদ।

আমাৰ ওচৰ-চুবুৰীয়া ঃ ভূঞা মহাদেউ

গৌতম প্ৰসাদ বৰুৱা

জীৱনত হঠাৎ এনে কিছুমান মানুহক লগ পোৱা যায় যিবোৰ তেজ-মঙহৰ সম্পৰ্কৰে একো সম্বন্ধ নালাগে। কিন্তু দিন আগবঢ়াৰ লগে লগে তেনে কিছুমান মানুহেই বুকুৰ আপোন হৈ পৰে। এটা আত্মীয়তাৰ ভাব তেনেবোৰ মানুহৰ লগত গঢ়ি উঠে। এই সম্পৰ্কত প্ৰজ্ঞাবান মানুহ সকলে বৰ্ণনা কৰে 'আত্মাৰ যোগে আত্মীয়' মানুহ বুলি। শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাৰ লগতো আমাৰ সম্বন্ধ তেনেদৰেই গঢ়ি উঠাৰ সম্পৰ্ক ; তেখেত আমাৰ আত্মাৰ যোগেদি গঢ়ি উঠা আত্মীয় মহাদেউ।

'মহাদেউ' সম্পৰ্কটো অসমীয়া সমাজত গঢ়ি উঠে মাকৰ যোগেদি। অৰ্থাৎ আমাৰ মাৰ যোগেদি গঢ়ি উঠা সম্পৰ্ক। ১৯৬৫ চনত ডিচেম্বৰ মাহত আমাৰ আমবাৰীৰ পিতনী মাটিখিনি পুতি এটা অসম আৰ্হিৰ ঘৰ বন্ধা হ'ল। ঘৰটোৰ নিচেই ওচৰৰ পৰিয়াল দুঘৰ আছিল— সুচেন্দ্ৰ নাথ ভূঞাৰ পৰিয়াল আৰু আনঘৰ প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ পৰিয়াল। লক্ষ্যদাৰ ঘৰৰ লগত পুৰণা সম্পৰ্ক আছিলে উত্তৰ গুৱাহাটীৰ দিনৰ পৰা। নতুন সম্পৰ্ক গঢ়ি উঠিল ভূঞা পৰিয়ালৰ লগত। আমাৰ মা-প্ৰজ্ঞাৱতীয়ে আলোকহঁতৰ মাকক নিজৰ ভনীয়েক যেন জ্ঞান কৰিছিল, সেয়েহে আমি তেখেতক 'মাহীদেউ' বুলিবলৈ ধৰিলো আৰু ফলত আলোকহঁতৰ দেউতাক হৈ পৰিল আমাৰ 'মহাদেউ'।

আমি যেতিয়া 'মহাদেউক' ওচৰ-চুবুৰীয়া হিচাপে লগ পাওঁ তেতিয়া তেখেতৰ বয়স বোধকৰো ৩৯ বা ৪০ বছৰ হ'ব। ব্ৰহ্মপুত্ৰৰে এই চল্লিশ বছৰে বহুতো পানী বৈ গ'ল। সেই ডেকা মহাদেউ এতিয়া ৮০ বছৰীয়া হ'লহি। এই চল্লিশ বছৰে তেখেতৰ সান্নিধ্যই আমাক বহুতো সবল আৰু সম্পূৰ্ণ কৰিলে মানসিকভাৱে।

আমাৰ মায়ে প্ৰায়ে আপুৰুগীয়া এষাৰ কথা কৈছিল— "তেজ মঙহৰ সম্পৰ্কতকৈ আত্মাৰ সমন্ধইহে মানৱিকতাৰ বেছি স্ফুৰণ ঘটায়। এজন দূৰত থকা সম্পৰ্কীয় মানুহতকৈ ওচৰ-চুবুৰীয়াইহে বেছি আপোন হয়। কাৰণ বিপদ-আপদত ওচৰ-চুবুৰীয়াইহে দৌৰি আহে।" মাৰ এই কথাষাৰৰ যথাৰ্থতা আমি

উপলব্ধি কৰিছিলো— মাহীদেউ আৰু মহাদেউৰ ব্যৱহাৰত।

সুচেন্দ্ৰ নাথ ভূএঞাৰ মহত্ত্ব আছিল, এজন বিখ্যাত আইনবিদ হিচাপেই মাথোন নহয়। এজন পৰিপূৰ্ণ মানুহ হিচাপেহে। এসময়ত অসম চৰকাৰৰ 'এড্‌ভকেট জেনেৰেল' হোৱা সত্ত্বেও মহাদেউৱে তেখেতৰ চৰকাৰী বাব লৈ কোনো ধৰণৰ আবেগক প্ৰশ্ৰয় দিয়া নেদেখিলো। তেখেতে আমি কলকাতাৰ পৰা গ'লেই ঘৰৰ পৰা ওলাই আহি মাত দিছিল— 'বহুত দিনৰ মূৰতহে আহিলাচোন।' ১৯৬৪ চনৰ অসম আৰ্হিৰ ঘৰত থকাৰ পৰা এতিয়া সুদৃশ্য অট্টালিকাৰ দিনলৈকে মহাদেউ আৰু মাহীদেউৰ ব্যৱহাৰ একেই নহয় বেছি অমায়িক হৈহে পৰিছে। দিন যোৱাৰ লগে লগে তেখেতৰ আমাৰ প্ৰতিয়ে নহয় ওচৰ-চুবুৰীয়া সকলোৰে প্ৰতি আদৰ যত্ন বাঢ়িছে।

মহাদেউ সাধাৰণতে পুৱা বেছ সোনকালে উঠে। এসময়ত আমাৰ পুৰণা ঘৰটো ভাঙি নতুন ঘৰটো বান্ধিবলৈ আৰম্ভ কৰোতে ঘৰত কোনেও বসবাস কৰিব পৰা নাছিল। একমাত্ৰ ঘৰ ৰখীয়া হিচাপে কাম কৰি থকা যামিনীয়ে এচলিয়া বাঁহৰ পঁজা এটা বান্ধি ৰাতি শুইছিল। সেইদিনত কোনো নথকাৰ সুযোগত কাঠ ইত্যাদি ইহাত-সিহাত কৰিবলৈ তেনেই পুৱাতে চোৰে টিঘিলঘিলাই ফুৰিছিল। এদিন বৰ পুৱাতে চোৰ আহিল। মহাদেউৱে ঘৰৰ সন্মুখত চুচুকচামাক কৰি থকা মানুহ দুটাক দেখিয়েই বুজি পালে যে ইহঁতে নিশ্চয় সৎ কথাৰে অহা মানুহ নহয়। তেখেতে লগে লগে আৱাজ দিলে— 'সেইটো কোন অ'! কি কৰিছ? কাক লাগে। চোৰ যেন হে লাগিছে! এই যামিনী! চোৰ, চোৰ, চোৰ .... বুলি উখল মাখল লগাই দিওঁতে — যামিনীয়ে লাঠি লৈ, খকমককৈ টোপনিৰ পৰা উঠি, খেদি গ'ল, চোৰে কাঠ এৰি দুপ্‌দুপ্‌কৈ পলাল। মহাদেউৰ সাৱধানতাৰ গুণত সেইবাৰলৈ আমাৰ ঘৰৰ পৰা একো বস্তু চুৰি নহ'ল।

ভূএঞা মহাদেউ অতি প্ৰজ্ঞাবান মানুহ আছিল। মানুহৰ দুখত তেখেত দুখী হৈছিল। বহুতো কৃতকাৰ্য হোৱা মানুহৰ দৰে — তেখেতে মাথোন ধন ঘটাতেই ব্যস্ত নাছিল। আমি চকুৰ আগতে বহুতো উকিল-ডাক্তৰ, ব্যৱসায়ীক দেখিলো— যিবোৰ অতি বিদ্বান আছিল, প্ৰচুৰ ধন ঘটিছিল, সঞ্চয়ো কৰিছিল প্ৰচুৰ বিত্ত আৰু নিৰ্মাণো কৰিছিল সম্পত্তি। কিন্তু সমাজৰ হকে, দুখীয়া দৰিদ্ৰৰ বাবে সেই ধন কোনো দিনেই খৰছ কৰা নাছিল বা দান দিব নোৱাৰিছিল।

প্ৰচুৰ বিত্ত সম্পত্তি কৰাৰ পিচত আমাৰ পৰিচিত এনে এজন নামজ্বলা মানুহৰ ওচৰলৈ, চুবুৰীৰ ক্লাবৰ বাবে বেট-বল বিচাৰি যাওঁতে উত্তৰ দিলে— 'টকা গছত লাগে নেকি? তোমালোকৰ এতিয়া বয়স পঢ়াৰ। খেলি কেইজন ডাঙৰ হৈছে হে যোৱা'। লাইব্ৰেৰীৰ বাবে সহায় বিচাৰোতে কৈছিল — 'মোকটো লাইব্ৰেৰী কৰিবলৈ কোনেও সহায় কৰা নাছিল' ক্লাবৰ সভ্য তোমালোকহে। তোমালোকৰ অভিভাৱকক খোজা। এনেকৈ আনৰ ঘৰত ভিক্ষা কৰি ফুৰিব নালাগে নহয়'। এনেহেন দপ্‌দপাই থকা মানুহজন এদিন সকলো সম্পত্তি এৰি মৃত্যু পথৰ পথিক হ'ল। সকলো টকা-সিকা ল'ৰাই পালে আৰু কালক্ৰমত প্ৰচুৰ বিত্ত সম্পত্তি নিঃশেষ হৈ গ'ল।

আমাৰ মহাদেউ ব্যতিক্ৰমী পুৰুষ। জীৱনত দুহাতেৰে অৰ্জন কৰিলে আৰু নিজৰ সমাজখনৰ বাবে, চহৰখনৰ বাবে, চুবুৰীৰ উন্নতিৰ কাৰণে মুক্ত হাতেৰে দান দিলে। মহাদেউৱে সাধাৰণ মানুহৰ দৰে, দেৱালয়, মঠ-মন্দিৰতেই দান-অনুদান আবদ্ধ কৰি থোৱা নাই তেখেতৰ সমাজসেৱাৰ পৰিধি, দান-বৰঙণিৰ সিংহভাগ খৰচ কৰিছে সমাজৰ অৰ্থনৈতিক উন্নয়নৰ বাবে। যিখন গাঁৱে, নগৰে, চুবুৰীয়ে তেখেতক অনুপ্ৰাণিত কৰিছিল এতিয়া তেখেতে সেই অঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ হ'কে খাটিব পৰাটো উল্লেখযোগ্য কথা নহয় জানো?

ভূএগ্ৰা মহাদেউৱে এতিয়া ভৰিৰ ওপৰত ভৰি তুলি একো নকৰাকৈয়ে জীৱন কটাব পাৰিলেহেঁতেন। কিন্তু তেখেতৰ মানসিক চিন্তাধাৰা আৰু মানৱতাবাদী মতবাদৰ জৰিয়তে নিজকে বিলাই দিছে সমাজৰ হাতত। এসময়ত তেখেত সমাজতন্ত্ৰৰ ৰাজনৈতিক প্ৰবক্তা আছিল। সমাজ সচেতন মহাদেউৱে ৰাজনীতিৰ পৰিধিৰ পৰা আঁতৰি সমাজতন্ত্ৰৰ প্ৰমূল্যৰ প্ৰতি বেছি আকৃষ্ট হ'ল। সেই মূল্যবোধে তেখেতক সকিয়াই দিলে শিক্ষা, স্বাস্থ্য-সেৱা আৰু আত্মসহায়ক অৰ্থনৈতিক উন্নয়নৰ অবিহনে সমাজৰ উত্তৰণ হ'ব নোৱাৰে। সেয়েহে এই তিনিটা ক্ষেত্ৰত তেখেতে ধন, জন আৰু মন দি সাহাৰ্য্য কৰিবলৈ আগবাঢ়ি আহিল।

শিক্ষাৰ প্ৰয়োজনৰ কথা তেখেতে মৰ্মে মৰ্মে বুজি পালে- তেখেতৰ যৌৱনতেই আন বহুতৰে দৰে এসময়ত পঢ়া শুনা বিসৰ্জন দি তেখেত

সমাজতান্ত্ৰিক আন্দোলনত জপিয়াই পৰিছিল নিবিড়ভাৱে। কিন্তু দিন যোৱাৰ লগে লগে তেখেতে বুজি উঠিল— দেশসেৱা কৰিবলৈ, দেশৰ উন্নতি সাধন কৰিবলৈ হ'লে— উচ্চ শিক্ষাৰ অবিহনে উন্নয়ন সম্ভৱ নহয়। সেয়েহে তেখেতে, দেৰীকৈ হ'লেও দ্বিতীয়বাৰৰ বাবে শিক্ষাৰ ক্ষেত্ৰত ব্ৰতী হ'ল। শিক্ষা লাভ কৰিলে। প্ৰজ্ঞালব্ধ হ'ল। প্ৰথম শ্ৰেণীৰ ছাত্ৰ হিচাপে সাব্যস্ত হ'ল। তাৰ পাছত আৰম্ভ হ'ল জীৱন সংগ্ৰাম অবিৰতভাৱে। মহাদেউৰ উন্নতিত মাহীদেউৰ অৱদান প্ৰভূত। সমাজতান্ত্ৰিক মতবাদতেই হওঁক বা পৰিয়াল উৎকৰ্ষ সাধনতেই হওঁক মাহীদেউ আছিল তেখেতৰ বন্ধু, সহযোগী আৰু দাৰ্শনিক। ওচৰ-চুবুৰীয়াৰ সম্পৰ্কৰো আধাৰ আছিল— মাহীদেউ। মহাদেউ যেতিয়া আইনৰ চক্ৰব্যূহত ব্যস্ত আছিল সামাজিক সম্পৰ্কৰ আতঁডাল সজোৰে ধৰি আছিল মাহীদেউৱে।

এসময়ত কৰ্মক্ষেত্ৰৰ আহ্বানত আমাৰ ঘৰৰ তিনিওটা ল'ৰা দিল্লী, কলকাতা আৰু বৰপেটা ৰ'ডত থকাৰ সময়ত ঘৰত আছিল মা অকলশৰে। ভাগ্যে আমাৰ ভাগিন অপুমণি আহি আছিল মাৰ লগত। হঠাৎ আমাৰ ঘৰৰ পিচপিনে থকা ঘৰ এটাত কাঠৰ ফাৰ্ণিচাৰৰ গুদাম এটাত দপ্‌দপাই জুই লাগিল। নিশা তেতিয়া দুটা বাজিছে। ওচৰে-পাজৰে কোনো নাই। সকলো টোপনিত লালকাল। সেইদিনা জুইৰ ফিৰিঙতিয়ে আমাৰ ঘৰৰ বেৰ চোওঁ চোওঁ হ'ল। মাৰ টোপনি ভগা নাছিল। সেই সময়ৰ জুইৰ বিভীষিকাৰ মাজত আমাৰ শান্তিয়নীৰ পানী আছিল— মাহীদেউ আৰু মহাদেউ। ওচৰ-চুবুৰীয়া হিচাপে তেওঁলোক আছিল তুলনা বিহীন।

১৯৬৪ চন 'এফাল' অসম আৰ্হিৰ ঘৰৰ পৰা আজিৰ 'পকা ঘৰৰ' ভেটিলৈকে এই চল্লিশ বছৰ আমি ডাঙৰ দীঘল হ'লো মহাদেউ মাহীদেউৰ ছত্ৰছাঁয়াত। আমাৰ পৰিয়ালৰ সকলো ল'ৰা-ছোৱালীৰ জীৱন যাত্ৰাত অৰিহণা আছে তেওঁলোক দুয়োৰে- প্ৰভূত। মহীদেউৰ লগত আমাৰ পুত্ৰৰো আছিল বিশাল সম্পৰ্ক। আমাৰ ল'ৰা শান্তনুৰ সেইখন ভাত ঘৰ আছিল। সি আছিল সৰুতে উৎপতীয়া। তিনি চাৰিবছৰ মানতে মাহীদেউহঁতৰ পাকঘৰত দৌৰি জপিয়াই মাহীদেউৰ কোলাত উঠিছিল— যি কোনো জলপান খাবলৈ বিচাৰিছিল। কণমান ল'ৰাটোক মৰমতে মাহীদেউৱে মাতিছিল— অণুমণি

বুলি। কিমান উৎপাৎ কৰিলে শান্তনুৱে সেইখন ঘৰত। তথাপি মহাদেউ আৰু মাহীদেউৱে তাক কেৱল মৰমেই কৰি গ'ল।

ভূঞা মহাদেউৰ আন এটা গুণ হ'ল ধৈৰ্য মানসিক বলো অসীম। এসময়ত মহাদেউৰ শ্বাস-প্ৰশ্বাসৰ ৰোগত কষ্ট পাইছিল প্ৰচুৰ। তেতিয়া আমি কলকতাত বসবাস কৰিছিলোঁ। অসুখত মহাদেউ বৰকৈ ভোগে আৰু অসুখ দেখুৱাবলৈ কলকাতালৈ আহে। আমি লগ পাওঁ তেতিয়া ইমান অসুখৰ মাজতো আটাইতকৈ ডাঙৰ ৰূপালীৰেখাডাল আছিল মহাদেউৰ মানসিক বল 'অসুখ ভাল হ'বই' তেখেতৰ আছিল দৃঢ় বিশ্বাস। সেই কুৰি শতিকাৰ অসুখ — একৈশ শতিকাত এতিয়া সম্পূৰ্ণ নিৰাময় হ'ল। ডাক্তৰক সুধিলে ক'ব নিঃশ্চয় — 'ঔষধতকৈও বেছি কাম দিয়ে মানসিক সবলতাইহে।'

অবিচাৰ দেখিলে মহাদেউৱে মাত নমতাকৈ থাকিব নোৱাৰিছিল। এসময়ত মহাদেউ আবেলি প্ৰতিদিনেই খোজকাঢ়িবলৈ গৈছিল— মহাত্মা গান্ধী ৰ'ডৰে — ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে পানীকল অঞ্চললৈ। প্ৰায়ে আবেলি খোজ কাঢ়ে এই বাটেদিয়ে। এদিন দেখিলে পুলিচে ল'ৰা-ছোৱালী এহালক বেয়াকৈ জেৰা কৰি আছে, কিয় ফুৰিবলৈ আহিছে, কিয় খোজ কাঢ়িব লাগে, সম্বন্ধ লাগে নে নালাগে ইত্যাদি। তেওঁলোকক অকাৰণত জেৰা কৰা যেন দেখি মাত মাতিলে। নিজৰ পৰিচয় দি সুধিলে পুলিচক — এওঁলোকে ৰাজহুৱাভাৱে একো অশালীন ভাব-ভঙ্গী কৰাটো দেখা নাই। ফুৰিবলৈ আহিলে কেনেকৈ অপৰাধ হ'ব? কি কাৰণত এওঁলোক শাস্তি পাবৰ যোগ্য? মহাদেউৰ কথা শুনি পুলিচ বিব্ৰত হ'ল। ল'ৰা-ছোৱালীহাল অস্বস্তিকৰ পৰিৱেশৰ পৰা মুক্ত হ'ব পাৰিলে— মহাদেউৰ এই মানৱতাবোধ গুণৰ বাবে। এই ঘটনাটো পাচদিনা খবৰ কাগজত ডাঙৰ ডাঙৰকৈ প্ৰকাশ হ'ল।

আজি ৮০ বছৰীয়া জয়ন্তীত মহাদেউক স্মৰণ কৰিছোঁ। তেখেতৰ মানৱতাবাদৰ বাবে, ওচৰ চুবুৰীয়া ভাবি আমাক উজ্জীৱিত কৰাৰ বাবে, বিৰল অন্তৰৰ বাবে। ❑

লেখক এগৰাকী বিশিষ্ট সাহিত্যিক।

মহাদেউক আমি যি দৰে জানো

দেৱব্ৰত দাস

সম্ভৱতঃ বাৰ তেৰ বছৰ মান আগেয়ে আমি দিচপুৰৰ ষ্টেট বেংক কলনীৰ পৰা আমবাৰীৰ বি এন দাস লেন চুবুৰীলৈ নিগাজীকৈ থাকিবলৈ আহো। আৰম্ভণিৰে পৰাই মহাদেউ, মাহীদেউক দেখো ৰাতিপুৱা গধূলি প্ৰায়েই আমাৰ ঘৰৰ সন্মুখেৰে স্বাস্থ্যজনিত কাৰণত খোজ কাঢ়ি যোৱা। আমি ঘৰৰ বাহিৰত থাকিলেই মহাদেৱে কিঞ্চিৎ সময় ৰৈ সদায় দুটা এটা কথা পাতি যায়। প্ৰথমতেই তেখেতে আমাক সোঁৱৰাইছিল আমাৰ স্বৰ্গগতা মাৰ সৈতে থকা তেখেতৰ পুৰণি চিনাকিৰ কথা। মোৰ মনত আছে, আমি সৰু থাকোতে এই চুবুৰীৰ আমাৰ মাটি টুকুৰা এক চক্ৰান্তকাৰী কু-জনৰ কবলৰ পৰা মুক্ত কৰাবলৈ মাই অকলে এটা দীঘলীয়া আদালতী যুদ্ধত লিপ্ত হ'ব লগীয়া হৈছিল। সেই যুদ্ধ কৰিছিল এই চুবুৰীৰে এডভোকেট পিছলৈ অসমৰ মন্ত্ৰী উপেন্দ্ৰ নাথ দাস ডাঙৰীয়াই। মাই আমাক কৈ যোৱা মতে সেই আদালতী যুদ্ধত আমাৰ চুবুৰীৰ দুজন বাসিন্দাই স্বাৰ্থহীন আৰু বিশেষভাৱে সহায় কৰিছিল ন্যায় প্ৰতিষ্ঠাৰ বাবে। এজন হ'ল স্বৰ্গীয় ৰজনীকান্ত দেৱ শৰ্মা চাৰ আৰু আনজন আমাৰ এতিয়াৰ মহাদেউ শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগদেৱে সেই গোচৰ হাইকোৰ্টত মাৰ বাবে ওকালতি কৰি জয়লাভ কৰি মাটি টুকুৰা উদ্ধাৰ হোৱাত সহায় কৰিছিল। এই পৰোপকাৰী আৰু মৰমীয়াল মহান ব্যক্তি জনাৰ একাশীতম জন্মদিন উপলক্ষে প্ৰকাশিত এখন গ্ৰন্থত সন্নিবিষ্ট কৰিবলৈ মই এই ৰচনাখন লেখিবলৈ পাই নিজে ধন্য মানিছো। এই মৰ্মে জন্মদিন উদ্‌যাপন কমিটিৰ আহ্বায়কদ্বয়ৰ চিঠিৰে কৰা অনুৰোধ পাই মোৰ প্ৰথম অনুভৱটো আছিল — মইনো এই মহান ব্যক্তিজনৰ জীৱনজোৰা বিশাল কৰ্মৰাজিৰ কিমান ভূ পাওঁ ? তেখেতৰ বিগত জীৱনৰ কৰ্মৰাজি বা কৃতিত্ব আদিৰ বিষয়ে সবিশেষ নেজানিলেও এই যোৱা বাৰ তেৰ বছৰে তেখেতৰ সান্নিধ্যত স্নেহধন্য হৈ আমি তেখেতৰ ব্যক্তিত্বৰ উদাৰতাৰ সৈতে যিকন চিনাকি হৈছো সেইখিনিৰেই এটা সৰু প্ৰবন্ধ লেখিবলৈ অসুবিধা নহ'ব বুলি ভাবিছো।

বাটেপথে আমাক দেখিলেই মহাদেৱে ৰৈ দুষাৰ এষাৰ কথা পাতিবই। আমাৰ দুয়োজনী ছোৱালী কিছুদিনৰ পৰা উচ্চ শিক্ষাৰ বাবে অসমৰ বাহিৰত নিবাসী। সিহঁতৰ যাৱতীয় খা খবৰ নিয়মীয়াকৈ ল'বই মহাদেৱে। কেতিয়াবা

কাশ্চিৎ মাহীদেউৰ শাৰীৰিক কুশল জানিবলৈ তেখেতৰ ঘৰলৈ গ'লেও দুই চাৰিটা কথাৰ মাজতে এই অভাজনৰ দ্বাৰা লিখিত ৰচনা বা গল্প আদি পঢ়ি কাকতে পত্ৰে পঢ়িবলৈ পোৱা আৰু পঢ়ি তেখেতৰ কেনে লাগিল এইবোৰ মন্তব্য নিয়াৰিকৈ জনাবলৈ নাপাহৰে। অতি ব্যস্ততাৰ মাজতো যে মহাদেৱে কৃপাদৃষ্টিৰে এই অভাজনৰ নিঃকিন ৰচনাবোৰো বাছি বাছি পঢ়িছে এই খবৰটো পোৱা আমাৰ দৰে লেখকৰ বাবে এটা ডাঙৰ সৌভাগ্য। এই খবৰবোৰে আমাৰ লেখনীৰ বাবে অসীম উৎসাহ কঢ়িয়াই আনে। এই একে সন্দৰ্ভত মাহীদেউৰ মৰমৰ কথাও উনুকিয়াব ওলাইছো। যেতিয়াই তেখেতৰ ঘৰলৈ যাওঁ ইটো সিটো দৰ্কাৰ অদৰ্কাৰত মাহীদেৱে আথে বেথে মাতি নি আদৰ সাদৰেৰে সদায় বুৰাই পেলাব। শাৰীৰিক অসুস্থতা থাকিলেও আমাৰ মাজত বহি দুষাৰ এষাৰ আন্তৰিক কথা বতৰাৰ পিছত মহাদেউৰ সৈতে কথা পাতিবলৈ দি চাহ-তাহ বা চৰবত মিঠাইৰ ব্যৱস্থা কৰিবই কৰিব। সৌন্দৰ্যপ্ৰিয় মহা আৰু মাহীদেৱে তেওঁলোকৰ ঘৰৰ দুতলাৰ পৰা দেখা পোৱা আৰু আমাৰ চোতালত ৰোৱা ফুলনি খনত মাজে মাজে ফুলি উঠা ফুলবোৰৰ সৌন্দৰ্যৰ প্ৰশংসা কৰিবই কৰিব।

মহাদেউৰ বিষয়ে এই ৰচনাখন লেখাৰ আগেয়ে মই এদিন অঞ্জলি লাহিড়ী বাইদেউক লগ পাইছিলো। অঞ্জলি বাইদেউ ছাত্ৰী অৱস্থাত এসময়ত মাহীদেউহঁতৰ দৰেই ভাৰতৰ অবিভক্ত কমিউনিষ্ট দলৰ ছাত্ৰ সন্থাৰ কৰ্মী আছিল। মহাদেৱো সেই সময়ত ৰাজনৈতিক-কৰ্মী হিচাপে বিশেষভাৱে সক্ৰিয় আছিল বুলি জানো। অঞ্জলি বাইদেউক এই বিষয়ে প্ৰশ্ন কৰাত তেওঁ কলে — ছাত্ৰাৱস্থাত মহাদেউ হেনো এজন জনপ্ৰিয়, সক্ৰিয় আৰু সক্ষম ছাত্ৰনেতা আছিল। অসমত হেনো সেই সময়ত সদ্য প্ৰয়াত কমিউনিষ্ট নেতা ফণী বৰাৰ সমানে জনপ্ৰিয় ছাত্ৰ নেতা আছিল মহাদেউ। তেখেত পিছলৈকো একেধৰণে ৰাজনীতিত সক্ৰিয় হৈ থকা হলে এজন সৰ্বভাৰতীয় স্তৰৰ নেতা হিচাপে প্ৰতিষ্ঠিত হোৱাৰ সম্ভাৱনা আছিল। সেয়া নহলেও স্বেচ্ছাৰে ওকালতিৰ জগতলৈ গৈ মহাদেৱে তেখেতৰ নিজা বিচক্ষণতাৰে অসমৰ এডভোকেট জেনেৰেল পদবীলৈকো উধাব পাৰিলে - এয়েই আমাৰ বাবে অত্যন্ত গৌৰৱৰ কথা। তাতোকৈ গৌৰৱ আৰু অভিমানৰ কথা যে চুবুৰীয়া হিচাপে আমি এতিয়া তেখেতৰ দৰে অসমৰ সু সন্তান এজনৰ নিকট স্থানীয় আৰু স্নেহধন্য হিচাপে নিজকে চিনাকি দিব পাৰো। আমাৰ বাবে সৌভাগ্যৰ

কথা যে এই একাশী বছৰ বয়সতো মহাদেউ নিজাববীয়াকৈ কাম কাজ, লেখামেলা আদিত সক্ৰিয় আৰু সক্ষম। শেষত এয়ে কামনা যেন তেখেতে ভবিষ্যতেও সুদীৰ্ঘ কাল এনেদৰেই সক্ৰিয় আৰু সক্ষম হৈ ৰয়। সুদীৰ্ঘ কাল তেখেতৰ আশীৰ্বাদ স্বৰূপ উপস্থিতিৰে আমাৰ পাৰিপাৰ্শ্বিক পৃথিৱীখন যেন পোহৰাই ৰাখে। ❑

লেখক এগৰাকী জনপ্ৰিয় গল্পকাৰ তথা ঔপন্যাসিক।

সুচেন ভূঞা সম্পৰ্কে দুআষাৰ

তৰুণসেন ডেকা

প্ৰিয় বন্ধু শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ ৮১তম জন্মদিন ২০০৫ চনৰ ২৯ জুলাইৰ দিনা পূৰ্ণ হ'ব বুলি জানি আনন্দ পালো। তেখেতৰ জন্মদিনৰ দিনাখন জীৱনী গ্ৰন্থখন প্ৰকাশ হ'ব বুলি জানি মনতে ৰং পালো।

১৯৪১-৪২ চন মানত মই গুৱাহাটী কটন কলেজত পঢ়িছিলো। ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ দিনা ব্ৰিটিছ পুলিছে মাৰপিট কৰাত আহত হৈ গুৱাহাটী চিভিল হাস্পাতালত প্ৰায় ১২ দিনমান ভৰ্তি হৈ আছিলো। হস্পাতালতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা হৰেণ কলিতা, হৰিদাস ডেকা, গোকুল মেধি আৰু ভূপেন মহন্তহঁতৰ লগত পৰিচয় হয়। সেই পৰিচয়ৰ আলমতেই বিপ্লৱী কমিউনিষ্ট দলৰ সদস্য হওঁ। তেতিয়া আমাক কোৱা হৈছিল যে, কেট্‌লিৰ পানী উতলি আছে, ঢাকনীখন গুচাই দিলেই ভাৰতবৰ্ষ স্বাধীন হ'ব। স্বাধীনতা লাভৰ উদণ্ড বাসনাত আমালোক উদ্বেলিত আৰু মতলীয়া হৈ আছিলো, আৰু যিকোনো ত্যাগৰ বিনিময়ত ব্ৰিটিছ শাসনৰ পৰা স্বাধীন হ'বলৈ দুৰ্বাৰ কামনা কৰিছিলো।

সেই সময়ত নিখিল ভাৰত ছাত্ৰ সন্মিলনৰ মাজত বিভাজনৰ সৃষ্টি হৈছিল— 'এম. এল. ছাহ' আৰু ফাৰুকীৰ নেতৃত্বৰ দুটা দলৰ মাজত ছাত্ৰ সন্মিলনৰ বিভাজন ঘটে। সেই বিভাজনৰ ফলশ্ৰুতি হিচাপে বিভিন্ন অঞ্চলৰ ছাত্ৰ সন্মিলনৰ বিভাজন হয়। অসমৰ একমাত্ৰ ছাত্ৰ সন্মিলন (এছ. এফ. আই)ৰ বিভাজন হয় আৰু অসম প্ৰাদেশিক ছাত্ৰ সন্মিলন গঢ়ি উঠে। অসমৰ বিপ্লৱী কমিউনিষ্ট দলে প্ৰাদেশিক ছাত্ৰ সন্মিলনৰ নেতৃত্ব বহন কৰে আৰু অসমৰ ছাত্ৰ সন্মিলনৰ নেতৃত্ব বহন কৰে, ভাৰতৰ কমিউনিষ্ট দলৰ কৰ্মীসকলে। অসমৰ ছাত্ৰ সন্মিলনৰ নেতৃত্বত আছিল কমিউনিষ্ট নেতা ফণী বৰা, সুচেন্দ্ৰ নাথ ভূঞা, মদন বৰপূজাৰী, ধীৰেশ্বৰ কলিতা, নন্দেশ্বৰ তালুকদাৰ, গৌৰীশংকৰ ভট্টাচাৰ্য, বিষ্ণু বৰা, প্ৰমোদ গগৈ, অৰুণী বৰঠাকুৰ, ভদ্ৰকৃষ্ণ গোস্বামী, উত্তম তহবিলদাৰ, ৰমেশ চন্দ্ৰ শৰ্মা আদি ছাত্ৰনেতা সকল। অসম প্ৰাদেশিক ছাত্ৰ সন্মিলনৰ নেতৃত্ব বহন কৰিছিল উমা শৰ্মা, কামিনী শৰ্মা,

তৰুণসেন ডেকা, গোকুল মেধি, খগেন বৰবৰুৱা, মথুৰা ডেকা, খগেন্দ্ৰনাথ গোস্বামী, হৰেন্দ্ৰ নাথ কলিতা, হৰিদাস ডেকা, যোগেন গগৈ, অপৰাজিতা মুখাৰ্জী, কমলা মজুমদাৰ, মোহন মুখাৰ্জী, নিহাৰ মুৰ্খাজী, বানেশ্বৰ শইকীয়া, অম্বু বৰা আদি নেতাসকলে।

উল্লেখ কৰা উচিত হ'ব যে সাম্ৰাজ্যবাদী ব্ৰিটিছৰ দিনত কমিউনিষ্ট পাৰ্টি গঢ়ি তোলা কঠিন কাম আছিল। যাকে তাকে গ্ৰেপ্তাৰ কৰা হৈছিল, গুলি কৰা হৈছিল। বেয়নেট চাৰ্জ কৰা হৈছিল, আৰু সংগঠনবোৰ বেআইনী ঘোষণা কৰা হৈছিল। আত্মৰক্ষাৰ খাতিৰত কমিউনিষ্টসকলে কৃষক, বনুৱা আৰু ছাত্ৰসকলৰ মাজত বিভিন্ন ৰকমৰ সংগঠন গঢ়ি তুলিছিল। প্ৰদেশিক ছাত্ৰ সন্মিলন আৰু অসম ছাত্ৰ সন্মিলনতো ক্ৰমে বিপ্লৱী কমিউনিষ্ট পাৰ্টি আৰু কমিউনিষ্ট পাৰ্টিয়ে ব্যৱহাৰ কৰিছিল।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম হিচাপে ধৰা হয়। ১৮৫৭ চনৰপৰা ১৯৪৭ চনৰ ১৫ আগষ্টলৈ এই দীঘলীয়া ৯০ বছৰ কালত বিভিন্ন ৰূপত, বিভিন্ন আকাৰত স্বাধীনতা সংগ্ৰাম চলিছিল আৰু ছাত্ৰ সন্মিলনক সেই হিচাপে ব্যৱহাৰ কৰিছিল।

১৯২০ চনত ৰুছ দেশৰ তাছ খণ্ডত ভাৰতৰ প্ৰথম কমিউনিষ্ট পাৰ্টি গঠন হয় আৰু ১৯২৫ ভাৰতবৰ্ষৰ শিল্পনগৰী কাণপুৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ প্ৰথম জন্ম হয়। কমিউনিষ্টসকলে কংগ্ৰেছৰ ভিতৰত থাকি ঐক্যবদ্ধভাৱে আৰু মাজে মাজে কংগ্ৰেছৰ বাহিৰত থাকি বিৰোধিতা কৰি কংগ্ৰেছৰ সাম্ৰাজ্যবাদ বিৰোধী ভূমিকা প্ৰখৰ কৰিছিল। ফলত ১৯২৭ চনত মাদ্ৰাজ কংগ্ৰেছত পূৰ্ণ স্বাধীনতাৰ দাবী প্ৰথম উত্থাপিত হয়। মাদ্ৰাজ কংগ্ৰেছৰ পিছত ১৯৩০-৩৩ চনত গান্ধীজীৰ সৈতে ব্ৰিটিছ চৰকাৰৰ তিনিখন ঘূৰণীয়া মেজমেল হয়। গান্ধীজীৰ একক সত্যাগ্ৰহ কাৰ্যসূচী কমিউনিষ্টসকলে বিৰোধিতা কৰিছিল, এই বুলি যে, একক সত্যাগ্ৰহত ভাৰতৰ জাগি উঠা গণ জাগৰণ, গণ সংগ্ৰাম ব্যৰ্থ হ'ব। তেতিয়া দেশজুৰি আন্দোলনৰ জোৱাৰ সৃষ্টি হৈছিল আৰু শান্তিপূৰ্ণ সত্যাগ্ৰহত সেই জোৱাৰ স্তব্ধ কৰা সম্ভৱ নাছিল। ইতিমধ্যে দ্বিতীয় বিশ্ব যুদ্ধই মূল্য বৃদ্ধি, নিৰনুৱা সমস্যা, দুৰ্নীতি, স্বজন পোষণতা বঢ়াই তোলে আৰু মানুহে স্বাধীনতা পাবলৈ উদ্বাউল হৈ উঠে। উল্লেখ কৰা দৰকাৰ যে ১৯০৫ চনৰ পৰা 'বংগ ভঙ্গ' আন্দোলনক কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ স্বাধীনতা

সংগ্রামী সংগঠন বিস্তৃত হয়। আনন্দৰ কথা যে ভাৰতৰ বাহিৰতো বাৰ্লিন, কানাডা, হংকং, পেৰিছ, চিঙ্গাপুৰ আদি বিভিন্ন স্থানত ভাৰতৰ বিপ্লৱীসকলে অস্ত্র আৰু অৰ্থ সংগ্রহ কৰি ভাৰতলৈ পঠাইছিল। যুগান্তৰ, অনুশীলন আদি বিপ্লৱী সংগঠন বিলাক গঢ়ি উঠিছিল। এই সম্পৰ্কত গদৰ পাৰ্টিৰ নেতৃত্ব উল্লেখযোগ্য।

দ্বিতীয় মহাসমৰে সৃষ্টি কৰা অস্থিতিশীল পৰিস্থিতিৰ মাজতে আমি কটন কলেজত পঢ়িছিলো। সেই পৰিস্থিতিৰ মাজতেই দেশবাসীক প্ৰেৰণা যোগাবলৈ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰ সংগঠন বিলাকৰ মাধ্যমেৰে কমিউনিষ্ট সকলে আপ্ৰাণ চেষ্টা কৰিছিল।

সেই সময়ত গুৱাহাটী কটন কলেজখন অকল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, ৰাজনৈতিক আন্দোলনৰ নেতৃত্বৰো আগত আছিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নীতিগত বিৰোধ আছিল আৰু সেই বিৰোধ ছাত্ৰ সংগঠন বিলাকক প্ৰভাৱিত কৰিছিল। বিপ্লৱী কমিউনিষ্টসকলে একেৰাহে চাৰি বছৰ কাল কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ নেতৃত্ব বহন কৰিছিল। সেই সময়ত অসমত ভাৰতৰ কমিউনিষ্ট পাৰ্টি শক্তিশালী হোৱা নাছিল। এনে এটা সময়তে সুচেন্দ্ৰ নাথ ভূঞা, ফণী বৰা, নন্দেশ্বৰ তালুকদাৰ, ধীৰেশ্বৰ কলিতা আদি কমিউনিষ্ট ছাত্ৰৰ নেতৃত্বত আলোড়ণ সৃষ্টি হৈছিল। আজিও মনত পৰে ফণী বৰা আৰু সুচেন্দ্ৰ নাথ ভূঞাৰ উদ্বেলিত আৰু দুৰ্দান্ত বক্তৃতামালা। জনযুদ্ধৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পিছত অসম ছাত্ৰ সন্মিলনৰ নেতাসকলৰ বহু ৰকমৰ বাধা আৰু বিপত্তিৰ সৃষ্টি হয়। অসমৰ বিভিন্ন স্থানত নেতাসকল অপদস্থ আৰু অপমানিত হয়। তথাপি কমিউনিষ্ট আদৰ্শত বিশ্বাসী ছাত্ৰনেতাসকল হতাশ হৈ বা পিছ পৰি থকা নাছিল। কটনৰ বিভিন্ন সমস্যা, দেশৰ ৰাজনৈতিক অৱস্থা, বিহাৰ, উত্তৰ প্ৰদেশৰ পুলিচ বিদ্ৰোহ, বোম্বে, কৰাচীৰ নাবিক বিদ্ৰোহ, বিভিন্ন স্কুল, কলেজ আৰু শিল্পানুষ্ঠানৰ দমন আৰু নিৰ্যাতনৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিছিল। সেই সময়ত ফণী বৰা, সুচেন ভূঞাৰ নেতৃত্বত ছাত্ৰসকল মোহিত হৈছিল। সুচেন নাথ ভূঞাক আমি তেতিয়া সুচেন ভূঞা বুলি জানিছিলো। সুচেন ভূঞা এই নামটো আমাৰ মনত বিদ্ৰোহাত্মক নাম হিচাপে সুপৰিচিত আছিল। সুচেন ভূঞাৰ অনৰ্গল বক্তৃতাৰ ধাৰা, তেওঁৰ নিজৰ বিশ্বাস আৰু আস্থাৰ কথা দৃঢ়তাৰে প্ৰমাণ কৰে। বহুতো

সময়ত হঠাৎ হোৱা ঘটনাৰ প্ৰতিবাদ কৰিবলৈ নিয়মীয়াকৈ সভা অনুষ্ঠিত কৰিব নোৱাৰিলেও বৰা আৰু ভূঞাই খোলা ঠাইতে বক্তৃতা দি মানুহক প্ৰেৰণা দিছিল। কটন কলেজৰ দুৱাৰ মুখেৰে যোৱা ৰাস্তাৰ কালভাৰ্টৰ ওপৰত থিয় হৈ সুচেন ভূঞাই দিয়া তেজস্বিনী বক্তৃতামালাৰ কথা আজিও মনত পৰে। তেতিয়া ধাৰণা হৈছিল সুচেন ভূঞা নিজে এটা বিপ্লৱৰ ফিৰিঙতি। জনযুদ্ধৰ বিৰুদ্ধে প্ৰবল জনমত সৃষ্টি হোৱা স্বত্বেও সুচেন ভূঞাই জন যুদ্ধৰ নীতি আৰু কাৰ্যধাৰা নিৰলসভাৱে আৰু সাহসেৰে ব্যাখ্যা কৰিছিল। কামপুৰৰ ভিতৰুৱা গাওঁৰপৰা অহা এই ডেকাজন সেই সময়ৰ যুৱক সমাজৰ, ছাত্ৰ সমাজৰ আদৰ্শনীয় প্ৰতীক হিচাপে সন্মানিত হৈছিল। আজি তেওঁৰ বাৰ্দ্ধক্য আৰম্ভ হৈছে। ১৯৪৭ চনৰ স্বাধীনতা লাভৰ পিছত দীৰ্ঘদিন ধৰি তেওঁক লগ পোৱা নাছিলো, সুখৰ কথা আজিৰ পৰা ২৫ বছৰ আগত ১৯৮০ চনত নলবাৰীৰ পৰা গুৱাহাটী হাই কোৰ্টলৈ ব্যৱসায়িক কাৰণত কৰ্মক্ষেত্ৰৰ পৰিৱৰ্তন কৰিব লগা হোৱাত হাইকোৰ্টত ভূঞাক পুনৰ লগ পাওঁ। এই ২৫ বছৰ কাল তেওঁৰ লগত সান্নিধ্য গঢ়ি উঠে।

উল্লেখ কৰা উচিত যে সুচেন ভূঞাৰ লগত পাৰ্টী সদস্যা শ্ৰীমতী সুভদ্ৰা ভূঞাৰ প্ৰীতিভাৱ গঢ়ি উঠে আৰু দুয়োৰে মাজত বিবাহ সম্পৰ্ক সংঘটিত হয়। ভূঞাৰ ঔৰসত তিনিগৰাকী ছোৱালী আৰু এজন পুত্ৰ সন্তান ওপজে। ল'ৰা-ছোৱালীহঁতৰ শিক্ষাদীক্ষাৰ প্ৰতি ভূঞা আৰু তেওঁৰ পৰিবাৰে যথেষ্ট মনোযোগ দিয়ে। ফলত তেওঁৰ স্বাগতা ভূঞা খান্না, জ্যোতি দাস এই দুজনী ডাক্তৰ আৰু অনুলেখাসেন ডেকা কটন কলেজৰ প্ৰবক্তাৰূপে অধিষ্ঠিত হয়। তেওঁৰ দুজন জোঁৱাই সুভাষ খান্না আৰু বিষ্ণু দাস দুয়োজনেই ডাক্তৰ। তেওঁৰ ল'ৰা শ্ৰীউজ্জ্বল ভূঞা উদীয়মান এড্‌ভোকেট। তেওঁৰ বোৱাৰী শ্ৰীমতী সংঘমিত্ৰা ভূঞা হাইকোৰ্টৰ এড্‌ভোকেট। তেওঁৰ তৃতীয় জোঁৱাই শ্ৰীনীলমণিসেন ডেকা হাইকোৰ্টৰ এডভোকেট আৰু অসম বিধান সভাৰ সদস্য। শিক্ষা-দীক্ষাৰ প্ৰতি থকা আগ্ৰহে ভূঞা পৰিয়ালক সন্মান আৰু মৰ্যাদা প্ৰদান কৰিছে। হাইকোৰ্টৰ এড্‌ভোকেট হিচাপে শ্ৰীভূঞাৰ পৰা গ্ৰহণ কৰিবলগীয়া যথেষ্ট গুণৰ সমাৱেশ আছে, মোক্কেলসকলৰ প্ৰতি সদাচাৰ, সু-ব্যৱহাৰ, মিঠামাত ভূঞাৰ আদৰণীয় সম্বল। এই দীঘলীয়া ২৫ বছৰত কোনো মোক্কেলে শ্ৰীভূঞাৰ বিৰুদ্ধে বিষোদাগাৰ কৰা নাই। এবাৰ কথা হোৱাৰ পিছত

ভূঞাৰ ব্যৱহাৰত মানুহ সন্মোহিত হয়। ফিজ গ্ৰহণৰ ক্ষেত্ৰত কোনো কঠোৰতা প্ৰকাশ কৰা নহয়। ভৱিষ্যতৰ উকীল সকলে ভূঞাৰ ব্যৱহাৰ পৰা শিক্ষা গ্ৰহণ কৰা উচিত।

পাৰিবাৰিক সম্বন্ধৰ ক্ষেত্ৰতো, ইষ্ট-কুটুমৰ খবৰ খাটি লোৱাৰ ক্ষেত্ৰত, দুখ বেদনাৰ অংশীদাৰ হোৱাৰ ক্ষেত্ৰত ভূঞাৰ অৱদান বখানিবলগীয়া।

তেওঁ কংগ্ৰেছ চৰকাৰৰ দিনত দুবাৰকৈ এড্‌ভোকেট জেনেৰেল পদ পাইছিল, আৰু বাৰ কাউন্সিলৰ অসম শাখাৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিল।

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা নামৰ সলনি সুচেন ভূঞা হিচাপে তেওঁক নামকৰণ কৰি লিখিলো আৰু সেই হিচাপে এই প্ৰবন্ধত উল্লেখ কৰা হৈছে। তেওঁৰ জন্মদিনৰ দিনা দীৰ্ঘ জীৱনৰ কামনা কৰি এই প্ৰবন্ধটো লিখিলো। ন্যায় পৰায়ণতা, সদাচাৰ, শিষ্টাচাৰ, প্ৰীতি, জনপ্ৰীতি আদি মহৎ গুণ বিলাকৰ তেওঁ অধিকাৰী, ভৱিষ্যতৰ বংশধৰসকল তেওঁৰ অনুকৰণীয়। ❑

লেখক উচ্চ ন্যায়ালয়ৰ এগৰাকী জ্যেষ্ঠ অধিবক্তা।

মই জীয়াই থাকি ভাল পাওঁ........

দিলীপ কুমাৰ হাজৰিকা

১৯৩৭ চনত নগাঁও জিলাৰ কামপুৰৰ কামেশ্বৰ বৰঠাকুৰ এম.ভি, এম. ই. স্কুলত সেই বছৰৰ এটা দিনত সকলোৰে মাজত খদমদম্ লাগিছিল। স্কুলৰ প্ৰধান শিক্ষকে ছাত্ৰ শিক্ষক সকলোকে একগোট কৰি কৈছিল "ল'ৰাহঁত আজি তোমালোকৰ শুভ আচৰণ আৰু সফল কৰ্মৰ মাজতেই আমাৰ স্কুলখনৰ সন্মান লুকাই আছে। ল'ৰাহঁতৰ লগতে সমূহ শিক্ষক সকলোলৈকে মই অনুৰোধ জনাইছোঁ যাতে আজি সম্পূৰ্ণ নিয়মানুৱৰ্তিতাৰ মাজেৰে শ্ৰেণী সমুহ পৰিচালনা কৰি আমাৰ এই আদৰৰ স্কুলখনক সমগ্ৰ নগাওঁ জিলাৰ ভিতৰতেই গৌৰৱময় স্কুল ৰূপে প্ৰমাণিত কৰক।" ল'ৰাহঁত তোমালোকক কৈ থওঁ এতিয়া দিনৰ বাৰ বাজিছে । দিনৰ দুই বজাত সদৰৰ পৰা ইন্সপেক্টৰ মহোদয় আমাৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহিব। মহোদয়ে পৰিদৰ্শন কৰা কালছোৱাত যাতে সম্পূৰ্ণ সন্তুষ্টি লাভ কৰে তাৰ বাবে আটায়ে যত্ন কৰিবা।"

............১৯৩৭ চনৰ কামপুৰৰ কামেশ্বৰ বৰঠাকুৰ এম.ভি, এম. ই. স্কুলত ইন্সপেক্টৰে পৰিদৰ্শনৰ অন্তত তেওঁ অনুভৱ কৰা কথাখিনি স্কুলৰ ৰেকৰ্ড বহীত লিখি থৈ গৈছিল। সেয়া হ'ল "ছাত্ৰ আৰু শিক্ষক এই স্কুলখনত হৃদয়ৰ আনন্দত একীভূত হৈ পৰিছে। মোৰ বিশ্বাস এই স্কুললৈ যিখিনি ছাত্ৰই শিক্ষা লাভ কৰিবলৈ আহিব তেওঁলোকে পঢ়াশুনাৰ ক্ষেত্ৰত কেনেধৰণেৰে অধ্যয়ন কৰিব, সেই কথা এতিয়াই মই সঠিককৈ এই মুহূৰ্তত ক'ব নোৱাৰোঁ।

.........কিন্তু এই স্কুলৰ ছাত্ৰহঁতে যে ভাবীকালত একো একোজন প্ৰকৃত মানুহ হ'ব পাৰিব আৰু সমাজলৈ অৰিহণা যোগাব পাৰিব, সেই বিষয়ে মোৰ লেখ মাত্ৰও সন্দেহ নাই। পঞ্চম মানৰ ছাত্ৰ এজনৰ পাৰদৰ্শিতাত মই মুগ্ধ হৈছোঁ আৰু লগে লগে স্তম্ভিত হৈ পৰিছোঁ। মোৰ সুদীৰ্ঘ চাকৰি কালছোৱাত বহু স্কুললৈ গলোঁ, বহু ছাত্ৰ-ছাত্ৰীক সোধাপোছা কৰিবলৈ পালোঁ কিন্তু কামপুৰৰ এই পঞ্চম শ্ৰেণীৰ ছাত্ৰজনৰ সামগ্ৰিক

উৎকৰ্ষতাই মোক অবাক কৰিছে। ভৱিষ্যতে তেওঁ ছাত্ৰ জীৱনত বহুত বৃত্তি, জলপানী যে লাভ কৰিব পাৰিব সেই বিষয়ে মই নিশ্চিত। মই এই অকণমান ল'ৰাজনৰ গৌৰৱময় জীৱন কামনা কৰিলোঁ।'

.... আঢ়ৈ বছৰত মাতৃহাৰা হোৱা এই ল'ৰাজনক দেউতাকে ১৯৩৪ চনত কামপুৰৰ ওপৰত উল্লিখিত স্কুলত নাম লগাই দিছিল। .... ইন্সপেক্টৰৰ ভৱিষ্যতবাণী কামে-কাজে ফলিয়ালে। সেই ল'ৰাজনে কামপুৰৰ কামেশ্বৰ বৰঠাকুৰ স্কুলৰ পৰা ১৯৩৮ চনত বৃত্তি পৰীক্ষা দি সমগ্ৰ জিলাখনৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি কামপুৰৰ স্কুলৰ আৰু পৰিয়ালৰ মুখ উজলালে। ভৱিষ্যত জীৱনটো এইজনা শিশু হৈ পৰিল এগৰাকী প্ৰকৃত মানুহ।

মাতৃ শ্ৰীমতী ৰঞ্জনী ভূঞাক আঢ়ৈ বছৰ বয়সতেই হেৰুওৱা এই তীক্ষ্ণ বুদ্ধি সম্পন্ন ছাত্ৰজন আছিল কামপুৰৰ নিজ নাৰিকলি গাৱঁৰ নন্দেশ্বৰ ভূঞাৰ পুত্ৰ সুচেন্দ্ৰ নাথ ভূঞা। ১৯৩৮ চনত সৰ্বোচ্চ খ্যাতি লাভ কৰা সুচেন্দ্ৰ নাথে জীৱন যাত্ৰাত বীৰদৰ্পে নিজৰ কৰ্মৰ মাজেৰে আগবাঢ়ি গ'ল। গাওঁখনৰ আৰু পৰিয়ালটোৰ বাবে যশস্যা কঢ়িয়াই অনাটোৱেই আছিল তেওঁৰ একমাত্ৰ ব্ৰত।

স্কুলীয়া শিক্ষা শেষ কৰি সুচেন্দ্ৰ নাথে অসমৰ উচ্চ শিক্ষাৰ পীঠস্থান কটন কলেজলৈ অহাৰ আগেয়েই কটন কলেজৰ ছাত্ৰৰ ওপৰত বৃটিছ চৰকাৰে ১৯৪১ চনৰ ৬ ডিচেম্বৰত যি নিষ্ঠুৰতা, বৰ্বৰতা আৰু অমানুষিকতাৰে দমন নীতি প্ৰয়োগ কৰিছিল, তাৰ প্ৰতিবাদত অসমৰ বিভিন্ন ঠাইত, অঞ্চলত সমগ্ৰ ছাত্ৰ সমাজ যি দৰে জাগি উঠিছিল, তাৰ নেতৃত্ব দিবলৈ নগাঁৱত ১৯৪১ চনত আগবাঢ়ি আহিছিল সুচেন্দ্ৰ ভূঞা নামৰ নৱম শ্ৰেণীৰ ছাত্ৰজন। কটন কলেজৰ এজন ছাত্ৰক কলেজ কমিটিৰ এজন সদস্যই গুৰুতৰ ভাবে মাৰধৰ কৰি জখম কৰিছিল। কাৰণটো আছিল কলেজ কৰ্তৃপক্ষই কলেজ চৌহদত বৃটিছ চৰকাৰৰ যুদ্ধৰ বাবে পুঁজি সংগ্ৰহৰ কাৰণে যি প্ৰদৰ্শনী পাতিছিল সেই প্ৰদৰ্শনী ছাত্ৰসকলে নিৰ্ভীকভাৱে বৰ্জন কৰিছিল। এই বিষয়ে Political History of Assamত বিস্তৃতভাৱে যি বিৱৰণী দিছিল তালৈকে অলপ চকু ফুৰাওঁচোন। ৬ ডিচেম্বৰৰ দিনটোৰ বিষয়ে এনেকৈ কোৱা হৈছে — 'The infuriated students held a

protest meeting on 6th December 1941 and organised a large procession which went through the town shouting 'not a man, not a pie' to the imperialist war. The student processionists were stopped by the Deputy Commissioner himself, backed by a band of armed policemen near the Collie Depot and Solabil road junction. The armed police fell upon them mercilessly. The police action was so indiscriminate, brutal and vindictive that 40 students were seriously injured and two hundred assaulted...Protesting against police action, the students of Gauhati observed a hartal on 7th December '41. In a meeting held in Gauhati Union Field (now Latasil) under the presidentship of Nilmoni Phukan, resolutions were adopted condemning the action of the D.C and the Police (Sec: Political History of Assam, Vol-3, Page-41).........বুৰঞ্জীত উল্লেখিত এই ৭ ডিচেম্বৰৰ দিনটোতেই অসমৰ সমূহ জিলাতেই ছাত্ৰহঁতে বৃটিছ চৰকাৰৰ বিৰুদ্ধে ৰণশিঙা বজাই চৌদিশ নিনাদিত কৰি তোলে।নগাঁৱৰ ছাত্ৰহঁতৰ সভাত আগভাগ লৈছিল আজিৰ নিবন্ধৰ নায়ক সুচেন্দ্ৰ নাথে। এই ৭ ডিচেম্বৰৰ দিনটোৱেই সুচেন ভূএগ্ৰাৰ ভৱিষ্যত জীৱনৰ দিশ নিৰ্ণয় কৰিলে। সংগ্ৰামী মনোভাৱেৰে পৰিপুষ্ট সুচেন ভূএগ্ৰাই সেইদিনা নগাঁৱৰ ছাত্ৰসভাত কামৰূপৰ উপাযুক্ত হামফ্ৰে চাহাবক কঠোৰ ভাবে সমালোচনা কৰি কৈছিল, 'not a man, not a pie to your imperialist war. We condemn your brutal action, you please leave our country immediately'.

১৯৪৩ চনত কটন কলেজত নাম লগাইছিল সুচেন্দ্ৰ নাথে । এই কলেজখনেই ১৯৪১ চনত সুচেন্দ্ৰ নাথৰ প্ৰতিবাদী সত্তাটোক উদ্দীপ্ত কৰি তুলিছিল। অতি সুখ্যাতিৰে নগাওঁ হাইস্কুলৰ পৰা প্ৰথম বিভাগত দুটা বিষয়ত লেটাৰ সহ (অসমীয়া আৰু ভূগোল) উত্তীৰ্ণ হোৱা সুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ কটন কলেজ কৰ্তৃপক্ষই উছাহেৰে এই মেধা সম্পন্ন নৱাগতক আদৰণি জনাইছিল।

"সকলোৱেই পঢ়িছে, সকলোৱেই পৰীক্ষা দিছে, সকলোৱেই সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। কিন্তু ইয়াৰ পৰা সমাজেনো কি পালে?" এই প্ৰশ্নই সুচেন্দ্ৰ নাথক উদ্‌বাউল কৰি তুলিলে। সেয়েহে অধ্যয়ন সম্বন্ধীয় সকলো কাম সুকলমে সমাধা কৰিও সুচেন্দ্ৰ নাথৰ জীৱন কিহবাৰ বাবে

ব্যাকুল হৈ উঠিল। সুচেন্দ্ৰ নাথে ভাবিলে যে পৰাধীন ভাৰতবৰ্ষত ছাত্ৰ যিমানেই ওপৰলৈ নাযাওক, তেওঁ হ'ব পৰাধীন ভাৰতৰ এক 'জাৰজ' সন্তান। ১৯৪১ চনৰ ৭ ডিচেম্বৰত নগাওঁৰ ময়দানত যি ধ্বনি দিছিল সেই ধ্বনিয়েই সুচেন্দ্ৰ নাথক পৰৱৰ্তী দিনবোৰৰ বিপ্লৱৰ প্ৰধান সুঁতিলৈ লৈ আহিলে। কটন কলেজৰ শিক্ষা গ্ৰহণ সিমানতে ক্ষান্ত কৰি সুচেন্দ্ৰ নাথে সাৰটি ল'লে এখন বহল পৃথিৱীক। এই পৃথিৱীয়ে তেওঁক আহ্বান জনাইছে নিপীড়িত, ক্ষুধাতুৰ, দৰিদ্ৰজনৰ হৈ যুঁজিবলৈ। সুচেন্দ্ৰ নাথে সিদ্ধান্ত গ্ৰহণ কৰিলে যে কিতাপৰ শিক্ষাৰে নহয়, জনগণৰ মাজত সোমাই জনগণক স্বাধীনতা আন্দোলনৰ মাজপথলৈ লৈ অহাৰ শিক্ষাইহে আচল শিক্ষা। ৰাইজৰ মাজত সোমাই পৰি ৰাইজৰ হৈ বিপ্লৱৰ সূচনা কৰাৰ সময়ত সুচেন্দ্ৰ নাথে ভাবিছিল যে 'স্কুলৰ চাৰি বেৰৰ মাজত নহয়, মই এইবাৰ এই বিশাল পৃথিৱীৰ দুই বাহুত সোমাই পৰি জীৱনৰ অভিজ্ঞতা অৰ্জন কৰিব পাৰিম। এই অভিজ্ঞতাই হ'ব মোৰ জীৱনৰ সবাতোকৈ সতেজ, বলবান, শক্তিশালী শিক্ষক।' নিজেই কৈ উঠিছিল 'Experiencc is not the kindest of Teachers, but is certainly the best.'

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি সুচেন্দ্ৰ নাথে অনাগত ভৱিষ্যতৰ বাবে সঞ্চয় কৰে ৰাইজৰ পৰা লাভ কৰা প্ৰচুৰ অভিজ্ঞতা। এই অভিজ্ঞতাৰ আদৰ্শতেই ১৯৪৩ চনত গোলাঘাটত প্ৰথমখন কমিউনিষ্ট পাৰ্টিৰ সভাত অংশ লয়। এইখন আছিল এক ঐতিহাসিক বৈঠক। ইয়াতেই অসম উপত্যকাৰ কমিউনিষ্ট পাৰ্টিৰ জন্ম হয়। ইয়াতেই সুচেন্দ্ৰ নাথ দীক্ষিত হৈ উঠে কাৰ্ল মাৰ্ক্সৰ দীপ্তিমান দৰ্শনেৰে। সুচেন্দ্ৰ নাথ ভূঞাৰ অন্তৰতম কোণত বাজি উঠিছিল কাৰ্লমাৰ্ক্সৰ বাণী। সেয়া এক অমূল্য বাণী। এই মৃত্যু বাণীত কাৰ্ল মাৰ্ক্সে কৈছিল— Let the rulling class tremble at a communist revolution. The proletarians have nothing to lose but their chains........ workers of the world unite....'

অসমৰ দিহিঙে দিপাঙে সুচেন্দ্ৰ নাথে তেওঁৰ ভ্ৰমণৰ মাজেৰে খেতিয়ক, ছাত্ৰ, বনুৱা ৰাইজক একত্ৰিত কৰি ভাৰতবৰ্ষক শৃঙ্খলামুক্ত কৰি এখন নতুন ভাৰতবৰ্ষ গঢ়াৰ আহ্বান দিয়াত নিজকে সম্পূৰ্ণভাৱে সমৰ্পন কৰিছে। বুৰঞ্জীৰ ছাত্ৰ সুচেন্দ্ৰ নাথ আছিল এৰিষ্টোটলৰ দৰ্শনেৰে সমৃদ্ধ

এজন মুক্তিযোদ্ধা। এৰিষ্টটলে কোৱাৰ লেখিয়াকৈ সুচেন্দ্ৰ নাথ ভূঞাৱো ভাৰতবৰ্ষৰ দৰিদ্ৰতাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি এই দানৱৰ বিৰুদ্ধে যুঁজ কৰিবলৈ জনতাক আহ্বান জনাইছিল। সদায় মনত ৰাখিছিল এৰিষ্টোটলৰ সেই মহৎ বাণী— 'Poverty is the parent of revolution and crime'.

১৯৪৮ চনৰ পৰা ১৯৫১ চনলৈ আত্মগোপনৰ মাজেৰে সুচেন্দ্ৰ নাথে বিপ্লৱৰ বহ্নিশিখা চৌদিশে প্ৰসাৰিত কৰিছিল। বহু নিৰ্যাতনৰ মাজেৰে সেই কেই বছৰ সুচেন্দ্ৰ নাথে অতিবাহিত কৰিব পাৰিছিল মাত্ৰ তেওঁৰ অফুৰন্ত প্ৰাণ শক্তিৰ বাবে। এই আত্ম শক্তিয়েই হৈছে নিজৰ ভিতৰত থকা কোনেও দমন কৰিব নোৱাৰা এক spirit যাক আমি উদ্বিপনা সৃষ্টি কৰা শক্তি বুলি ক'ব পাৰোঁ। সুচেন্দ্ৰ নাথ ভূঞাই সেই দুৰ্গম কালছোৱাত কি দৰে জীৱন নিৰ্বাহ কৰিছিল, কেনেকৈ হেলাৰঙে বৃটিছ চৰকাৰৰ দমন নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰিব পাৰিছিল, কেনেকৈ এই indomitable spirit ৰ মাজেৰেঁ সকলো অন্তৰায় অতিক্ৰম কৰিব পাৰিছিল, সেই কথা অতি মনোযোগেৰে লক্ষ্য কৰিলে ইয়াৰ উত্তৰত মই বিচাৰি পাওঁ, এজন ক'লা এমেৰিকান নিগ্ৰোৱে গোৱা গীতৰ এটা প্ৰভাৱশালী কলি। গীতটি আছিল-

You have got to move
When the spirit say move
move, when the spirit say move !
When the spirit say move,
Oh Lord, you have got to move
You got to move when the
spirit say move.

...... বিপ্লৱী, সংগ্ৰামকামী, সাম্যবাদী সৈনিক সুচেন্দ্ৰ নাথে এইদৰে সকলো প্ৰতিপক্ষৰ বিৰুদ্ধে যুঁজ কৰি আগবাঢ়ি গ'ল। সুচেন্দ্ৰ নাথ ভূঞাৰ সদা জাগ্ৰত spirit এ কৈছে- You have got to move. সুচেনৰ জীৱনত এইটোৱেই আছিল অন্তৰ্নিহিত সত্য।

১৯৪৮ চনত কটন কলেজ ত্যাগ কৰি সাম্যবাদী সংগ্ৰামত জঁপিয়াই পৰা সুচেন্দ্ৰ নাথৰ সেই কালজয়ী spirit টোৱে তেওঁক পুনৰ কটনলৈ লৈ আহে। এটা সম্পূৰ্ণ বেলেগ জীৱন আৰম্ভ হ'ল এই গৰাকী মানুহৰ। কটন কলেজৰ পৰা ১৯৫৩ চনত বিশেষ পাৰদৰ্শিতাৰে (Distinction) সুচেন্দ্ৰ

নাথ ভূঞা স্নাতক হ'ল। এই বছৰতেই সুচেন্দ্ৰ নাথক বিধাতাই পিতৃহাৰা কৰিলে। কামপুৰৰ নিজ নাৰিকলি গাঁওত সুচেন্দ্ৰ নাথে পিতৃৰ মৃতদেহৰ ওচৰত বহি এটা কথাই ভাবিছিল যে এতিয়াৰ পৰা মই মোৰ জীৱনৰ সকলোখিনি শক্তি, প্ৰেৰণা, বুদ্ধি প্ৰয়োগ কৰিম মোৰ জন্ম হোৱা গাঁওখনৰ উন্নতিৰ হকে। এয়াও যেন এক দেশপ্ৰেম। যি দেশপ্ৰেমৰ কথা জৰ্জ বাৰ্ণাড্ শ্বই এনেকৈ কৈছিল, 'patriotism is your conviction that this country is superior to all other countries because you were born in it....' সুচেন্দ্ৰ নাথৰ মনতো উদয় হ'ল সেই ঐশ্বৰিক ভাস্বত, উজ্জ্বল ভাবধাৰা, যি ভাৱধাৰাই সকীয়াই যায়' এই খন ঠাইয়েই সৰ্বশ্ৰেষ্ঠ- 'because you were born in it'.

অতি কৃতিত্বৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ভূঞাই বুৰঞ্জী বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আইনৰ ডিগ্ৰী লৈ ভূঞাঁই গুৱাহাটী উচ্চ ন্যায়ালয়ত যোগদান কৰাৰ পিছৰ পৰা ভূঞাৰ জীৱনলৈ নামি আহিল এটি কঠিন জীৱন। আইনৰ জীৱনত সোমায়েই ভূঞাই জানিছিল যে Law is a jealour mistress ... অৰ্থাৎ আইনে অন্য কোনো বিষয়তে তেওঁৰ কোনো প্ৰতিদ্বন্দ্বীক সহ্য নকৰে। আইনত যদি সফল হ'ব খুজিছা তেনে পূৰ্ণ শকতিৰে ঐকান্তিক ভাবে আইন বিষয়ত নিজকে নিয়োজিত কৰা।'

সুচেন্দ্ৰ নাথৰ জীৱনৰ নতুন চিত্ৰনাট্যত সুচেন ভূঞা হৈ পৰিল এজন আগশাৰীৰ আইনজ্ঞ। অতি পৰিশ্ৰমৰ মাজেৰে সুচেন ভূঞাই অৰ্জন কৰিলে অশেষ অৰ্থ, অশেষ খ্যাতি। সুচেন্দ্ৰ নাথ ভূঞা নামৰ মানুহজন কিন্তু এতিয়াও থমকি ৰোৱা নাই, আইনৰ ব্যৱসায়ত শীৰ্ষ স্থান অধিকাৰ কৰা জনে এতিয়া মাজে মাজে সুৰুঙা উলিয়াই আইনৰ মজিয়াখনৰ পৰা ক্ষন্তেক আঁতৰি আহি পুনৰ জনতাৰ মজিয়ালৈ আহিছে। এয়া সেই ১৯৪১ চনৰ সংগ্ৰামী সুচেন্দ্ৰ নাথ ভূঞাৰ বৈপ্লৱিক মজিয়াখন নহয়। এই মজিয়াত বিৰাজ কৰিছে এটি স্নিগ্ধ, সুনিৰ্মল, মধুৰ পৰিবেশ, য'ত সুচেন ভূঞাই তেওঁৰ সঞ্চিত ধন, অভিজ্ঞতা, মেধা ৰাইজৰ হিতৰ বাবে আগবঢ়াবলৈ সাজু হৈছে।

ভাস্বত, দীপ্তিমান, উজ্জ্বল কৰ্মময় জীৱনৰ অধিকাৰী সুচেন্দ্ৰ নাথে এতিয়াও বিশ্বাস কৰে তেওঁৰ সেই ১৯৪৩ চনৰ spirit অৰ্থাৎ প্ৰাণশক্তিৰ

ওপৰত। মই নিজে একান্ত ওচৰৰ পৰা সুচেন্দ্ৰ নাথ ভূএগ্ৰলৈ চাই চাই বিশ্ববিশ্ৰুত চাৰ্লি চেপলিনৰ এষাৰ কথা চিন্তা কৰিছো। ৯০ বছৰ জীয়াই থকা চেপলিনে অফুৰন্ত প্ৰাণশক্তিৰ স্বাক্ষৰ ৰাখি মৃত্যুৰ কিছুদিন আগেয়ে কৈছিল- To work is to live and I love to live. সুচেন্দ্ৰ নাথৰ কৰ্মময় জীৱনেই যেন তাকেই কৈ যায়। জীয়াই আছোঁ কৰ্মৰ বাবে আৰু জীয়াই থাকি মই ভাল পাওঁ।' কাণত বাজিছে চেপলিনৰ কথাফাঁকি 'I love to live'.... মই জীয়াই থাকি ভাল পাওঁ। 'মই জীয়াই আছোঁ কৰ্মৰ বাবে আৰু মই জীয়াই থাকি ভাল পাওঁ।' এনে অমৃতময় কথা সুচেন্দ্ৰ নাথ ভূএগ্ৰৰ বাহিৰে অন্য কোনেনো ক'ব পাৰে? ❑

শ্ৰীহাজৰিকা এন. চি. পি. দলৰ নেতা আৰু লেখক-নাট্যকাৰ।

হাৰ নমনা খুড়া

ড° অমৰজ্যোতি চৌধুৰী

মই তেতিয়া স্কুলৰ ছাত্ৰ। স্কুলৰ মানে চতুৰ্থ শ্ৰেণীৰ। সেই বছৰতে আমি আমবাৰীৰ নতুন ঘৰলৈ গ'লো। তেনেই সৰু ঘৰ। সৰু হ'লেও কিন্তু নিজৰ। সেয়ে স্ফূৰ্তিত তত্ নাই। আবেলি সেইদিনা ঘৰৰ সমুখতে টহল দিছো। এনেতে শুনিলো — কোনোবাই মাতিছে।

'হেৰা ভাইটি, কি নাম তোমাৰ?'

'ভাইটি'

'অ' ভাইটিৰ নাম ভাইটি, পিচে ভাইটিয়ে খেলাধূলা কৰে নে নাই?'

'কৰো, অলপ অচৰপ।'

'ভাল কথা— পিচে কিতাপ পঢ়া নে নাই?'

'পঢ়ো, মাজে মাজে।'

'তেনেহ'লে আহিবা আমাৰ ঘৰলৈ, মোৰ বহুতো কিতাপ আছে, পঢ়িব পাৰিবা..... সেইটোৱেই মোৰ ঘৰ।'

সেইবুলি মানুহজনে নিজৰ ঘৰটোলৈ আঙুলিয়াই দিলে। আমাৰ নতুন ঘৰৰ তেনেই মুখতে। সেয়ে মানুহজনক প্ৰথম দেখা। মন কৰিলো মানুহজন সাধাৰণ গঢ়ৰ, সাধাৰণ সাজপাৰ, দেখাত সঁচাকৈয়ে সাধাৰণ। কিন্তু প্ৰথম দেখা পাওঁতে অসাধাৰণ যেন লাগিল। কোন সাধাৰণজনে বাৰু বাটৰ ল'ৰাক প্ৰথম দেখাতে মাতি নি কিতাপ পঢ়িবলৈ দিব? এনেকৈয়ে কিতাপো কিন্তু বহুত পঢ়িলো। তেওঁক আমি মাতিবলৈ ল'লো— 'কিতাপ খুড়া' বুলি। মানুহে পঢ়া দেখিলে হোনো তেখেতৰ বুকুখন জুৰ পৰি যায়।

লাহে লাহে মন কৰিলো আৰু এটা কথাত— মানুহজন অসাধাৰণ। কাৰোবাৰ বিপদ আপদ হ'বহে লাগে, ক'ৰপৰা জানো গম পায় তেওঁ? .... লগে লগে গৈ গোটেইখন আৱৰি ধৰেগৈ। এই 'কিতাপ খুড়াই' হ'ল আমাৰ আটাইৰে শ্ৰদ্ধাৰ সুচেন ভূঞা।

দেউতাই এদিন ক'লে— 'বৰ ডাঙৰ বিপ্লৱী আছিল, সুধিবিচোন কেতিয়াবা'

এদিন কিতাপ আনিবলৈ গৈ ভয়ে ভয়ে সুধিলো— 'আপুনি হোনো ডাঙৰ বিপ্লৱী আছিল?'

'বিপ্লৱী মানে কি জানা?' খুড়াই হাঁহি মাৰি মোক সুধিলে।

ময়ো আকৌ দেউতাক আগতেই সুধি থৈছিলো— 'বিপ্লৱী মানে কি অ' দেউতা?' দেউতাই বুজায়ো দিছিল, গতিকে দেউতাই দিয়া উত্তৰটোকেই আওৰাই দিলো, 'যি নীতি নিয়ম সলাই দিব খোজে তেঁৱেই বিপ্লৱী আকৌ' কিতাপ খুড়াই উত্তৰটো শুনি ইমান ভাল পালে যে লগে লগে মোক পাকঘৰলৈ লৈ গ'ল তাতে খুড়ীক কৈ পিঠাই-পনাই দৈয়ে- ক্ৰীমে পেট ভৰাই খুৱালে। কথা দিলে— এদিন বিপ্লৱী দিনৰ ঘটনাবোৰ কৈ শুনাব। লাহে লাহে দিহিঙে দিপাঙে থকা সেই ঘটনাবোৰৰ কথা ক'লেও। সেইবোৰেই মোৰ প্ৰিয় সাধুকথা হ'লগৈ। "কষ্ট হ'ল আৰু বুজিছা, সেইবুলি হাৰ নামানিলো।" এয়াই হ'লগৈ খুড়াৰ কাহিনীৰ সাৰমৰ্ম।

সেই সময়তেই খুড়াৰ মুখত সাম্যবাদৰ বহুকথা শুনিলো। লেনিন, ষ্টেলিনৰ কথা, ট্ৰট্স্কিৰ তত্ত্বৰ কথা। চে গুৱেভাৰাৰ কথা। তাৰ মাজে মাজে খুড়ীয়ে মাছ ভাজি দিয়েহি। মোক আৰু পায় কোনে? সমনীয়া জাকৰ আগত এই বিষয়ৰ দীঘলীয়া ভাষণ দিয়া আৰম্ভ কৰি দিলো। তেতিয়া কোনেও নাজানিছিল ক'ৰপৰা এইবোৰ শিকিলো? আজিহে তাৰ ভেদ ভাঙি দিলো। খুড়াৰ পৰাই এইবোৰ শিকিলো।

আন এদিনৰ কথা! মোৰ জানো কি মন গ'ল? হঠাৎ ক'লো, 'আপুনিতো আগতে নীতি নিয়ম ভাঙিবহে খুজিছিল, অথচ আজিকালি দেখোঁ ওকালতি কৰে, নীতি-নিয়ম মানিবহে খোজে.......... কিয় বাৰু?'

মায়ে মোৰ প্ৰশ্নটোৰ কথা শুনি ভালকৈ এজাউৰি দিলে। 'ডাঙৰ মানুহক তেনেকৈ কয় নেকি?' কিতাপ খুড়াই কিন্তু মোৰ প্ৰশ্ন শুনি ভালহে পালে। লগে লগে ক'লে, 'তুমি দেখো তাৰ্কিকৰ দৰে কথা কৈছা হে? তোমাক মই তৰ্ক কৰিবলৈ শিকাম।'

কথামতেই কাম, কিতাপ খুড়া গৈ 'তৰ্কখুড়া' হ'লগৈ। দিনৌ একোটা নতুন প্ৰস্তাৱ। তাৰ সপক্ষে বিপক্ষে কোৱাৰ অখৰা চলিবলৈ ধৰিলে। খুড়া হ'লগৈ এই আখৰাৰ গুৰু। সেইবোৰ কথা বাৰু খুড়াৰ মনত আছেনে? খুড়াৰ শিকনিয়ে কিন্তু মোৰ বাবে অমূল্য ৰত্নৰ নিচিনা হ'লগৈ। খুড়াৰ শিকান্ন লৈয়েই তৰ্ক প্ৰতিযোগিতা বোৰত জাপে জাপে বঁটা বুটলিবলৈ ধৰিলো। আজি উভতি চাই ভাবিছো— 'এনে ধাৰ জানো কাহানিবা পৰিশোধ কৰিব পাৰিম?'

স্কুলৰ দেওনা চেৰাই কলেজ পালোগৈ। তাৰ পিছত বাহিৰত পঢ়িবলৈ

গ'লো। ইতিমধ্যে খুড়াৰ কৰ্মক্ষেত্ৰ বঢ়িল। আগৰ তুলনাত খুড়াক কমকৈ লগ পোৱা হ'লো। কিন্তু অৱসৰ সময়ত তাৰ সোঁৱৰণি হোঁ হোৱাই আহি থকা হ'ল।

আজি কেইদিনমান আগতে খুড়াক আকৌ হঠাতে লগ পালো। মোৰ ভতিজা ল'ৰা অৰ্পণে মেট্ৰিকত দ্বাদশ স্থান পাইছে। সেই উপলক্ষে খুড়াই তাক ওলগ জনাবলৈ আহিছে। মন কৰিলো খুড়াৰ কথা একেই আছে। কথা প্ৰসঙ্গত তেখেতে ক'লে— কেবাটাও 'লগতে যোৱা' বেমাৰে ধৰিছে বুজিছা। কিন্তু হাৰ হ'লে মনা নাই। আগৰ দৰে হাঁহি মাতি আছো দিয়া।

বুজিছো খুড়া, আপুনি হাৰ নমনা মানুহজনেই হৈ আছে! ❑

লেখক তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক।

সুচেন্দ্ৰ নাথ ভূঞা ঃ ব্যক্তিত্বৰ জিলিঙনি

ড° যামিনী ফুকন

৪ জানুৱাৰী, ২০০৫। চকুযুৰি পৰীক্ষা কৰিবৰ কাৰণে উত্তৰ-পূব ভাৰতৰ অন্যতম শ্ৰেষ্ঠ চকু চিকিৎসালয় গুৱাহাটীৰ বেলতলাত অৱস্থিত শংকৰ নেত্ৰালয়ত গভীৰ উৎকণ্ঠাৰে অপেক্ষা কৰি আছো। এই দিনটোত আদালত খোলা আছে আৰু আদালতৰ মোকৰ্দমা শুনানিৰ দৈনন্দিন তালিকাত মই অধিবক্তা হিচাপে কৰিবলগা কেইবাটাও মোকৰ্দমা তালিকাভুক্ত হৈছে। অথচ মই বাধ্যত পৰি এই সময়ত উচ্চ ন্যায়ালয়ত উপস্থিত থাকিব পৰা নাই। গতিকে মনৰ প্ৰশান্ত মহাসাগৰত উদ্বিগ্নতাৰ অন্তহীন ঢৌবোৰে থৌকি বাথৌ কৰি মনটো একেবাৰে অশান্ত কৰিছে। এনে পৰিস্থিতিত কোনো কথা ভালদৰে আৰু স্পষ্টভাৱে চিন্তা কৰিব পৰা নাই। আদালতৰ মোকৰ্দমা শুনানিৰ দৈনন্দিন তালিকাত মোকৰ্দমা তালিকাভুক্ত হলে আৰু সেই মোকৰ্দমাৰ উকিল বাধ্যত পৰি আদালতৰ বাহিৰত থাকিব লগা হলে সেই উকিলৰ মনৰ অৱস্থা কেনেকুৱা হয় সেইটো আইনজীৱীৰ বাহিৰে আনে সহজে উপলব্ধি কৰিব নোৱাৰে।

মনৰ উগুল-থুগুল চলি আছে। অশান্ত মনটোক শান্ত কৰিবলৈ মনৰ ভিতৰতেই চেষ্টা কৰিছোঁ। অপেক্ষাৰত পুৰুষ মহিলা কোনোৱেই একো কথা কোৱা নাই। প্ৰত্যেকেই নিজ নিজ চিন্তা সাগৰত ডুব গৈ আছে। এনেতে মই লক্ষ্য কৰিলোঁ যে কোঠা এটাৰ দুৱাৰ মুখত ইংৰাজীত খোদিত হৈ আছে দুটা নাম - Mrs S Bhuyan আৰু Mr. S. N. Bhuyan। মোৰ তৎক্ষণাৎ মনত পৰিল যে এই নাম দুটাৰ গৰাকী হ'ল শ্ৰীমতী সুভদ্ৰা ভূঞা আৰু শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা। স্ব-গৰিমা প্ৰচাৰৰ পৰা প্ৰায়ে বিৰত থকা ভূঞা চাৰে কিবা প্ৰসংগত মোক এদিন কৈছিল যে তেখেতে শংকৰ নেত্ৰালয়লৈ দুই লাখ টকা দান হিচাপে আগবঢ়াইছিল।

৬ জানুৱাৰী, ২০০৫। উচ্চ ন্যায়ালয়ৰ আইনজীৱীসকলৰ যিটো কোঠাত মই বহো সেই কোঠাটোত দুখন টেবুল আছে। এখন টেবুলক কেন্দ্ৰ কৰি ভূঞা চাৰকে ধৰি কেইবাজনো প্ৰবীন, যশস্বী জ্যেষ্ঠ অধিবক্তা বহে। জীৱনজোৰা সাধনা, কঠিন পৰিশ্ৰম আৰু অবিচল নিষ্ঠাৰ কাৰণে এখেতসকল প্ৰকৃত অৰ্থত আইনবিদৰ শাৰীত পৰে। তেখেতসকলৰ কথা-বতৰা, আলাপ-আলোচনাত মই মাজে মাজে অংশ গ্ৰহণ কৰোঁ। আন এখন টেবুলক কেন্দ্ৰ

কৰি মোকে ধৰি আন কেইজনমান বহে। দহ বজাৰ আগে আগে আমি কেইজনমান এই টেবুলখনৰ ওচৰত লগ হওঁ। তেওঁলোক হ'ল ড° নৰ কুমাৰ সিং, নগেন ফুকন, ভূপেশ মালাকাৰ, ধনেশ দাস, হেমন্ত মহন্ত, ভীমসেন সিংহ, দুলালচন্দ্ৰ কথা হাজৰিকা আৰু বিশ্বজিৎ তালুকদাৰ আদি। এই সময়তে আমি একোকাপ চাহ খাই judiciary ৰ বাহিৰে সমাজ জীৱনৰ লগত জড়িত নানা বিষয়ে নিজা নিজা মত আগবঢ়াওঁ। এই ৬ জানুৱাৰীৰ দিনা মই ক'লো যে ভূঞা চাৰে উকিল হিচাপে বৰ ডাঙৰ কাম কৰিছে। তেখেতে শংকৰ নেত্ৰালয়লৈ দান আগবঢ়াইছে। মোৰ কথাষাৰ শুনি ড° নৰকুমাৰ সিঙে উচ্চ প্ৰশংসা কৰিলে। চাৰ তেতিয়াও আহি বাৰ লাইব্ৰেৰীত উপস্থিত হোৱা নাছিল।

ভূঞা চাৰৰ বিষয়ে মন্তব্যটো মই কিয় কৰিলোঁ তাৰ কাৰণটো মই লগে লগে আগবঢ়ালোঁ। এতিয়া এই কথা, দুপৰীয়াৰ মেঘহীন আকাশৰ সূৰ্যৰ পোহৰৰ দৰেই স্পষ্ট হৈ পৰিছে যে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক অৱস্থা অতি বেয়া। অসমৰ বাসিন্দাসকলৰ ভিতৰত আকৌ অসমীয়াসকলৰ অৰ্থনৈতিক অৱস্থা বেয়া। তাৰ কাৰণটো হ'ল অসমীয়া মানুহে ব্যৱসায় বাণিজ্যত অংশ গ্ৰহণ কৰা নাছিল; গতিকে তেওঁলোকৰ মাজত অৰ্থৰ আদান-প্ৰদান অতি নগণ্য আছিল। অসমীয়াসকলৰ জীৱিকা আছিল কৃষি-ভিত্তিক। দুমুঠি খাবলৈ পালেই সন্তুষ্ট হৈ থকা অসমীয়াসকলে কৃষিকো আকৌ বাণিজ্যিক ভিত্তিত নকৰিছিল। খুব কম সংখ্যক অসমীয়াইহে খেতিৰ ধান বেছি চহকী বুলি প্ৰকৃত অৰ্থত বিবেচিত হৈছিল। এই 'চহকী'সকলৰ চাৰি পাঁচ হেজাৰ মান টকা হাতত থাকে, বাৰীখন অলপ ডাঙৰ, ঘৰটো টিঙৰ, ৰেলি চাইকেল এখন বা দুখন। এনেধৰণৰ চহকী মানুহৰ বেচিভাগৰে বুকু গৰ্ব ভৰা আৰু কথা ডাংকোপ মৰা। এই লেখকৰ হিচাপত পাঁচটামান মৌজাৰ জনসাধাৰণৰ ভিতৰত ২/১ জন ব্যক্তিহে ধনী বা মহাজন বুলি বিবেচিত হৈছিল। ১৯৭০ চন মানৰপৰা অসমৰ এই চেহেৰাৰ পৰিৱৰ্তন ঘটিছে।

অসমৰ নিচিনা সামগ্ৰিকভাবে অৰ্থনৈতিক ভাৱে দুৰ্বল ৰাজ্য এখনত চাকৰি নকৰি স্বাধীনভাৱে জীৱিকা নিৰ্বাহ কৰিব খোজা আইনজীৱী, চিকিৎসক, অভিযন্তা আদিয়ে নিজক প্ৰতিষ্ঠিত কৰিবলৈ বৰ কষ্ট কৰিব লগা হয়। অৱশ্যে যিসকলৰ ঘৰৰ অৱস্থা টনকিয়াল আৰু ঘৰখনৰ মানুহৰ সুবিধা অসুবিধা উপলব্ধি কৰাৰ ক্ষমতা আছে তেন্তে হয়তো সেই সকলৰ জীৱন সংগ্ৰামৰ তীব্ৰতা কিছু কম হব পাৰে। এনেকুৱা দুৰ্বল অৰ্থনৈতিক অৱস্থাৰ পশ্চাৎপটৰপৰা গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰিবলৈ অহা বেছিভাগ নতুন অধিবক্তাৰ নাজল-নাথল অৱস্থা হয়। পাঠকৰ জ্ঞাতাৰ্থে জনাই যোৱা হ'ল যে ক'লা

কোট এটা পিন্ধি আদালতলৈ অহা দিনৰ পৰাই পইছাৰ সোঁত নবয়। দুই এজন ভাগ্যবানৰ বাহিৰে বহুতে নানা অসুবিধাৰ লগত অন্তহীন সংগ্ৰাম কৰি সৎপথেৰে দহবছৰ মূৰতহে নিজৰ ভৰিত থিয় দিব পাৰিব পাৰে। এইদৰে সংগ্ৰাম কৰি জীৱনৰ ভাটি বয়সতহে কিছুমানে অলপ স্বচ্ছলতাৰ সোৱাদ পায়। বহুত মানুহৰ ধাৰণা যে উকিলে বহুত পইছা উপাৰ্জন কৰে। এইটো একেবাৰে ভ্ৰান্ত ধাৰণা। খুব কম সংখ্যক উকিলেহে জীৱনত অৰ্থনৈতিক দৃষ্টিকোণৰপৰা কৃতকাৰ্য হয়। আমাক আইন পঢ়াওঁতে যশস্বী অধিবক্তা আব্দুল মুহিব মজুমদাৰ চাৰে এদিন কৈছিল যে দিনটো মানসিক পৰিশ্ৰম কৰি (শাৰীৰিক পৰিশ্ৰমো বৰ কম নহয়) মূৰৰ বিষ হলে চেৰিডিন টেবলেট এটা কিনি খাবলৈ বহুত উকিলৰ চাৰি অনা পইছা নাথাকে।

কৃতকাৰ্য হোৱা দুই এজনৰ কথা মানুহৰ মুখে মুখে বাগৰি গৈ ৰূপকথাৰ ৰূপ লৈ বহুত মানুহৰ মনত যুক্তিহীন ভাৱে ধাৰণা হয় যে সকলো উকিলে বহুত পইছা উপাৰ্জন কৰে আৰু তেওঁলোক বৰ ধনী। আচলতে অসমত স্বাধীন বৃত্তিক জীৱিকা হিচাপে গ্ৰহণ কৰা বহুতো পেছাধাৰী ব্যক্তিৰ জীৱনৰ আৰম্ভণি হ'ল দুৰ্বিসহ। এতিয়া অৱশ্যে দ্বিতীয় প্ৰজন্ম আৰু ৩য় প্ৰজন্মৰ অসমীয়া পেছাদাৰী ব্যক্তি ওলাইছে। তেওঁলোকৰ কাৰোবাৰ কাৰোবাৰ অৱস্থা কিছু পৰিমাণে অৱশ্যে টনকিয়াল।

বেছিভাগ অধিবক্তাৰ জীৱিকাৰ কোনো নিৰাপত্তা নাই। জীৱিকাত কৃতকাৰ্য হোৱা বহুত ব্যক্তিৰ জীৱনৰ শেষ স্তৰত সম্পূৰ্ণ কাৰ্যক্ষম হৈ থাকিলেও দেখা যায় যে তেখেত সকল উপাৰ্জনহীন হৈ পৰে। কেইবাজনো অতি বিখ্যাত উকিল লগ পালো যি গভীৰ আক্ষেপেৰে কোৱা 'মোৰ এতিয়া কেছ নাই' বাক্যটো শুনি মই মনত গভীৰ বেদনা অনুভৱ কৰিছোঁ। এই বেদনা অনুভৱ কৰাৰ অন্যতম কাৰণ হ'ল যে যি সকল ব্যক্তি প্ৰকৃত অৰ্থত আইন সেৱা উপযুক্ত ভাৱে পোৱাৰ যোগ্য, সেইসকল ব্যক্তি এনে বিশিষ্ট আইনজীৱীসকলে দিব পৰা উপযুক্ত সেৱাৰপৰা বঞ্চিত হয়। এনেবোৰ কাৰণতে বহুতো উকিলে নিৰাপত্তাবোধৰ অভাৱ অনুভৱ কৰে।

এই নিৰাপত্তাবোধৰ অভাৱৰ কাৰণে বহুত উকিলে নিজৰ মনত প্ৰৱল ইচ্ছা পুহিলেও ৰাজহুৱা অনুষ্ঠানলৈ ভাল ধৰণে দান-বৰঙণি আগবঢ়াব নোৱাৰে। এনে অৰ্থনৈতিক আৰু মনস্তাত্তিক পটভূমিতেই সুচেন্দ্ৰ নাথ ভূঞাৰ বৰঙণি বিশেষভাৱে উল্লেখযোগ্য। তেখেতে উত্তৰ-পূব ভাৰতৰ অতি গুৰুত্বপূৰ্ণ চকু চিকিৎসালয় শংকৰ নেত্ৰালয়লৈ প্ৰাৰম্ভিক অৱস্থাতে দুই লাখ টকা দান হিচাপে আগবঢ়াইছে। মাক ৰঞ্জনী ভূঞাৰ নামত প্ৰায় দুই লাখ ৩০ হেজাৰ

টকা খৰচ কৰি কামপুৰ জাতীয় বিদ্যালয়ৰ ভৱনটো সাঁজি দিছে। কামৰূপ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰণে পত্নী সুভদ্ৰা ভূএগ্ৰৰ নামত এটা ডাঙৰ আকাৰৰ কমনৰুম এটা চাৰি লাখ ৬০ হেজাৰ টকা খৰচ কৰি সাঁজি দিছে। উকিলৰ মাজৰপৰা এনে বদান্যতাৰ উদাহৰণ অসমত বৰ বিৰল।

ভূএগ্ৰাচাৰ মোৰ সৰু ভিনদেউ প্ৰয়াত ডাক্তৰ চেনিৰাম দত্তৰ সমসাময়িক আছিল। মোৰ কম বয়সতে দত্ত ভিনদেউৰ মুখৰপৰা সুচেন ভূএগ্ৰ আৰু ছত্ৰসিং টেৰণৰ কথা শুনিছিলো। কলেজীয়া জীৱনতে উভয়ে সাম্যবাদী দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ কমিউনিষ্ট দলৰ সদস্য পদ গ্ৰহণ কৰিছিল আৰু প্ৰয়াত ভিনদেউৰ মতে উভয়ে বিপ্লৱৰ শিখা স্বৰূপ আছিল।

১৯৬৫ চনত মই এবাৰ গুৱাহাটীৰপৰা উত্তৰ লখিমপুৰলৈ ৰেলেৰে যাওঁতে ৰাঙাপাৰা জংছনত বহুত দেৰি কটাবলগা হৈছিল। তাতে হঠাৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিষয়ৰ অধ্যাপক মহম্মদ তাহেৰৰ লগত প্ৰথম পৰিচয়। মোৰ লগত মোৰ মহাদেউ বিহপুৰীয়াৰ আজীৱন শিক্ষাব্ৰতী প্ৰয়াত বিষ্ণু বৰাও ৰেলৰ যাত্ৰী হিচাপে গৈছিল। স্বাধীনতা সংগ্ৰামত উত্তৰ লখিমপুৰত ভলণ্টিয়াৰ পৰিচালনা কাৰ্যত প্ৰয়াত বিষ্ণু বৰা আৰু ধলপুৰৰ পিছলাগুৰিৰ প্ৰয়াত থানেশ্বৰ গগৈৰ বৰঙণিৰ কথা উল্লেখ কৰিছিল। এই ধৰণৰ কথা বহুদূৰ আগবাঢ়িছিল। এবাৰ ওলাল (ড°)দেৱপ্ৰসাদ বৰুৱা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য) আৰু সুচেন ভূএগ্ৰৰ কথা। তাহেৰ চাৰে দেৱপ্ৰসাদ বৰুৱাৰ মেধাৰ কথা কৈছিল। ভাৰতত কমিউনিষ্ট পাৰ্টি নিষিদ্ধ বুলি ঘোষণা কৰাত পুলিছৰ চকুৰ আঁৰত থাকিবলৈ বৰুৱা আৰু ভূএগ্ৰ উভয়ে আত্মগোপন কৰিছিল। উভয়ে ছদ্মবেশ ধৰি মাজে মাজে কটন মুছলিম হোষ্টেলত ভাত খাবলৈ আহিছিল। ভূএগ্ৰ চাৰে বোলে সৰু বেতৰ টুপি এটা পিন্ধি খাচী এজনৰ ছদ্মবেশত আহিছিল। তাহেৰ চাৰে কলে, 'সেই সময়ৰ হিন্দু পৰিয়ালৰ লৰাই মুছলিম হোষ্টেলত বিনা দ্বিধাই ভাত খোৱাটো আমাৰ মনত আচৰিত যেন লাগিছিল।'

বহুত বছৰৰ পিছত অৰ্থাৎ ১৯৭৮ চন মানৰপৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে জানিবলৈ মোৰ আগ্ৰহ জন্মে আৰু সময় পালেই মই সেই বিষয়ৰ কিতাপ পঢ়া শুনা কৰোঁ। ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ বৰঙণি আছিল। সেই বিষয়ে ওলোৱা কেইবাখনো কিতাপত বাম পন্থী ছাত্ৰসকলৰ বৰঙণিৰ কথা উল্লেখ আছে আৰু যিসকল বামপন্থী ছাত্ৰনেতাৰ নাম সেইবোৰ কিতাপত আছে, সেইসকলৰ ভিতৰত

সুচেন ভূঞাৰ নামো মই কেইবাখনো কিতাপত পাইছোঁ। যেতিয়াই তেখেতৰ নাম মই পাওঁ তেতিয়াই সেই কিতাপখনৰ কথা মই ভূঞা চাৰক কৈছো।

মোৰ উক্ত ভিনদেউ চেনিৰাম দত্ত ১৯৬৪ চনত ডিব্ৰুগড়স্থ অসম মেডিকেল কলেজৰ পৰা বদলি হৈ গুৱাহাটী মেডিকেল কলেজলৈ আহে। তেখেত গুৱাহাটী মেডিকেল কলেজৰ এচ. পি. এম ডিপাৰ্টমেণ্টৰ প্ৰতিষ্ঠাপক অধ্যাপক আছিল। তেখেত আমবাৰীতে এটা ভাড়া ঘৰ লৈছিল। এদিন আবেলি ভিনদেউৰ লগত ফুৰি থাকোতে হঠাৎ ভূঞা চাৰৰ লগত দেখা হয় আৰু মোক চাৰৰ লগত চিনাকি কৰি দিছিল। মাজে মাজে এইদৰে তেখেতক লগ পাওঁ। কথা বতৰা অত্যন্ত মাৰ্জিত। মই নিজেই বিনয়হীন আৰু মোৰ কথা বতৰাবোৰ ৰুক্ষ (rude) হোৱা কাৰণে লোকৰ এই ভাল গুণটো অৰ্থাৎ মাৰ্জিত কথা বতৰাই মোক তৎক্ষণাৎ আকৰ্ষণ কৰে। ভিনদেউৱে তেখেতক এদিন কিবা এটা সমস্যাৰ কথা কৈছিল। সমস্যাটোৰ কথা অৱশ্যে এতিয়া মনত নাই। সেইদিনাই পষ্টকাৰ্ড এখনত সেই বিষয়ে লক্ষ্মীপ্ৰসাদ গোস্বামীলৈ লেখি এঘণ্টামানৰ ভিতৰত ভিনদেউৰ ঘৰলৈ আহি ভিনদেউক সেইখন দেখুৱালেহি। আঃ কি সুন্দৰ হাতৰ আখৰ! মই আগতে এনে ধৰণৰ তৎপৰতা দেখা নাছিলো। এই তৎপৰতা দেখি সেই দিনত প্ৰায় প্ৰতিদিনেই লগ পাইছো। এই বয়সতো তেখেতৰ তৎপৰতা কম হোৱা দেখা নাই। এনে ধৰণৰ তৎপৰতা মই গৌৰীশংকৰ ভট্টাচাৰ্যৰ কাম কাজতো দেখা পাইছিলো।

ভূঞা চাৰ হ'ল নিয়মানুবৰ্তিতাৰ এটা জ্বলন্ত উদাহৰণ। তেখেতৰ সকলো কাম কাজ হ'ল প্ৰণালীবদ্ধ। আইনৰ কিবা সমস্যা বা তথ্যৰ বিষয়ে তেখেতৰপৰা জানিব খুজিলে তেখেতে সেইটো দুই মিনিটতে উলিয়াই দিব আৰু তেখেত যদি সেই বিষয়ে অৱগত নহয় তেন্তে তেখেতে লগে লগে কব যে তেখেতে সেই বিষয়ে নাজানে। তেখেতে কিবা এটা ৰোগত স্থায়ী ভাৱে ভুগিও আছে কিন্তু সেই ৰোগে তেখেতক কেতিয়াবা কাহিল কৰিছে বুলি মই শুনা নাই। কাৰণ যি যি নিয়ম পালন কৰিলে সেই ৰোগৰ নিয়ন্ত্ৰণ হয়, প্ৰলোভনৰ বশবৰ্তী হৈ তেখেতে সেই নিয়ম কেতিয়াও ভংগ কৰা নাই।

উকিল হিচাপে তেখেত প্ৰকৃত অৰ্থত সফল। তেখেত দুবাৰ অসমৰ মহা অধিবক্তা (Advocate General) হৈছিল। কেইবাবাৰো বাৰ কাউঞ্চিলৰ সদস্যও আছিল। যি অৰ্থত মানুহ এজনৰ জীৱন সফল বুলি বাস্তৱবাদী দাৰ্শনিক সকলে কয় সেই অৰ্থত ভূঞা চাৰৰ জীৱন সফল। অৰ্থাৎ তেখেত কেৱল নিজেই প্ৰতিষ্ঠিত নহয়, তেখেতৰ ল'ৰা-ছোৱালীও সুপ্ৰতিষ্ঠিত আৰু নিজ নিজ জীৱিকাত তেওঁলোকৰ প্ৰত্যেকেই যোগ্যতা প্ৰদৰ্শন কৰি বৈশিষ্ট্যৰ নিদৰ্শন

ৰাখিব পাৰিছে। Stephen R Covey নামৰ লেখকজনে তেখেতৰ বিশ্ববিখ্যাত কিতাপ 'The seven habits of highly effective people' নামৰ কিতাপখনত Rolfe kerr নামৰ এজন মানুহৰ কথা উল্লেখ কৰিছে। সেই কেৰে কৃতকাৰ্য মানুহৰ কিছুমান উদাহৰণ দিছে। তেখেতে সেই বিষয়ে লেখা প্ৰথম বাক্যটো হ'ল Success of home first (পৃঃ ১০৬)।

ভূঞা চাৰৰ ল'ৰা-ছোৱালীসকলৰ প্ৰতিষ্ঠা দেখি সকলোৱে ক'ব লাগিব যে He succeded at home. অৱশ্যে সুপৰিচিত ৰসিক প্ৰয়াত লক্ষ্যধৰচৌধুৰীয়ে গৌৰী সদনত অনুষ্ঠিত কিবা সভা এখনত কৈছিল যে ভূঞাৰ লৰা-ছোৱালী কিটা ভাল হোৱাৰ গুৰিতে হ'ল ভূঞানীহে। I R is castillo বুলি প্ৰাক্তন শিক্ষক এজনে সংগ্ৰহ কৰা 'Inspiring Jottings on life' নামৰ কিতাপখনত আছে, 'Behind every successful man is a dutiful wife'(পৃঃ ২৮)। এই আঠ টা শব্দতেই শ্ৰীমতী ভূঞাৰ সমস্ত গুণ প্ৰকাশ পাইছে।

এটা ব্যক্তিগত কথা উল্লেখ নকৰিলে মোক অকৃতজ্ঞতাৰ পাপে চুব। ১৯৮৪ চনৰ শেষৰ ফালে এদিন হাইকৰ্টৰ কৰিডৰত তাত শালৰ মাকোৰ দৰে ইটো মূৰৰপৰা সিটো মূৰলৈ অহাযোৱা কৰি আছো। এনেতে ভূঞা চাৰৰ লগত মোৰ হঠাৎ দেখা হ'ল। তেতিয়া তেখেত অসমৰ মহা অধিবক্তা। চাৰে ক'লে, 'মই আপোনাক বিচাৰি আছো। হাইকৰ্টত অসম চৰকাৰৰ জুনিয়ৰ গৱৰ্ণমেণ্ট এড্‌ভোকেটৰ কাৰণে মই আপোনাৰ নামটো পঠাব খুজিছো! আপোনাৰ আপত্তি আছে নেকি?' কথাষাৰ শুনি মই একপ্ৰকাৰ হতভম্বই হৈছিলোঁ। কাৰণ সেই সময়ত সেইটো অতি গুৰুত্বপূৰ্ণ আৰু সন্মানজনক কাম আছিল। সেই সময়ত মোৰ নিচিনা উকিল এজনক যে তেনে এটা কামৰ বাবে কোনোবাই উপযুক্ত বুলি ভাবিব পাৰে সেই কথা মোৰ সপোন, কল্পনা আৰু বাস্তৱৰ চিন্তাৰ পৰিধিৰ বাহিৰত আছিল। মই তেখেতক মোৰ সন্মতি প্ৰদান কৰিলোঁ। যেতিয়া নিযুক্তি পত্ৰ আহিল তেতিয়া কীৰ্তিমান অধিবক্তা ধীৰেশ নাৰায়ণ চৌধুৰী (পিছলৈ গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ) আৰু আন এজন কীৰ্তিমান অধিবক্তা প্ৰয়াত ধীৰেণ ডেকা চাৰে কৈছিল, 'আপুনি এটা সুবৰ্ণ সুযোগ পাইছে। ভালকৈ কৰিব। বহুত কথা শিকিব পাৰিব। নিজৰ যোগ্যতা দেখুৱাব।' উভয়ৰে সেই মূল্যবান কথাখিনি মোৰ মণিকোঠাত যথাযোগ্য ভাবে সঞ্চিত ৰত্ন হিচাপে সংৰক্ষিত কৰা আছে। উকিল হিচাপে কিবা দায়িত্ব বহন কৰিবৰ কাৰণে যে মই যোগ্য সেই কথা গুৱাহাটী হাইকৰ্টৰ তেতিয়াৰ অসমীয়া উকিলসকলৰ মাজত কেৱল ভূঞা চাৰেই

উপলব্ধি কৰি মোক কামত লগাইছিল। সামাজিক ‘স্বীকৃতি’ৰ প্ৰতি মানুহৰ যি আকাংখ্যা সেইটো হ’ল এক অপ্ৰতিৰোধ্য দুৰ্বলতা। মোক দিয়া এই স্বীকৃতিৰ কাৰণে ভূএগ্ৰা চাৰক মই সদায় গভীৰ কৃতজ্ঞতাৰে স্মৰণ কৰোঁ।

মই মানুহক বিনা কাৰণত প্ৰশংসা বা সমালোচনা নকৰো। যোগ্যতা প্ৰতিপন্ন কৰিব পৰা মানুহক মই প্ৰশংসা বা শ্ৰদ্ধা কৰোঁ আৰু যোগ্যতা আৰু ক্ষমতা থকাজনে যদি civil society ৰ সাধাৰণ নিয়ম সমূহ ভংগ কৰে তেন্তে তেওঁক মই সমালোচনা বা প্ৰতিবাদ কৰোঁ। ১৯৭৫ চনৰপৰা ভূএগ্ৰা চাৰক মই নিয়মিত ভাৱে পাই আহিছো বুলি আগতে উল্লেখ কৰিছো। বেঞ্জামিন ফ্ৰেঙ্কলিনে মানুহৰ বাবে প্ৰয়োজনীয় ১৩ টা মুখ্য গুণৰ কথা উল্লেখ কৰিছিল। সেই ১৩ টাৰ বেছ্ কেইটামান গুণ মই ভূএগ্ৰা চাৰৰ গাত দেখা পাইছো। অৱশ্যে অসমৰ দুৰ্বল সামাজিক গাঁথনিৰ পৰিপ্ৰেক্ষিতত সেই গুণবোৰৰ উপযুক্ত প্ৰয়োগ হ’লনে নহ’ল সেই কথা বিচাৰৰ অৱকাশ ইয়াত নাই। সংক্ষিপ্ত ভাৱে ভূএগ্ৰা চাৰৰ গুণৰ কথা এনেদৰে কব পাৰি -

“Have a time and place for everything,
and do everything
in its time and place,
and you will not only accomplish more,
but have far more leisure
than those who are always hurrying
as if vainly attempting
to overtake time that had been lost”

–Tryon Edwards ❑

লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা।

শ্ৰদ্ধেয় সুচেন্দ্ৰনাথ ভূঞাদেৱলৈ সম্বৰ্দ্ধনা

দুৰ্লভ চন্দ্ৰ মহন্ত

শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা দাদাৰ ৮১তম জন্ম বাৰ্ষিকী উপলক্ষে তেখেতৰ জীৱন আৰু কৰ্মৰ সকলো দিশ সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰিবৰ কাৰণে জন্মদিন উদযাপন সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সমিতিৰ আহ্বায়কে মোৰ পৰাও এটা প্ৰবন্ধ বিচাৰিছে। ভূঞা দাদাৰ সামাজিক আৰু কৰ্ম জীৱনৰ দুটা দিশত সহকৰ্মী হোৱাৰ সৌভাগ্য মোৰ হৈছিল। তেখেতৰ লগত মোৰ চিনা পৰিচয় আজিৰ পৰা দুকুৰি পাঁচ বছৰৰ আগতেই ঘটিছিল। তেখেতে ১৯৪৭-৪৮ চনত অসম ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক আছিল। কলেজীয়া জীৱনতে বামপন্থী ৰাজনীতিত যোগ দি তেখেত অসমৰ কমিউনিষ্ট পাৰ্টিৰ এজন ৰাজ্যিক নেতা হ'ব পাৰিছিল। ১৯৫১ চনত তেখেত ৰাজনৈতিক বন্দী আছিল; নগাওঁ জেলত আটক হৈ থকা কালতে তেখেতে জেলৰ পৰাই বি.এ. পৰীক্ষা দিবলৈ সাজু হৈছিল। কিন্তু বিশ্ববিদ্যালয় কতৃপক্ষই এই সুবিধা নিদিয়াৰ কাৰণে পিচত জেলৰ পৰা ওলাই আহিহে বি. এ. পৰীক্ষা দিব পাৰিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰিবলৈ অহাৰ পিচত তেখেতৰ বামপন্থী ৰাজনীতিৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নোহোৱা হৈছিল। যথেষ্ট কষ্ট আৰু চেষ্টাৰ অন্তত তেখেতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা হবলৈ সক্ষম হৈছিল। ওকালতি জীৱনত বাহিৰৰ পৰা আহি গুৱাহাটী উচ্চ ন্যায়ালয়ত থিতাপি লোৱা যথেষ্ট কষ্টসাধ্য কাম আছিল। নিজৰ বুলিবলৈ ঘৰ এখনো নথকা অৱস্থাত তেখেতে ওকালতি আৰম্ভ কৰিছিল। কিন্তু ওকালতিত অৰ্জা সুনামৰ ফলত তেখেতে অতি সোনকালেই দোপত দোপে আগবাঢ়ি যাবলৈ সক্ষম হৈছিল। তেখেত এজন সাৰ্থক পিতৃ আছিল আৰু তেখেতৰ আটাইকেইটি সন্তানেই শিক্ষাৰ ক্ষেত্ৰত আৰু কৰ্ম জীৱনত সুখ্যাতি লাভ কৰিছে। তেখেতৰ ল'ৰা শ্ৰীমান উজ্জ্বল মোৰ ল'ৰা শ্ৰীমান তন্ময়ৰ সহপাঠী আৰু সহকৰ্মী; সেইফালৰ পৰা দাদাৰ পৰিয়ালৰ লগত আমাৰ পৰিয়ালৰ দুটা পুৰণিকলীয়া সম্পৰ্ক আছে। তেখেত অসমৰ মহাধিবক্তাও আছিল। তেখেতে ৰাজ্যিক বাৰ কাউঞ্চিলৰ সভাপতিৰ দ্বায়িত্বও এবাৰ বহন কৰিছিল। ৰাজনীতিৰ বাহিৰত থাকি বহুতো সামাজিক

আৰু বুদ্ধিজীৱীৰ অনুষ্ঠানৰ লগত দাদাৰ সম্পৰ্ক আছে। বহুতো অনুষ্ঠানক তেখেতে সাধ্য অনুসৰি আৰ্থিক সহায় কৰিছে। ওকালতি জীৱনত লাভ কৰা কৃতকাৰ্যতাই তেখেতৰ জীৱনলৈ যথেষ্ট সুখ্যাতি আৰু পৰিৱৰ্তন আনি দিছে।

(২)

এজন জীৱিত ব্যক্তিৰ জীৱনকালত তেওঁৰ কৰ্মৰাজি বা গুণৰাজিৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা সহজ কথা নহয়। আমাৰ বুদ্ধিজীৱী সমাজখনত ব্যক্তিগত বিদ্বেষ ইমান বেছি হৈছে যে কাৰোবাক ভাল বুলি কিবা এটা কথা লিখিলে বা কলে সেই কথা সহজ ভাবে গ্ৰহণ কৰিব পৰা মানসিকতা এতিয়া আমাৰ প্ৰায় নোহোৱা হৈছে। ৰাজনীতি আৰু সাহিত্যৰ জগতখনৰ বাহিৰত থকা বুদ্ধিজীৱীসকলে আধুনিক সমাজৰ পৰা স্বীকৃতি আদায় কৰা এতিয়া মুখৰ কথা নহয়।

এজন মানুহৰ বিশেষকৈ এজন বুদ্ধিজীৱীৰ জীৱন আৰু কৰ্মৰ সম্পৰ্কে আলোচনা কৰিবলৈ গ'লে আমি তেওঁৰ সামাজিক দায়বদ্ধতা আৰু সামাজিক দৃষ্টিভঙ্গীৰ কথা আলোচনা কৰিব লাগিব। উচ্চ ন্যায়ালয়ত ওকালতি কৰা উকিলসকলৰ সৰহভাগেই নিজক বুদ্ধিজীৱী বুলি পৰিচয় দিবলৈ অলপ সংকোচ কৰে; কিন্তু উচ্চ আদালতৰ ওকালতি এটা বুদ্ধিজীৱী পেশা। কাৰণ উচ্চ ন্যায়ালতেই আজিৰ সমাজখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সামাজিক আৰু ন্যায় বিচাৰ পাব লগা বিষয়ক কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ নাগৰিকে আদালতৰ ওচৰ চাপিব পাৰে। উচ্চ ন্যায়ালয়ৰ পৰা ন্যায় বিচাৰ পাবলৈ হ'লে ন্যায়ালয়ৰ ন্যায়াধীশ সকলৰ আগত ভাৰতবৰ্ষৰ সংবিধান আৰু অন্যান্য আইন সমুহৰ বিশদ বাখ্যা আদালতত দাঙি ধৰিবলৈ জনসাধাৰণৰ হকে থিয় দিয়া উকীল সকলে কষ্ট স্বীকাৰ কৰি গোচৰ চলাব লাগিব। উচ্চ ন্যায়ালয়ত আইনৰ সংবিধানিক বৈধতাৰ প্ৰত্যাহ্বান জনাব লগে; চৰকাৰৰ প্ৰতিটো আইন বিৰুদ্ধ কামৰ প্ৰতিকাৰ পাবৰ কাৰণে জনসাধাৰণে উচ্চ ন্যায়ালয়ৰ ওচৰ চাপিব লাগে। উচ্চ নায়ালয়ৰ দুৱাৰখন জনসাধৰণৰ বাবে মুকলি কৰি ৰখাৰ কথাও সামাজিক দায়বদ্ধতা থকা উকীল সকলে চিন্তা কৰিব লাগে। এইখিনি কাম কৰিব লাগে কাৰণেই মই উচ্চ ন্যায়ালয়ত ওকালতি কৰা উকীল সকলক বুদ্ধিজীৱীৰ লগত ধৰিব খুজিছো।

(৩)

সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত মই ভূএগ্ৰা দাদাৰ এটা কথা মাত্ৰ উল্লেখ কৰিব খুজিছো, তেখেতৰ লগত মই কেবাটাও বামপন্থী ট্ৰেড ইউনিয়নৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত হাজিৰ হৈছিলো। এইবোৰ গোচৰত তেখেতে ইউনিয়নবিলাকৰ পৰা ফিজ লোৱা নাছিল। বহুতো দৰিদ্ৰ মক্কেলৰ কামত তেখেতে ফিজ নোলোৱাকৈ বা মক্কেলে যি দিয়ে তাতে সন্তুষ্ট হৈ কৰিছিল। তেখেতৰ এইটো বৈশিষ্ট্য মই উল্লেখ নকৰি নোৱাৰিলো। সামাজিক জীৱনত তেখেত এজন উদাৰ গণতান্ত্ৰিক ব্যক্তি বুলি পৰিচিত। সাম্প্ৰদায়িক বা বৰ্ণ বিদ্বেষী লোক তেখেত নহয় আৰু পাৰহৈ যোৱা আঢ়ৈ কুৰি বছৰত অসম কঁপাই যোৱা আন্দোলনৰ প্ৰভাৱৰ পৰাও তেখেত মুক্ত আছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে অধিবক্তা সন্থাৰ এজন জ্যেষ্ঠ আৰু প্ৰবীন সদস্যৰূপেও তেখেতে এটা সুকীয়া মৰ্যাদা লাভ কৰিছে। স্পষ্ট আৰু নীতিগত মতামত দিবৰ বেলিকাও তেখেত এজন অগ্ৰগণ্য ব্যক্তি। নিচেই ওচৰৰ পৰা তেখেতক পোৱাৰ সৌভাগ্য মোৰ হৈছিল কাৰণে তেখেতৰ বিষয়ে মই এইখিনি কথা লিখাৰ সুযোগ লৈছো।

শঙ্কৰদেৱে কীৰ্ত্তনত প্ৰহ্লাদৰ সম্পৰ্কে এযাৰ কথা লিখিছিল— 'ৰূপে,গুণে বিদ্যাত পাৰ্গত। নাহি গৰ্ব তথাপি মনত।' জীৱনৰ বিয়লি বেলিকা পিচৰ চামৰ আগত তেখেতে মাত্ৰ এষাৰঁ কথাই ক'ব পাৰিব— কষ্ট কৰি অৰ্জা বিদ্যা আৰু ধনৰ বাবে গৰ্ব কৰিবলগীয়া একো নাই। ❑

লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা।

শ্ৰদ্ধাৰ সুচেন্দ্ৰ নাথ ভূঞা ঃ মই যিমানলৈ জানো

নীলমণিসেন ডেকা

১৯৪২ চন। মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰত ত্যাগ আন্দোলনে দেশজুৰি এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰিছে। ব্ৰিটিছ সকলৰ ভাৰতত উপনিবেশ প্ৰায় অস্তমিত সুৰুজৰ দিশে গতি কৰিছে। দেশৰ জনসাধাৰণৰ ঐক্যবদ্ধ সংগ্ৰামৰ তীব্ৰ হেঁচাত। সেই সময়ত ছোভিয়েত ইউনিয়নৰ নেতৃত্বত পৃথিৱীৰ বিভিন্ন দেশত সাম্যবাদৰ ধ্বজা উৰিবলৈ লৈছিল। মাও-ছে-টুঙৰ নেতৃত্বত ইতিমধ্যে কমিউনিষ্ট শাসন চলোৱাৰ আখৰা চলিছিল। ঠিক তেনে সময়তে ভাৰতবৰ্ষত এম এন ৰায়ে প্ৰতিষ্ঠা কৰা কমিউনিষ্ট দলৰ প্ৰতি আকৰ্ষিত হৈ অসমতো শ্ৰমিক-কৃষকক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টাৰে প্ৰগতিশীল এচাম ডেকা যুৱক ওলাই আহিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰত স্বাধীন হ'লেও দেশৰ জনসাধাৰণ দেশীয় পুঁজিপতিৰ শোষণৰ পৰা মুক্ত হ'ব নোৱাৰিব। সেয়ে তেওঁলোকে স্বাধীনতা সংগ্ৰামলৈ হাত আগবঢ়াই দিলেও ছাত্ৰ, কৃষক, শ্ৰমিক আদিক সংগঠিত কৰাত লাগিছিল। সেই সময়ত মহাত্মা গান্ধীয়ে দ্বিতীয় মহাসমৰত হিটলাৰৰ নেতৃত্বত থকা জাপানৰ আগ্ৰাসী বাহিনীক প্ৰতিৰোধ কৰাৰ বাবে ব্ৰিটিছক সমৰ্থন দিছিল যদিও সেই সময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে মহাত্মা গান্ধীৰ সিদ্ধান্তৰ প্ৰতিবাদ 'ন' বাৰ ন' পাই' ধ্বনিৰ ব্ৰিটিছৰ বিৰুদ্ধে শ্ল'গান বৰ্ষিছিল। তেতিয়া আমাৰ অসমত কমিউনিষ্ট দলে শিপা মেলিবলৈ লৈছিল মাথোন আৰু ইয়াৰ নেতৃত্ব লৈছিল এচাম ডেকা শক্তিয়ে। সেই সময়ত সৰ্বভাৰতীয় ছাত্ৰ ফেডাৰেছনৰ শক্তিশালী শাখা অসমত গঢ়ি উঠিছিল। কমিউনিষ্ট দলৰ লগত যি সকল ডেকাই নেতৃত্ব লৈছিল তাৰ ভিতৰত আছিল গৌৰীশংকৰ ভট্টাচাৰ্য, ফণী বৰা, দধী মহন্ত, হেনা দত্ত, সুচেন্দ্ৰ নাথ ভূঞা আদি। অকাট্য যুক্তি, তীক্ষ্ণ ভাষাৰে মানুহৰ মন আকৰ্ষিত কৰিব পৰা বিশেষকৈ, ছাত্ৰ সমাজৰ মাজত এক বিশেষ স্থান দখল কৰি নিজক প্ৰতিষ্ঠা কৰিছিল কামপুৰৰ এজন ডেকাই। এই ডেকাজনেই আছিল সুচেন্দ্ৰ নাথ ভূঞা। এই কথাখিনি মোক কৈছিল বাওঁপন্থী আন্দোলনৰ প্ৰতি শ্ৰদ্ধা থকা এজন বিশিষ্ট ব্যক্তিয়ে। পাছলৈ নীতিগত কাৰণতেই হওঁক বা কোনো পৰিস্থিতিৰ বাবেই হওক এই ছাত্ৰনেতা জনে ৰাজনীতিৰ পৰা অব্যাহতি লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি

জীৱন আৰম্ভ কৰিছিল। নিজৰ অধ্যাৱসায় আৰু পৰিশ্ৰমেৰে এজন প্ৰতিষ্ঠিত আইনজীৱী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল তেওঁ। মই নতুনকৈ আইন ব্যৱসায়ত খোজ দিয়াৰ সময়ত তেওঁক দেখা পাইছিলো আদালত কক্ষত ধীৰ-স্থিৰভাৱে নিজৰ গোচৰৰ পক্ষত যুক্তি দাঙি ধৰি ন্যায়াধীশৰ সন্মান আদায় কৰা।

১৯৮৩ চনত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই অসমত চৰকাৰ গঠন কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে ভূঞাদেৱক মহাধিবক্তা হিচাপে নিযুক্তি দিছিল। সেই সময়ত ৰাজ্যখনত অগ্নিগৰ্ভ পৰিস্থিতি। তেনে পৰিস্থিতিৰ মাজতো তেওঁ চৰকাৰৰ সপক্ষে ন্যায় যুদ্ধত চৰকাৰক ৰক্ষা কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ বাবে সকলো পক্ষৰ পৰাই প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল, যাৰ বাবে হিতেশ্বৰ শইকীয়া পৰৱৰ্তী কালত মুখ্য মন্ত্ৰী হোৱাত পুনৰ ভূঞাদেৱকেই মহাধিবক্তা হিচাপে নিযুক্তি দিছিল। মই সদায় লক্ষ্য কৰি আহিছো তেওঁৰ নিয়মানুবৰ্তিতাত বিশ্বাসী গুণৰ প্ৰতি। প্ৰতিটো গোচৰৰ প্ৰতিয়ে তেওঁ সচেতন। তেওঁৰ আটাইতকৈ ডাঙৰ গুণটো হৈছে এয়ে যে তেওঁৰ আনৰ প্ৰতি বেয়া ভাব নাই আৰু পৰচৰ্চা নকৰে।

আজি তেওঁ ৮১ বছৰত ভৰি দিলে। অশীটিপৰ এই বয়সতো নিজৰ আইন ব্যৱসায় চলাই আছ পৰম বিশ্বাস আৰু সন্মান সহকাৰে। কমিউনিষ্ট আন্দোলনৰ জৰিয়তে কাৰাবাসলৈ যোৱা সাম্যবাদী আন্দোলনৰ প্ৰবক্তা শ্ৰদ্ধেয় ভূঞাদেৱে এতিয়াও বিশ্বাস কৰে ভাৰতত মাৰ্ক্সবাদৰ প্ৰসংগিকতা এতিয়াও শেষ হোৱা নাই। বৈবাহিক সূত্ৰে তেওঁ মোৰ শহুৰ দেউতা। আজি জন্মদিনৰ শুভমূহূৰ্ত্তত মই আশা কৰিছো তেওঁ শতায়ু হওঁক। তেওঁৰ নিষ্ঠা, আন্তৰিকতা, সততা, আমাৰ সকলোৰে বাবে পাথেয় হওক। ❑

লেখক এগৰাকী অধিবক্তা, অসম বিধান সভাৰ সদস্য তথা প্ৰাক্তন মন্ত্ৰী।

আমাৰ বিয়ৈ সুচেন্দ্ৰ নাথ ভূঞা

আৰতি দাস

মোৰ ছোৱালী, শ্ৰীযুত ভূঞাদেৱৰ পুত্ৰবধু। সঙ্ঘামিত্ৰাৰ বিয়াৰ পিছৰে পৰা তেখেতক লগ পাই থাকো মাজে সময়ে।

প্ৰস্ফুটিত ফুলৰ সুবাসে (সুগন্ধ) যেনেকৈ ফুলৰ সৌন্দৰ্য বঢ়াই, তেনেকৈ এজন মানুহৰ সুন্দৰ ব্যক্তিত্বই তেওঁক পৰিপূৰ্ণতা দিয়ে। ভূঞাদেৱৰ সুন্দৰ ব্যক্তিত্ব, নেতৃত্বৰ গুণসম্পন্ন, সুবক্তা, কৰ্মনিষ্ঠা, বিচক্ষণতা, সুশৃংখল জীৱন যাপনৰ আৰ্হিয়ে সততেই সকলোকে মুগ্ধ কৰে। ল'ৰা-ছোৱালী সকলোটিয়েই তেখেতৰ সু-পৰামৰ্শৰে সমাজত সুপ্ৰতিষ্ঠিত।

অমায়িক মানুহজনে অতি ব্যস্ততাৰ মাজতো দৈনন্দিন জীৱন আৰম্ভ কৰে গোঁসাই থাপনাত এগছি বন্তি জ্বলাই ধূপ-ধুনা ফুল আদি আগবঢ়ায়।

পত্নীৰ ক্ষেত্ৰটো তেখেত ভাগ্যবান। শ্ৰীযুতা সুভদ্ৰা ভূঞাই অসুস্থতাৰ মাজতো বহু বিনিদ্ৰ ৰজনী পাৰ কৰি ল'ৰা-ছোৱালী কেউটিকে পঢ়া-শুনাৰ বিষয়টো যত্নপৰ হৈ জীৱনৰ বাটত আগবঢ়াই আনিলে।

মোৰ ল'ৰাই North-East Times ত Sub-editor হৈ গুৱাহাটীত থকাৰ সময়ত এবছৰমান তেখেতৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহি বহু উপকৃত হ'ল।

মোৰ স্বামী প্ৰয়াত ডাঃ প্ৰণব কুমাৰ দাসৰ তেখেত অগ্ৰজপ্ৰতীম আছিল আৰু দাসে শেষলৈকে আন্তৰিক বন্ধুত্বৰে জীৱনটো উপভোগ কৰিছিল। তেখেতৰ দৰে সুহৃদ, বিচক্ষণ ব্যক্তিয়ে সমাজৰ বিভিন্ন স্তৰত বিভিন্নজনৰ নানা উপকাৰ কৰিছে। জীৱন সাৰ্থক হয় যেতিয়া এজন মানুহৰ যোগেদি জাতি, বংশ, সমাজ সংসাৰৰ সমুন্নতি সাধন হয়। সঁচা অৰ্থাত ভূঞাদেৱৰ জীৱন সাৰ্থক।

নিজ জন্মস্থান কামপুৰত ভূঞাদেৱৰ প্ৰয়াত মাতৃদেৱী ৰঞ্জনী ভূঞা আৰু সহধৰ্মিনী সুভদ্ৰা ভূঞাৰ নামে স্কুল আদি দান কাৰ্য তেখেতৰ মহানুভৱতাৰ পৰিচায়ক। গুৱাহাটীস্থ শংকৰ নেত্ৰালয়তো তেখেতৰ দান-বৰঙণি আছে।

কৰ্মস্থলীতো নিজৰ বিচক্ষণতা, কৰ্তব্য নিষ্ঠাই তেখেতক উচ্চৰ পৰা

উচ্চতম স্তৰলৈ লৈ গৈছে। ভূঞাদেৱ তেখেতৰ সংস্পৰ্শলৈ অহা সকলোৰে অতি প্ৰিয়পাত্ৰ। নাতি-নাতিনীহঁতৰ মাজতো তেখেত অতি প্ৰিয়।

ভূঞাদেৱৰ দৰে এজন গুণী, জ্ঞানী, সুদক্ষ কৰ্মযোগীৰ জন্মদিনত ঈশ্বৰৰ ওচৰত মই তেখেতৰ সু-স্বাস্থ্য, আৰু সুদীৰ্ঘ কৰ্মজীৱনৰ প্ৰাৰ্থনা জনালো। ❑

লেখিকা এগৰাকী সমাজসেৱিকা।

মোৰ দৃষ্টিত আইনজীৱী সুচেন্দ্ৰ নাথ ভূঞা

তৰুলতা দাস

শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাৰ লগত মোৰ পৰিচয় হয় এটি নতুন সম্বন্ধৰ জৰিয়তে। তেখেতৰ সৰু ছোৱালী ডাঃ জ্যোতি ভূঞাক মোৰ ডাঙৰ ল'ৰা ডাঃ বিষ্ণু প্ৰসাদ দাসলৈ বিয়া কৰাই বোৱাৰী সাজেৰে মঙ্গল উৰুলিৰে আদৰি আনিছিলো। সেই সূত্ৰে তেখেত মোৰ বিয়ৈ হয়। বিয়ৈ-বিয়ৈনীৰ সম্বন্ধ কেনেকুৱা হ'ব পাৰে সেয়া সকলোৰে জনা কথা। গতিকে এনকৈয়ে আমাৰ চা-চিনাকী হয় আৰু আমাৰ দুয়োটা পৰিয়ালৰ মাজত মিতিৰ হিচাপে অহা-যোৱা, খোৱা-লোৱাৰ মাজেৰে ভূঞাদেৱক বুজিবলৈ মোৰ টান হোৱা নাছিল।

সুচেন্দ্ৰ নাথ ভূঞা এজন সহজ-সৰল মানুহ। পিন্ধা-উৰাত পৰিপাটি। জুখি-মাখি কথা কোৱা এজন ৰঙিয়াল ব্যক্তি। তেখেতৰ খোৱা, ফুৰা-চকাত বৰ চখ। ভ্ৰমণ কৰা, নতুন নতুন ঠাইলৈ গৈ ফুৰি চাকি অহা তেখেতৰ বিশেষ চখ বুলি মই জানো।

ভূঞাদেৱৰ বিশেষ গুণ হৈছে কৰ্তব্য নিষ্ঠা আৰু সহনশীলতা। তেখেতে এই বয়সতো নানা কামত মনোনিবেশ কৰাৰ লগতে আইনৰ ছাত্ৰক ঘৰতে শিকোৱা কামো আন্তৰিকতাৰে কৰি আহিছে। স্বাস্থ্য সম্বন্ধে তেখেত সদায় সজাগ। প্ৰাতঃ ভ্ৰমণ আৰু সান্ধ্য ভ্ৰমণ তেখেতে নিয়মীয়াকৈ কৰি থাকে বাবে এতিয়াও চফল ডেকাৰ দৰে ঘূৰি ফুৰি থাকিব পাৰিছে। সৰু সুৰা বেমাৰক তেখেতে খাটিৰকে নকৰে। মনৰ শক্তি অসীম।

ভূঞাদেৱৰ জন্মস্থান নগাঁৱৰ কামপুৰত যদিও বহু বছৰ ধৰি তেখেত গুৱাহাটীতে স্থায়ী হিচাবে বসবাস কৰি আছে। বিশিষ্ট আইনজীৱী হিচাপেও তেখেতৰ নাম আছে। গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি হিচাপে বৰ্তমানেও কামপুৰৰ অনুষ্ঠান প্ৰতিষ্ঠানক পৰামৰ্শ আৰু আৰ্থিক সাহায্যৰে সহায়ৰ হাত আগবঢ়াই আহিছে।

ভূঞাদেৱে কামপুৰত উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰণে তেখেতৰ পত্নী শ্ৰীযুতা সুভদ্ৰা ভূঞাৰ নামত এটি জিৰণি ঘৰ বান্ধি দিছে। এখন জাতীয় বিদ্যালয়ো ভূঞাদেৱে মাতৃৰ স্মৃতিত ৰঞ্জনী

ভূঞা ভৱন নামেৰে নির্মাণ কৰি দিছে। লগতে কামপুৰখনক মহকুমা হিচাপে গঢ়ি তুলিবলৈও তেখেতে চৰকাৰৰ ওচৰত দাবী জনাই আহিছে।

'জননী জন্মভূমিশ্চ স্বর্গাদপী গৰীয়সী'। জন্মভূমিখন স্বর্গতকৈয়ো অধিক শ্রেষ্ঠ। গতিকে জন্মভূমি বা ঠাইখনৰ বাবে মৰম নথকা মানুহ নাই বুলিব পাৰি। সেয়ে চাগে ভূঞাদেৱেও কামপুৰৰ কল্যাণৰ কাৰণে দেহে কেহে লাগিছে। তাৰ মৰমে তেখেতক যেন এতিয়াও হাত বাউল দি মাতে। সময় পালেই ভূঞাদেৱে 'কামপুৰ'ৰ মানুহখিনিৰ খবৰ-বাতৰি লৈ আহেগৈ। এয়া তেখেতৰ প্রাণৰ টান।

সেয়ে আজি ভূঞাদেৱৰ ৮১ তম জন্মদিন ২৯ জুলাই, ২০০৫ ইং দিনটো তেওঁৰ শুভাকাঙ্খীসকলে উৎসৱমুখৰ কৰি পাতিবলৈ যো-জা কৰাত আমিও আনন্দিত হৈছো। ভগৱানে তেখেতক দীর্ঘজীৱী কৰি ৰাখক তাকে কামনা কৰিছো। ❑

লেখিকা এগৰাকী সমাজসেৱিকা।

খুড়া

ড° অৰূপজ্যোতি চৌধুৰী

খুড়াদেউ! মানে আমাৰ পৰিয়ালৰ আটাইৰে খুড়া সুচেন্দ্ৰ নাথ ভূঞাৰ কথা কৈছো। মোৰ দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰী আৰু সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ পৰিয়াল দুটা যোৱা প্ৰায় পাঁচটা দশক জুৰি গুৱাহাটীৰ আমবাৰীৰ ভোলানাথ দাস উপপথত চুবুৰীয়া হৈ বাস কৰি আহিছে। সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ পৰিয়ালৰ সকলোৰে বাবে মোৰ দেউতা আছিল বৰদেউতা আৰু আমাৰ পৰিয়ালৰ বাবে তেওঁ খুড়া। এয়া পিচে তেজৰ সম্বন্ধ নহয়। মনৰহে। খুড়া নগাঁৱৰ কামপুৰৰ পৰা আহি গুৱাহাটীত থিতাপি লৈছিলহি আৰু মোৰ দেউতা আহিছিল উত্তৰ গুৱাহাটীৰ ৰংমহলৰ পৰা। অসমৰ দুটা প্ৰান্তৰ দুখন জিলাৰ পৰা থিতাপি লোৱা পৰিয়ালে তেজৰ সম্বন্ধ চেৰাই গৈ এক নিবীড় মনৰ সম্বন্ধ গঢ়ি তুলিছিল। মই মন কৰিছিলো যে এই সম্বন্ধই সৃষ্টি কৰা আন্তৰিকতা যেন ক্ৰমান্বয়ে এক গভীৰ মানৱতাবোধলৈ ৰূপান্তৰিত হৈছিল।

নতুন প্ৰজন্মই খুড়াক জানে এজন বিশিষ্ট আইনবিদ হিচাপে। অসমৰ প্ৰাক্তন এডভোকেট জেনেৰেল খুড়াই নিজৰ মেধা আৰু শ্ৰমেৰে আইনৰ জগতখনত নিজকে প্ৰতিষ্ঠা কৰিছিল। নিয়াৰিকৈ সাজপাৰ পিন্ধি প্ৰায় প্ৰত্যেক সন্ধিয়া খোজকাঢ়ি ফুৰিবলৈ ওলোৱা খুড়াৰ ধীৰ-স্থিৰ, শান্ত সৌম্য মূৰ্ত্তি দেখি তেওঁৰ ভিতৰত নিহিত হৈ থকা সংগ্ৰামী মনটোৰ পৰিচয় পোৱাটো টান। নতুন প্ৰজন্মৰ বহুতেই হয়তো নাজানে যে মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী খুড়াই সমাজবাদ প্ৰতিষ্ঠাৰ স্বাৰ্থত সৰ্বস্ব ত্যাগ কৰি ছাত্ৰ, কৃষক, শ্ৰমিক, মধ্যবিত্তৰ আন্দোলনত সক্ৰিয়ভাবে জড়িত হৈ পৰিছিল। কমিউনিষ্ট পাৰ্টিৰ সক্ৰিয় সদস্য হিচাপে তেখেতে ১৯৪৮ চনৰ পৰা ১৯৫১ চনলৈকে আত্মগোপন কৰি আছিল। সেইচোৱা আছিল তেখেতৰ জীৱনৰ অজ্ঞাতবাসৰ কাহিনী। মই তেখেতৰ পৰা শুনিছিলো কিদৰে দিল্লীৰ পৰা অহা প্ৰশিক্ষকে তেওঁলোকক অস্ত্ৰ প্ৰশিক্ষণ দি শ্ৰেণী সংগ্ৰামৰ কাৰণে সশস্ত্ৰ কৃষি বিপ্লৱলৈ সাজু কৰিছিল। সমাজবাদৰ স্বাৰ্থত সেয়া আছিল ত্যাগ আৰু মহানুভৱতাৰ কাহিনী। এই অজ্ঞাতবাসৰ সময়ছোৱাতেই সংগ্ৰামী জীৱনৰ শ্ৰেণী সংগ্ৰামী সুভদ্ৰা ভূঞাক

খুড়াই জীৱনসঙ্গী ৰূপে বাচি লয়। পিচে সংগ্ৰামী জীৱনৰ নতুন যাত্ৰা আৰম্ভ হবলৈ নৌপাওঁতেই খুড়া পুলিচৰ হাতত ধৰা পৰে। প্ৰায় ১৪ মাহ সময় খুড়াই কাৰাগাৰত কটায়। জেলৰ পৰা ওলাই আহি তেখেতে শুভাকাঙ্খী আৰু বন্ধুবৰ্গৰ সহায়ত কটন কলেজত ভৰ্তি হয়। ইতিহাসৰ স্নাতক খুড়াই ১৯৫৫ চনত স্নাতকোত্তৰ পৰীক্ষাত ২য় শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি উৰ্ত্তীৰ্ণ হয়। আইনৰ ডিগ্ৰী লাভ কৰাৰ পিছতেই আকৌ আৰম্ভ হল— খুড়াৰ এক নতুন জীৱনৰ পৰিক্ৰমা।

তিনিগৰাকী ছোৱালী আৰু এজন ল'ৰাৰে খুড়া-খুড়ীয়ে গঢ়ি তুলিলে কষ্টৰ মাজৰে এখন সুখৰ সংসাৰ। আজি খুড়াৰ প্ৰত্যেকগৰাকী সন্তানেই নিজ নিজ কৰ্মক্ষেত্ৰত জাকত জিলিকা। খুড়াৰ বৰজীয়ৰী ডাঃ স্বাগতা ভূঞা। তেখেতৰ বৰজোঁৱাই দেশৰ বিখ্যাত শল্য চিকিৎসক ডাঃ সুভাষ খান্না। খুড়াৰ দ্বিতীয়জন জোঁৱাই বিশিষ্ট আইনজ্ঞ আৰু অসমৰ প্ৰাক্তন মন্ত্ৰী শ্ৰীনীলমণিসেনডেকা। তেওঁৰ পৰিবাৰ খুড়াৰ দ্বিতীয়া কন্যা অনুলেখা ভূঞা কটন কলেজৰ গণিত বিভাগৰ অধ্যাপিকা। খুড়াৰ কনিষ্ঠা কন্যা ডাঃ জ্যোতি ভূঞা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চকু চিকিৎসা বিভাগৰ অধ্যাপিকা। তেওঁৰ স্বামী ডাঃ বিষ্ণু দাস খুড়াৰ কনিষ্ঠ জোৱাই। খুড়াৰ একমাত্ৰ পুত্ৰ আৰু বোৱাৰী ক্ৰমান্বয়ে উজ্জ্বল ভূঞা আৰু সংঘমিত্ৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা। এই বিৰাট পৰিয়ালৰ সাম্ৰাজ্যৰ খুড়া হ'ল মুকুটবিহীন সম্ৰাট। মৰম, স্নেহ আৰু সহিষ্ণুতাৰে খুড়াই গঢ়ি তুলিছে কৰ্মশ্ৰেষ্ঠতা আৰু ত্যাগৰ এক বিৰল দৰ্শন। এই সাফল্যৰ ভাগ কিন্তু খুড়ীক নিদিলে নহব। মোৰ বোধেৰে খুড়ী হল খুড়াৰ জীৱনৰ প্ৰাণ স্পন্দন, কৰ্মপ্ৰেৰণা। দুয়োজন দুয়োজনৰে জীৱন বন্ধু।

খুড়াৰ কথা ওলালে মোৰ মনত পৰে গজালি সংঘলৈ। আমি তেতিয়া সৰু। চেনিকুঠি প্ৰাথমিক বিদ্যালয়ত পঢ়ো। আমবাৰীত তেতিয়া প্ৰতিবছৰে গজালি সংঘৰ সাংস্কৃতিক কাৰ্যসূচী হয়। মোৰ দেউতা, খুড়া, চুবুৰীৰ সকলোৰে মামা প্ৰয়াত মনোজ দত্ত, উপেন দাস (অসমৰ প্ৰাক্তন মন্ত্ৰী) আদি সকলোৰে অনুষ্ঠান তদাৰক কৰে। এবাৰ খুড়াৰ তিনিজনী ছোৱালীয়ে গজালি সংঘৰ সাংস্কৃতিক সন্ধিয়াত নগা নৃত্য আৰু বিহু নৃত্য পৰিৱেশন কৰিছিল। কিন্তু

খুড়াৰ বাবে সময় মানে সময়। সময়ত আৰম্ভ কৰিব, সময়ত শেষ কৰিব। হয়তো নিয়মানুবৰ্তিতাৰ এই দৰ্শনেই মানুহজনক মহান আৰু সফল কৰি তুলিলে।

এইজনেই খুড়া। আমি আটায়ে ভালপোৱা, আমাৰ আটাইৰে মৰমৰ। সঁচা কথা ক'বলৈ গ'লে খুড়াক আমি শ্ৰদ্ধা মিশ্ৰিত ভয়ো কৰো। মোৰ পৰিবাৰ আৰু অঞ্জনদাৰ বৌৰ মাতটো বৰ ডাঙৰ! খুড়াৰ উপস্থিতিত তেওঁলোকৰ মাত হৈ পৰে সুৱদী কণ্ঠৰ গীত।

আমাৰ দেউতা লক্ষ্যধৰ চৌধুৰীৰ জীৱন উপভোগ কৰাৰ এষাৰ মন্ত্ৰ আছিল— "জীৱনটো জুখিবা হাঁহিৰে, চকুলোৰে নহয়।" আমি আটায়ে বিশেষকৈ গধূলি হাঁহিৰ মেল পাতো। আমাৰ হাঁহিৰ খলকনিত খুড়াও আহি মাজে সময়ে যোগ দি হাঁহিৰ মেলত ৰগৰ তুলেহি। ❑

লেখক কটন্ কলেজৰ প্ৰবক্তা।

আমাৰ ভূঞাদা

শান্তা আগৰৱালা

আমাৰ পৰম শ্ৰদ্ধাৰ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা দেৱৰ জন্ম হয় ইংৰাজী ১৯২৪ চনৰ ২৯ জুলাইত, নগাঁও জিলাৰ কামপুৰৰ নিজনাৰিকলিত। তেখেতৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় গাঁৱৰ প্ৰাইমেৰী স্কুলত। তাৰ পাছত তেওঁ বৰ্তমানৰ কামপুৰৰ উচ্চতৰ মাধ্যমিক ও বহুমুখী বিদ্যালয়ৰ পৰা অষ্টম শ্ৰেণীৰ শিক্ষা সমাপ্ত কৰি ক্ৰমে নগাঁও গবৰ্ণমেণ্ট হাইস্কুল, কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যলয়ত উচ্চ শিক্ষা লাভ কৰে। ছাত্ৰ অৱস্থাৰ পৰাই বিভিন্ন দিশত নেতৃত্ব লৈ তেওঁ মেধা শক্তিৰ পৰিচয় দাঙি ধৰিছিল।

সুখ্যাতিৰে শিক্ষা সাং কৰি ১৯৫৮ চনত গুৱাহাটী হাইকৰ্টত অধিবক্তা হিচাবে কৰ্ম জীৱনৰ পাতনি মেলে। ইয়াৰ পাছত দুবাৰকৈ অসমৰ মহাধিবক্তা হিচাবে কাৰ্যনিৰ্বাহ কৰে। সেই পদবীত তেওঁ বহুতো উল্লেখনীয় মোকৰ্দমা পৰিচালনা কৰি সুনাম অৰ্জন কৰে।

মোৰ বিয়াৰ পাছত (বৈবাহিক সূত্ৰে মই কামপুৰৰ বোৱাৰী হৈ অহাৰ পাছত) মোৰ স্বামী প্ৰয়াত কুনৰমল আগৰৱালাদেৱৰ সৈতে পোন প্ৰথমবাৰৰ বাবে তেখেতক লগ পাইছিলো, আমবাৰীস্থিত তেখেতৰ নিজা বাসভৱনত। মোৰ স্বামীৰ লগত থকা তেখেতৰ ভাতৃসুলভ সম্পৰ্কৰ বাবে মোক বোৱাৰী হিচাবে যি আন্তৰিকতা আৰু মৰম স্নেহ যাচিছিল সেইখিনি মোৰ মনত আজিও সজীৱ হৈ আছে। প্ৰথম পৰিচয়ৰ পাচৰপৰা আৰম্ভ হোৱা আন্তৰিকতা আৰু আত্মীয়তা আজিও অব্যাহত হৈ আছে, তেখেতক আমাৰ পৰিয়ালৰ এগৰাকী সদস্যৰ দৰেই আজিও মোৰ অনুভৱ হয়।

'গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি' তেখেতৰ প্ৰচেষ্টাতে গঢ় লোৱা অনুষ্ঠান। কামপুৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতে বিভিন্ন পদক্ষেপ লৈছে। কামপুৰৰ শিক্ষা আৰু সামাজিক অনুষ্ঠানবিলাক গঢ়ি তোলাত বহু বৰঙণি আগবঢ়াইছে। তেখেতৰ মাতৃ প্ৰয়াত ৰঞ্জনী ভূঞাৰ নামত জাতীয় বিদ্যালয় ভৱন নিৰ্মাণ কৰিছে। কামপুৰ উচ্চতৰ মাধ্যমিক ও বহুমুখী বিদ্যালয়ৰ শিক্ষক শিক্ষক শিক্ষয়িত্ৰীৰ এটি ডাঙৰ জিৰণি ঘৰ নিৰ্মাণ কৰাই স্কুলৰ এটা বহুদিনীয়া

অভাৱ পূৰণ কৰিছে। কামপুৰ ছোৱালী হাইস্কুলৰ এটি কোঠা তেখেতৰ বৰঙণিতেই গঢ় লৈ উঠিছে। কামপুৰ স্বৰাজ ভৱনৰ sound system টো তেখেতৰেই দান। ইয়াৰ বাহিৰেও কামপুৰ কলেজ আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠানসমূহত তেখেতৰ উল্লেখনীয় বৰঙণি আছে।

ইং ২০০২ আৰু ২০০৩ বৰ্ষত ভূএগ্ৰাদেৱে বিনামূলীয়া স্বাস্থ্যসেৱা শিবিৰৰ জৰিয়তে 'স্বাগত' চিকিৎসালয়ৰ ১৬ জনীয়া চিকিৎসকৰ দ্বাৰাই স্বাস্থ্যসেৱা আগবঢ়াই বিনামূলীয়া ঔষধ বিতৰণ কৰি দুখীয়া ৰাইজক উপকৃত কৰিছে।

ভূএগ্ৰাদেৱৰ সেৱা কেৱল কামপুৰতেই সীমাবদ্ধ নহয়, তেখেতৰ কৰ্মভূমি গুৱাহাটী মহানগৰীৰ 'শঙ্কৰদেৱ নেত্ৰালয়'তো তেখেতে দুই লাখ টকাৰ অনুদান আগবঢ়াইছে। গুৱাহাটীত অৱস্থিত চিকিৎসালয় 'স্বাগত হস্পিতেল' তেখেতৰ প্ৰচেষ্টাত গঢ়ি উঠা চিকিৎসালয়।

আদৰ্শবান, মৃদুভাষী, উদাৰ সমাজকৰ্মী ভূএগ্ৰাদেৱৰ ৮১ বছৰীয়া জন্মদিনত মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো ---তেখেতৰ এই মনোবল, কৰ্মোদ্যম অটুট থাকক, তেখেত সু-স্বাস্থ্যৰ অধিকাৰী হৈ সমাজসেৱাত ব্ৰতী হৈ থাকিবলৈ ভগৱানে শক্তি দিয়ক। ❑

লেখিকা এগৰাকী সমাজসেৱিকা।

কমৰেড্ সুচেন ভূঞালৈ শুভেচ্ছা

হেনা বৰা

এৰি অহা দিনবিলাকৰ স্মৃতি বৰ মধুৰ। মনৰ দাপোনত ছবিৰ দৰে ভূমুকি মাৰে বহুতো সংগ্ৰামী বন্ধুৰ সাহচৰ্য। আজি বহুতো বন্ধু আমাৰ মাজত নাই, তেওঁলোকৰ স্মৃতিয়ে আমাক পিছলৈ লৈ যায়। এই মধুৰ স্মৃতিয়ে এই বৃদ্ধ বয়সতো আমাক উৎসাহ আৰু আনন্দ দিয়ে। আজি আমাৰ মাজত কেইগৰাকীমান বন্ধুহে আছে। কমৰেড্ সুচেন ভূঞা, কমৰেড্ পোৱাল বৰুৱা, কমৰেড্ কেশৱ মহন্ত, হেম শৰ্মা, জীৱন কলিতা, অঞ্জলী লাহিড়ী, কমৰেড্ অৱনী বৰঠাকুৰ। ইয়াৰ পিছৰচোৱাত পাইছোঁ কমৰেড্ সুৰেণ ভট্ট, শৈলেন মেধি, গোবিন্দ কলিতা, তৰুণসেন ডেকা, লোহিত দাস ইত্যাদি।

এওঁলোক আছে কিন্তু বাস্তৱত মোৰ দৰেই থাকিও নথকাৰ দৰে-সকলোৰে শৰীৰৰ অৱস্থা বেয়া। এওঁলোকৰ কথা ভাবিলেও মনতো ভাল লাগে। আজিৰ যুগত এনেকুৱা কৰ্মী অৰ্থাৎ নিঃস্বাৰ্থ কৰ্মী বিচাৰি পোৱা টান। কোনে তেওঁৰ অৱদান স্মৰণ কৰি মূৰ দোৱাঁব? যুৱ সমাজে নাজানে ঐতিহ্যৰ কথা। বহু বছৰ আগৰে পৰাই মই কমৰেড সুচেন ভূঞাক ভালদৰে জানোঁ। কাৰণ আমি একলগে ছাত্ৰ আন্দোলন আৰু বিভিন্ন আন্দোলন আৰু সংগঠনৰ লগত জড়িত আছিলো।

১৯৪৭ চনৰ অক্টোবৰ মাহত মই বংগদেশৰ পৰা গুৱাহাটীলৈ আহিছো। তেতিয়া মই অসমীয়া ভাষাটো জনা নাছিলোঁ। কটন কলেজত বি.এ. ক্লাছত নাম লগাইছোঁ। তেতিয়া কটনত বামপন্থী ছাত্ৰ সংগঠন যথেষ্ট শক্তিশালী আছিল। ভাৰতীয় ছাত্ৰ সংগঠন অৰ্থাৎ A.I.S.F. ৰ ময়ো এগৰাকী কৰ্মী আছিলো। গতিকে মই বৰ ভাল পালো। কিন্তু ভাষাটো নজনাৰ কাৰণে বৰ দুখ লাগিছিল।

সেই সময়ত দেখিছিলো কমৰেড্ সুচেন ভূঞা আৰু কমৰেড্ প্ৰয়াত ফণীবৰা অত্যন্ত জনপ্ৰিয় ছাত্ৰ নেতা আছিল। ভাল বক্তা আৰু ভাল সংগঠক আছিল। কামৰ মাজেৰে এওঁলোকৰ লগত মোৰ পৰিচয় হৈছিল।

সেইসময়ত ছাত্ৰ সন্মিলনে সভা আহ্বান কৰিলে কটনৰ গোটেই ছাত্ৰ-ছাত্ৰী গোট খাইছিল। শিক্ষকসকলৰ মাজতো ছাত্ৰ সন্মিলন যথেষ্ট জনপ্ৰিয় আছিল।

এটা কথা মনত পৰিলে মোৰ এতিয়াও বৰ হাঁহি উঠে। এদিন কটন কলেজৰ ছাত্ৰ সন্মিলনৰ আহ্বানত এক বিৰাট সভা হৈছিল। কমৰেড সুচেন ভূঞাই খুব উদ্দাত্ত কণ্ঠেৰে বক্তৃতা দি আছে। ছাত্ৰ-ছাত্ৰী সকলে খুব জাউৰিয়ে জাউৰিয়ে হাত চাপৰি দিছে। মই আমাৰ অফিচলৈ আহিছো। তাত আমাৰ এজন ছাত্ৰ নেতা কমৰেড্ নিতাই্ গাঙ্গুলী আছিল। মোক সুধিছে "কেমন মিটিং হল" মই ক'লো খুব ভাল মিটিং হৈছে, ভূঞা খুব ভাল বক্তা। তেওঁ সুধিলে "সুচেন কি বলছে?" মইতো বিপদত পৰিলো, গোটেইখিনি কথা কব পৰা নাই- কাৰণ ভাষা। তেওঁ কলে "কি কৰে বুঝলেন ভাল' হয়েছে?" মই ক'লো ভাল নহলে ৰাইজে ইমান হাত চাপৰি দিছেনে?

সেই সময়ৰ ছাত্ৰ আন্দোলন আজিৰ ছাত্ৰ সংগঠন বিলাকৰ নিচিনা ৰাজনৈতিক লাভালাভৰ ওপৰত আন্দোলন কৰা নাছিল, কৰিছিল শিক্ষা জীৱনৰ বিভিন্ন সমস্যাৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাৰ ভিত্তিত। ইতিমধ্যে সদৌ ভাৰত ছাত্ৰ সন্মিলনৰ অধিৱেশন বহিছিল মুম্বাই নগৰত। কমৰেড্ সুচেন ভূঞাৰ নেতৃত্বত অসমৰ পৰা আমি বহুতো প্ৰতিনিধি গৈছিলোঁ। তেতিয়া শৰাইঘাট দলং হোৱা নাছিল। আমি জাহাজত সিপাৰ হ'লো আৰু ট্ৰেইনত ঠাই নেপাই এটা খালী মালগাড়ীৰ ডবাত কাগজ পাৰি বহিলোঁ। গৰু-ছাগলী যোৱাদি গলো। ভাবিলে এতিয়াও আমোদ পাওঁ। তেতিয়া সুচেন ভূঞাৰ নেতৃত্ব লোৱাৰ ক্ষমতা দেখি আচৰিত হৈছিলো, ভাল লাগিছিল। এজন সুযোগ্য নেতৃত্ব দিয়া ভাল বক্তা পোৱাটো টান। সংগঠক হিচাবেও কমৰেড্ ভূঞাৰ যথেষ্ট যোগ্যতা আছিল।

আমি পলাতক অৱস্থাতো তেখেতক বহুবাৰ লগ পাইছিলো। পলাতক অৱস্থাত কমৰেড্ ভূঞাই মোক নগাৱঁৰ পৰা গুৱাহাটীলৈ আনিবলৈ গৈছিল। প্ৰয়াত ফণী বৰা, মই আৰু সুচেন ভূঞাই প্ৰায় দুমাইল

দুৰৰ পৰা মিটিং কৰি ৰাতি ৰাতি আহি কাছমাৰী পালোহি। গৃহস্থ ঘৰত নাছিল, গৃহস্থনীয়ে দোকান ঘৰ এটা খুলি দিলে। আমি তাত সুমুৱাৰ পিচত মানুহজনীয়ে বাহিৰৰ পৰা তলা লগাই দিলে- ভাবিছিল কিজানি পুলিচ আহিলে বুজি নাপাব তাত কোনোবা আছে বুলি। ৰাতিটো তাত থাকি পুৱাই পুৱাই আন্ধাৰ থাকোতে আমি দুয়ো গুৱাহাটীলৈ গুচি আহিম, দুৰ্ভাগ্যবশতঃ মাজৰাতি পুলিচে চাৰিওফালে ঘেৰাও কৰি তলা ভাঙি সোমাই আমাক ঘেৰাও কৰি ধৰিলে। আমাৰ ভূএগ্ৰাৰ পিন্ধনত আছিল এখন গামোছা, মূৰতো এখন গামোছা বান্ধি থৈছিল। আমি যাৰ ঘৰত আছিলোঁ, তেওঁ এজন ট্ৰাইবেল কমৰেড্ আছিল। পুলিচ অফিচাৰজনে ভাবিলে সুচেন ভূএগ্ৰা ঘৰৰ মালিক। অলপ কাঢ়া সুৰত ক'লে— 'এই তোৰ ঘৈণী আছেনে নাই? ভূএগ্ৰাই 'আছে ছাৰ' বুলি কোৱাত পুলিচে হুকুম দিলে 'যা মাতি আন, এখেতক (মোৰ) তালাচি কৰিব লাগে'। ভূএগ্ৰা গ'ল ঘৈণী মাতিবলৈ। আমি মনে মনে বৰ ভাল পালো-এজনতো ৰক্ষা পৰিব। ইতিমধ্যে কমৰেড ভূএগ্ৰা পলাল। পানীৰ তলত সোমাই থাকিল নেকি পাহৰিলোঁ। বহু সময়ৰ মূৰত পুলিচে গম পালে যে এওঁ এজন পলাতক কমিউনিষ্ট আছিল। সিহঁতৰ মাজত হুলস্থুল লাগি গ'ল।

তেতিয়াৰ পৰা আমি জেলৰ পৰা ওলোৱালৈকে ভূএগ্ৰাক লগ পোৱা নাছিলোঁ। তেতিয়াৰ পৰা প্ৰায় দুবছৰমান পিচত পাৰ্টীৰ ওপৰত পৰা নিষেধাজ্ঞা উঠাই লোৱাৰ পিচত কমৰেড্ সুচেন ভুএগ্ৰাক পালো পাণবজাৰৰ ৰাণীবাড়িত এটা অকনমানি ঘৰত, স্ত্ৰী সুভদ্ৰা সহ বহু কষ্টেৰে আছিল। কমৰেড্ সুচেন ভূএগ্ৰা যথেষ্ট চোকা ল'ৰা আছিল কাৰণে কষ্টেৰে ওকালতি পঢ়ি পাচ কৰি শেষত এজন ভাল আইনজ্ঞ হৈছিল। তেওঁ খুব সৎ আৰু তীখৰ উকীল আছিল। এতিয়াও সমাজৰ সেৱা কৰি আছে।

তেখেতৰ জন্মস্থান কামপুৰত, তাৰে বহুত বিদ্যালয় আৰু চিকিৎসা কেন্দ্ৰত মুক্ত হস্তে দান-বৰঙণি দি সহায় কৰি থাকে। যাৰ ফলত কামপুৰত মানুহে তেখেতক খুব ভাল পায়।

মই জনামতে বহু কমৰেড্‌ক বিভিন্ন উপায়েৰে সহায় কৰি থাকে, মোৰ স্বামী প্ৰয়াত ফণী বৰাৰ অসুখত তেখেতে প্ৰায় সদায় ফোনেৰে খবৰ

লৈছিল। আৰ্থিকভাৱে সহায় কৰিছিল আৰু বিভিন্ন ধৰণৰ পুষ্টিকৰ খাদ্য লৈ আহিছিল। তেখেতৰ অৱদান মই কেতিয়াও পাহৰিব নোৱাৰিম।

আজি কমৰেড্ ভূঞাৰ একাশীতম জন্মদিন উপলক্ষে মই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছোঁ। তেখেতৰ সুস্থ শৰীৰ আৰু সুদীৰ্ঘ জীৱন কামনা কৰিছোঁ। ❑

লেখিকা প্ৰয়াত ফণী বৰাৰ পৰিবাৰ, এগৰাকী বামপন্থী নেত্ৰী।

মোৰ বন্ধু — সুচেন ভূঞা

পূৰ্ণ বৰা

আমি অৱগত হৈ সুখী হৈছোঁহক যে গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিয়ে প্ৰতিষ্ঠাপক সভাপতি, বিশিষ্ট আইনজীৱী শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ একাশীতম জন্মদিৱস এই বছৰৰে ২৯ জুলাই তাৰিখে পাতিবলৈ আয়োজন কৰিছে। সুচেন্দ্ৰ নাথ ভূঞা সমাজত সুচেন ভূঞা নামেৰেই জনাজাত। ভূঞাৰ ল'ৰালি কালৰ কথা মনত পৰিছে। আমি একেলগে নগাঁও গৱৰ্ণমেন্ট হাইস্কুলৰ হোষ্টেলত থাকি পঢ়িছিলো। আমি মানে ধিঙৰ মোৰ লগতে দীনেশ বৰা, ৰূপৰাম নাথ, উমেশ দেৱনাথ, কামপুৰৰ সুচেন ভূঞা, মহেন্দ্ৰ লস্কৰ, ঘন লস্কৰ, জীৱন লস্কৰ, ধৰ্ম বৰুৱা, হোজাইৰ পুষ্পেন্দ্ৰ বৰা, হাতীচোঙৰ ভাৰত বৰা, বল্লভ মহন্ত, চামগুৰিৰ গজেন বৰা, বলিন হাজৰিকা আৰু ১০/১২ জনমান। বৰ্তমানৰ নগাঁও কলেজেই তেতিয়া গৱৰ্ণমেন্ট হাইস্কুলৰ হোষ্টেল আছিল। পূৱফালে হিন্দু হোষ্টেল, পশ্চিমফালে মুছলিম হোষ্টেল— মাজতে একাংশ খালী আছিল। খালী অংশৰ ওপৰতে এটা গম্বুজ নিৰ্মাণ কৰি কলেজ স্থাপন কৰে আৰু হোষ্টেল আয়কৰ কাৰ্যালয়ৰ ওচৰলৈ স্থানান্তৰিত কৰি হোষ্টেল অধীক্ষকৰ বাসভৱনটো কলেজ অধ্যক্ষৰ বাস ভৱনলৈ ৰূপান্তৰিত কৰি তেতিয়াৰ পৰাই নগাঁও কলেজ পৰিচালিত হৈ আহিছে।

সুচেন ভূঞাই আমাতকৈ এক শ্ৰেণী তলত পঢ়িছিল। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই পৰিশ্ৰমী, অল্পভাষী আৰু দৃঢ়মনা আছিল। নৱম শ্ৰেণীত পঢ়ি থকা কালৰ পৰাই তেওঁ অসম ছাত্ৰ সন্মিলনৰ সক্ৰিয় সদস্য হৈ ফণী বৰাৰ লগত বিভিন্ন স্থানত সভা সমিতি পাতি ফুৰিছিল। আমিও সেই সময়ত অসম ছাত্ৰ সন্মিলনৰ লগত জড়িত হৈ আছিলো আৰু আমাৰ ধিঙতো সভা সমিতিত যোগদান কৰিবলৈ গৈ তেওঁ বিলাকে আমাৰ গৃহতে আশ্ৰয় লৈ খোৱা-বোৱা কৰিছিল। আমাৰ আই-মাতৃ আৰু ভনীহঁতে তেওঁলোকক খুৱাই-বুৱাই আলপৈচান ধৰি সন্তোষ লভিছিল। মই মেট্ৰিক পাছ কৰি বাহিৰত পঢ়িবলৈ যোৱাত দুবছৰমান ভূঞাৰ লগত দেখা শুনা, কোনো প্ৰকাৰ যোগাযোগ নাছিল। ১৯৪৪ চনত কটন কলেজত পঢ়িবলৈ লোৱাৰ পৰা সুচেনৰ লগতে দেখা দেখি হয়। কিন্তু আমি অসম প্ৰাদেশিক ছাত্ৰ সন্মিলনৰ লগত জড়িত হোৱাত

তেওঁৰ লগত ৰাজনৈতিকভাৱে সম্পৰ্ক ছেদ হয়। তেওঁ সাম্যবাদী ৰাজনীতিত সক্ৰিয় কৰ্মী হয় আৰু মই বিপ্লৱী সাম্যবাদী দলৰ এজন কৰ্মী হোৱাত অসমৰ ভিন ভিন প্ৰান্তত ভূএগ্ৰাই সাম্যবাদী আদৰ্শৰে জড়িত সভা সমিতিত যোগদান কৰে আৰু মই বিপ্লৱী সাম্যবাদী দলৰ আদৰ্শত জড়িত সভা সমিতিত যোগদান কৰো। তেনে অৱস্থাত আমাৰ যোগাযোগ নোহোৱা হৈছিল। কালক্ৰমত সাম্যবাদী দল বেআইনী ঘোষিত হোৱাত ভূএগ্ৰাকে আদি কৰি অগ্ৰণী কৰ্মী সকলে আত্মগোপন কৰি ফুৰে। আত্মগোপনৰ কালতে কমিউনিষ্ট পাৰ্টিৰ এগৰাকী দক্ষ সদস্যাৰ লগত তেওঁৰ মনৰ মিল হয় আৰু ফলস্বৰূপে দুয়োৰে শুভ মিলন হৈ স্বামী-স্ত্ৰী হিচাবে জীৱন যাপন কৰাত এটি সুযোগ্য পুত্ৰ আৰু তিনিগৰাকী কন্যা সন্তানেৰে তেওঁলোকৰ এখন সুখৰ সংসাৰ গঢ়ি উঠে।

সুচেন ভূএগ্ৰাই ইতিমধ্যে নিজস্ব চিন্তা আৰু বিবেচনাৰে এম এ, বি এল পৰীক্ষাত কৃতকাৰ্যতাৰে উত্তীৰ্ণ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰে আৰু নিজৰ প্ৰতিভাৰ বলত অনতিপলমে এজন সুদক্ষ অধিবক্তা ৰূপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়। ভুএগ্ৰাই সুদীৰ্ঘ দুটা কাল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহা অধিবক্তা ৰূপে নিযুক্তি লভিছিল আৰু সেই দায়িত্ব যাথোচিত ভাবে পালন কৰিছিল। জীৱনৰ প্ৰাৰম্ভিক কালত তেওঁ এজন প্ৰতিশ্ৰুতিবদ্ধ কমিউনিষ্ট আছিল আৰু দীন-দুখী-অৱহেলিত জনগণৰ উন্নয়ণসাধন কল্পে সমাজত সেৱা আগবঢ়াবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল।

'অতীতক নাযাবা পাহৰি' কবিৰ প্ৰৱচন ফাকিৰে ক'ব পাৰি যে আমি অতীতক পাহৰি যাব নালাগে। সুচেন ভূএগ্ৰায়ো সেইদৰে অতীতক পাহৰি নগৈ জীৱনৰ প্ৰাৰম্ভিক কালতে সমাজ সেৱাৰ দৃঢ় প্ৰতিজ্ঞাৰ কথা স্মৰণ কৰি সমাজৰ উন্নয়নৰ হকে, নিজৰ জন্ম স্থানৰ উন্নতিৰ কাৰণে কামপুৰ উন্নয়ণ সমিতি গঠন কৰি, উন্নয়ন সমিতিৰ প্ৰতিস্থাপক সভাপতি নিযুক্ত হৈ সমাজৰ উন্নয়নমূলক কামত ব্ৰতী হৈছে। এই পদক্ষেপ দৰাচলতে আনন্দৰ বিষয়। আমি আশাবাদী যে ভূএগ্ৰাৰ তৎপৰতাত কামপুৰ অঞ্চলে কিছু পৰিমাণে হ'লেও উন্নয়নৰ মুখ দেখিবলৈ সক্ষম হ'ব।

ভূএগ্ৰাৰ জন্মদিন উপলক্ষে তেওঁৰ পৰিয়াল পৰিজনসহ সকলোৰে সুখময়, শান্তিময় সুদীৰ্ঘ জীৱন কামনা কৰিলো। ❑

লেখক নগাঁৱৰ এগৰাকী বিশিষ্ট জ্যেষ্ঠ অধিবক্তা।

এক ব্যতিক্ৰমী ব্যক্তিত্ব

দুলন চন্দ্ৰ নাথ

মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও গঢ়িব পাৰো জীৱন গঢ়িত।
অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰোঁ খোজ সময় বালিত।।

সংগ্ৰাম জীৱনৰ অন্য নাম। জীৱন সুখময় আৰু শান্তিময়ৰ সৃষ্টিত এই সংগ্ৰাম। সুন্দৰ পৃথিৱীৰ মুখ দেখাৰ পৰা আৰম্ভ কৰি মানুহে জীৱনৰ অভিনয় সামৰি মৃত্যুৰ অনন্ত শয্যাত আশ্ৰয় লোৱালৈকে ই এক অবিৰত সংগ্ৰাম। সেই সংগ্ৰামত নিজকে নিপুন সৈনিকৰূপে প্ৰতিষ্ঠা কৰিব পৰাটোৱে পুৰুষত্বৰ পৰিচয়।

সৰুতে শুনিছিলো মানুহজনৰ নাম। দেখিছিলো সভা-সমিতিবোৰত। বক্তৃতা দিছিল তেজস্বী ভাষাৰে। জাউৰিয়ে জাউৰিয়ে হাত চাপৰি দিছিল দৰ্শকসকলে। হিল্ দল্ ভাঙি আহিছিল মানুহবোৰ দূৰ দূৰনিৰ পৰা মানুহজনৰ বক্তৃতা শুনিবলৈ। মানুহজন আন কোনো নহয় -অসম চৰকাৰৰ দুটা কাৰ্যকাল অলঙ্কৃত কৰা প্ৰাক্তন মহাধিবক্তা, পৰাধীন ভাৰতৰ মুক্তি সংগ্ৰামী ডেকা বিপ্লৱী নেতা, বৰ্তমান গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, দাতা শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা ডাঙৰীয়া।

সৰুতে দেখা ভূঞা দাদাক সুদীৰ্ঘ কাল বিৰতিৰ পাছত ইং ১৯৬৭ চনৰ কোনোবা এটা দিনত গৈছিলোঁ তেখেতৰ বৰ্ত্তমান আমবাৰিস্থিত বাসভৱনলৈ। পৰিচয় লৈছিল। কৈছিলোঁ তেখেত মোৰ আইন গুৰু হব লাগে বুলি। ভাল পাইছিল। সন্মতি দিছিল।মোৰ মনত অপাৰ আনন্দ। কেইটামান বছৰ তেখেতৰ কনিষ্ঠ অধিবক্তা হিচাপে কাম কৰিছিলোঁ। আইনৰ বহুত বিষয়ে শিকাইছিল। শিকিছিলোঁ, জানি উঠিছিলোঁ। তেখেতৰ শিকনিৰে আইনৰ ভৱিষ্যত ভেটিটো মজবুত কৰি লৈছিলো- যাৰ ফল আজিলৈ ভোগ কৰিছোঁ। স্বতন্ত্ৰীয়াকৈ উকালতি কৰি আইন জগতখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিলোঁ।

মোৰ লগত নিৰবিচ্ছিন্ন সম্পৰ্ক গঢ় লৈ উঠিছিল ইং ২০০১ চনৰ পৰা। ইং ২০০১ চনত প্ৰতিষ্ঠা হৈছিল গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিখন। তেখেত প্ৰতিষ্ঠাপক সভাপতি আৰু মই সাধাৰণ সম্পাদক। আজিও আছো সেই সম্বন্ধৰ এনাজৰিৰে বান্ধ খাই। সমিতিখন তেখেতৰ মানস পুত্ৰ। মাতৃভূমিৰ উন্নতিৰ চিন্তাই তেখেতৰ নিদ্ৰা হৰণ কৰিছিল। খাওঁতে, শোওঁতে, উঠোতে, বহোঁতে জন্মভূমিৰ উন্নতিৰ চিন্তাকে কৰিছিল সমিতিখনৰ যোগে। সমিতিৰ কামত বিভাগীয় মন্ত্ৰী, আমোলাসকলক সাক্ষাৎ কৰা, আবেদন পত্ৰ দিয়া, কামপুৰলৈ সমিতিৰ কামত অহা-যোৱা কৰা, সভা সমিতিৰ যোগদান কৰা, বানপীড়িত গাঁওসমূহত সাহায্য দান কৰা, কামপুৰত প্ৰতিবছৰে বিনা মূলীয়া সাহায্য শিবিৰ মুকলি কৰা, আদি সকলো কামতে ৰামৰ লগত লক্ষ্মণ সঙ্গী হোৱাৰ দৰে তেখেতৰ সঙ্গী হৈ আহিছো। লগত সীতা বৌ থাকেই। দাদাৰ লগত ঘূৰা-ফিৰা কৰি কিযে অমিয় আনন্দ পাইছিলোঁ, তাক কলমৰ ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। সৎ লোকৰ সান্নিধ্যত শিক্ষা আহৰণ হয়, মনৰ অস্বাভাৱিক দোষবোৰ উখালি যায়, মানুহৰ অন্তৰ পবিত্ৰ হয়, মানুহ প্ৰকৃত মানৱলৈ ৰূপান্তৰ হয়, মানুহ জ্ঞানী হয়; এইটো দাদাৰ সান্নিধ্যত লাভ কৰা মোৰ অভিজ্ঞতা।

ভূঞা দাদাক এগৰাকী 'ত্যাগী', 'দানবীৰ' আখ্যা দিলে বঢ়াই কোৱা নহব। তেখেতৰ প্ৰয়াত মাতৃ ৰঞ্জনী ভূঞাৰ পবিত্ৰ স্মৃতিত কামপুৰ জাতীয় বিদ্যালয়ত এটি ভৱন নিৰ্মাণ কৰি দিছে। তেখেতৰ সৌজন্যতে ৰাজ্য সভাৰ সদস্য, বৰ্ত্তমানৰ প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙৰ পৰা পাঁচলাখ টকাৰ এটি ভৱন কামপুৰ জাতীয় বিদ্যালয়ত নিৰ্ম্মাণ কৰিছে। তেখেতৰ সুযোগ্যা পত্নী শ্ৰীমতী সুভদ্ৰা ভূঞাৰ নামত কামপুৰ উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ কাৰণে কেইবা লাখটকীয়া এটি বৃহৎ আৰু আটক ধুনীয়া জিৰণি ভৱন নিৰ্মাণ কৰি দিছে। কামপুৰ কলেজ আৰু কামপুৰ ছোৱালী উচ্চবিদ্যালয়ত একোটাকৈ পুথিভঁড়াল নিৰ্মাণ কৰি দিছে। গাঁওসমূহৰ নামঘৰ, মণিকূটঘৰ, নিৰ্মাণ কৰি দিছে। কামপুৰৰ নানান অনুস্থান-প্ৰতিষ্ঠান আদিত ধন বিতৰণ কৰি দিছে। বিভিন্ন গাঁৱৰ আয়তি সকলক পালনাম, উৎসৱ পৰ্ব আদিত সন্তোষজনক অনুদান মুক্ত হস্তে দান কৰিছে, যিটো কোনো আঞ্চলিক মন্ত্ৰী বা বিধায়কে আজিলৈ কৰা নাই। সাংসদ পুঁজিৰে নতুনকৈ নিৰ্মাণ কৰা

কামপুৰ স্বৰাজ ভৱনৰ চাউণ্ড চিষ্টেম সংযোগৰ সমস্ত খৰচ ভূএগ্ৰা দাদাই বহন কৰিলে।

প্ৰতিবছৰে তেখেতৰ জ্যেষ্ঠা জীয়াৰী ড° স্বাগতা ভূএগ্ৰা খান্নাৰ 'স্বাগতা হস্পিতেল'ৰ যোগে কামপুৰ অঞ্চলত বিনামূলীয়া চিকিৎসা আগবঢ়াই অহাৰ বাহিৰেও কেইবালাখ টকাৰ ঔষধ বিতৰণ কৰি আহিছে। এই চিকিৎসা শিবিৰত অসমৰ প্ৰখ্যাত চিকিৎসক, তেখেতৰ বৰজোঁৱাই ড° সুভাস খান্না, বৰ জিয়াৰী ড° স্বাগতা ভূএগ্ৰা খান্না, কনিষ্ঠা জিয়াৰী ড° জ্যোতি ভূএগ্ৰা দাস আৰু কনিষ্ঠ জোৱাই ড° বিষ্ণুপ্ৰসাদ দাস প্ৰমুখ্যে প্ৰায় ২০-২৫ গৰাকী ডাক্তৰ আৰু কেইবাগৰাকী নাৰ্চে চিকিৎসা সেৱা আগবঢ়াইছিল প্ৰায় একহাজাৰ ৰোগীক।

ইং ২০০৪ চনৰ ভয়াবহ বানপানীত বিলাই বিপত্তি নোহোৱা কামপুৰৰ কেইবাখনো গাঁৱৰ আশ্ৰয় শিবিৰত থকা গাঁওবাসীক কেইবাহাজাৰ টকাৰ চাউল, দাইল, চেনি, গুড়, চিৰা, আটা, কাপোৰ আদি নিজ হাতেৰে বিতৰণ কৰি আহিছে। এই লেখকো দাদাৰ সঙ্গী হিচাপে আছিল।

নানা ধৰণৰ সমস্যাৰে ভাৰাক্ৰান্ত কামপুৰ অঞ্চলৰ সামগ্ৰিক উন্নতিৰ হকে দেহেকেহে লাগি আছে এই ভাতি বয়সতো। একোটা পিছপৰা অঞ্চল উন্নতিৰ হকে আৰ্থিক আৰু কায়িক সেৱা আগবঢ়াই ব্যতিক্ৰমী এক বিৰল ব্যক্তিত্বৰ পৰিচয় দিছে ভূএগ্ৰা দাদাই। জন্মভূমি সেৱা স্বৰ্গ সুখতকৈ শ্ৰেষ্ঠ, তাৰ কাৰণে লাগে নিঃস্বাৰ্থ প্ৰেম, আশাশুধীয়া প্ৰচেষ্টা আৰু মনোবল, যিটো ভূএগ্ৰা দাদাৰ আজিও অটুত আছে।

ভূএগ্ৰা দাদাৰ পাৰিবাৰিক জীৱন সুখকৰ। তেখেতৰ সুযোগ্যা পত্নী সুভদ্ৰা বৌ এগৰাকী আদৰ্শ পত্নী আৰু আদৰ্শ মাতৃ। বৰজীয়াৰী, বৰজোঁৱাই, সৰু জীয়াৰী, সৰু জোঁৱাই আটাইয়ে চিকিৎসক। মাজু জীয়াৰী কটন কলেজৰ জ্যেষ্ঠ অধ্যাপিকা, মাজু জোঁৱাই (শ্ৰীনীলমণিসেন ডেকা) এসময়ৰ সুপ্ৰতিষ্ঠিত উচ্চ ন্যায়ালয়ৰ অধিবক্তা, মন্ত্ৰী, আৰু বৰ্ত্তমান বিধায়ক। নিজপুত্ৰ উজ্জ্বল প্ৰকৃতাৰ্থত উচ্চ ন্যায়ালয়ৰ এক উজ্জ্বল তাৰকা। বোৱাৰীও উচ্চ ন্যায়ালয়ৰ অধিবক্তা। এনে এটা উজ্জ্বল সুপ্ৰতিষ্ঠিত পৰিয়াল অসমত বিৰল। এইটো ভূএগ্ৰা দাদাৰ জীৱনৰ সৎকৰ্ম, সৎচিন্তা, সৎ আচাৰ, সৎ কামৰ কৰ্মফল বুলি ক'ব পাৰি। এইগৰাকী পুৰুধা ব্যক্তিৰ জীৱন কাহিনী বৰ্ণনা কৰিলে হাজাৰ নিশাৰ কাহিনী হ'ব, যি গুন গৰিমা কলমেৰে সামৰি ল'ব নোৱাৰি।

আজিৰ যুগত ৰাজনৈতিক ক্ষমতাৰে অখ্যাত লোকেও খ্যাতি লাভ কৰে। কিন্তু, সেই খ্যাতি সাময়িক। ক্ষমতাৰ পৰা আঁতৰ হোৱাৰ পাছত কোনো মানুহে চিনি নোপোৱা হয়। কিন্তু, স্বাভাৱিক গুণেৰে গৰিমা লাভ কৰা লোক মানুহৰ স্মৃতিত চিৰ সজীৱ।

বিপ্লৱী জীৱন সামৰি, পুনৰ শিক্ষাজীৱনৰ পাতনি মেলি, শিক্ষা সাং কৰি দক্ষতাৰে উকালতি জীৱন আৰম্ভ কৰি ভাটি বয়সত জীৱনজোৰা যি মহানুভৱতাৰ পৰিচয় দিলে, সিয়ে ভূঞা দাদাক ব্যতিক্ৰমী এক বিৰল ব্যক্তিত্বৰ পৰিচয়।

জোনৰ জেউতি অমাৱস্যাৰ নিশাত লুকাই যায়, সূৰ্যৰ পোহৰ চন্দ্ৰ-পৃথিৱীৰ ছাঁত হেৰায় যায়, কিন্তু, মানুহৰ প্ৰতিভা, গুণৰাশি, উজ্বলতা একোৱে ঢাকিব নোৱাৰে। ই চিৰ স্বাস্বত, চিৰ দীপ্তমান। ভূঞা দাদাৰ জীৱন জ্যোতি মৃত্যুৰ পাছতো উজ্জ্বল হৈ ৰ'ব। এষাৰতে কবলৈ গ'লে তেখেত প্ৰকৃত দেশপ্ৰেমী, কৰ্মবীৰ, দানবীৰ, কলুষ কালিমা নথকা এগৰাকী বিশুদ্ধ ব্যক্তি, দয়া মৰমেৰে হৃদয়খন পোটখাই আছে, কামপুৰ অঞ্চলৰে নহয়, সমগ্ৰ অসমৰে এগৰাকী উজ্জ্বল তাৰকা।

আজি দাদাৰ একাশীতম্ জন্মদিনত হিয়া ভৰা ওলগেৰে তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰিছোঁ। ❑

লেখক বিশিষ্ট আইনজীৱী।

সুচেন ভূঞাৰ জীৱনৰ কিছু আলোকপাত

শৈলেন মেধি

তেজস্বী বক্তৃতাৰে ৰাইজক মুহিব পৰা ক্ষমতাৰ অধিকাৰী শ্ৰীসুচেন ভূঞা। আমি হাইস্কুলৰ তলখাপত পঢ়ি থাকোতেই শ্ৰীসুচেন ভূঞাই সেইকালৰ ছাত্ৰনেতা প্ৰয়াত ফণী বৰাৰ লগত গুৱাহাটীৰ জুবিলী বাগিচাত যেতিয়া বক্তৃতা দিছিল আমি থৰ হৈ শুনিছিলো। পাঠশালা পাছ কৰি নগাঁও চৰকাৰী হাইস্কুলত ভৰ্তি হোৱাৰ পিচৰেপৰা তেওঁ ছাত্ৰ ৰাজনীতিত জড়িত হৈ পৰে। পাছলৈ তেওঁ ছাত্ৰ সন্মিলনীৰ এজন প্ৰধান কৰ্মী আৰু নেতা হৈ পৰিছিল। সেই সময়ত তেওঁৰ সহকৰ্মী আছিল প্ৰয়াত ফণী বড়া, জীৱন লস্কৰ, জীৱেশ্বৰ গোস্বামী, প্ৰেমানন্দ কাকতি, মণি বড়া, নাৰায়ণ বড়া আদি অনেক ছাত্ৰনেতা।

চৰকাৰী বৰ্ডিঙত ল'ৰা গোট খুৱাই প্ৰয়াত দধি মহন্ত, নিতাই গাঙ্গুলী আদি নেতাসকলে ছাত্ৰ সন্মিলনীৰ উদ্দেশ্য বাখ্যা কৰাৰ উপৰিও কমিউনিষ্ট পাৰ্টিৰ আদৰ্শ, কাৰ্যপন্থাৰ বিষয়ে ক্লাছ লৈছিল। পাছলৈ আন আন ছাত্ৰ সন্মিলনীৰ নেতা সকলৰ সৈতে সুচেন ভূঞাও ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সভ্য হয়।

চল্লিছৰ দশকত তেতিয়া নগাঁও তথা অসমত বামপন্থী আন্দোলনে সংগঠিত ৰূপত প্ৰতিষ্ঠা লাভ কৰা নাছিল। শ্ৰীসুচেন ভূঞা আৰু প্ৰয়াত ফণী বড়াহঁতে প্ৰয়াত জগন্নাথ ভট্টাচাৰ্য, চিদা শইকীয়া আদি কেইজনমান কমিউনিষ্ট ভাবাদৰ্শৰ সংস্পৰ্শত আহি পাছলৈ পাৰ্টীৰ সভ্য পদ গ্ৰহণ কৰে।

১৯৩৯ চনত দ্বিতীয় মহাযুদ্ধৰ সূচনা হয়। ১৯৪১ চনত হিটলাৰৰ জাৰ্মানীয়ে ছোভিয়েট ইউনিয়ন আক্ৰমণ কৰে। অনিচ্ছা সত্বেও ইংলণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ, ফ্ৰান্স আদি সাম্ৰাজ্যবাদী শক্তিয়ে সমাজতান্ত্ৰিক ছোভিয়েট ইউনিয়নৰ লগত হাত মিলাই মিত্ৰ পক্ষ গঠন কৰি জাৰ্মানী, ইটালী আৰু জাপানৰ বিৰুদ্ধে ফেচিবাদ বিৰোধী ঐক্য ফ্ৰন্ট গঠন কৰে। সেই ফ্ৰন্টৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ ফলত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে ৪২ ৰ আন্দোলনত পাছলৈ ইংৰাজ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আন্দোলনৰ পথ শিথিল হৈ পৰিবলৈ বাধ্য হয়। ২য় মহাসমৰৰ প্ৰথমছোৱাৰ সম্ৰাজ্যবাদী ইংৰাজ চৰকাৰৰ বিৰুদ্ধে চলা

আন্দোলনত অংশগ্ৰহণ কৰা বাবে শ্ৰীসুচেন ভূএগ্ৰা আন আন ছাত্ৰনেতাৰ লগত জেল, জৰিমনা ভুগিব লগাত পৰিছিল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হয়। প্ৰথম সময়ছোৱাত ভাৰতবৰ্ষৰ স্বাধীন চৰকাৰ গৰীৱ আৰু জনবিৰোধী চৰকাৰ বুলি কমিউনিষ্ট পাৰ্টিয়ে সিদ্ধান্ত লয়। ইতিমধ্যে ভাৰতত বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে চৰকাৰৰ বিৰুদ্ধে অস্ত্ৰ সংগ্ৰাম আৰু আঞ্চলিক ক্ষমতা দখলৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে দুয়োটা কমিউনিষ্ট পাৰ্টিকেই বেআইনী ঘোষণা কৰে। বিপ্লৱী কমিউনিষ্ট দলৰ অস্ত্ৰ সংগ্ৰামত অংশ গ্ৰহণ কৰি ১৯৫১ চনৰ শেষৰ পিনে মঙ্গলদৈ চহৰত গ্ৰেপ্তাৰৰ হোৱাৰ পাছত মোক যেতিয়া গুৱাহাটী জেইললৈ আনে শ্ৰীসুচেন ভূএগ্ৰা তাৰ আগতে গ্ৰেপ্তাৰ হৈ মোৰ চেলটোৰ ওচৰৰ চেলটোত বন্দী হৈ আছিল । কিছুদিন পাছতেহ ভূএগ্ৰাক নগাঁওৰ স্পেচিয়েল জেইললৈ স্থানান্তৰিত কৰে আৰু ৬ মাহ পাচত মোকো নগাঁও স্পেচিয়েল জেইলত ৰাজনৈতিক বন্দী হিচাপে আৱদ্ধ কৰি ৰাখে। ৬/৭মাহ কাল নগাঁও জেইলতে ভূএগ্ৰা ডাঙৰীয়াক মই নিচেই ওচৰৰ পৰা পাইছিলো। নগাঁও জেইলতে আন আন বিপ্লৱী কমিউনিষ্ট, কমিউনিষ্ট পাৰ্টিৰ নেতা আৰু কৰ্মীসকলৰ লগত থাকি আমাৰ নতুন অভিজ্ঞতা আৰোহণ কৰাৰ সৌভাগ্য হৈছিল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে দেশৰ ৰাজনৈতিক দৃশ্যপটকে পৰিৱৰ্তন হল। সুচেন ভূএগ্ৰাই সক্ৰিয়ত ৰাজনীতিৰ পৰা আঁতৰি আহি গুৱাহাটীত নিগাজিকৈ থাকিবলৈ আৰম্ভ কৰে আৰু অতি সোনকালে এজন সুদক্ষ অধিবিক্তা হিচাপে নিজৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। শেষলৈ সুচেন ভূএগ্ৰাক আমি অসম চৰকাৰৰ এড্‌ভোকেট জেনেৰল হিচাপে কেইবা বছৰো পাইছিলো।

ভূএগ্ৰা ডাঙৰীয়াক সম্বৰ্ধনা জনোৱাৰ বাবে উদ্যোক্তা সকলে লোৱা এই প্ৰচেষ্টাত আদৰণী জনাই ভূএগ্ৰা ডাঙৰীয়াৰ দীৰ্ঘজীৱন কামনা কৰি তেওঁৰ জীৱনৰ কিছু আলোকপাত কৰা চেষ্টা কৰি এই প্ৰবন্ধ আগবঢ়ালো। ❑

লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা

কপিলীপৰীয়া দানবীৰলৈ শ্ৰদ্ধাৰে

পুনিৰাম শইকীয়া

২০০১ চনৰ অক্টোবৰ মাহৰ ৬ তাৰিখ শনিবাৰে অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী শ্ৰদ্ধেয় শ্ৰীতৰুণ গগৈদেৱ প্ৰথমবাৰৰ বাবে কামপুৰলৈ অহাৰ কথা। সেয়ে বানপানীয়ে জুৰুলা কৰা ঐতিহ্যপূৰ্ণ কামপুৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আদৰিবলৈ আৰু দুখ-দুৰ্দশা বৰ্ণনা কৰিবলৈ হাজাৰ হাজাৰ জনতাই কামপুৰ কেন্দ্ৰীয় ৰাসপথাৰত সমবেত হৈছে। সাংসদ পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা বুৰঞ্জী প্ৰসিদ্ধ স্বৰাজ ভৱন তথা দিব্যজ্যোতি নাট্যমন্দিৰত চকীবোৰ শাৰী শাৰীকৈ সজাই আটকধুনীয়া কৰি তুলিছে, চালে এক মনোমোহা দৃশ্য। কিন্ কিন্ বৰষুণত তিতি তিতি ৰাইজে আশা কৰিছে তেখেত সকলৰ আকাংক্ষিত নেতাজনলৈ। কঠিয়াতলীৰ পৰা কামপুৰলৈ দহ কিল'মিটাৰ পথটিত অলপ শিলগুটি আৰু বিটুমিন দি মেৰামতি কৰোৱা হৈছে। মাজে মাজে মাইকত শুনা গৈছে— অসমৰ মাননীয় মুখ্যমন্ত্ৰীদেৱ হোজাইৰ পৰা আহি আছে, এনেধৰণৰ ৰাইজক বিৰক্ত নহৈ আকৰ্ষিত কৰিব খোজা বক্তব্য। এই সভাতে কামপুৰৰ সুযোগ্য সন্তান সকলক আদৰণি ও অভিনন্দন জনোৱাৰ এক আয়োজন কৰা হৈছে। তেখেতসকল হ'ল— কপিলীপৰীয়া দানবীৰ সন্মানীয় শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাদেৱ ও তেখেতৰ সহধৰ্মিনী, অৱসৰপ্ৰাপ্ত উপায়ুক্ত শ্ৰীপ্ৰভাকৰ ভূঞা চাৰ, অৱসৰপ্ৰাপ্ত অসম চৰকাৰৰ ন্যায়িক বিষয়া শ্ৰীমামেশ্বৰ লস্কৰদেৱ, সুলেখিকা শ্ৰীমতী সুপ্ৰভা গোস্বামী, অৱসৰপ্ৰাপ্ত বন সংৰক্ষণ বিষয়া শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকা, বিশিষ্ট আইনজ্ঞ শ্ৰদ্ধেয় শ্ৰীদুলন নাথ খুড়া আদি।

সন্মানীয় অসমৰ মুখ্যমন্ত্ৰী শ্ৰদ্ধেয় তৰুণ গগৈদেৱ কামপুৰলৈ আহিব নোৱৰাত নিৰ্দিষ্ট সময়ত অসমৰ প্ৰাক্তন সাংসদ বিশিষ্ট ছাত্ৰ নেতা, উদাত্ত কণ্ঠেৰে ৰাইজক আঁকোৱালি ল'ব পৰা আমাৰ আটাইৰে শ্ৰদ্ধাৰ দাদা শ্ৰীনৃপেন গোস্বামীদেৱে সভাৰ কাৰ্যসূচী আৰম্ভ কৰিবলৈ আগবাঢ়িল, আৰু মঞ্চত উপবিষ্ট নগাঁও জিলাৰ বিশিষ্ট নেতা সকলৰ ভিতৰত নগাঁও জিলা কংগ্ৰেছৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযুত ভাৰত ভূঞাদেৱৰ সভাপতিত্বত সভাৰ কাম আৰম্ভ হ'ল।

সভাত উপস্থিত থকা হাজাৰ হাজাৰ জনতাক উদ্দেশ্য কৰি কামপুৰৰ ভোটা তৰা সমূহক পৰিচয় প্ৰদান ও আদৰণি জনোৱা আৰম্ভ কৰি কথাশিল্পী বাক্‌পটু প্ৰাক্তন সাংসদ শ্ৰদ্ধাৰ শ্ৰীনৃপেন দাই কপিলীপৰীয়া দানবীৰ, কামপুৰ-ৰত্ন অসমৰ নক্ষত্ৰ সন্মানীয় শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাদেৱক বিপুল জনতাৰ সন্মুখত পৰিচয় দাঙি ধৰিলে। বিশিষ্ট আইনজ্ঞ, দুবাৰকৈ অসমৰ মহাধিবক্তাৰ আসন অলংকৃত কৰা দানবীৰ শ্ৰদ্ধেয় শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা চাৰক আৰু তেখেতৰ পৰিবাৰক কামপুৰবাসী ৰাইজে নিজৰ আপোন মানুহ হিচাপে হাত চাপৰিৰ শব্দ ধ্বনিৰে বিপুলভৱে আদৰণি জনালে। দেখিলেই শ্ৰদ্ধা ও সেৱা ওপজা এই মানুহজনে প্ৰথম দৃষ্টিতেই মোক আকৃষ্ট কৰি পেলালে। মনত এটি ভাব জাগি উঠিল কেনেদৰে মানুহজনৰ লগত পৰিচয় হ'ব পাৰি? বাকী অন্যান্য সকলৰ নিজ নিজ গুণৰ পৰিচয় দি শ্ৰীনৃপেন দাই ৰাইজৰ ওচৰত পৰিচয় কৰাই দিলে, আপোন মানুহক পাই সকলোৰে মন আনন্দত উঠলি উঠিল। সদৌ শেষত শ্ৰীনৃপেন দাই দুহাতেৰে সাৱটি মঞ্চলৈ টানি নি মোকো হাজাৰ হাজাৰ জনতাৰ আগত চিনাকী কৰি দিলে। হাজাৰ হাজাৰ জনতাৰ হাত চাপৰিৰ আদৰণিত মনত আনন্দৰ জোৱাৰ উঠাৰ লগতে ৰাইজৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দিয়াৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ'লো। যিকোনো মূল্যৰ বিনিময়ত ঐতিহ্যমণ্ডিত কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ কিছু বছৰৰ পৰা বিনষ্ট হৈ যোৱা শৈক্ষিক পৰিৱেশটো পুনৰ ঘূৰাই অনাৰ প্ৰতিশ্ৰুতি দিলো।

সভাৰ অন্তত শ্ৰদ্ধেয় শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা দেউতা আৰু তেখেতৰ সুযোগ্যা সহধৰ্মিনী শ্ৰীসুভদ্ৰা আইক সেৱা জনালো। তেখেতসকলৰ সান্নিধ্য লাভ কৰাত নিজকে ধন্য মানিলো। মনত পুহি ৰখা কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত তেখেতসকলৰ আশিস কেনেকৈ ল'ব পাৰো তাৰ উপায়ত মগ্ন হ'লো। ডিফু ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্কুলঘৰ, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আৱাসগৃহ, তৃতীয় আৰু চতুৰ্থ শ্ৰেণী কৰ্মচাৰী আৱাসগৃহ, স্কুল হোষ্টেল, খেলপথাৰ আদি নিৰ্মাণত ডিফুৰ সমাজ সংস্কাৰক দানবীৰ সত্যবাদী শ্ৰদ্ধেয় শ্ৰীযুত ৰতন ক্ৰ দেৱৰ সহায় লোৱাৰ দৰে তেনে এটি ভাবৰ মনত উদয় হোৱাত এটি পদক্ষেপ ল'বৰ বাবে চিন্তা কৰিলো। সন্মানীয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা দেউতাৰ কাষ চপাৰ বাবে মনত হেঁপাহ

বাঢ়িল। ইতিমধ্যে শ্ৰীসুচেন্দ্ৰ নাথ ভূএগ্রা দেউতাই কামপুৰ অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠান, নামঘৰ মঠ-মন্দিৰত তেখেতে দান-বৰঙণি দিয়াৰ কথা জানিব পাৰিলো। মাতৃ ৰঞ্জনী ভূএগ্রাৰ নামত কামপুৰ জাতীয় বিদ্যালয়, স্বৰাজ ভৱনত চাউগুচেট দিয়াৰ উপৰিও কামপুৰৰ প্ৰায়বোৰ নামঘৰত তেখেতৰ অৱদান যথেষ্ট।

বন্ধুবৰ শ্ৰীযুগল লস্কৰ, অধ্যক্ষ শ্ৰীহৰি লস্কৰ, প্ৰধান শিক্ষক শ্ৰীটিকেন্দ্ৰ সিংহ মজুমদাৰ, বিশিষ্ট ব্যৱসায়ী শ্ৰীধৰ্ম বৰা, শ্ৰীভগৱান আগৰৱালা আৰু ভাতৃ ভৃগুক লৈ গুৱাহাটীলৈ ধাপলি মেলিলো। নিৰ্দিষ্ট সময়ত তেখেতৰ ঘৰত উপস্থিত হোৱাৰ লগে লগে আন্তৰিকতাত শিৰ নত হ'ল। মৰম-স্নেহ, দয়া পূৰ্ণতাৰে আমাৰ মাজত কামপুৰৰ নিজৰ ওপজা মাটিৰ গোন্ধ বিচাৰিলে। মানুহৰ উন্নতি, সমাজ ব্যৱস্থা, বানে ধ্বংস কৰি যোৱা বাট পথ আদি সকলো দিশৰে আলোচনা আগবাঢ়িব ধৰিলে। সুভদ্ৰা আয়ে মাজে মাজে চাহ-জলপান, পিঠা আদি নিজ হাতে পৰিৱেশন কৰি আমাক আপ্যায়িত কৰিলে। পিতৃ মাতৃ স্নেহেৰে আমাক বান্ধি পেলালে। নিজ পিতৃ-মাতৃৰ ওচৰত সকলো বস্তু অকপটচিত্তে বিচৰাৰ দৰে আমিও গন্তব্য উদ্দেশ্য মনত সাহস বান্ধি ক'বলৈ আৰম্ভ কৰিলো— কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ জৰাজীৰ্ণ ও কদৰ্যৰূপ, তেতিয়া ভূএগ্রা দেউতা আৰু সুভদ্ৰা আয়ে অত্যন্ত মনত দুখ পালে আৰু মেৰামতিৰ বাবে আমাক লগে লগে পঞ্চাশ হেজাৰ টকা দিব বিচৰাত আমি টকাৰ পৰিৱৰ্তে শ্ৰদ্ধেয় ভূএগ্রা দেউতা আৰু সুভদ্ৰা আইক কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়লৈ আমন্ত্ৰণ জনালো। শেষত সকলোৰে সেৱা জনাই মনত এটি আশা লৈ কামপুৰলৈ উভতিলো।

কামপুৰ অঞ্চলৰ বিশিষ্ট নাগৰিক আৰু অভিভাৱক সকলক মাতি প্ৰাক্তন মন্ত্ৰী শ্ৰদ্ধেয় লক্ষেশ্বৰ গোঁহাই চাৰৰ সভাপতিত্বত এখনি সভা পাতি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আটাইৰে অনুমতি আদায় কৰি আমি গুৱাহাটীৰ ভূএগ্রা দেউতাৰ ঘৰলৈ গৈ কামপুৰত হোৱা ৰাজহুৱা সভাৰ অভিমত দাঙি ধৰিলো। আকৌ সেই দুগুণ স্নেহ মৰম ও আশীৰ্বাদপুষ্ট হৈ শ্ৰদ্ধাৰ শ্ৰীমতী সুভদ্ৰা ভূএগ্রা আইৰ নামত এটি শিক্ষক-শিক্ষয়িত্ৰী জিৰণি ভৱন বিচাৰিলো। আই সুভদ্ৰা আৰু ভূএগ্রা দেউতাই অতি আগ্ৰহেৰে আমাৰ প্ৰস্তাৱত সন্মতি দিয়াত আমি আনন্দ মনেৰে ঘূৰি আহি ঘৰৰ শিলান্যাসৰ আয়োজন কৰিলো।

নিজে পঢ়া স্কুলক গঢ় দিয়াৰ তেখেতসকলৰ যি হেঁপাহ তাক ওচৰৰ পৰা অনুধাৱন নকৰিলে বুজাটো সম্ভৱপৰ নহয়। শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি ভৱনটো আধাৰশিলা অনুষ্ঠানত ভৱনটো সম্পূৰ্ণ হোৱাৰ ক্ষেত্ৰত তেখেতৰ অকৃত্ৰিম মৰম স্নেহ আৰু আশীৰ্বাদ তথা প্ৰতিশ্ৰুতি আদায় পোৱাত কামত আগবাঢ়ি যাবলৈ আমি অনুপ্ৰেৰণা পালো। মোৰ মনটো সন্মানীয় শ্ৰী সুচেন্দ্ৰ নাথ ভূঞা দেউতাৰ জীৱনৰ কিছু কথা জানিবৰ আগ্ৰহী হৈ উঠিল।

অসম তথা কামপুৰৰ সু-সন্তান শ্ৰীযুত ভূঞাদেৱৰ জন্ম হয় ১৯২৪ চনৰ ২৯ জুলাই তাৰিখে নগাঁও জিলাৰ অন্তৰ্গত কামপুৰৰ নিজ নাৰিকলি গাঁৱত। স্বৰ্গীয় নন্দেশ্বৰ ভূঞাৰ চাৰিটি পুত্ৰৰ কনিষ্ঠ শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা অতি মেধা সম্পন্ন ছাত্ৰ হিচাপে স্কুলীয়া জীৱনৰ পৰাই বিভিন্ন পৰীক্ষাত নিজৰ পাৰদৰ্শিতা দেখুৱাই আহিছিল। ১৯৩৮ চনত ভূঞাদেৱে নগাঁও জিলাৰ ভিতৰত মধ্য ইংৰাজী পৰীক্ষাত বৃত্তি লাভ কৰে, তেতিয়া জিলাৰ ভিতৰত মাত্ৰ এজনকহে বৃত্তি প্ৰদান কৰিছিল। ১৯৪৩ চনত নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ পৰা দুটা বিষয়ত লেটাৰ নম্বৰ সহ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৪৫ চনত আই. এ. চি. পাছ কৰাৰ পিছত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ হৈ আন্দোলনত নামি পৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত স্বাধীনতা লাভ কৰাৰ পাছতো তেওঁ জেলত সোমাব লগা হৈছিল। আন্দোলনত জড়িত হৈ থাকোতে ১৯৫০ চনৰ ২৬ জানুৱাৰীত তেখেত শ্ৰীযুত সুভদ্ৰা ভূঞাৰ লগত বিবাহ পাশত আৱদ্ধ হয়। ১৯৫২ চনত জেলৰ পৰা মুক্ত হৈ গুৱাহাটীলৈ আহে আৰু ১৯৫৩ চনত ডিষ্টিংচন সহ অসমৰ ভিতৰত ষষ্ঠ স্থান লৈ বি. এ. পাচ কৰে। ১৯৫৫ চনত সদৌ অসম আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক হয়। শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৫৭ চনত এল. এল. বি. পাচ কৰি প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ তলত গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰি পিছলৈ অসমৰ মহাধিবক্তাৰ আসন দুবাৰকৈ অলংকৃত কৰে। তীক্ষ্ণ মেধা সম্পন্ন শ্ৰদ্ধেয় ভূঞাদেৱৰ মানৱতা গুণ স্বীকাৰ কৰিবলগীয়া, মানুহক নিজ মাটিৰ গোন্ধক ভাল পোৱা ভূঞাদেৱে অষ্টম শ্ৰেণীলৈকে কামপুৰ উচ্চতৰ বহুমুখী বিদ্যালয়ত পঢ়িছিল। পিচত ১৯৪২ চনত তেওঁৰ সহকৰ্মী ডঃ ঘনকান্ত লস্কৰৰ সৈতে নগাঁও চৰকাৰী বালক উচ্চ বিদ্যালয়ত পঢ়িবলৈ

যায়। কামপুৰত পড়ি থকা অৱস্থাতে ভূঞাদেৱৰ মানৱসেৱাৰ এটি দৃষ্টান্ত শুনা যায়। ভূঞাদেৱৰ মোমায়েক নির্মল লস্কৰৰ ঘৰত মৰিগাঁৱৰ তৰাবৰিৰ লালুং সম্প্রদায়ৰ এজন লোক আছিল। তেওঁৰ এদিন নৰীয়াত মৃত্যু হোৱাত সৎকাৰৰ কাৰণে সেই সময়ত অস্পৃশ্য-জ্ঞান কৰি কোনেও মৃতকক স্পর্শ কৰি সৎকাৰ কৰিবলৈ গাঁৱৰ মানুহে ইতস্ততঃ কৰিলে। ভূঞাই স্কুলৰ দুজন মান স্কাউট আনি সৎকাৰ কৰাৰ কাৰণে স্কুল পালেগৈ। তাতে সেই সময়ৰ হেডমাষ্টৰ ৰুচিনাথ বৰুৱাক সন্মুখৰ ফালৰ পৰা সেৱা নজনাই পিচফালৰ পৰা মাত দিয়াত হেডমাষ্টৰ ডাঙৰীয়াই তেওঁক ধমকি দি খেদি পঠিয়াই। ভূঞাই তেওঁলোকৰ ঘৰত কামকৰা এজন হালোৱাৰ সৈতে সেই মৃত তৰাবৰীয়াক সৎকাৰ কৰে। ভূঞাদেৱৰ মতে অস্পৃশ্যতাৰ বিৰুদ্ধে সেয়ে তেওঁৰ প্ৰথম বিদ্ৰোহ।

সন্মানীয় ভূঞাদেৱ জীৱনৰ সকলো সময়তে নিজৰ ওপজা মাটিৰ সকলো প্ৰকাৰৰ উন্নতিৰ হকে কাম কৰা এজন দক্ষ আইনজ্ঞ। আইনৰ বেষ্টনীৰ মাজত থাকিও গাঁৱৰ দুৰ্দশাগ্ৰস্ত মানুহক সহায়ৰ বাবে সদায় হাত আগবঢ়ায় আহিছে। 'স্বাগত চিকিৎসালয়' ৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈ দুখীয়া কামপুৰবাসী ৰাইজৰ বাবে প্ৰতিবছৰে এটিকৈ বিনামূলীয়া চিকিৎসাসেৱা শিৱিৰ আগবঢ়াই তেখেতৰ মানৱতাৰ সুন্দৰ নিদৰ্শন আগবঢ়াইছে। নিজে এজন প্ৰতিষ্ঠিত আইনজ্ঞ হোৱাৰ উপৰিও পুত্ৰ শ্ৰীউজ্বল ভূঞা আৰু বোৱাৰী শ্ৰীসংঘমিত্ৰা দাস ভূঞাই আইনসেৱা আগবঢ়াই পিতৃৰ পদানুকৰণ কৰিছে। প্ৰতিষ্ঠিত ও স্বনামধন্য চিকিৎসক জোঁৱাই ডা° সুভাষ খান্না আৰু তেখেতৰ পৰিবাৰ তথা ভূঞা চাৰৰ জীয়ৰী ডা° স্বাগতা ভূঞা খান্নাই কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত যোৱা ২০০২ আৰু ২০০৩ বৰ্ষত বিনামূলীয়া স্বাস্থ্যসেৱা শিৱিৰত এটি ১৬ জনীয়া চিকিৎসকৰ দল লৈ বিনামূলীয়া চিকিৎসাৰ সহায় আগবঢ়াই নিজকে ধন্য কৰিছে। এনে সৰ্বগুণাকৰ পৰিয়াল সমাজত নিচেই তাকৰ। নাতি মেধাবী ছাত্ৰ শ্ৰীমান অংশুমান খান্নাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত দুয়োটা পৰীক্ষাতে অসমৰ ভিতৰত দ্বিতীয় স্থান দখল কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত। বাকী নাতি-নাতিনী সকলেও মেধাৰ পৰিচয় দি ককা শ্ৰীসুচেন ভূঞা আৰু আইতা শ্ৰীমতী সুভদ্ৰা ভূঞাৰ নাম ও কৃতি অক্ষুন্ন ৰখাত ব্যস্ত। এক কথাত

তেখেত সকলো ফালৰে পৰা এগৰাকী সফল ব্যক্তি।

কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে এতিয়া ভূএগ্ৰাদেৱে প্ৰতিটো কামতে নিজৰ সজ পৰামৰ্শ আগবঢ়াই আমাক ধন্য কৰিছে। সুযোগ্যাপত্নীৰ নামত কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত এটি আটক ধুনীয়া শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি ঘৰ নিৰ্মাণ কৰাৰ বাহিৰেও মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন সময়ত যথোচিতভাৱে পুৰস্কৃত কৰি আশীৰ্বাদ কৰিছে। কেনেকৈ আগবাঢ়িলে অনুষ্ঠানটো অসমৰ ভিতৰত লেখত ল'বলগীয়া অনুষ্ঠানত পৰিণত হ'ব তাৰ বাবে সুদুৰ গুৱাহাটীৰ পৰাই আমাক প্ৰতিটো মূহুৰ্ত্তত পৰামৰ্শ আগবঢ়াই প্ৰেৰণা যোগাইছে। কামপুৰ অঞ্চলৰ অৱসৰ গ্ৰহণ কৰি অৱসৰৰ পিছত ৰাইজক সেৱা কৰা আৰু ৰাইজে তেওঁলোকৰ পৰা ল'বলগীয়া গুণৰ ওপৰতো গুৰুত্ব দিছে। সমাজৰ প্ৰতিজন ব্যক্তিয়ে কামপুৰখনৰ উন্নতিৰ চিন্তা কৰিবৰ বাবে গুৱাহাটীবাসী কামপুৰীয়া ৰাইজক একত্ৰিত কৰি গুৱাহাটী বাসী কামপুৰ উন্নয়ন সমিতি গঠন কৰা হৈছে আৰু সেই সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰি ভূএগ্ৰা দেউতাই কামপুৰ উন্নয়নৰ গুৰি বঠা হাতত ধৰি আমাৰ পথ প্ৰদৰ্শক হৈছে।

এইখিনিতে ভূএগ্ৰাদেৱে মাননীয় অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সম্বৰ্ধনা অনুষ্ঠানলৈ প্ৰৰণ কৰা এখন পত্ৰ দাঙি ধৰা হ'ল—

কৈল্যাণীয়

শ্ৰীপুনিৰাম শইকীয়া

অধ্যক্ষ, কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়,

কামপুৰ।

কামপুৰৰ (ওপজা সোণৰ মাটি) প্ৰতি দুৰ্বলতা এটা আছেই। তাতে তুমি যি বিদ্যালয়ত অধ্যক্ষতা কৰিছা সেই উচ্চতৰ বিদ্যালয়ৰ ছাত্ৰ হিচাপেও মোৰ এটি বিশেষ আকৰ্ষণ আছে। সেই বিদ্যালয়তে অহা ৪ ছেপ্তেম্বৰত (৪-৯-২০০২) অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ (সমূহ কামপুৰ অঞ্চলৰ) সম্বৰ্দ্ধনা জনাবৰ কাৰণে আয়োজন কৰা অনুষ্ঠানত উপস্থিত হ'বলৈ কৰা তোমাৰ নিমন্ত্ৰণী পত্ৰখনি পাই মনটো উদ্বাউল হৈ উঠিল। নিমন্ত্ৰণৰ কাৰণে ধন্যবাদ। কিন্তু শাৰীৰিক অসুবিধাৰ কাৰণে তেনে এটি সম্বৰ্দ্ধনা সভাত যোগ দিব নোৱাৰি নিজেই দুঃখ পাইছো। সেই অনুষ্ঠানৰ সৰ্বতো প্ৰকাৰে সফলতা

কামনা কৰিছো।

সমাজে এতিয়াও অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক যথাযথভাৱে সন্মান জনাব পৰা নাই। তেওঁলোকৰ ত্যাগ আৰু সেৱাৰ বিনিময়ত শিক্ষকতাৰ যি মহৎ দান আগবঢ়ালে সেইয়া তেওঁলোকৰ চিৰযুগমীয়া কীৰ্তি। সমাজে তেওঁলোকক শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেওঁলোকৰ কল্যাণৰ কাৰণে বাৰু আমি সকলোৱে যৎসামান্য বৰঙণিৰে এটি শিক্ষক-শিক্ষয়িত্ৰীৰ কল্যাণ-নিধি (fund) গঠন কৰিব নোৱাৰোনে যাতে—বেমাৰ-আজাৰ, বিপদ বিঘিনিৰ সময়ত কিছু সকাহ দিব পৰা যায়। কথাটো ভাবি চাবা।

George Bernad Show য়ে কৈছিল 'Life begins at sixty' তেওঁলোকে শিক্ষকতাৰ পৰা অৱসৰ ল'লেও সমাজত এতিয়াও তেওঁলোকে সেৱা আগবঢ়াব পাৰে। মই তেওঁলোকৰ ওচৰত এটি নিবেদন কৰিব খুজোঁ। আমাৰ গাঁৱে-ভূঞে তেওঁলোকৰ ওচৰে-পাজৰে আজিও বহুত নিৰক্ষৰ আৰু অশিক্ষিত লোক আছে। তেওঁলোকক আখৰৰ লগত পৰিচয় হ'বৰ সুযোগ দি কিছু শিক্ষাৰ পোহৰ বিলাব পাৰিলে তেওঁলোকে এটি মহৎ কাৰ্য কৰা হ'ব।

আৰু অহা বছৰ তেওঁলোকৰ সম্বৰ্দ্ধনাত যাতে তেওঁলোকৰ এই কৃতিত্বৰ কথা গৌৰৱেৰে ঘোষণা কৰিব পাৰা এই আশা থাকিল।

ইতি—

তোমালোকৰ এজন কামপুৰীয়া

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞা

২০০৪ বৰ্ষৰ বলিয়া বানে বিধস্ত কৰি যোৱা কামপুৰ অঞ্চলত নিজৰ গাথিৰ ধন ভাঙি কাপোৰ-কানি, চাউল-দাইল, গুড়, চিৰা, চাবোন, ঔষধ আদি লৈ কামপুৰলৈ ঢাপলি মেলি প্ৰতি ঘৰে ঘৰে এমুঠি খাব পৰাকৈ দান আগবঢ়াই আপোন মানুহৰ দুখত দুখী আৰু সুখত সুখী তাৰ এক জলন্ম উদাহৰণ হৈ ৰৈছে শ্ৰদ্ধাৰ শ্ৰীভূঞাদেৱ।

সেয়ে তেখেতে কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়লৈ লিখা এটি টোকাত 'জননী জন্মভূমি স্বৰ্গদপী গৰীয়সী' ৰ দৰে এই মহান অনুষ্ঠানটিৰ জয়গান গাওঁ আহক বুলি লিখিছিল।

'জিলিকাব কপিলীৰ পাৰ।'

এইজনা মহান দাতাই আশা কৰিছে যাতে আটাইয়ে বৃহত্তৰ কামপুৰ অঞ্চলটো সুন্দৰকৈ গঢ়িব পাৰো তাকে কামনা কৰিছে।



শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাৰ দানেৰে নিৰ্মিত স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণী গৃহ শ্ৰীমতী সুভদ্ৰা ভৱন।

সন্মানীয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱে কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত তেখেতৰ সুযোগ্যা পত্নী শ্ৰীমতী সুভদ্ৰা ভূঞাৰ নামত এটি আতকধুনীয়া ভৱন দান কৰি শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বহুদিনীয়া অভাৱ পূৰণ কৰে। সুদূৰ গুৱাহাটীবাসী কামপুৰীয়া ৰাইজক একত্ৰিত কৰি নিজে মূল কাণ্ডাৰী হৈ কামপুৰত মহকুমা স্থাপন, ন্যায়ালয় স্থাপন, অঞ্চলৰ ৰাস্তা-ঘাট নিৰ্মাণৰ উপৰিও ঐতিহ্যমণ্ডিত কামপুৰত এটি আটকধুনীয়া আৱৰ্তভৱন নিৰ্মাণৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে। কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শৈক্ষিক বাতাবৰণৰ উন্নয়নৰ বাবে মাজে মাজে আমাক দিহা-পৰামৰ্শ দি অনুষ্ঠানটি মহান কৰি তোলাত যি অৱদান আগবঢ়াইছে সি সঁচাকৈয়ে অতুলনীয়। ঘৰ-দুৱাৰ নিৰ্মাণ, ছাত্ৰ-ছাত্ৰী সকলক উদ্‌গণিমূলক বঁটা, ছাত্ৰ-ছাত্ৰীসকললৈ তেখেতৰ আন্তৰিক আশিস যচাৰ উপৰিও কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বিদ্যালয়খনত বঢ়াব পাৰি সেই ক্ষেত্ৰতো আমাক সজ-দিহা পৰামৰ্শ দি আহিছে। ছাত্ৰ-ছাত্ৰী সংখ্যা বিদ্যালয়খনিত বৃদ্ধি কৰিবৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ ছাত্ৰীৰ নামভৰ্ত্তি কৰাত কামপুৰত বহুকেইজন গণ্যমান্য ব্যক্তিয়ে তেখেতৰ ওচৰত আপত্তি দৰ্শোৱাত তেখেতে

উত্তৰ দিছিল যে অভিভাৱক সকলৰ ইচ্ছা অনুসাৰে নিজৰ সন্তানক ভাল শিক্ষা দিবৰ বাবে তেওঁলোকৰ পূৰ্ণ অধিকাৰ আছে। ইয়াত কাৰো কোনো ধৰণৰ ওজৰ আপত্তি থকাটো অনুচিত। এতিয়া কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত যথেষ্ট সংখ্যক ছাত্ৰীয়ে নামভৰ্তি কৰি নিজৰ উজ্বল ভৱিষ্যতৰ লগতে বিনষ্ট হৈ যাব ধৰা বিদ্যালয়খনিৰ শৈক্ষিক পৰিৱেশ ঘূৰি অহাত ৰাইজ সন্তুষ্ট হ'ব পাৰিছে। ২০০২ চনত এই বিদ্যালয়ৰ পৰাই শ্ৰীমান কৃশানুপ্ৰতিম বৰাই অসমৰ ভিতৰত ত্ৰয়োদশ স্থান দখল কৰি বিদ্যালয় তথা অঞ্চল আৰু সমগ্ৰ নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উচ্চতৰ মাধ্যমিক শাখাত ২০০২ বৰ্ষত কুমাৰী ৰুমি ৰবিদাসে দৰিদ্ৰতাক নেওচি ষ্টাৰ নম্বৰ সহ উত্তীৰ্ণ হৈ বিদ্যালয় তথা অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে কামপুৰীয়া ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগাব পাৰিছে। বিদ্যালয়খনিৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল যথেষ্ট উন্নত মানৰ হোৱাত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ মনৰ পৰিবৰ্তন ঘটাত শৈক্ষিক পৰিৱেশৰ সোণালী পোহৰ দেখিছে। ২০০৪ বৰ্ষত উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত নগাঁও জিলাৰ ভিতৰত খেলা-ধুলা প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হোৱাৰ উপৰিও সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত দুটাকৈ স্থান ক্ৰমে কুমাৰী ৰাজলক্ষ্মী শইকীয়াই তৰ্ক প্ৰতিযোগিতাত আৰু শ্ৰীমান বিজন সিঙে হাই জাম্পত তৃতীয় স্থান দখল কৰি বিদ্যালয়ৰ ইতিহাসত তেওঁলোকৰ নাম সোণালী আখৰেৰে লিখিবলৈ সক্ষম হোৱাৰ লগতে আমি যে কোনো দিশতে পিছ পৰি থকা নাই তাক ৰাইজৰ ওচৰত প্ৰতিপন্ন কৰিলে। এইবোৰ সকলো দিশতে অসমৰ নক্ষত্ৰ কপিলীপৰীয়া দানবীৰ শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা দেৱৰ সজ-পৰামৰ্শ আৰু আশীৰ্বাদৰ ফল, কিয়নো প্ৰতিটো ক্ষেত্ৰতে আমি তেখেতৰ সজ-পৰামৰ্শ লৈ আগবঢ়াত কৃতকাৰ্যতা লাভ কৰিছো বুলি আমি নিজকে দৃঢ়ভাৱে প্ৰবোধ মানিব পাৰিছো। খেলা-ধুলা আৰু পঢ়া-শুনা কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীক তেখেতে নিৰ্দিষ্ট সময়ত আশীৰ্বাদ আৰু শুভেচ্ছাবোৰ জনাই আহিছে আৰু এই সকলো দিশতে পোৱা তেখেতৰ শুভাশিসে ফলদায়ক কৰ্ম কৰিছে বুলি আমাৰ দৃঢ় বিশ্বাস জন্মিছে। সেয়ে তেখেত আমাৰ সকলোৰে চিৰপূজ্য আৰু চিৰনমস্য।

শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা দেউতাৰ আৰু এটি মহান গুণে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। সেইটো হ'ল তেখেতৰ সহপাঠী বন্ধুসকলৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা আৰু স্নেহ। সমাজৰ যিটো স্তৰতে নাথাকক কিয় তেওঁলোকক কাষতে লগপোৱাৰ অত্যন্ত হেঁপাহ। কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত যিকেইটা অনুষ্ঠানত তেখেত উপস্থিত আছিল তাত প্ৰতিজন তেখেতৰ সহপাঠী আনন্দ বৰা, হৰচন লস্কৰ, ৰেণু কলিতা, ড° ঘন লস্কৰ, লক্ষেশ্বৰ গোহাঁই, চামচুদ্দিন আদিক লগপাই কি আনন্দ পাইছিল তাক নেদেখিলে অনুভৱ কৰিব নোৱাৰি। সঁচাকৈয়ে প্ৰকৃত মহান ব্যক্তি হিচাপে কষ্টৰে প্ৰতিষ্ঠিত হৈ আপোনজনক পাহৰিব নোৱৰাটোৱেই তেখেতৰ মহানতা আৰু ব্যক্তিত্বৰ পৰিচায়ক।

বিশিষ্ট আইনজীৱী, সমাজসেৱক, দাতা শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ ৮১ তম জন্মদিৱস অহা ২৯ জুলাই ২০০৫ তাৰিখে উদ্‌যাপন কৰিবলৈ লোৱাত আমি কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে নথৈ আনন্দিত হৈছো। সৰ্বশক্তিমান ভগৱানৰ ওচৰত আমি প্ৰাৰ্থনা জনাইছো যে ভগৱানে তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক যাতে আমি কামপুৰীয়া ৰাইজে বহুখিনি তেখেতৰ পৰা অৱদান লাভ কৰো। তেখেতৰ লগতে সহধৰ্মিনী শ্ৰীমতী সুভদ্ৰা ভূঞা আৰু তেখেতৰ পৰিয়ালবৰ্গ আটাইৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ জন্মদিন উদ্‌যাপন সমিতিৰ মাননীয় সমূহ কৰ্মকৰ্তালৈ যিসকলে এই জনা মহান ব্যক্তিৰ কৰ্মৰাজি জীয়াই ৰখাৰ যি কীৰ্তিস্তম্ভ তৈয়াৰ কৰিব বিচাৰিছে আমি তেখেত সকললৈকো শ্ৰদ্ধা নিৱেদিছো আৰু অনুষ্ঠানটিৰ সকলো প্ৰকাৰৰ কৃতকাৰ্যতা কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। শেষত মই আশা ৰাখিছো এইজনা মহান ব্যক্তিৰ মহিমাবৰ্ণিত মোৰ চুটিলেখা যেন অনুগত সকলৰ প্ৰেৰণাৰ উৎস হওক। ❑

লেখক কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ।

মই জনা শ্ৰদ্ধেয় সুচেন দাদা

কামেশ্বৰ লস্কৰ

তেতিয়া সম্ভৱতঃ ১৯৪৬ -৪৬ চন। নিৰ্বাচনৰ বতৰ। আমি সৰু ল'ৰা-ছোৱালীবোৰে ৰাস্তাত খেলি আছিলো। এখন ট্ৰাকত কিছুমান মানুহ চিঞৰি চিঞৰি যোৱা দেখিছিলোঁ। কি কৈছিল, তেতিয়া বৰ বেছিকৈ বুজি পোৱা নাছিলোঁ। পিছত গম পাইছিলো যে নিৰ্বাচনৰ বাবে ভোট বিচাৰি কেন্‌ভাচ্ কৰিছে। সেই মানুহবোৰৰ মাজত এজন ধুতি পিন্ধা ডেকা ল'ৰাই চিঞৰি চিঞৰি বক্তৃতা দিয়া মনত পৰে। সেইজনেই আছিল তেতিয়াৰ চফল ডেকা সুচেন ভূঞা—যাৰ বক্তৃতা শুনিবৰ বাবে বহু দূৰৰ পৰা মানুহ আহিছিল।

সুচেন ভূঞাৰ গাঁৱৰ ঘৰ আমাৰ গাৱঁৰ প্ৰায় ওচৰতে। মোৰ সম্পৰ্কীয় ককাইদেউ এজনৰ লগত কামপুৰত আৰু নগাৱঁত একেলগে পঢ়িছিল। গতিকে আমাৰ গাঁৱলৈ প্ৰায়ে আহিছিল আৰু তেতিয়াৰ পৰাই তেখেতক ঘনাই দেখা মনত পৰে। এজন মেধাৱী ছাত্ৰ হিচাবে তেতিয়া কামপুৰ অঞ্চলত সুচেন ভূঞাৰ নাম প্ৰায় সকলোৱে শুনিছিল।

কামপুৰত কিছুদিন থকাৰ পিছত নগাওঁ চৰকাৰী হাইস্কুলত ১৯৪১ চনত নৱম শ্ৰেণীত নাম লগায়। এই স্কুলৰ পৰাই ১৯৪৩ চনত দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত মেট্ৰিক পাচ কৰে। নগাৱঁত পঢ়া সময়তো সুচেন ভূঞাক মেধাৱী ছাত্ৰ হিচাবে সকলোৱে জানিছিল।

মেট্ৰিক পাচ কৰি সুচেন ভূঞাই কটন কলেজত আই. এচ. চি.ত নাম লগায়। আই. এচ. চি. পাচ কৰাৰ পিচত কটন কলেজতে বি.এ. শ্ৰেণীত নাম লগায়। কটন কলেজৰ পৰাই তেখেতে ১৯৫৩ চনত ডিষ্টিংচন সহ বি.এ. পাচ কৰে। পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে এম. এ. আৰু ল' পাচ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰে।

সুচেন ভূঞাই ছাত্ৰ অৱস্থাৰ পৰাই ৰাজনীতিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে আৰু ছাত্ৰ আন্দোলনত যোগদান কৰিছিল। ছাত্ৰ অৱস্থাতে তেখেতৰ

বক্তৃতা শুনিবৰ বাবে মানুহৰ ভীৰ হৈছিল। অসম ছাত্ৰ সন্মিলনৰ জৰিয়তে ছাত্ৰ নেতা হিচাবে বিশেষকৈ বাওঁপন্থী ছাত্ৰসন্থাৰ নেতা হিচাবে সমগ্ৰ অসমৰ ভিতৰতে খ্যাতি লাভ কৰিছিল। নগাওঁত পঢ়ি থকা সময়ত নগাওঁ জিলাৰ ছাত্ৰ নেতা হিচাবে যিকেইজন ছাত্ৰই ছাত্ৰ আন্দোলনৰ গুৰি ধৰিছিল তাৰ ভিতৰত ফণী বৰা আৰু সুচেন ভূঞা আছিল অন্যতম। কটন কলেজলৈ অহাৰ পিচত বাওঁপন্থী ছাত্ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত শিক্ষাৰ ক্ষেত্ৰত বহুত বাধা পৰিছিল। তেতিয়াই প্ৰায় ৫ বছৰৰ বাবে আত্মগোপন কৰি থাকিব লগীয়া হৈছিল আৰু ১৯৫১ চনত পুলিচে গ্ৰেপ্তাৰ কৰি প্ৰায় ১৪/১৫ মাহ জেলত ৰাখিছিল। জেলৰ পৰা ওলাই বি. এ. পৰীক্ষা দিয়ে আৰু ডিষ্টিংচন সহ বি.এ. পাচ কৰে।

বি.এ. পাচ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এ. আৰু ল'ত নাম লগায়। বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে স্নাতকোত্তৰ শ্ৰেণীৰ সাধাৰণ সম্পাদকৰ দায়িত্বত ১৯৫৫ চনত প্ৰথম বাৰৰ বাবে আন্তঃ কলেজ ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত কৰে। তেতিয়াৰ পৰা এই মহোৎসৱ ধাৰাবাহিক ভাবে অনুষ্ঠিত হৈ আহিছে। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰা যায়— এই উৎসৱৰ সামৰণি উৎসৱ তেতিয়াৰ আইন কলেজৰ (বৰ্তমান দীঘলীপুখুৰী পাৰৰ উত্তৰ পূৱ অঞ্চলত থকা ছোৱালী হোষ্টেল) প্ৰাঙ্গণত অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানৰ সামৰণি অনুষ্ঠানত তেতিয়াৰ স্বনামধন্য উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ উপস্থিত আছিল। এই লেখকে তেতিয়াই কৃষ্ণকান্ত সন্দিকৈক দেখাৰ সৌভাগ্য হৈছিল। অৱশ্যে সন্দিকৈয়ে কিছু সময় থকাৰ পিচত ডাঃ ভুৱনেশ্বৰ বৰুৱাক বাকী কামৰ দায়িত্ব দি গুছি গৈছিল।

বিশ্ববিদ্যালয়ত পঢ়াৰ পৰাই সুচেন ভূঞাই সক্ৰিয় ৰাজনীতিৰ লগত সম্পৰ্ক প্ৰায় ছেদ কৰিছিল। ল' পাচ কৰি উচ্চ ন্যায়ালয়ত ওকালতিত মনোনিৱেশ কৰে আৰু সাফল্য লাভ কৰে। ওকালতিৰ সাফল্য হিচাবে অসম চৰকাৰে তেখেতক দুবাৰকৈ এড্‌ভোকেট জেনেৰেল পদত নিযুক্তি দিছিল। বৰ্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন চিনিয়ৰ এড্‌ভোকেট।

সক্ৰিয় ৰাজনীতিৰ পৰা সম্পৰ্ক ছেদ কৰিলেও সুচেন ভূঞাই সামাজিক কামত এতিয়াও সক্ৰিয় হৈ আছে। বিশেষকৈ নিজৰ জন্মস্থান কামপুৰৰ উন্নতিৰ বাবে অহৰহ চিন্তা কৰি থাকে। তেখেতৰ উদ্যোগতে

গুৱাহাটীত গুৱাহাটীবাসী কামপুৰীয়াৰ এখন অনুস্থান স্থাপিত হৈছিল। নিজৰ আত্মীয়ৰ বাহিৰেও বানপানীৰ সময়ত কামপুৰৰ ৰাইজৰ ওচৰত বিভিন্ন খোৱা সামগ্ৰী লৈ উপস্থিত হয়। তাৰোপৰি মাজে-সময়ে বিশেষকৈ নিজৰ জী-জোঁৱাই ডাক্তৰ সকলক লৈ কামপুৰত বিনামূলীয়া চিকিৎসা শিবিৰ স্থাপন কৰাটো এটা নিয়মত পৰিণত হৈছে।

সৰুতে মাক হেৰুওৱা সুচেন ভূঞাই মানুহৰ দুখ-দৰিদ্ৰৰ কথা ভালদৰে উপলব্ধি কৰে। সুবিধা পালেই মানুহৰ বিপদৰ সময়ত ওচৰত ঠিয় হয়। কামপুৰৰ বিভিন্ন অনুষ্ঠান,যেনে— কামপুৰ হাইস্কুল, কামপুৰ কলেজ আৰু অনেক শিক্ষা অনুষ্ঠানত আৰ্থিক অনুদান দিছে। তেখেতৰ মাতৃৰ নামত জাতীয় বিদ্যালয় স্থাপন কৰিছে। তাৰোপৰি কামপুৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান, নামঘৰ, ক্লাৱ আদিত তেখেতে আৰ্থিক অনুদান দি আছে।

কামপুৰত এটা চিভিল চাব্ ডিভিজন স্থাপন, এখন ন্যায়িক আদালত স্থাপন আদি কামত তেখেতে চৰকাৰৰ লগত অহৰহ যোগাযোগ কৰি আছে। মুঠ কথা নিজৰ জন্মস্থান কামপুৰ অঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে আশীৰ ওপৰৰ চফল ডেকা সুচেন ভূঞাই এতিয়াও অহৰহ চেষ্টা কৰি আছে। তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। ❑

লেখক এগৰাকী প্ৰাক্তন আইন সচিব।

বাল্যবন্ধু

বেণুধৰ কলিতা

চন ১৯৩৪ৰ কপিলীৰ প্ৰলয়ঙ্কৰী বলিয়া বানে মোৰ ঘৰৰ দহজনী বৰপানী খুটিৰ মাইকী ম'হ, এভড়াল গুটি ধান, এগোহালি গৰুৰ লগতে ম'হৰ গোৱাল ভোলা কলিতাৰো প্ৰাণ নাশ কৰাৰ উপৰিও প্ৰতি বছৰে ১২/১৩ টাকৈ বহু বছৰ ধৰি একেলেঠাৰিয়ে বানপানী হোৱাৰ ফলত ঘৰখনৰ আৰ্থিক অৱস্থা নাজল-নাথল হোৱাত ১৯৩৪ চনত দেউৰীগাঁও এল. পি পাছ কৰি ১৯৩৫ চনত যমুনামুখৰ বিখ্যাত লা আৰু কপাহ ব্যৱসায়ী ৰায় বাহাদুৰ জৱাহৰমল আগৰৱালাদেৱে তেখেতৰ নিজ খৰচতে নিজ মাটিত এশজন চতুৰ্থমানৰ পৰা ষষ্ঠমানলৈকে বান পীড়িত অঞ্চলৰ ছাত্ৰই বিনা মাচুলে পঢ়িব পৰাকৈ ৩তিনিজন শিক্ষকক নিজৰ পৰাই উপযুক্ত দৰমহা আৰু সকলোবোৰ খা-খৰচ দি যিখন এম.ই. স্কুল প্ৰতিষ্ঠা কৰিছিল ১৯৩৫ চনত ঘৰৰপৰা সাতমাইলকৈ ৰ'দে-বৰষুণে প্ৰতিদিনে চৈধ্য মাইলকৈ অহা যোৱা কৰি বছৰৰ শেষত চতুৰ্থমানত প্ৰথম স্থান লাভ কৰিও স্বাস্থ্যৰ অৱনতি ঘটাত তাৰ পৰা নাম কাটি ১৯৩৬ চনত কামপুৰ এম.ভি.(বৰ্তমানৰ কামেশ্বৰ বৰঠাকুৰ এম.ভি)ত নাম ভৰ্তি কৰি পঢ়িবলৈ বাধ্য হওঁ। তেতিয়া কামপুৰ এম.ই. আৰু কামপুৰ এম.ভিৰ ৪ৰ্থমানৰ পৰা ৬ষ্ঠমানলৈকে শ্ৰেণীবোৰ একেলগে বহিছিল। মাথোন এম.ই. খাপৰ ইংৰাজী আৰু এম.ভি খাপৰ উচ্চ গণিত, পৰিমিতি আদি শ্ৰেণীবোৰহে পৃথকে পৃথকে বহুৱাই স্কুলৰ স্থান আৰু অন্যান্য বহু খৰচৰ পৰিমাণ সীমিত কৰি গণিত, ভূগোল, বুৰঞ্জী, সাধাৰণ জ্ঞান আদিৰ শ্ৰেণীবোৰত এম. ই আৰু এম.ভিৰ ছাত্ৰ-ছাত্ৰীসকলক ৪ৰ্থমানৰ পৰা ৬ষ্ঠমানলৈকে একেলগে পাঠদান কৰাত ছাত্ৰ-ছাত্ৰীসকলে পৰস্পৰে পৰস্পৰক ভালকৈ বুজিবলৈ আৰু ভাবৰ আদান-প্ৰদান কৰাত বঢ়িয়াকৈ সুবিধা হৈছিল। সেই কাৰণতে মই শ্ৰীযুত সুচেন ভূঞাৰ লগত সহপাঠী হ'বলৈ সুবিধা পাইছিলো। তাতে আকৌ শ্ৰীভূঞা এম.ই. খাপৰ আৰু মই এম.ভি. খাপৰ ছাত্ৰ আছিলো। সেয়ে আমাৰ মাজত মিলাপ্ৰীতিও আছিল লক্ষ্যণীয়ভাৱে। শ্ৰীভূঞাই ১৯৩৮ চনত সেই স্কুলৰ পৰাই প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি এম.ই. পাছ কৰাত তেওঁক

কামপুৰবাসীয়ে অতি আনন্দৰে সম্বৰ্দ্ধনা জনাইছিল। তাৰ কাৰণ আছিল তেতিয়া কামপুৰ এম.ই. স্কুলখন স্থাপন কৰা বেছি দিন হোৱা নাছিল; আৰু শ্ৰীভূঞাই সেই স্কুলৰ পৰা বৃত্তি লাভ কৰা প্ৰথম ছাত্ৰ আছিল। তেতিয়ালৈকে এম.ই.খনেই আছিল কামপুৰৰ একমাত্ৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান।

তেতিয়াই সুচেন ভূঞাক মই যেনেদৰে চিনি পাইছিলো তাৰে দুআষাৰমান অসুস্থ দেহাৰেই লিখিবলৈ চেষ্টা কৰিলো। ছাত্ৰ অৱস্থাৰ পৰাই ভূঞাদেৱ এজন উদ্যোগী, অধ্যয়নশীল, ও একাগ্ৰচিতীয়া বন্ধুবৰ্গৰ প্ৰতি স্নেহশীল, পৰিশ্ৰমী আৰু দেশপ্ৰেমী লোক আছিল। এই গুণবোৰে তেখেতক ওকালতি পাচ কৰাৰ পিচত পৰৱৰ্ত্তী জীৱন গঠন কৰাত সহায়ক হৈ ভূঞাক এজোপা বট বৃক্ষলৈ পৰিণত কৰিলে। কামপুৰ হাইস্কুলত অলপ দিন পঢ়াৰ পিচত তেখেতে নগাঁও চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। সেই কালত নগাঁও জিলাত বালিকাসকল পঢ়িবৰ বাবে কোনো হাইস্কুল নাছিল। ছাত্ৰসকলৰ কাৰণেও মাত্ৰ ৭/৮খন মানহে অবিভক্ত জিলাখনত উচ্চ শিক্ষাৰ বাহন হাইস্কুল আছিল। ভূঞাদেৱে হাইস্কুলত পঢ়ি থকা সময়ত ভাৰতত 'ভাৰত ত্যাগ আন্দোলন'ৰ উত্তাল তৰঙ্গ। তেখেতে নগাঁও চৰকাৰী হাইস্কুলত পঢ়ি থকা সময়তে নগাঁওত কমিউনিষ্ট আন্দোলনৰো ভৰপক অৱস্থাই বুলিব পাৰি আৰু নগাঁও চৰকাৰী হাইস্কুলকে কেন্দ্ৰ কৰি জিলাখনতে নহয় সমগ্ৰ দেশৰে দেশপ্ৰেমীলোকসকল জেইলত আৱদ্ধ থকাৰ কালত জিলাখনৰ হাইস্কুল কেইখনৰ ছাত্ৰসকলক সাম্যবাদত দীক্ষিত কৰিবলৈ কলিকতাৰ পৰা এটা বিৰাট প্ৰচেষ্টা হাতত লোৱা হৈছিল। সেই উদ্দেশ্যৰেই কলিকতাৰ পৰা নিতাই গাঙ্গুলী নামৰ উচ্চ শিক্ষিত প্ৰশিক্ষিত এজন লোকক নগাঁওলৈ পঠিওৱা হৈছিল। তাৰ উপৰিও কাছাৰৰ অচিন্ত্য কুমাৰ ভট্টাচাৰ্য (পিচত এম.এল.এ)কো পঠাইছিল। এই ভট্টাচাৰ্য (আমি দীৰ্ঘদিন কাৰাবাস খাটি ১৯৪৩ চনত চিলেট জেইলত থকা কালত) আমাৰ লগতো কিছুদিন আছিল। তাৰ উপৰিও সেই সময়ৰ নগাঁৱৰ চৰকাৰী হাইস্কুলৰ উদীয়মান কমিউনিষ্ট ছাত্ৰ নেতা আৰু পিচত এম.এল.এ ঁফণী বড়া, ঁমনী বড়া আদি বহুতো ছাত্ৰক দীক্ষিত কৰি নেতৃত্বৰ শাৰীত বহুৱাইছিল। নগাঁও চৰকাৰী হাইস্কুলৰ আন এজন তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ শ্ৰী সুচেন ভূঞাদেৱেও সমাজবাদ গ্ৰহণ কৰি অসমৰ এজন বিখ্যাত ছাত্ৰ নেতা বুলি পৰিগণিত হৈছিল যদিও পৰৱৰ্ত্তী বাস্তৱ জীৱনত ওকালতি

পাচ কৰাৰ পিচত এজন প্ৰখ্যাত অধিবক্তা হিচাপেহে চিনাকী দি ৰাজনীতিৰ পৰা আঁতৰি থাকি জীৱনবোধৰ লক্ষ্যেৰে আগুৱাই গৈ আমাৰ অসমৰ আৰ্থিক আৰু সামাজিক জীৱনত উন্নতি সাধি Advocate General পদলৈকে যাবলৈ সমৰ্থ হ'ল। মই ১৯৪৪ চনৰ মাজভাগত জেইলৰ পৰা ওলাই অহা সময়ত শ্ৰীভূঞাদেৱক এজন ভৱিষ্যত খ্যাতিসম্পন্ন উদীয়মান কমিউনিষ্ট ছাত্ৰনেতা ৰূপতহে দেখিবলৈ পাইছিলো। ওপৰত উল্লেখ কৰা গুণবোৰৰ বাবেই ভূঞাদেৱ ছাত্ৰ সমাজৰ মাজতো অতিকৈ জনপ্ৰিয় হৈ পৰিছিল।

ভূঞাদেৱে তেখেতৰ জন্মস্থান বানপীড়িত আৰু চৰকাৰী অনীহাত ভোগা, বুৰঞ্জী প্ৰসিদ্ধ জিলাৰ আওহতীয়া কামপুৰখন বৰকৈ ভাল পায় বাবেই সেই অঞ্চলটোৰ দুৰ্ভগীয়ালোক সকলৰ শিক্ষা, স্বাস্থ্য,আৰু অন্যান্য সমস্যাবোৰৰ উন্নতিৰ অৰ্থে কৰি অহাটো উল্লেখনীয় দিশ। তেখেতৰ মাতৃৰ নামত 'ৰঞ্জনী ভূঞা' নামেৰে এখন জাতীয় বিদ্যালয় নিজ খৰচতে স্থাপন কৰাৰ বাহিৰেও অনুন্নত আৰু পিচপৰি থকা পুৰণি কামপুৰ অঞ্চলত টাউন কমিটি পাতি সৰ্বাঙ্গীন উন্নতিৰ অৰ্থে কামপুৰত মিউনিচিপেলিটি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে ওতঃপ্ৰোত ভাৱে। গুৱাহাটী মহানগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো তেখেত জড়িত হৈ থকাৰ কথা মই জানো। জীৱনৰ শেষ বয়সত কামপুৰৰ উন্নতিৰ প্ৰতি যত্ন কৰাত তেখেতৰ প্ৰতি কামপুৰবাসী ৰাইজ অতি কৃতজ্ঞ। সেয়েহে আজি ভূঞাদেৱৰ শুভ জন্মক্ষণত তেখেতৰ সুস্বাস্থ্য, দীৰ্ঘ জীৱন আৰু সৰ্বাঙ্গীন উন্নয়নৰ অৰ্থে কামপুৰবাসীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰিও তেখেতৰ সুযোগ্যা পত্নী শ্ৰীমতী সুভদ্ৰা ভূঞা, পো-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী আদি সকলোটিৰে উন্নতি কামনা কৰি মুৰ দোঁৱাইছে। ভূঞাদেৱৰ বৰককায়েক ক্ষীতেশ্বৰ ভূঞাও কামপুৰ এম. ই. আৰু কামপুৰ হাইস্কুলৰ এজন কৃতী শিক্ষক আছিল। ❑

লেখক মুক্তিযোদ্ধা আৰু সাহিত্যিক পেন্সনাৰ।

প্ৰতিধ্বনি শুনো সেই তাহানিখনৰ

(প্ৰসঙ্গ ঃ শ্ৰীসুচেন ভূঞা)

পোৱাল বৰুৱা

শ্ৰীসুচেন ভূঞা ডাঙৰীয়াই এই বছৰতে একাশী বছৰ আয়ুস পূৰ্ণ কৰিছে। তেখেতৰ অভিজ্ঞতা ভৰা এই আয়ুষ্কালৰ, তাৰ মানে এই সুচেন ভূঞা নামৰ মানুহজনৰ 'কমৰেড শ্বিপ'ৰ বাৰটা বছৰৰ বা এটা যুগৰ পৰিচয়হে মই চমুকৈ লিখিব খুজিছো, কিয়নো সুচেন ভূঞাৰ এইছোৱা জীৱন বহুতৰ কাৰণে অজ্ঞাত হৈ থাকিব যদিহে লিখা নহয়।

কামপুৰৰ মজলীয়া খেতিয়ক পৰিয়ালৰ ঘৰৰ চোকা মগজুৰ ল'ৰা সুচেনক গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ পঠাইছিল উচ্চ শিক্ষা লৈ ডাঙৰ চাকৰি কৰি ল'ৰাই ঘৰৰ মান বঢ়াব বুলি আশা কৰি। কিন্তু ১৯৫২ চনত ল'ৰা ওলাই আহিল নগাঁও জেলৰ পৰা কমিউনিষ্ট হোৱাৰ কাৰণে কাৰাবাস খাটি। আন্দাৰগ্ৰাউণ্ড বা অজ্ঞাতবাসৰ কালছোৱাতে পাৰ্টিৰ সিদ্ধান্ত মৰ্মে পাৰ্টি-কৰ্মীৰ সভাত বিবাহ চুক্তিত চহী কৰিলে সুচেন ভূঞা আৰু কমৰেড্ সুভদ্ৰা শইকীয়াই ১৯৫০ চনত।

শ্ৰীমতী সুভদ্ৰা শইকীয়াই ১৯৫০ চনত নগাঁও কাৰাগাৰৰ পৰা ওলাই আহিছিল আৰু দুয়োজনকে সন্মতিক্ৰমে বিবাহৰ কাৰণে পাৰ্টিয়ে সন্মতি দিয়ে।

> *কটন কলেজত ১৯৪৩ চনৰ পৰাই ছাত্ৰ সভা নৱাগত অভ্যৰ্থনা আদি অনুষ্ঠানত ওজস্বী বক্তৃতা ইংৰাজী অসমীয়া উভয় ভাষাতে দি ছাত্ৰ আৰু অধ্যাপক সকলৰ পৰা প্ৰশংসা পাইছিল সুচেন ভূঞাই।*

১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈ গুৱাহাটীত সুচেন ভূঞা আৰু সুভদ্ৰা শইকীয়াই চলোৱা জীৱন-যুদ্ধৰ পৰিণতি স্বৰূপে — উৰুখা পজাৰ তলত কেৰাচিন তেলৰ লেম্পৰ পোহৰত পঢ়ি স্কুলীয়া ল'ৰা-ছোৱালী পঢ়াই (অৰ্থাৎ টিউশ্যন কৰি) জীৱিকা উপাৰ্জ্জন কৰি বি. এ. এম্-এ আৰু এল. এল. বি ডিগ্ৰী ললে সুচেন ভূঞাই, আৰু সুভদ্ৰাই প্ৰৱেশিকাৰ পৰা ছাত্ৰী হিচাবে

পৰীক্ষা দি বি. এ. ডিগ্ৰী লৈকে পঢ়িলে। এইখিনিৰে পৰা হাইকোৰ্টত সোমাই ১৯৫৮ চনৰ পৰা অধিবক্তা সুচেন ভূএগ চৰকাৰৰ এড্‌ভোকেট জেনেৰেল হয়— দুবেলি। এইখিনি পৰিচয়ৰে সুচেন ভূএগ সাম্প্ৰতিকে বুদ্ধিজীৱি মহলত, ৰাজনীতিৰ দৰবাৰত, আৰু ভব্য-গব্য সমাজত এগৰাকী বিশিষ্ট ব্যক্তি। হলেও সুচেন ভূএগৰ গাত কিবা এটা কালিকা লাগি থকা বুলি তেখেতৰ মহলৰ মানুহে নভবা নহয়।

সেই 'কালিকা' হৈছে— সুচেন ভূএগই একালত খাটি-খোৱা মানুহৰ কাৰণে কিবা-কিবি কৰি এৰি অহা এটা অতীত। এটা যুগ ১৯৪১ চনৰ পৰা ১৯৫৩ চনলৈ সুচেন ভূএগৰ আয়ুষ্কালৰ ভিতৰত বৈশিষ্ট্যপূৰ্ণ। কমৰেড ফণী বৰাই লিখিছে ঃ "নগাঁও জিলাত ১৯৪২ চনৰ নবেম্বৰ মাহত আমাৰ দায়িত্বত কমিউনিষ্ট পাৰ্টিৰ এটা গ্ৰুপ বা চেল গঠন কৰা হয়। সেই চেলত নাম ভৰ্ত্তি কৰা ছাত্ৰ কেইজন আছিল আমি নিজে, সুচেন ভূএগ (এতিয়া এড্‌ভোকেট জেনেৰেল) জীৱন লস্কৰ, জীৱন গোস্বামী, পাচু ঘোষ আৰু চামচুদ্দিন।" — (নগাঁও জিলাত কমিউনিষ্ট পাৰ্টি গঠনৰ ইতিহাস— ফণীবৰা ৰচনাৱলী ২৪ পৃষ্ঠ।) এইখন কিতাপৰে ৬৬ পৃঃত নগাঁৱৰ পাৰ্টি সংগঠনৰ কথাত লিখিছে ঃ "১৯৪২ চনৰ আন্দোলনত এই লেখকে প্ৰৱেশিকা পৰীক্ষা দি ছাত্ৰ ধৰ্মঘটৰ নেতৃত্ব দি ফুৰিছিলোঁ। জাতীয় চৰকাৰ গঠন আৰু জাতীয় নেতা সকলৰ মুক্তিৰ দাবী তুলিছিলোঁ। ...... নগাঁও জিলা ছাত্ৰ ফেডাৰেশ্যনৰ শীৰ্ষ নেতৃত্বত তেতিয়া এই লেখক, সুচেন ভূএগ, মণীষ ভূএগ আৰু প্ৰয়াত ডাঃ পদ্ম ভূএগ। ইয়াৰ পৰাই পিছত নগাঁও জিলাত কমিউনিষ্ট পাৰ্টি গঠনৰ অঙ্কুৰ প্ৰতিষ্ঠা হ'ল।"

১৯৪২ চনত অসমত কমিউনিষ্ট ভাবাপন্ন ছাত্ৰ-যুৱক থাকিলেও পাৰ্টি গঠন হোৱা নাছিল। এই বছৰৰে ডিচেম্বৰ আৰু ১৯৪৩ চনৰ জানুৱাৰীত গোলাঘাটৰ এটা শিবিৰত এনে প্ৰগতিশীল ১১/১২ জনমান ছাত্ৰ, আৰু আন কৃষক বনুৱা আন্দোলনৰ যুৱ-নেতা সমবেত হৈছিল। এই শিবিৰটোলৈ নগাঁৱৰ পৰা ছাত্ৰ ফণী বৰা আৰু সুচেন ভূএগই যোগ দিছিল।

কাৰ্জন হলত নাইবা জুবিলি গাৰ্ডেনত পাৰ্টিয়ে বা ছাত্ৰ ফেডাৰেশ্যনে আহ্বান কৰা সভাত মানুহ সেৰেঙ্গা হলে ফণী

বৰা বা সুচেন ভূএগ্রাই বক্তৃতা কৰিলে বাটেদি যোৱা মানুহে কিছু সময়ৰ কাৰণে হ'লেও ৰৈ বক্তৃতা শুনি যায়।

মই আগতে কৈ অহা বৰ্ত্তমানৰ সুচেন ভূএগ্রা জনৰ, সুখ্যাত অধিবক্তা, এড্‌ভোকেট জেনেৰেল গৰাকীৰ এয়ে অতীত, জীৱনৰ এক অপৰিহাৰ্য্য অধ্যায়। সংগ্রামৰ যোগেদি ব্যক্তিত্ব গঠনৰ প্ৰাৰম্ভণ।

নগাঁও চৰকাৰী হাইস্কুলৰ ছাত্র হিচাপে ছাত্র আন্দোলনত স্কুলৰ ছাত্র নেতা ফণী বৰাৰ সহযোগী আছিল সুচেন ভূএগ্রা। ১৯৪১ চনত গুৱাহাটীত ইংৰাজ চৰকাৰৰ যুদ্ধ প্ৰশংসিত প্ৰদৰ্শনী খন ছাত্ৰসকলে বিৰোধিতা কৰাত চৰকাৰৰ ফালৰ পৰা ছাত্ৰৰ ওপৰত দমননীতি চলোৱাত সমগ্ৰ অসম হৰতাল, ধৰ্মঘট আন্দোলনৰ দ্বাৰা কপাই তোলা হৈছিল। আৰু নগাঁৱত সুচেন ভূএগ্রাই ফণী বৰাৰ লগত একেলগে উত্তেজিত বক্তৃতাৰে ছাত্ৰ-ছাত্ৰীসকলক উত্ৰাৱল কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো গাঁৱে গাঁৱে গৈ ছাত্ৰসকলক জাগ্ৰত কৰি তুলিছিল।

আমি ফণী বৰা আৰু সুচেন ভূএগ্রাক ছাত্র নেতা হিচাবে পাওঁ কটন কলেজত ১৯৪৬ চনৰ পৰা।

কটন কলেজ ছাত্র ইউনিয়ন খন 'Proportional Representation by Single Transferable Votes'— এই সূত্ৰৰ দ্বাৰা সমাধান কৰিবলৈ চতুৰ্থ বাৰ্ষিক কলা শাখাৰ ছাত্র নেতা ফণী বৰাই দিয়া পৰামৰ্শ শুনি অধ্যাপক সকলেও অবাক মানিছিল, আৰু ভোট দান কৰাৰ পদ্ধতি তৃতীয় বাৰ্ষিকৰ ছাত্র সুচেন ভূএগ্রাই চক্ পেন্সিলেৰে বোৰ্ডত দেখুৱাই আৰু চমক খুৱাইছিল।

ছাত্ৰ-কংগ্ৰেছ আৰু ছাত্র ফেডাৰেশ্যন নামেৰে বিভক্ত ছাত্ৰ-আন্দোলনত ছাত্র ফেডাৰেশ্যন, (অসম ছাত্ৰ-সন্মিলন) ৰ গুৰি ধৰোতা জন আছিল সাধাৰণ সম্পাদক ফণী বৰা, — ১৯৪৫ চনৰ নগাওঁ অধিবেশনত শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ সভাপতিত্বত বহা অধিবেশনত সাধাৰণ সম্পাদক নিৰ্ব্বাচিত হৈছিল। শ্ৰীযুত চাৰু গোস্বামী (মুক্তিযোদ্ধা) শিক্ষক হৈছিল নিৰ্ব্বাচিত সভাপতি।

১৯৪৬ চনত অসম ছাত্র সন্মিলনৰ 'মিলন'ৰ পুনৰ প্ৰচাৰ আৰম্ভ কৰা হয়। মোৰ মনত পৰা মতে 'মিলন'ৰ সম্পাদক আছিল ফণী বৰা প্ৰথম পৃষ্ঠাতে সম্পাদকৰ লগতে ছাত্ৰ সন্মিলনৰ সভাপতি চাৰু গোস্বামীৰ নাম আছিল। আৰু সম্পাদকীয় মণ্ডলীত মই, কেশৱ মহন্তৰ উপৰিও আন এজনৰ নাম আছিল। ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ প্ৰকাশনে অসমৰ ছাত্ৰ সমাজত সমাজতন্ত্ৰবাদী ভাবধাৰা যুক্ত প্ৰবন্ধ পাতিয়ে নতুন চিন্তাধাৰাৰ সমল যোগালে। প্ৰাক্তন সম্পাদক চিদা শইকীয়া, ফণী বৰা, সুচেন ভূঞা, চাৰু গোস্বামী আদিৰ প্ৰবন্ধ-পাতি, কেশৱ মহন্ত, যজ্ঞোৰাম গগৈৰ কবিতা, গল্প আৰু অসমৰ বিভিন্ন স্কুলৰ ছাত্ৰ সন্মিলনৰ গোটৰ আন্দোলনৰ কথা, ছাত্ৰ সমস্যা আদি বিভিন্ন কথা 'মিলন'ত প্ৰকাশৰ দ্বাৰা এক প্ৰগতিশীল ভাবধাৰাৰে ছাত্ৰ সমাজ সঞ্জীবিত হৈ উঠিল। 'মিলন' মাহে মাহে নিয়মীয়াকৈ ওলাইছিল।

> *আমাৰ কেইজন মান ছাত্ৰৰ ওপৰত পৰিছিল নানান কামৰ দায়িত্ব ঃ গুৱাহাটীৰ প্ৰাণকেন্দ্ৰ বোৰৰ তিনি আলিত থিয় হৈ চুঙা ফুকা, শ্লোগান দিয়া, খবৰ-কাগজত পোষ্টাৰ লিখা, আৰু বেৰত লগোৱা, মিলন— The Student, নতুন অসম বেচা, জৰুৰী কামত যেনে অৱস্থাতে থাকো তেনে ভাবেই বিনা টিকেটে ৰেলত যাত্ৰা কৰা, টিনৰ টেমাত বক্স কালেক্‌চন কৰা, প্ৰবন্ধ লিখা, প্ৰুফ চোৱা, লিফ্‌লেট্‌ বিলোৱা আদি কাম কৰি নিতাই গাঙ্গুলিয়ে বাঙ্গালীতে বুজোৱা বলশ্বেভিক পাৰ্টিৰ Strategy and Tactics একো নুবুজিলেও বুজিছোঁ বুলি কৈছিলো। পাৰ্টি নেতা বীৰেশ মিশ্ৰই "মাথা খাৰাপ" বুলি কোৱাত কেশব আৰু মোৰ মাথা গৰম হৈ কাণ ৰঙা পৰিলেও বাঙ্গালীত তেনে শব্দই 'ভাল' বুজাই বুলি ভাবি অৱনত শিৰে মানি লৈছিলোঁহক।*

১৯৪৭ চনত গুৱাহাটীত অনুষ্ঠিত ছাত্ৰফেদাৰেশ্যনৰ অধিবেশনত সুচেন ভূঞা সাধাৰণ সম্পাদক আৰু শ্ৰীযুত চন্দ্ৰ ভূঞা (শিক্ষক, আমগুৰি) সভাপতি নিৰ্ব্বাচিত হয়। এই অধিবেশনৰ উদ্বোধক আছিল তেতিয়াৰ নাগপুৰ কলেজৰ এম, এ শ্ৰেণীৰ ছাত্ৰ এ, বি, বৰ্দ্ধন (বৰ্ত্তমান চিপিআইৰ সাধাৰণ সম্পাদক) আৰু সাংস্কৃতিক সভাৰ সভাপতি আছিল জ্যোতিপ্ৰসাদ আগৰৱালা ডাঙৰীয়া।

আমাৰ কালৰ ছাত্ৰ ফেডাৰেশ্যনৰ নেতা নিতাই গাঙ্গুলী, ধীৰেশ্বৰ কলিতা, নন্দেশ্বৰ তালুকদাৰ, ফণী বৰা (বিদেহী এই কেইগৰাকীলৈ অশ্ৰু অঞ্জলি যাচিলোঁ) আৰু শ্ৰীসুচেন ভূএগ্ৰাক আমি দ্বিতীয় পৰ্য্যায়ৰ ছাত্ৰ কৰ্ম্মী সকলে শ্ৰদ্ধা কৰি চলিছিলোঁ।

গুৱাহাটীত ছাত্ৰ ফেডাৰেশ্যনৰ সাংগঠনিক আৰু অন্যান্য অনুষ্ঠানত ফণী বৰা আৰু সুচেন ভূএগ্ৰাক সহায় কৰিছিল অবিৰাম শক্তিৰে অসমৰ বিভিন্ন জিলাৰ পৰা আহি কটন কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে। মোৰ মনত পৰাত মোৰ নিজৰ উপৰিও প্ৰয়াত নাৰায়ণ শৰ্ম্মা, কেশৱ মহন্ত, প্ৰয়াত চন্দ্ৰ বৰা, প্ৰয়াত কমলা বৰা, কেশৱ হাজৰিকা, প্ৰবীন তালুকদাৰ, জীৱন লস্কৰ, মহেন্দ্ৰ লস্কৰ, কণ সিং, হেম শৰ্ম্মা, প্ৰয়াত মাণিক শৰ্ম্মা, অৱনী বৰঠাকুৰ, দেৱপ্ৰসাদ বৰুৱা, প্ৰয়াত দুলাল খাউণ্ড, মণিপুৰৰ মেঘা সিং, বিনয় সিং, বীৰা সিং, মহেন্দ্ৰ সিং আৰু ছাত্ৰী কমলা বৰঠাকুৰ, বীনা ৰয়, হেনা মজুমদাৰ প্ৰভৃতি ছাত্ৰ-ছাত্ৰীসকলে। সেই সময়ৰ কটন কলেজৰ হৈ বহিনীটোৰ যি সকলে ইহলোক ত্যাগ কৰি গৈছে তেখেত সকললৈ শ্ৰদ্ধাঞ্জলি যাচিলোঁ- এই সুযোগতে।

ছাত্ৰ সংগঠনৰ কামত ভূএগ্ৰাক যিফালেই পঠোৱা নহওক, কিবা নহয় কিবা কৰি আহিবই, সেয়ে আমি 'প্ৰলয় ভূএগ্ৰা' বুলি কৈছিলোঁ।

আমাৰ মানত সেই ১৯৪৬-৪৮ চনৰ কালত ফণী বৰা আছিল 'কালান্তক' আৰু তেখেতৰ সহযোদ্ধা সুচেন ভূএগ্ৰা আছিল 'প্ৰলয়কাৰী'। কিয়নো সেই কালত কংগ্ৰেছ হেন মহা প্ৰতাপী সংগঠনৰ সমৰ্থনপুষ্ট ছাত্ৰসংগঠন 'ছাত্ৰ কংগ্ৰেছৰ' বলিষ্ঠ সংখ্যাৰ বিৰুদ্ধে ফণী বৰা, সুচেন ভূএগ্ৰাৰ নেতৃত্বত প্ৰগতিশীল সমাজতান্ত্ৰিক ভাবধাৰাৰেপুষ্ট ছাত্ৰ-ফেডাৰেশ্যনেও সংখ্যাৰে প্ৰায় সমানেই যুঁজিছিল। (সেই সংগ্ৰামৰ মুখ্য সেনাপতি ফণী বৰা কমৰেডে যোৱা ২০০৪ চনৰ ২৯ জুলাই তাৰিখে আমাৰ মাজৰ পৰা চিৰকাললৈ বিদায় লৈছে ঃ প্ৰণাম!)

১৯৪৭ চনৰ স্বাধীনতাৰ আগে আগে আমি ছাত্ৰ ফেডাৰেশ্যন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বহুতেই কমিউনিষ্ট পাৰ্টিৰ সভ্য-ভৰ্ত্তিৰ আবেদন পত্ৰত চহী কৰিলোঁহঁক।

আত্মগোপনত পটু আছিল সুচেন ভূএগ্রা ডাঙৰীয়া। কাছমাৰী (নগাঁওত ফণী বৰা, হেনা মজুমদাৰক (বিয়া হোৱাৰ পিছত) পুলিছে ৰাতি ঘৰ ঘেৰাও কৰি ধৰিলে। সেই ঘৰৰে একে খোটালিত থকা সুচেন ভূএগ্রাক ঘৰৰ হালোৱা ল'ৰা বুলি ভাবি মাইকী মানুহ এজনী আনিবলৈ পুলিচ অফিচাৰে যাবলৈ দিওঁতে সেই সুযোগতে ফালৰি কাটি পলাই সাৰিল (১৯৪৯ চনৰ কথা)।

আহিল ১৯৪৮ চন, কমিউনিষ্ট পাৰ্টিৰ ৰণ-নীতি পৰিবৰ্ত্তিত হ'ল — পাৰ্টি বে-আইনি হ'ল। ছাত্ৰ নেতা-ফণী বৰা, সুচেন ভূএগ্রা প্ৰমুখ্যে প্ৰায় সকলোৱেই আত্মগোপন কৰিলে। ছাত্ৰ-ফেডাৰেশ্যনৰ অফিচ, পুলিচে খানাতলাচ চলাই বন্ধ কৰিলে, 'মিলন'ৰ প্ৰকাশনো বন্ধ হ'ল। দুয়োজনৰ লগত মই যোগাযোগ ৰক্ষা কৰি আছিলো। কটন কলেজৰ থাৰ্ড মেচৰ ৰান্ধনি ঘৰতো ভূএগ্রাই গোপনে থাকিছিল। পিছত ভৰলুমুখৰ প্ৰেছ কম্পোজিটৰ এজনৰ ঘৰত আছিল। এনে সময়তে নগাঁৱত আত্মগোপন কৰি থকা ফণী বৰাৰ লগত পাৰ্টিৰ সীদ্ধান্ত ক্ৰমে হেনা মজুমদাৰৰ বিবাহ সম্পন্ন হয়। পাৰ্টিৰ মুখপত্ৰৰ সম্পাদক দধি মহন্তই আত্মগোপন কৰাত মোৰ ওপৰত প্ৰকাশনৰ দায়িত্ব পৰে। 'নতুন অসম'ৰ কাৰ্য্যালয়লৈ নগাঁৱৰ পৰা ফণী বৰাই মোলৈ পঠোৱা গোপন পত্ৰ আহিল নগাঁৱৰ দুগৰাকী মহিলা পাৰ্টি সদস্যাৰ সুভদ্ৰাক সুচেন ভূএগ্রাই বিয়া কৰাব লাগে, আৰু নালিনীক মই গ্ৰহণ কৰিব লাগে। পাৰ্টিৰ প্ৰস্তাবটো ভূএগ্রাক জনোৱাত — "কাম নাই" বুলি হাঁহিলে মাত্ৰ। পিছত ভূএগ্রা নগাঁৱলৈ পাৰ্টিৰ কামত প্ৰেৰিত হয়। তাতেই আণ্ডাৰ গ্ৰাউণ্ড সুচেন ভূএগ্রা আৰু সুভদ্ৰা শইকীয়াই ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা বহা পাৰ্টি মিটিঙত বিৱাহ-খতত চহী কৰিলে। ১৯৫১ চনত হাতীচোং মৌজাৰ গেডাৰবড়ি গাঁৱৰ শ্ৰীযুত পোৱাল শইকীয়াৰ ঘৰত সুচেন ভূএগ্রা গ্ৰেপ্তাৰ হয়। সুভদ্ৰা সেই দিনা তাত নাছিল কাৰণে গ্ৰেপ্তাৰৰ পৰা হাত সাৰিলে। (সুভদ্ৰা নগাওঁ টাউনৰ ঘৰত আছিল।)। শ্ৰীযুত পোৱাল শইকীয়া আৰু তেখেতৰ পুত্ৰ নীলাম্বৰক মই নগাঁও জেলত পাইছিলো, পাৰ্টি সদস্য আছিল, সুভদ্ৰাৰ খুড়াক। ১৯৫২ চনত সুচেন ভূএগ্রা জেলৰ পৰা ওলায়।

স্বাধীনতাৰ আগে পিছে এটা যুগত সুচেন ভূঞাই ছাত্ৰ-আন্দোলন আৰু হালোৱা-হজুৱা বনুৱাৰ সংগ্ৰামত দি যোৱা অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আমি তেখেতৰ নিচেই ওচৰত আছিলোঁ কাৰণে জানো যে ১৯৫২ চনৰ পিছৰ কালছোৱাত পাৰ্টি সভ্য নহ'লেও পাৰ্টি আৰু পাৰ্টি সভ্যসকলৰ প্ৰতি তেখেত আছিল সহৃদয়ী বিপদকালত পুৰণা কমৰেড্ সকলকো যি পাৰে দুপইচা দি সহায় কৰে বুলি মই ব্যক্তিগতভাৱে জানো। তদুপৰি নিজৰ জন্মস্থান কামপুৰতো তেখেতে অনুষ্ঠান নিৰ্ম্মানত সহায় কৰিছে। স্বাস্থ্য ভালে থকা অৱস্থাত পাৰ্টিৰ সভাত উপস্থিত থাকি নতুন পুৰুষক উৎসাহ যোগাই আছে। এই বছৰৰ জুলাই মাহৰ ২৯ তাৰিখে তেখেতৰ একাশীবছৰ পূৰ্ণ হ'ব।

অকুণ্ঠচিত্তে এই সুচেন ভূঞা, সুভদ্ৰা ভূঞা দম্পতিৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰিলোঁ। ❑

লেখক বিশিষ্ট বামপন্থী কৰ্মী, সমাজসেৱক

ভূঞাদেৱৰ জন্মদিন উপলক্ষে একাষাৰ

সভাৰাম মজুমদাৰ

যৌৱনকালতে গুৱাহাটীৰ স্থায়ী বাসিন্দা হোৱা প্ৰবীণ আইনবিদ অসমৰ প্ৰাক্তন মহাধিবক্তা সুচেন্দ্ৰ নাথ ভূঞাৰ কামপুৰৰ কপিলী নৈৰ পাৰৰ নিজনাৰিকলি গাঁৱত ১৯২৪ চনত জন্ম হয়। স্বাধীনচিতীয়া আৰু সত্যবাদী ভূঞাই গাঁৱৰ পৰিৱেশত কপিলীত সাঁতুৰি-নাদুৰি, দিঘলী বিলৰ পদুম, ভেট, শেলেকু, মকৰা আৰু ইকৰাৰ ধেতু- খাই ফুৰা বন্ধুবৰ্গৰ সৈতে কৈশোৰ অতিক্ৰম কৰে। শৈশৱতে মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈয়ো ১৯৩৮ চনত নগাঁও জিলাৰ একমাত্ৰ এম, ই, বৃত্তি লাভ কৰি নগাঁও বালক চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। এনেতে ভূঞাদেৱৰ বিপ্লৱী অন্তৰখনে বামপন্থী শ্ৰমিক-কৃষক সভা, নাৰী সংঘ আৰু ছাত্ৰ ফেডাৰেচনৰ সংগঠনত সোমাই পৰে। ছাত্ৰ ফেডাৰেচনৰ নেতৃত্ব দিয়াৰ লগতে কৃষক শ্ৰমিকৰ শোষণ বঞ্চনাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছিল আৰু দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰিছিল। কিন্তু ১৯৪৭ চনত ভাৰতবৰ্ষই ৰাজনৈতিক স্বাধীনতাহে লাভ কৰিলে। প্ৰকৃততে অৰ্থনৈতিক স্বাধীনতা নহ'ল। সেই কথা উপলব্ধি কৰি অৰ্থনৈতিক স্বাধীনতাৰ বাবে সশস্ত্ৰ সংগ্ৰাম কৰি ভাৰতবৰ্ষত সমাজবাদী সমাজ গঢ়াৰ সংগ্ৰামত জড়িত হৈ পৰে। সেই সময়ত তেখেতৰ মূৰৰ মূল্য ২৫০ টকা। কোনো লোকে ধৰাই দিলে চৰকাৰে ২৫০ টকা মাননী দিব। শেষত ১৯৫১ চনত ভূঞাক গ্ৰেপ্তাৰ কৰাত ১৪ মাহ জেলত থাকিবলগীয়া হয়।

ভূঞাই জীৱনৰ সোণালী দিনবোৰত অজ্ঞাতবাস আৰু সংগ্ৰামী জীৱন কটাইছিল। সৰ্বহাৰাৰ দলত থাকি আৰ্থিকভাৱে জুৰুলা হৈছিল। টিউচন কৰি বহু কষ্টেৰে বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী আৰু আইনৰ ডিগ্ৰী লৈছিল। গোটেই অসমত তেতিয়া মাষ্টাৰ ডিগ্ৰীধাৰীলোক আছিল আঙুলিৰ মূৰত লিখিব পৰা। প্ৰশাসনীয় বিষয়াৰ চাকৰিয়ে খেদি ফুৰোতেও তেখেতৰ স্বাধীনচিতীয়া মনে তাক হেলাৰঙে প্ৰত্যাখ্যান কৰে আৰু উচ্চ ন্যায়ালয়ত ওকালতি কৰিবলৈ লয়।

ছাত্ৰ অৱস্থাতে সমাজবাদী আদৰ্শত দীক্ষিত হৈ সামাজিক দায়বদ্ধতাৰে পৰিপূৰ্ণ হয়। সেয়ে সমাজৰ শোষিত, দলিত আৰু নিষ্পেষিত সকলৰ বাবে অন্তৰ সদায় কান্দি আছিল। তেখেত দুখীয়া-নিচলা জনগণৰ বাবে কান্দিব পৰা এখন বিশাল হৃদয়ৰ অধিকাৰী। কোমল অন্তৰৰ লোকজনে জীৱিকাৰ বাবে এসময়ত গুৱাহাটীতে স্থায়ীভাৱে বাস কৰিবলৈ লয় যদিও দেহটোহে গুৱাহাটীত আছিল। তেখেতৰ মনটো অহৰহ জন্মস্থান কামপুৰত আৱদ্ধ আছিল। নিজৰ জন্মস্থান কামপুৰৰ বাবে কিবা কৰাৰ এক অদম্য হেঁপাহে সদায়েই তেখেতক কামপুৰলৈ টানি আনে। কামপুৰৰ উন্নতিৰ বাবে গুৱাহাটীতে বাস কৰিবলৈ লোৱা কামপুৰৰ সু-সন্তানসকলক একেলগ কৰি গুৱাহাটী কামপুৰ উন্নয়ন সমিতি গঠন কৰে। এই উন্নয়ন সমিতিৰ জৰিয়তে কামপুৰত মহকুমা গঠনৰ বাবে কেইবাবাৰো স্মাৰক পত্ৰ প্ৰদান কৰিছে। যোৱা ৩০/১০/২০০১ ত কামপুৰত মহকুমা দাবী সমিতি গঠন কৰাই অঞ্চলটোৰ ভিতৰুৱা গাঁওবোৰত জনমত গঠন কৰাৰ লগতে বিভিন্ন সময়ত মুখ্য মন্ত্ৰী আৰু অন্যান্য উৰ্দ্ধতন মহলত স্মাৰক পত্ৰ দি নায্য দাবী তুলি আহিছে। তেখেতৰ চেষ্টাত কামপুৰত উত্তৰ পূৱ পৰিষদৰ গড়কাপ্তানি বিভাগৰ কাৰ্যালয়টো স্থায়ীভাৱে ৰখাৰ ব্যৱস্থা কৰা হয়। গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ সভাপতি হিচাপে তেখেতৰ নেতৃত্বত কামপুৰ অঞ্চলৰ ৰাস্তাপথৰ উন্নয়ন, কামপুৰ চেনিকলৰ উন্নতিৰ হকে, কামপুৰ ডাকবঙলাটো উন্নত কৰা, কামপুৰক কেন্দ্ৰ কৰি এটা বিধানসভা সমষ্টি কৰা, কামপুৰত ষ্টেট বেঙ্কৰ শাখা খোলা, কামপুৰত উপকোষাগাৰ প্ৰতিষ্ঠা কৰা, হাকিম মুনচিফ কৰ্টৰ ব্যৱস্থা কৰা, ৰেল লাইনত অভাৰব্ৰীজ দিয়া আৰু কামপুৰৰ দুখীয়া জনসাধাৰণে গুৱাহাটীত কম আয়াসতে থাকিব পৰাকৈ এটি কামপুৰ ভৱন প্ৰতিষ্ঠা কৰা আদি বিভিন্ন কাৰ্যসূচী লোৱা দেখা গৈছে।

সভাই সমিতিয়ে তেখেতে কয়, "কামপুৰ থাকিলে আমি থাকিম। কামপুৰ গ'লে আমাৰ অস্তিত্ব নেথাকিব। আমি আমাৰ দাবীবোৰ বাৰে বাৰে জনাই থাকিম। কোনো দল বা ৰাজনীতি আমাৰ বাধা হ'ব নালাগিব। কামপুৰক মহকুমা ঘোষণা কৰিবলৈ প্ৰয়োজন হ'লে আন্দোলন কৰা হ'ব।" কামপুৰক মহকুমা হিচাপে পাবলৈ তেখেতে প্ৰচণ্ড আশা বুকুত বান্ধি লৈ শয়নে সপোনে তাকে দেখে। কামপুৰৰ অনুষ্ঠানসমূহৰ উন্নতিৰ বাবে তেখেতে বিভিন্ন অনুষ্ঠানলৈ সাধ্যানুসাৰে দান বৰঙনি আগবঢ়াই আহিছে। কামপুৰ উচ্চতৰ

মাধ্যমিক বিদ্যালয়ত চাৰি লাখ, কামপুৰ জাতীয় বিদ্যালয়ক নিজাকৈ তিনি লাখ দিয়াৰ উপৰি সাংসদ ড° মনমোহন সিঙৰ পৰা পাঁচলাখ, কামপুৰ ছোৱালী হাইস্কুলক পঞ্চাশ হেজাৰ, কামপুৰ মহাবিদ্যালয়ৰ পুথিভঁৰালৈ দহ হাজাৰ টকা দিয়াৰ উপৰি প্ৰায় কেবালাখ টকাৰ এটা প্ৰেক্ষাগৃহৰ আঁচনি লৈ তাৰ নিৰ্মাণৰ কাম চলাই আছে। ইয়াৰোপৰি ৰত্নাৱলী নামঘৰত আৰু নিজনাৰিকলিত নামঘৰ দুটাত শকত ধন দান-বৰঙণি আগবঢ়াইছে। তেখেতৰ আদৰ্শত অনুপ্ৰাণিত হৈ প্ৰয়াত ঘন লস্কৰৰ পৰিয়ালে বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক কেবালাখ টকাৰে ঘন লস্কৰ ভৱন নিৰ্মাণ কৰিছিল। এনে প্ৰক্ৰিয়া ত্বৰান্বিত হ'লে কামপুৰৰ উন্নতি যে দ্ৰুততৰ হ'ব সি ধুৰূপ। কামপুৰক লৈ ভূএগাদেৱে ৰচা সপোনবোৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ভগৱানে যেন তেখেতক সু-স্বাস্থ্য, দীৰ্ঘজীৱন আৰু শক্তি দিয়ে তাৰবাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ❑

লেখক কামপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ।

দেউতাৰ আলহী

মালতী শইকীয়া

২০০২ চনৰ ২০ এপ্ৰিল তাৰিখে কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত সন্মানীয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰাদেৱৰ সুযোগ্যা পত্নী শ্ৰীমতী সুভদ্ৰা ভূএগ্ৰা আইৰ নামত দান দিয়া শিক্ষক-শিক্ষয়িত্ৰী জিৰণী ভৱনটো উদ্বোধনী সভা অনুষ্ঠিত কৰিব বুলি মোৰ স্বামী ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীপুনিৰাম শইকীয়াদেৱে ডিফুৰ বিশিষ্ট ব্যক্তি সকললৈ পঠোৱা নিমন্ত্ৰণী পত্ৰসমূহ বিলোৱাৰ দায়িত্ব মোৰ ভাগত পৰে। মোৰ স্বামীৰ প্ৰথম কৰ্মস্থলীৰ বিশিষ্ট ব্যক্তিসকলক মই ভালদৰে জানিছিলো বাবেই হয়তো মোৰ ভাগত এই গধুৰ দায়িত্ব পৰে। মনটো ব্যগ্ৰ হৈ পৰিল— কোন এই কামপুৰৰ বিশিষ্ট ব্যক্তি যাক মই সৰুৰেপৰা জনা নাছিলো (কাৰণ মই কামপুৰৰ জীয়ৰী)। লগ পোৱাৰ হেঁপাহ যদিও অধীৰ আছিল তথাপি মনত অত্যন্ত আনন্দ লভিলো। কিয়নো অনুষ্ঠান গঢ়োতা মোৰ স্বামীৰ হাতেৰে আনৰ দানৰ দ্বাৰা হ'লেও কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যলয়ত শৈক্ষিক পৰিৱেশ উন্নয়নৰ বাবে প্ৰথম পদক্ষেপ হিচাপে অনুষ্ঠান গঢ়াৰ পৰিচয় কামপুৰীয়া ৰাইজক দিব পাৰিব। ডিফুবাসী ৰাইজে এতিয়াও মোৰ স্বামীৰ দায়িত্ব আৰু কৰ্তব্যবোধ শ্ৰদ্ধাৰে সোঁৱৰে। শ্ৰদ্ধেয় শ্ৰীযুত ৰতন ক্ৰ' বৰদেউতাৰ আশিসধন্য হৈ নিজকে গঢ়াৰ লগতে অনুষ্ঠান সমূহ এটাৰ পিচত এটাকৈ গঢ় দি কাৰ্বি আংলং জিলাত ভোটাতৰা হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল। মোৰ অত্যন্ত দৃঢ় বিশ্বাস আছিল যে মোৰ স্বামীৰ হাতৰ পৰশ য'তেই পৰিছে সি সুন্দৰকৈ গঢ় লৈ উঠিছে। মাজু ল'ৰাৰ ডিফু ডনবস্কো' বিদ্যালয়ত পঢ়া-শুনাৰ প্ৰতি যত্নবান হোৱাৰ বাবে শ্ৰীযুতা সুভদ্ৰা ভূএগ্ৰা ভৱনৰ দ্বাৰ উন্মোচন অনুষ্ঠানত অংশগ্ৰহণ কৰিব নোৱাৰিলেও স্বামীৰ পৰাই ফোনযোগে সকলো খবৰ পাই আনন্দ লভিলো আৰু দাতা শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰা আৰু শ্ৰীমতী সুভদ্ৰা ভূএগ্ৰা আইক দেখা পোৱাৰ অদম্য হেঁপাহমনত পুহি ৰাখিলো। মোৰ হেপাহ বাস্তৱত ৰূপায়িত কৰাত মোৰ স্বামীয়ে সহায় কৰিলে।

২০০৩ চনত কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত এটি বিনামূলীয়া স্বাস্থ্য সেৱা শিৱিৰ অনুষ্ঠিত হয়। স্বনামধন্য চিকিৎসক দেউতাৰ জোঁৱাই আৰু জী— ডাঃ সুভাষ খান্না আৰু ডাঃ স্বাগতা ভূএগ্রা খান্নাৰ অধীনত এটি ১৬ জনীয়া চিকিৎসকৰ দল কামপুৰলৈ আহি প্ৰায় ২ (দুই) লাখ টকা মূল্যৰ ঔষধ-পাতিৰ উপৰিও চিকিৎসা সেৱা আগবঢ়ালে। কামপুৰীয়া দুখীয়া ৰাইজৰ বাবে ই এটি মহান অৱদান। স্বাস্থ্যসেৱাৰ লগত জড়িত ডাঃ সুভাষ খান্নাদেৱৰ লগত অহা চিকিৎসকৰ দলটি চিকিৎসাসেৱা আগবঢ়াই গুৱাহাটী অভিমুখে ৰাওনা হ'ল। শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্রা আৰু শ্ৰীমতী সুভদ্রা ভূএগ্রা আই সেই ৰাতিটো কামপুৰতে থকাৰ মনস্থ কৰাত কামপুৰ ডাকবঙলাটো সিমান সুবিধাজনক নোহোৱাত আমাৰ আধা বনোৱা ঘৰটোত ৰাতিটোৰ বাবে ব্যৱস্থা কৰা হ'ল। মনত অত্যন্ত ভয়, সংশয়। কিয়নো ইমান ডাঙৰ মানুহ কাহানিও দেখা নাই বা লগ পোৱা নাই। তথাপিও স্বামীৰ নিৰ্দেশমতে কামত অগ্ৰসৰ হ'লো। ৰাতিটোৰ বাবে খোৱা-লোৱাৰ, বিচনা-পাতিৰ ব্যৱস্থা কৰিলো। নিৰ্দিষ্ট সময়ত দেউতা আৰু আই আহি পোৱাত সেৱা জনালো। মনৰ হেঁপাহেৰে আশীৰ্বাদ দিলে। তেখেত সকলক খোৱা-লোৱাৰ সকলোতে ছাঁটোৰ দৰে লগত থাকি ৰাতিটো কটালো। নিজ পিতৃ-মাতৃক সেৱা কৰাৰ দৰে তেখেতসকলক সেৱা-শুশ্ৰষা কৰাত যাবৰ সময়ত মূৰত হাত তুলি আশীৰ্বাদ দিলে 'সুখী হোৱা'। ইমান ডাঙৰ মানুহ যে ইমান সহজ-সৰল আৰু বহল মনৰ হ'ব পাৰে মই কল্পনাই কৰা নাছিলো। সেইয়া মোৰ স্বামীৰ সহযোগত তেখেতসকলৰ লগত প্ৰথম পৰিচয়। পিছদিনাখন তেওঁলোক গুৱাহাটীৰ নিজ ঘৰলৈ বুলি ৰাওনা হ'ল। বুকুখন উদং হৈ গ'ল। বিয়াৰ পিছত যেন পিতৃ-মাতৃয়ে নিজ ছোৱালীৰ ঘৰত এসাজ খাই একাজলী আশীৰ্বাদ দি গ'ল, মনত এনে ভাব হ'ল।

ইয়াৰ পিছত মোৰ স্বামীৰ লগত তেখেতসকলৰ আমবাৰীৰ বাসভৱনলৈ গৈ আকৌ জীয়াৰী স্নেহ আয়ত্ব কৰিবলৈ সক্ষম হ'লো। যোৱা ইং ২২ ফেব্ৰুৱাৰী ২০০৫ তাৰিখৰ পৰা মোৰ মাজু ল'ৰা শ্ৰীমান মৃন্ময়ৰ পৰীক্ষা আৰম্ভ হয়। ল'ৰাৰ একান্ত হেঁপাহ তাৰ পৰীক্ষাৰ সময়ত মই তাৰ লগত থাকিব লাগে। ক'ত থাকিম তাকে লৈ চিন্তাত পৰিলো। মোৰ বহুজন আত্মীয়ৰ ঘৰ গুৱাহাটীত আছে যদিও তেওঁলোকক অসুবিধা দিয়াৰ ইচ্ছা

নকৰিলো। স্বামীৰ লগত আলোচনা কৰি শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰাদেউতাৰ লগত ফোনযোগে কথা পতা হ'ল। তেখেতে একে আষাৰতে মোক তেখেতসকলৰ ঘৰত থকাৰ প্ৰস্তাৱ দাঙি ধৰাত ভালো লাগিল আৰু মনে মনে ভয়ো উদয় হ'ল। কেনেদৰে থাকিম অসমৰ নক্ষত্ৰ শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰাদেউতাৰ ঘৰত।

তথাপি মোৰ বৌ শ্ৰদ্ধেয়া শ্ৰীমতী ৰূপালী শইকীয়াক লগত লৈ ২০ ফেব্ৰুৱাৰী ২০০৫ তাৰিখে ৰেলযোগে গুৱাহাটী পালোগৈ। বৌৰ সাহসত মহীয়ান হৈ গুৱাহাটী কলেজৰ অধ্যক্ষা ডাঃ পাৰুল বাইদেউৰ ঘৰ পালো। বাইদেউৱে নিজৰ ভগ্নীৰ দৰে সাৰটি ল'লে আৰু ৰাতিটোৰ বাবে বাইদেউৰ ঘৰতে ৰাখি পৰীক্ষাৰ দিনকেইটা বাইদেউৰ ঘৰতে থকাৰ প্ৰস্তাৱ আগবঢ়ালে। সেইদিনা বাইদেউৰ ঘৰতে থাকি বাইদেউৰ লগত সৰু-সুৰা কেইটামান বজাৰ কৰিলো আৰু বাইদেৱে পিছদিনা মোৰ ভনী জ্যোতিৰ ঘৰত থৈ আহিলগৈ। জ্যোতিৰ ছোৱালী কেইজনীৰ পৰীক্ষা চলিব বুলি জানিব পৰাত এটা ৰাতি কোনোমতে থাকি ২২-২-০৫ তাৰিখে শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰা দেউতাৰ ঘৰ পালোগৈ। অতি হেঁপাহেৰে মোক ভিতৰলৈ লৈ গৈ মোৰ বাবে থকাৰ কোঠালীত মোক প্ৰৱেশ কৰালে। মোৰ মনৰ ভয়টো লাহে লাহে কমি আহিবলৈ ধৰিলে।

পিছত দেউতা আৰু আই দুয়োয়ে মূৰত হাত থৈ আশীৰ্বাদ দিলে আৰু নিজৰ জীয়াৰীৰ প্ৰতি থকা অন্তৰৰ সকলো মৰমেৰে মোৰ অন্তৰ উপচাই পেলালে। মই ক্ষন্তেকৰ বাবে হ'লেও পাহৰি পেলালো সঁচাকৈয়ে মোৰ নিজৰ আই-বোপাইৰ ঘৰত আছোনে অসমৰ নক্ষত্ৰ স্বৰূপ দানবীৰ শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূএগ্ৰা দেউতাৰ ঘৰত আছো। প্ৰতিটো মূহুৰ্ত্ততে মোক সুধে কি খাব, কি দিম ইত্যাদি প্ৰশ্ন। কি অপূৰ্ব নিদৰ্শন তেখেতসকলৰ অতিথি পৰায়ণতাৰ। মই অভিভূত হ'লো। পৰিচয় কৰাই দিলে তেখেতসকলৰ বোৱাৰী শ্ৰীলনী ভূএগ্ৰা আৰু পুত্ৰ শ্ৰদ্ধেয় শ্ৰীউজ্বল ভূএগ্ৰাৰ লগত আৰু নাতিনী লুনাৰ লগত।

কিযে মিলন! ইয়াতে ক্ষান্ত নাথাকি ঘৰত তেখেতসকলক সহায় আগবঢ়োৱা আৰতি বাঈ আৰু মিনা বাঈৰ লগতো চিনা-পৰিচয় কৰাই দিলে। তেওঁলোকে মোক শ্ৰদ্ধেয় ভূএগ্ৰাদেৱৰ নিজা পৰিয়ালৰ এগৰাকী সদস্য হিচাপে

গণ্য কৰি মোৰ আলপৈচানত ব্যস্ত হ'ল। মাজে মাজে দেউতা আৰু আয়ে মোক ৰান্ধনীঘৰটোৰ লগতো পৰিচয় কৰি দি নিজেও যাতে সময়ত খোৱাৰ ব্যৱস্থা কৰি ল'বলৈ কুণ্ঠাবোধ নকৰো তাৰ বাবে পৰামৰ্শ দিলে। দেউতাৰ বোৱাৰী শ্ৰীমতী লনী ভূঞা আহি পৰিচয় হোৱাত আত্মীয়তাৰে মোক আদৰি ল'লে। দেউতা আৰু আই দুয়ো মোক লৈ সুখী হোৱাৰ উমান পালো আৰু সেই কথা নিজৰ বোৱাৰী, জীয়ৰীৰ আগত প্ৰকাশ কৰাত ই সত্য প্ৰমাণিত হ'ল।

পো-নাতিনী লুনা ভূঞা বৰ মৰম লগা নাতিনী। তেওঁৰ মিঠা মাতে মোক এতিয়াও আমনি কৰে। দেউতাৰ ঘৰত থকাৰ সময়তে ডাঙৰ জোঁৱাই স্বনামধন্য ডাঃ সুভাষ খান্না, জীয়ৰী ডাঃ স্বাগতা ভূঞা খান্না , সৰু জোঁৱাই শ্ৰীবিষ্ণুপ্ৰসাদ দাস, জীয়ৰী ডাঃ জ্যোতি ভূঞা দাস আৰু মাজু জীয়ৰী অধ্যাপিকাৰ লগত পৰিচয় কৰাই দিলে। তেখেতসকলৰ পৰা পোৱা আদৰ আৰু স্নেহে মোক আপ্লুত কৰি তুলিলে। বহুগুণৰে গুণী তেখেতসকল।

দেউতাৰ ঘৰৰ ৰান্ধনী আৰতিয়ে ৰন্ধা বিভিন্ন ব্যঞ্জন মই তৃপ্তিৰে খালো। বৰ মৰম লগা আৰতিজনী। ঘৰৰ বনকৰা মিনাই কাপোৰ-কানি ধুই মেলি দেউতাৰ জীয়ৰী ৰূপে গণ্য কৰিলে। প্ৰতি মূহুৰ্ত্ততে মোৰ সুবিধা-অসুবিধাৰ খবৰ লৈ থাকে কিবা কৰি দিব লাগিব নেকি? কামৰ বাবে ইমান হেঁপাহ। দেউতাৰ পুত্ৰ উজ্বল ভূঞাদেৱৰ ঘৰৰ বনকৰা ফুলবাইয়ে আৰতিৰ অনুপস্থিতিত মোৰ খবৰ লৈ থাকে। মোক কিবা কৰি দিয়াৰ হেঁপাহ। দুদিনধৰি আমাৰ বাবে ভাত আনি আমাক সেৱা কৰিছিল। গুণীৰ লগত থাকিলে সকলো যে ভাল গুণী হয় তাৰ ই সুন্দৰ আৰু জ্বলন্ত প্ৰমাণ।

এনেদৰে দিনবোৰ বাগৰিল। সময়বোৰ, দিনবোৰ কেনেদৰে গ'ল গমকে নাপালো। ঘৰলৈ আহিবৰ সময়ত দেউতা আৰু আইয়ে প্ৰশ্ন কৰিলে ইয়াত থকাত কিবা অসুবিধা পাইছে নেকি? মোৰ মনত উদয় হোৱা সংশয়টো ইতিমধ্যে নাইকিয়া হ'ল। ডাঙৰ মানুহৰ মন যে ইমান বহল আৰু গভীৰ তাক মই উপলব্ধি কৰিলো। দেউতা আৰু আইৰ মৰমেৰে অতিবাহিত হোৱা দিনবোৰ যেন তেনেই ছুটি যেন অনুভৱ হ'ল।

ল'ৰাৰ পৰীক্ষা শেষ হোৱাত ৰাতি Intercity ৰেলেৰে ঘৰলৈ ওভতাৰ কথা দেউতা আৰু আইৰ আগত ব্যক্ত কৰিলো। দেউতাই তপৰাই সুধিলে—

ইয়াত কি অসুবিধা পাইছা যে তুমি ৰাতিয়েই যাবলৈ ওলাইছা? মোৰ দুচকুৰে চকু পানী বৈ আহিল। নিজ পিতৃৰ বিয়োগৰ পিছত এই আন এজন পিতৃৰ অকুণ্ঠ মৰম। সেই মৰমৰ বান্ধোনত বান্ধ খাই মই উত্তৰ দিবলৈকে পাহৰি গৈছিলো। এনে এক অতিথিপৰায়ণ, দানবীৰ, সুচিন্তক মহান ব্যক্তি আৰু আইৰ সান্নিধ্যই মোক অন্য এখন পৃথিৱীলৈ লৈ গ'ল। য'ত কেৱল আছে মৰম, মানৱসেৱা আৰু মানুহক ভালপোৱা এখন বিশাল অন্তৰ।

২২-৩-০৫ তাৰিখে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ অন্তত মোৰ মাজু ল'ৰা শ্ৰীমান মৃন্ময়ক হোষ্টেলৰ গৰাকী শ্ৰীমতী জুৰি চাংকাকতিৰ হাতত গতাই সন্ধ্যা ৭ বজাত দেউতাৰ ঘৰ পালো। হোষ্টেলৰ গৰাকী শ্ৰদ্ধেয় শ্ৰীযুত দিগন্তপ্ৰাণ চাংকাকতি আৰু শ্ৰীমতী জুৰি চাংকাকতি বৰ অতিথিপ্ৰিয়। হোষ্টেলৰ ল'ৰা কেইটাকো নিজৰ ল'ৰাৰ দৰে লালন-পালন কৰি ৰাখিছে। আজি দুই বছৰে মই ইয়াৰ প্ৰমাণ পাই আহিছো। ৰাতি ১০:০০ বজাত হোষ্টেলৰ গৰাকিনী শ্ৰদ্ধেয়া শ্ৰীমতী চাংকাকতিৰ পৰা দেউতাৰ ঘৰলৈ ফোন আহিল। ল'ৰাৰ ভীষণ এলাৰ্জি হৈছে। তেওঁলোকে ভয় খাই ফোন কৰিলে। এতিয়া মোৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। ক'লৈ যাম, কি কৰিম? কেনেদৰে ল'ৰাৰ চিকিৎসা কৰা যাব? শ্ৰদ্ধেয় শ্ৰীযুত ভূঞা দেউতাই গম পাই লগে লগে ডাক্তৰ সৰু জোঁৱাই আৰু জীলৈ ফোন কৰিলে। তেওঁলোকক লগ নাপাই Medicine ৰ Head ৰ লগত আলোচনা কৰি ঔষধৰ নামটো লিখি আকৌ ফোনেৰে হোষ্টেলৰ গৰাকীক জনোৱাত তেখেতসকলে কামপুৰৰ কৃতী ছাত্ৰ শ্ৰীমান কৃশানু প্ৰতিম বৰাৰ হতুৱাই ঔষধ কিনি খুওৱাত ল'ৰাই আৰাম পালে আৰু ময়ো সকাহ পালো। ৰাতিপুৱাই কামপুৰলৈ অহাৰ কথা আছিল যদিও অহা নহ'ল দেউতাৰ পৰামৰ্শমতে। দেউতাৰ এই মহান গুণৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। তেখেত অকল অতিথিপৰায়ণেই নহয় মানৱসেৱাৰ প্ৰতি তেখেত অটল অনুৰাগী।

১৩-৩-০৫ তাৰিখে দেউতা শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ ভূঞা আৰু আই শ্ৰীমতী সুভদ্ৰা ভূঞা, বোৱাৰী শ্ৰীমতী লনী ভূঞা আৰু পো-নাতিক মাত লগাই মনত এক মধুৰ স্মৃতি লৈ নিজ গৃহ অভিমুখে ৰাওনা হ'লো। লগত লৈ আহিলো দেউতা, আই আৰু পৰিয়ালবৰ্গৰ অপৰিসীম মৰম, স্নেহ, ভালপোৱা

আৰু আশীৰ্বাদ। এই আশীৰ্বাদ যাতে সদায় মোৰ শিৰত থাকে তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

দেউতাৰ ৮১ তম জন্মদিৱসত মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে দেউতা আই আৰু ঘৰৰ সকলোৰে সু-স্বাস্থ্য, দীৰ্ঘায়ু আৰু কৰ্মঠ কৰক, যাতে আমি অসম তথা কামপুৰবাসীয়ে আৰু বহুখিনি পাওঁ।

সৰ্বশেষত শ্ৰদ্ধেয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ জন্মদিৱস উদ্‌যাপন সমিতিৰ মাননীয় সদস্যবৃন্দ আৰু কৰ্মকৰ্তা সকলক এই মহান কাৰ্যৰ বাবে মোৰ শ্ৰদ্ধা নিৱেদন কৰিছোঁ। ❑

লেখিকা কামপুৰৰ এগৰাকী সমাজসেৱিকা।

কামপুৰ বন্দনা

বিশ্বনাথ ভূঞা

(১)

কামপুৰ-কামপুৰ
নানা ৰসে ভৰপূৰ
কপিলী-গঙ্গাৰ এক সুবিশাল সমভূমি
একালৰ 'কামৰূপ'
ইকালৰ কামপুৰ
দুয়োটি নামেৰেই এক ঐতিহ্যৰ পটভূমি।

(২)

কতনো বুৰঞ্জী
কত কিংবদন্তী
কাৰ্বিৰ লাংক্লাং নদীৰ পাৰৰ
কামনা-বাসনা পূৰ
এয়ে হ'ল কামপুৰ
প্ৰেমৰ মিলন ভূমি হিড়িম্বা-ভীমৰ।

(৩)

কত গাঁও উপগাঁও
তিৱা গাঁও শিখ গাঁও
ইতিহাসে গ্ৰাস কৰা কতখন বহু গাঁও
কত জাতি উপজাতি
মিলনৰ ৰহ-ঘাটি
দেখা পাও ক'ত ছবি যদিহে উভতি চাওঁ।

(৪)

After the festival as per the advice of Dr. Bhubaneswar Baruah, the entire expenses and accounts were audited by a chartered accountant firm, M/s Chaki & co. The balance sheet showed outstanding dues to be paid to various persons and firms. M/s Labanya Press was to be paid more than Rs.75. One Mr. Roy, who supplied the trophies, was to be paid more than Rs. 1,000. We owed heavily to the caterer Radha Sarma, (since deceased) more than Rs. 4,000. Also more than Rs. 1000 became due to M/s Ananda Bhandar owned by Jilika Ram Das since deceased for tea etc. in the rehabilitation came, Sarma served excellent food a heavy breakfast with egg, bread-butter, sweet, plaintain, tea etc. Lunch was light but substantial and the dinner was rich. At our request, except Radha Sarma, others wrote off the amounts. We realised that it was not possible for Mr. Sarma to forgo the amounts

which was heavy. Dr. Bhubaneswar Baruah came to rescue. He prevailed upon the government to allot the catering of the Guwahati Circuit House to Mr. Radha Sarma and it compensated his loss. He ran the catering for a number of years.

The Festival

It was in the first week of Feburary, 1955, the festival started with the march-past organised and led by Mr.Surendra Nath Baruah and Mr. Abani Gohain Baruah since deceased both efficient NCC cadets. Twenty two tents from the NCC were fitted on the field one for each participating college. His Excellency, the Governor of Assam, Jayram Daulatram, took the salute in the march-past which was a marvellous one. Post Graduate University classes team came out 1st. Dhanmanjari College (Imphal) second and Cotton College occupied 3rd position. After march-past, the games and sports started in Olympic style. I still remember a few persons who came out with flying colours. Mr. Narayan Borah of Nagaon College was adjudged the fastest runner, while amongst the ladies Mrs. Deepali Barkakaty (later on Dr. Deepli Dutta) of Assam Medical College occupied the first position in the race. Mr Bhaba Bora of Nagaon College excelled in swimming. In the volleyball competition, it was again Manipur College that bagged the winner's trophy defeating MC College, Barpeta. In hockey, under the charge of my friend Mr. RV Lyndoh (who later on was selected for the IAS, served in various capacities in Assam and opted for Meghalaya when Meghlaya was created and became its Chief Secretary) St. Edmunds College (Shillong) became the winner. In badminton, Mr.Dimbeswar Konwar and Mrs. Santa Dutta (later on Mrs. Shanta Konwar by virtue of her marriage with Mr.

Dimbeswar Konwar) became the champions. In table tennis, Mr. Phani Sarma and Mr. Dulal Dutta were the winners. Almost every college theam annexed trophies either here or there.

At the end, in the last night, a grand camp fire function was organised at the Rehabilitation Camp where Dr. Bhupen Hazarika played the key role. There was dance, music etc., throughout, electrifying the entire campus. The athletes dispersed next morning carrying the massage of friendship and fraternity.

In the Law College and Post Graduate classes campus, where cultural function was held, the same was inaugurated by the then Vice-Chancellor and great scholar genious Sri K.K. Handique. Dr. Brinchi Kumar Baruah escorted him to the venue and I welcomed him at the gate of the post Graduate classes. A dignified and impressive personality, Handique kept the audience spellbound with his illuminating short speech. Dr. Brinchi Kumar Baurah, Hem Baruah (Principal of B. Baruah College) and Prof. Paragdhar Chaliha congratulated me for being able to persuade the Vice-chancellor, who maintained a high standard and made rare public appearances, to inaugurate the function.

Mr. Taffazzul Ali must be credited for taking meticulous care in making the evening functions a grand success. Finance Minister Mortiram Bora addressed the gathering on one such evening functions and exhorted the students to achieve academic brilliance and maintain a balance between studies and Sports. Mr Sarat Kumar Dutta, then legal Remembrancer, Assam and the former secretary of the University (who became Chief Justice of the High Court and then Vice Chancellor of the Kurukshetra University),came down from Shillong, enthralled the gathering with his witty humour. He

reminded the audience not to be panicky at the sight of the 'palowans' while demonstrating their physical muscles on the platfrom. Hem Baruah, principal of the B. Baruah College and prof. Paragdhar Chaliha (later on principal of the Sibsagar College) also addressed the gathering on different evenings of musical functions.

At the end, boys and girls from different colleges were given a hearty farewell. Tears rolled down their cheeks and they parted like members of one common family. Principal Hem Baruah termed me as the 'Grand Father' of the institution and Prof. Paragdhar Chaliha profusedly congratulated me for organising such a sports and cultural festival successfully.

Suggestions

The sports festival came to an end. But the friendship of the students-both of hills and plains grew.

I wrote a report about the festival which was published in the journal of the Post Graduate Students Union. I suggested that the University should form and create a 'Sports Board' for holding the festival regularly on a permanent basis. I am happy to note that University took up the matter, created a sports board and the sports festival is now held on a permanent basis.

A number of University now exist in different states of the North-East Region. The sports festival may be organised as an interunversity festival of the North-East under the management and control of the North-Eastern Council. The festival may be held once every 3 or 4 years and for that North-Eastern Council. Needless to emphasise that such a festival would foster unity, fraternity and friendship of the students in particular and the people the North-East in General. ❑

AN ADDRESS OF FAREWELL TO THE OUTGOING STUDENTS,

Post- Graduate classes, Gauhati University

Hon'ble President, Ladies and Gentlemen and our departing friends,

On such an occasion, I feel myself out of sorts to bid you good bye from our midst. But the happy future that awaits to embrace you thrills our heart and makes us jubilant. The bond of friendship that has grown amongst us due to close association in this institution for one long year will be green in our memory for years to come. I take this opportunity to present you this address on my behalf, on behalf of the executive committee, Post-Graduate student's Union and on behalf of others, on the eve of your departure from our midst.

Friends, you have the call of time and you must respond to it. Your academic career in the university is coming to an end. But the treasure of knowledge that the university imparts to you will be the perennial spring of hopes, reasons and wisdom. But sometimes acquiring of knowledge leads one to egoism and here you are to guard yourselves against such harmful tendencies. Life has its different stages. You have closed a particular chapter to usher in a new chapter of vital importance. You have just been released from the confines of the institution to the vast world stage to act. You will be judge by the test tube of grim realities. Your works for the benefit of the common people from whom we have sprung up will only enable you to leave 'foot prints on the sands of time'. Therefore, you are expected to place yourselves at the service of the people in the different walks of life. Life has its missions and purposes. It is upto how much you can fulfil the missions of your life.

The world moves fast, bringing rapid changes in its trail. To act in this ever changing world, you must be armed with the scientific outlook. When the country and the people as a whole will not prosper you can hardly expect any betterment on your

part. The problem of educated unemployment is looming large before us. The struggle for existence of life is daily growing acute. Only united efforts with close co-operation of the people can give a way out. You are amongst those few who have the privillege to aspire for higher education. Have you not responsibilities towards those people who are in darkness and distress? Who, if not you will reflect the rays of hope of life on them. University education must widen your outlook to this effect with progressive orientation. I may humbly remind you of the heroic and glorious examples all over the world to act as the pioneers. I have reasons to expect magnificient achievments from you.

The world stands to-day threatened with global destruction due to the invention of deadly war weapons like Atom Bombs and Hydrogen Bombs. Peace is at stake. No nation, no human race can prosper when peace is not maintained. Thunderous voices of strong protest have been raised and are being raised by the people although. Prime Minister Nehru has also voiced his protest. Our university students must come forward to create and organise public opinion against the use of such deadly weapons, which constitue a great menace to world peace and civilization. Even the security of India is threatened by the conclusion of the Pak-U.S. observers in Kashmir. Military pact and existence of the foreign pockets in India and the intrigues of American observers in Kashmir. We must join in the chorus of protest against all these imperialist intrigues.

Your academic career just being over, I may commend you to the vast world where you will come in direct contact with masses. Let us strive for a happy and prosperous future.

I wish you every sucess.

Friendly your's

SUCHEN BHUYAN.

General Secretary, Post-Graduate Students' Union,

Guahati University

কামপুৰ মহকুমা হোৱাত বাধা ক'ত?

সুচেন্দ্ৰ নাথ ভূঞা

কামপুৰ এখন অতি প্ৰচীন আৰু ঐতিহ্যপূৰ্ণ অঞ্চল। নগাঁও জিলাৰ দক্ষিণাঞ্চলৰ বিস্তীৰ্ণ অঞ্চল জুৰি ইয়াত বসবাস কৰা জনসংখ্যাৰ অধিকাংশই কোঁচ, আহোম, চুতীয়া, বৰিয়া আদি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণৰে অনুন্নত পিছপৰা শ্ৰেণীৰ লোক। লালুং, কছাৰী, কাৰ্বি আদি জনজাতীয় লোকৰ উপৰি এক বুজন সংখ্যক জনসংখ্যা কৈৱৰ্ত, হীৰা, সোণাৰী তপচিলভুক্ত অনুন্নত সম্প্ৰদায়ৰ লোক। ইয়াৰ জনসংখ্যা প্ৰায় দুই লাখ পঞ্চাশ হাজাৰ। এই অঞ্চলত বসবাস কৰা হিন্দু, মুছলমান, শিখ লোকসকলে সম্প্ৰীতিৰে বসবাস কৰি আছে। কামপুৰ চাৰ্কোল এসময়ত অসমৰ ভিতৰত বৃহৎ চাৰ্কোল আছিল।

এই অঞ্চলত শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট অগ্ৰগতি হৈছে। এই অঞ্চলৰ ৰাইজৰ প্ৰধান জীৱিকাৰ পথ হৈছে কৃষি। এসময়ত এই অঞ্চলৰ ধানৰ উভৈনদী যোগানৰ ওপৰতে সমগ্ৰ নগাঁও জিলাৰ ধানৰ দৰ নিৰ্দ্ধাৰিত হৈছিল। কুঁহিয়াৰ খেতিও অন্য এক উপাৰ্জনৰ প্ৰধান আহিলা আৰু কামপুৰ চেনিকল উদ্যোগে সম্প্ৰতি একমাত্ৰ উদ্যোগ হিচাপে আছে যদিও ইয়াৰ অৱস্থা বৰ্তমান শোচনীয়। এই বিশাল কামপুৰ অঞ্চলৰ মাজতে পূণ্যস্ৰোতা বিখ্যাত কপিলী নদী বৈ গৈছে।

বৰ্তমান কামপুৰৰ চাৰিটা মৌজা জৰাবাৰী, গৰুবাট, কামপুৰ, কঠিয়াতলি সমন্বিতে বৰ্তমান জনসংখ্যা আঢ়ৈ লাখৰো অধিক। ইয়াত কলা শাখাৰ এখন মহাবিদ্যালয়ৰ বাহিৰেও প্ৰায় ত্ৰিশখন হাইস্কুল আছে। সমগ্ৰ নগাঁও দক্ষিণ অঞ্চলৰ ভিতৰত কামপুৰৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ঠ বৰঙণি আছে। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে এখন ঐতিহ্যপূৰ্ণ ঠাইত বৃহৎ অংশ বৰ্তমানেও সকলো ক্ষেত্ৰতে অতি পিছপৰা। উদাহৰণস্বৰূপে কিছুমান ঠাই যেনে শিমলুগুৰি, প্ৰমিলা, জুকুতা আদিলৈ যাতায়তৰ সুচল ব্যৱস্থা নথকাত নাৱৰেহে এই অঞ্চললৈ যাব লগা হয়।

কামপুৰ অঞ্চলৰ জনসাধাৰণৰ সুবিধাৰ কাৰণে আৰু অসম চৰকাৰৰ প্ৰশাসনিক প্ৰয়োজনীয়তাৰ ফালৰপৰাও কামপুৰ মহকুমা হোৱাটো নিতান্তই প্ৰয়োজন আৰু বাঞ্চনীয়। কামপুৰ মহকুমা ঘোষণাৰ অৰ্থে ১৯৫৬ চনতেই

শ্ৰদ্ধেয় হলধৰ ভূঞাৰ নেতৃত্বত এটি সজাতি দলে তেতিয়াৰ মুখ্য মন্ত্ৰী বিমলাপ্ৰসাদ চলিহাক সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ দিয়া হয় আৰু মুখ্য মন্ত্ৰীয়েও সু-বিবেচনাৰ আশ্বাস দিয়ে। কিন্তু আজিকোপতি কামপুৰ মহকুমা নহ'ল আৰু তাৰ অবিহনত কামপুৰ অঞ্চলৰ জনসাধাৰণৰ অসুবিধা আৰু দুখ-দুৰ্গতিৰ অন্ত পৰা নাই। সেই কাৰণে এই অভাৱ পূৰণৰ অৰ্থে ৩-৯-০১ চনত গুৱাহাটীত থকা কামপুৰবাসী সকলৰ উদ্যোগত গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি গঠন কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত এটি সজাতি দলে কামপুৰ মহকুমাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এখন স্মাৰক পত্ৰ দিয়ে। ২০০১ চনৰ ৩০ অক্টোবৰত কামপুৰতো এখন প্ৰতিনিধিত্বমূলক সভাত কামপুৰ মহকুমাৰ উন্নয়ন সমিতি গঠন কৰি অলপতে এটি সজাতি দলে মুখ্য মন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰি স্মাৰক পত্ৰ দিয়ে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে।

নগাঁও মহকুমা সদৰৰ পৰা ৬০ কিলোমিটাৰ দক্ষিণৰ কাৰ্বি আংলংৰ দাঁতি কাষৰীয়া মাইচাম, বৰপথাৰ, ৰজাগাঁও, ভকচং, শিঙিমাৰি, প্ৰমিলা, লুটমাৰি, কচুৱা, লংজাপ, পুঠিমাৰি এই বৃহৎ এলেকাৰ ৰাইজে প্ৰশাসনৰ বাবে দৌৰিব লাগে ৬০ কিলোমিটাৰ দূৰত্বৰ সুদূৰ নগাঁও চহৰলৈ। অথচ কুৰি কিলোমিটাৰ কামপুৰক এৰিয়েই নগাঁৱলৈ ধাপলি মেলি থাকিব লগা হৈছে। সমপৰিমাণৰ কামপুৰৰ পশ্চিমৰ বসুন্ধৰি, আমতলা, বোন্দোৰা, বুটিকুৰা, চাপৰমুখ, তিতাইমাৰি, কাকতিগাঁও, গুইমাৰি, বগলাজান আদি বৃহত্তৰ অঞ্চলৰ হাজাৰ হাজাৰ ৰাইজে দহ পোন্ধৰ কিলোমিটাৰ নিকটৱৰ্তী কামপুৰক এৰি পঞ্চাশ কিলোমিটাৰ নগাঁও সদৰলৈ আদালত প্ৰশাসন আদিৰ দায়ত দৌৰিব লগা হৈছে। উল্লেখিত এলেকাৰ অঞ্চলবোৰৰ বাদে আমি কামপুৰৰ দহ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ গাঁওসমূহ ইয়াত উত্থাপনৰ বিৰত থাকি আকৌ থাওকতে কৈ যোৱাৰ সমীচীন যে ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকা জনজীৱন অৰ্থনৈতিক সাংস্কৃতিকভাৱেই কামপুৰৰ লগত প্ৰতি উশাহতেই সাঙুৰ খাই আহিছে।

সকলো ফালৰ পৰা-বিচাৰ কৰি চালে কামপুৰ মহকুমা স্থাপন হোৱাৰ ন্যাযতা, যুক্তিযুক্ততা নিঃসন্দেহে অতি প্ৰয়োজনীয় বুলি অতি শীঘ্ৰে প্ৰতিষ্ঠা কৰাটো গ্ৰহণযোগ্য পদক্ষেপ। মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন অঞ্চলত মহকুমা

স্থাপন সম্পৰ্কত দাবী উত্থাপন হোৱাত এখন বিশেষ কমিটি গঠন কৰা বুলি ঘোষণা কৰে আজি প্ৰায় এবছৰৰ আগতে। সৌ সিদিনা বাতৰি কাকতত প্ৰকাশ হোৱা এটি সংবাদত মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই বুলি কোৱা কথা প্ৰকাশ পাইছে যে ৰাইজৰ মহকুমা ঘোষণা দাবী সন্দৰ্ভত এখন বিশেষ কমিটিক দায়িত্ব দিয়া হৈছে। (২০০২ চনৰ ২ জুনৰ 'দৈনিক অসমীয়া খবৰ' দ্ৰষ্টব্য)

আজি ১ বছৰ কাল ধৰি মহকুমা গঠন সম্পৰ্কে এখন বিশেষ কমিটি গঠন কৰি দিয়া হোৱা বুলি মুখ্য মন্ত্ৰীয়ে প্ৰকাশ কৰিছে যদিও এতিয়ালৈকে সেই কমিটি সন্দৰ্ভত কিমান আগবাঢ়িছে আৰু প্ৰকৃততে সেই কমিটিয়ে কাম আৰম্ভ বা প্ৰতিবেদন যুগুতাইছেনে সেই সম্পৰ্কে গভীৰ সন্দেহ আৱৰি আছে। আশা কৰা যায় অতি শীঘ্ৰে এই কমিটিয়ে দায়িত্ব পালন কৰি যুক্তিযুক্ততা আৰু ন্যায়ৰ ফালৰপৰা বিচাৰ কৰি মহকুমা গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব আৰু আমি নিশ্চিত যে নিৰপেক্ষভাৱে যুক্তি ন্যায় আৰু ৰাইজৰ সুবিধাৰ্থে বিচাৰ কৰিলে কামপুৰ মহকুমা গঠনত বাধা নাথাকিব।

কামপুৰ অঞ্চলৰ ৰাইজৰ এই সুদীৰ্ঘ দিন ধৰি মহকুমা গঠনৰ প্ৰস্তুতি বিলম্ব হোৱাৰ কোনো যুক্তি নথকা সত্বেও কিয় এই কাম হোৱা নাই? কামপুৰ মহকুমা হ'লে ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ কাৰ্যকৰী হ'ব।

তেন্তে কামপুৰ মহকুমা গঠনত তথাপিতো বিলম্ব হোৱাৰ কাৰণ হিচাপে আঙুলিয়াব পাৰি যে কামপুৰৰ নিজা কোনো প্ৰতিনিধি অসম বিধান সভাত নাই অৰ্থাৎ কামপুৰৰ অভাৱ অভিযোগৰ বা কামপুৰৰ মহকুমাৰ দাবী বিধান সভাত উত্থাপন কৰিবলৈ আৰু চৰকাৰৰ ওপৰত হেঁচা প্ৰদান কৰিবলৈ ইয়াৰ কোনো নিজস্ব প্ৰতিনিধি নাই। সেইদৰে এই অঞ্চলৰ পৰা প্ৰতিনিধি নিৰ্বাচিত হৈ মন্ত্ৰী সভাৰো কোনো সদস্য নোহোৱাৰ কাৰণে কামপুৰ মহকুমা বিষয়টোৱে উপযুক্ত ভাৱে চৰকাৰৰ ওপৰত প্ৰভাৱ পেলাব পৰা নাই। অৱশ্যে কামপুৰ অঞ্চল তিনিটা ভাগত বিভক্ত হৈ এভাগ জৰাবাৰী মৌজা, এভাগ চহৰী মৌজা ৰহা সমষ্টিত অন্তৰ্ভুক্ত হৈছে এটা ভাগ, গৰুবাট মৌজাৰ যমুনামুখ সমষ্টিত অন্তৰ্ভুক্ত হৈছে আৰু বঢ়মপুৰ সমষ্টিত অন্তৰ্ভুক্ত হৈছে। সেয়ে কামপুৰ প্ৰশাসনিক আৰু ৰাজনৈতিকভাৱে

ত্ৰিখণ্ডিত হৈছে। অৱশ্যে ৰহা, যমুনামুখ আৰু বঢ়মপুৰৰ তিনিজন এম. এল. এ. ৰ কামপুৰৰ প্ৰতি দায়বদ্ধতা আছে আৰু সেই অৰ্থতে বিধান সভাৰ এই তিনিওজন সদস্যকে কামপুৰ মহকুমা গঠন প্ৰক্ৰিয়াত উদ্যোগী হ'বলৈ অনুৰোধ জনাওঁ।

কামপুৰৰ নিজা প্ৰতিনিধিৰ অভাৱত আৰু এই অঞ্চলত নিজাববীয়াকৈ কোনো প্ৰতিনিধি নথকাত কামপুৰ অঞ্চলৰ ৰাইজে আগবাঢ়ি আহি এই দায়িত্ব মূৰ পাতি ল'ব লাগিব। কামপুৰত জনশক্তি সজাগ আৰু সচেতন হ'ব লাগিব যাতে কামপুৰ মহকুমা প্ৰস্তুতিৰ বিলম্ব নহয়। জনশক্তিৰ এই সিংহ গৰ্জনে চৰকাৰৰ ওপৰত জনসাধাৰণৰ প্ৰৱল জনমতৰ চাপ পেলাব লাগিব আৰু এই জনশক্তি গঢ়ি উঠিব লাগিব ঐক্যৰ ভিত্তিত। জনজাগৰণ আৰু জনশক্তিৰ ঐক্যই কামপুৰ মহকুমা গঠনত বাধা আঁতৰাব পাৰিব।

(কামপুৰ বাৰ্তাত প্ৰকাশিত)

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি, গুৱাহাটী

সাধাৰণ সভা

সভাপতিৰ আদৰণি ভাষণ

ইং ১০ মাৰ্চ, ২০০২ চন

ৰবিবাৰ

স্থান ঃ বিষ্ণু-নিৰ্মলা ন্যাস ভৱন
লতাশিল, গুৱাহাটী — ৩

মঞ্চত উপবিষ্ট নিমন্ত্ৰিত মাননীয় অতিথিদ্বয়, এই সমিতিৰ কাৰ্যকৰী সভাপতি, সমবেত কামপুৰৰ গুৱাহাটীবাসী ৰাইজ, কামপুৰ মহকুমা গঠন প্ৰস্তুতি সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল আৰু সন্মানিতা মহিলাসকল।

আজি এটি স্মৰণীয় দিন। কিয়নো, আজি প্ৰথম কামপুৰৰ গুৱাহাটীবাসী ৰাইজ আৰু কামপুৰৰ মিলনৰ এটি শুভ দিন। সেই উপলক্ষে আপোনালোক সকলোটিলৈকে মোৰ আন্তৰিক শুভেচ্ছা আৰু মৰমেৰে আদৰণি জনাইছোঁ।

এইখিনিতে এটা কথা উল্লেখ কৰিলে অপ্ৰাসংগিক নহ'ব যে ইং ১৯৬২ চনৰ জানুৱাৰী মাহত গুৱাহাটীত থকা কামপুৰৰ লোকসকলক একগোট কৰাৰ প্ৰচেষ্টা কৰা হৈছিল আৰু সেই উদ্দেশ্যে বশিষ্ঠত এটি প্ৰীতিভোজৰ আয়োজন কৰা হৈছিল। তাৰ পাছতে, ইং ১৯৮৫ চনত কামপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশন উপলক্ষে পাৰ্বতিপ্ৰসাদ বৰুৱা ভৱনত কামপুৰৰ গুৱাহাটীবাসী ৰাইজ সমবেত হৈ সভাত যোগদান কৰাৰ বাহিৰেও এটি শকত পুঁজিৰে সহায় কৰা হৈছিল।

সেই সময়ত এতিয়াৰ দৰে কামপুৰৰ উন্নতিৰ কথা বৰকৈ ভবা হোৱা নাছিল। এই প্ৰসংগতে কামপুৰৰ ইতিহাস, ঐতিহ্যৰ বিষয়ে এটি চমু পৰিচয় আপোনালোকৰ ওচৰত ডাঙি ধৰিবলৈ বিচৰা হৈছে।

কামপুৰ, এই নামটোৰ লগত কামপুৰৰ সকলো মানুহেই আবেগিকভাৱে জড়িত হৈ পৰে আৰু কামৰপুৰীয়া বুলি গৌৰৱ অনুভৱ কৰে। নক'লেও হ'ব যে কামপুৰ এখন অতি প্ৰাচীন ঠাই। কিংবদন্তী মতে মহাভাৰতৰ সময়ৰপৰাই ইয়াৰ জন্মলগ্নৰ আখ্যান আছে। দ্বিতীয় পাণ্ডৱ মহাবলী ভীমে বনবাসৰ সময়ত এই অঞ্চলৰে কছাৰী কন্যা হিড়িম্বাৰ লগত প্ৰণয়পাশত আবদ্ধ হৈ কামনা পূৰণ হোৱাৰ হেতুকে এই ঠাইৰ নাম কামপুৰ হয় বুলি কিংবদন্তী আছে।

বিখ্যাত প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথেও তেওঁৰ গৱেষণামূলক গ্ৰন্থত উল্লেখ কৰিছে যে— পাল বংশৰ ৰজা ধৰ্মপালে দুৰ্জয় নগৰৰ পৰা ৰাজধানী উঠাই আনি নগাঁও জিলাৰ কপিলী পাৰত বৰ্তমানৰ কামপুৰত প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত এই নগৰৰ নাম আছিল কামৰূপপুৰ নগৰ আৰু এই কামৰূপপুৰেই বৰ্তমানৰ কামপুৰ বুলি নামকৰণ কৰা হৈছে।

এসময়ত কামপুৰ কছাৰীপাৰ নামেৰেই জনাজাত আছিল। এই ঠাই ডিমাছা-কছাৰী সকলৰো বসতিপ্ৰধান অঞ্চল আছিল। ডিমাছা কছাৰী ভাষাত 'খাম' শব্দৰ অৰ্থ হৈছে চহৰ। এই দুই শব্দ যোগ হৈ কামপুৰ আৰু কালক্ৰমত ইয়াৰ নাম কামপুৰ হয়। সেই সময়ত বিশাল কামপুৰৰ অংশ হিচাপে ডবকা, কন্দলী, মাধৱপাৰা, পতিয়াপাম, চাংচকী, কছুৱা আদি বুৰঞ্জীপ্ৰসিদ্ধ অঞ্চলবিলাকক সামৰি লৈছিল। এসময়ত কামপুৰ চাৰ্কোল অসমৰ ভিতৰতে সৰ্ববৃহৎ চাৰ্কোল আছিল আৰু ই লামডিং পৰ্যন্ত সামৰি লৈছিল।

বৰ্তমানৰ কামপুৰৰ চাৰিটা মৌজা, জৰাবাৰী, গৰুবাট, কামপুৰ, কঠিয়াতলী সমন্বিতে বৰ্তমান জনসংখ্যা ৫ লাখৰো অধিক আৰু ইয়াৰ জনসংখ্যাৰ অধিকাংশই পিছপৰা অনুন্নত আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ তথা ভৈয়াম জনজাতি আৰু তপচিলভুক্ত অনুন্নত শ্ৰেণীৰ। কামপুৰ হিন্দু, মুছলমান, শিখ ইত্যাদি বিভিন্ন ধৰ্মাৱলম্বী লোকসকলৰ মিলন ভূমি। ইয়াত কলা শাখাৰ এখন মহাবিদ্যালয়ৰ বাহিৰেও প্ৰায় ৩০ খন হাইস্কুল আছে। সমগ্ৰ নগাঁও জিলাৰ দক্ষিণ অঞ্চলৰ ভিতৰত কামপুৰৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আছে। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে এনে এখন ঐতিহ্যপূৰ্ণ ঠাইৰ বৃহৎ অংশ বৰ্তমানেও সকলো ক্ষেত্ৰতে অতি পিছপৰা। উদাহৰণস্বৰূপে কিছুমান ঠাইলৈ যেনে— শিমলুগুৰি, পমিলা, যুকুতা আদিলৈ যাতায়তৰ সুচল ব্যৱস্থা নথকাত নাৱৰেহে সেই অঞ্চললৈ যাব লগা হয়।

কামপুৰ অতীজৰে পৰা এখন কৃষিপ্ৰধান অঞ্চল। ইয়াৰ মাজেদি বৈ যোৱা কপিলী নদীয়েই কামপুৰীয়া ৰাইজৰ সুখ-দুখ আৰু আশাৰ থলী। কপিলী নদীৰ বাৰিষাৰ বানে যেনেকৈ পলস পেলাই মাটি উৰ্বৰা কৰি তোলে, ঠিক তেনেকৈ ইয়াৰ প্ৰকাণ্ড বানপানীয়ে মানুহৰ বিলাই বিপত্তিৰ সীমা নাইকিয়া কৰে। এই প্ৰসংগতে ১৯৩৪ চনৰ বলিয়া বানৰ কথা উল্লেখ কৰিব পাৰি। কিংবদন্তী মতে কপিলী নদী কপিল মুনিৰ আশ্ৰমৰ পৰাই নিগৰি আহিছে। এই কপিল মুনিৰ আশ্ৰমে হোজাই, লঙ্কা, যমুনামুখ, কামপুৰ আদি অঞ্চল সামৰিছে বুলি জনা যায়। এই পুণ্যস্ৰোতা কপিলী নদী যাক কপিলী গঙ্গা বুলিও কোৱা হয়, কামপুৰৰ বিশাল অঞ্চল আৰু গাঁও-ভূঁইৰ মাজেদি বৈ গৈছে।

ভাৰতৰ মুক্তি আৰু স্বাধীনতাৰ আন্দোলনত কামপুৰৰ অৱদান স্মৰণীয়। ইং ১৯৩০ চনৰ বিদেশী বৰ্জন আন্দোলনৰ সময়ৰপৰাই ভালেমান বৰেণ্য লোক বিশেষকৈ স্বৰ্গীয় ৰবিৰাম বৰা, স্বৰ্গীয় দুতিৰাম শইকীয়া প্ৰমুখ্যে অনেকে কাৰাবৰণ আৰু ত্যাগ স্বীকাৰেৰে কামপুৰক ধন্য কৰি থৈ গৈছে। শ্ৰদ্ধেয় স্বৰ্গীয় হলধৰ ভূএগ, স্বৰ্গীয় মহিচন্দ্ৰ বৰাৰ পৰা আৰম্ভ কৰি স্বৰ্গীয় লক্ষীপ্ৰসাদ গোস্বামী, স্বৰ্গীয় খৰ্গেশ্বৰ মজুমদাৰ, শ্ৰীভিৱিৰাম বৰা, স্বৰ্গীয় মানিক বৰা, শ্ৰীবেণুধৰ কলিতা আদিৰ নাম আমি শ্ৰদ্ধাৰে আৰু গৌৰৱেৰে স্মৰণ কৰোঁ। ইং ১৯৪২ চনৰ ভাৰত মুক্তি আন্দোলনতো এই অঞ্চলৰ অৰিহণা লেখত ল'বলগীয়া।

কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰতো কামপুৰ পিছপৰা নহয়। এই কামপুৰতে ইং ১৯৮৫ চনত অসম সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হৈছিল। অসম নাট্য সন্মিলনৰো অধিৱেশন একাধিকবাৰ অনুষ্ঠিত হৈছিল। নাট্য অভিনয়ত কেইবাগৰাকী উল্লেখযোগ্য ব্যক্তিৰ নাম ল'ব পাৰি। যেনে— স্বৰ্গীয় প্ৰেমধৰ বৰুৱা, স্বৰ্গীয় কৃষ্ণ গোস্বামী, স্বৰ্গীয় ক্ষিতেশ্বৰ ভূএগ, স্বৰ্গীয় নিৰ্মল লস্কৰ, স্বৰ্গীয় কনক বৰঠাকুৰ, স্বৰ্গীয় পুনাৰাম বৰা, স্বৰ্গীয় ভদ্ৰ বৰা, স্বৰ্গীয় নৰেন শৰ্মা, শ্ৰীধৰ্মকান্ত বৰুৱা আদি। মহিলা চৰিত্ৰৰ অভিনয়ত স্বৰ্গীয় বগীৰাম লস্কৰৰ নাম উল্লেখযোগ্য।

কিন্তু চাই থাকোঁতেই ঐতিহ্যপূৰ্ণ কামপুৰক চেৰ পেলাই অন্য বহু ঠাই বা অঞ্চল আগুৱাই গ'ল। এসময়ৰ নগাঁও জিলাৰ অন্তৰ্ভুক্ত মৰিগাঁও এতিয়া নতুন জিলা হ'ল। এসময়ৰ কামপুৰ চাৰ্কোলৰ অন্তৰ্ভুক্ত হোজাই মহকুমা হ'ল আৰু সৌ সিদিনা কলিয়াবৰ মহকুমা হ'ল; কিন্তু দুখৰ বিষয় কামপুৰ তেনেই পিছপৰি ৰ'ল। আমি অন্যান্য ঠাই বা অঞ্চলে উন্নতি কৰা আৰু জিলা বা মহকুমা গঠন হোৱাত আনন্দ প্ৰকাশ কৰোঁ। আমি ভাবো সেই ঠাইবোৰ যেন আৰু উন্নত হওঁক। কিন্তু কামপুৰ কিয় পিছপৰি ৰ'ব? সেই কাৰণেই কামপুৰৰ সৰ্বাঙ্গীণ উন্নতিৰ কাৰণে আমি চিন্তা কৰি ব্যৱস্থা ল'বৰ হৈছে আৰু গুৱাহাটীত থকা কামপুৰীয়া সকলৰ এই বিষয়ত গুৰু দায়িত্ব আছে। গুৱাহাটীবাসী কামপুৰ উন্নয়ন কমিটিৰ জন্ম এই কাৰণেই।

অতি পৰিতাপৰ কথা কামপুৰৰ এই শোচনীয় অৱস্থাৰ উপশম ঘটাই উন্নতিৰ পথত আগুৱাই নিবলৈ সবল নেতৃত্বৰ অভাৱ, ইয়াৰ প্ৰয়োজনীয়তা মৰ্মে মৰ্মে উপলব্ধি কৰা হৈছে। ৰাজনৈতিকভাৱে কামপুৰৰ

অঙ্গচ্ছেদ হৈছে। এক অংশ ৰহা বিধান সভা সমষ্টিত এক অংশ যমুনামুখ বিধানসভা সমষ্টিত আৰু অন্য এক অংশ বৰহমপুৰ সমষ্টিত বিভক্ত হৈছে। এই বিভাজনেই কামপুৰবাসীক দুৰ্বল কৰি নেতৃত্বহীন কৰিছে। কামপুৰ ৰেল ষ্টেচনত থকা কামপুৰ নামৰ ফলকখনেই ইয়াৰ এতিয়া একমাত্ৰ চিনাকী আৰু এই বিভাজনৰ কাৰণেই কামপুৰৰ কোনো নিজস্ব প্ৰতিনিধিয়ে বিধানসভাত প্ৰতিনিধিত্ব কৰিব পৰা নাই আৰু সেই কাৰণেই কামপুৰ অঞ্চলৰ অভাৱ-অভিযোগ বিধান সভাৰ মজিয়াত দাঙি ধৰিব পৰা নাই। বৰ্তমান অৱস্থাত কামপুৰৰ অস্তিত্ব সন্দিহান হোৱা বুলি ক'ব পাৰি।

কামপুৰ অঞ্চলক প্ৰতিনিধিত্ব কৰিব পৰাকৈ 'কামপুৰ' বিধানসভা সমষ্টি গঠন হ'ব লাগিব। এই উদ্দেশ্যে প্ৰৱল জনমত গঠন কৰি বিধানসভাৰ সীমা নিৰ্দ্ধাৰণ কমিটিৰ ওচৰত প্ৰবল চাপ সৃষ্টি কৰিব লাগিব আৰু কামপুৰৰ ওপৰত উল্লেখিত চাৰিটা মৌজাৰ অংশবিশেষ লৈ কামপুৰ বিধান সভা সমষ্টি স্বতন্ত্ৰভাৱে গঠন কৰিব লাগিব।

এই বিস্তৃত অঞ্চলৰ উন্নতিৰ কাৰণে অতি প্ৰয়োজনীয় আৰু জৰুৰী ব্যৱস্থা হৈছে কামপুৰক মহকুমালৈ ৰূপান্তৰিত কৰা। এই উদ্দেশ্য সন্মুখত ৰাখি যোৱা ইং ৩-৯-২০০১ চনত গুৱাহাটীত থকা কামপুৰবাসী সকলৰ এখন জৰুৰী সভাত কেইবাজনো বিশিষ্ট ব্যক্তিৰ উদ্যোগত 'গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি' গঠন কৰা হয় আৰু সমিতিয়ে আশাসুধীয়াভাৱে কামপুৰ মহকুমা ঘোষণাৰ কাৰণে অবিৰাম প্ৰচেষ্টা চলাই গৈছে। অতি সুখৰ কথা যে কামপুৰতো এখন প্ৰতিনিধিত্বমূলক সভা যোৱা ২০০১ চনৰ ৩০ অক্টোবৰত কামপুৰ কলেজত অনুষ্ঠিত হৈ গৈছে আৰু ইয়াতেই কামপুৰীয়া ৰাইজৰ মহকুমাৰ দাবী শক্তিশালী ৰূপত উত্থাপন কৰিবলৈ 'কামপুৰ মহকুমা গঠন প্ৰস্তুতি সমিতি' গঠন হৈছে। এতিয়া ৰাইজে সকলো প্ৰকাৰে একত্ৰিতভাৱে কামপুৰ মহকুমা স্থাপনৰ কাৰণে প্ৰৱল জনমত গঠন কৰি এই কাৰ্য সম্পাদন কৰিব লাগে।

নাৰী হৈছে অৰ্দ্ধেক আকাশ। কামপুৰবাসীৰ মহকুমা গঠনৰ এই আন্দোলনত আমাৰ গুৱাহাটীবাসী কামপুৰ মহিলাসকলৰ অৱদান অবিহনে এই শুভকাৰ্য সম্পন্ন নহ'ব। নাৰী শক্তি সৃষ্টিৰ আধাৰ। তেওঁলোকে যেনেকৈ নিজৰ ঘৰ-সংসাৰ গঢ়ি তোলে, সাঁতি-সন্ততি সকলক লালন-পালন কৰি শিক্ষিত কৰি মানুহ হিচাপে গঢ় দিয়ে সেইদৰে কামপুৰৰ উন্নতিৰ কাৰণে

বিশেষ অৰিহণা আৰু অৱদান আগবঢ়াব লাগিব। মই সেয়ে কামপুৰৰ গুৱাহাটীত থকা বাই, ভনী, বোৱাৰী-জীয়ৰী সকলোটিলৈকে মোৰ অন্তৰৰ পৰা অনুৰোধ আৰু আবেদন জনাইছো যাতে তেওঁলোকো আগবাঢ়ি আহে।

কথাতে কয় 'মাউখে উটিলে গুৰি পৰুৱাবো মৰণ নাই'। এই সন্ধিক্ষণত কামপুৰৰ উন্নতিৰ কাৰণে সকলোটি একগোট হৈ আগুৱালে আমাৰ উদ্দেশ্য সিদ্ধি হ'বই। আমাৰ শক্তি আমাৰ ঐক্যৰ ওপৰত। এই শক্তিৰেই শক্তিবান হৈ আমি কামপুৰৰ উন্নতিৰ কাৰণে আগুৱাই যাব লাগিব। ঢোলৰ কোবতকৈ ওঁঠৰ কোবৰ দূৰত্ব অধিক, সেই কাৰণে আহক সকলোৱে আমি এক সুৰে উন্নতিৰ জয়গান গাওঁ—

'কামপুৰ জিন্দাবাদ'

গুৱাহাটী
১০ মাৰ্চ, ২০০২ চন

সুচেন্দ্ৰ নাথ ভূঞা
সভাপতি
গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি,
গুৱাহাটী

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি, গুৱাহাটী

২য় দ্বি-বাৰ্ষিক সাধাৰণ সভা

সভাপতিৰ ভাষণ

ইং ৪ এপ্ৰিল, দেওবাৰ, ২০০৪ চন

স্থান ঃ বিষ্ণু-নিৰ্মলা ন্যাস ভৱন

লতাশিল, গুৱাহাটী — ৩

আজিৰ এই সাধাৰণ সভাত উপস্থিত গুৱাহাটীবাসী কামপুৰীয়াসকল, এই কমিটিৰ কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদক, অন্যান্য বিষয়ববীয়াসকল, নিমন্ত্ৰিত অতিথিসকল আৰু আমাৰ আপোনজন কামপুৰীয়াসকল।

নতুন বছৰৰ আগমনিত গছে কুঁহিপাত মেলিছে, কুলি-কেতেকীৰ মৌ-সনা মাতত প্ৰকৃতিৰ উলহ-মালহ পৰিৱেশ। তাতে আকৌ ৰঙালী বিহুৰ ঢোল-পেঁপা-গগণাৰ মাতত নতুন বছৰৰ আদৰণিৰ মঙ্গল ধ্বনি উচ্চাৰিত হৈছে। এনে এক পৰিৱেশত আমি আজি ইয়াত সমবেত হৈছোঁ। আপোনালোক সকলোটিলৈকে নতুন বছৰৰ শুভেচ্ছা জনাইছোঁ।

আজি আমি দুই বছৰৰ মূৰত কামপুৰৰ সন্তান-সন্ততিসকল, জীয়াৰী-বোৱাৰীসকল, বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়নৰত কামপুৰৰ ছাত্ৰ-ছাত্ৰীসকল আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত জড়িত হৈ থকা সকলো কামপুৰীয়া আবেগ আৰু প্ৰেৰণাত ইয়াত গোট খাইছোহঁক। ২০০২ চনৰ ১০ মাৰ্চ দেওবাৰে গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতিৰ প্ৰথম সাধাৰণ সভা হৈছিল। এই ২ বছৰত আমি আমাৰ লক্ষ্যত উপনীত হ'বলৈ কিমান সাফল্য অৰ্জন কৰিলো তাৰ এটা পৰ্যালোচনাৰ প্ৰয়োজন। কামপুৰৰ সৰ্বাঙ্গীন উন্নতি আমাৰ কাম্য, লক্ষ্য আৰু গুৱাহাটীত থকা কামপুৰীয়া সকলোৰে মিলনৰ এটি অনুষ্ঠান হিচাপেই আমাৰ গুৱাহাটীবাসী কামপুৰ উন্নয়ন কমিটিৰ উদ্দেশ্য।

কামপুৰ কিংবদন্তী আৰু পৌৰাণিক ইতিহাসৰ এখনি স্বনামধন্য ঠাই আৰু আমাৰ সকলোটিৰে ওপজা সোণৰ মাটি কামপুৰৰ প্ৰতি দায়বদ্ধতাত সকলো সাঙোৰ খাই আছো; সেয়ে আমি আমাৰ জন্মস্থান কামপুৰৰ উন্নতি আমাৰ কাম্য।

যোৱা সাধাৰণ সভাতেই কামপুৰৰ উন্নতিৰ কাৰণে দুটা মহৎ উদ্দেশ্য সিদ্ধিৰ কাৰণে সংকল্প লৈছিলো। অসমৰ উন্নতিৰ লগত খোজ মিলাই যাবলৈ কামপুৰ মহকুমা প্ৰতিষ্ঠা কৰাৰ আশু প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰি শক্তিশালী জনমত গঠন কৰিবলৈ আৰু চৰকাৰৰ ওচৰত মহকুমাৰ দাবী উত্থাপন কৰিবলৈ কৰ্মপন্থা হাতত লোৱা হৈছিল। সেইমৰ্মে কামপুৰৰ বিভিন্ন অঞ্চলত সভা-সমিতিকে আদি কৰি কামপুৰক মহকুমা

ঘোষণাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। আমাৰ কমিটিৰ তৰফৰ পৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত সজাতিদল গৈ একাধিকবাৰ কামপুৰ মহকুমা প্ৰতিষ্ঠাৰ কাৰণে অনুৰোধ কৰা হৈছিল। কিন্তু চৰকাৰৰ পক্ষৰ পৰা বিবেচনাৰ আশ্বাস পোৱা স্বত্বেও এতিয়ালৈকে কামপুৰ মহকুমা ঘোষণাৰ ক্ষেত্ৰত চৰকাৰৰ ইতিবাচক সঁহাৰি পোৱা হোৱা নাই। আজিৰ সাধাৰণ সভাত পুনৰবাৰ আমি সজোৰে দাবী উত্থাপন কৰিছো যাতে চৰকাৰে কামপুৰ মহকুমা ঘোষণাৰ দাবীত বিলম্ব নকৰে। এনে কৰিলে জনসাধাৰণৰ প্ৰতি চৰকাৰৰ দায়বদ্ধহীনতাৰে পৰিচয় দিয়া হ'ব।

কামপুৰত থকা অসমৰ ভিতৰতে একমাত্ৰ চেনিকল সম্প্ৰতি অচল। ইয়াৰ পৰিচালনাৰ বিচ্যুতি আৰু দুৰ্নীতিয়েই চেনিকলটো ধ্বংস কৰিলে। ইয়াৰ শ্ৰমিক সকলৰ বৰ্তমান পানীত হাঁহ নচৰা অৱস্থা। চৰকাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি এই চেনিকলটো পুনৰ জীৱিত কৰি তোলাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি শীঘ্ৰে এই শিল্পটো কাৰ্যক্ষম কৰি তোলাৰ কাৰণে চৰকাৰৰ ওচৰত দাবী জনাইছোঁ। কামপুৰৰ দুৰ্বলতা হৈছে 'অঞ্চলৰ উন্নয়নৰ হকে যুঁজিবলৈ ঐক্যবদ্ধ আৰু শক্তিশালী নেতৃত্বৰ অভাৱ। এসময়ত কামপুৰ বিধানসভা সমষ্টিৰ পৰা নিজৰ প্ৰতিনিধি বিধান সভালৈ পঠাব পৰা হৈছিল। আজি আৰু সেই পূৰ্বৰ কামপুৰ বিধান সভাৰ সমষ্টি নাই। বৃহৎ কামপুৰ অঞ্চলক ত্ৰিখণ্ডিত কৰা হ'ল। সুপৰিকল্পিত ৰাজনৈতিক চক্ৰান্তৰ পৰিণতিতেই কামপুৰ এতিয়া শক্তিহীন। কামপুৰৰ জৰাবাৰী মৌজা ৰহা বিধান সভা সমষ্টিৰ লগত, গৰু-বাট মৌজা যমুনামুখ বিধানসভা সমষ্টিৰ লগত আৰু কামপুৰ মৌজা বৰহমপুৰ সমষ্টিৰ লগত লগ লগাই তিনিটা বিধানসভা সমষ্টি গঠন কৰাৰ ফলত কামপুৰৰ উন্নতিৰ হকে মাত মাতিবলৈ বিধান সভা বা মন্ত্ৰীসভা আদিত উপযুক্ত নেতৃত্বৰ অভাৱ ঘটিল। কামপুৰৰ অনগ্ৰসৰতাৰ ইও এটা কাৰণ। আমি এই কাৰণে ঐক্যবদ্ধ হৈ দৃঢ়তাৰে ঐক্যবদ্ধ ধ্বনি তুলিব লাগিব যাতে অতি শীঘ্ৰে বহুধা বিভক্ত মৌজাক একত্ৰিত কৰি বিধান সভা সমষ্টি গঠন হয়।

আমাৰ দাবী— জৰাবাৰী, গৰু-বাট আৰু কামপুৰ এই তিনিটা মৌজাৰে বিধান সভা সমষ্টি গঠন হ'ব লাগিব। কামপুৰ মহকুমা আৰু বিধানসভা সমষ্টি এই দুটা লক্ষ্য পূৰণৰ বাবে আমি সকলো কামপুৰীয়া ৰাইজ একত্ৰিত

হৈ প্ৰৱল জনমত গঢ়ি তুলিব লাগিব আৰু তাৰবাবে কাৰ্যকৰী ব্যৱস্থা ল'ব লাগিব, যাতে আমি কৃতকাৰ্যতাৰ লক্ষ্যত উপনীত হ'ব পাৰো। বৰ্তমান কামপুৰত এটি আদালত আৰু এটা উপ-কোষগাৰ (Sub tresury) ৰ কাৰণে আমাৰ কমিটিৰ তৰফৰ পৰা প্ৰচেষ্টা চলাই থকা হৈছে। চৰকাৰক এই অঞ্চলৰ ৰাইজৰ প্ৰতি থকা দায়বদ্ধতা মনত ৰাখি মহকুমা আৰু বিধান সভা সমষ্টি আদায় কৰিব পৰা যায়। আমি আমাৰ নতুন প্ৰজন্ম ছাত্ৰ-ছাত্ৰী সকলৰ লগতে যুৱ শক্তিৰ আৰু নাৰী শক্তিক সংগঠিত কৰি ঐক্যবদ্ধভাৱে জোৰ দিব লাগিব আৰু আন্দোলনৰ গতি শক্তিশালী আৰু ব্যাপক কৰি তুলিব লাগিব। আমি প্ৰত্যেকজনেই আমাৰ শক্তি আৰু সামৰ্থ অনুসৰি কামপুৰত থকা বিভিন্ন প্ৰাথমিক পৰ্যায়ৰ পৰা কলেজ পৰ্যায়লৈকে শিক্ষা অনুষ্ঠানৰ লগত জড়িত হোৱাটো মই বাঞ্ছা কৰোঁ।

প্ৰাথমিক পৰ্যায়ৰ পৰা কলেজ পৰ্যায়লৈকে শিক্ষা অনুষ্ঠানবোৰত একোটি সৰু পুথিভঁৰাল গঢ় দিয়াত প্ৰত্যেকে নিজৰ সামৰ্থ অনুযায়ী যত্ন লওঁক। প্ৰাইমাৰী পৰ্যায়ত এটি আলমাৰিত প্ৰধান শিক্ষকৰ তত্ত্বাৱধানত উপযোগী কিতাপ ৰাখি সৰুৰেপৰাই আমাৰ উঠি অহা প্ৰজন্মক গঢ় দিয়াত সজাগ প্ৰচেষ্টা লোৱাত আমি যত্ন ল'ব পাৰোঁ। প্ৰত্যেকটো পুথিভঁৰালত সেই স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত আৰু বোধগম্য হোৱা কিতাপ আমি কিয় দিব নোৱাৰিম?

ভাৰতৰ ৰাষ্ট্ৰপতি এ. পি. জে আব্দুল কালামৰ উদাহৰণ ল'ব পাৰোঁ। তেখেতে ভাৰতৰ ভৱিষ্যত উন্নতিৰ অৰ্থে যেতিয়াই পাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মিলিত হয় আৰু মত বিনিময় কৰি উপদেশ আৰু পৰামৰ্শ দিয়ে যাতে ভৱিষ্যতৰ সু-নাগৰিক হিচাপে তেওঁলোকে গঢ় লৈ উঠিব পাৰে, আমি কামপুৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সু-নাগৰিক হিচাপে গঢ়ি তুলি কামপুৰৰ উন্নতিৰ হকে তেওঁলোকৰ অন্তৰত স্বদেশপ্ৰেম জাগ্ৰত কৰিবৰ কাৰণে তেনে ব্যৱস্থা ল'ব পাৰো।

সুখৰ কথা যে কামপুৰৰ শিক্ষানুষ্ঠান বিলাকত সম্প্ৰতি এটা উন্নত শিক্ষাৰ পৰিৱেশ গঢ়ি উঠিছে আৰু এই অঞ্চলৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিক্ষান্ত পৰীক্ষাত মেধাৰ পৰিচয় দিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত কামপুৰ উচ্চতৰ মাধ্যমিক ও বহুমুখী বিদ্যালয় আৰু শঙ্কৰদেৱ একাঁডেমীৰ

পৰা কেইবাগৰাকী শিক্ষাৰ্থীয়ে যথাক্ৰমে পাৰদৰ্শিতা আৰু কৃতিত্বৰ পৰিচয় দি সন্মানীয় স্থান অধিকাৰ কৰিছে। আঞ্চলিক ছাত্ৰ সন্থাইও মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ৰাজহুৱাভাৱে অভিনন্দন জনাই শিক্ষাৰ প্ৰতি প্ৰেৰণা যোগাই সমগ্ৰ অঞ্চলতে উদ্‌গনি দিছে। আমি আশা ৰাখিছো উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে সীমিত সুবিধাৰ মাজেদি তেওঁলোকে সুস্থ আৰু উন্নত শিক্ষা-জীৱনৰ যোগেদি কামপুৰৰ উন্নতিত অৰিহণা যোগাব পাৰিব।

গুৱাহাটীবাসী কামপুৰীয়া সকলৰ গুৱাহাটী মিলনৰ কেন্দ্ৰস্থল হিচাপে এটি কামপুৰ ভৱন প্ৰতিষ্ঠা কৰিবৰ কাৰণে আমি সকলোৱে হাবিয়াস কৰো। যোৱা সাধাৰণ সভাতে এই বিষয়ে এটি সাৰ্বজনীন মত্ পোষণ কৰা হৈছিল। কিন্তু দুখৰ কথা আজি পৰ্যন্ত সেই আঁচনি সফল হৈ উঠা নাই। আমি আশা ৰাখিছো গুৱাহাটীবাসী কামপুৰীয়া সকলৰ ভিতৰৰ পৰা নিশ্চয় সদাশয় ব্যক্তি ওলাব যি এটুকুৰা মাটি আগবঢ়াব পাৰিব, নতুবা আমাৰ মনোবল আৰু প্ৰচেষ্টা অটুট থাকক।

আমাৰ অভিজ্ঞতাৰ পৰাই আমি শিক্ষা গ্ৰহণ কৰি আমাৰ ভিতৰত থকা ত্ৰুটি-বিচ্যুতিসমূহ দূৰ কৰি অটুত মনোবল লৈ একেলগে আগবাঢ়ি যাব লাগিব। কলং-কপিলী একাকাৰ হৈ প্ৰৱল আৰু বিশাল জোৱাৰ সৃষ্টি কৰাৰ দৰে স্থানীয় কামপুৰৰ ৰাইজ আৰু গুৱাহাটীবাসী কামপুৰীয়া সকলৰ ঐক্যবদ্ধ প্ৰচেষ্টা, একতা আৰু সন্মিলিত শক্তিয়ে আমাৰ লক্ষ্যত আগুৱাই যাবলৈ শক্তি যোগাওক। বৰ্তমান অবহেলিত কামপুৰ নিশ্চয় এদিন শিক্ষা-সংস্কৃতি আৰু বিভিন্ন দিশত জক্‌মকাই জিলিকি উঠিব। কামপুৰ মহকুমা প্ৰতিষ্ঠিত হ'বই লাগিব আৰু কামপুৰ বিধানসভা সমষ্টি গঠনো হ'ব লাগিব, কামপুৰৰ সৰ্বাঙ্গীন উন্নতিৰ অৰ্থে কামপুৰৰ জনতাৰ পৰাই যোগ্য নেতৃত্ব গঢ়ি তুলিব লাগিব।

আহক, আমি কামপুৰীয়াসকলে য'তেই থাকোঁ সকলোটি কামপুৰৰ উন্নতিৰ স্বাৰ্থত একত্ৰিত হৈ আগবাঢ়ি যাওঁ। আমি কামপুৰৰ সন্তান-সন্ততি আই, বাই-ভনী, ককাই-ভাই সকলোটিকে আবেদন জনাওঁ যি যেনেকৈ পাৰে সকলোটিয়ে আমাৰ জন্মস্থান কামপুৰৰ উন্নতিত অৰিহণা যোগাওঁক। যাতে অদূৰ ভৱিষ্যতে কামপুৰত প্ৰতিভাৰ সূৰ্যোদয় পোহৰ জিলিকি উঠে। আমি আমাৰ শক্তি আৰু সামৰ্থৰে আগবাঢ়ি যাওঁ। আমাৰ পিছত নতুন

প্ৰজন্মই আমাতকৈ বহুতো অৰিহণা যোগাই কামপুৰৰ আকাশত উন্নতিৰ তৰাৱলীয়ে তিৰবিৰাই সমগ্ৰ কামপুৰ অঞ্চল উজলাই তুলিব। কলং-কপিলীপৰীয়া কবি নৱকান্ত বৰুৱাৰ কবিতাৰে কামপুৰ বন্দনাৰে সামৰিছো

হয়তো নহ'ব পাৰে মোৰ আই সবাতো শুৱনি
তথাপি আপোন মোৰ আই,
গছ-লতা ফুলে ভৰা এইখন ধুনীয়া ধৰণী
তেঁৱে মোক দিলেহি চিনাই।

জয় কামপুৰৰ জয়।।

কামপুৰ জাতীয় বিদ্যালয়

কামপুৰ ঃ নগাঁও (অসম)

স্থাপিত ঃ ১৯৯৭ চন

সশ্ৰদ্ধাৰ প্ৰাক্তন মহাধিবক্তা মাননীয়

শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱৰ প্ৰতি কৃতজ্ঞতাৰ শৰাই

হে মহানজন,

আজিৰ এই আনুষ্ঠানিক প্ৰভাতত আমি জাতীয় বিদ্যালয়ৰ পৰিয়ালে আপোনাক আমাৰ বুলিবলৈ পাই আমি নথৈ আনন্দিত। সুদীৰ্ঘ জীৱন বাট পৰিক্ৰমী বিয়লি বেলা আমাৰ ব্যক্তিগত শিক্ষাকেন্দ্ৰটিলৈ আপোনাৰ আৰাধ্য মাতৃ 'ৰঞ্জনী ভূঞা' আইৰ স্মৃতিৰ্থে এটি ভৱন নিৰ্মাণেৰে আপুনি যি মহানুভৱতাৰ চানেকী দাঙি ধৰিলে তাত আমি চিৰ কৃতজ্ঞ হৈ ৰ'লো।

হে দানবীৰ শ্ৰীযুত ভূঞাদেৱ, আমি আশা কৰো এই 'ৰঞ্জনী ভূঞা ভৱনে'ই হওক আপোনাৰ জন্মদাত্ৰী আইৰ প্ৰতি উন্মুখ উদাৰতাৰ পুৱাৰ নৱ-সূৰ্য। আজি এই সন্ধিক্ষণত আপোনাৰ সুদীৰ্ঘ জীৱন আৰু সু-স্বাস্থ্য একান্তই কামনা কৰিলো। ইতি—

ধন্যবাদেৰে—

শ্ৰীকমল লস্কৰ
সভাপতি,

শ্ৰীমোলান লস্কৰ
সম্পাদক,

কামপুৰ জাতীয় বিদ্যালয়।

তাৰিখ ঃ ১৪-০২-১৯৯৯

মাননীয় শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱলৈ

প্ৰশস্তি-পত্ৰ

সশ্ৰদ্ধাৰ হে মহামান্য শ্ৰীযুত ভূঞাদেৱ,

১৯২৪ চনত কামপুৰৰ নাৰিকলিত জন্ম লভা আপুনি কামপুৰৰ এক উজ্জ্বল নক্ষত্ৰ। যৌৱন কালতে আপুনি অধ্যয়নৰ লগে লগে দেশমাতৃৰ প্ৰতি সেৱা আগবঢ়াই পৰৱৰ্তীকালত অসম চৰকাৰৰ এডভোকেট জেনেৰেলৰ পদ সুশোভিত কৰে। জীৱনৰ বিয়লি বেলাতো গুৱাহাটী মহানগৰীৰ স্থায়ী বাসিন্দা হৈও জন্মস্থান কামপুৰত বিদ্যালয়ৰ গৃহদান, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতি দাতা হিচাপে মহানুভৱতাৰ পৰিচয় দিছে। আপুনি কামপুৰক অসমৰ এখন নগৰী গঢ়াৰ মানসৰে উদ্যোগ-প্ৰতিষ্ঠান গঢ়া আৰু মহকুমা স্থাপনতো দৃঢ় প্ৰতিজ্ঞ। আপোনাৰ এই যাত্ৰাত আমি কামপুৰবাসী সানন্দে সহযাত্ৰী।

আমি কামপুৰবাসীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যে আপোনাৰ দীৰ্ঘ জীৱনে কামপুৰক উজ্বলাই তোলক।

তাং — ০৬/১০/২০০১

শ্ৰীসভাৰাম মজুমদাৰ (সভাপতি)
শ্ৰীৰোহিনী বৰুৱা (সম্পাদক)
কামপুৰ স্বৰাজভৱন পৰিচালনা সমিতি,
কামপুৰ, নগাঁও (অসম)

প্ৰাক্তন মহাধিবক্তা মাননীয় শ্ৰীযুত সুচেন্দ্ৰনাথ ভূঞাদেৱলৈ
আমাৰ সম্বৰ্দ্ধনা

শ্ৰদ্ধাভাজনেষু,

আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব। আমি আজি আপোনাক আমাৰ মাজত পাই বৰ আনন্দিত হৈছো। আপুনি কামপুৰৰ এগৰাকী সুযোগ্য সন্তান। অসম চৰকাৰৰ সন্মানীয় আৰু গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ সুচাৰুৰূপে কাৰ্যনিৰ্বাহ কৰি সুনাম অৰ্জন কৰা ব্যক্তিগৰাকী কামপুৰৰে মানুহ বুলি আমি গৌৰৱ অনুভৱ কৰো। আপুনি এগৰাকী মহান দাতা, আপোনাৰ দানেৰে গঢ়লৈ উঠা বা গঢ় লৈ উঠিব খোজা অনুষ্ঠানখিনিয়ে চিৰদিন আপোনাৰ জয়গান গাই থাকিব। সেয়েহে আপোনাৰ দৰে এগৰাকী ব্যক্তিক আমি আজি সম্বৰ্দ্ধনা জনাবলৈ পাই অতিশয় আনন্দিত হৈছোঁ।

পৰমেশ্বৰে আপোনাক সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কৰি ৰাইজৰ সেৱা কৰিবলৈ সুযোগ দিয়ক, এয়ে আমাৰ কামনা।

কামপুৰ
২৯/১০/২০০১

ইতি—
বিনয়াবনত

কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ
শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ হৈ—
শ্ৰীপুণিৰাম শইকীয়া
অধ্যক্ষ

প্ৰশংসা-পত্ৰ

প্ৰতি, দিনাংক ঃ ২৮ ডিচেম্বৰ, ২০০৩

শ্ৰদ্ধেয়

শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞা, প্ৰাক্তন মহাধিবক্তা, অসম।

Chairman, Swagat Endolaparoscoic Surgical Research Institute. A.T. Road, Shantipur, Ghy– 9

আগন্তুক নৱবৰ্ষ আৰু ভোগালী বিহুৰ ওলগ জনোৱাৰ লগতে আপোনালোক দুয়োৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

আমি আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে আপোনাৰ অতিকৈ মৰমৰ প্ৰতিষ্ঠান 'স্বাগত চিকিৎসালয়'ৰ পৰম শ্ৰদ্ধেয় খ্যাতনামা সু-চিকিৎসক ডাঃ সুভাষ খান্না আৰু তেখেতৰ সতীৰ্থবৰ্গই বৃহত্তৰ কামপুৰ অঞ্চলৰ ৰাইজৰ কাৰণে যি বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ালে তাক ভাষাৰে বৰ্ণাব নোৱাৰি। এই মহান কৰ্মৰ চানেকি আৰু মানৱ সেৱাৰ অদম্য হেঁপাহক ৰোগীসকলে আৰু সমিতিৰ সমূহ সদস্যই কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে শলাগ লৈছো। সু-চিকিৎসক ডাঃ সুভাষ খান্না আৰু তেখেতৰ সতীৰ্থবৰ্গৰ মানৱ সেৱাৰ প্ৰতি থকা ধাউতিৰ যি উদাহৰণ প্ৰকাশ কৰিলে তাক কামপুৰীয়া ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে।

আমি সমূহ কামপুৰবাসী ৰাইজে সমূহ সু-চিকিৎসকৰ লগতে আপোনাৰ নিজ জন্মস্থানৰ প্ৰতি থকা আন্তৰিকতা আৰু অৱদান শ্ৰদ্ধাৰে সোঁৱৰিছো। আমি আশা ৰাখিছো, এই মৰম, এই আশিষ আৰু এই অৱদান অদূৰ ভৱিষ্যতেও আপোনাৰ জন্মস্থানৰ ৰাইজে পাই থাকক, ভগৱানে আপোনাৰ লগতে সমূহ চিকিৎসকক দীৰ্ঘায়ু প্ৰদান কৰক যাতে সময় অনুকুলে দুখীয়া ৰাইজে আপোনাৰ জৰিয়তে পোহৰৰ ৰেঙণি দেখা পায়। বৃহত্তৰ কামপুৰ অঞ্চলৰ দুখীয়া ৰাইজৰ প্ৰতি আগবঢ়োৱা মানৱসেৱাৰ অৱদান ভৱিষ্যতেও আগবঢ়ালে ৰাইজ আৰু বহু পৰিমাণে উপকৃত হোৱাৰ লগতে কৃতজ্ঞ হ'ব।

সদৌ শেষত সমূহ কামপুৰবাসী ৰাইজৰ তথা বিনামূলীয়া স্বাস্থ্য-সেৱা শিবিৰৰ সমূহ কৰ্মকৰ্তা আৰু কামপুৰ আঞ্চলিক ছাত্ৰ সন্থাই আপোনালোকৰ সুন্দৰ ভৱিষ্যত, সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

ইতি

শ্ৰীমিণ্টু ৰাজখোৱা (সভাপতি)	**শ্ৰীযুগল লস্কৰ (সভাপতি)**
শ্ৰীসঞ্জীৱ লস্কৰ (সম্পাদক)	**শ্ৰীপুণিৰাম শইকীয়া (সম্পাদক)**
কামপুৰ আঞ্চলিক ছাত্ৰ সন্থা, কামপুৰ	বিনামূলীয়া স্বাস্থ্য-সেৱা সমিতি, কামপুৰ

মাননীয় অসমৰ প্ৰাক্তন মহাধিবক্তা তথা আইন উপদেষ্টা শ্ৰীযুত সুচেন্দ্ৰ নাথ ভূঞাদেৱলৈ অভিবাদন

হে সুধী,

জয়জয়তে অসম ৰাজ্যৰ মহাধিবক্তা হিচাপে অধিষ্ঠিত হৈ কামপুৰ অঞ্চললৈ প্ৰথম গৌৰৱ কঢ়িয়াই অনাৰ কাৰণে আমি খুবেই আনন্দিত ও গৌৰৱান্বিত। অৱসৰ গ্ৰহণৰ অন্তত এই বৃদ্ধ-ৰস্থাতো বয়সক আসৈ নিদিয়াকৈ, কামপুৰৰ সু-সন্তান হিচাপে আপুনি আৰু আপোনাৰ সুযোগ্য সহধৰ্মিনী শ্ৰীযুতা সুভদ্ৰা ভূঞা আইদেউৰ সহযোগত গুৱাহাটী মহানগৰীত 'স্বাগত' নামেৰে এখন অত্যাধুনিক চিকিৎসালয় নিৰ্মাণ কৰি য'ত চিকিৎসাসেৱাৰ বাবদ কামপুৰীয়া ৰাইজৰ কাৰণে শতকৰা পঁচিশ ভাগ অৰ্থ ৰেহাই আৰু গুৱাহাটীত 'কামপুৰ ভৱন' নামেৰে নামকৰণ কৰি কামপুৰীয়া ৰাইজৰ আশ্ৰয়স্থলী হিচাপে এটি ভৱন নিৰ্মাণৰ ব্যৱস্থাত আমি শলাগ লৈছো। কামপুৰ অঞ্চলৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিকভাৱে চিহ্নিত অনুষ্ঠানসমূহলৈ বিভিন্ন মাধ্যমেৰে আৰ্থিক সহায় যোগবঢ়াই চিৰসেউজ কৰি তোলাৰ প্ৰতি ব্ৰতী হোৱাত, কামপুৰক সৰ্বাঙ্গ সুন্দৰ কৰি তোলাৰ মানসেৰে কামপুৰ বজাৰক নগৰলৈ উন্নীত কৰাৰ উপৰিও কামপুৰ অঞ্চলৰ ৰাইজৰ সকলো দিশতে উন্নতি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কামপুৰক মহকুমালৈ উন্নীত কৰাৰ প্ৰচেষ্টাক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

হে সদাশয়,

আজি দেৱনাৰিকলি গাঁৱৰ 'বণিয়া' সমাজৰ দ্বাৰা পালিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী ৰত্নাৱলী থানঘৰৰ মণিকূটটি পুনৰ নিৰ্মাণৰ আধাৰশিলা অনুষ্ঠানৰ দৰে এনে এক শুভ ক্ষণত আপুনি মুখ্য ভূমিকাৰে অংশ গ্ৰহণ কৰি আমাক উৎসাহিত কৰাৰ কাৰণে আমি শতকোটিবাৰ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত আপোনাৰ ও আপোনাৰ পৰিয়ালৰ সকলোটিৰে দীৰ্ঘায়ু কামনা কৰি আমাৰ অভিবাদন সামৰিলো। ইতি —

শ্ৰীতৰুণ হাজৰিকা
সভাপতি

শ্ৰীথুলেশ্বৰ হাজৰিকা
সম্পাদক

শ্ৰীশ্ৰীৰত্নাৱলী থানঘৰ নিৰ্মাণ সমিতি
বণিয়া সমাজ, দেৱনাৰিকলি



The Cotton College Union Society

FINE ARTS' COMPETITION—1953.

This is to certified that Suchen Bhuyan

has been awarded First prize in Extempore Speech.

JUDGES

1. [illegible]

2. [illegible]

3.

H. C. Bhuyan
President,

[illegible]
Secretary, Cultural Affairs,
Cotton College Union Society.

Dated Gauhati,
the 28th January, 1953.

Judges.

1.Md. Raihan Shah   2. Bhabananda Dutta

১৯৫৩ চনত কটন কলেজৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে সুচেন ভূঞাই

Professor Birinchi Kumar Barua
M.A., B.L., Ph.D. (London)
Secretary University Classes
GAUHATI UNIVERSITY

Date 18-5-56
Gauhati

I have pleasure in testifying to the satisfactory conduct and character of Shri Suchendra Nath Bhuyan, who was a student of the Post-graduate(History) Classes of the Gauhati University during the session 1953-55 and passed the M.A. Examination in the above subject, from the Gauhati University, in 1956, securing Second Class second position, in order of merit.

I have pleasure to record that I always found Shri Bhuyan regular and sincere in his attendance and studies. He is an intelligent, honest, sincere, diligent and smart young man of amiable disposition and pleasing manners, coupled with a keen sense of discipline and responsibility. While a student, he actively participated in the extra-curricular activities, as the General Secretary of the Post-graduate Students' Union and discharged all the functions entrusted to his care and responsibility in a most competent and successful manner. As a successful debater he made his mark in the All Assam Debating competition in 1954 and annexed the 'Runners up' trophy. He participated in the Inter 'Varsity Debating competition (Eastern Zone) held in Calcutta under the auspices of the All India Radio in October, 1954, with credit.

He organised the first All Assam Inter College Sports Festival in 1956 as its General Secretary and managed all the affairs in this connection, in a very creditable manner.

I wish him all success in life, and safely recommend him for any position of trust and responsibility

SECRETARY
University Classes,
Gauhati University.

১৯৫৬ চনত প্ৰফেচাৰ বিৰিঞ্চি কুমাৰ বৰুৱাই সুচেন্দ্ৰ নাথ ভূঞাক প্ৰদান কৰা পাৰদৰ্শিতাৰ প্ৰমাণ পত্ৰ

Dr. Suryya Kumar Bhuyan,
M.A., B.L. (Cal.), Ph.D (Lond.), D.Lit (Lond.)

Company Bagan Road,
Gauhati, Assam.

The 31st August 1956.

I have known Sriman Suchendra Nath Bhuyan, M.A. for many years past, and very intimately during the last few years when he was living in our immediate neighbourhood.

Suchendra comes from a respectable Assamese Hindu family of Nowgong District. He is a young man of unusual stamina and grit, with a capacity for hard and concentrated work. In my opinion he will be an asset to any institution.

He bears an excellent moral character. I wish him all success.

ড° সূৰ্য কুমাৰ ভূঞাই ১৯৫৬ চনত সুচেন ভূঞা সম্পৰ্কে লিখা এটি টোকা

Prof. S. M. ISLAM M.A., LL.B.
Department of History,
Cotton College,
Gauhati.

Date......

This is to certify that Sri Suchandra Nath Bhuyan M.A. had been a student of mine for nearly three years while he had been studying degree course in the Cotton College, Gauhati. I am glad to say that I was deeply impressed with his conduct, manners and merit. He had left a uniformly brilliant record in History and secured the highest marks in the Degree Test Exam. His subsequent results just upheld the view I hold. I am of opinion that he will be a valuable hand in the teaching department of any first grade college.

I wish him all success & prosperity.

Countersigned.

31/8/56

Principal,
Cotton College, Gauhati.

S. M. Islam
Department of History
Cotton College
Gauhati
31/8/56

ছাত্ৰ অৱস্থাত সুচেন ভূঞাই লাভ কৰা পাৰদৰ্শিতাৰ প্ৰমাণ পত্ৰ



১৯৩৮ চনত এম. ই বৃত্তি পাই হাইস্কুললৈ যোৱা অৱস্থাত সুচেন নাথ ভূঞা

৯৫৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতি।
(বহি থকা বাওঁফালৰ পৰা তৃতীয়জন সুচেন ভূঞা)

১৯৫৪ চনত কলকাতাত অনুষ্ঠিত আন্তঃ বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত সুখ্যাতি লাভ কৰা তাৰ্কিকসকলৰ লগত সুচেন ভূঞা।



বিয়াৰ পিছত সুচেন ভূঞা আৰু পত্নী সুভদ্ৰা ভূঞা।



২০০০ চনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনৰ সদস্যসকলৰ সৈতে শ্ৰীভূঞা।



১৯৯৪ চনত অসম চৰকাৰৰ মহাধিবক্তা ৰূপে সুচেন্দ্ৰ নাথ ভূঞা।



২০০১ চনত নতুন দিল্লীত অনুষ্ঠিত আন্তৰ্জাতিক আইন সন্মিলনত সপত্নীক সুচেন ভূএগ্ৰা।



১৯৯৯ চনত সুচেন ভূঞাই মাতৃৰ স্মৃতিত নিৰ্মাণ কৰা
কামপুৰ জাতীয় বিদ্যালয়ৰ ৰঞ্জনী ভূঞা ভৱন।

কামপুৰ ছোৱালী হাইস্কুলত শ্ৰীভূঞাই নিৰ্মাণ কৰি দিয়া কোঠাটো।



কামপুৰৰ স্বৰাজ ভৱন।
ইয়াতে শ্ৰীভূএগ্ৰাৰ পৃষ্ঠপোষকতাত Sound System ৰ ব্যৱস্থা কৰা হয়।

পকীৰণৰ পিছত নিজনাৰিকলি প্ৰাথমিক বিদ্যালয়ত সপত্নীক সুচেন ভূএগ্ৰা।

বাওঁফালৰ পৰা (বহি) সুচেন্দ্ৰ নাথ ভূঞা, (মাজত) নাতিনী শ্বেতা ভূঞা (লুনা) আৰু পত্নী সুভদ্ৰা ভূঞা (থিয় হৈ) পুত্ৰ উজ্জ্বল ভূঞা, বোৱাৰী সংঘমিত্ৰা দাস ভূঞা

বহি থকা বাওঁফালৰ পৰা ঃ ডাঃ সুভাষ খান্না (জোঁৱাই), আয়ুস্মান খান্না (নাতি), সুচেন্দ্ৰ নাথ ভূঞা, দেৱশ্ৰী (নাতি), সুভদ্ৰা ভূঞা (পত্নী), ৰাজশ্ৰী আৰু অভিলেখ (নাতি), ডাঃ বিষ্ণুপ্ৰসাদ দাস (জোঁৱাই) থিয় হৈ বাওঁফালৰ পৰা ঃ অংশুমান খান্না (নাতি), ডাঃ স্বাগতা ভূঞা খান্না (জী), অনুলেখা ভূঞাসেন ডেকা (জী), ডাঃ জ্যোতি ভূঞা দাস (জী)

মাজু জোঁৱাই নীলমণি সেন ডেকা আৰু তেওঁৰ পৰিয়াল।

শ্ৰীসুচেন্দ্ৰ নাথ ভূঞাৰ একাশীতম জন্মদিন উদযাপন কমিটিৰ কৰ্মকৰ্তা আৰু সদস্যসকল



বাওঁফালৰ পৰা ঃ গিৰিশ চন্দ্ৰ লস্কৰ, দুলন চন্দ্ৰ নাথ (যুগ্ম আহ্বায়ক), ড° লিলি ৰাজবংশী (উপদেষ্টা), কামেশ্বৰ লস্কৰ (যুগ্ম আহ্বায়ক), বিশ্ব ভূঞা, ডাঃ ভুবনেশ্বৰ ভূঞা (ব্যৱস্থাপনা আৰু প্ৰচাৰ সচিব)। ইয়াত সম্পাদক সত্যজিৎ ভূঞা আৰু সহকাৰী সম্পাদক দীপ ভূঞা অনিবাৰ্য্য কাৰণবশতঃ উপস্থিত থাকিব নোৱাৰিলে।



কৰ্মৰত অৱস্থাত সুচেন্দ্ৰ নাথ ভূঞা

গুৱাহাটীবাসী কামপুৰ উন্নয়ন সমিতি ঃ স্থাপিত ২০০১ চন
কাৰ্যনিৰ্বাহক কমিটিৰ কৰ্মকৰ্তা, সদস্য-সদস্যাসকল (২০০৪ - ০৫ ; ২০০৫ -০৬)



বাওঁফালৰ পৰা (বহি) ডা ঃ জীৱন চন্দ্ৰ লস্কৰ, চৰ্দাৰ কণ সিং, ড° লিলি ৰাজবংশী(উপ-সভানেত্ৰী), সুচেন্দ্ৰ নাথ ভূঞা (সভাপতি), সুভদ্ৰা ভূঞা, লক্ষ্মী ভূঞা, অতুল চন্দ্ৰ গোস্বামী (সহকাৰী সম্পাদক), কামেশ্বৰ লস্কৰ (কাৰ্যকৰী সভাপতি), থিয় হৈ দুলন চন্দ্ৰ নাথ (সম্পাদক প্ৰধান), সুৰেন্দ্ৰ নাথ লস্কৰ, গিৰিশ চন্দ্ৰ লস্কৰ, ঘনকান্ত লস্কৰ, বিশ্বনাথ ভূঞা (উপ-সভাপতি), দেবেন্দ্ৰ নাথ লস্কৰ, নৰেন্দ্ৰ নাথ হাজৰিকা (কোষাধ্যক্ষ), মুকুতা মুদৈ আৰু ডাঃ ভুবনেশ্বৰ ভূঞা (সম্পাদক)